সকলো দেশৰ শ্ৰমিক এক হওক!

# লেনিন

## প্ৰলিতাৰীয় আন্তৰ্জাতিকতাবাদৰ সন্দৰ্ভত

ORATE OF LIBRARY SERVICES • GUWAHATI • ASSAM

প্ৰগতি প্ৰকাশন
মস্কো

অনুবাদক: হেম শৰ্মা

## প্ৰকাশকৰ বক্তব্য

বৰ্তমান সংকলনত অন্তৰ্গত প্ৰবন্ধবোৰৰ অনুবাদ কৰা হৈছে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ অধীনস্থ মাৰ্ক্সবাদ-লেনিনবাদ ইনষ্টিটিউটৰ দ্বাৰা প্ৰস্তুত ভি. আই. লেনিনৰ ৰচনাৱলীৰ পঞ্চম ৰুছ সংস্কৰণৰপৰা।

**В. И. Ленин**

О ПРОЛЕТАРСКОМ ИНТЕРНАЦИОНАЛИЗМЕ

*На языке ассами*

**V. I. Lenin**

ON PROLETARIAN INTERNATIONALISM

*In Assamese*

অসমীয়া অনুবাদ · প্ৰগতি প্ৰকাশন · মস্কো · ১৯৮৭

ছোভিয়েত ইউনিয়নত মুদ্ৰিত

Л $\frac{0101020000-419}{014(01)-87}$ 268—87

## সূচী

ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ এখন কাৰ্য্যসূচীৰ খচৰা আৰু ব্যাখ্যা

কাৰ্য্যসূচীৰ ব্যাখ্যা (উদ্ধৃতি) . . . . . . . . . . . ৭

মে' দিৱস . . . . . . . . . . . . . . . . . ৯
'বিপ্লৱৰ প্ৰথম বিজয়' প্ৰবন্ধৰপৰা . . . . . . . . . . ১৪
'দুমাত আমাৰ দলৰ ঘোষণাপত্ৰ' প্ৰবন্ধৰপৰা . . . . . . . ১৬
'বিশ্ব ৰাজনীতিত দাহ্য উপাদান' প্ৰবন্ধৰপৰা . . . . . . . ১৭
শান্তিৰ কাৰণে ব্ৰিটিছ আৰু জাৰ্মান শ্ৰমিকসকলৰ সমাৱেশ . . . ১৯
ইউজেন পতিয়ে . . . . . . . . . . . . . . . ২৩
যুদ্ধ আৰু ৰুছ ছচিয়েল-ডেমক্ৰেচি . . . . . . . . . ২৬
সমাজতান্ত্ৰিক আন্তৰ্জাতিকৰ অৱস্থান আৰু কৰ্তব্য . . . . . . ৩৫
মৃত অন্ধ-দেশহিতৈষিকতা আৰু জীৱন্ত সমাজতন্ত্ৰ (আন্তৰ্জাতিকক কেনেকৈ পুনৰুদ্ধাৰ কৰা যায়) . . . . . . . . . ৪৩
'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীলৈ এখন চিঠি (অংশবিশেষ) ৪৫
'ভুৱা পতাকাৰ তলত' (অংশবিশেষ) . . . . . . . . . . ৪৮
বিদেশত থকা ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ গোষ্ঠীবোৰৰ সম্মিলন

সম্মিলনৰ প্ৰস্তাৱৰপৰা অংশবিশেষ . . . . . . . . . ৫৩

আন্তৰ্জাতিকতাবাদীসকলৰ ঐক্যৰ প্ৰশ্ন . . . . . . . . . ৫৫
'যুদ্ধ সম্পৰ্কে প্ৰধান জাৰ্মান সুবিধাবাদী ৰচনা' (উদ্ধৃতি) . . . ৬০
'শান্তিৰ প্ৰশ্ন' প্ৰবন্ধৰপৰা . . . . . . . . . . . . ৬১
'সমাজতন্ত্ৰ আৰু যুদ্ধ' পুস্তিকাৰপৰা
প্ৰথম অধ্যায়ৰপৰা। জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ . . ৬৫

তৃতীয় অধ্যায়। আন্তর্জাতিকৰ পুনৰুদ্ধাৰ . . . . . . . . ৬৬
'সমাজতন্ত্ৰী প্ৰচাৰ সংঘ'ৰ সম্পাদকলৈ চিঠি . . . . . . . . ৭৬
'সমাজতান্ত্ৰিক বিপ্লৱ আৰু জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ' প্ৰবন্ধৰপৰা (থিছিছ) . . . . . . . . . . . . . . ৮১
'আত্মনিয়ন্ত্ৰণ সম্পৰ্কে আলোচনাৰ সাৰাংশ'-ৰপৰা . . . . . . ৮৭
'ছুইচ ছচিয়েল ডেমক্ৰেটিক পাৰ্টিত বামপন্থী ছিমেৰ্ভাল্ডপন্থীসকলৰ কাম' পুস্তিকাৰপৰা . . . . . . . . . . . . . ৯৯
যুদ্ধৰ আন্তৰ্জাতিক . . . . . . . . . . . . . . . ১০১
'আন্তৰ্জাতিক ছচিয়েলিষ্ট কমিটি আৰু সকলো সমাজতান্ত্ৰিক পাৰ্টিলৈ আবেদনৰ থিছিছ', অশোধিত খচৰা (উদ্ধৃতি) . . . . ১০৬
'আমাৰ বিপ্লৱত প্ৰলিতাৰিয়েতৰ কৰ্তব্য (প্ৰলিতাৰীয় পাৰ্টিৰ বাবে খচৰা কাৰ্যক্ৰম)' পুস্তিকাৰপৰা
কৃষি আৰু জাতি-সংক্ৰান্ত কাৰ্যসূচী (উদ্ধৃতি) . . . . . . ১০৮
সমাজতান্ত্ৰিক আন্তৰ্জাতিকৰ আভ্যন্তৰীণ পৰিস্থিতি . . . ১০৯
ছিমেৰ্ভাল্ড আন্তৰ্জাতিকৰ পতন। তৃতীয় আন্তৰ্জাতিক প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা . . . . . . . . . . . . . . ১১৬
ৰণলিপ্ত সকলো দেশৰ সৈনিকসকললৈ আবেদন . . . . . . ১২১
শ্ৰমজীৱী আৰু শোষিত জনসাধাৰণৰ অধিকাৰ সম্পৰ্কিত ঘোষণা . ১২৫
'বামপন্থী শিশুসুলভতা আৰু পেটি-বুৰ্জোৱা মানসিকতা' প্ৰবন্ধৰপৰা . . . . . . . . . . . . . . . . . ১২৮
শ্ৰমিক-কৃষক-সৈনিক আৰু লাল ফৌজ প্ৰতিনিধিসকলৰ ছোভিয়েতসমূহৰ পঞ্চম সৰ্বা-ৰুছিয়া কংগ্ৰেছ। ৪-১০ জুলাই, ১৯১৮। 'গণ-কমিছাৰ পৰিষদৰ প্ৰতিবেদন'ৰ অংশ . . . . . . ১৩২
'কাৰখানা কমিটিসমূহৰ মস্কো গুবেৰ্নিয়া সম্মিলনত উত্থাপিত প্ৰতিবেদন'ৰ অংশ . . . . . . . . . . . . . . ১৩৪
'আমেৰিকান শ্ৰমিকসকললৈ চিঠি' ৰচনাৰ অংশ . . . . . . ১৩৭
সৰ্বা-ৰুছ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহী কমিটি, মস্কো ছোভিয়েত আৰু কাৰখানা কমিটিৰ আৰু ট্ৰেড ইউনিয়নসমূহৰ প্ৰতিনিধিবৃন্দৰ এখন যুটীয়া অধিৱেশনলৈ চিঠি। ৩ অক্টোবৰ, ১৯১৮ চন . . . . ১৩৯
'প্ৰলিতাৰীয় বিপ্লৱ আৰু আদৰ্শচ্যুত কাউৎস্কি' প্ৰবন্ধৰপৰা . . . ১৪৩
'প্ৰলিতাৰীয় বিপ্লৱ আৰু আদৰ্শচ্যুত কাউৎস্কি' পুথিৰ অংশ . . ১৪৭
ইউৰোপ আৰু আমেৰিকাৰ শ্ৰমিকসকললৈ চিঠি . . . . . . . ১৫৯

অর্জিত আৰু নাথিভুক্ত . . . . . . . . . . . . . . . ১৬৮
'গ্ৰামোফোন ৰেকৰ্ডত ভাষণ' (অংশ)
তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিক . . . . . . . . . . ১৭১
প্ৰাচ্যৰ জাতিসমূহৰ কমিউনিষ্ট সংগঠনবিলাকৰ দ্বিতীয় সদো-ৰুছিয়া কংগ্ৰেছত ভাষণ। ২২ নৱেম্বৰ, ১৯১৯ চন (অংশ) . . . . . ১৭৩
ছোভিয়েতসমূহৰ সপ্তম সদো-ৰুছিয়া কংগ্ৰেছ। ৫-৯ ডিচেম্বৰ, ১৯১৯। 'সদো-ৰুছিয়া কেন্দ্ৰীয় কাৰ্যকৰী কমিটি আৰু গণ-কমিছাৰ পৰিষদৰ প্ৰতিবেদন'বপৰা, ৫ ডিচেম্বৰ . . . . . . . . ১৭৯
'মেহনতী কছাকসকলৰ প্ৰথম সদো-ৰুছিয়া কংগ্ৰেছত দিয়া ভাষণ'-ৰপৰা, ১ মাৰ্চ, ১৯২০ . . . . . . . . . . . . ১৮৩
'সাম্যবাদত 'বামপন্থাৰ' শিশুসুলভ বিশৃংখলা' ৰচনাৰপৰা
১। ৰুছ বিপ্লৱৰ আন্তৰ্জাতিক তাৎপৰ্য্যৰ কথা আমি কি অৰ্থত কব পাৰোঁ? . . . . . . . . . . . . . . ১৮৮
১০। গোটাচেৰেক সিদ্ধান্ত . . . . . . . . . . . ১৯১
ভাৰতীয় বৈপ্লৱিক সমিতিৰ উদ্দেশ্যে . . . . . . . . ১৯৫
জাতীয় আৰু ঔপনিৱেশিক প্ৰশ্নাৱলীৰ সম্পৰ্কত প্ৰাথমিক খচৰা থিছিছ (কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছৰ বাবে) . . ১৯৬
'কমিউনিষ্ট আন্তৰ্জাতিকত প্ৰৱেশৰ বিভিন্ন চৰ্ত' ৰচনাৰপৰা . . ২০৪
কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ। ১৯ জুলাই — ৭ আগষ্ট, ১৯২০ চন। 'আন্তৰ্জাতিক পৰিস্থিতি আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ মূল কৰ্তব্য সম্পৰ্কে প্ৰতিবেদন'-ৰপৰা, ১৯ জুলাই . . . . . . . . . . . . . . . . ২০৫
জাতীয় আৰু ঔপনিৱেশিক প্ৰশ্নাৱলী সম্পৰ্কিত আয়োগৰ প্ৰতিবেদন, ২৬ জুলাই, ১৯২০ . . . . . . . . . . . . . ২০৮
'মস্কো গুবেৰ্নিয়াৰ উয়েজদ, ভোলস্ত্ আৰু গাঁও কাৰ্য্যনিৰ্বাহী কমিটিবোৰৰ চেয়াৰমেনসকলৰ এখন সম্মিলনত দিয়া ভাষণ'-ৰপৰা, ১৫ অক্টোবৰ, ১৯২০ . . . . . . . . . . ২১৫
ছিডনি হিলমেনলৈ . . . . . . . . . . . . . ২২০
আন্তৰ্জাতিক শ্ৰমিকসকলৰ সাহায্যৰ সম্পাদক কমৰেড মিউনট্‌ছেনবেৰ্গলৈ . . . . . . . . . . . . . . ২২২
টীকা . . . . . . . . . . . . . . . . . . ২২৪
নামৰ সূচী . . . . . . . . . . . . . . . . . ২৬৪

## ছচিয়েল-ডেমক্রেটিক পার্টিৰ এখন কাৰ্য্যসূচীৰ খচৰা আৰু ব্যাখ্যা' [১]

### 'কাৰ্য্যসূচীৰ ব্যাখ্যা'

(উদ্ধৃতি)

ক। (৫) বৰ্তমানে সমস্ত ইউৰোপীয় দেশৰ শ্ৰমিকসকলে আৰু আমেৰিকা তথা অষ্ট্ৰেলিয়াৰ শ্ৰমিকসকলেও পুঁজিপতি শ্ৰেণীৰ আধিপত্যৰ বিৰুদ্ধে সংগ্ৰাম চলাব লাগিছে। শ্ৰমিক শ্ৰেণীৰ সংগঠন আৰু সংহতি এখন দেশ কিম্বা এটি জাতিসত্তাৰ মাজতেই সীমাবদ্ধ নহয়: বিভিন্ন দেশৰ শ্ৰমিকসকলৰ পাৰ্টিবিলাকে সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলৰ স্বাৰ্থ আৰু লক্ষ্যৰ পূৰ্ণ অভিন্নতা (সংহতি) উচ্চকণ্ঠে ঘোষণা কৰে। যুটীয়া কংগ্ৰেছসমূহত তেওঁলোকে মিলিত হৈ সকলো দেশৰ পুঁজিপতি শ্ৰেণীৰ ওচৰত অভিন্ন দাবী উপস্থিত কৰে, মুক্তিকামী সমগ্ৰ সংগঠিত প্ৰলিতাৰিয়েতৰ এটি আন্তৰ্জাতিক উছৱ-দিন (মে' দিৱস) প্ৰতিষ্ঠা কৰে; এনেকৈয়ে সমস্ত জাতিসত্তা আৰু সমস্ত দেশৰ শ্ৰমিক শ্ৰেণীক সুসংহত কৰি এক বিশাল শ্ৰমিক বাহিনীত পৰিণত কৰে। সকলো দেশৰ শ্ৰমিকসকলৰ ঐক্যৰ প্ৰয়োজনীয়তা উদ্ভূত হয় এই কথাৰ কাৰণেই যে শ্ৰমিক শ্ৰেণীৰ ওপৰত শাসন চলোৱা পুঁজিপতি শ্ৰেণীটোৱে এখন দেশৰ মাজতেই তাৰ শাসন-শোষণ সীমাবদ্ধ নাৰাখে। বিভিন্ন দেশৰ মাজত বাণিজ্যিক সম্পৰ্ক বেছি ঘনিষ্ঠ আৰু বেছি ব্যাপক হৈ উঠিছে; পুঁজি অনৱৰতে এখন দেশৰপৰা আন এখন দেশলৈ স্থানান্তৰিত হৈছে। পুঁজি একত্ৰিত কৰা আৰু সুদেৰে সৈতে ইয়াক পুঁজিপতিসকলৰ মাজত বণ্টন কৰা সেই বিশাল ভাণ্ডাৰবোৰ, সেই বেঙ্কবোৰ জাতীয় প্ৰতিষ্ঠান হিচাপে আৰম্ভ হৈছে আৰু তাৰ পাছত আন্তৰ্জাতিক হৈ পৰিছে, সকলো দেশৰপৰা পুঁজি পুঞ্জীভূত কৰিছে আৰু ইউৰোপ তথা আমেৰিকাৰ পুঁজিপতিসকলৰ মাজত ইয়াক বিতৰণ কৰিছে। কেৱল এখন দেশতেই নহয়, বৰং একেলগে বহুতো দেশত পুঁজিবাদী উদ্যোগবোৰ গঢ়ি তোলাৰ উদ্দেশ্যে এতিয়া বিৰাট বিৰাট যৌথ ব্যৱসায় সংঘ সংগঠিত হৈছে; পুঁজিপতিসকলৰ আন্তৰ্জাতিক সমিতিবিলাকৰ বাস্তৱ ৰূপ দেখিবলৈ পোৱা হৈছে। পুঁজিবাদী আধিপত্য আন্তৰ্জাতিক চৰিত্ৰৰ। সেই কাৰণেই

সকলো দেশতে নিজৰ মুক্তিৰ বাবে শ্ৰমিকসকলৰ সংগ্ৰাম কেৱল তেতিয়াহে মাথোন সফল হয় যেতিয়া শ্ৰমিকসকলে আন্তৰ্জাতিক পুঁজিৰ বিৰুদ্ধে মুটীয়াভাৱে সংগ্ৰাম চলায়। সেই কাৰণেই পুঁজিপতি শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামত ৰুছ শ্ৰমিকসকলৰ সহযোগী বন্ধু হ'ল জাৰ্মান শ্ৰমিকসকল, পোলিছ শ্ৰমিক আৰু ফৰাচী শ্ৰমিকসকল, ঠিক যেনেকৈ তেওঁলোকৰ শত্ৰু হ'ল ৰুছ, পোলিছ আৰু ফৰাচী পুঁজিপতিসকল। এইদৰেই সাম্প্ৰতিক কালছোৱাত বিদেশী পুঁজিপতিসকলে অত্যন্ত আগ্ৰহেৰে তেওঁলোকৰ পুঁজি ৰুছিয়ালৈ স্থানান্তৰিত কৰিছে, ইয়াত তেওঁলোকে শাখা-কাৰখানা গঢ়ি তুলিছে আৰু নতুন নতুন শিল্পোদ্যোগ পৰিচালনাৰ বাবে বিভিন্ন কোম্পানী প্ৰতিষ্ঠা কৰিছে। তেওঁলোকে থ'কুৰাৰ দৰে এই নৱীন দেশখনৰ ওপৰত জঁপিয়াই পৰিছে, যিহেতু ইয়াৰ চৰকাৰ আন যিকোনো ঠাইতকৈ পুঁজিৰ ক্ষেত্ৰত বেছি অনুকূল আৰু আজ্ঞাবহ, ইয়াত তেওঁলোকে পশ্চিমৰ শ্ৰমিকসকলতকৈ কম সংগঠিত আৰু প্ৰত্যাঘাত কৰিবলৈ কম সক্ষম সেই শ্ৰমিকসকলক পায়, আৰু ইয়াত শ্ৰমিকসকলৰ জীৱনযাত্ৰাৰ মান নিম্ন আৰু গতিকেই এওঁলোকৰ মজুৰিও ভালেখিনি কম, তাৰ ফলত বিদেশী পুঁজিপতিসকলে এই দেশত ইমান বিৰাট পৰিমাণে মুনাফা লুট কৰিব পাৰে যে তেওঁলোকৰ নিজৰ দেশত তাৰ তুলনাই নহয়। ইতিমধ্যে আন্তৰ্জাতিক পুঁজিয়ে ৰুছিয়াৰ ফালে হাত মেলিছে। ৰুছ শ্ৰমিকসকলেও আন্তৰ্জাতিক শ্ৰমিক আন্দোলনৰ পিনে তেওঁলোকৰ হাত প্ৰসাৰিত কৰিছে।

১৮৯৬ চনৰ জুন-জুলাই মাহত
কাৰাগাৰত থাকোঁতে লিখা।

সংগৃহীত ৰচনাৱলী,
খণ্ড ২, পৃঃ ১০৮-১০৯

## মে' দিৱস

### এখন প্ৰচাৰপত্ৰৰ খচৰা

কমৰেড শ্ৰমিকসকল! মে' দিৱস আসন্ন, সকলো দেশৰ শ্ৰমিকসকলে সেই দিন শ্ৰেণী-সচেতন জীৱনত তেওঁলোকৰ জাগৰণৰ, মানুহৰ ওপৰত মানুহৰ সকলো প্ৰকাৰৰ বলপ্ৰয়োগ আৰু নিপীড়নৰ বিৰুদ্ধে সংগ্ৰামত তেওঁলোকৰ সংহতি, কোটি কোটি শ্ৰমজীৱী মানুহক ক্ষুধা-দাৰিদ্ৰ্য আৰু লাঞ্ছনাৰপৰা মুক্ত কৰাৰ সংগ্ৰামত তেওঁলোকৰ সংহতিৰ দিন হিচাপে উদ্‌যাপন কৰে। এই বিৰাট সংগ্ৰামত পৰস্পৰে মুখামুখি হৈ আছে দুখন জগৎ: পুঁজিৰ জগৎ আৰু শ্ৰমৰ জগৎ, শোষণ আৰু দাসত্বৰ জগৎ আৰু ভ্ৰাতৃত্ব আৰু মুক্তিৰ জগৎ।

এফালে আছে এমুঠি ধনিক তেজ-শোহাৰ দল। তেওঁলোকে কল-কাৰখানা যন্ত্ৰপাতি আৰু হাতিয়াৰ দখল কৰি লৈছে; লাখ লাখ একৰ মাটি আৰু ধনৰ পাহাৰক নিজৰ ব্যক্তিগত সম্পত্তিত পৰিণত কৰিছে। তেওঁলোকে চৰকাৰ আৰু ইয়াৰ সেনাবাহিনীক নিজৰ চাকৰ কৰি লৈছে, নিজৰ পুঞ্জীভূত ধন-দৌলতৰ অনুগত পহৰাীয়া কৰি লৈছে।

আনফালে আছে কোটি কোটি বঞ্চিত মানুহ। ধনৰন্তসকলৰ ওচৰত তেওঁলোকৰ কাৰণেই কাম কৰিবলৈ অনুমতি বিচাৰি এই লোকসকল ভিক্ষা কৰিবলৈ বাধ্য হয়। এই লোকসকলেই তেওঁলোকৰ শ্ৰমেৰে সকলো সম্পদ সৃষ্টি কৰে; অথচ গোটেই জীৱন জুৰি তেওঁলোকে সংগ্ৰাম কৰিব লাগে এটুকুৰা ৰুটিৰ কাৰণে, ভিক্ষা কৰিব লাগে কামৰ কাৰণে — যেন সেয়া দয়াৰহে দান, হাড়-ভঙা খাটনিত তেওঁলোকৰ শক্তি আৰু স্বাস্থ্য নিঃশেষ কৰিব লাগে, আৰু গাঁৱৰ ভঙা পঁজাত নাইবা ডাঙৰ ডাঙৰ নগৰৰ চালিৰ তলৰ খুপৰিত আৰু ঘৰৰ তল-কুঠৰিত অনাহাৰে থাকিব লাগে।

কিন্তু এতিয়া এই বঞ্চিত মেহনতী লোকসকলে ধনী আৰু শোষকবোৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। সকলো দেশৰ শ্ৰমিকসকলে আজি মজুৰিৰ দাসত্বৰপৰা, দাৰিদ্ৰ্য আৰু অভাৱ-অনাটনৰপৰা শ্ৰমক মুক্ত কৰাৰ বাবে যুঁজ কৰিব লাগিছে। তেওঁলোকে সমাজৰ এনে এক ব্যৱস্থাৰ একে যুঁজ

চলাইছে য'ত সকলোৱে শ্ৰমৰ ফলত সৃষ্টি হোৱা সম্পদ এমুঠি চহকী লোকৰ উপকাৰৰ কাৰণে নহৈ বৰং কাম কৰা সকলো মানুহৰেই উপকাৰৰ কাৰণে ব্যৱহৃত হ'ব। মাটি আৰু কল-কাৰখানা, কলঘৰ আৰু যন্ত্ৰপাতিবোৰক তেওঁলোকৰ সমস্ত মেহনতী মানুহৰ উমৈহতীয়া সম্পত্তি কৰিবলৈ বিচাৰে। তেওঁলোকে ধনী আৰু দুখীয়াৰ মাজত বিভাজন নিৰ্মূল কৰিবলৈ বিচাৰে, তেওঁলোকে শ্ৰমৰ ফল শ্ৰমিকসকলৰ নিজৰ হাতলৈ যোৱাটোকেই বিচাৰে আৰু মানৱ মনৰ সমস্ত সাফল্য, কামৰ ধৰণত সকলো উন্নতিয়ে শ্ৰমৰত লোকসকলৰেই অৱস্থা যাতে উন্নত কৰে আৰু এই লোকসকলক নিপীড়ন কৰাৰ উপায় হিচাপে কামত লগাব নোৱাৰে তাকেই কামনা কৰে।

পুঁজিৰ বিৰুদ্ধে শ্ৰমৰ বিৰাট সংগ্ৰামত সকলো দেশৰ শ্ৰমিকসকলে অশেষ আত্মত্যাগ কৰিব লগা হৈছে। নিজৰ উন্নততৰ জীৱন আৰু প্ৰকৃত মুক্তিৰ অধিকাৰৰ সপক্ষে তেওঁলোকে তেজৰ নৈ বোৱাইছে। শ্ৰমিকসকলৰ স্বাৰ্থৰ কাৰণে যুঁজ কৰা লোকসকলৰ ওপৰত চৰকাৰে অকথ্য নিৰ্য্যাতন চলাইছে। কিন্তু এই সকলো অত্যাচাৰ-উৎপীড়ন সত্ত্বেও পৃথিৱীৰ শ্ৰমিকসকলৰ সংহতি বৃদ্ধি পাইছে আৰু শক্তি সঞ্চিত হৈছে। শ্ৰমিকসকল ক্ৰমশঃ অধিক ঘনিষ্ঠভাৱে সমাজতন্ত্ৰী পাৰ্টিবোৰৰ মাজত ঐক্যবদ্ধ হৈছে, সেইবোৰ পাৰ্টিৰ সমৰ্থকসকলৰ সংখ্যা লাখে লাখে বাঢ়িছে আৰু পুঁজিপতি শোষক শ্ৰেণীৰ বিৰুদ্ধে পূৰ্ণ বিজয়ৰ অভিমুখে তেওঁলোক স্থিৰনিশ্চিতভাৱে দোপত দোপে অগ্ৰসৰ হৈছে।

ৰুছ প্ৰলিতাৰিয়েতো এক নতুন জীৱনৰ লক্ষ্যত জাগি উঠিছে। তেওঁলোকেও এই বিৰাট সংগ্ৰামত যোগ দিছে। আমাৰ শ্ৰমিকসকলে পৰম্পৰাগতভাৱে বশ্যতা মানি দাসোচিত জীৱন অতিবাহিত কৰাৰ, নিজৰ বন্ধন-দশাৰপৰা নিষ্কৃতিৰ কোনো পথ নেদেখাৰ, নিজৰ তিক্ত জীৱনত পোহৰৰ কোনো আভাস দেখিবলৈ নোপোৱাৰ সেই দিন পাৰ হৈ গৈছে। সমাজতন্ত্ৰই তেওঁলোকক আজি পৰিত্ৰাণৰ পথ দেখুৱাইছে, হাজাৰ হাজাৰ সংগ্ৰামী যোদ্ধা দিশ-প্ৰদৰ্শক তৰাৰ দৰে ৰক্ত পতাকাৰ [২] তলত সমবেত হৈছে। ধৰ্মঘটবিলাকে শ্ৰমিকসকলক দেখুৱাই দিছে ঐক্যৰ ক্ষমতা, কেনেকৈ প্ৰত্যাঘাত কৰিব লাগে তাৰ শিক্ষা দিছে, পুঁজিৰ সমুখত সুসংগঠিত শ্ৰমিকসকল কিমান দুৰ্দান্ত হ'ব পাৰে তাক দেখুৱাই দিছে। শ্ৰমিকসকলে দেখিবলৈ পাইছে যে তেওঁলোকৰ শ্ৰমক কামত খটুৱায়েই পুঁজিপতিসকল আৰু চৰকাৰ জীয়াই থাকে আৰু নোদোকা হৈ পৰে। ঐক্যবদ্ধ সংগ্ৰামৰ চেতনাৰে, মুক্তি আৰু সমাজতন্ত্ৰৰ আকাঙ্ক্ষাৰে শ্ৰমিকসকল উদ্দীপিত হৈছে।

জাৰতন্ত্ৰী স্বৈৰাচাৰ কি যে জঘন্য অশুভ শক্তি তাক শ্ৰমিকসকলে উপলব্ধি কৰিছে। শ্ৰমিকসকলক নিজৰ সংগ্ৰামৰ কাৰণে স্বাধীনতা লাগে, কিন্তু জাৰতন্ত্ৰী চৰকাৰে তেওঁলোকৰ হাত-ভৰি বান্ধি ৰাখিছে। শ্ৰমিকসকলক লাগে সভা-সমাৱেশৰ স্বাধীনতা, সংগঠিত হোৱাৰ স্বাধীনতা, বাতৰিকাকত আৰু কিতাপ-পত্ৰৰ কাৰণে স্বাধীনতা, কিন্তু জাৰতন্ত্ৰী চৰকাৰে স্বাধীনতাৰ সকলো চেষ্টাকে চাবুক, জেলখানা আৰু বেয়নেটৰ যোগে মষিমূৰ কৰে। 'স্বৈৰতন্ত্ৰ ধ্বংস হওক!' — এই ধ্বনি ৰুছিয়াৰ ইমূৰৰপৰা সিমূৰলৈ ব্যাপ্ত হৈ পৰিছে; এই ধ্বনি সঘনে শুনা গৈছে বাটে-ঘাটে, শ্ৰমিকসকলৰ বিশাল সভা-সমিতিবোৰত। যোৱা জহকালি গোটেই দক্ষিণ ৰুছিয়াৰ হাজাৰ হাজাৰ শ্ৰমিক উন্নততৰ জীৱনৰ কাৰণে, পুলিচী অত্যাচাৰৰপৰা মুক্তিৰ কাৰণে সংগ্ৰামত অৱতীৰ্ণ হয়। শ্ৰমিকসকলৰ সুদৃঢ় পৰাক্ৰমী বাহিনী দেখি চৰকাৰ আৰু বুৰ্জোৱাসকলৰ বুকু কঁপি উঠিছিল, সেই বাহিনীয়ে ডাঙৰ ডাঙৰ নগৰৰ গোটেই শিল্প-জীৱনক একে আঘাততে অচল কৰি দিছিল। আভ্যন্তৰীণ শত্ৰুৰ বিৰুদ্ধে জাৰতন্ত্ৰই পঠোৱা সৈন্যৰ গুলীত শ্ৰমিকসকলৰ স্বাৰ্থৰ কাৰণে যুঁজা কুৰিয়ে কুৰিয়ে সংগ্ৰামীয়ে প্ৰাণ আহুতি দিছিল।

কিন্তু এই আভ্যন্তৰিক শত্ৰুক পৰাস্ত কৰিব পৰা এনে কোনো শক্তি নাই, কিয়নো শাসক শ্ৰেণীবোৰে আৰু চৰকাৰে তাৰ শ্ৰমৰ যোগেই মাথোন জীয়াই থাকে। পৃথিৱীত এনে কোনো শক্তি নাই যি লাখ লাখ শ্ৰমিকক চূৰ্ণ কৰিব পাৰে, এই শ্ৰমিকসকল ক্ৰমশঃ বেছিকৈ শ্ৰেণী-সচেতন, বেছি ঐক্যবদ্ধ আৰু সংগঠিত হৈ উঠিছে। শ্ৰমিকসকলৰ প্ৰত্যেকটি পৰাজয়ে তেওঁলোকৰ বাহিনীৰ মাজলৈ আনিছে নতুন নতুন সংগ্ৰামীসকলক, ই ব্যাপকতৰ জনসাধাৰণক নতুন জীৱনৰ কাৰণে জাগ্ৰত কৰিছে আৰু নতুন নতুন সংগ্ৰামৰ কাৰণে তেওঁলোকক প্ৰস্তুত কৰিছে।

আৰু ৰুছিয়া আজি যিবোৰ ঘটনাৰ মাজেৰে পাৰ হৈছে সেইবোৰ এনেকুৱা যে শ্ৰমিক জনসাধাৰণৰ এই জাগৰণ ক্ৰমবৰ্দ্ধমানভাৱে দ্ৰুত আৰু প্ৰসাৰিত হ'বলৈ বাধ্য, আৰু প্ৰলিতাৰিয়েতৰ বাহিনীক ঐক্যবদ্ধ কৰিবলৈ আমি সৰ্বশক্তি নিয়োগ কৰিব লাগিব আৰু অধিক দৃঢ়প্ৰতিজ্ঞ সংগ্ৰামৰ বাবে তেওঁলোকক প্ৰস্তুত কৰিব লাগিব। যুদ্ধই [৩] শ্ৰমিক শ্ৰেণীৰ সবাতোকৈ পিছ পৰা অংশবোৰকো আনকি বিভিন্ন ৰাজনৈতিক বিষয় আৰু সমস্যাৱলীত আগ্ৰহী কৰি তুলিছে। যুদ্ধই ক্ৰমান্বয়ে বেছি ফটফটীয়াকৈ স্বৈৰতান্ত্ৰিক ব্যৱস্থাৰ চূড়ান্ত অপদাৰ্থতা, পুলিচ আৰু ৰুছিয়াক শাসন কৰা ৰাজসভাৰ দুৰাচাৰী দলৰ পাপিষ্ঠ মনোভাৱ স্পষ্টৰূপে দেখুৱাই

দিছে। আমাৰ জনসাধাৰণ নিজ দেশতেই অভাৱ-অনাটন আৰু অনাহাৰত ধ্বংস হৈছে -- অথচ হাজাৰ হাজাৰ মাইল দূৰত থকা আৰু বিদেশী জাতিবোৰ বাস কৰা পৰৰাজ্যৰ কাৰণে এখন সৰ্বনশীয়া আৰু অৰ্থহীন যুদ্ধৰ মাজলৈ এই জনসাধাৰণক টানি নৈ যোৱা হৈছে। আমাৰ জনসাধাৰণ ৰাজনৈতিক দাসত্বত পদদলিত -- অথচ তেওঁলোকক অন্যান্য জাতিক দাসত্ব-বন্ধনত ৰখাৰ কাৰণে চলা এখন যুদ্ধৰ মাজলৈ টানি অনা হৈছে। আমাৰ জনসাধাৰণে নিজৰ দেশত ৰাজনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন দাবী কৰিছে -- অথচ বিশ্বৰ অন্য প্ৰান্তত কামানৰ গৰ্জনৰ মাজেৰে এই জনসাধাৰণৰ মনোযোগ অন্য ফালে ঘূৰাবলৈ চেষ্টা কৰা হৈছে। কিন্তু জাৰতন্ত্ৰী চৰকাৰে ইয়াৰ জুৱাখেলত, জাতিৰ সম্পদ অপব্যয় কৰি আৰু প্ৰশান্ত মহাসাগৰৰ পাৰত মৃত্যুবৰণ কৰিবলৈ পঠোৱা তাৰুণ্যৰ অপচয় ঘটাই ইয়াৰ অপৰাধমূলক কাৰ্য্যত ভালেখিনি আগুৱাই গৈছে। প্ৰত্যেক যুদ্ধই জনসাধাৰণৰ ওপৰত দুখ-কষ্টৰ বোজা জাপি দিয়ে, আৰু সংস্কৃতিবান আৰু মুক্ত জাপানৰ বিৰুদ্ধে কঠিন যুদ্ধও ৰুছিয়াৰ ওপৰত এটা ভয়ংকৰ হেঁচা। আৰু এই চাপটো পৰিছে এনে এটা সময়ত যেতিয়া জাগ্ৰত প্ৰলিতাৰিয়েতৰ আঘাতত পুলিচী স্বেচ্ছাচাৰৰ গাঁথনিটো ইতিমধ্যে থৰক-বৰক কৰিবলৈ আৰম্ভ কৰিছে। যুদ্ধই চৰকাৰৰ সকলো দুৰ্বল স্থান উদঙাই দিছে, যুদ্ধই সকলো মিছা ছদ্মবেশ ফালি-ছিৰি পেলাইছে, ভিতৰৰ সকলো গলন-পচন এই যুদ্ধই প্ৰকাশ কৰিছে; যুদ্ধই জাৰতন্ত্ৰী স্বৈৰাচাৰৰ নীতি-বিৰুদ্ধতা সকলোৰে আগত স্পষ্টকৈ দাঙি ধৰিছে আৰু প্ৰত্যেককে পুৰণি ৰুছিয়াৰ মৃত্যু-যন্ত্ৰণা দেখুৱাই দিছে -- যিখন ৰুছিয়াত জনসাধাৰণ ভোটাধিকাৰৰপৰা বঞ্চিত, অজ্ঞ আৰু নিষ্পেষিত, যিখন ৰুছিয়া এতিয়াও পুলিচী চৰকাৰৰ ওচৰত কৃষিদাসৰ দৰে বন্ধনত [৪] আৱদ্ধ।

পুৰণি ৰুছিয়া মৰিবলৈ ধৰিছে। ইয়াৰ ঠাই গ্ৰহণ কৰিছে এখন মুক্ত ৰুছিয়াই। যিবোৰ অশুভ শক্তিয়ে জাৰতন্ত্ৰী স্বৈৰাচাৰক ৰক্ষা কৰিছিল সেইবোৰৰ বিনাশ ঘটিবলৈ ধৰিছে। কিন্তু একমাত্ৰ শ্ৰেণী-সচেতন সংগঠিত প্ৰলিতাৰিয়েতেই সিবোৰৰ ওপৰত মৰণ-আঘাত কৰিব পাৰে। কেৱল শ্ৰেণী-সচেতন সংগঠিত শ্ৰমিক শ্ৰেণীয়েই মাথোন জনসাধাৰণৰ কাৰণে ভুৱা নহয়, প্ৰকৃত স্বাধীনতা অৰ্জন কৰিব পাৰে। একমাত্ৰ শ্ৰেণী-সচেতন আৰু সংগঠিত শ্ৰমিক শ্ৰেণীয়েই জনসাধাৰণক প্ৰতাৰিত কৰাৰ, তেওঁলোকৰ অধিকাৰ খৰ্ব কৰাৰ, বুৰ্জোৱাৰ হাতত তেওঁলোকক কেৱল খেলৰ আহিলা কৰি তোলাৰ সকলো প্ৰচেষ্টা প্ৰতিৰোধ কৰিব পাৰে।

কমৰেড শ্ৰমিকসকল! তেতিয়াহলে আহক, সমূখত দেখা দিয়া চূড়ান্ত সংগ্ৰামত দহগুণ শক্তিৰে আমি প্ৰস্তুত হওঁ! ছচিয়েল-ডেমক্ৰেট — প্ৰলিতাৰীয়সকলৰ গোটেই বাহিনী অধিক দৃঢ়তাৰে ঘনিষ্ঠ হৈ উঠক! তেওঁলোকৰ বক্তব্য কেউপিনে দূৰ দূৰান্তৰলৈ বিয়পি পৰক! শ্ৰমিকসকলৰ দাবীৰ কাৰণে অভিযান অধিক বলিষ্ঠভাৱে চলাই নিয়া হওক! মে' দিৱসৰ উৎসৱে যেন আমাৰ আদৰ্শৰ পিনে হাজাৰ হাজাৰ নতুন যোদ্ধাৰ মন জয় কৰে আৰু সমস্ত জনসাধাৰণৰ মুক্তিৰ কাৰণে, পুঁজিৰ যুৱলিৰপৰা মেহনতী সমস্ত লোকৰ মুক্তিৰ কাৰণে মহান সংগ্ৰামত আমাৰ বাহিনীবোৰ যেন বিৰাট আকাৰে বাঢ়ি উঠে!

আঠ-ঘণ্টীয়া কৰ্ম-দিন দীৰ্ঘজীৱী হওক!

আন্তৰ্জাতিক বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেচি দীৰ্ঘজীৱী হওক!

অপৰাধী লুণ্ঠনকাৰী জাৰতন্ত্ৰী স্বৈৰাচাৰ ধ্বংস হওক!

১৯০৪ চনৰ ২ (১৫) এপ্ৰিলত লিখা

সংগৃহীত ৰচনাৱলী,
খণ্ড ৭, পৃঃ ১৯৯-২০২

বিপ্লৱৰ সাফল্য নিৰ্ভৰ কৰে সেই প্ৰলিতাৰীয় আৰু কৃষক ৰাইজৰ আয়তনৰ ওপৰত, যিসকলে ইয়াক ৰক্ষা কৰাৰ বাবে আৰু সাৰ্থক কৰি তোলাৰ কাৰণে দৃঢ়তাৰে থিয় দিব। অন্যান্য যুদ্ধৰ লগত বৈপ্লৱিক যুদ্ধৰ পাৰ্থক্য এইখিনিতেই যে এই যুদ্ধই ইয়াৰ প্ৰধান সংৰক্ষিত শক্তি তাৰ শত্ৰুৰ আগৰ মিত্ৰসকলৰ শিবিৰৰপৰা আহৰণ কৰে, জাৰতন্ত্ৰৰ আগৰ সমৰ্থক কিম্বা জাৰতন্ত্ৰক অন্ধভাৱে আগেয়ে মানি চলা সেই লোকসকলৰ মাজৰপৰা। যিকোনো সম্ভাব্য ঘোষণাপত্ৰ নাইবা আইনৰ বিভ্ৰান্তিকৰ ভাষাতকৈ সদৌ-ৰুছিয়া ৰাজনৈতিক ধৰ্মঘটৰ সাফল্যই [৫] কৃষকসকলৰ মন আৰু অন্তৰত বেছি প্ৰভাৱ বিস্তাৰ কৰিব।

যেতিয়া ৰুছ বিপ্লৱ অগ্ৰসৰ হ'বলৈ সদ্যহতে মাত্ৰ আৰম্ভ কৰিছিল তেতিয়া উদাৰপন্থী বুৰ্জোৱাই গোটেই ৰাজনৈতিক দৃশ্যৰ আগ ঠাইখিনি অধিকাৰ কৰি লৈছিল; এয়াই আছিল এবছৰৰ আগৰ পৰিস্থিতি।

৯ জানুৱাৰীত [৬] যেতিয়াই নগৰীয়া শ্ৰমিক শ্ৰেণীয়ে দৃশ্যপটত আত্মপ্ৰকাশ কৰিলে, তেতিয়াই বিপ্লৱে নিজৰ প্ৰাধান্য ৰক্ষা কৰিলে।

জাৰ-সম্ৰাটৰ সিংহাসনে সকলো জাতিৰ আৰু সবাতোকৈ বেছিকৈ সমস্ত জাতিৰে মেহনতী শ্ৰেণীবোৰৰ ভাগ্যত অপৰিমেয় দুখ-দুৰ্দশাৰ সৃষ্টি কৰে; আৰু যেতিয়াই ৰুছিয়াৰ সমস্ত জাতিৰ প্ৰলিতাৰিয়েত একগোট হৈ দৃঢ়ভাৱে জাগি উঠি সেই সিংহাসন ক'পাই তুলিলে, তেতিয়াই বিপ্লৱে ইয়াৰ প্ৰথম বিজয় অৰ্জন কৰিলে।

শ্ৰমিকসকল আকৌ এবাৰ যেতিয়া একগোট হৈ জাগি উঠিব আৰু তেওঁলোকৰ নেতৃত্ব মানি লগত থাকিব কৃষক সম্প্ৰদায়, তেতিয়া বিপ্লৱে শত্ৰুৰ ওপৰত চূড়ান্ত আঘাত কৰিব আৰু পৃথিৱীৰ বুকুৰপৰা ৰক্তপিপাসু জাৰ-সম্ৰাটৰ সিংহাসন সাৰি-পুচি দলিয়াই পেলাব।

তদুপৰি ৰুছ বিপ্লৱৰ আন এটি সংৰক্ষিত বাহিনী আছে। জাতি আৰু ৰাষ্ট্ৰবিলাক পৰস্পৰে বিচ্ছিন্ন হৈ থাকিব পৰাৰ সেই যুগ পাৰ হৈ গৈছে। মন কৰক — ইউৰোপ ইতিমধ্যে আলোড়িত। তাৰ বুৰ্জোৱাসকল অস্থিৰ হৈ উঠিছে আৰু তেওঁলোকে ৰুছিয়াত ঘটা বিৰাট অগ্নিদাহ বন্ধ কৰাৰ কাৰণে কোটি কোটি মুদ্ৰা দিবলৈও প্ৰস্তুত। সমৰবাদী ইউৰোপীয় শক্তিসমূহৰ শাসকসকলে জাৰ-সম্ৰাটৰ কাৰণে সামৰিক সাহায্য দিয়াৰ কথা পাতিছে। জাৰ্মান সমৰবাদীসকল আৰু পিটাৰহফৰ মাজত প্ৰত্যক্ষ যোগাযোগ স্থাপনৰ কাৰণে কাইজাৰ ভিলহেল্মে ইতিমধ্যেই খনচেৰেক যুদ্ধ-জাহাজ আৰু ভালেমান ডেষ্ট্ৰয়াৰ পঠাইছে। ইউৰোপীয় প্ৰতিবিপ্লৱে ৰুছ প্ৰতিবিপ্লৱৰ ফালে এখন হাত আগ বঢ়াই দিছে।

এব্যাৰ চেষ্টা কৰি চাওক, হয়েনট্‌ছলাৰ্ন! আমাৰ ৰুছ বিপ্লৱৰ এটি ইউৰোপীয় অতিৰিক্ত বাহিনী আছে। এই অতিৰিক্ত বাহিনী হৈছে আন্তৰ্জাতিক সমাজতন্ত্ৰী প্ৰলিতাৰিয়েত, আন্তৰ্জাতিক বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেটিক আন্দোলন। সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলে বিপুল উদ্দীপনাৰে ৰুছ শ্ৰমিকসকলৰ বিজয়ত অভিনন্দন জনাইছে আৰু সমাজতন্ত্ৰৰ আন্তৰ্জাতিক বাহিনীৰ বিভিন্ন অংশৰ মাজত ঘনিষ্ঠ যোগসূত্ৰ সম্বন্ধে সচেতন থাকি তেওঁলোকে নিজেই বিৰাট আৰু চূড়ান্ত সংগ্ৰামৰ কাৰণে সাজু হৈছে।

সমগ্ৰ ৰুছিয়াৰ শ্ৰমিক আৰু কৃষকসকল, আপোনালোক অকলশৰীয়া নহয়! সামন্ততান্ত্ৰিক, পুলিচ-প্ৰাধান্য, জমিদাৰ আৰু জাৰতন্ত্ৰী ৰুছিয়াৰ অত্যাচাৰীবোৰক যদি আপোনালোকে উচ্ছেদ কৰিবলৈ, চূৰ্ণ কৰিবলৈ আৰু সমূলে ধ্বংস কৰিবলৈ সক্ষম হয়, তেনেহলে আপোনালোকৰ এই বিজয়ে পুঁজিৰ অত্যাচাৰৰ বিৰুদ্ধে বিশ্ব-জোৰা এক সংগ্ৰামৰ, মেহনতী জনতাৰ পূৰ্ণ অৰ্থনৈতিক তথা ৰাজনৈতিক মুক্তিৰ কাৰণে এক সংগ্ৰামৰ, চূড়ান্ত অভাৱগ্ৰস্ততাৰপৰা মানৱজাতিৰ নিষ্কৃতিৰ আৰু সমাজতন্ত্ৰৰ ৰূপায়ণৰ কাৰণে সংগ্ৰামৰ এক সঙ্কেত হিচাপে কাম কৰিব।

১৯০৫ চনৰ ৭ নৱেম্বৰ (২৫ অক্টোবৰ) তাৰিখে 'প্ৰলিতাৰী' কাকতৰ ২৪ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ৯, পৃঃ ৪৩৩-৪৩৪

## ‘দুমাত আমাৰ দলৰ ঘোষণাপত্ৰ’ প্ৰবন্ধৰপৰা [৭]

আমাৰ পাৰ্টি হ’ল ছচিয়েল-ডেমক্ৰেটিক প্ৰলিতাৰিয়েতৰ আন্তৰ্জাতিক বাহিনীৰ অন্যতম অংশ। সমগ্ৰ বিশ্ব জুৰি নিজৰ শ্ৰেণী-স্বাৰ্থ সম্বন্ধে সচেতন সংগঠিত প্ৰলিতাৰিয়েত আজি সংগ্ৰামৰ কাৰণে জাগি উঠিছে। পুঁজিৰ যুৱলি ছিঙি দলিয়াই পেলোৱাৰ কাৰণে ই যুঁজ চলাই গৈছে। অত্যাচাৰ, দৰিদ্ৰ্য, নিপীড়ন আৰু নিবনুৱা অৱস্থাৰ যুৱলিৰপৰা সমস্ত মেহনতী মানুহৰ পৰিপূৰ্ণ মুক্তি অৰ্জনৰ বাবে এই প্ৰলিতাৰিয়েতে চেষ্টা চলাইছে। ইয়াৰ লক্ষ্য হ’ল সমাজতান্ত্ৰিক সমাজ-ব্যৱস্থা অৰ্জন কৰা, যিখন সমাজত শোষক আৰু শোষিতৰ মাজত থকা মানুহৰ সমস্ত বিভাজন লোপ পাব। ছচিয়েল-ডেমক্ৰেটসকলে অকল মজুৰি-শ্ৰমিকসকলকেই নহয় সৰু সৰু মালিকসকলকো ধৰি সমস্ত মেহনতী আৰু শোষিত জনতাক তেওঁলোকৰ বাহিনীত যোগ দিবলৈ আহ্বান জনাইছে — যদিহে এইসকল লোক প্ৰলিতাৰিয়েতৰ লগত নিজৰ অভিন্ন স্বাৰ্থ সম্পৰ্কে সচেতন হয়, যদি তেওঁলোকে ব্যক্তিগত ক্ষুদ্ৰ উৎপাদনক সুসংহত কৰাৰ যোগে নহয় বৰং বুৰ্জোৱা শাসনৰ সম্পূৰ্ণ উচ্ছেদৰ বাবে শ্ৰমিক শ্ৰেণীৰে সৈতে যুটীয়া সংগ্ৰামৰ মাজেৰে মুক্তি বিচাৰে। আৰু ইয়াৰ সম্মিলিত আৰু অবিচল সংগ্ৰামৰ যোগেই আন্তৰ্জাতিক সমাজতন্ত্ৰী প্ৰলিতাৰিয়েতে নিজৰ লক্ষ্য সাধন কৰিব।

১৯০৬ চনৰ ২২ জুনত
‘এখো’ কাকতৰ ১ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ১১, পৃঃ ৩৩

# 'বিশ্ব ৰাজনীতিত দাহ্য উপাদান' প্ৰবন্ধৰপৰা

শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিক বৈপ্লৱিক আন্দোলনে বিভিন্ন দেশত সমানভাৱে আৰু একেই ধৰণে বিকাশ লাভ নকৰে আৰু কৰিব নোৱাৰেও। ক্ৰিয়াকলাপৰ প্ৰত্যেক ক্ষেত্ৰতে প্ৰত্যেকটো সুযোগৰ পৰিপূৰ্ণ আৰু সৰ্বাঙ্গীণ সদ্ব্যৱহাৰ কেৱল বিভিন্ন দেশত শ্ৰমিকসকলৰ শ্ৰেণী-সংগ্ৰামৰ ফলতহে ঘটে। প্ৰতিখন দেশে অভিন্ন স্ৰোতধাৰাৰ মাজত তাৰ নিজস্ব মূল্যবান আৰু স্বকীয় বৈশিষ্ট্যবোৰ দান কৰে; কিন্তু প্ৰত্যেকখন নিৰ্দিষ্ট দেশত আন্দোলনে ইয়াৰ নিজস্ব পক্ষপাতিত্বত, গাইগুটীয়া সমাজতন্ত্ৰী পাৰ্টিৰ নিজস্ব তত্ত্বগত আৰু ব্যৱহাৰিক ত্ৰুটি-বিচ্যুতিত ভোগে। মুঠৰ ওপৰত আমি স্পষ্টভাৱে দেখিবলৈ পাওঁ -- আন্তৰ্জাতিক সমাজতন্ত্ৰৰ অভিমুখে এক বিশাল পদক্ষেপ, শত্ৰুৰ লগত এলানি বাস্তৱ সংঘৰ্ষৰ গতিপথত লাখ লাখ প্ৰলিতাৰিয়েতৰ বাহিনীৰ সমাৱেশ আৰু বুৰ্জোৱা শ্ৰেণীৰ লগত চূড়ান্ত সংগ্ৰামৰ কাষ চপা অৱস্থা, যি সংগ্ৰামৰ কাৰণে অতীতৰ সেই প্ৰলিতাৰীয় মহান অভ্যুত্থান -- কমিউনৰ [৮] দিনবোৰতকৈ শ্ৰমিক শ্ৰেণী আজি বহুত বেছি ভালদৰে প্ৰস্তুত।

আৰু সমগ্ৰ আন্তৰ্জাতিক সমাজতন্ত্ৰৰ এই অগ্ৰ পদক্ষেপ, ইয়াৰ লগতে এছিয়াত বৈপ্লৱিক-গণতান্ত্ৰিক আন্দোলনৰ তীব্ৰটা বৃদ্ধিয়ে ৰুছ বিপ্লৱক এক বিশেষ অৱস্থাত আৰু বিশেষভাৱে কঠিন এটা অৱস্থাত পেলাইছে। ইউৰোপ আৰু এছিয়া উভয়তেই ৰুছ বিপ্লৱৰ এক বিশাল আন্তৰ্জাতিক সহযোগী-মিত্ৰ আছে, কিন্তু তাৰ লগে লগে, আৰু ঠিক সেই কাৰণেই ইয়াৰ কেৱল যে এক জাতীয় শত্ৰু, কেৱল এক ৰুছ শত্ৰুৱেই আছে এনে নহয়, এটা আন্তৰ্জাতিক শত্ৰুও আছে। ক্ৰমবৰ্দ্ধমান প্ৰলিতাৰীয় সংগ্ৰামৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া সকলো পুঁজিবাদী দেশতেই অৱশ্যম্ভাৱী, আৰু ইয়েই প্ৰত্যেক গণ-আন্দোলনৰ বিৰুদ্ধে, এছিয়া আৰু বিশেষকৈ ইউৰোপৰ উভয়তে প্ৰত্যেক বিপ্লৱৰ বিৰুদ্ধে সমগ্ৰ বিশ্বৰ বুৰ্জোৱা চৰকাৰবোৰক ঐক্যবদ্ধ কৰিছে।

অধিকাংশ বুহু উদাৰপন্থী বুদ্ধিজীবীৰ দৰে আমাৰ পাৰ্টিৰ মাজত থকা সুবিধাবাদীসকলে এতিয়াও ৰুছিয়াত এনে এক বুৰ্জোৱা বিপ্লৱৰ সপোন দেখিছে, যি বুৰ্জোৱা শ্ৰেণীক 'বিচ্ছিন্ন কৰি নিদিব' কিম্বা ভয় খুৱাই আঁতৰাই নপঠাব, যি 'মাত্ৰাধিক' প্ৰতিক্ৰিয়া সৃষ্টি নকৰিব নাইবা যাৰ ফলত বৈপ্লৱিক শ্ৰেণীবোৰে ক্ষমতা দখল কৰাত বাধাও নহ'ব। বৃথা আশা! কূপমণ্ডুকৰ কাল্পনিক ৰাজ্য! পৃথিৱীৰ সকলো অগ্ৰসৰ দেশত দাহ্য উপাদানৰ পৰিমাণ ইমান দ্ৰুতভাৱে বৃদ্ধি পাইছে, আৰু এছিয়াৰ যিবোৰ দেশ কালিলৈকে আনকি গভীৰ নিদ্ৰাত নিমজ্জিত আছিল সিবোৰৰ অধিকাংশতেই অগ্নিদাহ ইমান পৰিস্কাৰকৈ ব্যাপ্ত হৈ পৰিছে যে আন্তৰ্জাতিক বুৰ্জোৱা প্ৰতিক্ৰিয়াৰ নিবিড়তা আৰু প্ৰত্যেকটি জাতীয় বিপ্লৱৰ জটিলতা-বৃদ্ধি সম্পূৰ্ণ অৱশ্যম্ভাৱী।

আমাৰ বিপ্লৱৰ ঐতিহাসিক কৰ্তব্যবোৰ প্ৰতিবিপ্লৱৰ শক্তিবোৰৰ দ্বাৰা সম্পাদিত হোৱা নাই আৰু তেনে হ'ব নোৱাৰেও। ৰুছ বুৰ্জোৱা শ্ৰেণী অনিবাৰ্য্যভাৱেই ক্ৰমশঃ বেছিকৈ আন্তৰ্জাতিক প্ৰলিতাৰীয়-বিৰোধী আৰু গণতন্ত্ৰ-বিৰোধী প্ৰৱণতাৰ ফালে ঢাল খাইছে। উদাৰপন্থী মিত্ৰসকলৰ ওপৰত নিৰ্ভৰ কৰি চলাটো ৰুছ প্ৰলিতাৰিয়েতৰ উচিত নহ'ব। ই অৱশ্যেই নিজৰ স্বতন্ত্ৰ পথ অনুসৰণ কৰি বিপ্লৱৰ পূৰ্ণ বিজয়ৰ দিশে আগুৱাব লাগিব, ৰুছিয়াৰ কৃষক জনসাধাৰণৰ নিজৰ বলপ্ৰয়োগেৰেই কৃষি সমস্যাৰ সমাধানৰ প্ৰয়োজনীয়তাৰ ভিত্তিত নিজক প্ৰতিষ্ঠিত কৰিব লাগিব, চোৰাং-শতেক [৯] জমিদাৰবোৰৰ শাসন আৰু চোৰাং-শতেক স্বৈৰতন্ত্ৰ উচ্ছেদ কৰাত তেওঁলোকক সাহায্য কৰিব লাগিব, ৰুছিয়াত প্ৰলিতাৰিয়েত আৰু কৃষক সমাজৰ গণতান্ত্ৰিক একনায়কত্ব প্ৰতিষ্ঠাৰ কাম নিজৰ সমুখত দৃঢ়ভাৱে দাঙি ধৰিব লাগিব, আৰু ইয়াৰ সংগ্ৰাম আৰু ইয়াৰ বিজয় যে আন্তৰ্জাতিক বৈপ্লৱিক আন্দোলনৰপৰা অবিচ্ছেদ্য সেই কথা মনত ৰাখিব লাগিব। প্ৰতিবিপ্লৱী বুৰ্জোৱা শ্ৰেণীৰ (ৰুছিয়া আৰু সমগ্ৰ বিশ্বৰে প্ৰতিবিপ্লৱী) উদাৰপন্থা সম্পৰ্কে মোহ কমোৱা দৰকাৰ। আন্তৰ্জাতিক বিপ্লৱী প্ৰলিতাৰিয়েতৰ শক্তি-বৃদ্ধিৰ ফালে অধিক মনোযোগ দিয়া প্ৰয়োজন।

১৯০৮ চনৰ ২৩ জুলাই (৫ আগষ্ট) তাৰিখে 'প্ৰলিতাৰী' কাকতৰ ৩৩ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ১৫, পৃঃ ১৮৭-৮৮

## শান্তিৰ কাৰণে ব্ৰিটিছ আৰু জাৰ্মান শ্ৰমিকসকলৰ সমাবেশ [১০]

সকলোৱেই জানে যে ব্ৰিটেইন আৰু জাৰ্মানিত বুৰ্জোৱা সংবাদপত্ৰ জগতত, বিশেষকৈ অমাৰ্জিত বাতৰিকাকতবোৰত বহুত দিনৰেপৰাই এক উগ্ৰ-জাতীয়তাবাদী প্ৰচাৰ [১১] অভিযান চলাই অহা হৈছে। তাত এই দেশবোৰক পৰস্পৰৰ বিৰুদ্ধে উত্তেজিত কৰা হৈছে। বিশ্বৰ বজাৰত ব্ৰিটিছ আৰু জাৰ্মান পুঁজিপতিৰ মাজত প্ৰতিযোগিতা ক্ৰমশঃ বেছিকৈ তিক্ত হৈ উঠিছে। ব্ৰিটেইনৰ আগৰ প্ৰাধান্য আৰু ইয়াৰ অবিভক্ত প্ৰভুত্ব এতিয়া বিশ্বৰ বজাৰত অতীতৰ কথা হৈ পৰিছে। বিশেষ দ্ৰুতভাৱে বিকাশ লাভ কৰা পুঁজিবাদী দেশসমূহৰ ভিতৰত জাৰ্মানি অন্যতম আৰু ইয়াৰ পণ্য-উৎপাদকসকলে বিদেশত ক্ৰমবৰ্দ্ধমান পৰিসৰত বজাৰ বিচাৰিছে। উপনিৱেশৰ কাৰণে সংগ্ৰাম আৰু বাণিজ্যিক স্বাৰ্থৰ সংঘাতেই পুঁজিবাদী সমাজত যুদ্ধৰ অন্যতম প্ৰধান কাৰণ হৈ পৰিছে। সেই কাৰণেই উভয় দেশৰ পুঁজিপতিসকলে ব্ৰিটেইন আৰু জাৰ্মানিৰ মাজত যুদ্ধ অনিবাৰ্য্য বুলি বিবেচনা কৰাটো আৰু উভয় পক্ষৰ সামৰিক লোকসকলে ইয়াক সম্পূৰ্ণে বাঞ্ছনীয় বুলি ভবাটো মুঠেই আচৰিত কথা নহয়। জাৰ্মানিৰ সামুদ্ৰিক-শক্তি ব্ৰিটেইনতকৈ যথেষ্ট পৰিমাণে দুৰ্বল হৈ থকা অৱস্থাতে ইয়াক চূৰ্ণ কৰি বিপজ্জনক এক প্ৰতিদ্বন্দ্বীৰ ক্ষমতা ধ্বংস কৰিবলৈ ব্ৰিটিছ জাত্যাভিমানী যুদ্ধপ্ৰিয় লোকসকলে বিচাৰে। দ্বিতীয় ভিলহেল্ম নামৰ সেই বুৰবোঁৰ [১২] নেতৃত্বাধীন জাৰ্মান ইউঙ্কাৰসকল [১৩] আৰু জেনাৰেলবিলাক ব্ৰিটেইনৰ লগত এখন যুদ্ধৰ কাৰণে সচেষ্ট হৈ আছে, তেওঁলোকে আশা কৰিছে স্থলবাহিনীৰ ক্ষেত্ৰত নিজৰ সংখ্যাগত প্ৰাধান্যক কামত লগাব পাৰিব, আৰু আশা কৰিছে যে সামৰিক বিজয়ৰ কোলাহলৰ মাজেৰে শ্ৰমজীৱী জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান অসন্তোষ দমাব পাৰিব আৰু জাৰ্মানিত শ্ৰেণী-সংগ্ৰামৰ তীব্ৰতা বোধ কৰিব।

ব্ৰিটিছ আৰু জাৰ্মান শ্ৰমিকসকলে যুদ্ধৰ ক্ৰমবৰ্দ্ধমান বিপদৰ বিৰুদ্ধে প্ৰকাশ্যে মত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লৈছে। উভয় দেশতেই শ্ৰমিকসকলৰ বাৰ্তাৰকাকতবিলাকে উগ্ৰ-জাতীয়তাবাদ আৰু সমৰবাদৰ বিৰুদ্ধে বহুত দিনৰেপৰাই অবিৰতভাৱে সংগ্ৰাম চলাই আহিছে। কিন্তু বৰ্তমানে যিটোৰ প্ৰয়োজন সেয়া হ'ল সংবাদপত্ৰৰ যোগে প্ৰচাৰতকৈ অধিক পৰিমাণে বলিষ্ঠভাৱে শ্ৰমিক শ্ৰেণীৰ অভিলাষ ব্যক্ত কৰা। ব্ৰিটিছ শ্ৰমিকসকলে বিৰাট বিক্ষোভ সমাৱেশত যোগ দিয়াৰ কাৰণে বাৰ্লিনলৈ এটি প্ৰতিনিধি দল প্ৰেৰণৰ সিদ্ধান্ত লয়, এই সমাৱেশত যুদ্ধৰ বিৰুদ্ধে যুদ্ধ চলোৱাৰ কাৰণে উভয় দেশৰ প্ৰলিতাৰিয়েতৰ সম্মিলিত দৃঢ় সংকল্প ঘোষিত হ'ব।

২০ ছেপ্টেম্বৰত (পুৰণি পঞ্জিকা মতে ৭ তাৰিখ) দেওবাৰে এই সমাবেশ বাৰ্লিনত অনুষ্ঠিত হয়। এইবাৰ ব্ৰিটিছ শ্ৰমিক প্ৰতিনিধিসকলে কোনো বাধা-নিষেধ নোপোৱাকৈয়ে বাৰ্লিনৰ প্ৰলিতাৰিয়েতক সম্বোধন কৰি কথা-বতৰা ক'বলৈ সক্ষম হয়। দুবছৰৰ আগতে বুৰ্জোৱা জাত্যাভিমানীসকলৰ বিৰুদ্ধে প্ৰতিবাদত যেতিয়া বাৰ্লিনত অনুষ্ঠিত ছচিয়েল-ডেমক্ৰেটিক এখন জন-সভাত জে. জোৰেছে ফৰাচী শ্ৰমিক শ্ৰেণীৰ পক্ষৰপৰা জাৰ্মান শ্ৰমিকসকলৰ উদ্দেশ্যে বক্তৃতা দিবলৈ বিচাৰিছিল, তেতিয়া জাৰ্মান চৰকাৰে তেওঁৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছিল। এইবেলি অবশ্যে চৰকাৰে ব্ৰিটিছ প্ৰলিতাৰিয়েতৰ প্ৰতিনিধিসকলক বহিষ্কাৰ কৰিবলৈ সাহ কৰা নাই।

বাৰ্লিনৰ অন্যতম সৰ্ববৃহৎ হলঘৰত শ্ৰমজীৱী জনতাৰ এক বিশাল সমাৱেশ হয়। প্ৰায় পাঁচ হাজাৰ মানুহেৰে ততালিকে সভাঘৰ ভৰি পৰে, আৰু সভাস্থল উপচি পৰি কেউপিনৰ পথাৰ আৰু ৰাস্তাত হাজাৰ হাজাৰ মানুহ সমবেত হয়। হাতত ৰঙা ফিতা লগোৱা শ্ৰমিক-তত্ত্বাৱধায়কসকলে শৃংখলা ৰক্ষা কৰে। জাৰ্মান ট্ৰেড ইউনিয়নসমূহৰ ('মুক্ত' নামেৰে অভিহিত, অৰ্থাৎ আচলতে ছচিয়েল-ডেমক্ৰেটিক ইউনিয়নবোৰৰ) বিখ্যাত নেতা কমৰেড লেগিনে ৰাজনৈতিক আৰু শিল্পগতভাৱে সংগঠিত জাৰ্মানিৰ সমগ্ৰ শ্ৰমিক শ্ৰেণীৰ পক্ষৰপৰা ব্ৰিটিছ প্ৰতিনিধি দলক ওলগ জনায়। তেওঁ কয় যে আঢ়ৈ কুৰি বছৰৰ আগেয়ে ফৰাচী আৰু ব্ৰিটিছ শ্ৰমিকসকলে শান্তিৰ সপক্ষে সভা-শোভাযাত্ৰা কৰিছিল। সেই সময়ত অগ্ৰগামী সেই সমাজতন্ত্ৰীসকলৰ পিছত সংগঠিত জনসাধাৰণৰ সমৰ্থন নাছিল। আজি ব্ৰিটেইন আৰু জাৰ্মানিত একেলগে মিলি ৪০ লাখ সংগঠিত শ্ৰমিকৰ এক বাহিনী আছে। এই বাহিনীৰ পক্ষৰপৰাই ব্ৰিটিছ প্ৰতিনিধিসকলে আৰু

বার্লিনৰ সমাবেশে এই কথা ঘোষণা কৰি কৈছে যে যুদ্ধ কিম্বা শান্তিৰ মীমাংসা শ্ৰমিক শ্ৰেণীৰ হাতত নিহিত।

উত্তৰত ভাষণ দি ব্ৰিটিছ শ্ৰমিকসকলৰ প্ৰতিনিধি মেডিছনে বুৰ্জোৱাৰ উগ্ৰ-জাত্যাভিমানী অপবাদ অভিযানক গৰিহণা দিয়ে আৰু তিনি হাজাৰ শ্ৰমিকৰ স্বাক্ষৰিত 'ব্ৰিটেনৰ শ্ৰমিকসকলৰ পক্ষৰপৰা জাৰ্মানিৰ শ্ৰমিকসকললৈ এখনি অভিভাষণ' আগ বঢ়ায়। তেওঁ কয়, স্বাক্ষৰকাৰীসকলৰ মাজত ব্ৰিটিছ শ্ৰমিক আন্দোলনৰ মাজত থকা উভয় প্ৰৱণতাৰ প্ৰতিনিধিসকল আছে (অৰ্থাৎ ছচিয়েল ডেমক্ৰেট আৰু 'ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ' [১৪] অনুগামীসকল, যাৰ এতিয়াও সুসংগত কোনো সমাজতান্ত্ৰিক দৃষ্টিভঙ্গী নাই)। অভিভাষণত কোৱা হয় যে যুদ্ধই সম্পদশালী শ্ৰেণীবোৰৰ স্বাৰ্থহে পূৰণ কৰে। সাধাৰণ শ্ৰমিকে যুদ্ধৰ সমস্ত বোজা বহন কৰে। বিত্তশালী শ্ৰেণীবোৰে জাতীয় বিপৰ্যয়ৰপৰা লাভ লুটে। সমৰবাদৰ বিৰুদ্ধে যুঁজাৰ কাৰণে, শান্তি সুনিশ্চিত কৰাৰ কাৰণে শ্ৰমিকসকল ঐক্যবদ্ধ হওক!

অন্যান্য ব্ৰিটিছ প্ৰতিনিধি আৰু জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ প্ৰতিনিধি ৰিখাৰ্ড ফিছাৰে বক্তৃতা দিয়াৰ পাছত সৰ্বসম্মতিক্ৰমে এটি প্ৰস্তাৱ গ্ৰহণ কৰি সভা শেষ হয়; এই প্ৰস্তাৱত 'শাসক আৰু শোষক শ্ৰেণীবোৰৰ স্বাৰ্থপৰ আৰু অদূৰদৰ্শী নীতি' চিহ্নিত কৰা হয় আৰু ষ্টুটগাৰ্টৰ আন্তৰ্জাতিক কংগ্ৰেছৰ [১৫] প্ৰস্তাৱ অনুসৰি কাম কৰাৰ, অৰ্থাৎ সকলো উপায়েৰে যুদ্ধৰ বিৰুদ্ধে যুঁজ চলোৱাৰ অভিলাষ ব্যক্ত কৰা হয়। শ্ৰমিকসকলৰ মাৰ্ছেয়েজ সংগীতৰ মাজেৰে সুশৃংখলভাৱে এই সভাৰ সামৰণি পৰে। ৰাস্তাত কোনো বিক্ষোভ শোভাযাত্ৰা হোৱা নাই। বাৰ্লিনৰ পুলিচ আৰু স্থানীয় সামৰিক কৰ্তৃপক্ষ হতাশ হয়। জাৰ্মানিৰ শাসন-পদ্ধতিৰ এটা বৈশিষ্ট্য হ'ল এই যে, শ্ৰমিকসকলৰ অত্যন্ত শান্তিপূৰ্ণ শোভাযাত্ৰা-সমাৱেশৰ লগে লগে পুলিচ আৰু মিলিটাৰীৰো এটা সমাৱেশ থাকিবই লাগে। বাৰ্লিন গেৰিছন-সৈন্যক অৱশ্যে সমবেত কৰা হৈছিল। নিয়মনিষ্ঠ পৰিকল্পনা অনুসৰি নগৰৰ বিভিন্ন ঠাইত সৈন্যসকলৰ খণ্ডবাহিনী সমাৱেশ কৰা হৈছিল, অধিকাংশ ক্ষেত্ৰত এনেভাৱে ৰখা হৈছিল যাতে সৈন্যদলৰ লুকাই থকাৰ ঠাইবিলাক আৰু সিবোৰৰ সংখ্যা সহজে ধৰা নাযায়। যিটো বিশাল হলঘৰত সভা বহিছিল তাৰ ওচৰে-পাঁজৰে বিভিন্ন ৰাস্তা আৰু চাৰি-আলিবোৰত, বিশেষকৈ সেই ঠাইৰপৰা ৰাজপ্ৰাসাদলৈ যোৱা বাটত পুলিচে কঠোৰ পহৰা দি ঘূৰি ফুৰিছিল। ৰাজপ্ৰাসাদৰ কেউফালে আকৌ সাধাৰণ পোছাক-পিন্ধা পুলিচে আগুৰি ৰাখিছিল আৰু দালান-ঘৰৰ

প্ৰাঙ্গণবোৰত সৈন্যদলবিলাক লুকাই আছিল। জটিল ধৰণৰ পুলিচ পহৰাৰ ব্যৱস্থা সংগঠিত হৈছিল; ৰাস্তাৰ মুৰে মুৰে পুলিচৰ সৰু সৰু দল ঘুৰি-পাকি ফুৰিছিল; সকলো ‘গুৰুত্বপূৰ্ণ’ স্থানত পুলিচ বিষয়াসকলক ৰখা হৈছিল; চাইকেল-আৰোহী পুলিচে গোপন বাৰ্তাৰ যোগোৱা স্কাউটৰ কাম কৰিছিল আৰু ‘শত্ৰুৰ’ প্ৰতিটি পদক্ষেপ সম্পৰ্কে সামৰিক কৰ্তৃপক্ষক সঘনে খবৰ দি আছিল। বিভিন্ন দলং আৰু খাল পাৰ হোৱা ঠাইবোৰত তিনি ধৰণৰ প্ৰহৰী ৰখা হৈছিল। দ্বিতীয় ভিলহেল্মৰ চৰকাৰে লোৱা এই সকলো ব্যৱস্থাৰে সন্দৰ্ভত মন্তব্য কৰিবলৈ গৈ ‘Vorwärts’ কাকতে [১৬] বিদ্ৰূপৰ সুৰত লিখিছিল ‘তেওঁলোকে বিপন্ন ৰাজতন্ত্ৰক পহৰা দিছিল।’

আমাৰ ফালৰপৰা আমি এই কথা যোগ কৰোঁ — এয়া আছিল এটা আখৰা। দ্বিতীয় ভিলহেল্ম আৰু জাৰ্মান বুৰ্জোৱা শ্ৰেণীয়ে বিদ্ৰোহী প্ৰলিতাৰিয়েতৰ লগত সামৰিক দ্বন্দ্ব-যুদ্ধৰ আখৰা দিছিল। এনেকুৱা আখৰা নিঃসন্দেহে আৰু যিকোনো ফালৰপৰাই শ্ৰমিক জনসাধাৰণ আৰু সৈন্যদল উভয়ৰ পক্ষেই প্ৰয়োজনীয়। ফৰাচী শ্ৰমিকসকলৰ গীতত যি কথা প্ৰকাশ পাইছে — Ca ira (ই সফল হ'বই!)। বাৰে বাৰে এইবোৰ আখৰা, হয়তোবা এতিয়ালৈকে অতি ধীৰ গতিত হলেও কিন্তু অত্যন্ত নিশ্চিতভাৱেই চলা এই আখৰা আগুৱাই গৈছে মহৎ ঐতিহাসিক চূড়ান্ত সীমাৰ দিশে।

১৯০৮ চনৰ ৮ (২১) ছেপ্টেম্বৰ আৰু ২ (১৫) অক্টোবৰৰ মাজত ৰচিত। — সংগৃহীত ৰচনাৱলী, খণ্ড ১৫, পৃঃ ২১০-২১২

## ইউজেন পতিয়ে

### (তেওঁৰ ২৫তম মৃত্যু-বাৰ্ষিকী)

গ'ল বেলি — ১৯১২ চনৰ নৱেম্বৰ মাহত প্ৰসিদ্ধ প্ৰলিতাৰীয় সঙ্গীত 'ইণ্টাৰনেছনেল' ('আন্তৰ্জাতিক' — 'জাগি উঠা অনশন-বন্দী...')-ৰ ৰচয়িতা ফৰাচী শ্ৰমিক-কবি ইউজেন পতিয়েৰ মৃত্যুৰ পাছত পঁচিছ বছৰ পূৰ্ণ হৈছে।

এই গানটো সকলো ইউৰোপীয় আৰু অন্যান্য ভাষালৈ অনুদিত হৈছে। শ্ৰেণী-সচেতন এজন শ্ৰমিক যিকোনো দেশতেই নাথাকক লাগিলে, ভাগ্য-চক্ৰই তেওঁক যলৈকে নিনিয়ক লাগিলে, স্বদেশৰপৰা বহুত দূৰত থাকি বন্ধু-বান্ধৱ নথকা ভাষা-নজনা এজন অপৰিচিত বাহিৰাগত বুলি নিজে যিমানেই অনুভৱ নকৰক লাগিলে — 'আন্তৰ্জাতিকৰ' সুপৰিচিত সুৰত সেই শ্ৰমিকে নিজৰ কমৰেড আৰু বন্ধুসকলক সততে বিচাৰি পাব পাৰে।

সকলো দেশৰ শ্ৰমিকসকলে তেওঁলোকৰ অগ্ৰণী যোদ্ধাৰ, প্ৰলিতাৰীয় কবিজনাৰ গীতটিক সাদৰে গ্ৰহণ কৰিছে, আৰু ইয়াকে শ্ৰমিক শ্ৰেণীৰ বিশ্বজোৰা গানত পৰিণত কৰিছে।

সেয়েহে ইউজেন পতিয়েৰ স্মৃতিৰ প্ৰতি আজি সকলো দেশৰ শ্ৰমিকে শ্ৰদ্ধা নিৱেদন কৰে। তেওঁৰ পত্নী আৰু জীয়ৰী এতিয়াও জীয়াই আছে, দাৰিদ্ৰ্যৰ মাজত বাস কৰিছে, ঠিক যেনেকৈ 'আন্তৰ্জাতিক'ৰ ৰচয়িতাজনেও গোটেই জীৱন অতিবাহিত কৰিব লগা হৈছিল। ১৮১৬ চনৰ ৪ অক্টোবৰত পতিয়েৰ জন্ম হয় পেৰিছত। প্ৰথম গানটো ৰচনা কৰাৰ সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ১৪ বছৰ, এই গীতটিৰ নাম আছিল — 'স্বাধীনতা দীৰ্ঘজীৱী হওক!' ১৮৪৮ চনত তেওঁ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে শ্ৰমিকসকলৰ মহান সংগ্ৰামত [১৭] বেৰিকেডৰ কাষত এজন যোদ্ধা আছিল।

পতিয়েই এটি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল, আৰু গোটেই জীৱন তেওঁ নিঃকিন অৱস্থাতে কটাইছিল, এজন প্ৰলিতাৰিয়েত — প্ৰথমে

এজন মাল-বস্তু বন্ধা পেকাৰ হিচাপে আৰু তাৰ পাছত কাপোৰত চানেকি তোলা এজন কৰ্মী হিচাপে জীৱিকা অৰ্জন কৰে।

১৮৪০ চনৰপৰা ফ্ৰান্সৰ জীৱনত দেখা দিয়া সকলো ডাঙৰ ডাঙৰ ঘটনাত তেওঁ সংগ্ৰামী গীতেৰে সঁহাৰি জনায়, পিছ পৰি থকা লোকসকলৰ চেতনা জগাই তোলে, শ্ৰমিকসকলক ঐক্যবদ্ধ হোৱাৰ কাৰণে আহ্বান জনায়, ফ্ৰান্সৰ বুৰ্জোৱা শ্ৰেণী আৰু বুৰ্জোৱা চৰকাৰবোৰক গৰিহণা দিয়ে।

মহান পেৰিছ কমিউনৰ (১৮৭১) দিনবোৰত পতিয়ে ইয়াৰ এজন সদস্য হিচাপে নিৰ্বাচিত হৈছিল। প্ৰদত্ত ৩৬০০ ভোটৰ ভিতৰত তেওঁ ৩৩৫২টা ভোট পাইছিল। প্ৰথম প্ৰলিতাৰীয় চৰকাৰ সেই কমিউনৰ সকলো কামতে তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কমিউনৰ পতন ঘটাত পতিয়ে ইংলণ্ডলৈ আৰু তাৰ পাছত আমেৰিকালৈ পলাই যাবলৈ বাধ্য হৈছিল। তেওঁৰ বিখ্যাত গান 'আন্তৰ্জাতিক' ৰচিত হৈছিল ১৮৭১ চনৰ জুন মাহত — ক'ব পৰা যায় মে' মাহত ৰক্তক্ষয়ী পৰাজয়ৰ [১৮] পাছৰ দিনা।

কমিউনক মষিমূৰ কৰি দিয়া হৈছিল — কিন্তু পতিয়েৰ 'আন্তৰ্জাতিক' সংগীতে ইয়াৰ ভাবধাৰা সমগ্ৰ বিশ্ব জুৰি বিয়পাই দিয়ে, আৰু বৰ্তমানে এই গীত আগৰ যিকোনো সময়তকৈও অধিক প্ৰাণৱন্ত।

নিৰ্বাসনত থকা কালতে ১৮৭৬ চনত পতিয়েই এটি কবিতা লিখিছিল · 'ফ্ৰান্সৰ মেহনতী মানুহৰ উদ্দেশ্যে আমেৰিকাৰ মেহনতী মানুহ'। ইয়াত তেওঁ বৰ্ণনা কৰিছে পুঁজিবাদৰ যুৱলিৰ তলত বনুৱাসকলৰ জীৱন, তেওঁলোকৰ দাৰিদ্ৰ্য, তেওঁলোকৰ হাড়-ভঙা খাটনি, তেওঁলোকৰ ওপৰত শোষণ আৰু নিজৰ আদৰ্শৰ আসন্ন বিজয়লাভত তেওঁলোকৰ দৃঢ় বিশ্বাসৰ কথা।

কমিউনৰ ন বছৰৰ পাছতহে মাথোন পতিয়ে ফ্ৰান্সলৈ উভতি আহিব পাৰে, আৰু আহিয়েই তেওঁ ইয়াৰ শ্ৰমিক পাৰ্টিত [১৯] ভত্যালিকে যোগ দিয়ে। ১৮৮৪ চনত তেওঁৰ কাব্য-গ্ৰন্থৰ প্ৰথম খণ্ড প্ৰকাশিত হয়, 'বৈপ্লৱিক গান' নামেৰে দ্বিতীয় খণ্ডটি ১৮৮৭ চনত প্ৰকাশ পায়।

শ্ৰমিক-কবিজনাৰ অন্যান্য ভালেমান গীত তেওঁৰ মৃত্যুৰ পাছতহে প্ৰকাশিত হয়।

১৮৮৭ চনৰ ৮ নৱেম্বৰত পেৰিছৰ শ্ৰমিকসকলে ইউজেন পতিয়েৰ মৃত-দেহ Père Lachaise সমাধিক্ষেত্ৰলৈ বৈ নিয়ে, য'ত সমাধিস্থ হৈছিল নিহত কমিউনাৰ্ডসকল। পুলিচে ৰক্ত পতাকা কাঢ়ি নিয়াৰ চেষ্টাৰে শোকাকুল

জনতাৰ ওপৰত বৰ্বৰভাৱে আক্ৰমণ চলায়। নাগৰিক অন্ত্যেষ্টিক্ৰিয়াত অজস্ৰ লোকে যোগ দিয়ে। কেউঁপিনৰপৰা প্ৰবল ধ্বনি শুনা যায়: 'পতিয়ে দীৰ্ঘজীৱী হওক!'

দাৰিদ্ৰ্যৰ মাজতেই পতিয়েৰ মৃত্যু হৈছিল। কিন্তু তেওঁ ৰাখি যোৱা স্মৃতি মানুহৰ হাতেৰে গঢ়া নিদৰ্শনতকৈও স'চাকৈয়ে বহুত বেছি যুগমীয়া। তেওঁ আছিল গানৰ মাজেৰে সেৰা কৰা মহত্তম প্ৰচাৰকসকলৰ অন্যতম। তেওঁৰ প্ৰথম গীতটি ৰচিত হোৱাৰ সময়ত শ্ৰমিক-সমাজতন্ত্ৰীসকলৰ সংখ্যা আছিল আঙুলিৰ মূৰত লেখিব পৰা। আজি ইউজেন পতিয়েৰ ঐতিহাসিক গান কোটি কোটি প্ৰলিতাৰিয়েতৰ অতি পৰিচিত।

১৯১৩ চনৰ ৩ জানুৱাৰীত 'প্ৰাভদা' কাকতৰ ২ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ৩৬, পৃঃ ২২৩-২৪

# যুদ্ধ আৰু যুদ্ধ ছচিয়েল-ডেমক্ৰেচি

সকলো দেশৰ চৰকাৰ আৰু বুৰ্জোৱা পাৰ্টিবোৰে কেইবাদশক ধৰি যাৰ প্ৰস্তুতি চলাই আহিছিল সেই ইউৰোপীয় যুদ্ধ লাগিছে [২০]। অস্ত্ৰ-শস্ত্ৰৰ বৃদ্ধি, অগ্ৰসৰ দেশবোৰত পুঁজিবাদী বিকাশৰ শেহতীয়া স্তৰ — সাম্ৰাজ্যবাদী স্তৰত বজাৰৰ কাৰণে সংগ্ৰামৰ চৰম তীব্ৰতা-বৃদ্ধি আৰু অধিক পশ্চাৎপদ পূৰ্ব-ইউৰোপীয় ৰাজতন্ত্ৰবোৰৰ ৰাজবংশীয় স্বাৰ্থবোৰে অনিবাৰ্য্যভাৱেই এই যুদ্ধ লগোৱাৰেই কথা, আৰু ঠিক তাকেই কৰিছেও। ৰাজ্যগ্ৰাস আৰু পৰ-দেশ নিজৰ শাসনাধীনলৈ অনা, প্ৰতিযোগী জাতিবোৰক খতম কৰা আৰু সিবোৰৰ সম্পদ লুণ্ঠন কৰা, ৰুছিয়া-জাৰ্মানি-ব্ৰিটেইন আৰু অন্যান্য দেশত শ্ৰমজীৱী জনতাৰ দৃষ্টি আভ্যন্তৰিক ৰাজনৈতিক সংকটৰপৰা আঁতৰাই নিয়া, অনৈক্য আৰু সংকীৰ্ণ জাতীয়তাবাদী চিন্তাৰে শ্ৰমিকসকলক দুৰ্বল কৰা আৰু প্ৰলিতাৰিয়েতৰ বৈপ্লৱিক আন্দোলনক নিশকতীয়া কৰাৰ উদ্দেশ্যে তেওঁলোকৰ অগ্ৰণী বাহিনীক সম্পূৰ্ণ নিশ্চিহ্ন কৰা — এয়াই হ'ল বৰ্তমান যুদ্ধৰ একমাত্ৰ প্ৰকৃত সাৰমৰ্ম, গুৰুত্ব আৰু তাৎপৰ্য্য।

যুদ্ধৰ আচল অৰ্থ প্ৰকাশ কৰি দিয়াৰ আৰু শাসক শ্ৰেণীবোৰ, জমিদাৰ আৰু বুৰ্জোৱা শ্ৰেণীয়ে যুদ্ধৰ সপক্ষে যি মিছা-ভুৱা, কুতৰ্ক আৰু 'দেশপ্ৰেমিক' বগাড়ম্বৰ প্ৰচাৰ কৰিব লাগিছে তাৰ মুখা নিৰ্মমভাৱে খুলি দিয়াৰ কৰ্তব্য আজি মূলতঃ ছচিয়েল-ডেমক্ৰেচিৰ ওপৰতেই আহি পৰিছে।

এদল বৰ্ণলিপ্ত জাতিৰ নেতৃত্ব কৰিছে জাৰ্মান বুৰ্জোৱাবোৰে। শ্ৰমিক শ্ৰেণী আৰু মেহনতী জনসাধাৰণক তেওঁলোকে এই কথা কৈ ঠগিব খুজিছে যে এই যুদ্ধ পিতৃভূমি, স্বাধীনতা আৰু সভ্যতা ৰক্ষাৰ যুদ্ধ, জাৰতন্ত্ৰৰ দ্বাৰা নিপীড়িত জাতিসমূহৰ মুক্তিৰ বাবে আৰু প্ৰতিক্ৰিয়াশীল জাৰতন্ত্ৰৰ ধ্বংসৰ কাৰণে যুদ্ধ। কিন্তু প্ৰকৃত ঘটনা হ'ল দ্বিতীয় ভিলহেল্মৰ নেতৃত্বাধীন

প্ৰ্ছীয় ইউণ্কাৰসকলৰ আগত দাসোচিতভাৱে নতজান্ এই ব্ৰ্জোৱাসকল সদায়ে জাৰতন্ত্ৰৰ অতি বিশ্বস্ত সহযোগী মিত্ৰ আৰ্ ৰ্ছিয়াৰ শ্ৰমিক তথা কৃষকসকলৰ বৈপ্লৱিক আন্দোলনৰ শত্ৰ্ হৈ আহিছে। দৰাচলতে, যুদ্ধৰ ফলাফল যিয়েই নহওক লাগিলে, এই ব্ৰ্জোৱাসকলে ইউন্কাৰবোৰৰ লগত একেলগে মিলি ৰ্ছিয়াত এটা বিপ্লৱৰ বিৰ্দ্ধে জাৰ-ৰাজতন্ত্ৰক সমৰ্থন কৰাৰ কাৰণে সকলো প্ৰচেষ্টা নিয়োগ কৰিব।

আচলতে, জাৰ্মান ব্ৰ্জোৱা শ্ৰেণীয়ে ছাৰ্বিয়াৰ বিৰ্দ্ধে ইয়াক পদানত কৰাৰ আৰ্ দাক্ষিণী স্লাভসকলৰ জাতীয় বিপ্লৱক টেঁটু চোঁপ মৰাৰ উদ্দেশ্যে এক দস্যাস্লভ অভিযান চলাইছে আৰ্ তাৰ লগে লগে ইয়াৰ সামৰিক বাহিনীৰ এটা বৃহৎ অংশক তুলনামূলকভাৱে বেছি স্বাধীন দেশ বেলজিয়াম আৰ্ ফ্ৰান্সলৈ পঠিয়াইছে, যাতে সমৃদ্ধতৰ প্ৰতিযোগীসকলক ল্ণ্ঠন কৰা যায়। দৰাচলতে, আত্মৰক্ষাৰ যুদ্ধ চলাইছে ব্লি যিসকলে মনে-গঢ়া কাহিনী প্ৰচাৰ কৰি ফুৰিছে সেই জাৰ্মান ব্ৰ্জোৱাসকলে যুদ্ধৰ পক্ষে অতি অনুকূল ব্লি বিবেচনা কৰা ম্হ্ৰ্তটোকেই বাছি লৈছে, সামৰিক উপকৰণৰ ক্ষেত্ৰত সিবোৰৰ আধ্নিকতম উন্নতিবোৰক কামত লগাইছে, আৰ্ ৰ্ছিয়া আৰ্ ফ্ৰান্সত ইতিমধ্যে গৃহীত প্নৰ অস্ত্ৰসজ্জাৰ পৰিকল্পনা আৰ্ সিদ্ধান্তক আগতেই ব্যৰ্থ কৰি দিছে।

ৰণলিপ্ত জাতিবোৰৰ আনটো দলৰ নেতৃত্ব কৰিছে ব্ৰিটিছ আৰ্ ফৰাচী ব্ৰ্জোৱাসকলে; এওঁলোকে শ্ৰমিক শ্ৰেণী আৰ্ মেহনতী জনসাধাৰণক এই কথা কৈ ভুৱা দিছে যে তেওঁলোকে নিজৰ দেশক ৰক্ষা কৰাৰ কাৰণে, স্বাধীনতা আৰ্ সভ্যতাৰ কাৰণে আৰ্ জাৰ্মান সমৰবাদ তথা স্বৈৰতন্ত্ৰৰ বিৰ্দ্ধেহে যুদ্ধ চলাইছে। বাস্তৱিকতে, এই ব্ৰ্জোৱাসকলে ইউৰোপৰ সবাতোকৈ প্ৰতিক্ৰিয়াশীল আৰ্ বৰ্বৰ ৰাজতন্ত্ৰ ৰ্ছ জাৰতন্ত্ৰৰ সৈন্যদল ভাৰা কৰাৰ কাৰণে আৰ্ জাৰ্মানিৰ ওপৰত আক্ৰমণ চলাবলৈ সেইবোৰক প্ৰস্তুত কৰাৰ কাৰণে বহ্ দিনৰেপৰাই কোটি কোটি ম্দ্ৰা খৰচ কৰি আহিছে।

আচলতে, ব্ৰিটিছ আৰ্ ফৰাচী ব্ৰ্জোৱা শ্ৰেণীৰ সংগ্ৰামৰ লক্ষ্য হ'ল জাৰ্মান উপনিৱেশবিলাক দখল কৰা আৰ্ অৰ্থনৈতিক বিকাশ অধিক দ্ৰ্তভাৱে চলিবলৈ ধৰা সেই প্ৰতিদ্বন্দ্বী জাতিটোক মটিয়ামৰ্ কৰা। এই মহৎ লক্ষ্য অন্সৰণ কৰিয়েই 'অগ্ৰসৰ', 'গণতান্ত্ৰিক' জাতিবোৰে বৰ্বৰ জাৰতন্ত্ৰী শাসনক সহায় কৰিছে যাতে পোলেন্ড, ইউক্ৰেন প্ৰভৃতিক বেছিকৈ টেঁটু চোঁপ মাৰিব পাৰে আৰ্ ব্ছিয়াত বিপ্লৱক অধিক সম্প্ৰ্ণৰ্পে চ্ৰমাৰ কৰি দিব পাৰে।

বর্ণলিপ্ত দস্যোটা দলৰ কোনোটোৱেই লুণ্ঠন, নৃশংসতা আৰু যুদ্ধৰ সীমাহীন পাশৱিকতাৰ ক্ষেত্ৰত আনটোতকৈ কোনো গুণে কম নহয়; কিন্তু প্ৰলিতাৰিয়েতক ঠগোৱাৰ কাৰণে আৰু একমাত্ৰ প্ৰকৃত মুক্তি-যুদ্ধ অৰ্থাৎ ইয়াৰ 'নিজৰ' তথা 'বিদেশৰ' বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে গৃহযুদ্ধৰপৰা শ্ৰমিক শ্ৰেণীৰ মনোযোগ বিক্ষিপ্ত কৰাৰ কাৰণে — এনেকুৱা এক সুমহান অভীষ্ট সাধনৰ কাৰণে — প্ৰতিখন দেশৰ বুৰ্জোৱা শ্ৰেণীয়ে দেশপ্ৰেম সম্পৰ্কিত মিছা বাক-চাতুৰিৰ সাহায্যেৰে তাৰ 'নিজস্ব' জাতীয় যুদ্ধৰ তাৎপৰ্য্যক পাৰেমানে প্ৰশংসা কৰাৰ চেষ্টা কৰিছে, দাবী কৰিছে যে লুণ্ঠন আৰু ৰাজ্য-গ্ৰাসৰ কাৰণে ই শত্ৰুক পৰাস্ত কৰিবলৈ ওলোৱা নাই, বৰং ওলাইছে ইয়াৰ নিজৰ জাতিৰ বাহিৰে অন্য সকলো জাতিৰ 'মুক্তিৰ' কাৰণেহে।

কিন্তু সকলো দেশৰে চৰকাৰ আৰু বুৰ্জোৱাসকলে শ্ৰমিকসকলৰ মাজত বিভেদ সৃষ্টিৰ কাৰণে আৰু পৰস্পৰৰ বিৰুদ্ধে তেওঁলোকক অৰিয়া-অৰিৰ মাজলৈ ঠেলি দিয়াৰ কাৰণে যিমানে কঠোৰ চেষ্টা কৰে, আৰু এই সুমহান লক্ষ্যৰ বাবে সিসকলে যিমানে বেছি বৰ্বৰভাৱে সামৰিক আইন আৰু সামৰিক চেন্সৰ-প্ৰথা বলৱৎ কৰে (যিবোৰ ব্যৱস্থা আনকি এতিয়াও যুদ্ধৰ সময়তো বহিঃশত্ৰুৰ তুলনাত 'আভ্যন্তৰিক' শত্ৰুৰ বিৰুদ্ধেহে বেছি কঠোৰভাৱে প্ৰযুক্ত হৈছে), শ্ৰেণী-সচেতন প্ৰলিতাৰিয়েতৰ সমুখত তেতিয়া সকলো দেশৰ 'দেশপ্ৰেমিক' বুৰ্জোৱা চক্ৰবোৰৰ অসংযত জাত্যাভিমানৰ বিৰুদ্ধে ইয়াৰ শ্ৰেণীগত সংহতি, ইয়াৰ আন্তৰ্জাতিকতা আৰু সমাজতান্ত্ৰিক প্ৰত্যয়বিলাক ৰক্ষা কৰাটো সিমানে বেছি জৰুৰী কৰ্তব্য হৈ উঠে। শ্ৰেণী-সচেতন শ্ৰমিকসকলে এই লক্ষ্য যদি পৰিত্যাগ কৰিব লগা হয় তেনেহলে ইয়াৰ অৰ্থ হ'ব স্বাধীনতা আৰু গণতন্ত্ৰৰ কাৰণে তেওঁলোকৰ আশা-আকাঙ্ক্ষা বিসৰ্জন দিয়া, তেওঁলোকৰ সমাজতান্ত্ৰিক আশা-আকাঙ্ক্ষা লাভ কৰাৰ কথা নকলোৱেইবা।

অত্যন্ত তিক্ত নিৰাশাৰ অনুভূতিৰে আমি এই কথা লক্ষ্য কৰিছোঁ যে অগ্ৰণী ইউৰোপীয় দেশসমূহৰ সমাজতন্ত্ৰী পাৰ্টিবিলাকে উক্ত কৰ্তব্য পালনত ব্যৰ্থ হৈছে, এইবিলাক পাৰ্টিৰ নেতাসকলৰ আচৰণ, বিশেষকৈ জাৰ্মানিত, সমাজতন্ত্ৰৰ আদৰ্শৰ প্ৰতি প্ৰত্যক্ষ বিশ্বাসঘাতকতাৰ পৰ্য্যায়ত পৰে। বৰ্তমানে চূড়ান্ত আৰু ঐতিহাসিক গুৰুত্বপূৰ্ণ এই সময়ত দ্বিতীয় সমাজতান্ত্ৰিক আন্তৰ্জাতিকৰ [২১] (১৮৮৯-১৯১৪) অধিকাংশ নেতাই সমাজতন্ত্ৰৰ ঠাইত জাতীয়তাবাদক প্ৰতিস্থাপন কৰাৰ চেষ্টা কৰিছে।

তেওঁলোকৰ আচৰণৰ ফলত, এইবোৰ দেশৰ শ্ৰমিকসকলৰ পাৰ্টিবোৰে চৰকাৰবিলাকৰ অপৰাধমূলক আচৰণৰ বিৰোধিতা কৰা নাই, বৰং শ্ৰমিক শ্ৰেণীক সাম্ৰাজ্যবাদী চৰকাৰবোৰৰ অৱস্থানৰ লগত নিজৰ অৱস্থান অভিন্ন কৰি তুলিবলৈহে আহ্বান জনাইছে। যুদ্ধ-ঋণৰ পক্ষে ভোট দি, 'নিজৰ' দেশৰ বুৰ্জোৱা শ্ৰেণীৰ উগ্ৰ-স্বাদেশিকতাৰ ('দেশপ্ৰেমিক') ধ্বনিবোৰ দোহাৰি, যুদ্ধৰ ন্যায্যতা প্ৰতিপন্ন আৰু ইয়াৰ পক্ষ সমৰ্থন কৰি, যুদ্ধলিপ্ত দেশসমূহৰ বুৰ্জোৱা চৰকাৰত যোগদান কৰি আৰু এনেকুৱা বিভিন্ন কৰ্মৰ মাজেৰে আন্তৰ্জাতিকৰ নেতাসকলে সমাজতন্ত্ৰৰ বিৰুদ্ধে বিশ্বাসঘাতকতামূলক কাম কৰিছে। আজিৰ ইউৰোপৰ সবাতোকৈ প্ৰভাৱশালী সমাজতন্ত্ৰী নেতাসকল আৰু সমাজতন্ত্ৰী সংবাদপত্ৰ জগতৰ সবাতোকৈ প্ৰভাৱশালী মুখপত্ৰবিলাকে এনেকুৱা অভিমত পোষণ কৰে যিবোৰ উগ্ৰ-জাতীয়তাবাদী, বুৰ্জোৱা আৰু উদাৰপন্থী মত, আৰু সেইবোৰ কোনোমতেই সমাজতান্ত্ৰিক নহয়। এনেদৰে সমাজতন্ত্ৰৰ মৰ্যাদা লঘু কৰাৰ দায়িত্ব প্ৰধানকৈ জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ ওপৰতেই পৰে, এওঁলোক দ্বিতীয় আন্তৰ্জাতিকত সবাতোকৈ শক্তিশালী আৰু অতি প্ৰভাৱশালী পাৰ্টি আছিল। কিন্তু ফৰাচী সমাজতন্ত্ৰীসকলৰ ন্যায্যতাও প্ৰমাণ কৰিব নোৱাৰি, এওঁলোকে সেই বুৰ্জোৱাসকলৰেই চৰকাৰত মন্ত্ৰীপদ গ্ৰহণ কৰিছে, অথচ এই বুৰ্জোৱাবিলাকেই নিজৰ দেশক বিশ্বাসঘাতকতা কৰিছিল আৰু কমিউন চূৰ্ণ কৰাৰ কাৰণে বিস্মাৰ্কৰ লগত একগোট হৈছিল।

জাৰ্মান আৰু অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেটসকলে যুদ্ধৰ প্ৰতি তেওঁলোকৰ সমৰ্থনৰ ন্যায্যতা এই যুক্তি দি প্ৰমাণ কৰাৰ চেষ্টা কৰিছে যে ইয়াৰ দ্বাৰা তেওঁলোকে ৰুছ জাৰতন্ত্ৰৰ বিৰুদ্ধে যুঁজ চলাইছে। আমি — ৰুছ ছচিয়েল-ডেমক্ৰেটসকলে ঘোষণা কৰিছোঁ যে এই ধৰণৰ আত্মপক্ষ সমৰ্থনৰ যুক্তিক আমি কেৱল কুতৰ্ক বুলিহে বিবেচনা কৰোঁ। যোৱা কেইবছৰত আমাৰ দেশত জাৰতন্ত্ৰৰ বিৰুদ্ধে বৈপ্লৱিক আন্দোলনে আকৌ বিৰাট আকাৰ ধাৰণ কৰিছে। এই আন্দোলনৰ আগ শাৰীত সদায়ে আছে ৰুছিয়াৰ শ্ৰমিক শ্ৰেণী। যোৱা কেইবছৰত লাখ লাখ শ্ৰমিকক জড়িত কৰা ৰাজনৈতিক ধৰ্মঘটবিলাকৰ শ্লোগান আছিল জাৰতন্ত্ৰৰ উচ্ছেদ আৰু এখন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা। যুদ্ধৰ ঠিক আগে আগে দ্বিতীয় নিকোলাইৰ লগত সাক্ষাৎ কৰাৰ সময়ত ফৰাচী প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি পʼকাৰেই নিজ চকুৰে ছেন্ট পিটাৰ্ছবুৰ্গৰ বিভিন্ন ৰাস্তাত ৰুছ শ্ৰমিকসকলৰ বাঁচিত বেৰিকেড দেখিবলৈ পাইছিল। জাৰ ৰাজতন্ত্ৰৰ কলংকৰপৰা মানৱ জাতিক মুক্ত কৰাৰ

কাৰণে কোনো আত্মত্যাগৰপৰাই ৰুছ শ্ৰমিক নিবৃত্ত নহয়। অৱশ্যে এই কথা ক'বই লাগিব যে, কোনো বিশেষ অৱস্থাত জাৰতন্ত্ৰৰ পতন যদি কিহবাই পলম কৰিব পাৰে, সমগ্ৰ ৰুছিয়াৰ গণতন্ত্ৰৰ বিৰুদ্ধে ইয়াৰ সংগ্ৰামত জাৰতন্ত্ৰক যদি কিহবাই সহায় কৰিব পাৰে, তেনেহলে সেয়া হ'ল বৰ্তমানৰ যুদ্ধখন, যি যুদ্ধই ব্ৰিটিছ, ফৰাচী আৰু ৰুছ বুৰ্জোৱাসকলৰ ধনৰ মোনা জাৰতন্ত্ৰৰ হাতত ইয়াৰ প্ৰতিক্ৰিয়াশীল উদ্দেশ্য সিদ্ধিৰ বাবে তুলি দিছে। জাৰতন্ত্ৰৰ বিৰুদ্ধে ৰুছিয়াৰ শ্ৰমিক শ্ৰেণীৰ বৈপ্লৱিক সংগ্ৰামত হেঙাৰ দিব পৰা তেনে কিবা যদি আছে তেনেহলে সেয়া হ'ল জাৰ্মান আৰু অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেটিক নেতাসকলৰ আচৰণ, যাক ৰুছিয়াৰ উগ্ৰ-জাতীয়তাবাদী সংবাদপত্ৰবোৰে আমাৰ আগত অনৱৰতে দৃষ্টান্ত হিচাপে দাঙি ধৰিছে।

জাৰ্মান ছচিয়েল-ডেমক্ৰেচি ইমান দুৰ্বল আছিল যে ই সমস্ত বৈপ্লৱিক কৰ্মতৎপৰতাৰপৰা বিৰত থাকিবলৈ বাধ্য হৈছিল — এই কথা ধৰি লৈও আনকি কব পৰা যায়, ই উগ্ৰ-জাতীয়তাবাদী শিবিৰত যোগ দিব নালাগিছিল কিম্বা এনে ব্যৱস্থা গ্ৰহণ কৰাটো ইয়াৰ পক্ষে উচিত হোৱা নাই, যাৰ ফলত ইটালীয় সমাজতন্ত্ৰীসকলে এই কথা কবলৈ সুযোগ পাইছে যে জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক নেতাসকলে প্ৰলিতাৰীয় আন্তৰ্জাতিকৰ পতাকাৰ সম্মান হানি কৰিছে।

আমাৰ পাৰ্টি, ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিয়ে যুদ্ধ সম্পৰ্কিত বিষয়ত বিৰাট আত্মত্যাগ কৰিছে আৰু কৰি যাবও। আমাৰ শ্ৰমিক শ্ৰেণীৰ সকলো বৈধ বাতৰিকাকত দমন কৰা হৈছে। শ্ৰমিক শ্ৰেণীৰ অধিকাংশ সমিতি ভাঙি দিয়া হৈছে আৰু আমাৰ বহুতো কমৰেডক গ্ৰেপ্তাৰ আৰু নিৰ্বাসিত কৰা হৈছে। তথাপি আমাৰ সংসদীয় প্ৰতিনিধিসকলে — ৰাষ্ট্ৰীয় দুমাত [২২] ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক গোষ্ঠীয়ে যুদ্ধ-ঋণৰ পক্ষে ভোট নিদিয়াটোক, এনেকি দুমাৰপৰা ওলাই অহাটোকো ইয়াৰ নিতান্ত পালনীয় সমাজতান্ত্ৰিক কৰ্তব্য বুলি গণ্য কৰে, যাতে ইয়াৰ যোগেদি তেওঁলোকৰ প্ৰতিবাদ অধিক বলিষ্ঠভাৱে প্ৰকাশ কৰা যায়; তেওঁলোকে ইউৰোপীয় চৰকাৰবিলাকৰ কৰ্মনীতিক সাম্ৰাজ্যবাদী [২৩] বুলি অভিহিত কৰাটো তেওঁলোকৰ কৰ্তব্য বুলি বিবেচনা কৰে। জাৰতন্ত্ৰী চৰকাৰে ইয়াৰ অত্যাচাৰ-উৎপীড়ন দহগুণ বৃদ্ধি কৰিছে যদিও ৰুছিয়াৰ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিকসকলে ইতিমধ্যে যুদ্ধৰ বিৰুদ্ধে [২৪] তেওঁলোকৰ প্ৰথম অবৈধ ইস্তাহাৰবোৰ প্ৰকাশ কৰিছে, এনেদৰেই গণতন্ত্ৰ আৰু আন্তৰ্জাতিকৰ প্ৰতি তেওঁলোকৰ কৰ্তব্য সম্পাদন কৰিছে।

এফালে যেতিয়া দ্বিতীয় আন্তৰ্জাতিকৰ ভাঙনে বিপ্লৱী ছচিয়েল-ডেমক্ৰেটসকলৰ মাজত — যাৰ প্ৰতিনিধি হ'ল জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ সংখ্যালঘু অংশ আৰু নিৰপেক্ষ দেশসমূহৰ শ্ৰেষ্ঠতম ছচিয়েল-ডেমক্ৰেটসকল — তীব্ৰ লজ্জাবোধ সৃষ্টি কৰিছে; যেতিয়া ব্ৰিটেইন আৰু ফ্ৰান্স উভয় দেশৰেই সমাজতন্ত্ৰীসকলে অধিকাংশ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ অন্ধ দেশহিতৈষিতাৰ বিৰুদ্ধে মাত মাতিছে; যেতিয়া সুবিধাবাদীসকলে, উদাহৰণ হিচাপে যাৰ প্ৰতিনিধি হ'ল জাৰ্মান Sozialistische Monatshefte [২৫], বহুত দিনৰেপৰাই জাতীয়-উদাৰপন্থী নীতি পোষণ কৰি, সংগত কাৰণতে ইউৰোপীয় সমাজতন্ত্ৰৰ বিৰুদ্ধে তেওঁলোকৰ বিজয় উদযাপন কৰিছে, তেতিয়া সেইসকলেই প্ৰলিতাৰিয়েতৰ সবাতোকৈ বেছি ক্ষতি কৰিছে যিসকল সুবিধাবাদ আৰু বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেচিৰ মাজত দোদুল্যমান (জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ ভিতৰত 'মধ্যপন্থাৰ' দৰে), যিসকলে দ্বিতীয় আন্তৰ্জাতিকৰ ভাঙন ঢাকি ৰখাৰ কিম্বা ইয়াক কূটনৈতিক বাক্-চাতুৰিৰে আঁৰ কৰাৰ চেষ্টা কৰিছে।

আনহাতে, এই ভাঙনক বৰং খোলাখুলিভাৱে স্বীকাৰ কৰিব লাগিব আৰু ইয়াৰ কাৰণবিলাক বুজাৰ চেষ্টা কৰিব লাগিব, যাতে সকলো দেশৰ শ্ৰমিকসকলৰ এক নতুন আৰু অধিক স্থায়ী সমাজতান্ত্ৰিক ঐক্য গঢ়ি তোলা সম্ভৱ হৈ উঠে।

ষ্টুটগাৰ্ট, কোপেনহেগেন আৰু বাছেল কংগ্ৰেছৰ [২৬] যিবোৰ সিদ্ধান্তই সকলো দেশৰ সমাজতন্ত্ৰীসকলৰ পক্ষে সকলো আৰু যিকোনো অৱস্থাতে অন্ধ দেশহিতৈষিতাৰ বিৰুদ্ধে সংগ্ৰামক বাধ্যতামূলক কৰিছিল, বুৰ্জোৱা শ্ৰেণী আৰু চৰকাৰবোৰে আৰম্ভ কৰা যিকোনো যুদ্ধৰ সমিধান হিচাপে গৃহযুদ্ধ আৰু সমাজ-বিপ্লৱৰ তীব্ৰ প্ৰচাৰ চলোৱাটো সমাজতন্ত্ৰীসকলৰ পক্ষে বাধ্যতামূলক কৰিছিল, সেইবোৰ সিদ্ধান্তকেই সুবিধাবাদীবিলাকে নাকচ কৰি দিছে। দ্বিতীয় আন্তৰ্জাতিকৰ পতন হ'ল সুবিধাবাদৰেই পতন, এই সুবিধাবাদে ইতিহাসৰ এতিয়া এৰি-অহা (আৰু তথাকথিত 'শান্তিপূৰ্ণ') এছোৱা কালৰ বৈশিষ্ট্যৰপৰা গা-কৰি উঠিছিল, আৰু সাম্প্ৰতিক বছৰবোৰত ই কাৰ্যতঃ আন্তৰ্জাতিকৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছিল। সুবিধাবাদীসকলে সমাজতান্ত্ৰিক বিপ্লৱক অস্বীকাৰ কৰি আৰু তাৰ ঠাইত বুৰ্জোৱা সংস্কাৰবাদক স্থাপিত কৰি; শ্ৰেণী-সংগ্ৰাম আৰু কোনো নিৰ্দিষ্ট মুহূৰ্তত গৃহযুদ্ধলৈ ইয়াৰ অনিবাৰ্য ৰূপান্তৰক প্ৰত্যাখ্যান কৰি আৰু শ্ৰেণী-সহযোগিতা প্ৰচাৰ কৰি; দেশপ্ৰেম আৰু পিতৃভূমি ৰক্ষাৰ ছদ্মবেশত

বুর্জোৱা জাতি-দম্ভ প্ৰচাৰ কৰি আৰু শ্ৰমজীৱী মানুহৰ কোনো স্বদেশ নাই বুলি 'কমিউনিষ্ট ইস্তাহাৰ'ত [২৭] বহুত দিনৰ আগতেই স্বীকৃত হোৱা সমাজতন্ত্ৰৰ সেই মৌলিক সত্যটিক অৱজ্ঞা কিম্বা প্ৰত্যাখ্যান কৰি; সমৰবাদৰ বিৰুদ্ধে সংগ্ৰামত সকলো দেশৰ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সকলো দেশৰ প্ৰলিতাৰীয়সকলৰ বৈপ্লৱিক যুদ্ধৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰাৰ পৰিৱৰ্তে ভাবাবেগত এক কূপমণ্ডুক দৃষ্টিভঙ্গীৰ মাজত নিজকে সীমাবদ্ধ ৰাখি; বুৰ্জোৱা সংসদীয় প্ৰথা আৰু বুৰ্জোৱা বৈধতাৰ প্ৰয়োজনীয় সদ্ব্যৱহাৰক অন্ধ-বিশ্বাসেৰে খামুচি ধৰি থাকে আৰু সংকটৰ সময়ত সংগঠন আৰু প্ৰচাৰৰ অবৈধ ধৰণ-কৰণবোৰৰ একান্ত প্ৰয়োজনীয়তাৰ কথা পাহৰি গৈ বহুত দিনৰেপৰাই সেই ভাঙনৰ ভিত্তি প্ৰস্তুত কৰি আহিছে। সুবিধাবাদৰ স্বাভাৱিক 'উপাঙ্গ' — প্ৰলিতাৰীয় অৰ্থাৎ মাৰ্ক্সীয় দৃষ্টিভঙ্গীৰ প্ৰতি যি সমানে বুৰ্জোৱা আৰু বৈৰীভাবাপন্ন — যেনে, নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্ট প্ৰৱণতাটো [২৮] বৰ্তমান সংকটৰ সময়ত অন্ধ-দেশহিতৈষিকতাৰ ধ্বনিবোৰৰেই লজ্জাকৰ সুস্পষ্ট পুনৰাবৃত্তিৰে চিহ্নিত হৈছে।

সুবিধাবাদৰ লগত চূড়ান্তভাৱে সম্পৰ্ক ছেদ নকৰিলে আৰু ইয়াৰ অনিবাৰ্য্য নিষ্ফলতা জনসাধাৰণৰ আগত ব্যাখ্যা নকৰিলে, বৰ্তমান সময়ত সমাজতন্ত্ৰৰ লক্ষ্য পূৰণ কৰিব নোৱাৰি আৰু শ্ৰমিকসকলৰ প্ৰকৃত আন্তৰ্জাতিক ঐক্য অৰ্জন কৰিবও নোৱাৰি।

প্ৰত্যেক দেশত ছচিয়েল-ডেমক্ৰেটসকলৰ প্ৰধান কাম হ'ল সেই দেশৰ উগ্ৰ-জাতীয়তাবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰা। ৰুছিয়াত এই অন্ধ-দেশহিতৈষিকতাই বুৰ্জোৱা উদাৰপন্থী ('ক্যদেত')-সকলক [২৯] আৰু নাৰোদনিকসকলৰ [৩০] একাংশক, আনকি ছচিয়েলিষ্ট-ৰিভলিউছনেৰি [৩১] আৰু 'দক্ষিণপন্থী' ছচিয়েল-ডেমক্ৰেটসকলকো আচ্ছন্ন কৰিছে। (বিশেষকৈ ওৱাই. স্মিৰ্নভ, পি. মাস্লভ আৰু জি. প্লেখানভ প্ৰমুখ্যে লোকসকলৰ উগ্ৰ-জাতীয়তাবাদী উক্তিবোৰ চিহ্নিত কৰা উচিত; বুৰ্জোৱা 'দেশপ্ৰেমিক' কাকতবিলাকে সেইবোৰ বচন আগ্ৰহেৰে বুটলি লৈ ব্যাপকভাৱে ব্যৱহাৰ কৰিছে)।

বৰ্তমান পৰিস্থিতিত, ৰণলিপ্ত জাতিৰ দুই গোষ্ঠীৰ কোনটোৰ পৰাজয় সমাজতন্ত্ৰৰ পক্ষে তুলনামূলকভাৱে কম ক্ষতিকৰ সেই কথা আন্তৰ্জাতিক প্ৰলিতাৰিয়েতৰ দৃষ্টিকোণৰপৰা ঠাৱৰ কৰা সম্ভৱ নহয়। কিন্তু আমাৰ, ৰুছ ছচিয়েল-ডেমক্ৰেটসকলৰ কাৰণে এই ক্ষেত্ৰত সামান্যতম সন্দেহো থাকিব নোৱাৰে যে ৰুছিয়াৰ শ্ৰমিক শ্ৰেণী আৰু সকলো জাতিৰ শ্ৰমজীৱী মানুহৰ

দৃষ্টিকোণৰপৰা চালে, সমস্ত চৰকাৰৰ ভিতৰত সবাতোকৈ প্ৰতিক্ৰিয়াশীল আৰু বৰ্বৰ যি চৰকাৰে ইউৰোপ আৰু এছিয়াৰ সৰ্বাধিকসংখ্যক জাতি আৰু বৃহত্তম জনসমষ্টিক নিপীড়ন কৰিছে সেই জাৰ-ৰাজতন্ত্ৰৰ পৰাজয়েই হ'ব তুলনামূলকভাৱে কম অনিষ্টকৰ।

ইউৰোপৰ এখন প্ৰজাতান্ত্ৰিক যুক্তৰাষ্ট্ৰ গঠনেই ইউৰোপৰ ছচিয়েল-ডেমক্ৰেটসকলৰ আশু ৰাজনৈতিক শ্লোগান হোৱা উচিত। শ্ৰমিক শ্ৰেণীক উগ্ৰ-জাতীয়তাবাদৰ ঘাই সোঁতলৈ টানি অনাৰ উদ্দেশ্যে যিকোনো 'প্ৰতিশ্ৰুতি' দিবলৈ প্ৰস্তুত সেই বুৰ্জোৱাসকলৰ বিপৰীতে ছচিয়েল-ডেমক্ৰেটসকলে ব্যাখ্যা কৰি বুজাব লাগিব যে জাৰ্মান, অষ্ট্ৰীয় আৰু ৰুছ ৰাজতন্ত্ৰৰ বৈপ্লৱিক উচ্ছেদৰ অবিহনে এই শ্লোগান সম্পূৰ্ণে মিছা আৰু অৰ্থহীন।

যিহেতু ৰুছিয়া আটাইতকৈ পিছ পৰা আৰু এতিয়াও এই দেশত ইয়াৰ বুৰ্জোৱা বিপ্লৱ সম্পূৰ্ণ হোৱা নাই, সেয়ে এই দেশখনত সুসংগত গণতান্ত্ৰিক সংস্কাৰৰ কাৰণে তিনিটা মৌলিক চৰ্ত অৰ্জন কৰাত ছচিয়েল-ডেমক্ৰেটসকলৰ কৰ্তব্য এতিয়ালৈকে বৈ গৈছে, অৰ্থাৎ, এখন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ (পূৰ্ণ সমানাধিকাৰ আৰু সকলো জাতিৰ কাৰণে আত্মনিয়ন্ত্ৰণেৰে সৈতে), ভূ-সম্পত্তিৰ বাজেয়াপ্তকৰণ, আৰু আঠ-ঘণ্টীয়া কৰ্ম-দিন। কিন্তু সকলো অগ্ৰসৰ দেশত যুদ্ধই সমাজতান্ত্ৰিক বিপ্লৱৰ শ্লোগানটিকেই আলোচ্য-সূচী হিচাপে উপস্থিত কৰিছে; যুদ্ধৰ বোজা প্ৰলিতাৰিয়েতৰ কান্ধত যিমানে বেছি গধুৰ হৈ পৰে সেই শ্লোগানো সিমানে জৰুৰী হৈ উঠে, আৰু বৃহদাকাৰ পুঁজিবাদৰ বিপুল প্ৰাযুক্তিক অগ্ৰগতিৰ অৱস্থাত বৰ্তমানৰ 'দেশপ্ৰেমিক' বৰ্বৰতাৰ বিভীষিকাৰ পাছত ইউৰোপৰ পুনৰ্গঠনৰ ক্ষেত্ৰত ইয়াৰ ভৱিষ্যৎ ভূমিকাও অধিক সক্ৰিয় হৈ উঠে। শ্ৰমিক শ্ৰেণীৰ কণ্ঠৰোধ কৰাৰ কাৰণে বুৰ্জোৱাসকলৰ যুদ্ধকালীন আইনবোৰৰ ব্যৱহাৰৰ ফলত প্ৰলিতাৰিয়েতৰ পক্ষে প্ৰচাৰ-আন্দোলন আৰু সংগঠনৰ অবৈধ ধৰণবোৰ সৃষ্টি কৰাটো অত্যন্ত আৱশ্যকীয় হৈ উঠে। সুবিধাবাদীসকলক নিজৰ প্ৰত্যয়ৰ প্ৰতি বিশ্বাসঘাতকতাৰ বিনিময়ত বৈধ সংগঠনবোৰ 'ৰক্ষা কৰিবলৈ' দিয়ক — বিপ্লৱী ছচিয়েল-ডেমক্ৰেটসকলে শ্ৰমিক শ্ৰেণীৰ সাংগঠনিক অভিজ্ঞতা আৰু যোগাযোগবিলাক কামত খটুৱাব, যাতে সমাজতন্ত্ৰৰ কাৰণে সংগ্ৰামৰ অবৈধ ধৰণবোৰ, সংকটৰ সময়ৰ পক্ষে উপযুক্ত সেই ধৰণবোৰ সৃষ্টি কৰা যায় আৰু শ্ৰমিকসকলক ঐক্যবদ্ধ কৰা যায়, স্বাভাৱিকতেই এই ঐক্য তেওঁলোকৰ নিজৰ দেশৰ জাত্যাভিমানী বুৰ্জোৱাবিলাকৰ লগত নহয়, বৰং সকলো দেশৰ শ্ৰমিকসকলৰ লগত। প্ৰলিতাৰীয় আন্তৰ্জাতিক ধ্বংস হোৱা নাই আৰু ধ্বংস নহ'বও।

সকলো বাধা-বিঘিনি সত্ত্বেও শ্ৰমিক জনসাধাৰণে নতুন এক আন্তৰ্জাতিক গঢ়ি তুলিব। সুবিধাবাদৰ সাম্প্ৰতিক জয়লাভ ক্ষণস্থায়ী হ'ব। যুদ্ধই যিমানে ক্ষয়-ক্ষতি জাপি দিব, সিমানে শ্ৰমিক জনসাধাৰণৰ আগত বেছি ফটফটীয়া হৈ পৰিব যে সুবিধাবাদীসকলে শ্ৰমিকসকলৰ স্বাৰ্থৰ বিশ্বাসঘাতকতা কৰিছে আৰু প্ৰত্যেক দেশৰ চৰকাৰ আৰু বুৰ্জোৱাবিলাকৰ বিৰুদ্ধে অস্ত্ৰ ঘূৰাই ধৰিব লাগিব।

বৰ্তমানৰ সাম্ৰাজ্যবাদী যুদ্ধক গৃহযুদ্ধলৈ ৰূপান্তৰিত কৰাটোৱেই হ'ল একমাত্ৰ নিৰ্ভুল প্ৰলিতাৰীয় শ্লোগান, এই শ্লোগান কমিউনৰ অভিজ্ঞতাৰপৰা উদ্ভূত হয় আৰু ১৯১২ চনত বাছেল প্ৰস্তাৱত ইয়াৰ ৰূপৰেখা [৩২] দাঙি ধৰা হয়; অতি উন্নত বুৰ্জোৱা দেশবোৰৰ মাজত চলা এখন সাম্ৰাজ্যবাদী যুদ্ধৰ সকলো চৰ্তৰপৰাই ই নিৰ্দেশিত হৈছে। কোনো নিৰ্দিষ্ট মুহূৰ্তত সেই ৰূপান্তৰণ যিমানেই কঠিন যেন নালাগক লাগিলে, এতিয়া যুদ্ধ যেতিয়া এটা বাস্তব ঘটনাত পৰিণত হৈছে তেতিয়া সমাজতন্ত্ৰীসকলে এই দিশত প্ৰণালীবদ্ধ, অধ্যৱসায়পূৰ্ণ আৰু অবিচল প্ৰস্তুতিমূলক কাৰ্য্য কেতিয়াও পৰিহাৰ নকৰিব।

একমাত্ৰ এই পথদিয়েই মাথোন উগ্ৰ-জাতীয়তাবাদী বুৰ্জোৱা শ্ৰেণীৰ ওপৰত নিজৰ নিৰ্ভৰশীলতা দূৰ কৰিবলৈ শ্ৰমিক শ্ৰেণী সমৰ্থ হ'ব আৰু ইটো-সিটো কোনো ৰূপত আৰু কম-বেছি দ্ৰুতভাৱে জাতিসমূহৰ প্ৰকৃত মুক্তিৰ অভিমুখে আৰু সমাজতন্ত্ৰৰ অভিমুখে তেওঁলোকে চূড়ান্ত পদক্ষেপ দিব পাৰিব।

সকলো দেশৰ বুৰ্জোৱা শ্ৰেণীৰ উগ্ৰ-জাতীয়তবাদ আৰু দেশপ্ৰেমৰ বিৰুদ্ধে শ্ৰমিকসকলৰ আন্তৰ্জাতিক ভ্ৰাতৃত্ব দীৰ্ঘজীৱী হওক!

সুবিধাবাদৰপৰা মুক্ত প্ৰলিতাৰীয় আন্তৰ্জাতিক দীৰ্ঘজীৱী হওক!

**ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ কেন্দ্ৰীয় কমিটি**

১৯১৪ চনৰ ২৮ ছেপ্টেম্বৰৰ (১১ অক্টোবৰ) আগতে লিখা

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ২৭-৩৪

বৰ্তমান সংকটৰ অত্যন্ত গুৰুত্বৰ লক্ষণ হ'ল এই যে ইউৰোপীয় সমাজতন্ত্ৰৰ অধিকাংশ চৰকাৰী প্ৰতিনিধিয়েই বুৰ্জোৱা জাতীয়তাবাদৰ, জাতি-দম্ভৰ বশীভূত হৈছে। সকলো দেশৰ বুৰ্জোৱা বাতৰিকাকতবোৰে সঙ্গত কাৰণেই এতিয়া তেওঁলোকৰ বিষয়ে একোবাৰ বিদ্ৰূপৰ সুৰত, আকৌ একোবাৰ হয়তো প্ৰশ্ৰয়সূচক প্ৰশংসাৰ সুৰত লিখিবলৈ ধৰিছে। এজন সমাজতন্ত্ৰী হিচাপে থাকিবলৈ বিচৰা যিকোনো লোকৰ পক্ষেই সমাজতন্ত্ৰৰ মাজত এই সংকটৰ কাৰণবোৰ ব্যক্ত কৰা আৰু আন্তৰ্জাতিকৰ কৰ্তব্য বিশ্লেষণ কৰাতকৈ অধিক গুৰুত্বপূৰ্ণ অন্য কৰ্তব্য আৰু থাকিব নোৱাৰে।

এনে কেতবোৰ মানুহ আছে যিসকলে দ্বিতীয় আন্তৰ্জাতিকৰ সংকট, কিম্বা তাতোকৈ অধিক সঠিকভাৱে ক'বলৈ গলে দ্বিতীয় আন্তৰ্জাতিকৰ পতন যে সুবিধাবাদৰেই পতন সেই কথা স্বীকাৰ কৰিবলৈ ভয় কৰে।

উদাহৰণ হিচাপে উল্লেখ কৰা হয় ফৰাচী সমাজতন্ত্ৰীসকলৰ মাজত মতৰ মিলৰ কথা, আৰু এই কথাত কোৱা হয় যে সমাজতন্ত্ৰৰ অন্তৰ্ভুক্ত পুৰণি গোষ্ঠীবোৰে হেনো যুদ্ধৰ প্ৰশ্নত তেওঁলোকৰ অৱস্থান সলনি কৰিছে। এনেবোৰ উল্লেখ অৱশ্যে ভিত্তিহীন।

শ্ৰেণী-সহযোগৰ পক্ষে ওকালতি; সমাজতান্ত্ৰিক বিপ্লৱ আৰু সংগ্ৰামৰ বৈপ্লৱিক পদ্ধতিৰ চিন্তা বিসৰ্জন; বুৰ্জোৱা জাতীয়তাবাদ গ্ৰহণ; জাতিসত্তা আৰু দেশৰ সীমাৰেখা যে ঐতিহাসিকভাৱে ক্ষণস্থায়ী সেই কথা পাহৰি যোৱা; বুৰ্জোৱা বৈধতাৰ ওপৰত অন্ধভাৱে বিশ্বাস ৰখা; 'জনসমষ্টিৰ ব্যাপক অংশক' (অৰ্থাৎ পেটি-বুৰ্জোৱাসকলক) দূৰলৈ খেদি পঠোৱাৰ ভয়ত শ্ৰেণীগত দৃষ্টিভঙ্গী আৰু শ্ৰেণী-সংগ্ৰাম পৰিহাৰ কৰা— এইবিলাক হ'ল নিঃসন্দেহে সুবিধাবাদৰ মতাদৰ্শগত ভিত্তি। আৰু এনে মাটিৰপৰাই দ্বিতীয় আন্তৰ্জাতিকৰ অধিকাংশ নেতাৰ বৰ্তমান উগ্ৰ-

জাতীয়তাবাদী আৰু দেশপ্ৰেমিক মানসিক গঠন গাঢ়-বাঢ়ি উঠিছে। বিভিন্ন প্ৰকাৰৰ দৃষ্টিভঙ্গীসম্পন্ন পৰ্য্যবেক্ষকসকলে বহুত দিনৰেপৰাই লক্ষ্য কৰিছে যে দ্বিতীয় আন্তৰ্জাতিকৰ নেতৃত্বৰ মাজত দৰাচলতে সুবিধাবাদীসকলেই প্ৰবল। যুদ্ধই মাথোন এই প্ৰাবল্যৰ প্ৰকৃত মাত্ৰা দ্ৰুতভাৱে আৰু লক্ষণীয়-ভাৱে প্ৰকাশ কৰি দিছে। সংকটৰ অসাধাৰণ তীব্ৰতাৰ ফলত পুৰণি গোষ্ঠীবোৰৰ মাজত আকৌ এনানি সালসলনি ঘটাটো একো আকস্মিক নহয়। মতৰ ওপৰত এইবোৰ পৰিৱৰ্তনে অৱশ্যে অকল ব্যক্তিবিশেষৰ ওপৰতহে প্ৰভাৱ বিস্তাৰ কৰিছে। সমাজতন্ত্ৰৰ অন্তৰ্নিহিত প্ৰৱণতাবোৰ একেই হৈ আছে।

ফৰাচী সমাজতন্ত্ৰীসকলৰ মাজত সম্পূৰ্ণ মতৰ মিল নাই। গেদ, প্লেখানভ, এৰ্ভে আৰু অন্যান্যসকলৰ লগতে যি ভালিয়াই উগ্ৰ-জাতীয়তাবাদী পন্থা অনুসৰণ কৰিছে, তেৱোঁ আনকি স্বীকাৰ কৰিব লগা হৈছে যে ফৰাচী সমাজতন্ত্ৰীসকলৰপৰা তেওঁ ভালেমান প্ৰতিবাদ-পত্ৰ পাইছে, তাত তেওঁলোকে কৈছে যে চৰিত্ৰৰ ফালৰপৰা এই যুদ্ধ সাম্ৰাজ্যবাদী আৰু এই যুদ্ধ লগোৱাৰ কাৰণে অন্য যিকোনো দেশৰ বুৰ্জোৱাতকৈ ফৰাচী বুৰ্জোৱা শ্ৰেণী কম দোষী নহয়। এই কথা আওকাণ কৰিবও নালাগিব যে প্ৰতিবাদৰ এই সমস্ত কণ্ঠস্বৰ অকল বিজয়ী সুবিধাবাদেই যে ৰোধ কৰিছে এনে নহয়, সামৰিক চেন্সৰ প্ৰথায়ো তাকেই কৰিছে। ব্ৰিটিছেৰে সৈতে হাইণ্ডমেন গোষ্ঠী (ব্ৰিটিছ ছচিয়েল-ডেমক্ৰেটসকল — 'ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি' [৩৩] সম্পূৰ্ণৰূপে জাত্যাভিমানৰ মাজত বুৰ গৈছে, ঠিক যেনেকৈ ট্ৰেড ইউনিয়নবোৰৰ সৰহভাগ আধা-উদাৰপন্থী নেতাৰ ক্ষেত্ৰতো সেই অৱস্থা দেখা গৈছে। এই জাতি-দম্ভৰ বেলিকা প্ৰতিৰোধ আহিছে সুবিধাবাদী 'ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ' [৩৪] মেকডনাল্ড আৰু কেইৰ হাৰ্ডিৰ ফালৰপৰা। এয়া অৱশ্যে নিয়মৰ এটা ব্যতিক্ৰম। যিয়েই নহওক, বহুত দিনৰপৰা হাইণ্ডমেনৰ বিৰোধিতা কৰি অহা কিছুসংখ্যক বিপ্লৱী ছচিয়েল-ডেমক্ৰেটে এতিয়া ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি ত্যাগ কৰিছে। জাৰ্মানসকলৰ ক্ষেত্ৰতো অৱস্থাটো সুস্পষ্ট: সুবিধাবাদীসকল জয়ী হৈছে; তেওঁলোক আনন্দিত, নিজৰ অৱস্থাত বাৰুকৈয়ে সন্তুষ্ট। কাউৎস্কিৰ নেতৃত্বত 'মধ্যপন্থাই' সুবিধাবাদৰ ওচৰত সেও মানিছে আৰু অত্যন্ত কপটীয়া, অমাৰ্জিত আৰু আত্মতৃপ্ত কুতৰ্কৰ মাজেৰে ইয়াক সমৰ্থন কৰিছে। বিপ্লৱী ছচিয়েল-ডেমক্ৰেট মেহৰিং, পান্নেকুক, কাৰ্ল লিবক্লেখ্‌ট আৰু জাৰ্মানিৰ তথা জাৰ্মান-ভাষী ছুইজাৰ্লেণ্ডৰ অন্যান্য

ভালেমান অজানা কণ্ঠস্বৰৰপৰা প্ৰতিবাদ আহিছে। ইটালিতো স্থান গ্ৰহণৰ ক্ষেত্ৰত অৱস্থাটো পৰিষ্কাৰ: চূড়ান্ত সুবিধাবাদীসকলে, বিছ্‌ছোলাটি আৰু সঙ্গীবৃন্দই পিতৃভূমিৰ সপক্ষে, গেদ-ভালিয়া-প্ৰেখানভ-এৰ্ভেৰ সপক্ষে থিয় দিছে। বিপ্লৱী ছচিয়েল-ডেমক্ৰেটসকলে (সমাজতন্ত্ৰী পাৰ্টি) 'Avanti!' কাকতক নিজৰ সমুখত ৰাখি উগ্ৰ-জাতীয়তাবাদৰ বিৰুদ্ধে যুঁজ চলাইছে আৰু যুদ্ধ আহ্বানৰ বুৰ্জোৱা আৰু স্বাৰ্থপৰ চৰিত্ৰ উন্মাটন কৰিছে [৩৫]। তেওঁলোকে প্ৰগতিশীল শ্ৰমিকসকলৰ বিপুল সংখ্যাগৰিষ্ঠ অংশৰ সমৰ্থন পাইছে। ৰুছিয়াত বিলুপ্তিপন্থীসকলৰ [৩৬] শিবিৰৰ চূড়ান্ত সুবিধাবাদীসকলে উগ্ৰ-জাতীয়তাবাদৰ পক্ষ সমৰ্থন কৰি ইতিমধ্যে প্ৰকাশ্য বক্তৃতাত আৰু বাতৰিকাকতত তেওঁলোকৰ বক্তব্য দাঙি ধৰিছে। পি. মাস্লভ আৰু ওৱাই. স্মিৰ্নভে এই অজুহাতত জাৰতন্ত্ৰক সমৰ্থন কৰিছে যে পিতৃভূমিক ৰক্ষা কৰিবই লাগিব (মন কৰক, জাৰ্মানিয়ে তৰোৱালৰ বলত 'আমাৰ' ওপৰত বাণিজ্য চুক্তিবোৰ জাপি দিয়াৰ ভাবুকি দিছে, অথচ আমি এই কথা বিশ্বাস কৰিবই লাগিব যে জাৰতন্ত্ৰই ৰুছ জনসাধাৰণৰ নব্বৈ শতাংশৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু জাতীয় জীৱনৰ টেঁটু চেপি মৰাৰ কাৰণে তৰোৱাল, চাবুক আৰু ফাঁচি-কাঠ ব্যৱহাৰ কৰা নাই!); তেওঁলোকে সমাজতন্ত্ৰীসকলৰ বুৰ্জোৱা প্ৰতিক্ৰিয়াশীল চৰকাৰবিলাকত অংশগ্ৰহণ আৰু আজি যুদ্ধ-ঋণ অনুমোদন, কালিলৈ আকৌ অধিক পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ অনুমোদনৰ ন্যায্যতা প্ৰতিপন্ন কৰে! প্লেখানভ জাতীয়তাবাদৰ গাঁতত পিছলি পৰিছে আৰু নিজৰ ৰুছ জাতি-দম্ভক তেওঁ ফৰাচী-প্ৰেমী এক মনোভাৱৰ মুখাৰে ঢাকি ৰখাৰ চেষ্টা কৰিছে, আৰু আলেক্সিনস্কিয়েও তাকেই কৰিছে। পেৰিছৰ 'গলোছ' কাকতৰ [৩৭] কথাৰপৰা বিচাৰ কৰিলে দেখা যায় এই দলৰ বাকীবিলাকৰ তুলনাত মাৰ্তভে ভালেখিনি মাৰ্জিতভাৱে আচৰণ কৰিছে আৰু তেওঁ জাৰ্মান আৰু ফৰাচী উভয় জাত্যাভিমানৰ, 'Vorwärts' কাকতৰ [৩৮], মিঃ হাইণ্ডমেন আৰু মাস্লভৰ বিৰোধিতা কৰিছে; কিন্তু সামগ্ৰিকভাৱে আন্তৰ্জাতিক সুবিধাবাদৰ বিৰুদ্ধে আৰু ইয়াৰ সবাতোকৈ 'প্ৰভাৱশালী' আগৰণুৱা জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক 'মধ্যপন্থী গোষ্ঠীৰ' বিৰুদ্ধে দৃঢ়ভাৱে আগুৱাবলৈ ভয় কৰিছে। সেনাবাহিনীৰ মাজত স্বেচ্ছামূলক কাৰ্য্যক সমাজতান্ত্ৰিক কৰ্তব্য সম্পাদন হিচাপে উপস্থিত কৰাৰ যি প্ৰচেষ্টা (ছচিয়েল-ডেমক্ৰেট আৰু ছচিয়েলিষ্ট-বিভলিউছনেৰিসকলক লৈ গঠিত এদল ৰুছ স্বেচ্ছাসেৱীৰ পেৰিছ ঘোষণাপত্ৰ, আৰু পোলিছ ছচিয়েল-ডেমক্ৰেট, লেডেৰ আৰু অন্যান্যসকলৰ এখন ঘোষণাপত্ৰও চাওক),

তাত একমাত্র প্লেখানভৰে সমৰ্থন আছিল [৩৯]। আমাৰ পেৰিছ পাৰ্টি গ্ৰুপৰ সংখ্যাগৰিষ্ঠ অংশই এইবোৰে প্ৰচেষ্টাক গৰিহণা দিছে [৪০]। এই সংখ্যাৰ ঘাই প্ৰবন্ধটোৱে আমাৰ পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ অৱস্থান সম্পৰ্কে পাঠকসকলক অৱগত কৰিব।* কোনো প্ৰকাৰৰ ভুল বুজাবুজি নহ'বৰ কাৰণে আমাৰ পাৰ্টিৰ অভিমত আৰু ইবোৰৰ সূত্ৰায়নৰ ইতিহাস সম্পৰ্কিত নিম্নোক্ত তথ্যবোৰ ইয়াত বিবৃত কৰা প্ৰয়োজন। যুদ্ধৰ ফলত ছিন্নভিন্ন হৈ পৰা সাংগঠনিক যোগাযোগবোৰ পুনৰ প্ৰতিষ্ঠা কৰাত যথেষ্ট অসুবিধা হৈছিল, সেইবিলাক অতিক্ৰম কৰাৰ পাছত এদল পাৰ্টি সদস্যই প্ৰথমতে খনচেৰেক 'থিছিছ' প্ৰণয়ন কৰে আৰু ৬-৮ ছেপ্টেম্বৰত (নতুন পঞ্জিকা মতে) কমৰেডসকলৰ মাজত সেইবিলাক প্ৰচাৰিত হয় [৪১]। ইয়াৰ পাছত ছুইছ ছচিয়েল-ডেমক্ৰেটসকলৰ যোগে সেইবিলাক বচনা লুগানোত ইটালীয়-ছুইছ সম্মিলনৰ (২৭ ছেপ্টেম্বৰ) [৪২] দুজন প্ৰতিনিধিৰ ওচৰলৈ পঠোৱা হয়। অক্টোবৰ মাহৰ মাজভাগতহে ম্যথোন যোগাযোগ পুনৰ প্ৰতিষ্ঠা কৰা আৰু পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ অভিমত সূত্ৰায়িত কৰা সম্ভৱ হৈ উঠে। এই সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধটিত আছে সেইবোৰ 'থিছিছৰে' চূড়ান্ত বক্তব্য।

থুপেতে এয়াই হৈছে ইউৰোপীয় আৰু ৰুছ ছচিয়েল-ডেমক্ৰেটিক আন্দোলনত বৰ্তমান অৱস্থা। আন্তৰ্জাতিকৰ ভাঙন এটা বাস্তৱ ঘটনা। বাতৰিকাকতত ফৰাচী আৰু জাৰ্মান সমাজতন্ত্ৰীসকলৰ মাজত তৰ্ক-বিসম্বাদৰ মাজেৰে সেই কথা চূড়ান্তভাৱে প্ৰমাণিত হৈছে, অকল বামপন্থী ছচিয়েল-ডেমক্ৰেটসকলেই (মেহৰিং আৰু 'Bremer Bürger-Zeitung' কাকত) নহয় [৪৩], মধ্যমপন্থী ছুইছ কাকতবোৰেও ('Volksrecht') [৪৪] তাক স্বীকাৰ কৰিছে। এই ভাঙনক ঢাকিবলৈ কাউৎস্কিৰ চেষ্টা হ'ল ফালৰি কটাৰ কাপুৰুষসুলভ ফন্দি মাথোন। আন্তৰ্জাতিকৰ পতন দেখ্‌দেখ্‌কৈয়ে সুবিধাবাদৰেই পতন, এতিয়া এই সুবিধাবাদ বুৰ্জোৱা শ্ৰেণীৰ হাতত বন্দী।

বুৰ্জোৱা শ্ৰেণীৰ অৱস্থানো পৰিষ্কাৰ। সুবিধাবাদীসকলে বুৰ্জোৱা যুক্তি-তৰ্কবোৰকেই যে প্ৰতিধ্বনিত কৰিছে সেই কথাও মুঠেই কম স্পষ্ট নহয়। সেই সম্পাদকীয় প্ৰবন্ধত কোৱা কথাখিনিৰ উপৰিও আমি কেৱল

* আৰ. এছ. ডি. এল. পি.-ৰ কেন্দ্ৰীয় কমিটিৰ ঘোষণাপত্ৰ 'যুদ্ধ আৰু ৰুছ ছচিয়েল-ডেমক্ৰেচি' চাওক। — সম্পাঃ

'Die Neue Zeit' কাকতত [৪৫] প্ৰকাশিত বিবৃতিবিলাক উল্লেখ কৰিব খোজোঁ, য'ত ইঙ্গিত কৰা হৈছে যে পিতৃভূমি ৰক্ষাৰ কাৰণে এখন দেশৰ শ্ৰমিকৰ বিৰুদ্ধে আন এখন দেশৰ শ্ৰমিকক গুলী কৰি মৰাটোৱেই বোলে আন্তৰ্জাতিকতাবাদ।

সুবিধাবাদীসকলক আমি প্ৰত্যুত্তৰত কম, পিতৃভূমিৰ প্ৰশ্নটো বৰ্তমান যুদ্ধৰ সুনিৰ্দিষ্ট ঐতিহাসিক চৰিত্ৰৰ বিষয়ে যথাযোগ্য বিবেচনা নকৰাকৈ উত্থাপন কৰিব নোৱাৰি। এইখন হৈছে সাম্ৰাজ্যবাদী যুদ্ধ, অৰ্থাৎ ই পৰিচালিত হৈছে পুঁজিবাদৰ সৰ্বোচ্চ বিকাশৰ এটা সময়ত, ইয়াৰ আসন্ন অন্তিম কালত। বুৰ্জোৱা ব্যৱস্থাৰ অপৰিহাৰ্য্য ৰূপ হিচাপে জাতিসত্তা আৰু পিতৃভূমি, আৰু ফলস্বৰূপেই বুৰ্জোৱা পিতৃভূমিৰ প্ৰতি আমাৰ স্বীকৃতিৰ সীমা আৰু চৰ্তবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি 'কমিউনিষ্ট ইস্তাহাৰ'ত ঘোষিত হৈছে যে শ্ৰমিক শ্ৰেণীয়ে প্ৰথমে 'জাতিৰ ভিতৰতে নিজক গঠন কৰিব' লাগিব। যিটো কথা পুঁজিবাদৰ উত্থানৰ সময়ছোৱাৰ ক্ষেত্ৰত সত্য আছিল তাকেই পুঁজিবাদৰ অন্তিম কাললৈকে বিস্তৃত কৰি সুবিধাবাদীসকলে সেই সত্যক বিকৃত কৰিছে। শেষোক্ত কালছোৱাৰ সন্দৰ্ভত আৰু সামন্ততন্ত্ৰ নহয় বৰং পুঁজিবাদক ধ্বংস কৰাৰ সংগ্ৰামত প্ৰলিতাৰিয়েতৰ কৰ্তব্যৰ সম্পৰ্ভত কমিউনিষ্ট ইস্তাহাৰে এটি সুস্পষ্ট আৰু সংক্ষিপ্ত সূত্ৰ দাঙি ধৰে: 'মেহনতী মানুহৰ কোনো দেশ নাই।' এই সমাজতান্ত্ৰিক প্ৰতিপাদ্য বিষয়টো জানি লবলৈ সুবিধাবাদীসকলে কিয় ইমান ভয় কৰে, আনকি অধিকাংশ ক্ষেত্ৰত প্ৰকাশ্যে ইয়াৰ সমুখীন হবলৈকো কিয় ভয় কৰে সেই কথা সহজেই বুজিব পাৰি। পিতৃভূমিৰ পুৰণি গাঁথনিৰ মাজত সমাজতান্ত্ৰিক আন্দোলন জয়ী হ'ব নোৱাৰে। ই মানৱ সমাজৰ নতুন নতুন আৰু উন্নততৰ ধৰণ সৃষ্টি কৰে, তাৰ মাজতেই প্ৰত্যেক জাতিসত্তাৰ শ্ৰমজীৱী জনসাধাৰণৰ বৈধ প্ৰয়োজন আৰু প্ৰগতিশীল আশা-আকাঙ্ক্ষাবোৰ আন্তৰ্জাতিক ঐক্যৰ মাজেৰে এই সৰ্বপ্ৰথমে পূৰণ কৰা হ'ব, অৱশ্যে চলিত জাতিগত বিভাজন দূৰীভূত হলেহে। 'পিতৃভূমি ৰক্ষাৰ' ভণ্ডামিপূৰ্ণ আবেদনৰ সাহায্যেৰে সিবিলাকক বিভক্ত আৰু ঐক্যহীন কৰিবলৈ আজিৰ বুৰ্জোৱাসকলৰ যি প্ৰচেষ্টা, তাত শ্ৰেণী-সচেতন শ্ৰমিকসকলে সকলো জাতিৰ বুৰ্জোৱা শ্ৰেণীৰ শাসনক উচ্ছেদ কৰাৰ সংগ্ৰামত বিভিন্ন জাতিৰ শ্ৰমিকসকলক ঐক্যবদ্ধ কৰাৰ নতুন নতুন আৰু অধ্যৱসায়পূৰ্ণ প্ৰচেষ্টাৰ মাজেৰে সমুচিত উত্তৰ দিব।

সাম্ৰাজ্যবাদী লুণ্ঠনক 'জাতীয় যুদ্ধৰ' পুৰণি মতাদৰ্শৰ ছদ্মবেশ

পিছ্বাই বুর্জোৱা শ্রেণীয়ে জনসাধাৰণক প্রতাৰণা কৰিছে। প্রলিতাৰিয়েতে এই প্রবঞ্চনাৰ মুখা খুলি ধৰিছে, সাম্রাজ্যবাদী যুদ্ধক গৃহযুদ্ধলৈ পৰিণত কৰাৰ শ্লোগান দাঙি ধৰিছে। এয়াই আছিল ষ্টুটগার্ট আৰু বাছেলৰ প্রস্তাবেবোৰৰ শ্লোগান [৪৬]; সেই প্রস্তাৱবিলাকত সাধাৰণভাৱে যুদ্ধৰ কথা নহয় বৰং বর্তমানৰ যুদ্ধৰ কথাকেই চিন্তা কৰা হৈছিল আৰু 'পিতৃভূমিৰ ৰক্ষাৰ' কথা কোৱা নাছিল, বৰং কোৱা হৈছিল 'পুঁজিবাদৰ পতন ত্বৰান্বিত কৰাৰ' কথা, এই উদ্দেশ্যৰ কাৰণে যুদ্ধৰ ফলত সৃষ্টি হোৱা সংকটক কামত লগোৱাৰ কথা, আৰু পেৰিছ কমিউনৰ স্থাপিত দৃষ্টান্তৰ কথা। শেষোক্তটো আছিল বিভিন্ন জাতিৰ এখন যুদ্ধ গৃহযুদ্ধত পৰিণত হোৱাৰ দৃষ্টান্ত।

অৱশ্যে এনেকুৱা ৰূপান্তৰৰ কাম মুঠেই সহজ নহয় আৰু কোনো এটা বিশেষ পার্টিৰ হুজুগতো ইয়াক অর্জন কৰিব নোৱাৰি। কিন্তু সাধাৰণভাৱে পুঁজিবাদৰ বস্তুনিষ্ঠ অৱস্থাত, আৰু বিশেষভাৱে পুঁজিবাদৰ অন্তিম কালত সেই ৰূপান্তৰণ সহজাত। সেই দিশত, আৰু একমাত্র সেই দিশতেই সমাজতন্ত্রীসকলে তেওঁলোকৰ কাম-কাজ চলাই যাব লাগিব। যুদ্ধ-ঋণৰ পক্ষে ভোট দিয়া অথবা তেওঁলোকৰ 'নিজ' দেশত (আৰু মিত্রপক্ষৰ দেশবোৰত) উগ্র-জাতীয়তাবাদক উৎসাহিত কৰাটো তেওঁলোকৰ কাম নহয়, বৰং সঙ্কট যেতিয়া পৈণত হৈ উঠিছে আৰু বুর্জোৱা শ্রেণীয়ে নিজবেই সৃষ্ট বৈধতা নিজেই কাঢ়ি লৈছে, তেতিয়া সংগ্রামৰ বৈধ ৰূপবিলাকৰ মাজত নিজক সীমাবদ্ধ নাৰাখি মুখ্যতঃ তেওঁলোকৰ 'নিজৰ' বুর্জোৱা শ্রেণীৰ জাতি-দম্ভৰ বিৰুদ্ধে প্রয়াস চলোৱাটোৱেই তেওঁলোকৰ কাম। এনে ধৰণৰ কর্মপন্থাই গৃহযুদ্ধৰ পিনে আগুৱাই লৈ যায় আৰু ই ইউৰোপীয় দাৱানলৰ যেই কোনো মুহূর্তত গৃহযুদ্ধ ঘটাব।

যুদ্ধ কোনো আকস্মিক ঘটনা নহয়, খ্রীষ্টান পুৰোহিতসকলে (এওঁলোক দেশপ্রেম, মানৱতা আৰু শান্তি প্রচাৰৰ ক্ষেত্রত সুবিধাবাদীসকলৰ পিছত অৱশ্যেই থাকে) যেনেভাৱে চিন্তা কৰে তেনে কোনো 'পাপ' নহয়, বৰং পুঁজিবাদৰ এক অনিবার্য স্তৰ, এয়া শান্তিৰ দৰেই পুঁজিবাদী জীৱন প্রণালীৰ এটা বৈধ ৰূপ। আজিৰ দিনৰ যুদ্ধ হ'ল জন-যুদ্ধ। এই সত্যৰপৰা মিটো কথা ওলাই পৰে সেয়া এই নহয় যে আমি উগ্র-জাতীয়তাবাদৰ 'জনপ্রিয়' সোঁতৰ লগতে সাঁতুৰি যাব লাগিব, বৰঞ্চ এইটোহে যে জাতিসমূহক বিভক্ত কৰা শ্রেণীগত বিৰোধবিলাক যুদ্ধৰ সময়তো বৈ যায় আৰু যুদ্ধৰ অৱস্থাত সিবোৰৰ প্রকাশ ঘটে। সেনাবাহিনীত কাম কৰিবলৈ অস্বীকাৰ, যুদ্ধ-বিৰোধী ধর্মঘট ইত্যাদি হ'ল কেৱল অর্থহীন কথা, সশস্ত্র বুর্জোৱা

শ্ৰেণীৰ বিৰুদ্ধে নিৰস্ত্ৰ সংগ্ৰামৰ শোচনীয় আৰু কাপুৰুষসুলভ স্বপ্নবিলাস, মৰি-মুজি চলোৱা এক গৃহযুদ্ধ কিম্বা এনানি যুদ্ধ নোহোৱাকৈ পুঁজিবাদৰ ধ্বংসৰ কাৰণে নিষ্ফল আশা। প্ৰত্যেক সমাজতন্ত্ৰীৰ কৰ্তব্য হ'ল সেনাবাহিনীৰ মাজতো শ্ৰেণী-সংগ্ৰামৰ প্ৰচাৰ চলোৱা; জাতিসমূহৰ এখন যুদ্ধক গৃহযুদ্ধত পৰিণত কৰাৰ দিশে চালিত কামেই হৈছে সকলো জাতিৰ বুৰ্জোৱা শ্ৰেণীৰ এক সাম্ৰাজ্যবাদী সশস্ত্ৰ সংঘৰ্ষৰ যুগত একমাত্ৰ সমাজতান্ত্ৰিক কৰ্মতৎপৰতা। 'যিকোনো মূল্যৰ বিনিময়ত শান্তিৰ' কাৰণে বিকচিনা লগা ধৰণৰ পবিত্ৰতাৰ ভাও-ধৰা আৰু নিৰ্বোধ আবেদন নিপাত হওক! আহক, গৃহযুদ্ধৰ পতাকা আমি উৰ্দ্ধত তুলি ধৰোঁ! সাম্ৰাজ্যবাদে ইউৰোপীয় সংস্কৃতিৰ ভাগ্য বিপন্ন কৰি তুলিছে: এই যুদ্ধৰ পাছত সোনকালেই আৰু ভালেমান যুদ্ধ হ'ব, যদিহে এনানি সফল বিপ্লৱ সংঘটিত নহয়। এইখনেই 'শেষ যুদ্ধ' বুলি এই মৰ্মে কোৱা কাহিনী হ'ল এটা ফোঁপোলা আৰু বিপজ্জনক সাজি কোৱা কথা, ভিত্তিহীন সংকীৰ্ণ ধৰণৰ এক 'পৌৰাণিক কাহিনী' ('গলোছ' কাকতত যথাৰ্থভাৱেই কোৱাৰ দৰে)। গৃহযুদ্ধৰ প্ৰলিতাৰীয় পতাকাখনে অকল লাখ লাখ শ্ৰেণী-সচেতন শ্ৰমিককেই যে একেলগে সমবেত কৰিব এনে নহয়, বৰং কোটি কোটি আধা-প্ৰলিতাৰীয় আৰু পেটি-বুৰ্জোৱাকো একত্ৰিত কৰিব, যিসকল এতিয়া উগ্ৰ-জাতীয়তাবাদৰ দ্বাৰা প্ৰতাৰিত হৈছে: কিন্তু যুদ্ধৰ বিভীষিকাই তেওঁলোকক কেৱল শঙ্কিত আৰু নিৰাশেই নকৰিব, বৰং তেওঁলোকৰ 'নিজৰ' দেশৰ আৰু 'বিদেশৰ' বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে যুদ্ধৰ কাৰণে তেওঁলোকক জ্ঞান-শিক্ষা দিব, উদ্দীপিত আৰু সংগঠিত কৰিব, দৃঢ় মনোবলেৰে প্ৰস্তুত কৰি তুলিব। আৰু ই ঘটিবই ঘটিব, আজি নহলেও কালিলৈ, যুদ্ধৰ সময়তে নহলেও তাৰ পাছত, এই যুদ্ধত নহলেও পাছৰখন যুদ্ধত ঘটিবই।

সুবিধাবাদৰ দ্বাৰা আচ্ছন্ন দ্বিতীয় আন্তৰ্জাতিক আজি মৃত। সুবিধাবাদ ধ্বংস হওক, আৰু অকল 'স্বপক্ষত্যাগীহ'তৰ' সংশ্ৰৱ-মুক্তই ('গলোছৰ' অভিলাষ অনুযায়ী) নহয়, লগতে সুবিধাবাদৰপৰাও মুক্ত সেই তৃতীয় আন্তৰ্জাতিক দীৰ্ঘজীৱী হওক।

উনৈছ শতিকাৰ শেষ তৃতীয় ভাগত আৰু কুৰি শতিকাৰ আৰম্ভণিত অত্যন্ত পাশৱিক পুঁজিবাদী দাসত্ব আৰু অতি দ্ৰুত পুঁজিবাদী অগ্ৰগতিৰ সুদীৰ্ঘ 'শান্তিপূৰ্ণ' কালছোৱাত শ্ৰমিক শ্ৰেণীক প্ৰাথমিকভাৱে সংগঠিত কৰাৰ ক্ষেত্ৰত দ্বিতীয় আন্তৰ্জাতিকে তাৰ প্ৰয়োজনীয় প্ৰস্তুতিমূলক কামখিনি কৰিলে। তৃতীয় আন্তৰ্জাতিকৰ ওপৰত এতিয়া পুঁজিবাদী চৰকাৰবোৰৰ

বিৰুদ্ধে প্ৰবল বৈপ্লবিক আক্ৰমণ চলোৱাৰ কাৰণে, ৰাজনৈতিক ক্ষমতা দখলৰ উদ্দেশ্যে সকলো দেশৰ বুৰ্জোৱাৰ বিৰুদ্ধে গৃহযুদ্ধৰ কাৰণে, সমাজতন্ত্ৰৰ জয়লাভৰ কাৰণে প্ৰলিতাৰীয় বাহিনীক সংগঠিত কৰাৰ কৰ্তব্য আহি পৰিছে!

১৯১৪ চনৰ ১ নৱেম্বৰত 'ছোৎছিয়াল-দেমক্ৰাৎ' কাকতৰ ৩৩ সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ৩৫-৪১

## মৃত অন্ধ-দেশহিতৈষিকতা আৰু জীৱন্ত সমাজতন্ত্ৰ

## (আন্তৰ্জাতিকক কেনেকৈ পুনৰুদ্ধাৰ কৰা যায়)

ইউৰোপীয় যুদ্ধখনেই এটা বিৰাট ঐতিহাসিক সংকট, এটা নতুন যুগৰ আৰম্ভণি। যিকোনো সংকটৰ দৰেই এই যুদ্ধই গভীৰভাৱে নিহিত বিৰোধবোৰ বেছি জটিল কৰি তুলিছে আৰু ভণ্ডামিৰ সমস্ত আৱৰণ ফালি-ছিৰি, সকলো ৰীতি-নীতি প্ৰত্যাখ্যান কৰি আৰু সমস্ত দুৰ্নীতিপৰায়ণ কিম্বা পচি যোৱা কৰ্তৃত্বক সংকুচিত কৰি সেইবোৰক উপৰিভাগলৈ টানি উলিয়াইছে। (প্ৰসঙ্গতঃ, এয়াই হ'ল সকলো সংকটৰে হিতকৰ আৰু প্ৰগতিশীল ফল, একমাত্ৰ 'শান্তিপূৰ্ণ বিৱৰ্তনৰ' স্থূল-মস্তিষ্ক অনুৰাগীসকলেই ইয়াক উপলব্ধি কৰিব নোৱাৰে।) যি দ্বিতীয় আন্তৰ্জাতিকে ইয়াৰ অস্তিত্ব কালৰ পঁচিছ কিম্বা পঞ্চত্ৰিছ বছৰত (১৮৮৯ ৰ পৰা ১৯১৪ -- কোন চনৰপৰা গণনা কৰা হৈছে সেই অনুযায়ী) সমাজতন্ত্ৰৰ প্ৰভাৱ প্ৰসাৰিত কৰাৰ আৰু সমাজতন্ত্ৰী শক্তিবোৰক প্ৰস্তুতিমূলক, প্ৰাৰম্ভিক আৰু প্ৰাথমিক সংগঠন দিয়াৰ অতি গুৰুত্বপূৰ্ণ আৰু উপযোগী কাম সম্পাদন কৰাত সক্ষম হৈছিল, সি ইয়াৰ ঐতিহাসিক ভূমিকা পালন কৰিছে আৰু ফন ক্ৰুকসকলৰ দ্বাৰা যিমান বেছি নহলেও সুবিধাবাদৰ দ্বাৰা যথেষ্ট পৰিমাণে আচ্ছন্ন হৈ মৃত্যুৰ মুখত পৰিছে। যি শেষ হৈ গৈছে সি কবৰলৈ যাওক। চিন্তাশক্তিহীন নলগা-কামত লাগি-ফুৰা লোকসকলে (উগ্ৰ-জাতীয়তাবাদী আৰু সুবিধাবাদীবোৰৰ কুচক্ৰী বহতীয়া যদি তেওঁলোক নহয়ো) ভাণ্ডেৰ্ভেল্ডে আৰু হাম্বাৰ লগত কাউৎস্কি আৰু হাজেক মিলোৱাৰ কামত লাগি ঘামি-জামি পৰক, ঠিক যেনেকৈ আমাৰ আন এজন ইভান ইভানভিচহে আছে, যিজনে ইভান নিকিফৰভিচক 'ভেদেঙা' বুলি গালি পাৰিছে আৰু তেওঁৰ বন্ধুবৰ্গই তেওঁক শত্ৰুৰ লগত সমিলমিললৈ অহাৰ কাৰণে বুজাই-বঢ়াই মান্তি কৰাব লাগিব [৪৭]। এটা আন্তৰ্জাতিক বুলিলে একেখন মেজত বহা আৰু এনে ধৰণৰ কিছুমান মানুহৰ দ্বাৰা ৰচিত ভণ্ডামিপূৰ্ণ আৰু নীচাত্মক প্ৰস্তাৱ গ্ৰহণ নুবুজায়,

যিবিলাকে ভাবে যে 'পিতৃভূমি ৰক্ষাৰ' নামত ফৰাচী শ্ৰমিকসকলক গুলী কৰি মৰাৰ কাৰণে জাৰ্মান বুৰ্জোৱাৰ আদেশৰ ন্যায্যতা জাৰ্মান সমাজতন্ত্ৰীসকলে প্ৰতিপন্ন কৰাৰ মাজত আৰু জাৰ্মান শ্ৰমিকসকলক গুলীয়াই মৰাৰ কাৰণে ফৰাচী বুৰ্জোৱাৰ আদেশৰ ন্যায্যতা ফৰাচী সমাজতন্ত্ৰীসকলে প্ৰতিপন্ন কৰাৰ মাজতেই প্ৰকৃত আন্তৰ্জাতিকতাবাদ নিহিত! আন্তৰ্জাতিক গঠিত হয় এনে সমস্ত লোক একত্ৰিত হোৱাৰ মাজেৰে (প্ৰথমতঃ মতাদৰ্শগতভাৱে, তাৰ পাছত যথা সময়ত সাংগঠনিকভাৱেও), যিসকলে এই সংকটৰ দিনতো সমাজতান্ত্ৰিক আন্তৰ্জাতিকতা প্ৰকৃততে ৰক্ষা কৰিব পাৰে, অৰ্থাৎ তেওঁলোকৰ শক্তিসমূহক সমবেত কৰিবলৈ আৰু তেওঁলোকৰ নিজ নিজ 'পিতৃভূমিৰ' চৰকাৰ আৰু শাসক শ্ৰেণীবোৰৰ ফালে 'ইয়াৰ পাছতেই গুলীবৰ্ষণ কৰিবলৈ' যিসকল সক্ষম। এইটো সহজ কাম নহয়; ইয়াৰ কাৰণে যথেষ্ট প্ৰস্তুতি আৰু বিৰাট আত্মত্যাগ প্ৰয়োজন আৰু ইয়াৰ লগত বিপৰ্য্যয়ো থাকিব পাৰে। কিন্তু, কামটো সহজ নহয় বুলিয়েই ইয়াক একমাত্ৰ সেই লোকসকলৰ লগত মিলি একেলগে সম্পাদন কৰিব লাগিব, যিসকলে এই কাম কৰিবলৈ ইচ্ছা কৰে আৰু উগ্ৰ-জাতীয়তাবাদীবোৰৰ লগত আৰু সামাজিক-জাতিদম্ভৰ সমৰ্থকবিলাকৰ লগত সম্পূৰ্ণে সম্পৰ্ক ছেদ ঘটাত মুঠেই ভয় নকৰে।

১৯১৪ চনৰ ১২ ডিচেম্বৰত 'ছোৎছিয়াল-দেমক্ৰাৎ' কাকতৰ ৩৫ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ৯৮-৯৯

## 'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীলৈ এখন চিঠি [৪৮]

(অংশবিশেষ)

বাৰ্ন, ৯ ফেব্ৰুৱাৰী, ১৯১৫ চন

প্ৰিয় কমৰেডসকল,

৬ ফেব্ৰুৱাৰী তাৰিখৰ আপোনালোকৰ চিঠিত আপোনালোকে ত্ৰয়ী আঁতাতৰ 'মিত্ৰপক্ষীয় দেশসমূহৰ' [৪৯] সমাজতন্ত্ৰীসকলৰ প্ৰস্তাৱিত লণ্ডন সন্মিলনৰ সন্দৰ্ভত 'চৰকাৰী সামাজিক-দেশপ্ৰেমৰ' বিৰুদ্ধে সংগ্ৰামৰ এক পৰিকল্পনা আমাৰ ওচৰত উত্থাপন কৰিছে। আপোনাসকলে অৱশ্যেই আমাৰ বাতৰিকাকত 'ছোৎছিয়াল-দেমোক্ৰাৎ'-ত [৫০] দেখিবলৈ পাইছে যে আমি সাধাৰণভাৱে সেই সংগ্ৰামক সমৰ্থন কৰোঁ আৰু ইয়াক পৰিচালনা কৰি গৈছোঁ। সেই কাৰণেই আপোনালোকৰ বাৰ্তা পাই আমি অতি আনন্দ পাইছোঁ আৰু যুটীয়া কাৰ্য্যৰ এখন আঁচনি সম্পৰ্কে আলোচনাৰ বাবে আপোনাসকলৰ প্ৰস্তাৱ সন্তোষেৰে গ্ৰহণ কৰিছোঁ।

এই সন্মিলন ফেব্ৰুৱাৰীৰ ১৫ তাৰিখে পাতিবলৈ স্থিৰ কৰা হৈছে বুলি শুনা গৈছে (অৱশ্যে এই সম্পৰ্কে আমি এতিয়ালৈকে এখনি দলিলো পোৱা নাই), সম্ভৱতঃ ইয়াক ২৫ ফেব্ৰুৱাৰী কিম্বা তাৰো পাছলৈ স্থগিত ৰখা হ'ব (হিউছ্‌মান্‌ছৰ এখন চিঠিৰপৰা তেনে ধাৰণা হৈছে, তেওঁ ২০ ফেব্ৰুৱাৰীৰ কাৰ্য্যনিৰ্বাহী আয়োগৰ বৈঠকৰ কথা আৰু কাৰ্য্যনিৰ্বাহী আয়োগৰ সদস্যসকলৰ (সম্পাদক) আৰু ফ্ৰান্স, ব্ৰিটেইন আৰু ৰুছিয়াৰ সমাজতন্ত্ৰীসকলৰ মাজত ব্যক্তিগত আলোচনাৰ পৰিকল্পনাৰ কথাও লিখিছে)। সন্মিলনখন সম্ভৱতঃ আন্তৰ্জাতিক ছচিয়েলিষ্ট ব্যুৰোৰ [৫১] চৰকাৰী সদস্যসকলৰ সন্মিলন হিচাপে নহয়, বৰং গাইগুটীয়া 'বিশিষ্ট' সমাজতন্ত্ৰীসকলৰ মাজত ব্যক্তিগত বৈঠক হিচাপেহে পৰিকল্পিত হৈছে।

সেই কাৰণেই 'চৰকাৰী সামাজিক-দেশপ্ৰেমৰ' বিপৰীত অৱস্থাত এক 'সুস্পষ্ট বৈপ্লৱিক আৰু আন্তৰ্জাতিকতাবাদী' দৃষ্টিভঙ্গী উপস্থাপিত কৰা,

যি বিপৰীত অৱস্থানৰ কথা আপোনাসকলে লিখিছে আৰু যাৰ প্ৰতি আমাৰ পূৰ্ণ সহানুভূতি আছে, তাক সম্ভাব্য সকলো ঘটনাচক্ৰৰ কাৰণে প্ৰস্তুত কৰা উচিত (পাৰ্টিবিলাকৰ চৰকাৰী প্ৰতিনিধিসকলৰ সম্মিলনৰ বাবে আৰু সকলো ৰূপৰ ব্যক্তিগত বৈঠকৰ কাৰণে, ১৫ ফেব্ৰুৱাৰীৰ কাৰণে আৰু ইয়াৰ পাছৰ যিকোনো তাৰিখৰ কাৰণেও)।

আমাৰ ফালৰপৰা আৰু আপোনালোকে ব্যক্ত কৰা ইচ্ছানুযায়ী আমি নিম্নলিখিত খচৰা ঘোষণাপত্ৰৰ প্ৰস্তাৱ কৰিছোঁ, ইয়াত এনে ধৰণৰ বিপৰীত এক অৱস্থান আছে (যাতে ঘোষণাপত্ৰখন পঢ়িব আৰু ছপাব পৰা যায়):

'ৰুছিয়াৰ (ব্ৰিটেইন প্ৰভৃতিৰ) ছচিয়েল-ডেমক্ৰেটিক সংগঠনবোৰৰ নিম্ন-স্বাক্ষৰকাৰী প্ৰতিনিধিসকলে এই প্ৰত্যয়ৰপৰা অগ্ৰসৰ হয়:

'যে বৰ্তমান যুদ্ধ অকল জাৰ্মানি আৰু অষ্ট্ৰো-হাঙ্গেৰিৰেই মাথোন নহয়, ব্ৰিটেইন আৰু ফ্ৰান্সৰ (যিবোৰে জাৰতন্ত্ৰৰ লগত সহযোগেৰে কাম কৰিছে) ফালৰপৰাও এখন সাম্ৰাজ্যবাদী যুদ্ধ, অৰ্থাৎ পুঁজিবাদৰ বিকাশৰ ক্ষেত্ৰত চূড়ান্ত পৰ্য্যায়ৰ যুগৰ যুদ্ধ, জাতীয় সীমাৰে সৈতে বুৰ্জোৱা ৰাষ্ট্ৰসমূহৰ আয়ুস উকলি যোৱা সেই যুগটোৰ যুদ্ধ; এই যুদ্ধৰ লক্ষ্য হ'ল কেৱল উপনিৱেশ দখল কৰা, প্ৰতিদ্বন্দ্বী দেশবোৰক লুটপাত কৰা আৰু ইখন দেশৰ প্ৰলিতাৰিয়েতক সিখন দেশৰ প্ৰলিতাৰিয়েতৰ বিৰুদ্ধে উচটাই দি প্ৰলিতাৰীয় আন্দোলনক দুৰ্বল কৰা।

'এতেকে, সমস্ত ৰণলিপ্ত দেশৰ সমাজতন্ত্ৰীসকলৰ পৰম কৰ্তব্য হ'ল অনতিপলমে আৰু সুদৃঢ়ভাৱে বাছেল প্ৰস্তাৱ [৫২] কাৰ্য্যকৰী কৰা, যেনে:

'১) সকলো দেশত সমস্ত জাতীয় গোট আৰু Burgfrieden* ভাঙি দিয়া;

'২) সকলো ৰণলিপ্ত দেশৰ শ্ৰমিকসকলক তেওঁলোকৰ দেশৰ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে, যি বুৰ্জোৱা শ্ৰেণীয়ে যুদ্ধৰ বাবে সৰবৰাহৰ যোগে তুলনাহীন মুনাফা সঞ্চয় কৰিছে আৰু শ্ৰমিকসকলৰ কণ্ঠৰোধ কৰা আৰু তেওঁলোকৰ ওপৰত নিপীড়ন তীব্ৰতৰ কৰাৰ কাৰণে সামৰিক কৰ্তৃপক্ষৰ সমৰ্থনক কামত লগাইছে তাৰ বিৰুদ্ধে অৰ্থনৈতিক আৰু ৰাজনৈতিক উভয় প্ৰকাৰৰ প্ৰবল শ্ৰেণী-সংগ্ৰাম চলাবলৈ আহ্বান জনোৱা;

'৩) যুদ্ধ-ঋণৰ বাবে যিকোনো ভোটদানক চূড়ান্তভাৱে গৰিহণা দিয়া;

'৪) বেলজিয়াম আৰু ফ্ৰান্সৰ বুৰ্জোৱা চৰকাৰৰপৰা ওলাই অহা, আৰু

---

* শ্ৰেণীগত সন্ধি। — সম্পাঃ

এই কথা স্বীকাৰ কৰা যে চৰকাৰবোৰত সোমোৱা আৰু যুদ্ধ-ঋণৰ পক্ষে ভোট দিয়াটো হ'ল জাৰ্মান আৰু অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেটসকলৰ সমগ্ৰ আচৰণৰ দৰেই সমাজতন্ত্ৰৰ আদৰ্শৰ প্ৰতি একে ধৰণৰ বিশ্বাসঘাতকতা;

'(৫) জাৰ্মান ছচিয়েল-ডেমক্ৰেচিৰ মাজত যিসকল আন্তৰ্জাতিকতাবাদী লোকে যুদ্ধ-ঋণৰ পক্ষে ভোট দিবলৈ অস্বীকাৰ কৰে তেওঁলোকৰ পিনে হাত মেলি ধৰা হওক আৰু যুদ্ধ বন্ধ কৰাৰ কাৰণে আন্দোলন চলোৱাৰ উদ্দেশ্যে তেওঁলোকৰ লগত একেলগে এখন আন্তৰ্জাতিক কমিটি গঠন কৰা হওক — অৱশ্যে এই কাম শান্তিবাদী [৫৩], খ্ৰীষ্টান আৰু পেটি-বুৰ্জোৱা গণতন্ত্ৰীসকলৰ মনোভাৱ লৈ নহয়, বৰং সেই দেশৰ চৰকাৰ আৰু বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে প্ৰত্যেক দেশৰ প্ৰলিতাৰীয়সকলৰ ব্যাপক বৈপ্লৱিক কৰ্মতৎপৰতাৰ সংগঠন আৰু প্ৰচাৰৰ লগত অবিচ্ছেদ্য সম্পৰ্ক ৰাখি কৰিব লাগিব;

'(৬) ব্ৰিটেইন, জাৰ্মানি প্ৰভৃতিৰ সামৰিক কৰ্তৃপক্ষই জাপি দিয়া নিষেধাজ্ঞা সত্ত্বেও, যুঁজাৰু বাহিনীবোৰৰ আৰু বিভিন্ন ট্ৰেঞ্চৰ মাজত যোগাযোগ আৰু ভাতৃবৎ সম্পৰ্ক সাধনৰ কাৰণে ৰণলিপ্ত দেশসমূহৰ সমাজতন্ত্ৰীসকলৰ যিকোনো প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন;

'(৭) ওপৰত নিৰ্দেশ কৰা লক্ষ্যাভিমুখে আন্দোলন তীব্ৰতৰ কৰি তোলাৰ বাবে যুদ্ধৰত দেশবোৰৰ নাৰী-সমাজতন্ত্ৰীসকলৰ আহ্বান;

'(৮) সমগ্ৰ বিশ্ব প্ৰলিতাৰিয়েতৰ পক্ষৰপৰা জাৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰতি সমৰ্থন জনোৱাৰ কাৰণে, আৰু ৰুছিয়াৰ যিসকল ছচিয়েল-ডেমক্ৰেটে কেৱল ঋণৰ পক্ষে ভোট দিবলৈকে মাথোন অস্বীকাৰ কৰা নাই, লগতে অত্যাচাৰ-উৎপীড়নৰ বিপদকো উপেক্ষা কৰিছে আৰু আন্তৰ্জাতিকতাবাদী তথা বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেচিৰ মনোভাৱ লৈ সমাজতান্ত্ৰিক কাম-কাজ চলাই গৈছে তেওঁলোকৰ প্ৰতি সমৰ্থন জনোৱাৰ কাৰণে আহ্বান।'

১৯১৫ চনৰ ১ ফেব্ৰুৱাৰীত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২১, পৃঃ ১২৫-১২৭

# 'ভুৱা পতাকাৰ তলত'

(অংশবিশেষ)

ব্ৰংস্কিৰ গোটাচেৰেক কৰ্মকৌশলগত আৰু সংগঠনগত ভ্ৰান্তি (পৱেচ্ছভৰ কথা ইয়াত নকলোৱেইবা) আচলতে সুবিধাবাদী প্ৰৱণতাৰ দ্বাৰা অৰ্জিত 'পৈণত অৱস্থা' আৰু লগতে আমাৰ যুগৰ জাতীয়-উদাৰপন্থীসকলৰ (কিম্বা সামাজিক-জাতীয়তাবাদীসকলৰ) লগত ইয়াৰ ঘনিষ্ঠ আৰু অভগ্ন যোগসূত্ৰৰ ঘটনাটো স্বীকাৰ কৰিবলৈ তেওঁৰ ভয় কিম্বা তেওঁৰ অনিচ্ছা বা অক্ষমতাৰপৰাই উদ্ভূত হৈছে। ব্যৱহাৰিক ক্ষেত্ৰত, এই 'পৈণতা' আৰু এই সুদৃঢ় যোগসূত্ৰ স্বীকাৰ কৰাৰ সেই ব্যৰ্থতাই প্ৰাধান্যবিস্তাৰী সামাজিক-জাতীয়তাবাদী (বা জাতীয়-উদাৰপন্থী) অনিষ্টকৰ শক্তিৰ সমুখত অন্ততঃ চূড়ান্ত বিভ্ৰান্ত আৰু অসহায়বোধৰ অৱস্থালৈ আগুৱাই নিয়ে।

সাধাৰণভাৱে ক'বলৈ গলে, সুবিধাবাদ আৰু সামাজিক-জাতীয়তাবাদৰ মাজৰ যোগসূত্ৰৰ বিষয়টো পৱেচ্ছভ, মাৰ্তভ, আক্সেলৰদ, ভি. কছোভস্কি (এওঁ আকো যুদ্ধ-ঋণৰ পক্ষে জাৰ্মান গণতন্ত্ৰীসকলৰ জাতীয়-উদাৰপন্থী ভোটদানৰ সমৰ্থনত নিজেই কথা কৈছে) আৰু ব্ৰংস্কিয়ে অস্বীকাৰ কৰে।

তেওঁলোকৰ প্ৰধান 'যুক্তি' হ'ল যে 'সুবিধাবাদৰ ধাৰাৰে' যোৱা কালিৰ গণতন্ত্ৰৰ বিভাজন আৰু 'সামাজিক-জাতীয়তাবাদৰ ধাৰাৰে' আজিৰ বিভাজনৰ মাজত পূৰ্ণ সমাপতনৰ কোনো অস্তিত্ব নাই। প্ৰথমতঃ এই যুক্তি বাস্তৱ ঘটনাৰ ফালৰপৰা যে অশুদ্ধ, সেই কথা আমি এতিয়াই দাঙি ধৰিম; দ্বিতীয়তঃ, এইটো সম্পূৰ্ণে পক্ষপাতমূলক, অসম্পূৰ্ণ আৰু মাৰ্ক্সীয় নীতিৰ দৃষ্টিকোণৰপৰা অসমৰ্থনীয়। ব্যক্তিবিশেষ কিম্বা বিভিন্ন গোষ্ঠী ইপক্ষৰপৰা সিপক্ষলৈ আঁতৰি যাব পাৰে; এয়া কেৱল যে সম্ভৱেই এনে নহয়, যিকোনো বিৰাট সামাজিক 'আলোড়নৰ' ক্ষেত্ৰত এনে হোৱাটো আনকি অনিবাৰ্য্যও। কিন্তু ই নিৰ্দিষ্ট এটা **প্ৰৱণতাৰ** চৰিত্ৰক, অথবা বিভিন্ন নিৰ্দিষ্ট প্ৰৱণতাৰ মাজত মতাদৰ্শগত যোগসূত্ৰ, নাইবা সিবোৰৰ **শ্ৰেণীগত** তাৎপৰ্য্যক মুঠেই

প্ৰভাৱিত নকৰে। এইবিলাক যুক্তি-বিবেচনা ইমানেই সুপৰিচিত আৰু তৰ্কাতীত হেন লাগিব পাৰে যে সেইবোৰৰ ওপৰত ইমান বেছি গুৰুত্ব দিব লগা হৈছে বুলি কোনোবাই প্ৰায় অস্বস্তি বোধ কৰে। অথচ ওপৰত উল্লেখ কৰা ৰচয়িতাসকলে এইবোৰ যুক্তি-বিবেচনাকেই পাহৰি গৈছে। সুবিধাবাদৰ মৌলিক শ্ৰেণীগত তাৎপৰ্য্য — নাইবা আন কথাত ক'বলৈ গলে, ইয়াৰ সামাজিক-অৰ্থনৈতিক বিষয়বস্তু ইয়াতে নিহিত যে বৰ্তমান সময়ৰ গণতন্ত্ৰৰ কোনো কোনো উপাদান বিশেষ বিশেষ ভালেমান প্ৰশ্নত বুৰ্জোৱা শ্ৰেণীৰ ফালে গুচি গৈছে (বস্তুতঃ, হয়তোবা যদিও অসচেতনভাৱে)। সুবিধাবাদ হৈছে এক উদাৰপন্থী-শ্ৰমিক কৰ্মনীতিৰ সমাৰ্থক। এই শব্দবোৰৰ 'উপদলীয়' চেহেৰা সম্পৰ্কে ভীত যিকোনোৱেই অলপ কষ্ট কৰি, ধৰা যাওক ব্ৰিটিছ সুবিধাবাদৰ প্ৰসঙ্গত মাৰ্ক্স, এঙ্গেলছ আৰু কাউৎস্কিৰো (এই শেষোক্তজন 'দলাদলিৰ' বিৰোধীসকলৰ মানত জানো অত্যন্ত উপযুক্ত এজন 'পাৰংগত' নহয়?) অভিমত পঢ়ি চালে উপকাৰ হ'ব। এই বিষয়ে লেশমানো সন্দেহ থাকিব নোৱাৰে যে এনেকুৱা অধ্যয়নে সুবিধাবাদ আৰু উদাৰপন্থী-শ্ৰমিক কৰ্মনীতিৰ মাজত মূল সূত্ৰবোৰৰ মিলন ঘটাৰ কথা স্বীকাৰ কৰাত সহায় কৰিব। আজিৰ ছচিয়েল-জাতীয়তাবাদৰ মূল শ্ৰেণীগত তাৎপৰ্য্য ঠিক একেই ধৰণৰ। সুবিধাবাদৰ মৌলিক ধাৰণা হ'ল বুৰ্জোৱা শ্ৰেণী আৰু ইয়াৰ বিপৰীত দিশৰ মাজত এক মিত্ৰতা বা ওচৰ চপা (কেতিয়াবা এটা চুক্তি, যুটীয়া গোট নাইবা তেনেকুৱা অন্য কিবা)। ছচিয়েল-জাতীয়তাবাদৰ মূল ধাৰণাও ঠিক একেই ধৰণৰ। সুবিধাবাদ আৰু সামাজিক-জাতীয়তাবাদৰ মাজত মতাদৰ্শগত আৰু ৰাজনৈতিক সাদৃশ্য, সংযোগ আৰু আনকি একত্বও সন্দেহাতীত। স্বাভাৱিকতেই, আমি আমাৰ ভিত্তি হিচাপে ব্যক্তি বা গোষ্ঠীক নলৈ বৰং সামাজিক প্ৰৱণতাবোৰৰ শ্ৰেণীগত অন্তৰ্বস্তুৰ বিশ্লেষণ, আৰু সিবোৰৰ অপৰিহাৰ্য্য আৰু প্ৰধান প্ৰধান নীতিৰ মতাদৰ্শগত তথা ৰাজনৈতিক পৰ্য্যালোচনাকেই লব লাগিব।

এই একেটা বিষয়কে অলপ ভিন্ন দৃষ্টিকোণৰপৰা চালে আমি প্ৰশ্ন কৰিম: ছচিয়েল-জাতীয়তাবাদ নো ক'ৰপৰা উদ্ভূত হ'ল? কেনেকৈ ই বাঢ়ি পৈণত হৈ উঠিল? কিহে ইয়াক তাৎপৰ্য্য আৰু শক্তি দিলে? এইবিলাক প্ৰশ্নৰ সমিধান যিজনে বিচাৰি পাব নোৱাৰে সেইজনে ছচিয়েল-জাতীয়তাবাদ নো কি তাক বুজিবলৈও সম্পূৰ্ণে ব্যৰ্থ হয় আৰু সেই গতিকেই নিজৰ আৰু সামাজিক-জাতীয়তাবাদৰ মাজত এটা 'মতাদৰ্শগত ৰেখা' টানিবলৈ

তেওঁ সম্পূৰ্ণে অক্ষম — সেই কাম কৰিবলৈ প্ৰস্তুত বুলি তেওঁ যিমানেই জোৰেৰে দাবী নকৰক লাগিলে।

এই প্ৰশ্নৰ এটাই মাথোন উত্তৰ হ'ব পাৰে: সুবিধাবাদৰপৰাই ছচিয়েল-জাতীয়তাবাদে গা-কৰি উঠিছে আৰু এই সুবিধাবাদেই তাক বল-শক্তি দিছে। ছচিয়েল-জাতীয়তাবাদ 'অকস্মাতে' আবিৰ্ভূত হ'ব পাৰিলে কেনেকৈ? গৰ্ভধাৰণৰ পিছত ন-মাহ অতিবাহিত হলে যেনেকৈ এটি শিশু 'অকস্মাৎ' আবিৰ্ভূত হয় ঠিক সেই দৰেই। সমস্ত ইউৰোপীয় দেশত সমগ্ৰ দ্বিতীয় (বা যোৱা কালিৰ) যুগটোত [৫৪] সুবিধাবাদৰ অজস্ৰ বহিঃপ্ৰকাশৰ প্ৰত্যেকটিয়েই আছিল একোখন সৰু নৈ, ইবোৰেই এতিয়া 'অকস্মাতে' সামাজিক-জাতীয়তাবাদৰ এখন মস্ত ডাঙৰ অথচ নিচেই বাম (আৰু, বন্ধনী চিনৰ ভিতৰত আমি যোগ কৰিব পাৰোঁ বোকাময় আৰু লেতেৰা) নদীৰ বুকুত প্ৰবাহিত হৈছে। গৰ্ভাৱস্থাৰ ন-মাহৰ পাছত শিশুটি তাৰ মাকৰ ওচৰৰপৰা বেলেগ হৈ যাব লাগিবই; সুবিধাবাদ গৰ্ভস্থ হোৱাৰ বহু দশকৰ পাছত ইয়াৰ পৈণত ফল ছচিয়েল-জাতীয়তাবাদো আজিৰ দিনৰ গণতন্ত্ৰৰপৰা পৃথক হৈ যাব লাগিব, এনে এটা সময়ৰ ভিতৰত যিটো কম-বেছি পৰিমাণে সংক্ষিপ্ত (দশকৰ তুলনাত)। এনে ধৰণৰ চিন্তা আৰু কথা সম্পৰ্কে মানুহে যিমানেই গালি-শপনি নাপাৰক, খং-ৰাগ নকৰক, বা চিঞৰ-বাখৰ নলগাওক লাগিলে, এইটো অৱশ্যম্ভাৱী, কিয়নো আজিৰ দিনৰ গণতন্ত্ৰৰ সমগ্ৰ সামাজিক বিকাশৰপৰা আৰু তৃতীয় যুগৰ [৫৫] বস্তুনিষ্ঠ অৱস্থাৰপৰাই এই সিদ্ধান্ত চকুত পৰে।

কিন্তু 'সুবিধাবাদী ধাৰাৰে' বিভাজন আৰু 'ছচিয়েল-জাতীয়তাবাদৰ ধাৰাৰে' ঘটা বিভাজন যদি সম্পূৰ্ণে একে নহয়, তেনেহলে তাৰপৰা এই কথাই জানো প্ৰমাণিত নহয় যে এই দুটা ঘটনাৰ মাজত তেনে কোনো প্ৰকৃত সম্পৰ্ক নাই? ঠিকেই নহয়, প্ৰথমতঃ, ঠিক যেনেকৈ অষ্টাদশ শতিকাৰ শেষৰ ফালে ব্যক্তিগতভাৱে কিছুসংখ্যক বুৰ্জোৱা হয় সামন্ত জমিদাৰসকলৰ পিনে নহলেবা জনসাধাৰণৰ পক্ষে যোৱাৰ সেই ঘটনাৰপৰা প্ৰমাণিত নহয় যে বুৰ্জোৱা শ্ৰেণীৰ বৃদ্ধি আৰু ১৭৮৯ চনৰ মহান ফৰাচী বিপ্লৱৰ মাজত 'কোনো সম্পৰ্ক নাছিল'। দ্বিতীয়তঃ, সাধাৰণভাৱে ক'বলৈ গলে এনেকুৱা এটা মিল আছে (আৰু আমি ইয়াত কৈছোঁ কেৱল সাধাৰণ অৰ্থত আৰু সামগ্ৰিকভাৱে গতি প্ৰকৃতিৰ কথা)। গাইগুটীয়াকৈ এখন দেশক নধৰি বৰং ভালেমান দেশক ধৰা যাওক, ক'ব পৰা যায় দহখন ইউৰোপীয় দেশৰ কথা: জাৰ্মানি, ব্ৰিটেইন, ফ্ৰান্স, বেলজিয়াম, ৰুছিয়া, ইটালি, ছুইডেন,

ছুইজাৰ্লেণ্ড, হলেণ্ড আৰু বুলগেৰিয়া। ভাঙৰ আখৰেৰে লিখা কেৱল এই তিনিখন দেশ ব্যতিক্ৰম বুলি ধাৰণা হ'ব পাৰে। আনবোৰত সুবিধাবাদৰ প্ৰতি আপোচহীন শত্ৰুভাবাপন্ন প্ৰৱণতাবোৰে ছচিয়েল-জাতীয়তাবাদৰ প্ৰতি বৈৰিতাপূৰ্ণ প্ৰৱণতাবোৰৰ জন্ম দিছে। জাৰ্মানিত সুপৰিচিত Monatshefte [৫৬] আৰু ইয়াৰ বিৰোধীসকলক, ৰুছিয়াত 'নাছে দিয়েলো' [৫৭] আৰু ইয়াৰ বিৰোধীসকলক, ইটালিত বিছ্ছোলাতিৰ পাৰ্টি আৰু ইয়াৰ বিৰোধীসকলক, ছুইজাৰ্লেণ্ডত গ্ৰেলিখ আৰু গ্ৰিমৰ অনুগামীসকলক, ছুইডেনত ব্ৰাণ্টিং আৰু হগ্লুণ্ডৰ অনুগামীসকলক, হলেণ্ডত ট্ৰুলষ্ট্ৰা, পান্নেকুক আৰু গোৰ্টেৰৰ অনুগামীসকলক আৰু শেষত বুলগেৰিয়াত 'অব্শেচো দিয়েলো'ৰ অনুগামী আৰু 'তেছ্নিয়াকি'সকলক [৫৮] বিজাই চাওক। পুৰণি আৰু নতুন বিভাজনৰ মাজত সাধাৰণ একত্বটো হৈছে এটা বাস্তৱ ঘটনা; আৰু সম্পূৰ্ণ সাদৃশ্যৰ কথা ক'বলৈ গলে, এইবোৰ আনকি সৰলতম প্ৰাকৃতিক বিষয়তো নঘটে, কাৰণ নৈ ভলগাৰ বুকুত আহি পৰাৰ আগৰ ভলগা আৰু সেই ঠাইৰ পিছৰ ভলগাৰ মাজত যেনে পৰিপূৰ্ণ মিল তাতোকৈ বেছি নহয়; কোনো এটি শিশু আৰু তাৰ মাক-বাপেকৰ মাজতো পূৰ্ণ সাদৃশ্য দেখা নাযায়। ব্ৰিটেইনেই একমাত্ৰ ব্যতিক্ৰম বুলি ধাৰণা হয়; আচলতে যুদ্ধৰ পূৰ্বে ব্ৰিটেইনত দুটি প্ৰধান ধাৰা আছিল, সেই দুটি ধাৰা দুখন দৈনিক কাকতৰ লগত সংশ্লিষ্ট আছিল — এয়াই হৈছে এই দুই ধাৰাৰ গণ-চৰিত্ৰৰ অতি প্ৰকৃত বস্তুনিষ্ঠ নিদৰ্শন — যেনে, সুবিধাবাদীসকলৰ বাতৰিকাকত 'ডেইলি চিটিজেন' [৫৯] আৰু সুবিধাবাদৰ বিৰোধীসকলৰ মুখপত্ৰ 'ডেইলি হেৰল্ড'-ৰ [৬০] লগত। দুয়োখন কাকতেই জাতীয়তাবাদৰ ঢৌৰ মাজত বুৰ গৈছে; তথাপি প্ৰথমখনৰ অনুগামীসকলৰ এক-দশমাংশৰ কমে আৰু দ্বিতীয়খনৰ অনুগামীসকলৰ প্ৰায় তিনি-সপ্তমাংশই বিৰোধিতা প্ৰকাশ কৰিছে। তুলনাৰে যি সচৰাচৰ পদ্ধতিৰে 'ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টি'-ৰ [৬১] লগত একমাত্ৰ 'ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি'-ৰ তুলনা কৰা হয়, সেই পদ্ধতিটোৱেই হৈছে ভ্ৰান্ত, কাৰণ এই ক্ষেত্ৰত ফেবিয়ানসকলৰ [৬২] আৰু 'লেবাৰ পাৰ্টি'-ৰ [৬৩] লগত প্ৰথমোক্তটিৰ এটা প্ৰকৃত গোটৰ অস্তিত্ব আওকাণ কৰা হয়। তেতিয়াহলে দেখা গৈছে যে দহখন দেশৰ মাজত মাত্ৰ দুখন হ'ল ব্যতিক্ৰম, কিন্তু ইয়াতো আনকি ব্যতিক্ৰম সম্পূৰ্ণ নহয়, কাৰণ প্ৰৱণতাবিলাকে স্থান পৰিবৰ্তন কৰা নাই; কেৱল (ইয়াৰ কাৰণবোৰ ইমান স্পষ্ট যে সেইবোৰৰ বিষয়ে আলোচনা নিষ্প্ৰয়োজন) ঢৌৱেহে সুবিধাবাদৰ প্ৰায় সকলো বিৰোধীক বুৰাই নিছে।

ইয়েই সেই ঢৌৰ শক্তিৰ কথা নিঃসন্দেহে প্ৰমাণ কৰে, কিন্তু ই সমগ্ৰ ইউৰোপৰ কাৰণে পুৰণি আৰু নতুন বিভাজনৰ মাজৰ একত্বক কোনো প্ৰকাৰেই প্ৰমাণ খণ্ডন নকৰে।

আমাক কোৱা হয় যে 'সুবিধাবাদৰ ধাৰাৰে' বিভাজন অপ্ৰচলিত আৰু একমাত্ৰ এটি বিভাজনেই মাথোন তাৎপৰ্য্যপূৰ্ণ, অৰ্থাৎ আন্তৰ্জাতিকতাবাদৰ অনুগামী আৰু জাতীয় গণ্ডীৰ অনুগামীসকলৰ মাজত বিভাজন। এই অভিমত মূলগতভাৱেই ভুল। 'আন্তৰ্জাতিকতাবাদৰ অনুগামী'ৰ ধাৰণাটো সমস্ত সাৰমৰ্মহীন আৰু অৰ্থহীন হয়, যদিহে আমি ইয়াক **সুনিৰ্দিষ্ট-ভাৱে** সম্প্ৰসাৰণ নকৰোঁ; কিন্তু এনেকুৱা নিৰ্দিষ্ট সম্প্ৰসাৰণৰ ফালে যিকোনো পদক্ষেপেই হ'ব সুবিধাবাদৰ প্ৰতি বৈৰিতাৰ লক্ষণবোৰৰ এক বিতং বৰ্ণনা। কাৰ্য্যক্ষেত্ৰত ই অধিক পৰিমাণে সত্য বুলি প্ৰমাণিত হ'ব। আন্তৰ্জাতিকতাবাদৰ যিজন অনুগামী একে সময়তে সুবিধাবাদৰ সবাতোকৈ সুসংগত আৰু দৃঢ়প্ৰতিজ্ঞ বিৰোধী নহয়, তেওঁ হ'ল এটা ছ'য়া-ময়া মূৰ্তি, তাতোকৈ বেছি একো নহয়। সম্ভৱতঃ এই ধৰণৰ কোনো কোনো ব্যক্তিয়ে সততাৰেই নিজক 'আন্তৰ্জাতিকতাবাদী' বুলি বিবেচনা কৰিব। কিন্তু মানুহে নিজৰ সম্পৰ্কে কি ভাবে তাৰ দ্বাৰা তেওঁলোকৰ বিচাৰ নহয়, বিচাৰ হয় বৰং তেওঁলোকৰ ৰাজনৈতিক আচৰণ-ব্যৱহাৰৰ দ্বাৰাহে। যিসকল আন্তৰ্জাতিকতাবাদী সুবিধাবাদৰ সুসংগত আৰু দৃঢ়প্ৰতিজ্ঞ বিপক্ষবাদী নহয়, তেওঁলোকৰ ৰাজনৈতিক আচৰণে সদায়ে জাতীয়তাবাদী প্ৰৱণতাক সাহায্য কৰে আৰু উদগনি দিব। আনহাতে, জাতীয়তাবাদীসকলেও নিজক 'আন্তৰ্জাতিকতাবাদী' বুলি (কাউৎস্কি, লেণ্চ, হেনিছ, ভাণ্ডেৰ্ভেল্ডে, হাইণ্ডমেন প্ৰমুখ্যে) অভিহিত কৰে; তেওঁলোকে কেৱল তেনেদৰে নিজক অভিহিত কৰিয়েই ক্ষান্ত নাথাকে, তেওঁলোকৰ অভিমতৰ অংশীদাৰ সেই লোকসকলৰ লগত এক আন্তৰ্জাতিক পুনৰ্মিলন, মতৈক্য, এক সম্মিলনকো সম্পূৰ্ণভাৱে স্বীকাৰ কৰে। সুবিধাবাদীসকল 'আন্তৰ্জাতিকতাবাদৰ' **বিৰুদ্ধে নহয়**; এওঁলোকে কেৱল সুবিধাবাদৰ প্ৰতি আন্তৰ্জাতিক অনুমোদন আৰু সিসকলৰ মাজত আন্তৰ্জাতিক মতৈক্যৰ সপক্ষে।

ৰচনাৰ সময় ১৯১৫ চনৰ ফেব্ৰুৱাৰীৰ আগতে নহয়

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ১৫৩-১৫৭

## বিদেশত থকা ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ গোষ্ঠীবোৰৰ সম্মিলন [৬৪]

### সম্মিলনৰ প্ৰস্তাৱৰপৰা অংশবিশেষ

### 'পিতৃভূমি ৰক্ষাৰ' শ্লোগান

বৰ্তমান যুদ্ধ হ'ল সাম্ৰাজ্যবাদৰ ফালৰপৰা, উপনিৱেশবোৰৰ বিভাগৰ কাৰণে আৰু প্ৰতিদ্বন্দ্বী দেশবোৰক লুট কৰাৰ কাৰণে ব্ৰিটেইন, ফ্ৰান্স আৰু জাৰ্মানিৰ মাজত যুঁজ; ৰুছিয়াৰ জাৰতন্ত্ৰ আৰু শাসক শ্ৰেণীবোৰৰ পক্ষে এয়া হ'ল পাৰস্য, মঙ্গোলিয়া, তুৰস্ক, কনষ্টাণ্টিনোপ্‌ল, গালিচিয়া প্ৰভৃতি ভূখণ্ড দখল কৰাৰ চেষ্টা। অষ্ট্ৰো-ছাৰ্বীয় যুদ্ধত জাতীয় উপাদানটো হৈছে নিতান্তই গৌণ বিষয় আৰু ই যুদ্ধৰ সাধাৰণ সাম্ৰাজ্যবাদী চৰিত্ৰক প্ৰভাৱিত নকৰে।

যোৱা কেইবাদশকৰ সমগ্ৰ অৰ্থনৈতিক আৰু কূটনৈতিক ইতিহাসে দেখুৱাই দিছে যে ৰণলিপ্ত জাতিসমূহৰ উভয় পক্ষই বৰ্তমানৰ দৰে এনেকুৱা যুদ্ধৰ বাবেই প্ৰণালীবদ্ধভাৱে প্ৰস্তুতি চলাইছিল। সমাজতন্ত্ৰীসকলৰ কৰ্মকৌশলৰ যিকোনো নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত কোন পক্ষই প্ৰথমে সামৰিক আঘাত কৰিছে কিম্বা প্ৰথমে যুদ্ধ ঘোষণা কৰিছে, সেই প্ৰশ্নটো অনাৱশ্যক। পিতৃভূমি ৰক্ষা, শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ, আত্মৰক্ষাৰ যুদ্ধ ইত্যাদি সম্পৰ্কে উভয় পক্ষৰ কথা-বতৰাবোৰ জনসাধাৰণক ঠগোৱাৰ বাহিৰে আন একো নহয়।

বিশেষকৈ ১৭৮৯ আৰু ১৮৭১ চনৰ মাজত ঘটা তেনে ধৰণৰ প্ৰকৃত জাতীয় যুদ্ধবিলাকৰ গুৰিতে আছলতে আছিল ব্যাপক জাতীয় আন্দোলনৰ, স্বেচ্ছাচাৰিতা আৰু সামন্তবাদৰ বিৰুদ্ধে সংগ্ৰামৰ এক সুদীৰ্ঘ প্ৰক্ৰিয়া, জাতিগত নিপীড়নৰ উচ্ছেদ আৰু পুঁজিবাদী বিকাশৰ পূৰ্বচৰ্ত হিচাপে জাতীয় ভিত্তিত ৰাষ্ট্ৰবোৰৰ গঠন।

সেই যুগে সৃষ্টি কৰা জাতীয় মতাদৰ্শই ব্যাপক পেটি-বুৰ্জোৱা শ্ৰেণীৰ ওপৰত আৰু প্ৰলিতাৰিয়েতৰ একাংশৰ ওপৰত গভীৰ সাঁচ বাখি গৈছিল। এতিয়া, সম্পূৰ্ণে ভিন্ন আৰু সাম্ৰাজ্যবাদী এক যুগত ইয়াক বুৰ্জোৱা

শ্ৰেণীৰ কুতৰ্কীসকলে আৰু তেওঁলোকৰ পদাংক অনুসৰণকাৰী সমাজতন্ত্ৰৰ বিশ্বাসঘাতকসকলে কামত লগাইছে যাতে ইয়াৰ মাজেৰে শ্ৰমিকসকলক বিভক্ত কৰিব পাৰে আৰু তেওঁলোকক নিজৰ শ্ৰেণীগত লক্ষ্যৰপৰা আৰু বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰামৰপৰা বিপথে চালিত কৰিব পাৰে।

'মেহনতী মানুহৰ কোনো পিতৃভূমি নাই' — 'কমিউনিষ্ট ইস্তাহাৰ'-ৰ এই কথাকেইটি আজি আগৰ যিকোনো সময়ৰ তুলনাত বেছি সত্য। বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে প্ৰলিতাৰিয়েতৰ আন্তৰ্জাতিক সংগ্ৰামেই মাথোন ই নিজে অৰ্জন কৰাখিনিক ৰক্ষা কৰিব পাৰে আৰু ইয়েই নিপীড়িত জনসাধাৰণৰ সন্মুখত এক উন্নততৰ ভৱিষ্যতৰ পথ মুকলি কৰি দিব পাৰে।

ৰচনাকাল ১৯১৫ চনৰ
১৯ ফেব্ৰুৱাৰীৰ (৪ মাৰ্চ) পাছত নহয়

সংগৃহীত ৰচনাৱলী,
খণ্ড ২১, পৃঃ ১৫৯-১৬০

যুদ্ধৰ ফলত সমগ্ৰ আন্তৰ্জাতিক সমাজতন্ত্ৰৰ মাজত গুৰুতৰ সংকট ঘটিছে। অন্য যিকোনো সংকটৰ দৰেই, সমাজতন্ত্ৰৰ বৰ্তমান সংকটেও ইয়াৰ মাজত গভীৰভাৱে নিহিত আভ্যন্তৰিক বিৰোধবিলাক অধিক স্পষ্টকৈ প্ৰকাশ কৰি দিছে। ই নানান ভুৱা-মিছা আৰু চিৰাচৰিত মুখা ছিঙি পেলাই সমাজতন্ত্ৰত কি কি অপ্ৰচলিত আৰু গেলি-পচি যায়, আৰু বিজয়ৰ দিশত ইয়াৰ অগ্ৰগতি আৰু অধিক শ্ৰীবৃদ্ধি কিহৰ ওপৰত নিৰ্ভৰ কৰিব সেই কথা অত্যন্ত তীব্ৰ পোহৰত দাঙি ধৰিছে।

কাৰ্যতঃ ৰুছিয়াৰ প্ৰায় সকলো ছচিয়েল-ডেমক্ৰেটেই উপলব্ধি কৰে যে পুৰণি বিভাজন আৰু গোষ্ঠীবোৰ যদি অচল অপ্ৰচলিত নহয়ো, তথাপি সেইবোৰ অন্ততঃ এটা ৰূপান্তৰৰ মাজেদি যাব লাগিছে। আগভাগত আছে যুদ্ধৰ দ্বাৰা উত্থাপিত প্ৰধান প্ৰশ্ন সম্পৰ্কে বিভাজন, অৰ্থাৎ 'আন্তৰ্জাতিকতাবাদী' আৰু 'ছচিয়েল-দেশপ্ৰেমিকসকলৰ' মাজত বিভাজন। আমি এই কথাখিনি 'নাছে স্লোভো' কাকতৰ ৪২ নং সংখ্যাৰ সম্পাদকীয় প্ৰবন্ধৰূপৰা [৬৫] লৈছোঁ, আৰু জাতীয় উদাৰপন্থী শ্ৰমিক ৰাজনীতিজ্ঞসকলৰ লগত বিপ্লৱী ছচিয়েল-ডেমক্ৰেটসকলৰ পাৰ্থক্য দাঙি ধৰি এই কথাখিনি বেছিকৈ পৰিপূৰণ কৰা উচিত হ'ব নে নহয়, সেই প্ৰশ্ন সম্পৰ্কে সম্প্ৰতি আমি আলোচনালৈ নাযাম।

নিশ্চিতভাৱে ক'বলৈ গলে, এয়া গোটাচেৰেক নামৰ কথা নহয়; আজিৰ দিনৰ প্ৰধান বিভাজনৰ সাৰাংশটি 'নাছে স্লোভো'-ত যথাৰ্থভাৱেই প্ৰকাশ কৰা হৈছে। কোৱা হৈছে 'প্লেখানভ যাৰ প্ৰতিনিধি সেই ছচিয়েল-দেশপ্ৰেম সম্পৰ্কে' আন্তৰ্জাতিকতাবাদীসকল 'তেওঁলোকৰ নেতিবাচক দৃষ্টিভঙ্গীত ঐক্যবদ্ধ...' সম্পাদকসকলে 'বৰ্তমানৰ একতাহীন গোষ্ঠীবোৰক এটা বুজাবুজিলৈ অহাৰ বাবে আৰু অন্ততঃ এটি কামৰ বাবে ঐক্যবদ্ধ

হোৱাৰ কাৰণে — বৰ্তমান যুদ্ধ আৰু ৰুছীয় ছচিয়েল-দেশপ্ৰেম সম্পৰ্কে ৰুছ ছচিয়েল-ডেমক্ৰেটসকলৰ মনোভাব প্ৰকাশৰ কাৰণে' আহ্বান জনাইছে।

বাৰ্তাৰিকাকতৰ যোগে এই আবেদনৰ উপৰিও 'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীয়ে আমালৈ আৰু সাংগঠনিক কমিটিলৈ [৬৬] এখন চিঠি পঠাই প্ৰস্তাব দিছে যে তেওঁলোকৰ অংশগ্ৰহণেৰে এই বিষয়ে আলোচনাৰ কাৰণে এখন সন্মিলন আহ্বান কৰা হওক। উত্তৰত আমি 'গোটাচেৰেক প্ৰাথমিক প্ৰশ্ন সুস্পষ্ট কৰাৰ' প্ৰয়োজনীয়তাৰ কথা কৈছোঁ, 'যাতে প্ৰধান প্ৰশ্নটোত আমি একমত হয় নে নহয়' সেই কথা জনা যায়। আমি গুৰুত্ব আৰোপ কৰিছোঁ এনেকুৱা দুটি প্ৰাথমিক প্ৰশ্নৰ ওপৰত: ১) 'ৰুছিয়াৰ অগ্ৰসৰ প্ৰলিতাৰিয়েতৰ ইচ্ছাক যিসকলে বিকৃত কৰে ('নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীৰ ব্যৱহৃত অভিব্যক্তি), সেই 'ছচিয়েল-দেশপ্ৰেমিকসকলৰ' (সম্পাদকসকলে প্লেখানভ, আলেক্সিনস্কি আৰু পেত্ৰোগ্ৰাদৰ বিখ্যাত বিলুপ্তিপন্থী লিখক গোষ্ঠীৰ নাম উল্লেখ কৰিছে যিবোৰে X.Y.Z. কাকতক [৬৭] সমৰ্থন কৰে) মুখা খুলি দিয়াত কোনো ঘোষণাই সাহায্য নকৰিব; ছচিয়েল-দেশপ্ৰেমিকসকলৰ মুখা খুলি দিয়াৰ কাৰণে সুদীৰ্ঘ সংগ্ৰামৰ প্ৰয়োজন; ২) 'আন্তৰ্জাতিকতাবাদীসকলৰ' সাংগঠনিক কমিটিক গণ্য কৰাৰ কি ভিত্তি আছিল?

আনহাতে, সাংগঠনিক কমিটিৰ বিদেশত থকা সম্পাদকমণ্ডলীয়ে 'নাছে স্লোভো' কাকতলৈ দিয়া ইয়াৰ উত্তৰৰ এটি প্ৰতিলিপি আমালৈকো পঠিয়াইছে। তাত থুপতে কোৱা হৈছে যে কোনো কোনো গোষ্ঠীৰ 'প্ৰাথমিক' বাছনি আৰু 'অন্যবোৰক বাদ দিয়াৰ' প্ৰশ্নই নুঠে; আৰু 'সন্মিলনলৈ অহাৰ কাৰণে সেই সকলো পাৰ্টি কেন্দ্ৰ আৰু গোষ্ঠীৰ... যিবিলাকে যুদ্ধৰ আগতে আন্তৰ্জাতিক ছচিয়েলিষ্ট ব্যুৰোৰ ব্ৰাছেলছ সন্মিলনত যোগ দিছিল, সিবিলাকৰ বিদেশস্থ প্ৰতিনিধিকহে আমন্ত্ৰণ জনাব লাগিব' (১৯১৫ চনৰ ২৫ মাৰ্চৰ চিঠি)।

এইদৰেই সাংগঠনিক কমিটিয়ে কেৱল আন্তৰ্জাতিকতাবাদীসকলৰ লগত আলোচনা কৰিবলৈ নীতিগতভাৱে অস্বীকাৰ কৰিছে, কাৰণ ই ছচিয়েল-দেশপ্ৰেমিকসকলৰ লগতো আলোচনা কৰিবলৈ বিচাৰে (ব্ৰাছেলছত প্লেখানভ আৰু আলেক্সিনস্কিৰ প্ৰৱণতা প্ৰতিনিধিত্ব হৈছে বুলি জনা যায়)। নেৰ্ভিত সমবেত হোৱা ছচিয়েল-ডেমক্ৰেটসকলৰ প্ৰস্তাৱতো একেই একে মনোভাবৰেই প্ৰকাশ ঘটিছে ('নাছে স্লোভো', ৫৩ নং সংখ্যা), ইওনভৰ প্ৰতিবেদনৰ পিছত প্ৰস্তাৱটো গৃহীত হয় (আৰু ইয়াত স্পষ্টভাৱেই বুন্দ-ৰ

[৬৮] মাজত সবাতোকৈ আমূল-পৰিৱৰ্তনকামী আৰু আন্তৰ্জাতিকতাবাদী লোকসকলৰ এই প্ৰতিনিধিজনৰ মতামত প্ৰকাশ পাইছে)।

বিদেশত থকা বহুতো সমাজতন্ত্ৰীয়ে বিচৰা সেই 'মধ্যপন্থা' নিৰ্দ্ধাৰণত আমাক সাহায্য কৰাৰ ক্ষেত্ৰত মূল্যবান আৰু অত্যন্ত বৈশিষ্ট্যপূৰ্ণ উক্ত প্ৰস্তাৱটোৱে 'নাছে স্লোভো'-ৰ 'নীতিসমূহৰ' প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে, কিন্তু তাৰ লগে লগে 'নাছে স্লোভো'-ৰ সেই অৱস্থানৰ লগত মতানৈক্যও প্ৰকাশ কৰিছে, যি অৱস্থান হৈছে 'সংগঠনগত বিভাজন সৃষ্টি কৰা, অকল আন্তৰ্জাতিকতাবাদী সমাজতন্ত্ৰীসকলক ঐক্যবদ্ধ কৰা আৰু ঐতিহাসিকভাৱে উদ্ভূত সমাজতান্ত্ৰিক প্ৰলিতাৰীয় পাৰ্টিবোৰৰ ভিতৰত ভাঙনৰ প্ৰয়োজনীয়তা সমৰ্থন কৰা'। এই গোটটোৰ অভিমত হ'ল, 'নাছে স্লোভো'-ৰ 'একপক্ষীয় বিচাৰ' (এই প্ৰশ্নবোৰৰ) 'আন্তৰ্জাতিকৰ পুনৰ্স্থাপনৰ লগত জড়িত সমস্যাৱলী স্পষ্টীকৰণৰ পক্ষে অতি ক্ষতিকৰ'।

আমি ইতিমধ্যে আঙুলিয়াই দিছোঁ যে সাংগঠনিক কমিটিৰ চৰকাৰী প্ৰতিনিধি আক্সেলৰদৰ মতামত হৈছে ছচিয়েল-জাতিদম্ভবাদী। 'নাছে স্লোভো' কাকতে এই মৰ্মে সংবাদপত্ৰত নাইবা ইয়াৰ চিঠি-পত্ৰত কোনো সমিধান দিয়া নাই। আমি উল্লেখ কৰিছোঁ যে বুন্দ-ৰ অৱস্থানো একেই, জাৰ্মানপ্ৰেমী উগ্ৰ-জাতীয়তাবাদৰ দিশে ঢাল খোৱা। নেৰ্ভি প্ৰস্তাৱে ইয়াক এনেভাৱে প্ৰমাণ কৰিছে যে ই পৰোক্ষভাৱে হলেও অত্যন্ত তাৎপৰ্য্যপূৰ্ণ: ই ঘোষণা কৰিছে যে অকল আন্তৰ্জাতিকতাবাদীসকলৰ একীকৰণ ক্ষতিকৰ আৰু বিভেদমূলক। অত্যন্ত প্ৰশংসনীয় এক স্পষ্টতাৰে প্ৰশ্নটো উত্থাপিত হৈছে।

সাংগঠনিক কমিটিৰ সমিধান আৰু বেছি স্পষ্ট, ইয়াত বিষয়টো সম্পৰ্কে আওপকীয়া মনোভাৱ প্ৰকাশ কৰা হোৱা নাই, বৰং পোনপটীয়া আৰু আনুষ্ঠানিক দৃষ্টিভঙ্গী প্ৰকাশ পাইছে। ইয়াত কোৱা হৈছে, আমি ছচিয়েল-দেশপ্ৰেমিকসকলক বাদ দি নহয়, বৰং তেওঁলোকেৰে সৈতে আলোচনা কৰিব লাগিব।

'নাছে স্লোভো'-লৈ দিয়া চিঠিৰ কাৰণে সাংগঠনিক কমিটিৰ ওচৰত আমি কৃতজ্ঞ থকা উচিত; ইয়াত উক্ত সংস্থা সম্পৰ্কে আমাৰ অভিমতৰ নিৰ্ভুলতা প্ৰতিপন্ন হৈছে।

ইয়াৰ দ্বাৰা 'নাছে স্লোভো'-ৰ আন্তৰ্জাতিকতাবাদীসকলক ঐক্যবদ্ধ কৰাৰ **গোটেই ধাৰণাটোৱেই** ব্যৰ্থ হৈ যোৱাৰ কথা বুজাইছে নেকি? নহয়, তেনে হোৱা নাই। মতাদৰ্শগত সংহতি আৰু ছচিয়েল-দেশপ্ৰেমৰ লগত যুঁজ কৰাৰ

ঐকান্তিক অভিলাষ যেতিয়ালৈকে থাকে, তেতিয়ালৈকে কোনো সম্মিলনৰ ব্যৰ্থতাই আন্তৰ্জাতিকতাবাদীসকলৰ মাজত একতাত বাধা দিব নোৱাৰে। 'নাছে স্লোভো'-ৰ সম্পাদকমণ্ডলীৰ হাতত আছে এখন দৈনিক কাকতৰ দৰে বিৰাট হাতিয়াৰ। তেওঁলোকে বিভিন্ন সম্মিলন আহ্বান কৰা আৰু ঘোষণা প্ৰচাৰ কৰাতকৈ যথেষ্ট পৰিমাণে বেছি কাৰ্য্যকৰী আৰু গুৰুতৰ কিবা কাম কৰিব পাৰে; তেওঁলোকে আটাইবোৰ গোষ্ঠীকে আমন্ত্ৰণ জনাব পাৰে আৰু নিজেই আৰম্ভ কৰিব পাৰে: ১) আন্তৰ্জাতিকতাবাদৰ বিষয়বস্তুৰ (কথা হ'ল, ভাণ্ডেৰভেল্ডে, কাউৎস্কি, প্লেখানভ, লেণ্চ আৰু হেনিছেও নিজকে আন্তৰ্জাতিকতাবাদী বোলে!), সুবিধাবাদ, দ্বিতীয় আন্তৰ্জাতিকৰ পতন, ছচিয়েল-দেশপ্ৰেমৰ বিৰুদ্ধে যুদ্ধৰ কৰ্ম আৰু পদ্ধতি ইত্যাদিৰ পৰিপূৰ্ণ, যথাৰ্থ, দ্ব্যৰ্থহীন আৰু নিখুঁত স্পষ্ট সংজ্ঞাবোৰ অবিলম্বে স্থিৰ কৰিবলৈ; ২) অকল বিদেশতেই নহয়, প্ৰধানতঃ ৰুছিয়াতো গোটাচেৰেক নীতিৰ কাৰণে কঠোৰ সংগ্ৰামৰ বাবে শক্তিসমূহৰ সমাবেশ ঘটাবলৈ।

দৰাচলতে, ছচিয়েল-দেশপ্ৰেমৰ বিৰুদ্ধে আন্তৰ্জাতিকতাবাদৰ জয়লাভৰ অন্য কোনো পথ নাই বুলি আৰু থাকিব নোৱাৰে বুলি কোনোবাই জানো অস্বীকাৰ কৰিব পাৰে? অৰ্দ্ধ শতিকাৰ ৰুছ ৰাজনৈতিক দেশান্তৰ-গমন (আৰু ত্ৰিছ বছৰৰ ছচিয়েল-ডেমক্ৰেটিক দেশান্তৰ-গমন) — এইবোৰে জানো দেখুৱাই দিয়া নাই যে বিদেশত হোৱা সকলো ঘোষণা, সম্মিলন ইত্যাদি শক্তিহীন, নগণ্য আৰু অসাৰ, যেতিয়ালৈকে সেইবোৰত ৰুছিয়াত কোনো কোনো সামাজিক স্তৰৰ স্থায়ী আন্দোলনৰ সমৰ্থন নাথাকে? বৰ্তমান যুদ্ধয়ো জানো আমাক এই শিক্ষা দিয়া নাই যে যিয়েই অপৈণত কিম্বা ক্ষয়িষ্ণু, যিয়েই প্ৰথাগত কিম্বা কূটনৈতিক সেই সকলো প্ৰথম আঘাততে চূৰমাৰ হৈ যাব?

যুদ্ধৰ আঠ মাহত সকলো ছচিয়েলিষ্ট--ডেমক্ৰেটিক কেন্দ্ৰ, গোষ্ঠী, ধাৰা আৰু অভিমতে বেলেগে বেলেগে আৰু একেলগে সম্মিলন পাতিছে আৰু বিভিন্ন 'ঘোষণা' দাঙি ধৰিছে, অৰ্থাৎ তেওঁলোকৰ মতামত ৰাজহুৱাভাৱে জনাইছে। আজি কামটো হৈছে বেলেগ আৰু কৰ্মতৎপৰতাৰ ওচৰা-উচৰি: প্ৰতিধ্বনিত ঘোষণা আৰু দেখনিয়াৰ সম্মিলনবোৰৰ বিষয়ে বেছি অবিশ্বাস; লিখক, প্ৰচাৰক, আন্দোলনকাৰী আৰু সকলো চিন্তাশীল কৰ্মীৰ উদ্দেশ্যে যথাযথ সমিধান আৰু পৰামৰ্শ ব্যক্ত কৰাত অধিক শক্তি নিয়োগ, সেইবোৰ এনেভাৱে ৰচিত যাতে নুবুজাকৈ থাকিব পৰা নাযায়; এনেকুৱা পৰামৰ্শ

কাৰ্য্যত পৰিণত কৰিবলৈ দীৰ্ঘম্যাদী প্ৰচেষ্টাৰ কাৰণে শক্তি সমাৱেশৰ ক্ষেত্ৰত অধিক স্পষ্টতা আৰু উদ্দেশ্যধৰ্মিতা।

'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীক ভালেখিনি দিয়া হৈছে — মুঠৰ ওপৰত, এখন দৈনিক কাকত তো আছে! — আৰু তেওঁলোকে যদি এই 'সৰ্বনিম্ন কৰ্মসূচী'কো আনকি সম্পাদন কৰিবলৈ অক্ষম হয় তেনেহলে তেওঁলোকে যথেষ্ট কৈফিয়ৎ দিব লাগিব।

শহত এটি মন্তব্য: ১৯১০ চনৰ মে' মাহত, ঠিক পাঁচ বছৰৰ আগতে আমাৰ বিদেশত থকা কাকতত আমি অতি অসাধাৰণ এটি ৰাজনৈতিক ঘটনাৰ বিষয়ে, অত্যন্ত 'শক্তিশালী' বহুতো ছচিয়েল-ডেমক্ৰেটিক কেন্দ্ৰৰ সম্মিলন আৰু ঘোষণাৰ তুলনাত 'বহুত বেছি তাৎপৰ্য্যপূৰ্ণ' ঘটনাৰ, অৰ্থাৎ ৰুছিয়াত **সেই একেই** X.Y.Z. কাকতত কাম কৰা বৈধতাবাদী লিখকসকলৰ এটি গোষ্ঠী গঠনৰ ঘটনাৰ কথা উল্লেখ কৰিছিলোঁ। ৰুছিয়াত আৰু সমগ্ৰ পৃথিৱীত শ্ৰমিক আন্দোলনৰ ইতিহাসত অত্যন্ত ঘটনাবহুল এই পাঁচ বছৰত প্ৰকৃত **ঘটনাৱলীয়ে** কি দেখুৱাই দিছে? বিভিন্ন ঘটনাই জানো দেখুৱাই দিয়া নাই যে ৰুছিয়াত এটা **জাতীয়-উদাৰপন্থী শ্ৰমিক পাৰ্টিৰ** ('ইউৰোপীয়' ঠাচত) শক্তিবোধক সমবেত কৰাৰ কাৰণে এটা নিৰ্দিষ্ট **সামাজিক** প্ৰাণকেন্দ্ৰ আমাৰ আছে? 'ভপ্ৰোছি স্ত্ৰাখোভানিয়া' [৬৯] কাকতৰ বাহিৰে ৰুছিয়াত আমি একমাত্ৰ এই ধাৰাটোৰেই যে প্ৰকাশ্য অভিব্যক্তি হিচাপে 'নাছে দিয়েলো', 'স্ত্ৰাখোভানিয়ে বাবোচিখ', 'ছেভেৰ্নি গলোছ' [৭০], মাস্লভ আৰু প্লেখানভক দেখা পাওঁ, এই অৱস্থাটোৱে সমস্ত ছচিয়েল-ডেমক্ৰেটৰ ওপৰত কি সিদ্ধান্ত আনি দিয়ে?

সেই গতিকেই আমি দোহাৰিব খোজোঁ: প্ৰতিধ্বনিত ঘোষণাৱলী সম্পৰ্কে আৰু-বেছি অবিশ্বাস আৰু গুৰুতৰ ৰাজনৈতিক বাস্তৱ ঘটনাৰ সমুখীন হোৱাৰ ক্ষেত্ৰত আৰু-বেছি সাহস।

১৯১৫ চনৰ ১ মে'ত 'ছোৎছিয়াল দেমোক্ৰাৎ' কাকতৰ ৪১ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ১৮৮-৯১

## 'যুদ্ধ সম্পৰ্কে প্ৰধান জাৰ্মান সুবিধাবাদী ৰচনা'

(উদ্ধৃতি)

যিটো আন্তৰ্জাতিক সেইটো মুঠেই জাতীয়তা-বিৰোধী নহয়; আমি জাতিসমূহৰ আত্মপ্ৰতিষ্ঠাৰ অধিকাৰৰ সপক্ষে; আমি দুৰ্বল জাতিবোৰক ভাবুকিৰে অসজ আচৰণ কৰাৰ বিৰুদ্ধে, ডেভিডে এইবিলাক জোৰ দি কয় এই কথা নুবুজাকৈয়ে (কিম্বা নুবুজাৰ ভাও ধৰি) যে সাম্ৰাজ্যবাদী যুদ্ধত অংশগ্ৰহণৰ ন্যায্যতা প্ৰতিপন্ন কৰা আৰু এই যুদ্ধত 'পৰাজয়ৰ বিৰুদ্ধে' শ্লোগান উপস্থাপনৰ অৰ্থ হ'ল কেৱল এজন সমাজতন্ত্ৰ-বিৰোধী হিচাপেই নহয়, এজন জাতি-বিৰোধী ৰাজনীতিজ্ঞ হিচাপেও কাম কৰা। কাৰণ, বৰ্তমানৰ সাম্ৰাজ্যবাদী যুদ্ধ হৈছে বৃহৎ শক্তিবোৰৰ (অৰ্থাৎ ভালেমান অন্যান্য জাতিক উৎপীড়ন কৰা শক্তিবোৰ) মাজত এখন যুদ্ধ, ই চালিত হৈছে নতুন নতুন জাতিক নিপীড়ন কৰাৰ উদ্দেশ্যে। এজন সমাজতন্ত্ৰী ৰাজনীতিজ্ঞ নোহোৱাকৈ, অৰ্থাৎ নিপীড়িত জাতিসমূহৰ মুক্তিৰ অধিকাৰ, সিবিলাকৰ ওপৰত নিপীড়ন চলোৱা সেই বৃহৎ শক্তিবোৰৰপৰা বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ স্বীকাৰ নকৰাকৈ অন্যভাৱে এখন সাম্ৰাজ্যবাদী যুদ্ধত কোনোৱেই 'জাতীয়' হ'ব নোৱাৰে। সাম্ৰাজ্যবাদৰ যুগত জাতিসত্তাৰ সীমা চেৰাই, সেই সীমা চূৰ্ণ কৰি আৰু আন্তৰ্জাতিক বুৰ্জোৱা শ্ৰেণীক উচ্ছেদ কৰি বৃহৎ শক্তিবোৰৰ প্ৰলিতাৰিয়েতৰ বৈপ্লৱিক অভিযানৰ মাজেৰে অগ্ৰসৰ হোৱাৰ বাহিৰে পৃথিৱীৰ **সৰহভাগ** জাতিৰ পক্ষে অন্য কোনোভাৱে **মুক্তি সম্ভৱ** নহয়। বুৰ্জোৱা শ্ৰেণী যেতিয়ালৈকে উচ্ছেদিত নহয় তেতিয়ালৈকে 'বৃহৎ শক্তি' নামেৰে পৰিচিত জাতিবোৰ থাকিব, **অৰ্থাৎ** সমগ্ৰ পৃথিৱীৰ জাতিসমূহৰ নব্বৈ শতাংশৰ ওপৰত নিপীড়ন চলি থাকিব। বুৰ্জোৱা শ্ৰেণীৰ উচ্ছেদ ঘটিলেহে সকলো ধৰণৰ জাতিগত **বিভাজনৰ** পতন বিপুলভাৱে ত্বৰান্বিত হ'ব, ই মানৱ সমাজৰ 'পৃথকীকৰণক' হ্ৰাস নঘটাই বৰং আত্মিক জীৱন, মতাদৰ্শগত ধাৰা, বিভিন্ন প্ৰৱণতা আৰু নানান বিধৰ ক্ষেত্ৰত সম্পদ আৰু বৈচিত্ৰ্যৰ অৰ্থত লক্ষগুণে বঢ়াই তুলিব।

১৯১৫ চনৰ জুন-জুলাই মাহত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২১, পৃঃ ২৭৩-২৭৪

## 'শান্তিৰ প্ৰশ্ন' প্ৰবন্ধৰপৰা

জাতিসমূহৰ স্বাধীনতাৰ দাবী যদি কোনো কোনো নিৰ্দিষ্ট দেশৰ সাম্ৰাজ্যবাদ আৰু জাতীয়তাবাদক ঢাকি ৰখাৰ মিছা আভুৱা-ভঁৰা কথা নহৈ থাকিব লাগে, তেনেহলে ইয়াক সকলো জাতি আৰু সকলো উপনিৱেশৰ ক্ষেত্ৰত অৱশ্যেই প্ৰসাৰিত কৰিব লাগিব। এই দাবী অৱশ্যে স্পষ্টভাৱেই অৰ্থহীন হয়, যিদিহে সকলো অগ্ৰসৰ দেশত এলানি বিপ্লৱ তাৰ লগে লগে সংঘটিত নহয়। তদুপৰি সফল এক সমাজতান্ত্ৰিক বিপ্লৱৰ অবিহনে এই দাবী অৰ্জন কৰিবও নোৱাৰি।

ইয়াৰ অৰ্থ তেনেহলে এনেদৰে ধৰি লব লাগিব নেকি যে ব্যাপকতৰ জনসাধাৰণৰ মাজৰপৰা আহিবলৈ ধৰা শান্তিৰ দাবীৰ প্ৰতি সমাজতন্ত্ৰীসকল উদাসীন থাকিব পাৰে? কোনোমতেই নোৱাৰে। শ্ৰমিকসকলৰ শ্ৰেণী-সচেতন অগ্ৰণী বাহিনীৰ শ্লোগান এটা কথা, আৰু জনসাধাৰণৰ স্বতস্ফূৰ্ত দাবী সম্পূৰ্ণ বেলেগ কথা। 'মুক্তিৰ' যুদ্ধ, 'পিতৃভূমি ৰক্ষা' আৰু এনে ধৰণৰ যিবিলাক মিছা ভাষণেৰে পুঁজিপতি শ্ৰেণীয়ে জনতাক প্ৰতাৰণা কৰে, সেই বুৰ্জোৱা মিছা প্ৰচাৰ সম্পৰ্কে নৈৰাশ্যৰ সূত্ৰপাত যিবিলাক লক্ষণৰ মাজেৰে প্ৰকাশ পায় তাৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ হ'ল শান্তিৰ কাৰণে হাবিয়াহ। এই লক্ষণটোৱে সমাজতন্ত্ৰীসকলৰ গভীৰ মনোযোগ আকৰ্ষণ কৰা উচিত। শান্তিৰ কাৰণে জনসাধাৰণৰ আকাংক্ষাক উপযুক্তভাৱে কামত লগোৱাৰ দিশত সকলো প্ৰচেষ্টা নিয়োগ কৰিব লাগিব। কিন্তু ইয়াক সদ্ব্যৱহাৰ কৰিব লাগিব কেনেকৈ? শান্তিৰ শ্লোগানক স্বীকৃতি দিয়া আৰু ইয়াক পুনৰাবৃত্তি কৰাৰ অৰ্থ হ'ব 'অক্ষম (আৰু সততে তাতোকৈ নিকৃষ্ট: ভণ্ডামিপূৰ্ণ) বৰকথীয়াসকলৰ দাম্ভিকতাত' উৎসাহ যোগোৱা; ইয়াৰ অৰ্থ হ'ব জনসাধাৰণক এই মোহজালেৰে ঠগোৱা যে চলিত চৰকাৰ, বৰ্তমানৰ মালিক-শ্ৰেণীবোৰ — এলানি বিপ্লৱৰ মাজেৰে 'শিক্ষালাভ' নকৰাকৈয়ে (কিম্বা উচ্ছেদিত নোহোৱাকৈয়ে) গণতন্ত্ৰ আৰু শ্ৰমিক শ্ৰেণীৰ পক্ষে কোনো

প্ৰকাৰে সন্তোষজনক শান্তি প্ৰদান কৰিবলৈ সক্ষম। এনে ধৰণৰ প্ৰৱঞ্চনাতকৈ অধিক ক্ষতিকৰ আৰু একো নাই। আন একোৱেই শ্ৰমিকসকলৰ চকুত ইমান বেছি ধূলি নামাৰে, পুঁজিবাদ আৰু সমাজতন্ত্ৰৰ মাজত গভীৰ বিৰোধৰ অনুপস্থিতিৰ বিষয়ে তেওঁলোকৰ মনত ইমান বেছি ছলনাপূৰ্ণ ধাৰণা আন একোৱেই সুমুৱাই নিদিয়ে, এই প্ৰতাৰণাতকৈ অন্য একোৱেই পুঁজিবাদী দাসত্বক ইমান বেছি সুশোভিত নকৰে। নহয়, আমি শান্তিৰ আকাংক্ষাক এনেভাৱে কামত লগাব লাগিব যাতে জনসাধাৰণক বুজোৱা যায় যে শান্তিৰপৰা তেওঁলোকে আশা কৰা সুফল এলানি বিপ্লৱৰ অবিহনে অৰ্জন কৰিব নোৱাৰি।

যুদ্ধৰ পৰিসমাপ্তি, জাতিসমূহৰ মাজত শান্তি, লুণ্ঠন আৰু হিংসা-বলপ্ৰয়োগ বন্ধ কৰা — এয়াই হৈছে আমাৰ আদৰ্শ, কিন্তু এই আদৰ্শ যদি বৈপ্লৱিক কৰ্মাভিযানৰ বাবে প্ৰত্যক্ষ আৰু আশু আহ্বানৰপৰা বিচ্যুত হয় তেনেহলে বুৰ্জোৱা কুতৰ্কীসকলেহে মাথোন এই আদৰ্শৰে জনসাধাৰণক কুপথে নিব পাৰে। এনে প্ৰচাৰৰ কাৰণে ক্ষেত্ৰ প্ৰস্তুত, সেই প্ৰচাৰ চলোৱাৰ বাবে সুবিধাবাদীসকলৰ লগত, প্ৰত্যক্ষভাৱে (আনকি কৰ্তৃপক্ষক খবৰ জনোৱা পৰ্য্যন্ত) আৰু পৰোক্ষভাৱে বৈপ্লৱিক কাৰ্য্যত বাধা জন্মোৱা বুৰ্জোৱা শ্ৰেণীৰ সেই সহযোগী মিত্ৰসকলৰ লগত সম্পৰ্ক ছিন্ন কৰিলেই মাথোন হ'ল।

জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ শ্লোগানটিকো পুঁজিবাদৰ সাম্ৰাজ্যবাদী যুগৰ লগত সম্পৰ্ক ৰাখি দাঙি ধৰা উচিত। আমি স্থিতাৱস্থাৰ পক্ষে নাইবা বৃহৎ যুদ্ধবোৰত একাৰৰীয়াকৈ থকাৰ কূপমণ্ডুক অবাস্তৱতাৰ পক্ষে থিয় নিদিওঁ। আমি সাম্ৰাজ্যবাদৰ বিৰুদ্ধে, অৰ্থাৎ পুঁজিবাদৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰামৰ পক্ষে। যিবোৰ জাতিয়ে আন কিছুমান জাতিক নিপীড়ন কৰে, সেই জাতিবোৰৰ সেই উৎপীড়ন প্ৰসাৰিত আৰু বৃদ্ধি কৰাৰ আৰু উপনিৱেশবোৰ নতুনকৈ ভাগ কৰি লোৱাৰ প্ৰচেষ্টাই হ'ল সাম্ৰাজ্যবাদ। গতিকেই জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নটো আজি উৎপীড়নকাৰী জাতিবোৰৰ সমাজতন্ত্ৰীসকলৰ আচৰণৰ ওপৰত নিৰ্ভৰ কৰে। যিকোনো অত্যাচাৰী জাতিৰ (ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানি, জাপান, ৰুছিয়া, মাৰ্কিন যুক্তৰাষ্ট্ৰ ইত্যাদি) যিজন সমাজতন্ত্ৰীয়ে নিপীড়িত জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ (অৰ্থাৎ বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ) স্বীকাৰ নকৰে আৰু তাৰ কাৰণে সংগ্ৰাম নকৰে, সেইজন দৰাচলতে সমাজতন্ত্ৰীয়েই নহয়, তেওঁ উগ্ৰ-জাতীয়তাবাদীহে।

একমাত্ৰ এই দৃষ্টিভঙ্গীৰেহে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে এক অকপট আৰু

সুসংগত সংগ্ৰামৰ পিনে, জাতিসংক্ৰান্ত প্ৰশ্ন সম্পৰ্কে (আজি) কূপমণ্ডুক দৃষ্টিভঙ্গী নহয়, বৰং প্ৰলিতাৰীয় দৃষ্টিভঙ্গীৰ পিনে আগুৱাই নিব পাৰে। একমাত্ৰ এনে দৃষ্টিভঙ্গীৰ যোগেই জাতিসমূহৰ ওপৰত যিকোনো প্ৰকাৰৰ উৎপীড়ন-অত্যাচাৰৰ বিৰুদ্ধে যুঁজ চলোৱাৰ নীতিৰ সুসংগত প্ৰয়োগ ঘটাব পৰা যায়; ইয়াৰ ফলত অত্যাচাৰী আৰু অত্যাচাৰিত জাতিসমূহৰ প্ৰলিতাৰীয়সকলৰ মাজত অবিশ্বাস আঁতৰি যায়, পুঁজিবাদৰ অধীনত সাধাৰণভাৱে সমস্ত সৰু সৰু জাতিৰ কাৰণে স্বাধীনতাৰ কূপমণ্ডুক কাল্পনিক ৰামৰাজ্যৰপৰা সম্পূৰ্ণে ভিন্ন ৰূপত, সমাজতান্ত্ৰিক বিপ্লৱৰ কাৰণে (অৰ্থাৎ পূৰ্ণ জাতিগত সমতাৰ একমাত্ৰ সম্পাদনযোগ্য শাসনব্যৱস্থাৰ বাবে) ঐক্যবদ্ধ এক আন্তৰ্জাতিক সংগ্ৰামৰ দিশত অগ্ৰসৰ হয়।

আমাৰ পাৰ্টিয়ে, অৰ্থাৎ কেন্দ্ৰীয় কমিটিৰ চৌপাশে সমবেত হোৱা ৰুছিয়াৰ ছচিয়েল-ডেমক্ৰেটসকলে উক্ত দৃষ্টিভঙ্গীকেই গ্ৰহণ কৰিছে। মাৰ্ক্সে এই দৃষ্টিভঙ্গীকেই গ্ৰহণ কৰিছিল, যেতিয়া তেওঁ শ্ৰমিক শ্ৰেণীক এই শিক্ষা দিছিল যে 'অন্যান্য জাতিবোৰৰ ওপৰত শোষণ-নিপীড়ন চলালে কোনো জাতিয়েই নিজে মুক্ত হ'ব নোৱাৰে'। এই দৃষ্টিভঙ্গীৰপৰাই মাৰ্ক্সে ব্ৰিটেইনৰপৰা আয়াৰ্লেণ্ডৰ পৃথকীকৰণ দাবী কৰিছিল, এয়া কেৱল আইৰিছসকলৰেই নহয়, বিশেষভাৱে ব্ৰিটিছ শ্ৰমিকসকলৰ মুক্তি আন্দোলনৰ স্বাৰ্থতো প্ৰয়োজন।

যদি ব্ৰিটেইনৰ সমাজতন্ত্ৰীসকলে আয়াৰ্লেণ্ডৰ বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ স্বীকাৰ নকৰে আৰু ইয়াক উৰ্দ্ধত তুলি নধৰে, ফৰাচীসকলে যদি ইটালীয় নিচৰ পক্ষে, জাৰ্মানসকলে আলছেচ-লৰেন, ডেনিছ শ্লেজভিগ আৰু পোলেণ্ডৰ পক্ষে, ৰুছসকলে যদি পোলেণ্ড, ফিনলেণ্ড, ইউক্ৰেন প্ৰভৃতিৰ পক্ষে, আৰু পোলসকলে ইউক্ৰেনৰ পক্ষে ঠিক তাকেই নকৰে — 'বৃহৎ' শক্তিবোৰৰ অৰ্থাৎ বিশাল দস্যু শক্তিৰ দেশবোৰৰ সমস্ত সমাজতন্ত্ৰীয়ে যদি উপনিৱেশবিলাকৰ ক্ষেত্ৰত সেই অধিকাৰ উৰ্দ্ধত তুলি নধৰে, তেনেহলে তাৰ একমাত্ৰ কাৰণ হ'ল তেওঁলোক আচলতে সাম্ৰাজ্যবাদী, সমাজতন্ত্ৰী নহয়। যিসকলে নিপীড়িত জাতিসমূহৰ 'আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ' কাৰণে সংগ্ৰাম নকৰে, অথচ যিসকল নিজেই উৎপীড়নকাৰী জাতিবোৰৰ অন্তৰ্ভুক্ত সেইসকলে সমাজতান্ত্ৰিক নীতি প্ৰয়োগ কৰিব পাৰে বুলি মোহ পোষণ কৰাটোও হাস্যকৰ।

কপটীয়া বৰকথীয়াসকলক গণতান্ত্ৰিক শান্তিৰ সম্ভাৱনা সম্পৰ্কে ডাঙৰ ডাঙৰ কথা আৰু প্ৰতিশ্ৰুতিৰে জনসাধাৰণক প্ৰতাৰিত কৰিবলৈ এৰি দিয়াৰ

পৰিবৰ্তে সমাজতন্ত্ৰীসকলে জনসাধাৰণৰ আগত অৱশ্যেই ব্যাখ্যা কৰিব লাগিব যে এলানি বিপ্লৱ সম্পাদিত নোহোৱালৈকে আৰু প্ৰত্যেক দেশত সংশ্লিষ্ট সেই চৰকাৰৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰাম চালিত নোহোৱালৈকে গণতান্ত্ৰিক শান্তিৰ লেখীয়া একোৱেই সম্ভৱ নহয়। জাতিসমূহৰ মুক্তিৰ বিষয়ে কথাৰ আখৈ ফুটাই জাতিসমূহক ছলনা কৰিবলৈ বুৰ্জোৱা ৰাজনীতিবিদসকলক সুযোগ দিয়াৰ পৰিবৰ্তে সমাজতন্ত্ৰীসকলে উৎপীড়নকাৰী জাতিবোৰৰ জনসাধাৰণক বুজাব লাগিব যে যেতিয়ালৈকে তেওঁলোকে অন্যান্য জাতিৰ ওপৰত শোষণ-নিপীড়নত সাহায্য কৰিব আৰু সেই জাতিবিলাকৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ অৰ্থাৎ বিচ্ছিন্ন হৈ যোৱাৰ স্বাধীনতা স্বীকাৰ নকৰিব আৰু ইয়াক উৰ্দ্ধত তুলি নধৰিব, তেতিয়ালৈকে তেওঁলোকে নিজৰ মুক্তিৰ আশা কৰিবও নোৱাৰে। এয়াই হ'ল শান্তিৰ প্ৰশ্নত আৰু জাতিসংক্ৰান্ত প্ৰশ্নত সকলো দেশৰ পক্ষে প্ৰযোজ্য সমাজতান্ত্ৰিক নীতি, আৰু এই নীতি সাম্ৰাজ্যবাদী নীতিৰপৰা সম্পূৰ্ণে বেলেগ। ঠিকেই, ঐই কৰ্মপন্থা অধিকাংশ ক্ষেত্ৰতেই দেশদ্ৰোহৰ বাবে শাস্তিৰ ব্যৱস্থা থকা আইনবোৰৰ বিৰোধী — কিন্তু বাছেল প্ৰস্তাৱটো হৈছে তেনেকুৱাই, যাক উৎপীড়নকাৰী জাতিসমূহৰ প্ৰায় সকলো সমাজতন্ত্ৰীয়েই অতি লজ্জাজনকভাৱে বিশ্বাসঘাতকতা কৰিছে।

সমাজতন্ত্ৰ নে জফ্রে আৰু হিণ্ডেনবুৰ্গৰ আইনৰ ওচৰত বশ্যতা, বৈপ্লৱিক সংগ্ৰাম নে সাম্ৰাজ্যবাদৰ ওচৰত দাসত্ব — তাৰ মাজতেই হ'ল বাছনি। ইয়াত কোনো মধ্য-পন্থা নাই। 'মধ্য-পন্থা' নীতিৰ ভণ্ড (নাইবা স্থূল বুদ্ধিৰ) ৰচয়িতাবোৰেই প্ৰলিতাৰিয়েতৰ আটাইতকৈ বেছি ক্ষতি কৰে।

১৯১৫ চনৰ জুলাই-আগষ্ট মাহত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২১, পৃঃ ২৯২-২৯৪

## (যুদ্ধ সম্পৰ্কে আৰ. এছ. ডি. এল. পি.-ৰ মনোভাৱ) [৭১]

### প্ৰথম অধ্যায়ৰপৰা

### জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ

বৰ্তমানৰ যুদ্ধত বুৰ্জোৱা শ্ৰেণীয়ে যাৰ যোগেদি আটাইতকৈ ব্যাপকভাৱে জনসাধাৰণক প্ৰতাৰিত কৰিছে সেয়া হ'ল তেওঁলোকৰ লুণ্ঠনমূলক লক্ষ্য আঁৰ কৰাৰ উদ্দেশ্যে 'জাতীয় মুক্তিৰ' মতাদৰ্শ ব্যৱহাৰ কৰা। ব্ৰিটিছসকলে বেলজিয়ামৰ মুক্তিৰ প্ৰতিশ্ৰুতি দিছে, জাৰ্মানিয়ে দিছে পোলেণ্ডৰ, ইত্যাদি। দৰাচলতে আমি দেখিবলৈ পাইছোঁ, এইখন হৈছে পৃথিৱীৰ অধিকাংশ জাতিৰ নিপীড়নকাৰীবোৰৰ দ্বাৰা চালিত এখন যুদ্ধ, ইয়াৰ উদ্দেশ্য হৈছে সেই শোষণ-পীড়ন বৃদ্ধি কৰা আৰু প্ৰসাৰিত কৰা।

জাতিসমূহৰ সকলো প্ৰকাৰৰ নিপীড়নৰ বিৰুদ্ধে সংগ্ৰাম নকৰাকৈ সমাজতন্ত্ৰীসকলে তেওঁলোকৰ মহৎ লক্ষ্য সাধন কৰিব নোৱাৰে। গতিকে তেওঁলোকে সুস্পষ্টভাৱে দাবী কৰিব লাগিব যে নিপীড়নকাৰী দেশবোৰৰ (বিশেষকৈ তথাকথিত 'বৃহৎ' শক্তিবোৰৰ) ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিবোৰে নিপীড়িত জাতিসমূহৰ বিশেষভাৱে ৰাজনৈতিক অৰ্থত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, অৰ্থাৎ ৰাজনৈতিকভাৱে বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ স্বীকাৰ কৰিব আৰু দৃঢ়ভাৱে সমৰ্থন কৰিব লাগিব। শাসক কিম্বা ঔপনিৱেশিক এটা জাতিৰ যিজন সমাজতন্ত্ৰীয়ে এই অধিকাৰ সমৰ্থন নকৰে তেওঁ হ'ল জাত্যাভিমানী।

এই অধিকাৰ সমৰ্থন কৰাৰ ফলত সৰু সৰু ৰাষ্ট্ৰ গঠনত উৎসাহ যোগোৱা তো দূৰৰ কথা, বৰং অবাধে নিৰ্ভয়ে আৰু সেই গতিকেই অধিক ব্যাপক আৰু সাৰ্বজনীনভাৱে এনে ডাঙৰ ডাঙৰ ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰসমূহৰ ফেডাৰেছন গঠিত হ'ব, যিবিলাক জনসাধাৰণৰ পক্ষে বেছি সুবিধাজনক আৰু অৰ্থনৈতিক বিকাশৰ লগত অধিক সামঞ্জস্যপূৰ্ণ।

নিপীড়িত জাতিসমূহৰ সমাজতন্ত্ৰীসকলে তেওঁলোকৰ পিনৰপৰা,

নিপীড়িত আৰু নিপীড়নকাৰী জাতিসমূহৰ শ্ৰমিকসকলৰ পূৰ্ণ ঐক্যৰ বাবে (ইয়াৰ ভিতৰত সাংগঠনিক ঐক্যও পৰে) অৱশ্যেই অব্যৰ্থভাৱে সংগ্ৰাম কৰিব লাগিব। এটা জাতিৰপৰা আন এটা জাতিৰ আইনগত পৃথকীকৰণৰ ধাৰণাটো (বাউয়েৰ আৰু ৰেন্নাৰ দ্বাৰা বৰ্ণিত তথাকথিত 'সাংস্কৃতিক-জাতিগত স্বশাসন') [৭২] হৈছে প্ৰতিক্ৰিয়াশীল।

সাম্ৰাজ্যবাদ হ'ল এমুঠি 'বৃহৎ' শক্তিৰ দ্বাৰা পৃথিৱীৰ জাতিসমূহৰ ক্ৰমবৰ্দ্ধমান নিপীড়নৰ যুগ। সেই কাৰণেই জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ স্বীকৃত নোহোৱালৈকে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সমাজতান্ত্ৰিক আন্তৰ্জাতিক বিপ্লৱৰ কাৰণে সংগ্ৰাম কৰা অসম্ভৱ। 'কোনো জাতিয়ে যদি অন্যান্য জাতিক নিপীড়ন কৰে তেনেহলে ই মুক্ত হ'ব নোৱাৰে' (মাৰ্ক্স আৰু এঙ্গেলছ)। যি প্ৰলিতাৰিয়েতে তেওঁৰ 'নিজৰ' জাতিৰ দ্বাৰা আন জাতিৰ ওপৰত সামান্যতম বলপ্ৰয়োগো সহ্য কৰে, তেওঁ কেতিয়াও সমাজতন্ত্ৰী প্ৰলিতাৰিয়েত হ'ব নোৱাৰে।

## তৃতীয় অধ্যায়

## আন্তৰ্জাতিকৰ পুনৰুদ্ধাৰ

আন্তৰ্জাতিকক কেনেকৈ পুনৰুদ্ধাৰ কৰা উচিত? কিন্তু প্ৰথমতে, আন্তৰ্জাতিকক কেনেদৰে পুনৰুদ্ধাৰ কৰা উচিত নহ'ব, সেই বিষয়ে কেইটিমান কথা আলচ কৰা যাওক।

### সামাজিক-জাত্যাভিমানীসকলৰ আৰু 'মধ্য-পন্থাৰ' পদ্ধতি

সকলো দেশৰ সামাজিক-জাত্যাভিমানী লোকসকল অৱশ্যে বিৰাট 'আন্তৰ্জাতিকতাবাদী'! যুদ্ধৰ একেবাৰে আৰম্ভণিৰপৰাই তেওঁলোক আন্তৰ্জাতিক সম্পৰ্কে দুশ্চিন্তাত ব্যাকুল হৈ পৰিছে। এফালেদি তেওঁলোকে আমাক আশ্বাস দিছে যে আন্তৰ্জাতিকৰ পতন সম্পৰ্কিত আলোচনা-বিলোচনা 'অতিৰঞ্জিত' কৰা হৈছে। আচলতে অস্বাভাৱিক একোৱেই ঘটা নাই। কাউৎস্কিৰ কথালৈ মন কৰক: আন্তৰ্জাতিক হৈছে কেৱল এপাত 'শান্তিকালীন হাতিয়াৰ'; স্বাভাৱিকতেই, যুদ্ধৰ সময়ত এই হাতিয়াৰ

সিমান উপযোগী বুলি প্ৰমাণিত হোৱা নাই। আনফালে সকলো দেশৰ সামাজিক-জাত্যাভিমানীসকলে উদ্ভূত পৰিস্থিতিৰপৰা ৰক্ষা পৰাৰ অতি সহজ আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ তেনে এটা আন্তৰ্জাতিক পথ বিচাৰি পাইছে। সমাধানটো সহজ-সৰল: যুদ্ধ হোৱালৈ মথোন অপেক্ষা কৰা প্ৰয়োজন, কিন্তু তেতিয়ালৈকে প্ৰত্যেক দেশৰ সমাজতন্ত্ৰীসকলে তেওঁলোকৰ 'পিতৃভূমিক' অৱশ্যেই ৰক্ষা কৰিব লাগিব আৰু তেওঁলোকৰ 'নিজৰ' চৰকাৰক সমৰ্থন জনাব লাগিব। যুদ্ধ শেষ হলেই দেখা দিব পাৰস্পৰিক 'ক্ষমা-মাৰ্জনাৰ' পৰ্ব, শুনা যাব এই স্বীকৃতি যে প্ৰত্যেকেই সঠিক আছিল আৰু শান্তিৰ সময়ত আমি ভাই-ককাইৰ দৰে বাস কৰোঁ; কিন্তু যুদ্ধৰ সময়ত আমি ইটো-সিটো সিদ্ধান্ত খামুচি ধৰি থাকোঁ, আৰু জাৰ্মান শ্ৰমিকসকলক কওঁ তেওঁলোকৰ ফৰাচী ভাতৃসকলক নিঃশেষ কৰি দিবলৈ, আৰু কওঁ ইয়াৰ ঠিক ওলোটাকৈ।

কাউৎস্কি, প্লেখানভ, ভিক্তৰ আডলাৰ আৰু হাইনে — এওঁলোক আটায়ে এই বিষয়ে সমানে একমত। ভিক্তৰ আডলাৰে লিখে যে 'আমি যেতিয়া এই কঠিন সময় পাৰ হৈ আহিম তেতিয়া আমাৰ প্ৰথম কৰ্তব্য হ'ব পৰস্পৰৰ চকুত ধূলি কণালৈ আঙুলিওৱাৰপৰা বিৰত থকা' [৭৩]। কাউৎস্কিয়ে জোৰ দি কয় যে আন্তৰ্জাতিকৰ ভাগ্য সম্পৰ্কে 'এতিয়ালৈকে কোনো পক্ষৰপৰাই কোনো গুৰুত্বসম্পন্ন সমাজতন্ত্ৰীয়েই আশঙ্কা জগাব পৰা ধৰণৰ তেনে একো কথা কোৱা নাই'। 'বিনা অপৰাধে বধ কৰা লোকসকলৰ তেজৰ গোন্ধ লগা সেই হাত (জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ) সাবটি ধৰাটো অপ্ৰীতিকৰ' — এই কথা কৈয়েই প্লেখানভে ততালিকে 'ক্ষমাৰ' প্ৰস্তাৱ কৰে। তেওঁ লিখে: 'ইয়াত অন্তৰক মনৰ বশীভূত কৰাটো অতি উপযুক্ত হ'ব। মহৎ আদৰ্শৰ কাৰণে আন্তৰ্জাতিকে আনকি বিলম্বিত অনুতাপকো গণ্য কৰিব লাগিব। 'Sozialistische Monatshefte' কাকতত [৭৪] ভাণ্ডেৰ্ভেল্ডেৰ আচৰণক হাইনেই 'সাহসী আৰু মৰ্যাদাপূৰ্ণ' বুলি বৰ্ণনা কৰে আৰু তেওঁক জাৰ্মান বামপন্থীসকলৰ আগত দৃষ্টান্ত হিচাপে দাঙি ধৰে।

থুপতে, যুদ্ধ যেতিয়া শেষ হ'ব, তেতিয়া কাউৎস্কি আৰু প্লেখানভ, ভাণ্ডেৰ্ভেল্ডে আৰু আডলাৰক লৈ এটা আয়োগ নিযুক্ত কৰক, পাৰস্পৰিক ক্ষমাৰ মনোভাৱেৰে এক 'সৰ্বসম্মত' প্ৰস্তাৱ এক মুহূৰ্ততে ৰচিত হৈ যাব। বিৰোধ বাঢ়িয়াকৈ ঢাক খাই পৰিব। কি ঘটিছে তাক বুজিবলৈ শ্ৰমিকসকলক সাহায্য কৰাৰ পৰিৱৰ্তে তেওঁলোকক এক কৃত্ৰিম আৰু তুলাপাতৰ 'ঐক্যৰ'

যোগে ঠগোৱা হ'ব। সকলো দেশৰ সামাজিক-জাত্যাভিমানী আৰু কপটীয়াসকলৰ এখন সম্মিলনক আন্তৰ্জাতিকৰ পুনৰুদ্ধাৰ বুলি বৰ্ণনা কৰা হ'ব।

এনে ধৰণৰ এক 'পুনৰুদ্ধাৰত' নিহিত বিৰাট বিপদ সম্পৰ্কে আমি কেতিয়াও চকু বন্ধ কৰি থাকিব নালাগিব। সকলো দেশৰ সামাজিক-উগ্ৰ দেশহিতৈষীসকল সেই পৰিণতিত সমানভাৱে আগ্ৰহান্বিত। সমাজতন্ত্ৰ নে জাতীয়তাবাদ — এই প্ৰশ্নটো যে তেওঁলোকৰ নিজ নিজ দেশৰ শ্ৰমিকসকলে নিজেই বুজিবলৈ চেষ্টা কৰা উচিত, সেই বিষয়ে সেইসকলৰ আটায়ে সমানভাৱে অনিচ্ছুক। তেওঁলোক সকলোৱেই পৰস্পৰৰ পাপ গোপন কৰিবলৈ আগ্ৰহী। 'আন্তৰ্জাতিক' ভণ্ডামিৰ সেই অভিজ্ঞ ব্যক্তি কাউৎস্কিয়ে ইতিমধ্যে যি প্ৰস্তাৱ কৰিছে তাৰ বাহিৰে অন্য কিবা প্ৰস্তাৱ কৰিবলৈ তেওঁলোকৰ কোনোৱেই সক্ষম নহয়।

অথচ এই বিপদটোৰ কথা উপলব্ধি কৰা প্ৰায় নহয়েই। যুদ্ধৰ এটা বছৰত আমি আন্তৰ্জাতিক যোগাযোগ পুনৰ্স্থাপনৰ গোটাচেৰেক প্ৰচেষ্টা দেখিবলৈ পাইছোঁ। লণ্ডন আৰু ভিয়েনা সম্মিলনৰ [৭৫] কথা আমি কব খোজা নাই, তাত স্পষ্টভাষী জাত্যাভিমানীসকলে তেওঁলোকৰ 'পিতৃভূমিবিলাকৰ' জেনাৰেল ষ্টাফ আৰু বুৰ্জোৱাসকলক সাহায্য কৰাৰ বাবে মিলিত হৈছিল। আমি লুগানো আৰু কোপেনহেগেন সম্মিলনৰ [৭৬] কথাহে উল্লেখ কৰিছোঁ, আন্তৰ্জাতিক নাৰী সম্মিলন আৰু আন্তৰ্জাতিক যুৱক সম্মিলনৰ [৭৭] কথা কৈছোঁ। এই সমাৱেশবিলাক শ্ৰেষ্ঠ অভিপ্ৰায়েৰে অনুপ্ৰাণিত হৈছিল, কিন্তু ওপৰত উল্লেখ কৰা বিপদ সম্পৰ্কে বিচাৰ কৰিবলৈ সেইবোৰ সম্পূৰ্ণে ব্যৰ্থ হৈছিল। সেই সমাৱেশবোৰে এটা সংগ্ৰামী আন্তৰ্জাতিকতাবাদী কৰ্মপন্থা নিৰ্দ্ধাৰিত কৰা নাছিল, কিম্বা সামাজিক-জাত্যাভিমানীসকলৰ আন্তৰ্জাতিক 'পুনৰুদ্ধাৰৰ' পদ্ধতিৰূপৰা প্ৰলিতাৰিয়েতৰ সমুখত দেখা দিয়া বিপদৰ আশংকা সম্পৰ্কেও তেওঁলোকক কোনো ইঙ্গিত দিয়া নাছিল। অতি বেছি, সেইবোৰে পুৰণি প্ৰস্তাৱবিলাক পুনৰাবৃত্তি কৰাৰ মাজতেই নিজক সীমাবদ্ধ ৰাখিছিল, সামাজিক-জাত্যাভিমানীসকলৰ বিৰুদ্ধে সংগ্ৰাম নচলালে সমাজতন্ত্ৰৰ আদৰ্শ যে অথলে যাব সেই কথা শ্ৰমিকসকলক মুঠেই কোৱা নাছিল। অতি বেছি, সেইবোৰে একে ঠাইতে বৈ সময় নিয়াইছিল।

জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক বিৰুদ্ধবাদীসকলৰ মাজৰ অৱস্থাই যে সমস্ত আন্তৰ্জাতিকতাবাদীৰেই মন সবাতোকৈ বেছি আকৃষ্ট কৰে সেই বিষয়ে অকণো সন্দেহ থাকিব নোৱাৰে। দ্বিতীয় আন্তৰ্জাতিকৰ মাজত সবাতোকৈ শক্তিশালী আৰু অগ্ৰণী চৰকাৰী জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিয়ে আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ ওপৰত মাৰাত্মক আঘাত কৰিছে। অৱশ্যে তাৰ লগে লগে জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ মাজতেই আকৌ তীব্ৰতম বিৰোধিতাই দেখা দিছে। সকলো ডাঙৰ ডাঙৰ ইউৰোপীয় পাৰ্টিৰ ভিতৰত জাৰ্মান পাৰ্টিতেই সমাজতন্ত্ৰৰ পতাকাৰ প্ৰতি বিশ্বস্ত হৈ থকা কমৰেডসকলৰ পক্ষৰপৰা প্ৰতিবাদৰ বলিষ্ঠ কণ্ঠস্বৰ প্ৰথম প্ৰথম ধ্বনিত হৈছে। 'Lichtstrahlen' আৰু 'Die International' [৭৮] কাকত দুখন পঢ়ি আমি আনন্দিত হৈছিলোঁ। জাৰ্মানিত গোপনে ছপোৱা বৈপ্লৱিক ঘোষণা-পত্ৰবোৰ, উদাহৰণস্বৰূপে 'দেশৰ ভিতৰতেই প্ৰধান শত্ৰু' নামৰ ইস্তাহাৰ বিতৰণৰ কথা জানিব পাৰি আমি তাতোকৈ বেছি সন্তোষ পাইছোঁ। ইয়াৰপৰা দেখা গৈছে যে সমাজতন্ত্ৰৰ চেতনা জাৰ্মান শ্ৰমিকসকলৰ মাজত এতিয়াও জীৱন্ত আৰু জাৰ্মানিত এতিয়াও বৈপ্লৱিক মাৰ্ক্সবাদক উৰ্দ্ধত তুলি ধৰিব পৰা লোকসকল আছে।

বৰ্তমানৰ সমাজতান্ত্ৰিক আন্দোলনত বিভেদ সবাতোকৈ স্পষ্টৰূপে জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক আন্দোলনৰ মাজতেই প্ৰকাশ পাইছে। ইয়াত তিনিটা প্ৰৱণতা ফটফটীয়াকৈ চিনিব পৰা যায়: সুবিধাবাদী জাত্যাভিমানী, যিসকল জাৰ্মানিৰ দৰে আন ক'তো এনে মলিন স্বধৰ্মত্যাগত নিমজ্জিত হোৱা নাই; কাউংস্কিপন্থী 'মধ্যপন্থা', ইয়াত যিসকলে সুবিধাবাদীবোৰৰ ভৃত্যৰ ভূমিকাৰ বাহিৰে আন একো ভূমিকা পালন কৰিবলৈ সম্পূৰ্ণে অক্ষম বুলি প্ৰমাণ কৰিছে; আৰু বামপন্থীসকল, যিসকল জাৰ্মানিত একমাত্ৰ ছচিয়েল-ডেমক্ৰেট।

স্বাভাৱিকতেই, জাৰ্মান বামপন্থীসকলৰ মাজৰ অৱস্থাটোৱেই আমাক আটাইতকৈ বেছি আগ্ৰহান্বিত কৰি তোলে। আমি তেওঁলোকৰ মাজত দেখিবলৈ পাওঁ আমাৰ কমৰেডসকলক, সমস্ত আন্তৰ্জাতিকতাবাদী শক্তিৰ আশা-ভৰসাক।

তেওঁলোকৰ মাজত অৱস্থাটো কেনে ধৰণৰ?

'Die International' কাকতে সঠিকভাৱেই লিখিছিল যে জাৰ্মান

বামপন্থীসকল এতিয়াও আলোড়নৰ অৱস্থাত আছে, আৰু এতিয়াও তেওঁলোকৰ আগত ভালেমান নতুন নতুন গোষ্ঠী-বিন্যাস হ'বলৈ বাকী আছে, আৰু তেওঁলোকৰ মাজত কিছুমান লোক আছে অধিক দৃঢ়প্ৰতিজ্ঞ আৰু আন কিছুমান কম দৃঢ়প্ৰতিজ্ঞ।

আমি অৱশ্যে ৰুছ আন্তৰ্জাতিকতাবাদীসকলে আমাৰ কমৰেড জাৰ্মান বামপন্থীসকলৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ সামান্যতম অধিকাৰো দাবী নকৰোঁ। আমি বুজি পাওঁ যে স্থান-কালৰ অৱস্থা অনুযায়ী সুবিধাবাদীবিলাকৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ নিজস্ব পদ্ধতি নিৰ্দ্ধাৰণ কৰিবলৈ একমাত্ৰ তেওঁলোকেই পূৰ্ণ অধিকাৰী। আমি কেৱল অৱস্থা সম্পৰ্কে আমাৰ অকপট অভিমত ব্যক্ত কৰাহে আমাৰ অধিকাৰ আৰু কৰ্তব্য বুলি বিবেচনা কৰোঁ।

'Die International' কাকতৰ প্ৰধান প্ৰবন্ধটিৰ লিখকে এই কথা সঠিকভাৱেই কৈছে বুলি আমাৰ দৃঢ়বিশ্বাস যে স্বীকৃত সামাজিক-জাতিদম্ভৰ তুলনাত কাউৎস্কিবাদী 'মধ্যপন্থাই' মাৰ্ক্সবাদৰ বেছি পৰিমাণে ক্ষতি কৰিছে। যিয়েই মত-পাৰ্থক্যক লঘুকৈ দেখুৱায়, নাইবা মাৰ্ক্সবাদৰ ছদ্মবেশত এতিয়া শ্ৰমিকসকলক কাউৎস্কিবাদে প্ৰচাৰ কৰা বক্তব্য শিকায়, তেওঁ আচলতে শ্ৰমিকসকলক টোপনি যাবলৈ নিচুকাইছে, আৰু প্ৰশ্নটোক পোনপটীয়াকৈ দাঙি ধৰি শ্ৰমিকসকলক নিজৰ মন স্থিৰ কৰিবলৈ চেষ্টা কৰাৰ কাৰণে বাধ্য কৰা সেই জিউডেকুম আৰু হাইনেসকলতকৈও বেছি ক্ষতি কৰিছে।

সম্প্ৰতি কাউৎস্কি আৰু হাজেই নিজে 'চৰকাৰী সংস্থাবোৰৰ' বিৰুদ্ধে যি Fronde গঠন কৰিছে [৭৯], তাত কোনোৱেই বিভ্ৰান্ত হোৱা উচিত নহয়। তেওঁলোকৰ আৰু ছাইডেমানসকলৰ মাজত মতভেদ মূঠেই মৌলিক বিষয়ত ঘটা নাই। প্ৰথমোক্তসকলে বিশ্বাস কৰে যে হিণ্ডেনবুৰ্গ আৰু মাকেন্‌জেন ইতিমধ্যে জয়ী হৈছে আৰু তেওঁলোকে ৰাজ্যগ্ৰাসৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱাৰ বিলাসতো ইতিমধ্যে মগন থাকিব পাৰে। শেষোক্তসকলে বিশ্বাস কৰে যে হিণ্ডেনবুৰ্গ আৰু মাকেন্‌জেন এতিয়াও জয়ী হোৱা নাই আৰু সেই গতিকেই 'শেহলৈকে তিষ্ঠি থকা' প্ৰয়োজন।

কাউৎস্কিবাদে 'চৰকাৰী সংস্থাবোৰৰ' বিৰুদ্ধে কেৱল কৃত্ৰিম যুঁজ চলাইছে, যাতে যুঁজ-ব্যগৰৰ পাছত শ্ৰমিকসকলৰপৰা নীতিৰ সংঘাত গোপন কৰিব পৰা যায় আৰু অস্পষ্ট 'বামপন্থী' মনোভাৱেৰে ৰচিত গধুৰ এবোজা প্ৰস্তাৱেৰে প্ৰশ্নটোক হেঁচা দি বাখিব পাৰি।

'চৰকাৰী সংস্থাবোৰৰ' বিৰুদ্ধে কঠিন সংগ্ৰামত জাৰ্মান বিৰুদ্ধবাদীসকলে যে কাউৎস্কিবাদৰ দ্বাৰা গঠিত এই নীতিহীন Fronde-কো কামত লগাব লাগিব, সেই কথা বাৰুকৈয়ে বোধগম্য। কিন্তু যিকোনো আন্তৰ্জাতিকতাবাদীৰ কাৰণে নৱ-কাউৎস্কিবাদৰ প্ৰতি বিৰুদ্ধাচৰণেই কৰ্মটি হৈ থাকিব লাগিব। প্ৰকৃত আন্তৰ্জাতিকতাবাদী কেৱল তেৱেঁই, যিজনে কাউৎস্কিপন্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰে, আৰু বুজি পায় যে ইয়াৰ নেতাসকলৰ ছলনাপূৰ্ণ অভিপ্ৰায়-পৰিৱৰ্তনৰ পাছতো আনকি সকলো মৌলিক প্ৰশ্নতেই মধ্যপন্থা উগ্ৰ-জাতীয়তাবাদী আৰু সুবিধাবাদীসকলৰ সহযোগী থিৰ হৈ আছে।

সাধাৰণভাৱে, আন্তৰ্জাতিকৰ মাজত দোদুল্যমান লোকসকলৰ প্ৰতি আমাৰ দৃষ্টিভঙ্গীৰ বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ। এই লোকসকলক — প্ৰধানতঃ শান্তিবাদী ঠাঁচৰ সমাজতন্ত্ৰীসকলক নিৰপেক্ষ দেশবোৰত আৰু কেতবোৰ ৰণলিপ্ত দেশতো (উদাহৰণ হিচাপে, ব্ৰিটেইনত ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টি) দেখা পোৱা যায়। এওঁলোক আমাৰ সহযাত্ৰী হ'ব পাৰে। সামাজিক-উগ্ৰ জাতীয়তাবাদীসকলৰ বিৰুদ্ধে সংগ্ৰামৰ বাবে তেওঁলোকৰ লগত সম্পৰ্ক প্ৰয়োজন। অৱশ্যে মনত ৰাখিব লাগিব যে তেওঁলোক কেৱল সহযাত্ৰীহে, আৰু আন্তৰ্জাতিক যেতিয়া পুনৰ স্থাপিত হ'বলৈ ধৰিছে তেতিয়া সকলো প্ৰধান প্ৰধান আৰু মৌলিক প্ৰশ্নত তেওঁলোক আমাৰ বিৰুদ্ধেই যাব, আমাৰ লগত নাথাকিব; তেওঁলোকে কাউৎস্কি, ছাইডেমান, ভাণ্ডেৰ্ভেল্ডে আৰু ছাম্বাৰ পক্ষ লব। আন্তৰ্জাতিক সম্মিলনবোৰত আমি এই লোকসকলৰ গ্ৰহণযোগ্য বিষয়ৰ মাজতেই আমাৰ কাৰ্যসূচীক সীমাবদ্ধ কৰি ৰাখিব নালাগিব। তেনে কৰিলে আমি দোদুল্যমান শান্তিবাদীসকলৰ হাতত বন্দী হৈ থাকিম। উদাহৰণ হিচাপে, বাৰ্নত অনুষ্ঠিত আন্তৰ্জাতিক নাৰী সম্মিলনত ঠিক এনে অৱস্থাই হৈছিল। তাত জাৰ্মান প্ৰতিনিধি দলটিয়ে কমৰেড ক্লাৰা জেট্‌কিনৰ দৃষ্টিভঙ্গী সমৰ্থন কৰিছিল সঁচা, কিন্তু আচলতে 'মধ্যপন্থাৰ' ভূমিকা পালন কৰিছিল। ট্ৰুলষ্ট্ৰাৰ নেতৃত্বত সুবিধাবাদী ওলন্দাজ পাৰ্টিৰ প্ৰতিনিধিসকলৰ বাবে, আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ প্ৰতিনিধিসকলৰ বাবে যিখিনি গ্ৰহণযোগ্য আছিল, তাকেহে মাথোন নাৰী সম্মিলনত কোৱা হৈছিল; আমি সদায়ে মনত ৰাখিম যে 'আঁতাঁত'-ৰ উগ্ৰ-জাতীয়তাবাদীসকলৰ লণ্ডন সম্মিলনত ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিয়ে ভাণ্ডেৰ্ভেল্ডেৰ প্ৰস্তাৱৰ পক্ষে ভোট দিছিল। যুদ্ধৰ সময়ত ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিয়ে যি বীৰত্বপূৰ্ণ সংগ্ৰাম চলাই গৈছে তাৰ কাৰণে আমি এই পাৰ্টিৰ প্ৰতি আমাৰ পৰম শ্ৰদ্ধা প্ৰকাশ কৰিব খোজোঁ। আমি অৱশ্যে এই

কথাও জানোঁ যে এই পার্টিয়ে কাহানিও মার্ক্সবাদী অৱস্থান গ্ৰহণ কৰা নাই। আমাৰ পিনৰপৰা আমি ভাবোঁ যে আজি ছচিয়েল-ডেমক্ৰেটিক বিৰোধীপক্ষৰ প্ৰধান কৰ্তব্য হ'ল বৈপ্লৱিক মাৰ্ক্সবাদৰ পতাকা তুলি ধৰা, সাম্ৰাজ্যবাদী যুদ্ধবোৰক আমি যিভাৱে গণ্য কৰোঁ তাক শ্ৰমিকসকলৰ আগত দৃঢ়তাৰে সুনিৰ্দিষ্টভাৱে কোৱা, আৰু ব্যাপক বৈপ্লৱিক কৰ্মতৎপৰতাৰ কাৰণে আহ্বান জনোৱা, অৰ্থাৎ সাম্ৰাজ্যবাদী যুদ্ধৰ কালছোৱাকে গৃহ-যুদ্ধৰ কাল-পৰ্য্যায়ৰ আৰম্ভণিত পৰিণত কৰা।

এই সকলো সত্ত্বেও, বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেটিক শক্তিবোৰৰ অস্তিত্ব বহু দেশতেই আছে। সেইসকল আছে জাৰ্মানি, ৰুছিয়া, স্কাণ্ডিনেভিয়া (ইয়াত কমৰেড হগ্‌লুণ্ডে এটি প্ৰভাৱশালী অংশৰ প্ৰতিনিধিত্ব কৰে), বলকান (বুলগেৰীয় 'তেছ্‌নিয়াকি'-ৰ [৮০] পাৰ্টি), ইটালি, ব্ৰিটেইন (ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ [৮১] অংশ), ফ্ৰান্স (ভালিয়াঁই 'L'Humanité' কাকতত [৮২] নিজেই স্বীকাৰ কৰিছে যে আন্তৰ্জাতিকতাবাদীসকলৰপৰা তেওঁ ভালেমান প্ৰতিবাদ-পত্ৰ পাইছে, কিন্তু ইবোৰৰ এখনো পুৰাকৈ তেওঁ প্ৰকাশ কৰা নাই), হলেণ্ড (ট্ৰিবিউনপন্থী [৮৩]), ইত্যাদি দেশত। আৰম্ভণিতে এই মাৰ্ক্সবাদী লোকসকলৰ সংখ্যা যিমানেই সামান্য নহওক লাগিলে, তেওঁলোকক সমবেত কৰা; তেওঁলোকৰ নামত প্ৰকৃত সমাজতন্ত্ৰৰ সম্প্ৰতি বিস্মৃত আদৰ্শবোৰ পুনৰ সজীৱ কৰি তোলা, আৰু উগ্ৰ-জাতীয়তাবাদীসকলৰ লগত সম্পৰ্ক ছিন্ন কৰি মাৰ্ক্সবাদৰ সেই পুৰণি পতাকাৰ চৌপাশে সমবেত হবলৈ সকলো দেশৰ শ্ৰমিকসকলক আহ্বান জনোৱা --- এয়াই হ'ল আজিৰ দিনৰ কৰ্তব্য।

তথাকথিত 'সংগ্ৰামৰ' কাৰ্য্যসূচীৱে সেই সম্মিলনবিলাকে এতিয়ালৈকে কেৱল শান্তিবাদৰ কম-বেছি সুস্পষ্ট এক কাৰ্য্যসূচী ঘোষণা কৰাৰ মাজতেই নিজক সীমাবদ্ধ ৰাখিছে। মাৰ্ক্সবাদ শান্তিসৰ্বস্ববাদ নহয়। অৱশ্যে যথাসম্ভৱ সোনকালেই যুদ্ধৰ সমাপ্তিৰ কাৰণে চেষ্টা চলাব লাগিব। কিন্তু 'শান্তিৰ' দাবীয়ে প্ৰলিতাৰীয় তাৎপৰ্য্য অৰ্জন কৰে কেৱল তেতিয়াহে মাথোন, যেতিয়া **বৈপ্লৱিক** সংগ্ৰামৰ আহ্বান জনোৱা হয়। এলানি বিপ্লৱৰ অবিহনে, যাক গণতান্ত্ৰিক শান্তি বোলা হয়, এয়া হ'ল কূপমণ্ডুক এক অবাস্তৱতা। একমাত্ৰ **মাৰ্ক্সবাদী** এখন কাৰ্য্যসূচীৰ যোগেহে প্ৰকৃত এক সংগ্ৰামৰ কাৰ্য্যসূচীৰ উদ্দেশ্য পূৰণ কৰা যায়, এই মাৰ্ক্সবাদী কৰ্মসূচীত চৌপাশে কি কি ঘটিছে সেই বিষয়ে জনসাধাৰণৰ আগত পূৰ্ণ আৰু স্পষ্ট ব্যাখ্যা দাঙি ধৰা হয়, সাম্ৰাজ্যবাদ কি আৰু ইয়াৰ বিৰুদ্ধে কেনেকৈ যুঁজিব লাগে তাৰ ব্যাখ্যা

দিয়া হয়, সুবিধাবাদেই যে দ্বিতীয় আন্তর্জাতিকৰ পতন ঘটালে সেই কথা প্রকাশ্যে ঘোষণা কৰা হয় আৰু সুবিধাবাদীবোৰক বাদ দি আৰু তেওঁলোকৰ বিৰুদ্ধেই গঢ়ি তুলিব লগা এক মার্ক্সবাদী আন্তর্জাতিকৰ কাৰণে প্রকাশ্যে আহ্বান জনোৱা হয়। যি কার্য্যসূচীয়ে দেখুৱায় যে আম্যাৰ নিজৰ ওপৰত আৰু মার্ক্সবাদৰ ওপৰত বিশ্বাস আছে আৰু সুবিধাবাদৰ বিৰুদ্ধে আমি জীৱন-মৰণ সংগ্রাম ঘোষণা কৰিছো, একমাত্র সেই কার্য্যসূচীয়েহে যেখোন সোনকালেই হওক বা পলমকৈয়ে হওক প্রকৃত প্রলিতাৰীয় জনসাধাৰণৰ সহানুভূতি লাভ কৰাত আমাক সহায় কৰিব।

### ৰুছ ছচিয়েল-ডেমক্রেটিক শ্রমিক পার্টি আৰু তৃতীয় আন্তর্জাতিক [৮৪]

বহুত দিনৰেপৰাই ৰুছ ছচিয়েল-ডেমক্রেটিক শ্রমিক পার্টিয়ে ইয়াৰ সুবিধাবাদীবিলাকৰ লগত সম্পর্ক ছেদ কৰিছে। তদুপৰি, ৰুছ সুবিধাবাদীসকল এতিয়া উগ্র-জাতীয়তাবাদী হৈ পৰিছে। ই কেৱল আমাৰ এই অভিমতকেই সুদৃঢ় কৰে যে তেওঁলোকৰ লগত বিভেদ সমাজতন্ত্রৰ স্বার্থতেই অপৰিহার্য্য। আমি দৃঢ় নিশ্চিত যে সামাজিক-জাত্যাভিমানীসকলৰ লগত ছচিয়েল-ডেমক্রেটসকলৰ বর্তমানৰ মতভেদবোৰে ছচিয়েল-ডেমক্রেটসকলে নৈৰাজ্যবাদীসকলৰ লগত সম্পর্ক ত্যাগ কৰাৰ সময়ত নৈৰাজ্যবাদীসকলৰ লগত সমাজতন্ত্রীসকলৰ মতভেদতকৈ কোনো গুণেই কম লক্ষণীয় নহয়। 'Preußische Jahrbücher' কাকতত [৮৫] সুবিধাবাদী মনিটৰে ঠিকেই লিখিছে যে আজিৰ ঐক্য সুবিধাবাদী আৰু বুর্জোৱাসকলৰ পক্ষে লাভজনক, কিয়নো ইয়াৰ ফলত জাতিদম্ভবাদীসকলৰ ওচৰত সেও মানিবলৈ বামপন্থীসকল বাধ্য হৈছে আৰু বিৰোধটো উপলব্ধি কৰাতে আৰু নিজৰ প্রকৃত শ্রমিক শ্রেণীৰ আৰু প্রকৃত সমাজতান্ত্রিক পার্টি গঠন কৰাত শ্রমিকসকল বাধাপ্রাপ্ত হৈছে। আমি দৃঢ়-নিশ্চিত যে বর্তমান অৱস্থাত সুবিধাবাদী আৰু উগ্র-জাতীয়তাবাদীসকলৰ লগত বিচ্ছেদ হৈছে বিপ্লৱীসকলৰ প্রধান কর্তব্য, ঠিক যেনেকৈ পিছ পৰা শ্রমিকসকলৰ জ্ঞানোদয় ক্ষিপ্রতৰ কৰাত আৰু তেওঁলোকক ছচিয়েল-ডেমক্রেটিক পার্টিৰ মাজলৈ টানি অনাত সাহায্য কৰাৰ ক্ষেত্রত ভয়াতুৰ ট্রেড ইউনিয়নবিলাকৰ লগত, ছেমিট-বিৰোধীসকলৰ লগত, বিভিন্ন উদাৰপন্থী শ্রমিক ইউনিয়ন প্রভৃতিৰ লগত বিচ্ছেদ ঘটোৱাটো অপৰিহার্য্য আছিল।

আমাৰ অভিমত হ'ল, সেই ধৰণৰ বৈপ্লৱিক ভিত্তিৰ ওপৰতেই তৃতীয় আন্তৰ্জাতিক গঢ়ি তোলা উচিত। আমাৰ পার্টিৰ বোলিকা সামাজিক-জাত্যাভিমানীসকলৰ লগত সম্পৰ্ক ছিন্ন কৰাৰ উপযোগিতাৰ প্ৰশ্নটোৱেই নাই, চূড়ান্তভাৱে ইয়াৰ সমুচিত উত্তৰ দিয়া হৈছে। আমাৰ পার্টিৰ কাৰণে একমাত্ৰ যিটো প্ৰশ্ন আছে, সেয়া হ'ল আশু ভৱিষ্যতত আন্তৰ্জাতিক পৰিসৰত ইয়াক অৰ্জন কৰাটো সম্ভৱ হ'ব নে নহয়।

এই কথা অতি স্পষ্ট যে এটা আন্তৰ্জাতিক মাৰ্ক্সবাদী সংগঠন সৃষ্টি কৰাৰ বাবে বিভিন্ন দেশত স্বতন্ত্ৰ মাৰ্ক্সবাদী পার্টি গঠন কৰিবলৈ অৱশ্যেই তৎপৰতা থাকিব লাগিব। সবাতোকৈ পুৰণি আৰু শক্তিশালী শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ দেশ হিচাপে জাৰ্মানিৰ গুৰুত্ব অতি তাৎপৰ্য্যপূৰ্ণ। আশু ভৱিষ্যতেই এক নতুন মাৰ্ক্সবাদী আন্তৰ্জাতিক গঠনৰ পক্ষে অৱস্থা পৈণত হয় নে নহয়, সেই কথা দেখুৱাই দিব। যদি তেনে হয় তেনেহলে সুবিধাবাদ আৰু উগ্ৰ-জাতীয়তাবাদ বৰ্জিত এনেকুৱা এক তৃতীয় আন্তৰ্জাতিকত আমাৰ পার্টিয়ে আনন্দেৰে যোগ দিব। যদি নহয়, তেনেহলে এই অৱস্থাই দেখুৱাব যে সেই বৰ্জন কাৰ্য্যকৰী কৰাৰ বাবে কম-বেছি পৰিমাণে দীঘলীয়া বিৱৰ্তন-কালৰ প্ৰয়োজন। তেতিয়া আমাৰ পার্টিয়ে পুৰণি আন্তৰ্জাতিকৰ মাজত চূড়ান্ত বিৰোধী-পক্ষ গঠন কৰিব, বিভিন্ন দেশৰ অৱস্থাই বৈপ্লৱিক মাৰ্ক্সবাদৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত আন্তৰ্জাতিক শ্ৰমজীৱী জনতাৰ এটি সমিতি গঠন সম্ভৱ কৰি তোলাৰ সময়লৈকে বাট চাব।

পৰৱৰ্তী বছৰকেইটাত বিশ্ব ঘটনাৱলীৰ বিকাশ কোন পথেৰে চাল লব তাক আমি নাজানো আৰু জানিবও নোৱাৰো। কিন্তু যিটো কথা আমি নিশ্চিতকৈ জানো আৰু যাৰ বিষয়ে আমাৰ দৃঢ় বিশ্বাস আছে সেইটো হ'ল — **আমাৰ** পার্টিয়ে **আমাৰ** দেশত আৰু **আমাৰ** প্ৰলিতাৰিয়েতৰ মাজত উপৰোক্ত পথেৰে অক্লান্তভাৱে কাম কৰি যাব আৰু ইয়াৰ দৈনন্দিন ক্ৰিয়াকলাপৰ মাজেদি **মাৰ্ক্সবাদী** আন্তৰ্জাতিকৰ বহুছ শাখাটি গঢ়ি তুলিব।

বহুছ দেশতো স্বীকৃত সামাজিক-জাত্যাভিমানবাদী আৰু মধ্যপন্থী গোষ্ঠীবোৰৰ অভাৱ নাই। এই লোকসকলে এটি মাৰ্ক্সবাদী আন্তৰ্জাতিক গঠনৰ বিৰুদ্ধে যুঁজ কৰিব। আমি জানো যে নীতিগতভাৱে প্লেখানভ হ'ল জিউডেকুমৰ দৃষ্টিভঙ্গীৰ অংশীদাৰ আৰু ইতিমধ্যে তেওঁ শেষোক্তজনৰ পিনে এখন হাত আগ বঢ়াই ৰাখিছে। আমি জানো যে আক্সেলৰদৰ নেতৃত্বত

তথাকথিত 'সাংগঠনিক কমিটিয়ে' ৰাছিয়াৰ ভূখণ্ডত কাউটস্কিবাদ প্ৰচাৰ কৰিব লাগিছে। শ্ৰমিক শ্ৰেণীৰ ঐক্যৰ ছদ্মবেশত এই লোকসকলে সুবিধাবাদীসকলৰ লগত আৰু এই শেষোক্তসকলৰ যোগে বুৰ্জোৱাসকলৰ লগতো ঐক্যৰ কাৰণে আহ্বান জনাইছে। ৰাছিয়াত বৰ্তমানৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বিষয়ে আমি যিখিনি জানোঁ, তাৰপৰা আমি অৱশ্যে এই সম্পৰ্কে পূৰ্ণ আশ্বাস পাওঁ যে ৰাছিয়াৰ শ্ৰেণী-সচেতন প্ৰলিতাৰিয়েত এতিয়ালৈকে থকাৰ দৰেই আমাৰ পাৰ্টিৰ লগত থাকিব।

১৯১৫ চনৰ জুলাই-আগষ্ট মাহত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২১, পৃঃ ৩১৬-১৭ আৰু
৩২৩-৩০

প্ৰিয় কমৰেডসকল!*

আপোনালোকৰ প্ৰচাৰপত্ৰখন পাই আমি নথৈ সন্তোষ পাইছোঁ। এটা নতুন আন্তৰ্জাতিকৰ কাৰণে, মাৰ্ক্স আৰু এংগেলছে দিয়া শিক্ষাৰ দৰে সুস্পষ্ট বৈপ্লৱিক সমাজতন্ত্ৰৰ কাৰণে, আৰু সুবিধাবাদৰ বিৰুদ্ধে, বিশেষকৈ প্ৰতিৰক্ষাৰ যুদ্ধত শ্ৰমিক শ্ৰেণীৰ অংশগ্ৰহণৰ পক্ষে ওকালতি কৰাসকলৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ কাৰণে সমাজতান্ত্ৰিক পাৰ্টিৰ সদস্যসকললৈ জনোৱা আপোনাসকলৰ এই আবেদন আমাৰ পাৰ্টিয়ে (ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টি, **কেন্দ্ৰীয় কমিটি**) এই যুদ্ধৰ আৰম্ভণিৰেপৰা গ্ৰহণ কৰা আৰু দহ বছৰৰো অধিক কাল ধৰি সদায়ে অনুসৰণ কৰা অৱস্থানৰ লগত সম্পূৰ্ণ সামঞ্জস্যপূৰ্ণ।

প্ৰকৃত আন্তৰ্জাতিকতাবাদৰ কাৰণে আমাৰ সংগ্ৰামত সাফল্যৰ শুভ কামনা কৰি আমি আপোনালৈ আমাৰ আন্তৰিক ওলগ জনালোঁ।

আমাৰ বাৰ্তাবিকাকতত আৰু আমাৰ প্ৰচাৰত ভালেমান প্ৰশ্নত আপোনালোকৰ কাৰ্য্যসূচীৰ লগত আমাৰ পাৰ্থক্য আছে আৰু আমি ভাবোঁ যে এইবিলাক বিষয় সংক্ষিপ্তভাৱে আপোনাৰ আগত দাঙি ধৰাৰ বিশেষ প্ৰয়োজন আছে, যাতে সকলো দেশত আপোচহীন বিপ্লৱী সমাজতন্ত্ৰীসকলৰ বিশেষকৈ মাৰ্ক্সবাদীসকলৰ আন্তৰ্জাতিক সংগ্ৰামৰ সমন্বয় সাধনৰ কাৰণে জৰুৰী আৰু গুৰুতৰ ব্যৱস্থা লব পৰা যায়।

আমি পূৰ্বাপৰ, দ্বিতীয় আন্তৰ্জাতিকক (১৮৮৯-১৯১৪) তীব্ৰভাৱে সমালোচনা কৰোঁ, ইয়াক মৃত বুলি আৰু পূৰ্বৰ ভিত্তিৰ ওপৰত পুনৰ্স্থাপন কৰাৰ অযোগ্য বুলি আমি ঘোষণা কৰোঁ। কিন্তু আমাৰ পূৰ্বাপৰ কাকত-পত্ৰত

---

* এই চিঠিখন লেনিনে ইংৰাজীত লিখে। — সম্পাঃ

আমি কেতিয়াও কোৱা নাই যে তথাকথিত 'আশু দাবীসমূহৰ' ওপৰত ইয়াৰ আগেয়ে যথেষ্ট গুৰুত্ব দিয়া হৈছে, আৰু ইয়াৰ যোগেদি সমাজতন্ত্ৰক তৰল কৰিব পাৰি। আমি কওঁ আৰু প্ৰমাণো কৰোঁ যে, সকলো বুৰ্জোৱা পাৰ্টিয়ে, শ্ৰমিক শ্ৰেণীৰ বৈপ্লৱিক পাৰ্টিৰ বাহিৰে সকলো পাৰ্টিয়েই যেতিয়া সংস্কাৰ সাধনৰ কথা কয়, তেতিয়া সেইবিলাক মিছলীয়া আৰু কপটীয়া। আমি শ্ৰমিক শ্ৰেণীক তেওঁলোকৰ অৱস্থাৰ সম্ভাৱ্য সামান্যতম অথচ প্ৰকৃত উন্নতি লাভৰ ক্ষেত্ৰত (অৰ্থনৈতিক আৰু ৰাজনৈতিক) সাহায্য কৰাৰ চেষ্টা কৰোঁ আৰু ইয়াৰ লগতে সদায়ে কওঁ যে জনসাধাৰণৰ সংগ্ৰামৰ বৈপ্লৱিক পদ্ধতিৰে সমৰ্থিত নহলে কোনো সংস্কাৰমূলক কাৰ্য্য স্থায়ী, অকৃত্ৰিম গুৰুত্বপূৰ্ণ হ'ব নোৱাৰে। আমি সদায়ে প্ৰচাৰ কৰোঁ যে সংস্কাৰমূলক কাৰ্য্যৰ কাৰণে এই সংগ্ৰামক শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বৈপ্লৱিক পদ্ধতিৰ লগত মিলিত নকৰা এটা সমাজতান্ত্ৰিক পাৰ্টি এটা উপদলত পৰিণত হ'বগৈ পাৰে, জনসাধাৰণৰপৰা বিচ্ছিন্ন হৈ যাব পাৰে, আৰু সেইটোৱেই হ'ল সুস্পষ্ট বৈপ্লৱিক সমাজতন্ত্ৰৰ সাফল্যৰ ক্ষেত্ৰত অত্যন্ত ক্ষতিকৰ বিপদ।

আমি আমাৰ কাকত-পত্ৰত সদায়ে পাৰ্টিৰ ভিতৰত গণতন্ত্ৰক সমৰ্থন কৰোঁ। কিন্তু আমি পাৰ্টিৰ কেন্দ্ৰীকৰণৰ বিৰুদ্ধে কেতিয়াও কোৱা নাই। আমি গণতান্ত্ৰিক কেন্দ্ৰিকতাৰ [৮৭] পক্ষে। আমি কওঁ যে জাৰ্মান শ্ৰমিক আন্দোলনৰ কেন্দ্ৰীকৰণ ইয়াৰ দুৰ্বলতাৰ পৰিচায়ক নহয়, বৰং ইয়াৰ বলিষ্ঠ আৰু শুভ লক্ষণ। বৰ্তমানে জাৰ্মানিৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ দোষ-ত্ৰুটী কেন্দ্ৰীকৰণৰ মাজত নিহিত নহয়, বৰং সেয়া সুবিধাবাদীসকলৰ প্ৰাধান্যৰ মাজতহে, এইসকলক পাৰ্টিৰপৰা বহিৰ্ভূত কৰা উচিত, বিশেষকৈ এতিয়া এই যুদ্ধত তেওঁলোকৰ বিশ্বাসঘাতকতাপূৰ্ণ আচৰণৰ পাছত। কোনো নিৰ্দিষ্ট সংকটৰ সময়ত ক্ষুদ্ৰ গোষ্ঠীটোৱেও (উদাহৰণ হিচাপে, আমাৰ কেন্দ্ৰীয় কমিটি এটি ক্ষুদ্ৰ গোষ্ঠী) যদি ব্যাপক জনসাধাৰণক বৈপ্লৱিক গতিপথত পৰিচালিত কৰাৰ কাম কৰিব পাৰে, তেনেহলে সেইটো বৰ ভাল হ'ব। আৰু সকলো সংকটতে জনসাধাৰণ ততালিকে কৰ্মতৎপৰ হৈ উঠিব নোৱাৰে, পাৰ্টিবিলাকৰ কেন্দ্ৰীয় প্ৰতিষ্ঠানবোৰৰ সৰু সৰু গোষ্ঠীয়ে জনসাধাৰণক সাহায্য কৰাৰ প্ৰয়োজন থাকে। ১৯১৪ চনৰ ছেপ্টেম্বৰত, এই যুদ্ধৰ একেবাৰে আৰম্ভণিৰেপৰাই আমাৰ কেন্দ্ৰীয় কমিটিয়ে জনসাধাৰণক 'প্ৰতিৰক্ষাৰ যুদ্ধৰ' বিষয়ে মিছা প্ৰচাৰ নামানিবলৈ আৰু সুবিধাবাদী তথা 'ভাবী-জিঙ্গো-সমাজতন্ত্ৰীসকলৰ' [৮৮] (এতিয়া যিসকলে প্ৰতিৰক্ষা-যুদ্ধৰ পক্ষ লৈছে সেই 'সমাজতন্ত্ৰীসকলক' আমি এই নামেৰে অভিহিত কৰিছোঁ)

লগত সম্পৰ্ক ছিন্ন কৰিবলৈ পৰিচালিত কৰিছে। আমি ভাবোঁ যে আমাৰ কেন্দ্ৰীয় কমিটিৰ এই কেন্দ্ৰীকতামুখী ব্যৱস্থা উপযোগী আৰু প্ৰয়োজনীয় আছিল।

আমি আপোনাসকলৰ লগত একমত যে হস্তশিল্প ইউনিয়নবাদৰ বিৰুদ্ধে আৰু ঔদ্যোগিক ইউনিয়নবাদৰ সপক্ষে অৰ্থাৎ বৃহৎ কেন্দ্ৰীভূত ট্ৰেড ইউনিয়নৰ সপক্ষে আৰু শ্ৰমিক শ্ৰেণীৰ অৰ্থনৈতিক সংগ্ৰামত, সমস্ত ট্ৰেড ইউনিয়ন আৰু সমবায় সংগঠনত পাৰ্টিৰ সকলো সদস্যৰ অত্যন্ত সক্ৰিয় অংশগ্ৰহণৰ পক্ষে আমি অৱশ্যেই থিয় দিব লাগিব। কিন্তু আমি বিবেচনা কৰোঁ যে জাৰ্মানিত মিঃ লেগিন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰত মিঃ গমপেৰ্ছৰ দৰে লোকসকল বুৰ্জোৱা আৰু তেওঁলোকৰ নীতি সমাজতান্ত্ৰিক নহয়, বৰং স্বজাতীয়তাবাদী, মধ্য-শ্ৰেণীৰ নীতি। মিঃ লেগিন, গমপেৰ্ছ আৰু তেনে ধৰণৰ লোকসকল শ্ৰমিক শ্ৰেণীৰ প্ৰতিনিধি নহয়, তেওঁলোকে শ্ৰমিক শ্ৰেণীৰ আভিজাত্য আৰু আমোলাতন্ত্ৰহে প্ৰতিনিধিত্ব কৰে।

আপোনালোকে যেতিয়া ৰাজনৈতিক সংগ্ৰামত শ্ৰমিকসকলৰ 'গণ-সংগ্ৰাম' দাবী কৰে, তেতিয়া আমিও আপোনালোকৰ লগত সম্পূৰ্ণ সহানুভূতি জনাওঁ। জাৰ্মান বিপ্লৱী আৰু আন্তৰ্জাতিকতাবাদী সমাজতন্ত্ৰীসকলেও ইয়াকেই দাবী কৰে। এনে ৰাজনৈতিক গণ-সংগ্ৰাম বুলিলে কি বুজা উচিত সেই কথা আমি আমাৰ কাকত-পত্ৰত বেছি বিতংভাৱে ব্যাখ্যা কৰাৰ চেষ্টা কৰোঁ, উদাহৰণ হিচাপে ৰাজনৈতিক ধৰ্মঘট (ৰুছিয়াত অতি সচৰাচৰ), পথ-বিক্ষোভ আৰু জাতিসমূহৰ মাজত বৰ্তমান সাম্ৰাজ্যবাদী যুদ্ধই প্ৰস্তুত কৰা গৃহ-যুদ্ধ।

আমি বৰ্তমানৰ (দ্বিতীয় আন্তৰ্জাতিকত চলি থকা) সমাজতান্ত্ৰিক পাৰ্টিবিলাকৰ ঐক্যৰ কথা প্ৰচাৰ নকৰোঁ। ইয়াৰ বিপৰীতে, আমি সুবিধাবাদীসকলৰ লগত বিচ্ছিন্ন হোৱাৰ কথাহে কওঁ। এই যুদ্ধই হৈছে অতি উৎকৃষ্ট বাস্তৱ শিক্ষা। সকলো দেশতে সুবিধাবাদীবিলাকে, তেওঁলোকৰ নেতাসকলে, তেওঁলোকৰ সবাতোকৈ প্ৰভাৱশালী দৈনিক কাকত আৰু আলোচনীবিলাকে যুদ্ধৰ পক্ষ লৈছে, আন কথাত ক'বলৈ গলে, প্ৰলিতাৰীয় জনসাধাৰণৰ বিৰুদ্ধে সেইসকল বাস্তৱত 'তেওঁলোকৰ' জাতীয় বুৰ্জোৱাৰ (মধ্য-শ্ৰেণী, পুঁজিপতি) লগত ঐক্যবদ্ধ হৈছে। প্ৰতিৰক্ষা-যুদ্ধত অংশগ্ৰহণৰ পক্ষে মত প্ৰকাশ কৰা কেতবোৰ সমাজতন্ত্ৰী আমেৰিকাতো আছে বুলি আপুনি কৈছে। এনেবোৰ মানুহেৰে সৈতে ঐক্য স্থাপন কৰাটো পাপ বুলিয়েই আমাৰ দৃঢ় বিশ্বাস। এনেকুৱা ঐক্য হৈছে জাতীয় মধ্য-শ্ৰেণী আৰু

পুঁজিপতিবিলাকৰ লগত ঐক্য, আৰু আন্তৰ্জাতিক বিপ্লবী শ্ৰমিক শ্ৰেণীৰ লগত বিচ্ছেদ। আমি স্বজাতীয়তাবাদী সুবিধাবাদীসকলৰ লগত বিচ্ছিন্নতাৰ পক্ষে আৰু আন্তৰ্জাতিক বিপ্লবী মাৰ্ক্সবাদীসকলৰ লগত তথা শ্ৰমিক শ্ৰেণীৰ পাৰ্টিসমূহৰ লগত ঐক্যৰ পক্ষে।

আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টি আৰু ছচিয়েলিষ্ট লেবাৰ পাৰ্টিৰ [৮৯] ঐক্য সম্পৰ্কে আমি আমাৰ কাকত-পত্ৰত কেতিয়াও অপত্তি কৰা নাই। আমি সদায়ে মাৰ্ক্স আৰু এঙ্গেলছৰ চিঠি-পত্ৰহে (বিশেষকৈ আমেৰিকান সমাজতান্ত্ৰিক আন্দোলনৰ সক্ৰিয় সদস্য জৰগেলৈ লিখা) উদ্ধৃত কৰোঁ, য'ত দুয়োজনেই ছচিয়েলিষ্ট লেবাৰ পাৰ্টিৰ সংকীৰ্ণতাবাদী চৰিত্ৰক গৰিহণা দিয়ে।

পুৰণি আন্তৰ্জাতিক সম্পৰ্কে আপোনাৰ সমালোচনাৰ ক্ষেত্ৰত আমিও আপোনাৰে লগত সম্পূৰ্ণে একমত। ছিমেৰ্ভাল্ডৰ (ছুইজাৰ্লেণ্ড) ১৯১৫ চনৰ ৫-৮ চেপ্টেম্বৰৰ সম্মিলনত আমি যোগ দিছোঁ। তাত আমি এটা বামপন্থী অংশ [৯০] গঠন কৰিছোঁ আৰু আমাৰ প্ৰস্তাৱ আৰু ইস্তাহাৰ এখনৰ খচৰা দাঙি ধৰিছোঁ। জাৰ্মান ভাষাত এইবোৰ দলিল সম্প্ৰতি আমি প্ৰকাশ কৰিছোঁ আৰু এইবিলাক মই আপোনালৈ পঠাইছোঁ ('সমাজতন্ত্ৰ আৰু যুদ্ধ' সম্পৰ্কে আমাৰ ক্ষুদ্ৰ কিতাপখনিৰ জাৰ্মান অনুবাদেৰে সৈতে), আশা কৰোঁ আপোনালোকৰ সংঘত হয়তো জাৰ্মান ভাষা জনা কমৰেড আছে। এইবিলাক দলিল ইংৰাজীত প্ৰকাশ কৰাত আপুনি যদি আমাক সহায় কৰিব পাৰে (একমাত্ৰ আমেৰিকাতেই ই সম্ভৱ আৰু পাছত আমি ইয়াক ইংলণ্ডলৈ পঠাব লাগিব), তেনেহলে আপোনাৰ সাহায্য আমি সন্তোষেৰে গ্ৰহণ কৰিম।

প্ৰকৃত আন্তৰ্জাতিকতাবাদৰ সপক্ষে আৰু 'জিঙ্গো-সমাজতন্ত্ৰৰ' বিৰুদ্ধে আমাৰ সংগ্ৰামত আমি সদায়ে আমাৰ কাকত-পত্ৰত আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টিৰ সেই সুবিধাবাদী নেতাসকলৰ দৃষ্টান্ত উল্লেখ কৰোঁ, যিসকলে চীনা আৰু জাপানী শ্ৰমিকবিলাকৰ পমুৱা বসতিৰ ওপৰত বাধা-নিষেধৰ পক্ষ লয় (বিশেষকৈ, ষ্টুটগাৰ্টৰ ১৯০৭ চনৰ কংগ্ৰেছৰ পাছত [৯১] আৰু ষ্টুটগাৰ্টৰ সিদ্ধান্তাৱলীৰ বিৰুদ্ধে)। আমি ভাবোঁ যে কোনো মানুহেই একে সময়তে আন্তৰ্জাতিকতাবাদী আৰু এনেকুৱা বাধা-নিষেধৰ পক্ষপাতী হ'ব নোৱাৰে। আমি দৃঢ়ভাৱে কওঁ যে আমেৰিকাৰ সমাজতন্ত্ৰীসকল, বিশেষকৈ ইংৰাজ সমাজতন্ত্ৰীসকল, যিসকল শাসক আৰু উৎপীড়নকাৰী জাতিৰ অন্তৰ্ভুক্ত, যিসকল পমুৱা বসতিৰ কোনো বাধা-নিষেধৰ বিৰুদ্ধে থিয় নিদিয়ে, উপনিৱেশবোৰৰ (হাওৱাই) দখলৰ বিৰুদ্ধে নহয় আৰু উপনিৱেশবিলাকৰ

সামগ্রিক স্বাধীনতাৰ সপক্ষে নহয়, এনে সমাজতন্ত্রীসকল আচলতে হ'ল 'জিঙ্গো'।

সামৰণিত আপোনালোকৰ সংঘলৈ মই আকৌ এবাৰ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনালোঁ। আপোনালোকৰপৰা বেছি পৰিমাণে বাৰ্তাৰ পালে আৰু সুবিধাবাদৰ বিৰুদ্ধে প্ৰকৃত আন্তৰ্জাতিকতাবাদৰ পক্ষে আমাৰ সংগ্ৰামক ঐক্যবদ্ধ কৰিব পাৰিলে আমি নথৈ সন্তোষ পাম।

আপোনাৰ এন- লেনিন

পুনঃ: ৰুছিয়াত দুটি ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি আছে। আমাৰ পাৰ্টি ('কেন্দ্ৰীয় কমিটি') সুবিধাবাদৰ বিৰুদ্ধে। আনটো পাৰ্টি ('সাংগঠনিক কমিটি') [৯২] হ'ল সুবিধাবাদী। আমি তেওঁলোকৰ লগত ঐক্যৰ বিৰুদ্ধে।

আপুনি আমাৰ কাৰ্য্যালয়ৰ ঠিকনাত লিখিব পাৰে (ৰুছ গ্ৰন্থালয়, কেন্দ্ৰীয় কমিটিৰ বাবে। ৰ্‌ঢ্য হুগো দ্য ছেনজে, ৭। জেনেভা। ছুইজাৰ্লেণ্ড)। অৱশ্যে মোৰ ব্যক্তিগত ঠিকনাত লিখিলেই বেছি ভাল: ভ্ল- উলিয়ানভ। আইডেনভেগ, ৪-এ, ৩, বাৰ্ন। ছুইজাৰ্লেণ্ড।

১৯১৫ চনৰ ৩১ অক্টোবৰ আৰু ৯ নৱেম্বৰৰ (১৩ আৰু ২২ নৱেম্বৰৰ) মাজত ৰচিত

সংগৃহীত ৰচনাৱলী, খণ্ড ২১, পৃঃ ৪২৩-২৮

## 'সমাজতান্ত্রিক বিপ্লৱ আৰু জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ' প্ৰবন্ধৰপৰা

(থিচিছ)

### ৪। জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নটোৰ বিষয়ে প্ৰলিতাৰীয়-বৈপ্লৱিক উপস্থাপন

**বহুত দিনৰ আগতেই,** সেই সোতৰ আৰু ওঠৰ শতিকাত পেটি-বুৰ্জোৱাসকলে অকল জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ দাবী জনোৱাই নহয়, আমাৰ গণতান্ত্রিক সৰ্বনিম্ন কাৰ্য্যসূচীৰ [৯৩] **সকলো** কথা দাঙি ধৰিছিল। তেওঁলোকে এতিয়াও সেই সকলো বিষয় ইউট'পীয় (কাল্পনিক) ধাৰাৰে উপস্থিত কৰিছে, কাৰণ তেওঁলোকে গণতন্ত্ৰৰ আমোলত শ্ৰেণী-সংগ্ৰাম আৰু ইয়াৰ ক্ৰমবৰ্দ্ধমান তীব্ৰতা নেদেখে, কাৰণ তেওঁলোকে 'শান্তিপূৰ্ণ' পুঁজিবাদত বিশ্বাস কৰে। সাম্ৰাজ্যবাদৰ অধীনত সমানাধিকাৰসম্পন্ন জাতিবিলাকৰ এক শান্তিপূৰ্ণ মিলনৰ কল্পিত ধাৰণাটোৰ এয়াই হ'ল সঠিক প্ৰকৃতি, যি জনসাধাৰণক প্ৰৱঞ্চিত কৰে আৰু ইয়াকেই কাউৎস্কিৰ অনুগামীসকলে সমৰ্থন কৰে। এই পেটি-বুৰ্জোৱা, সুবিধাবাদী অবাস্তৱ ধাৰণাৰ ভাৰ-সাম্য হিচাপে ছচিয়েল ডেমক্ৰেচিৰ কাৰ্য্যসূচীত সাম্ৰাজ্যবাদৰ অধীনত জাতিসমূহৰ উৎপীড়নকাৰী আৰু উৎপীড়িতৰ মাজত বিভাজনক মৌলিক, তাৎপৰ্য্যপূৰ্ণ আৰু অনিবাৰ্য্য বুলি স্বীকৃতি দিব লাগিব।

উৎপীড়নকাৰী জাতিবোৰৰ প্ৰলিতাৰিয়েতসকলে ৰাজ্য-গ্ৰাসৰ বিৰুদ্ধে আৰু সাধাৰণভাৱে জাতিসমূহৰ সমান অধিকাৰৰ সপক্ষে যিকোনো শান্তিবাদী বুৰ্জোৱাৰ দোহৰা কথাৰ দৰে তেনেবোৰ সাধাৰণ গতানুগতিক বচনৰ মাজতে নিজক সীমাবদ্ধ ৰাখিব নালাগিব। জাতিগত নিপীড়নৰ ওপৰত প্ৰতিষ্ঠিত এখন **ৰাষ্ট্ৰৰ সীমাৰ প্ৰশ্ন** সম্পৰ্কে প্ৰলিতাৰিয়েত নীৰৱ থাকিব নোৱাৰে, এই প্ৰশ্নটো সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীৰ কাৰণে অতিকৈ 'অপ্ৰীতিকৰ'। নিৰ্দিষ্ট সেই ৰাষ্ট্ৰৰ গণ্ডীৰ মাজত নিপীড়িত জাতিবোৰক বলেৰে ধৰি ৰখাৰ বিৰুদ্ধে প্ৰলিতাৰিয়েতে অৱশ্যেই সংগ্ৰাম কৰিব লাগিব, ইয়াৰ অৰ্থ হ'ল তেওঁলোকে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ কাৰণে যুঁজিব লাগিব। 'সিবিলাকৰ নিজ' জাতিৰ দ্বাৰা উৎপীড়িত উপনিৱেশ আৰু জাতিসমূহৰ

ৰাজনৈতিকভাৱে পৃথক হৈ যাব পৰাৰ স্বাধীনতাকো প্ৰলিতাৰিয়েতে দাবী কৰিব লাগিব। নহ'লে, প্ৰলিতাৰিয়েতৰ আন্তৰ্জাতিকতাবাদ ফোঁপোলা কথাৰ বাহিৰে আন একোৱেই নহ'ব; উৎপীড়িত আৰু উৎপীড়নকাৰী জাতিবিলাকৰ শ্ৰমিকসকলৰ মাজত বিশ্বাস আৰু শ্ৰেণীগত সংহতি কোনোটোৱেই সম্ভৱ নহ'ব; যিসকলে আত্মনিয়ন্ত্ৰণ সমৰ্থন কৰে অথচ 'তেওঁলোকৰ নিজৰ' জাতিৰ দ্বাৰা অত্যাচাৰিত আৰু বলপ্ৰয়োগেৰে 'তেওঁলোকৰ নিজৰ' ৰাষ্ট্ৰৰ মাজত ধৰি ৰখা জাতিবিলাকৰ সম্পৰ্কত মৌনতা অৱলম্বন কৰে সেইসকল সংস্কাৰবাদী আৰু কাউৎস্কিপন্থীৰ ভণ্ডামি কোনোমতেই উদ্‌ঘাটিত নহ'ব।

আনহাতে, নিৰ্য্যাতিত জাতিসমূহৰ সমাজতন্ত্ৰীসকলে, বিশেষকৈ উৎপীড়িত আৰু উৎপীড়নকাৰী উভয় জাতিৰে শ্ৰমিকসকলৰ মাজত সাংগঠনিক ঐক্যকো ধৰি সম্পূৰ্ণ আৰু চৰ্তহীন ঐক্য ৰক্ষা কৰিব আৰু বাস্তৱত ৰূপায়িত কৰিব লাগিব। ইয়াৰ অবিহনে বুৰ্জোৱা শ্ৰেণীৰ ফালৰপৰা চলা সকলো ধৰণৰ ষড়যন্ত্ৰ, বিশ্বাসঘাতকতা আৰু প্ৰবঞ্চনাৰ সমুখত প্ৰলিতাৰিয়েতৰ স্বাধীন কৰ্মনীতি আৰু অন্যান্য দেশৰ প্ৰলিতাৰিয়েতৰ লগত তেওঁলোকৰ শ্ৰেণী-সংহতি ৰক্ষা কৰা অসম্ভৱ। নিপীড়িত জাতিসমূহৰ বুৰ্জোৱা শ্ৰেণীয়ে শ্ৰমিকসকলক প্ৰতাৰিত কৰাৰ কাৰণে জাতীয় মুক্তিৰ শ্লোগানবোৰক অনৱৰতে কামত লগায়; এই বুৰ্জোৱাই নিজৰ আভ্যন্তৰীণ নীতিত এনে শ্লোগানবোৰ প্ৰভাৱশালী জাতিৰ বুৰ্জোৱাৰ লগত প্ৰতিক্ৰিয়াশীল মিতালিৰ কাৰণে (উদাহৰণ হিচাপে, অষ্ট্ৰিয়া আৰু ৰুছিয়াত পোলসকলে ইহুদী আৰু ইউক্ৰেনীয়সকলৰ ওপৰত উৎপীড়ন চলোৱাৰ বাবে প্ৰতিক্ৰিয়াশীলবিলাকৰ লগত মিত্ৰতা স্থাপন কৰে) ব্যৱহাৰ কৰে; তেওঁলোকে নিজৰ বৈদেশিক নীতিত তেওঁলোকৰ লুণ্ঠনমূলক পৰিকল্পনা বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যে প্ৰতিদ্বন্দ্বী সাম্ৰাজ্যবাদী শক্তিবোৰৰ কোনো এটাৰ লগত চুক্তিলৈ অহাৰ চেষ্টা কৰে (সৰু সৰু বলকান ৰাষ্ট্ৰৰ নীতি, ইত্যাদি)।

এটা সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে জাতীয় মুক্তিৰ সংগ্ৰামক কোনো কোনো নিৰ্দিষ্ট অৱস্থাত আন এটা 'বৃহৎ' শক্তিয়ে তাৰ নিজৰ, সমানে সাম্ৰাজ্যবাদী লক্ষ্য সাধনৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে বোলা কথাটোৱে ছচিয়েল-ডেমক্ৰেটসকলক জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ স্বীকাৰ কৰিবলৈ অসম্মত কৰোৱাৰ সম্ভাৱনা যেনেকৈ কম, ঠিক তেনেকৈয়ে ৰাজনৈতিক প্ৰতাৰণা আৰু আৰ্থিক লুণ্ঠনৰ উদ্দেশ্যে বুৰ্জোৱাবিলাকৰ প্ৰজাতন্ত্ৰী শ্লোগানবোৰ প্ৰয়োগ কৰাৰ (যেনে, ৰোমান দেশবোৰত) অজস্ৰ ঘটনায়ো

ছচিয়েল-ডেমক্ৰেটসকলক তেওঁলোকৰ প্ৰজাতন্ত্ৰবাদ প্ৰত্যাখান কৰিবলৈ নিদিব।*

### ৫। জাতি-সংক্ৰান্ত প্ৰশ্নত মাৰ্ক্সবাদ আৰু প্ৰুধোঁবাদ

পেটি-বুৰ্জোৱা গণতন্ত্ৰীসকলৰ বিপৰীতে, মাৰ্ক্সে বিনা ব্যতিক্ৰমে প্ৰত্যেকটো গণতান্ত্ৰিক দাবীক সামন্ততন্ত্ৰৰ বিৰুদ্ধে বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত ব্যাপক জনসাধাৰণৰ সংগ্ৰামৰ এক অনিয়ন্ত্ৰিত অভিব্যক্তি হিচাপে নহয়, বৰং এক ঐতিহাসিক অভিব্যক্তি হিচাপেহে গণ্য কৰিছিল। এইবোৰ দাবীৰ ভিতৰত এনে এটিও দাবী নাই, যি কোনো কোনো নিৰ্দিষ্ট অৱস্থাত শ্ৰমিকসকলক ঠগোৱাৰ কাৰণে বুৰ্জোৱা শ্ৰেণীৰ হাতত এপাত হাতিয়াৰ হিচাপে কাম কৰিব পৰা নাছিল আৰু কাম কৰা নাই। এই ক্ষেত্ৰত ৰাজনৈতিক গণতন্ত্ৰৰ দাবীবোৰৰ কোনো এটাক, বিশেষকৈ জাতিসমূহৰ আত্মনিয়ন্ত্ৰণক বেলেগ কৰি লৈ ইয়াক বাকীবোৰৰ বিপৰীতে দাঙি ধৰাটো তত্ত্বৰ ফালৰপৰা মৌলিকভাৱে ভুল। ব্যৱহাৰিক ক্ষেত্ৰত প্ৰলিতাৰিয়েতে প্ৰজাতন্ত্ৰৰ দাবীকো বাদ নিদিয়াকৈ কেৱল সমস্ত গণতান্ত্ৰিক দাবীৰ কাৰণে ইয়াৰ সংগ্ৰামক বুৰ্জোৱা শ্ৰেণীৰ উচ্ছেদৰ বাবে ইয়াৰ বৈপ্লৱিক সংগ্ৰামৰ অধীনস্থ কৰিহে মাথোন নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰিব পাৰে।

আনহাতে, 'সামাজিক বিপ্লৱৰ নামত' জাতি-সংক্ৰান্ত সমস্যা 'অস্বীকাৰ' কৰা সেই প্ৰুধোঁপন্থীসকলৰ বিপৰীতে মাৰ্ক্সে প্ৰথমতঃ অগ্ৰসৰ দেশবিলাকত প্ৰলিতাৰীয় শ্ৰেণী-সংগ্ৰামৰ স্বাৰ্থৰ কথা মনত ৰাখি আন্তৰ্জাতিকতাবাদ আৰু সমাজতন্ত্ৰৰ মূল নীতি সমূথত দাঙি ধৰিছিল — অৰ্থাৎ, অন্যান্য

---

* নকলেও হ'ব যে, আত্মনিয়ন্ত্ৰণৰ অধিকাৰক 'পিতৃভূমি ৰক্ষাৰ' অৰ্থটো তাতেই নিহিত বুলি এই যুক্তিত প্ৰত্যাখ্যান কৰাটো অত্যন্ত হাস্যকৰ হ'ব। সমান অধিকাৰেৰে সৈতে, অৰ্থাৎ সমান গুৰুত্বৰ অভাৱেৰে সৈতে ১৯১৪-১৯১৬ চনৰ সামাজিক-জাত্যাভিমানীসকলে 'পিতৃভূমি ৰক্ষাৰ' ন্যায্যতা প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে গণতন্ত্ৰৰ যিকোনো দাবীৰ কথা (যেনে, ইয়াৰ প্ৰজাতন্ত্ৰবাদৰ কথা) আৰু জাতিগত নিপীড়নৰ বিৰুদ্ধে সংগ্ৰামৰ যিকোনো সূত্ৰায়নৰ কথা উল্লেখ কৰে। কিছুমান যুদ্ধৰ ক্ষেত্ৰত, উদাহৰণ হিচাপে মহান ফৰাচী বিপ্লৱত কিম্বা ইউৰোপত গেৰিবল্ডিৰ যুদ্ধবিলাকত পিতৃভূমি ৰক্ষাৰ বিষয়টো মাৰ্ক্সবাদে ঠাবৰ কৰে, আৰু প্ৰত্যেক যুদ্ধৰ সুনিৰ্দিষ্ট ঐতিহাসিক বৈশিষ্ট্যৰ বিশ্লেষণৰপৰা আৰু 'কোনো সাধাৰণ নীতি'-ৰপৰা বা কৰ্মসূচীৰ কোনো এটা বিষয়ৰপৰা কেতিয়াও নহয়, বিচাৰ কৰি ১৯১৪-১৯১৬ চনৰ সাম্ৰাজ্যবাদী যুদ্ধত পিতৃভূমি ৰক্ষাৰ কথাটো বৰ্জন কৰাৰ সিদ্ধান্ত লয়।

জাতিক নিপীড়ন কৰিলে কোনো জাতিয়েই মুক্ত হ'ব নোৱাৰে [৯৪]। জাৰ্মান শ্ৰমিকসকলৰ বৈপ্লৱিক আন্দোলনৰ স্বাৰ্থৰ দৃষ্টিকোণৰপৰাই মাৰ্ক্সে ১৮৪৮ চনত দাবী কৰিছিল যে জাৰ্মানিত বিজয়ী গণতন্ত্ৰই জাৰ্মানসকলৰ দ্বাৰা নিপীড়িত জাতিবোৰৰ মুক্তি ঘোষণা আৰু প্ৰদান কৰিব লাগিব [৯৫]। ইংৰাজ শ্ৰমিকসকলৰ বৈপ্লৱিক সংগ্ৰামৰ দৃষ্টিকোণৰপৰাই মাৰ্ক্সে ১৮৬৯ চনত ইংলণ্ডৰপৰা আয়াৰ্লেণ্ডৰ পৃথকীকৰণ দাবী কৰি লগতে কৈছিল: '...আনকি পৃথকীকৰণৰ ফলস্বৰূপে যদি ফেড্যাৰেছনো হয়গৈ' [৯৬]। কেৱল এই দাবী উপস্থাপিত কৰাৰ মাজেৰেই মাৰ্ক্সে ইংৰাজ শ্ৰমিকসকলৰ আন্তৰ্জাতিকতাবাদৰ চেতনাত প্ৰকৃততে শিক্ষিত কৰি তুলিছিল। একমাত্ৰ এনেদৰেই তেওঁ সুবিধাবাদী আৰু বুৰ্জোৱা সংস্কাৰবাদৰ — যি আজিও, আধা শতিকাৰ পাছতো আনকি আইৰিছ 'সংস্কাৰ-কাৰ্য্য' সম্পন্ন কৰা নাই — বিপৰীতে নিৰ্দিষ্ট ঐতিহাসিক কৰ্তব্যৰ এক বৈপ্লৱিক সমাধান দাঙি ধৰিব পাৰিছিল। একমাত্ৰ এনেভাৱেই মাৰ্ক্সে প্ৰতিপন্ন কৰিব পাৰিছিল — সৰু সৰু জাতিৰ বিচ্ছিন্ন হৈ যোৱাৰ স্বাধীনতা অবাস্তৱ আৰু অসাধ্য বুলি আৰু কেৱল অৰ্থনৈতিকেই নহয় ৰাজনৈতিক কেন্দ্ৰীকৰণো প্ৰগতিশীল বুলি চিঞৰা সেইসকল পুঁজিৰ আত্মপক্ষ-সমৰ্থনকাৰীৰ বিপৰীতে — যে এই কেন্দ্ৰীকৰণ প্ৰগতিশীল হয় তেতিয়াহে যেতিয়া ই অনা-সাম্ৰাজ্যবাদী, আৰু জাতিসমূহক বলপ্ৰয়োগেৰে একত্ৰিত কৰা উচিত নহয়, বৰং সকলো দেশৰ প্ৰলিতাৰীয়সকলৰ মুক্ত মিলনেৰে সিবিলাক একত্ৰিত হ'ব লাগিব। একমাত্ৰ এনেদৰেই মাৰ্ক্সে জাতিসমূহৰ সমানাধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ কেৱল মৌখিক আৰু সততে কপটীয়া স্বীকৃতিৰ বিপৰীতে জাতিসংক্ৰান্ত প্ৰশ্নসমূহৰ মীমাংসাৰ ক্ষেত্ৰতো ব্যাপক জনসাধাৰণৰ বৈপ্লৱিক কৰ্মতৎপৰতাৰ পক্ষে থিয় দিব পাৰিছিল। ১৯১৪-১৯১৬ চনৰ সাম্ৰাজ্যবাদী যুদ্ধ আৰু সুবিধাবাদী তথা কাউৎস্কিপন্থীবিলাকৰ পক্ষৰপৰা ভণ্ডামিৰ অজিয়ান ষ্টেবুলৰ [৯৭] মাজেৰে উদ্ঘাটিত তথ্যই মাৰ্ক্সৰ নীতিৰ নিৰ্ভুলতাকেই চমকপ্ৰদভাৱে প্ৰমাণ কৰিছে; এই নীতি সকলো অগ্ৰসৰ দেশৰ পক্ষে আদৰ্শনীয় হোৱা উচিত, কিয়নো সেই আটাইবোৰেই আজি অন্যান্য জাতিৰ ওপৰত উৎপীড়ন চলাইছে।*

---

* সততে এই ঘটনাৰ কথা উল্লেখ কৰা হয় — যেনে, 'Die Glocke' কাকতৰ [৯৮] ৮-৯ নং সংখ্যাত অলপতে জাৰ্মান উগ্ৰ-জাতীয়তাবাদী লেঞ্চে কৰিছে — যে কোনো কোনো জাতিৰ জাতীয় আন্দোলন সম্পৰ্কে, উদাহৰণ হিচাপে ১৮৪৮ চনত চেকসকলৰ

এই বিষয়ত দেশসমূহক ঘাইকৈ তিনিটা ধৰণত ভাগ কৰিব লাগিব।

প্ৰথমতে, পশ্চিম ইউৰোপৰ অগ্ৰসৰ পুঁজিবাদী দেশবোৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। এইবিলাক দেশত প্ৰগতিশীল বুৰ্জোৱা জাতীয় আন্দোলনবিলাক বহু দিনৰ আগতেই শেষ হৈ গৈছে। এইবোৰ 'বৃহৎ' জাতিৰ প্ৰত্যেকটিয়েই আন আন জাতিক উপনিৱেশবোৰত আৰু স্বদেশত উভয়তে উৎপীড়ন কৰে। এইবিলাক শাসক জাতিৰ প্ৰলিতাৰিয়েতৰ কৰ্তব্য হ'ল উনৈছ শতিকাত আয়াৰ্লেণ্ড সম্পৰ্কে ইংলণ্ডত প্ৰলিতাৰিয়েতৰ কামৰ দৰে ঠিক একেই।*

দ্বিতীয়তে, পূব ইউৰোপ: অষ্ট্ৰিয়া, বলকান অঞ্চল আৰু বিশেষকৈ ৰুছিয়া। ইয়াত কুৰি শতিকাটোৱেই বুৰ্জোৱা-গণতান্ত্ৰিক জতীয়

---

জাতীয় আন্দোলন সম্পৰ্কে মাৰ্ক্সৰ আপত্তিয়ে মাৰ্ক্সীয় দৃষ্টিকোণৰপৰা জাতিসমূহৰ আত্মনিয়ন্ত্ৰণ স্বীকাৰ কৰাৰ প্ৰয়োজনীয়তাক খণ্ডন কৰে। কিন্তু এই কথা ভুল, কাৰণ ১৮৪৮ চনত 'প্ৰতিক্ৰিয়াশীল' আৰু বৈপ্লৱিক-গণতান্ত্ৰিক জাতিৰ মাজত এটা পাৰ্থক্য টনাৰ ঐতিহাসিক আৰু ৰাজনৈতিক ভিত্তি আছিল। এই প্ৰথমটিৰ নিন্দা কৰি আৰু দ্বিতীয়টিৰ পক্ষে সমৰ্থন জনাই মাৰ্ক্সে ঠিকেই কৰিছিল।[৯১]। আত্মনিয়ন্ত্ৰণৰ অধিকাৰ হ'ল গণতন্ত্ৰৰ অন্যতম দাবী, ইয়াক স্বভাৱিকতেই সাধাৰণ স্বাৰ্থৰ অধীন কৰিব লাগিব। ১৮৪৮ চনত আৰু ইয়াৰ পাছৰ বছৰবিলাকত এই সাধাৰণ স্বাৰ্থবোৰ মূলতঃ জাৰতন্ত্ৰৰ বিৰুদ্ধে যুঁজ চলোৱাৰ মাজতেই নিহিত আছিল।

* ১৯১৪-১৯১৬ চনৰ যুদ্ধত যোগ নিদিয়া কিছুমান সৰু সৰু ৰাষ্ট্ৰত — যেনে হলেণ্ড আৰু ছুইজাৰ্লেণ্ডত — বুৰ্জোৱা শ্ৰেণীয়ে সাম্ৰাজ্যবাদী যুদ্ধত অংশগ্ৰহণৰ ন্যায্যতা প্ৰতিপন্ন কৰিবলৈ 'জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ' শ্লোগানটো ব্যাপকভাৱে ব্যৱহাৰ কৰে। এয়া হৈছে এনেবোৰ দেশত আত্মনিয়ন্ত্ৰণক পৰিত্যাগ কৰিবলৈ ছচিয়েল-ডেমক্ৰেটসকলক প্ৰবৃত্ত কৰা এটা অভিপ্ৰায়। সাম্ৰাজ্যবাদী যুদ্ধত 'পিতৃভূমি ৰক্ষা' অগ্ৰাহ্য কৰাৰ এই নিৰ্ভুল প্ৰলিতাৰীয় কৰ্মনীতিৰ পক্ষ সমৰ্থনৰ কাৰণে ভ্ৰান্ত যুক্তিবোৰ ব্যৱহৃত হৈছে। ইয়াৰ ফলত তত্ত্বৰ ফালৰপৰা মাৰ্ক্সবাদৰ বিকৃতি ঘটে আৰু প্ৰয়োগৰ ক্ষেত্ৰত এক অদ্ভুত ক্ষুদ্ৰ-জাতিসুলভ সংকীৰ্ণমনতা, 'প্ৰভাৱশালী' জাতিবোৰৰ দাসত্ব-বন্ধনত আবদ্ধ জাতিসমূহৰ মাজত কোটি কোটি মানুহৰ প্ৰতি অৱজ্ঞাৰ ভাব গা-কৰি উঠে। কমৰেড গোৰ্টেৰে তেওঁৰ 'সাম্ৰাজ্যবাদ, যুদ্ধ আৰু ছচিয়েল-ডেমক্ৰেচি' নামৰ মূল্যবান প্ৰচাৰ-পুস্তিকাত ভুলভাৱে জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ নীতি অগ্ৰাহ্য কৰে, কিন্তু ইয়াক নিৰ্ভুলভাৱে প্ৰয়োগ কৰে যেতিয়া তেওঁ ডাচ ইণ্ডিজক 'ৰাজনৈতিক আৰু জাতীয় স্বাধীনতা' অবিলম্বে প্ৰদান কৰাৰ দাবী জনায় আৰু এই দাবী দাঙি ধৰিবলৈ আৰু ইয়াৰ কাৰণে যুঁজ কৰিবলৈ অস্বীকাৰ কৰা সেই ওলন্দাজ সুবিধাবাদীসকলৰ মুখা খুলি দিয়ে।

আন্দোলনবোৰৰ বিশেষভাৱে বিকাশ ঘটায় আৰু জাতীয় সংগ্ৰামক তীব্ৰতৰ কৰে। এইবিলাক দেশত বুৰ্জোৱা-গণতান্ত্ৰিক সংস্কাৰ সম্পূৰ্ণ কৰাৰ আৰু অন্যান্য দেশত সমাজতান্ত্ৰিক বিপ্লৱক সাহায্য কৰাৰ উভয় ক্ষেত্ৰতে প্ৰলিতাৰিয়েতৰ কৰ্তব্যবোৰ আকৌ জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ পক্ষে থিয় নিদিয়াকৈ সম্পাদিত হ'ব নোৱাৰে। এই ক্ষেত্ৰত সবাতোকৈ জটিল আৰু অত্যন্ত গুৰুত্বপূৰ্ণ কৰ্তব্য হ'ল উৎপীড়নকাৰী জাতিবোৰৰ শ্ৰমিকসকলৰ শ্ৰেণী-সংগ্ৰামক উৎপীড়িত জাতিসমূহৰ শ্ৰমিকসকলৰ শ্ৰেণী-সংগ্ৰামৰ লগত ঐক্যবদ্ধ কৰা।

তৃতীয়তে, অৰ্দ্ধ-ঔপনিবেশিক দেশবিলাক, যেনে চীন, পাৰস্য আৰু তুৰস্ক, আৰু সমস্ত উপনিবেশ, যিবিলাকৰ সৰ্বমুঠ জনসংখ্যা ১০০ কোটি। এইবোৰ দেশত বুৰ্জোৱা-গণতান্ত্ৰিক আন্দোলন হয় সদ্যহতে আৰম্ভ হৈছে নাথোন, নহয় এতিয়াও ভালেখিনি বাট যাবলৈ আছে। সমাজতন্ত্ৰীসকলে কেৱল বিনা ক্ষতিপূৰণে উপনিবেশবোৰৰ চৰ্তহীন আৰু আশু মুক্তিৰ দাবী কৰিলেই নচলিব — আৰু এই দাবীয়ে ইয়াৰ ৰাজনৈতিক অভিব্যক্তিত আত্মনিয়ন্ত্ৰণৰ অধিকাৰ স্বীকাৰৰ বাহিৰে অন্য একো নুবুজায়; তদুপৰি তেওঁলোকে এইবিলাক দেশত জাতীয় মুক্তিৰ কাৰণে বুৰ্জোৱা-গণতান্ত্ৰিক আন্দোলনবোৰত অধিকতৰ বিপ্লৱী শক্তিবিলাকক দৃঢ়প্ৰতিজ্ঞভাৱে সমৰ্থন জনাবও লাগিব আৰু সিবোৰৰ ওপৰত উৎপীড়ন চলোৱা সাম্ৰাজ্যবাদী শক্তিবোৰৰ বিৰুদ্ধে সিবিলাকৰ অভ্যুত্থানত অথবা বৈপ্লৱিক যুদ্ধৰ সূচনা হলে সেই অৱস্থাত সাহায্য কৰিব লাগিব।

১৯১৬ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মহত ৰচিত — সংগৃহীত ৰচনাৱলী, খণ্ড ২২, পৃঃ ১৪৭-১৫২

## ৭। মাৰ্ক্সবাদ নে প্ৰুধোঁবাদ? [১০০]

ব্যতিক্ৰম হিচাপে, আমাৰ পোলিছ কমৰেডসকলে আয়াৰ্লেণ্ডৰ পৃথকীকৰণৰ সন্দৰ্ভত মাৰ্ক্সৰ দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত আমাৰ উল্লেখৰপৰা পৰোক্ষভাৱে নহয়, প্ৰত্যক্ষভাৱেই ফালৰি কাটি গৈছে। তেওঁলোকৰ আপত্তি কি? তেওঁলোকে কয়, ১৮৪৮ চনৰপৰা ১৮৭১ চনলৈকে মাৰ্ক্সৰ অৱস্থানৰ প্ৰাসঙ্গিক উল্লেখবোৰৰ 'সামান্যতম মূল্যও নাই'। অসচৰাচৰভাৱে উদ্ধত আৰু চূড়ান্ত এই বক্তব্যৰ সমৰ্থনত আগ বঢ়োৱা যুক্তি হ'ল এই যে মাৰ্ক্সে 'একে সময়তে চেক, দক্ষিণ স্লাভ প্ৰভৃতি' লোকসকলৰ স্বাধীনতাৰ কাৰণে প্ৰচেষ্টাৰ বিৰোধিতা কৰিছিল [১০১]।

এই যুক্তি অত্যন্ত উদ্ধত যিহেতু ই একেবাৰেই ফোঁপোলা। পোলিছ মাৰ্ক্সবাদীসকলৰ মতে, মাৰ্ক্স আছিল এজন বুদ্ধিহীন লোক, তেওঁ 'একে উশাহতে' পৰস্পৰ-বিৰোধী কথা-বতৰা কৈছিল! এয়া সম্পূৰ্ণে অসত্য কথা, আৰু নিশ্চিতকৈয়ে মাৰ্ক্সবাদ নহয়। আমাৰ পোলিছ কমৰেডসকলে যাৰ কাৰণে নেৰানেপেৰাকৈ দাবী কৰে অথচ নিজে তাক প্ৰয়োগ নকৰে, সেই 'সুনিৰ্দিষ্ট' বিশ্লেষণৰ দাবীয়েই বিভিন্ন সুনিৰ্দিষ্ট 'জাতীয়' আন্দোলনৰ ক্ষেত্ৰত মাৰ্ক্সৰ ভিন্ ভিন্ মনোভাৱ **একেই** সমাজতান্ত্ৰিক দৃষ্টিভঙ্গীৰপৰা উদ্ভূত হৈছিল নে নাই, সেই সম্পৰ্কে অনুসন্ধান কৰাটো আমাৰ কাৰণে প্ৰয়োজনীয় কৰি তুলিছে।

জনা কথা যে মাৰ্ক্সে জাৰতন্ত্ৰৰ ক্ষমতা আৰু প্ৰভাৱৰ বিৰুদ্ধে — নাইবা কব পাৰি সৰ্বশক্তিমত্তা আৰু প্ৰাধান্যবিস্তাৰী প্ৰতিক্ৰিয়াশীল প্ৰভাৱৰ বিৰুদ্ধে — সংগ্ৰামত ইউৰোপীয় গণতন্ত্ৰৰ স্বাৰ্থত পোলিছ স্বাধীনতাৰ সপক্ষে থিয় দিছিল। এই মনোভাৱ যে নিৰ্ভুল আছিল সেই কথা অতি স্পষ্টভাৱে আৰু ব্যৱহাৰিকভাৱে পৰিলক্ষিত হৈছিল ১৮৪৯ চনত, যেতিয়া ৰুছ ভূমিদাস সৈন্যবাহিনীয়ে হাঙ্গেৰীত জাতীয় মুক্তিৰ আৰু বৈপ্লৱিক-

গণতান্ত্রিক বিদ্রোহক সম্মুখে কৰিছিল। সেই সময়ৰেপৰা মাৰ্ক্সৰ মৃত্যুলৈকে, আনকি তাৰ পাছতো ১৮৯০ চনলৈকে, যেতিয়া ফ্ৰান্সৰ লগ লাগি জাৰতন্ত্ৰই অ-সাম্ৰাজ্যবাদী আৰু জাতিগতভাৱে স্বাধীন জাৰ্মানিৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াশীল যুদ্ধ চলোৱাৰ বিপদ আছিল, তেতিয়া এঙ্গেলছেই সৰ্বপ্ৰথমে আৰু সবাতোকৈ আগতে জাৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামৰ সপক্ষে থিয় দিছিল। এই কাৰণে, আৰু বিশেষকৈ এই কাৰণেই মাৰ্ক্স আৰু এঙ্গেলছ আছিল চেক আৰু দক্ষিণ স্লাভসকলৰ জাতীয় আন্দোলনৰ বিৰোধী। ১৮৪৮ আৰু ১৮৪৯ চনত মাৰ্ক্স আৰু এঙ্গেলছে লিখা কথাৰ মাত্ৰ উল্লেখ কৰিলেই মাৰ্ক্সবাদক কেৱল অগ্ৰাহ্য কৰাৰ উদ্দেশ্যে নহয় বৰং মাৰ্ক্সবাদত একান্তভাৱে আগ্ৰহী যিকোনো লোকৰ ওচৰত প্ৰমাণিত হ'ব যে সেই সময়ত মাৰ্ক্স আৰু এঙ্গেলছে ইউৰোপত 'দুৰন্ত ৰুছ চকী' হিচাপে কাম কৰা 'সমগ্ৰ একোটা প্ৰতিক্ৰিয়াশীল জাতি' আৰু 'বিপ্লৱী জাতিবোৰৰ', যেনে জাৰ্মান, পোল আৰু মাগিয়াৰসকলৰ মাজত সুস্পষ্ট আৰু সুনিৰ্দিষ্ট এটা পাৰ্থক্য-ৰেখা টানিছিল। এইটো এটা তথ্য। আৰু সেই সময়ত অখণ্ডনীয় সত্য হিচাপে ইয়াৰ পৰিচয় পোৱা গৈছিল: ১৮৪৮ চনত বিপ্লৱী জাতিসমূহে মুক্তিৰ কাৰণে যুঁজ কৰিছিল, সিবিলাকৰ ঘাই শত্ৰু আছিল জাৰতন্ত্ৰ, অথচ চেক প্ৰভৃতি জাতি আচলতে আছিল প্ৰতিক্ৰিয়াশীল আৰু জাৰতন্ত্ৰৰ দুৰন্ত চকী।

মাৰ্ক্সবাদৰ প্ৰতি একনিষ্ঠ থকাৰ কোনো বাসনা থাকিলে সুনিৰ্দিষ্টভাৱে অৱশ্যেই বিশ্লেষণ কৰিব লগা এই নিৰ্দিষ্ট দৃষ্টান্তৰপৰা কি শিক্ষা গ্ৰহণ কৰিব লাগিব? একমাত্ৰ এই যে: ১) ইউৰোপত কিছুমান ডাঙৰ আৰু অতি ডাঙৰ জাতিৰ মুক্তিৰ স্বাৰ্থ সৰু সৰু জাতিৰ মুক্তিৰ আন্দোলনৰ স্বাৰ্থতকৈ বৃহত্তৰ মূল্যৰ; ২) গণতন্ত্ৰৰ দাবী বিচ্ছিন্নভাৱে বিবেচিত হ'ব নালাগিব, বৰং ইয়াক চাব লাগিব ইউৰোপীয় — আজি আমি কোৱা উচিত হব বিশ্ব-জোৰা পৰিসৰত।

এয়াই হ'ল সাৰমৰ্ম। যি প্ৰাথমিক সমাজতান্ত্ৰিক নীতিটো পোলসকলে পাহৰি যায় কিন্তু মাৰ্ক্স সদায়ে যাৰ প্ৰতি বিশ্বস্ত থাকে সেই নীতি হ'ল এই যে অন্যান্য জাতিৰ ওপৰত উৎপীড়ন চলোৱা কোনো জাতিয়েই মুক্ত হ'ব নোৱাৰে [১০২]। · · আৰু এই নীতি পৰিত্যাগ কৰাৰ কোনো ইঙ্গিত ইয়াত নাই। আন্তৰ্জাতিক ৰাজনীতিত জাৰতন্ত্ৰৰ প্ৰাধান্য থকাৰ সময়ত মাৰ্ক্সৰ সমুখত যি সুনিৰ্দিষ্ট পৰিস্থিতিয়ে দেখা দিছিল তাৰ যদি পুনৰাবৃত্তি ঘটে, উদাহৰণ হিচাপে গোটাচেৰেক জাতিয়ে সমাজতান্ত্ৰিক বিপ্লৱ আৰম্ভ কৰিলে (১৮৪৮ চনত ইউৰোপত এক বুৰ্জোৱা-গণতান্ত্ৰিক বিপ্লৱ আৰম্ভ

হোৱাৰ দৰে) আৰু অন্য জাতিবোৰে বুৰ্জোৱা প্ৰতিক্ৰিয়াৰ প্ৰধান ঘাটি হিচাপে কাম কৰিলে এনে এক ৰূপত — তেতিয়াহলে আমিও শেষোক্তবিলাকৰ বিৰুদ্ধে এক বৈপ্লৱিক যুদ্ধৰ সপক্ষে, সিবোৰক 'চূৰ্ণ' কৰাৰ অনুকূলে, সিবোৰৰ সকলো দুৰ্বৃত্ত চকী ধ্বংস কৰাৰ অনুকূলে থাকিব লাগিব, সেইবিলাকত যিয়েই ক্ষুদ্ৰ-জাতিৰ আন্দোলন নচলাক লাগিলে। ফলস্বৰূপে, মাৰ্ক্সৰ কৰ্মকৌশলৰ কোনো দৃষ্টান্ত অগ্ৰাহ্য কৰাৰ — ইয়াৰ অৰ্থ হ'ব মুখেৰে মাৰ্ক্সবাদৰ নাম লৈ কাৰ্য্যক্ষেত্ৰত তাক পৰিহাৰ কৰা — পৰিবৰ্তে আমি সেইবোৰক সুনিৰ্দিষ্টভাৱে বিচাৰ-বিশ্লেষণ কৰিব লাগিব আৰু ভৱিষ্যতৰ বাবে মূল্যবান শিক্ষা গ্ৰহণ কৰিব লাগিব। আত্মনিয়ন্ত্ৰণকো ধৰি গণতন্ত্ৰৰ ভালেমান দাবীয়েই চৰম অখণ্ড নহয়, বৰং সাধাৰণ-গণতান্ত্ৰিক (এতিয়া: সাধাৰণ-সমাজতান্ত্ৰিক) বিশ্ব-জোৰা আন্দোলনৰ মাথোন এটা ক্ষুদ্ৰ অংশহে। একো একোটা সুনিৰ্দিষ্ট ক্ষেত্ৰত অংশই সমগ্ৰৰ বিৰোধিতা কৰিব পাৰে; যদি সেয়াই হয় তেনেহলে ইয়াক অগ্ৰাহ্য কৰিব লাগিব। এইটোও সম্ভৱ যে এখন দেশত প্ৰজাতন্ত্ৰীয় আন্দোলন অন্যান্য দেশৰ ৰাজকীয় অথবা বিত্তীয়-ৰাজতন্ত্ৰবাদীবোৰৰ চক্ৰান্তৰ কেৱল এপাত হাতিয়াৰ হ'ব পাৰে; তেনেকুৱা হলে এই বিশেষ সুনিৰ্দিষ্ট আন্দোলনক আমি অৱশ্যেই সমৰ্থন কৰিব নালাগিব, কিন্তু এই কাৰণতে আন্তৰ্জাতিক ছচিয়েল-ডেমক্ৰেচিৰ কাৰ্য্যসূচীৰপৰা প্ৰজাতন্ত্ৰৰ দাবী বাদ দিয়াটোও হ'ব হাস্যকৰ।

১৮৪৮-১৮৭১ আৰু ১৮৯৮-১৯১৬ চনৰ এই কালছোৱাৰ মাজত (মই সাম্ৰাজ্যবাদৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিকচিহ্নবোৰক এছোৱা নিৰ্দ্ধাৰিত কাল হিচাপে ধৰিছোঁ: স্পেনীয়-আমেৰিকান সাম্ৰাজ্যবাদী যুদ্ধৰপৰা [১০৩] ইউৰোপীয় সাম্ৰাজ্যবাদী যুদ্ধলৈকে) নিৰ্দিষ্ট বাস্তৱ পৰিস্থিতি কেনেদৰে পৰিৱৰ্তিত হৈছে? জাৰতন্ত্ৰ সুস্পষ্টভাৱে আৰু নিঃসন্দেহে প্ৰতিক্ৰিয়াৰ লাই-খুটা হৈ আৰু থকা নাই, প্ৰথমতঃ এই কাৰণেই যে ইয়াক আন্তৰ্জাতিক, বিশেষকৈ ফৰাচী বিত্তীয় পুঁজিয়ে সমৰ্থন কৰিছে, আৰু দ্বিতীয়তে ১৯০৫ চনৰ কাৰণে। সেই সময়ত বৃহৎ বৃহৎ জাতীয় ৰাষ্ট্ৰৰ ব্যৱস্থাই — ইউৰোপৰ গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰ — জাৰতন্ত্ৰৰ অস্তিত্ব সত্ত্বেও পৃথিৱীলৈ গণতন্ত্ৰ আৰু সমাজতন্ত্ৰক লৈ আহিছিল।* মাৰ্ক্স আৰু এঙ্গেলছে

---

* গ্ৰুনবেৰ্গৰ 'সমাজতন্ত্ৰৰ ইতিহাসৰ নথি-পত্ৰ ভাণ্ডাৰ'-ত (১৯১৬, ১ম খণ্ড) বিয়াজানভে পোলিছ প্ৰশ্ন সম্পৰ্কে ১৮৬৬ চনত লিখা এঙ্গেলছৰ অতি কৌতুহলজনক এটি প্ৰবন্ধ প্ৰকাশ কৰিছে। এঙ্গেলছে তাত জোৰ দি কৈছে যে প্ৰলিতাৰিয়েতে ইউৰোপৰ বৃহৎ প্ৰধান জাতিবোৰৰ ৰাজনৈতিক স্বাধীনতা আৰু 'আত্মনিয়ন্ত্ৰণ' ('নিজৰ ব্যৱস্থা

তেওঁলোকৰ জীৱন কালত সাম্ৰাজ্যবাদৰ কালছোৱা দেখিবলৈ নাপালে। এতিয়াৰ ব্যৱস্থাটো হৈছে এম্নুঠি সাম্ৰাজ্যবাদী 'বৃহৎ' শক্তি (সংখ্যাত পাঁচ বা ছয়), প্ৰত্যেকটোৱে অন্যান্য জাতিক উৎপীড়ন কৰিছে; আৰু এই অত্যাচাৰ-উৎপীড়ন হ'ল পুঁজিবাদৰ পতনক কৃত্ৰিমভাৱে বাধা দিয়াৰ এক উৎস, আৰু পৃথিৱীৰ ওপৰত প্ৰভুত্ব কৰা সাম্ৰাজ্যবাদী জাতিবোৰৰ মাজত সুবিধাবাদ আৰু সামাজিক-জাত্যভিমানক কৃত্ৰিমভাৱে সহায়-সমৰ্থন যোগোৱাৰ উৎস। সেই সময়ত, বৃহৎ জাতিসমূহক মুক্ত কৰা সেই পশ্চিম-ইউৰোপীয় গণতন্ত্ৰ জাৰতন্ত্ৰৰ বিৰোধী আছিল, এই জাৰতন্ত্ৰই কিছুমান ক্ষুদ্ৰ জাতিৰ আন্দোলনক প্ৰতিক্ৰিয়াশীল উদ্দেশ্যৰ কাৰণে ব্যৱহাৰ কৰিছিল; এফালেদি উগ্ৰ-জাতীয়তাবাদী, 'সামাজিক-সাম্ৰাজ্যবাদী', আনফালে বিপ্লৱী-সকলৰ মাজত বিভক্ত হোৱা সমাজতন্ত্ৰী প্ৰলিতাৰিয়েত আজি জাৰতন্ত্ৰী সাম্ৰাজ্যবাদ আৰু অগ্ৰসৰ পুঁজিবাদী, ইউৰোপীয়, সাম্ৰাজ্যবাদৰ এক মিত্ৰ-গোটৰ সমুখীন হৈছে, ইয়াৰ ভিত্তি গোটাচেৰেক জাতিৰ ওপৰত সিঁহঁতকৰ উমৈহতীয়া উৎপীড়নৰ ওপৰত গঠিত।

এই পৰিস্থিতিত এনেবোৰ নিৰ্দিষ্ট পৰিৱৰ্তন ঘটিছে আৰু পোলিছ ছচিয়েল-ডেমোক্ৰেটসকলে সুনিৰ্দিষ্ট হ'বলৈ তেওঁলোকৰ প্ৰতিশ্ৰুতি সত্ত্বেও ঠিক এইবোৰ পৰিৱৰ্তনকেই উপেক্ষা কৰে! সেই গতিকেই একেই সমাজতান্ত্ৰিক নীতিৰ প্ৰয়োগত সুনিৰ্দিষ্ট পৰিৱৰ্তন· আগতে ঘাই কথা আছিল 'জাৰতন্ত্ৰৰ বিৰুদ্ধে' (আৰু অগণতান্ত্ৰিক লক্ষ্যত ই ব্যৱহাৰ কৰি থকা সেই গোটাচেৰেক ক্ষুদ্ৰ জাতিৰ আন্দোলনৰ বিৰুদ্ধে) আৰু পশ্চিমৰ অধিকতৰ বৈপ্লৱিক জাতিসমূহৰ পক্ষে সংগ্ৰাম কৰা; আজি ঘাই কথা হৈছে সাম্ৰাজ্যবাদী শক্তিবোৰৰ, সাম্ৰাজ্যবাদী বুৰ্জোৱাবোৰৰ আৰু সামাজিক-সাম্ৰাজ্যবাদীবোৰৰ মিলিত শৰীৰবদ্ধ মৰ্চাৰ বিৰুদ্ধে আৰু সমাজতান্ত্ৰিক

---

নিজে কৰাৰ অধিকাৰ' ।এই কথাকেইটা তেওঁৰ মূল ৰচনাত ইংৰাজীতে আছে।) অৱশ্যেই স্বীকাৰ কৰিব লাগিব, আৰু তেওঁ 'জাতিসত্তাবোৰৰ নীতিৰ' (বিশেষকৈ ইয়াৰ বোনাপাৰ্টপন্থী প্ৰয়োগত), অৰ্থাৎ যিকোনো সৰু জাতিক ডাঙৰ জাতিবোৰৰ একে পৰ্যায়ভুক্ত কৰাৰ অবাস্তৱতা দেখুৱাই দিয়ে। এঙ্গেলছে কয়, 'আৰু ৰুছিয়াৰ কথা কবলৈ গলে, ইয়াক কেৱল বিপুল পৰিমাণ অপহৃত সম্পত্তিৰ (অৰ্থাৎ নিপীড়িত জাতিসমূহৰ) আটককাৰী হিচাপে উল্লেখ কৰিব পাৰি, যি সম্পত্তিক হিচাপ নিষ্পত্তি কৰাৰ দিনত প্ৰত্যাৰ্পণ কৰিব লাগিব'। [১০৪] বোনাপাৰ্টপন্থা আৰু জাৰতন্ত্ৰ উভয়েই সৰু সৰু জাতিৰ আন্দোলনক সিঁহঁতকৰ নিজৰ সুবিধাৰ্থে ইউৰোপীয় গণতন্ত্ৰৰ বিৰুদ্ধে কামত লগায়।

বিপ্লৱৰ উদ্দেশ্যে সাম্রাজ্যবাদৰ বিৰুদ্ধে সমস্ত জাতীয় আন্দোলনক কামত লগোৱাৰ পক্ষে ধৰি দিয়া। বৰ্তমানে সাধাৰণ সাম্রাজ্যবাদী মৰ্চাৰ বিৰুদ্ধে সংগ্ৰাম যিমানে বিশুদ্ধভাৱে প্ৰলিতাৰীয় হ'ব, সিমানে স্পষ্টৰূপে এই আন্তৰ্জাতিকতাবাদী নীতি বেছি প্ৰাণৱন্ত হৈ উঠিব: 'কোনো জাতিয়ে যদি অন্যান্য জাতিক উৎপীড়ন কৰে তেনেহলে ই মুক্ত হ'ব নোৱাৰে'।

সমাজ-বিপ্লৱৰ মতান্ধ প্ৰত্যয়ৰ নামত প্ৰুধোঁবাদীসকলে পোলেণ্ডৰ আন্তৰ্জাতিক ভূমিকা অৱজ্ঞা কৰিছে আৰু জাতীয় আন্দোলনবোৰক হেয়জ্ঞান কৰিছে। পোলিছ ছচিয়েল-ডেমক্ৰেটসকলৰ মনোভাৱো সমানে মতান্ধ, তেওঁলোকে সামাজিক-সাম্রাজ্যবাদীসকলৰ বিৰুদ্ধে সংগ্ৰামৰ আন্তৰ্জাতিক মৰ্চা ভাঙি দিয়ে আৰু ৰাজ্য-গ্ৰাসৰ প্ৰশ্নত নিজৰ দোদুল্যমানতাৰে সামাজিক-সাম্রাজ্যবাদীসকলক (বস্তুনিষ্ঠভাৱে) সাহায্য কৰে। কিয়নো, প্ৰলিতাৰীয় সংগ্ৰামৰ আন্তৰ্জাতিক মৰ্চায়েই ক্ষুদ্ৰ জাতিসমূহৰ সুনিৰ্দিষ্ট অৱস্থানৰ বিষয়ে পৰিৱৰ্তন ঘটাইছে: সেই সময়ত (১৮৪৮-১৮৭১) 'পশ্চিমী গণতন্ত্ৰ' আৰু বিপ্লৱী জাতিসমূহৰ, নহলেবা জাৰতন্ত্ৰৰ সম্ভাৱ্য মিত্ৰ হিচাপে ক্ষুদ্ৰ জাতিবিলাক গুৰুত্বপূৰ্ণ আছিল: এতিয়া (১৮৯৮-১৯১৪) অৱস্থা আৰু তেনেকুৱা নহয়; আজি সিবিলাক পৰজীবিতাৰ, আৰু ফলস্বৰূপেই 'প্ৰাধান্যবিস্তাৰী জাতিবোধৰ' সামাজিক-সাম্রাজ্যবাদৰ অন্যতম পুষ্টিকৰ মাধ্যম হিচাপে গুৰুত্বপূৰ্ণ। সমাজতান্ত্ৰিক বিপ্লৱৰ আগতে ক্ষুদ্ৰ জাতিবোৰৰ পঞ্চাছ ভাগৰ এভাগ নে এশ ভাগৰ এভাগ মুক্ত, সেইটো গুৰুত্বপূৰ্ণ নহয়, এইটোহে গুৰুত্বপূৰ্ণ বিষয় যে সাম্রাজ্যবাদৰ যুগত বস্তুনিষ্ঠ কাৰণতে প্ৰলিতাৰিয়েত দুটা আন্তৰ্জাতিক শিবিৰত বিভক্ত হৈছে, তাৰে এটা আকৌ প্ৰাধান্যবিস্তাৰী জাতিৰ বুৰ্জোৱা শ্ৰেণীৰ মেজৰপৰা — অন্যান্য বস্তুৰ মাজতে সৰু সৰু জাতিক দুগুণে বা তিনি-গুণে শোষণ কৰি গোটোৱা — বাগৰি পৰা খাদ্যৰ এবেহাৰে কলুষিত হৈছে, আৰু আনটো শিবিৰে সৰু সৰু জাতিবোৰক মুক্ত নকৰাকৈ, জনসাধাৰণক জাতিদম্ভ-বিৰোধী, অৰ্থাৎ ৰাজ্য-গ্ৰাসী মনোভাৱ-বিৰোধী অৰ্থাৎ 'আত্মনিয়ন্ত্ৰণবাদী' চেতনাৰে শিক্ষিত নকৰাকৈ নিজক মুক্ত কৰিব নোৱাৰে।

প্ৰশ্নটোৰ সবাতোকৈ গুৰুত্বপূৰ্ণ এই দিশটোক আমাৰ পোলিছ কমৰেডসকলে আওকাণ কৰিছে, তেওঁলোকে সাম্রাজ্যবাদৰ যুগত মূলে গুৰুত্বপূৰ্ণ অৱস্থানৰপৰা, আন্তৰ্জাতিক প্ৰলিতাৰিয়েতৰ দুটি শিবিৰত বিভক্ত হোৱাৰ দৃষ্টিকোণৰপৰা কথাবোৰ লক্ষ্য নকৰে।

তেওঁলোকৰ প্ৰুধোঁবাদৰ অন্যান্য গোটাচেৰেক সুনিৰ্দিষ্ট উদাহৰণ দিয়া যাওক: ১) ১৯১৬ চনৰ আইৰিছ বিদ্ৰোহ [১০৫] সম্পৰ্কে তেওঁলোকেৰ মনোভাৱ, এই বিষয়ে পাছত কোৱা যাব; ২) থিছিছত (২, ৩, § ৩-ৰ শেষত) এই ঘোষণা যে সমাজতান্ত্ৰিক বিপ্লৱৰ শ্লোগানক 'একোৱেই আঁৰ কৰিব নালাগিব'। জাতি-সংক্ৰান্ত প্ৰশ্নকো ধৰি সকলো প্ৰশ্নত সুসংগতভাৱে বৈপ্লৱিক অৱস্থানৰ লগত সংযুক্ত কৰি সমাজতান্ত্ৰিক বিপ্লৱৰ শ্লোগানক 'আঁৰ কৰা যায়' বোলা এই ধাৰণাটো নিশ্চিতকৈয়ে গভীৰভাৱে মাৰ্ক্সবাদ-বিৰোধী।

পোলিছ ছচিয়েল-ডেমক্ৰেটসকলে আমাৰ কাৰ্য্যসূচীক 'জাতীয়-সংস্কাৰবাদী' বুলি বিবেচনা কৰে। এই দুটা ব্যৱহাৰিক প্ৰস্তাৱ তুলনা কৰি চাওক: ১) স্বায়ত্তশাসনৰ কাৰণে (পোলিছ থিছিছ ৩, ৪) আৰু ২) বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰৰ কাৰণে। এইখিনিতে, আৰু কেৱল এইখিনিতেই আমাৰ কাৰ্যসূচীবিলাকৰ পাৰ্থক্য! আৰু এই কথা জানো ফটফটীয়া নহয় যে প্ৰথম কাৰ্যসূচীখনেই সংস্কাৰবাদী আৰু দ্বিতীয়খন নহয়? সংস্কাৰবাদী পৰিৱৰ্তন হ'ল এনেকুৱাই, যি শাসক শ্ৰেণীৰ ক্ষমতাৰ আধাৰক অক্ষত ৰাখে আৰু সেয়া কেৱল তাৰ ক্ষমতাকেই অক্ষুণ্ণ ৰখা এটা ৰেহাই মাথোন। বৈপ্লৱিক পৰিৱৰ্তনে ক্ষমতাৰ আধাৰক বিনষ্ট কৰে। সংস্কাৰবাদী জাতীয় কাৰ্যসূচীয়ে শাসক জাতিৰ সকলো বিশেষ সুবিধা বিলুপ্ত নকৰে; ই পূৰ্ণ সমতা স্থাপন নকৰে; সকলো ৰূপৰ জাতীয় নিপীড়নৰো উচ্ছেদ নঘটায়। 'স্বায়ত্তশাসিত' এটা জাতিয়ে 'শাসক' জাতিৰ অধিকাৰৰ সমান অধিকাৰ ভোগ নকৰে, আমাৰ পোলিছ কমৰেডসকলে ৰাজনৈতিক মতবাদ আৰু শ্ৰেণীবোৰৰ বিশ্লেষণ আঁকোৱালোঁজাকৈ এৰি নোযোৱা হলে (আমাৰ পূৰণি অৰ্থনীতিবাদীসকলৰ [১০৬] দৰে) সেই কথা তেওঁলোকৰ চকুত নপৰাকৈ নাথাকিলহেঁতেন। ১৯০৫ চনলৈকে ছুইডেনৰ অংশ হিচাপে নৰৱেই ব্যাপকতম স্বায়ত্তশাসন ভোগ কৰিছিল, কিন্তু ই ছুইডেনৰ সমান নাছিল। কেৱল ইয়াৰ অবাধ বিলগ্নতাৰ ফলতহে মাথোন ব্যৱহাৰিক ক্ষেত্ৰত ইয়াৰ সমানাধিকাৰ প্ৰকাশিত আৰু প্ৰমাণিত হৈছিল (আৰু বন্ধনীৰ ভিতৰত এইখিনিতে যোগ কৰা যাওক যে এই অবাধ বিলগ্নতায়েই সমানাধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত ঘনিষ্ঠতৰ আৰু অধিক গণতান্ত্ৰিক সম্মিলনৰ ভিত্তি গঢ়ি তুলিছিল)। যেতিয়ালৈকে নৰৱে কেৱল স্বায়ত্তশাসিত আছিল, তেতিয়ালৈকে ছুইডিছ আভিজাত্যৰ এটি অতিৰিক্ত বিশেষ সুবিধা আছিল; বিলগ্নতাৰ ফলত এই বিশেষ সুবিধা 'লঘু হোৱা' নাছিল (সংস্কাৰবাদৰ

সাৰমৰ্ম ইয়াতেই নিহিত যে ই এটা অশুভৰ উপশম ঘটায় আৰু তাক ধ্বংস নকৰে), বৰং সম্পূৰ্ণে নিশ্চিহ্ন হৈছিল (এখন কাৰ্য্যসূচীৰ বৈপ্লৱিক চৰিত্ৰৰ প্ৰধান জোখ-কাঠি)।

প্ৰসঙ্গতঃ, সংস্কাৰমূলক কাৰ্য্য হিচাপে স্বায়ত্তশাসন নীতিগতভাৱে বৈপ্লৱিক ব্যৱস্থা হিচাপে বিলগ্নতাৰ স্বাধীনতাৰপৰা বেলেগ। ই প্ৰশ্নাতীত। কিন্তু প্ৰত্যেকেই জানে, কাৰ্য্যক্ষেত্ৰত এটা সংস্কাৰ-কাৰ্য্য সততে বিপ্লৱৰ দিশত এটি পদক্ষেপ মাথোন। কোনো এখন নিৰ্দিষ্ট ৰাষ্ট্ৰৰ সীমাৰ ভিতৰত জোৰ কৰি ধৰি ৰখা এটা জাতিক স্বায়ত্তশাসনেই সুসংহতভাৱে এখন ৰাষ্ট্ৰলৈ গঢ় উঠাত, ইয়াৰ শক্তিসমূহক সমবেত কৰাত, মূল্যায়ন আৰু সংগঠিত কৰাত, আৰু 'নৰৱেজীয়' চেতনাৰে... এটা ঘোষণাৰ কাৰণে সবাতোকৈ সুবিধাজনক মুহূৰ্তটি বাছি লোৱাত সক্ষম কৰি তোলে: আমি, অমুক জাতিৰ কিম্বা এই-এই অঞ্চলৰ স্বায়ত্তশাসিত সংসদে ঘোষণা কৰোঁ যে সমগ্ৰ ৰুছিয়াৰ সম্ৰাট পোলেণ্ডৰ ৰজা আৰু নহয়, ইত্যাদি। ইয়াৰ বিৰুদ্ধে সচৰাচৰ 'আপত্তি' হ'ল এই যে এনেবোৰ প্ৰশ্ন মীমাংসিত হয় যুদ্ধৰ মাজেৰে আৰু ঘোষণাপত্ৰৰ যোগে নহয়। ঠিকেই: অধিকাংশ ক্ষেত্ৰতেই যুদ্ধৰ যোগেই ইবোৰৰ মীমাংসা হয় (ঠিক যেনেকৈ বিপুল সংখ্যাগৰিষ্ঠ ক্ষেত্ৰত বৃহৎ ৰাষ্ট্ৰবোৰৰ চৰকাৰৰ ৰূপ সম্পৰ্কিত প্ৰশ্নৰ মীমাংসা হয় একমাত্ৰ যুদ্ধ আৰু বিপ্লৱৰ যোগেই)। কিন্তু এটা বৈপ্লৱিক পাৰ্টিৰ ৰাজনৈতিক কাৰ্য্যসূচীৰ ক্ষেত্ৰত এনেকুৱা 'আপত্তি' যুক্তিসম্মত হয় নে নহয়, সেই কথা চিন্তা কৰিলে কোনো ক্ষতি নহয়। প্ৰলিতাৰিয়েতৰ পক্ষে যি ন্যায়সঙ্গত আৰু কল্যাণকৰ তাৰ কাৰণে, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ কাৰণে যুদ্ধ আৰু বিপ্লৱত আমি জানো বিৰোধিতা কৰিছোঁ?

'কিন্তু বৃহৎ জাতিবোৰৰ মাজত যুদ্ধৰ সপক্ষে, প্ৰায় দহ কিম্বা কুৰি নিযুত জনসংখ্যাৰে এটি ক্ষুদ্ৰ জাতিৰ অনিশ্চিত মুক্তিৰ কাৰণে দুই কোটি মানুহৰ হত্যাৰ সপক্ষে আমি থিয় দিব নোৱাৰোঁ! নিশ্চয় নোৱাৰি! অৱশ্যে তাৰ অৰ্থ এই নহয় যে আমি আমাৰ কাৰ্য্যসূচীৰপৰা পূৰ্ণ জাতিগত সমতাৰ কথা বাদ দিম; ইয়াৰ অৰ্থ এইহে যে **এখন** দেশৰ গণতান্ত্ৰিক স্বাৰ্থক **একাধিক আৰু সকলো** দেশৰ গণতান্ত্ৰিক স্বাৰ্থসমূহৰ অধীনস্থ কৰিব লাগিব। ধৰি লোৱা যাওক যে দুটা ডাঙৰ ডাঙৰ ৰাজতন্ত্ৰৰ মাজত এটা ক্ষুদ্ৰ ৰাজতন্ত্ৰ আছে, ইয়াৰ ক্ষুদ্ৰ ৰজাজন তেজৰ সম্পৰ্ক আৰু অন্যান্য সম্পৰ্কেৰে দুয়োখন প্ৰতিবেশী দেশৰ ৰজাৰ লগত 'বান্ধ খোৱা'। আকৌ ধৰি লোৱা যাওক যে ক্ষুদ্ৰ দেশখনত এক প্ৰজাতন্ত্ৰ ঘোষিত হলে আৰু

ইয়াৰ বজাক বহিস্কাৰ কৰিলে সেই সব্ দেশখনত কাৰ্য্যক্ষেত্ৰত সেই বজাকে কিম্বা অন্য কোনো ৰজাক পুনৰ্স্থাপন কৰাৰ কাৰণে প্ৰতিবেশী দুই বৃহৎ দেশৰ মাজত যুদ্ধ লাগিব। এই বিষয়ে কোনো সন্দেহ নাই যে সমস্ত আন্তৰ্জাতিক ছচিয়েল-ডেমক্ৰেচি আৰু সেই ক্ষুদ্ৰ দেশখনত ছচিয়েল-ডেমক্ৰেচিৰ প্ৰকৃত আন্তৰ্জাতিকতাবাদী অংশই এই ক্ষেত্ৰত **ৰাজতন্ত্ৰৰ ঠাইত প্ৰজাতন্ত্ৰ স্থাপনৰ বিৰুদ্ধে** যাব। ৰাজতন্ত্ৰৰ ঠাইত প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠাপন এটা অপৰিৱৰ্তনীয় চূড়ান্ত দাবী নহয়, বৰং অন্যতম গণতান্ত্ৰিক দাবী, যি সামগ্ৰিকভাৱে গণতন্ত্ৰৰ স্বাৰ্থৰ (আৰু অৱশ্যেই তাতোকৈ বেছি সমাজতন্ত্ৰী প্ৰলিতাৰিয়েতৰ স্বাৰ্থৰ) অধীন। এনেকুৱা এটা ঘটনাত খুব সম্ভৱ কোনো দেশতেই ছচিয়েল-ডেমক্ৰেটসকলৰ মাজত সামান্যতম মতানৈক্যই দেখা নিদিব। কিন্তু এইবোৰৰ ভিত্তিত কোনো ছচিয়েল-ডেমক্ৰেটে যদি প্ৰস্তাৱ কৰে যে আন্তৰ্জাতিক ছচিয়েল-ডেমক্ৰেচিৰ কাৰ্য্যসূচীৰপৰা প্ৰজাতন্ত্ৰৰ দাবী সম্পূৰ্ণে বাদ দিয়া উচিত, তেনেহলে তেওঁ নিশ্চয় একেবাৰে বলিয়া বুলিহে বিবেচিত হ'ব। তেওঁক কোৱা হ'ব যে, মূঠৰ ওপৰত **সাধাৰণ আৰু নিৰ্দিষ্ট** বিশেষৰ মাজত প্ৰাথমিক যুক্তিসঙ্গত প্ৰভেদ কোনেও পাহৰি যাব নালাগিব।

কিছু পৰিমাণে বেলেগ দৃষ্টিকোণৰপৰা চালে এই দৃষ্টান্তই আমাক শ্ৰমিক শ্ৰেণীৰ **আন্তৰ্জাতিকতাবাদী** শিক্ষাৰ প্ৰশ্নলৈ লৈ যায়। এনে শিক্ষা -- যাৰ প্ৰয়োজনীয়তা আৰু জৰুৰী গুৰুত্ব সম্পৰ্কে ছিমেৰ্ভাল্ড বামপন্থীসকলৰ মাজত মত-পাৰ্থক্য ধাৰণাতীত—জানো বৃহৎ উৎপীড়নকাৰী জাতিবোৰৰ আৰু ক্ষুদ্ৰ নিপীড়িত জাতিবোৰৰ ক্ষেত্ৰত, ৰাজ্য দখলকাৰী জাতিবোৰৰ আৰু দখলীকৃত জাতিবোৰৰ ক্ষেত্ৰত **নিৰ্দিষ্টৰূপে অভিন্ন** হ'ব পাৰে?

দেখ্‌দেখকৈয়ে নোৱাৰে? উমৈহতীয়া লক্ষ্যাভিমুখে — পূৰ্ণ সমানাধিকাৰ, ঘনিষ্ঠতম সম্পৰ্ক আৰু শেষ পৰ্য্যন্ত সকলো জাতিৰ মিশ্ৰণৰ — পথটো স্পষ্টকৈয়ে প্ৰত্যেকটো সুনিৰ্দিষ্ট ক্ষেত্ৰত ভিন্ ভিন্ দিশ ধৰি অগ্ৰসৰ হয়, যেনেকৈ ক'ব পৰা যায়, এই পাতটোৰ মাজভাগত এটা বিন্দুলৈ যোৱাৰ পথটি এদাঁতিয়েদি গৈছে বাওঁফাললৈ আৰু ওলোটা দাঁতিয়েদি গৈছে সোঁফাললৈ। যদি এটা বৃহৎ, উৎপীড়নকাৰী, দখলকাৰী জাতিৰ এজন ছচিয়েল-ডেমক্ৰেটে সাধাৰণভাৱে জাতিসমূহৰ মিশ্ৰণৰ ওকালতি কৰিবলৈ যাওঁতে এটি মুহূৰ্তৰ কাৰণেও পাহৰি যায় যে 'তেওঁৰ' দ্বিতীয় নিকোলাই, 'তেওঁৰ' ভিলহেল্ম, জৰ্জ, পুআঁকাৰে প্ৰমুখ্যে লোকসকলো সব্ সব্

জাতিৰ লগত মিশ্রণৰ পক্ষাপাতী (দখলৰ মাধ্যমেৰে) — দ্বিতীয় নিকোলাই গালিচিয়াৰ লগত 'মিশ্রণৰ' কাৰণে, দ্বিতীয় ভিলহেল্ম বেলজিয়ামৰ লগত 'মিশ্রণৰ' কাৰণে, ইত্যাদি — তেনেহলে সেই ছচিয়েল-ডেমক্রেটজন তত্ত্বৰ ফালৰপৰা এজন হাস্যকৰ মতান্ধ হ'ব আৰু প্রয়োগৰ ক্ষেত্রত হ'ব সাম্রাজ্যবাদৰ দুষ্কৰ্মৰ এজন সহায়ক।

উৎপীড়নকাৰী দেশবোৰৰ শ্রমিকসকলৰ আন্তর্জাতিকতাবাদী শিক্ষাৰ ক্ষেত্রত অৱশ্যেই নিপীড়িত দেশসমূহৰ বিলগ্ন হোৱাৰ অধিকাৰক তেওঁলোকে সমৰ্থন কৰাৰ ওপৰত আৰু তাৰ বাবে তেওঁলোকে সংগ্রাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। ইয়াৰ অবিহনে আন্তর্জাতিকতাবাদ হ'ব নোৱাৰে। এটা উৎপীড়নকাৰী জাতিৰ যিজন ছচিয়েল-ডেমক্রেট এনেকুৱা প্রচাৰ চলাবলৈ ব্যৰ্থ হয় তেনে লোকক দুর্জন আৰু সাম্রাজ্যবাদী বুলি গণ্য কৰাটো আমাৰ অধিকাৰ আৰু কৰ্তব্য। এইটো এটা চূড়ান্ত দাবী, আনকি য'ত সমাজতন্ত্র প্রৱর্তনৰ আগেয়ে বিলগ্নতা সম্ভৱ আৰু 'সাধ্য' হোৱাৰ সুযোগ হাজাৰৰ ভিতৰত এটি মাত্র, সেই ক্ষেত্রতো।

জাতিগত প্রভেদৰ ক্ষেত্রত 'উদাসীন' থাকিবলৈ শ্রমিকসকলক শিক্ষা দিয়াটো আমাৰ কৰ্তব্য। এই সম্পৰ্কে কোনো সন্দেহ নাই। কিন্তু ই ৰাজ্য-দখলকাৰীবোৰৰ উদাসীনতা মুঠেই হ'ব নালাগিব। এটা উৎপীড়নকাৰী জাতিৰ সদস্য অৱশ্যেই ক্ষুদ্র জাতিবোৰ তেওঁৰ ৰাষ্ট্ৰৰ নে প্রতিবেশী ৰাষ্ট্ৰৰ অন্তর্ভুক্ত নাইবা সিবিলাকৰ অভিৰুচি অনুযায়ী নিজেই তাত আছে, সেই বিষয়ে 'উদাসীন' থাকিব লাগিব: এনে 'উদাসীনতাৰ' অবিহনে তেওঁ ছচিয়েল-ডেমক্রেটেই নহয়। এজন আন্তর্জাতিকতাবাদী ছচিয়েল-ডেমক্রেট হ'বলৈ হলে অকল নিজৰ জাতিৰ কথা চিন্তা কৰিলেই নহ'ব, লগতে সকলো জাতিৰ স্বাৰ্থক, সিবিলাকৰ উমৈহতীয়া মুক্তি আৰু সমতাক ইয়াৰ ওপৰত স্থান দিব লাগিব। ইয়াক 'তত্ত্বৰ' ক্ষেত্রত প্রত্যেকেই মানি লয়, কিন্তু প্রয়োগৰ ক্ষেত্রত দখলকাৰীসুলভ উদাসীনতাৰ পৰিচয় দিয়ে। অনিষ্টৰ মূল সেইখিনিতেই।

আনহাতে, ক্ষুদ্র জাতিৰ এজন ছচিয়েল-ডেমক্রেটে তেওঁৰ প্রচাৰ আন্দোলনত আমাৰ সাধাৰণ সূত্রৰ এই দ্বিতীয় শব্দটোৰ ওপৰত গুৰুত্ব দিব লাগিব: জাতিসমূহৰ 'স্বেচ্ছামূলক সংহতি'। এজন আন্তর্জাতিকতাবাদী হিচাপে নিজৰ কৰ্তব্যত আওহেলা নকৰি তেওঁ নিজৰ জাতিৰ ৰাজনৈতিক স্বাধীনতা আৰু চুবুৰীয়া অমুক-তমুক প্রভৃতি ৰাষ্ট্ৰৰ লগত ইয়াৰ সংহতি উভয়ৰে সপক্ষে থাকিব পাৰে। কিন্তু সকলো ক্ষেত্রতে তেওঁ ক্ষুদ্র জাতিসুলভ

সঙ্কীর্ণমনতা, নিঃসঙ্গতা আৰু বিচ্ছিন্নতাৰ বিৰুদ্ধে যুঁজ কৰিব লাগিব, সমগ্র আৰু সাধাৰণক বিবেচনা কৰিব লাগিব, নিৰ্দিষ্ট বিশেষটোক সাধাৰণ স্বাৰ্থৰ অধীনস্থ কৰিব লাগিব।

যিসকল লোকে প্ৰশ্নটো তন্ন তন্নকৈ বিচাৰ কৰা নাই, তেওঁলোকে ভাবে যে উৎপীড়নকাৰী জাতিবোৰৰ ছচিয়েল-ডেমক্রেটসকলৰ পক্ষে 'বিলগ্ন হোৱাৰ স্বাধীনতাৰ' ওপৰত জোৰ দিয়া, আৰু নিপীড়িত জাতিবোৰৰ ছচিয়েল-ডেমক্রেটসকলৰ পক্ষে 'সংযুক্ত হোৱাৰ স্বাধীনতাৰ' ওপৰত জোৰ দিয়াটো 'পৰস্পৰ-বিৰোধী'। কিন্তু অলপ চিন্তা কৰিলেই দেখা যাব যে আন্তৰ্জাতিকতাবাদৰ আৰু জাতিসমূহৰ মিশ্ৰণৰ অভিমুখে আন কোনো পথ, নিৰ্দিষ্ট পৰিস্থিতিৰপৰা এই লক্ষ্যলৈ যোৱাৰ আন কোনো পথ নাই আৰু থাকিব নোৱাৰেও।

## ৯। কাউৎস্কিলৈ এঙ্গেলছৰ চিঠি

তেতিয়াও কাউৎস্কি এজন মাৰ্ক্সবাদী আছিল, তেওঁৰ 'সমাজতন্ত্ৰ আৰু ঔপনিৱেশিক ৰাজনীতি' (বাৰ্লিন, ১৯০৭ চন) নামৰ পুস্তিকাত কাউৎস্কিয়ে তেওঁলৈ লিখা এঙ্গেলছৰ ১৮৮২ চনৰ ১২ চেপ্টেম্বৰৰ এখন চিঠি প্ৰকাশ কৰিছিল। আলোচ্য প্ৰশ্নটোৰ সম্পৰ্কত এই চিঠিখন অতি কৌতূহলজনক। চিঠিৰ প্ৰধান অংশটো হ'ল এনেকুৱা:

'মোৰ মতে, খাচ্ উপনিৱেশবোৰ, অৰ্থাৎ ইউৰোপীয় এক জনসমষ্টিয়ে অধিকাৰ কৰা দেশসমূহ — কানাডা, কেপ, অষ্ট্ৰেলিয়া — সকলোৱেই স্বাধীন হ'ব; আনপিনে, স্থানীয় জনসমষ্টিৰে অধ্যুষিত দেশবোৰ, যিবোৰ কেৱল অধীনস্থ হৈছে সেইবোৰ — ভাৰত, আলজেৰিয়া, ওলন্দাজ, পৰ্তুগীজ আৰু স্পেনীয় দখলাধীন দেশবোৰ — অৱশ্যেই সম্প্ৰতিকে প্ৰলিতাৰিয়েতৰ দ্বাৰা অধিগৃহীত হ'ব আৰু সম্ভাব্য দ্ৰুতভাৱে স্বাধীনতাৰ দিশে চালিত হ'ব। এই প্ৰক্ৰিয়া কেনেদৰে বিকাশ লাভ কৰিব তাক কোৱা টান। ভাৰতে হয়তো, বাস্তৱিকতেই খুব সম্ভৱ বিপ্লৱ কৰিব, আৰু আত্মমুক্তিৰ প্ৰক্ৰিয়াত যিহেতু প্ৰলিতাৰিয়েতে কোনো ঔপনিৱেশিক যুদ্ধ চলাব নোৱাৰে, সেই কাৰণে ইয়াক নিজৰ গতিপথত চলিবলৈ দিব লাগিব; অৱশ্যে সকলো ধৰণৰ ধ্বংস নোহোৱাকৈ ই অতিক্ৰম নকৰিব, কিন্তু এনে ধৰণৰ ঘটনা সমস্ত বিপ্লৱৰপৰা অবিচ্ছেদ্য। একেই ঘটনা আন ঠাইতো ঘটিব পাৰে, যেনে আলজেৰিয়া আৰু মিচৰত আৰু সেয়া আমাৰ কাৰণে নিশ্চিতকৈয়ে

আটাইতকৈ ভাল কথাই হ'ব। স্বদেশত আমাৰ কৰণীয় যথেষ্ট কাম থাকিব। এবাৰ ইউৰোপ পুনৰ্গঠিত হলে, আৰু উত্তৰ আমেৰিকা হলে, তাৰ ফলত ইমান বিৰাট শক্তি আৰু এনে দৃষ্টান্ত যোগাব যে অৰ্দ্ধ-সভ্য দেশবোৰে নিজে নিজেই সেই পথ অনুসৰণ কৰিব; আন একো নহলেও অৰ্থনৈতিক প্ৰয়োজনেই সেই পথত আগুৱাই নিব। কিন্তু সমাজতান্ত্ৰিক সংগঠনত আহি উপনীত হোৱাৰ আগেয়ে আকৌ এই দেশবোৰ তেতিয়া কোন কোন সামাজিক আৰু ৰাজনৈতিক পৰ্য্যায়ৰ মাজেৰে যাব লাগিব, সেই বিষয়ে মোৰ বোধেৰে আজি আমি মাথোন ভিত্তিহীন প্ৰকল্পহে উপস্থিত কৰিব পাৰো। কেৱল এটা কথা খাটাং: **বিজয়ী প্ৰলিতাৰিয়েতে কোনো বিদেশী জাতিৰ ওপৰত কোনো প্ৰকাৰৰ আশীৰ্বাদ জাপি দিব নোৱাৰে — তাৰ দ্বাৰা নিজৰ বিজয়ৰ ক্ষতি নকৰাকৈ।** অৱশ্যে ইয়াৰপৰা বিভিন্ন ধৰণৰ আত্মৰক্ষামূলক যুদ্ধ কোনোপধ্যেই বাদ নপৰে...'

এঙ্গেলছে মুঠেই অনুমান কৰা নাই যে অকল 'অৰ্থনৈতিক' কথাটোৱেই প্ৰত্যক্ষভাৱে সকলো অসুবিধা দূৰ কৰিব। এটা অৰ্থনৈতিক বিপ্লৱ সমাজতন্ত্ৰৰ কাৰণে **প্ৰচেষ্টাত সকলো** জাতিৰ পক্ষে উদ্দীপক হ'ব; কিন্তু তাৰ লগে লগে বিপ্লৱবিলাক — সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ বিৰুদ্ধে বিপ্লৱ — আৰু যুদ্ধও সম্ভৱ। ৰাজনীতিয়ে অনিবাৰ্য্যভাৱেই অৰ্থনীতিৰ লগত থাপ খুৱাই লব, কিন্তু সেয়া ততালিকে কিম্বা নিমজভাৱে নহয়, সহজভাৱে নহয়, প্ৰত্যক্ষভাৱে নহয়। এঙ্গেলছে 'নিশ্চিত' হিচাপে কেৱল এটা, সম্পূৰ্ণভাৱে আন্তৰ্জাতিকতাবাদী নীতিৰ উল্লেখ কৰিছে আৰু তেওঁ ইয়াক **সকলো** 'বিদেশী জাতিৰ' ক্ষেত্ৰত প্ৰয়োগ কৰিছে, অৰ্থাৎ অকল ঔপনিৱেশিক জাতিবোৰৰ ক্ষেত্ৰত নহয়: সিবিলাকৰ ওপৰত জোৰ কৰি আশীৰ্বাদ জাপি দিয়াৰ অৰ্থ হ'ব প্ৰলিতাৰিয়েতৰ বিপ্লৱৰ ক্ষতি কৰা।

প্ৰলিতাৰিয়েতে এটা সামাজিক বিপ্লৱ সম্পাদন কৰিছে বুলিয়েই ই পবিত্ৰ আৰু ভুল-ভ্ৰান্তি তথা দুৰ্বলতাবোৰৰপৰা মুক্ত হৈ নপৰিব। কিন্তু ইয়াক অনিবাৰ্য্যভাৱেই সম্ভাৱ্য বিভিন্ন ভুল-ভ্ৰান্তিৰ মাজেৰে (আৰু আত্মস্বাৰ্থ — আনৰ ওপৰত বোজা জপাৰ চেষ্টা) সেই সত্য উপলব্ধি কৰাৰ লাগিব।

কাউৎস্কিয়ে ১৯১৪ চনত উগ্ৰ-জাতীয়তাবাদৰ ওকালতি কৰি মাৰ্ক্সবাদ পৰিত্যাগ কৰাৰ আগেয়ে দৃষ্টান্তস্বৰূপে পোষণ কৰা প্ৰত্যয়ৰ দৰেই আমি ছিমেৰ্ভাল্ড বামপন্থীসকলেও [১০৭] আটায়ে সেই একেই বিশ্বাস পোষণ কৰো, অৰ্থাৎ সমাজতান্ত্ৰিক বিপ্লৱ **অতি ওচৰ-ভৱিষ্যতত** সম্পূৰ্ণে সম্ভৱ — এসময়ত কাউৎস্কিয়ে নিজেই ক'বৰ দৰে 'যিকোনো দিনত'। জাতিগত বিদ্বেষ

ইমান দ্ৰুতভাৱে আঁতৰি নাযাব; উৎপীড়নকাৰীৰ প্ৰতি এটা নিপীড়িত জাতিৰ ঘৃণা — আৰু সম্পূৰ্ণ বৈধ ঘৃণা — কিছু দিনলৈ **থাকিবই**; **সমাজতন্ত্ৰৰ জয়লাভৰ পাছতহে** মাথোন আৰু জাতিসমূহৰ মাজত পূৰ্ণ গণতান্ত্ৰিক সম্পৰ্ক চূড়ান্তভাৱে প্ৰতিষ্ঠিত হোৱাৰ **পাছতহে** সেই বিতৃষ্ণা দূৰ হ'ব। সমাজতন্ত্ৰৰ প্ৰতি আমি যদি বিশ্বস্ত থাকিব খোজোঁ, তেন্তে আজিয়েই আনকি আমি জনসাধাৰণক আন্তৰ্জাতিকতাবাদৰ চেতনাৰে শিক্ষিত কৰি তুলিব লাগিব, নিপীড়িত জাতিবোৰৰ বিলগ্নতাৰ স্বাধীনতা সমৰ্থন নকৰাকৈ উৎপীড়নকাৰী জাতিবোৰৰ মাজত সেই কাম সম্ভৱ নহয়।

১৯১৬ চনৰ জুলাইত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২২, পৃঃ ৩৩৯-৪৭ আৰু
৩৫২-৫৩

## ছুইছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিত বামপন্থী জিমেৰ্ৱাল্ডপন্থীসকলৰ কাম' পদ্ধতিকাৰপৰা

### ৫। ছুইছ ছচিয়েল-ডেমক্ৰেটসকলৰ আন্তৰ্জাতিক কৰ্তব্য

২৭। ছুইছ ছচিয়েল-ডেমক্ৰেটসকলৰ আন্তৰ্জাতিকতাবাদ গ্ৰহণ যাতে এটা ফোঁপোলা আৰু কোনো পক্ষত মতামত নিদিয়া ধৰণৰ কথা হৈ নাথাকে-- 'মধ্যপন্থাৰ' অনুগামী আৰু সাধাৰণভাৱে দ্বিতীয় আন্তৰ্জাতিকৰ যুগৰ ছচিয়েল-ডেমক্ৰেটসকলে সদায়ে তেনে ধৰণৰ কথাৰ মাজত নিজকে সীমাবদ্ধ ৰাখে — তাৰ বাবে প্ৰথমতে প্ৰয়োজন হ'ল বিদেশী আৰু ছুইছ শ্ৰমিকসকলক একেই ইউনিয়নৰ মাজত একেলগ কৰি তেওঁলোকৰ মাজত সাংগঠনিক পুনৰ্মিলনৰ কাৰণে আৰু তেওঁলোকৰ সম্পূৰ্ণ সমানাধিকাৰৰ কাৰণে (নাগৰিক আৰু ৰাজনৈতিক) সুসংগতভাৱে আৰু অবিচলভাৱে সংগ্ৰাম কৰা। ছুইজাৰ্লেণ্ডত সাম্ৰাজ্যবাদৰ নিৰ্দিষ্ট বৈশিষ্ট্য হ'ল ছুইছ বুৰ্জোৱা শ্ৰেণীয়ে ভোটাধিকাৰৰপৰা বঞ্চিত কৰা বিদেশী শ্ৰমিকসকলৰ ওপৰত ক্ৰমবৰ্দ্ধমান শোষণ; এই দুই শ্ৰেণীৰ শ্ৰমিকসকলৰ মাজত বিচ্ছেদ ঘটোৱাৰ ওপৰতেই বুৰ্জোৱাই নিজৰ আশা-ভাৰসা ৰাখে।

দ্বিতীয়তে, ছুইজাৰ্লেণ্ডৰ জাৰ্মান, ফৰাচী আৰু ইটালীয় শ্ৰমিকসকলৰ মাজত এটা ঐক্যবদ্ধ **আন্তৰ্জাতিকতাবাদী** প্ৰৱণতা সৃষ্টি কৰাৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা চলাব লাগিব, এই প্ৰৱণতা শ্ৰমিক আন্দোলনত সমস্ত **ব্যৱহাৰিক** কাৰ্য্যত প্ৰকৃত **ঐক্যৰ** অভিমুখে ধাবিত হ'ব আৰু সমান দৃঢ়সংকল্পেৰে আৰু নীতিগতভাৱে ই ফৰাচী (লেটিন ছুইজাৰ্লেণ্ডত), জাৰ্মান আৰু ইটালীয় সামাজিক-দেশপ্ৰেমৰ লগত সংগ্ৰাম কৰিব। বৰ্তমানৰ কাৰ্যক্ৰমক ছুইজাৰ্লেণ্ডত প্ৰধান **তিনিওটা জাতিসত্তাৰ** কিম্বা ভাষাৰ শ্ৰমিকসকলৰ এক উমৈহতীয়া আৰু ঐক্যবদ্ধ কৰ্মপন্থাৰ ভিত্তি কৰি তোলা উচিত। ছুইজাৰ্লেণ্ডৰ সকলো জাতিৰ অন্তৰ্ভুক্ত বিপ্লৱী ছচিয়েল-ডেমক্ৰেচিৰ শ্ৰমিক-সমৰ্থকসকল এইদৰে মিলিত নোহোৱালৈকে আন্তৰ্জাতিকতাবাদ কেৱল ফোঁপোলা কথা হৈয়েই থাকিব।

এই মিশ্ৰণ সহজ কৰি তোলাৰ কাৰণে সকলো ছচিয়েল-ডেমক্ৰেটিক বাতৰিকাকতৰ (আৰু শ্ৰমিক, অফিচ কৰ্মচাৰী প্ৰভৃতিৰ ট্ৰেড ইউনিয়নৰ

দ্বাৰা প্ৰকাশিত সকলো সাময়িক কাকতৰ) ক্ৰোড়পত্ৰ (আনকি প্ৰথমতে যদি সাপ্তাহিক [মাহেকীয়া] আৰু মাত্ৰ দুই পৃষ্ঠাৰো হয়, তেনেহ'লেও) প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিব লাগিব। এই ক্ৰোড়পত্ৰবোৰ তিনিটা ভাষাত প্ৰকাশ কৰিব লাগিব আৰু তাত চলিত ৰাজনৈতিক ঘটনাৱলীৰ বিকাশৰ পৰিপ্ৰেক্ষিতত বৰ্তমানৰ কাৰ্যক্ৰম ব্যাখ্যা কৰিব লাগিব।

২৮। আন সকলো সমাজতান্ত্ৰিক পাৰ্টিৰ মাজত একমাত্ৰ বৈপ্লৱিক আন্তৰ্জাতিকতাবাদী শক্তিসমূহক, ছিমেৰ্ভাল্ড বামপন্থীক মান্য কৰা সেই শক্তিবোৰকেই ছুইছ ছচিয়েল-ডেমক্ৰেটসকলে সমৰ্থন কৰিব লাগিব। এই সমৰ্থন নিষ্কাম আধ্যাত্মিক ভাবৰ হৈ থাকিব নালাগিব। জাৰ্মানি, ফ্ৰান্স আৰু ইটালিত গোপনে প্ৰচাৰিত চৰকাৰ-বিৰোধী ঘোষণাপত্ৰবোৰ ছুইজাৰ্লেণ্ডত পুনৰ্মুদ্ৰণ কৰা, তিনিওটা ভাষাতেই সেইবিলাক অনুবাদ কৰা আৰু ছুইজাৰ্লেণ্ড তথা প্ৰতিবেশী সকলো দেশত সেইবিলাক বিতৰণ কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ।

২৯। ছুইছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিয়ে বাৰ্ন কংগ্ৰেছত (১৯১৭ চনৰ ফেব্ৰুৱাৰী) কেৱল কিন্থাল সম্মিলনৰ [১০৮] সিদ্ধান্তাৱলী অকুণ্ঠিতভাৱে গ্ৰহণ কৰিলেই নহ'ব, লগতে সমাজতন্ত্ৰৰ স্বাৰ্থৰ ঘোৰ শত্ৰু অৰ্থাৎ সুবিধাবাদ আৰু সাম্ৰাজিক-দেশপ্ৰেমৰ ঘাটি, হেগত থকা সেই আন্তৰ্জাতিক ছচিয়েলিষ্ট ব্যুৰোৰ [১০৯] লগত অবিলম্বে আৰু সম্পূৰ্ণে সাংগঠনিক সম্পৰ্ক ছেদ কৰাৰ দাবীও জনাব লাগিব।

৩০। ছুইজাৰ্লেণ্ডৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি অগ্ৰসৰ ইউৰোপীয় দেশবিলাকৰ শ্ৰমিক আন্দোলনৰ অগ্ৰগতিৰ লগত যোগাযোগ ৰখাৰ আৰু ইয়াৰ বৈপ্লৱিক শক্তিসমূহক ঐক্যবদ্ধ কৰাৰ পক্ষে এক বিশেষ অনুকূল অৱস্থাত আছে। গতিকে পাৰ্টিয়ে সেই আন্দোলনৰ ভিতৰত এক আভ্যন্তৰীণ সংগ্ৰাম গঢ়ি উঠাৰ কাৰণে নিষ্ক্ৰিয়ভাৱে অপেক্ষা কৰি থাকিব নালাগিব, পাৰ্টি সেই সংগ্ৰামৰ আগ শাৰীত থাকিব লাগিব। আন কথাত ক'বলৈ গলে, ই ছিমেৰ্ভাল্ড বামপন্থাৰ পথ অনুসৰণ কৰিব লাগিব, যাৰ নিৰ্ভুলতা জাৰ্মানি, ফ্ৰান্স, ইংলণ্ড, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু সাধাৰণভাৱে সকলো সভ্য দেশৰ সমাজতান্ত্ৰিক আন্দোলনত ঘটনাৱলীৰ গতিপথৰ মাজেৰে দিনক দিনে অধিক স্পষ্টৰূপে প্ৰমাণিত হ'ব লাগিছে।

১৯১৬ চনৰ অক্টোবৰৰ শেষভাগত
আৰু নৱেম্বৰ মাহৰ প্ৰথমভাগত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৩, পৃঃ ১৪৬-১৪৮

# যুৱ আন্তৰ্জাতিক

(এটি পৰ্য্যালোচনা)

ওপৰত লিখা এই শিৰোনামেৰে ছুইজাৰ্লেণ্ডত ১৯১৫ চনৰ ১ ছেপ্টেম্বৰৰপৰা জাৰ্মান ভাষাত এখন কাকত প্ৰকাশিত হৈ আহিছে। ইয়াৰ এটি উপ-শিৰোনামা আছে: 'সমাজতান্ত্ৰিক যুৱক সংগঠনবোৰৰ আন্তৰ্জাতিক সংঘৰ সংগ্ৰামী আৰু প্ৰচাৰমূলক মুখপত্ৰ'। এতিয়ালৈকে ইয়াৰ মুঠতে ছটি সংখ্যা ওলাইছে। কাকতখনে আমাৰ মনোযোগ আকৰ্ষণ কৰিব প্যাৰিছে আৰু বিদেশী ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি আৰু যুৱক সংগঠনসমূহৰ লগত যোগাযোগ ৰাখিব পৰাৰ অৱস্থাত থকা সকলো পাৰ্টি সদস্যক এইখন পঢ়াৰ কাৰণে গুৰুত্বেৰে কোৱা প্ৰয়োজন।

অধিকাংশ খাচ ইউৰোপীয় ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিয়ে অতি নীচ আৰু কলুষিত ধৰণৰ সামাজিক-জাত্যাভিমান আৰু সুবিধাবাদৰ ওকালতি কৰিব লাগিছে। এই কথা জাৰ্মান আৰু ফৰাচী পাৰ্টিৰ ক্ষেত্ৰত, ইংলণ্ডত ফেবিয়ান আৰু লেবাৰ পাৰ্টিৰ [১১০] ক্ষেত্ৰত, ছুইডিছ, ওলন্দাজ (ট্ৰুলষ্ট্ৰাৰ পাৰ্টি), ডেনমাৰ্ক, অষ্ট্ৰীয় পাৰ্টি প্ৰভৃতিৰ ক্ষেত্ৰত প্ৰযোজ্য। বৰ্তমানে **নিৰ্দলীয়** 'গ্ৰুটলি-ভেৰেইন'-ত [১১১] সংগঠিত হোৱা সেই চূড়ান্ত সুবিধাবাদীসকল বাহিৰ হৈ যোৱা সত্ত্বেও (শ্ৰমিক আন্দোলনৰ অশেষ উপকাৰ-কৰি) ছুইজাৰ্লেণ্ডত ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ ভিতৰত এতিয়াও বহুতো সুবিধাবাদী, সামাজিক-জাত্যাভিমানী আৰু কাউৎস্কিপন্থী নেতা আছে, যিসকলে ইয়াৰ সকলো বিষয়তে **বিৰাট** প্ৰভাৱ বিস্তাৰ কৰে।

ইউৰোপত যেতিয়া এনে অৱস্থা, সেই ক্ষেত্ৰত বিপ্লৱী আন্তৰ্জাতিকতাবাদৰ **সপক্ষে**, প্ৰকৃত সমাজতন্ত্ৰৰ **সপক্ষে** আৰু সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীৰ পক্ষ লোৱা প্ৰচলিত সুবিধাবাদৰ বিপক্ষে যুঁজ চলোৱাৰ বিশাল, কৃতজ্ঞতাপূৰ্ণ অথচ কঠিন দায়িত্বৰ ভাৰ সমাজতান্ত্ৰিক যুৱক সংগঠনসমূহৰ সংঘৰ ওপৰত পৰিছে। যুৱ আন্তৰ্জাতিকে বৈপ্লৱিক আন্তৰ্জাতিকতাবাদৰ সপক্ষে

গোটাচেৰেক ভাল ভাল প্ৰবন্ধ প্ৰকাশ কৰিছে আৰু সামগ্ৰিকভাৱে এই কাকতখন সমাজতন্ত্ৰৰ বিশ্বাসঘাতকবোৰৰ প্ৰতি, বৰ্তমানৰ যুদ্ধত 'পিতৃ-ভূমি ৰক্ষকসকলৰ' প্ৰতি তীব্ৰ ঘৃণাৰ অনুপম চেতনাৰে আৰু আন্তৰ্জাতিক শ্ৰমিক আন্দোলনত জাতিদম্ভ আৰু সুবিধাবাদৰ ক্ষয়কাৰক প্ৰভাৱ নিশ্চিহ্ন কৰাৰ ঐকান্তিক বাসনাৰে পৰিপূৰ্ণ।

অৱশ্যে যুৱ কাকতখনত এতিয়াও তত্ত্বগত স্বচ্ছতা আৰু সুসংগতিৰ অভাৱ আছে। সম্ভৱতঃ ই সেইবোৰ কেতিয়াও অৰ্জন কৰিব নোৱাৰিব, ঠিক এই কাৰণেই যে এইখন হৈছে উত্তেজিত, অশান্ত, অনুসন্ধিৎসু যুৱক সমাজৰ মুখপত্ৰ। কিন্তু এনে লোকসকলৰ ফালৰপৰা তত্ত্বগত স্বচ্ছতাৰ অভাৱ সম্পৰ্কে আমাৰ যি মনোভাৱ, সেয়া অৱশ্যে আমাৰ 'সাংগঠনিক কমিটিপন্থী', 'ছচিয়েলিষ্ট-বিভলিউছনেৰি', তলস্তয়বাদী [১১২], নৈৰাজ্যবাদী, ইউৰোপীয় কাউৎস্কিপন্থী ('মধ্যপন্থা') প্ৰভৃতিৰ মুৰত তত্ত্বগত বিশৃংখলা আৰু অন্তৰত বৈপ্লৱিক সামঞ্জস্যৰ অভাৱ সম্পৰ্কে আমাৰ যি মনোভাৱ আছে আৰু থকা উচিত, তাৰপৰা সম্পূৰ্ণে বেলেগ হ'ব লাগিব; যি প্ৰাপ্তবয়স্কসকলে প্ৰলিতাৰিয়েতক নেতৃত্ব আৰু শিক্ষা দিয়াৰ দাবী জনায়, অথচ আচলতে ইয়াক বিপথে চালিত কৰে, সেইসকল এক ধৰণৰ প্ৰাণী: এওঁলোকৰ বিৰুদ্ধে নিৰ্মম সংগ্ৰাম অৱশ্যেই চলাব লাগিব। কিন্তু যুৱক সমাজৰ যিবোৰ সংগঠনে খোলাখুলিকৈ ঘোষণা কৰে যে সিবিলাকে এতিয়াও শিকি আছে, সিবিলাকৰ ঘাই কাম হৈছে সমাজতান্ত্ৰিক পাৰ্টিবোৰৰ কাৰণে পাৰ্টি কৰ্মীসকলক প্ৰশিক্ষণ দিয়া, সেয়া একেবাৰে বেলেগ কথা। এনেবোৰ লোকক সকলো ধৰণেৰে সহায় কৰিব লাগিব। তেওঁলোকৰ দোষ-ত্ৰুটী সম্পৰ্কে আমি ধৈৰ্য্যশীল হ'ব লাগিব আৰু তেওঁলোকক প্ৰধানতঃ বুজাই-বৰাই সংশোধন কৰিবলৈ ক্ৰমশঃ চেষ্টা কৰিব লাগিব, আৰু স্বাভাৱিকতেই তেওঁলোকৰ বিৰুদ্ধে যুঁজ চলাই নহয়। আদ্-বয়সীয়া আৰু বেছি বয়সীয়া লোকসকলে যুৱক সমাজক কেনেদৰে বিচাৰ কৰিব লাগে তাক সততে ভালদৰে নাজানে, কাৰণ যুৱসমাজে অনিবাৰ্য্যভাৱেই তেওঁলোকৰ পিতৃপুৰুষসকলতকৈ ভিন্ন উপায়েৰে, অন্য পথেৰে, অন্য ৰূপত, অন্য অৱস্থাত সমাজতন্ত্ৰৰ অভিমুখে অগ্ৰসৰ হ'ব লাগিব। প্ৰসঙ্গতঃ সেই কাৰণেই আমি নিশ্চিতভাৱেই যুৱ সংঘৰ সাংগঠনিক স্বতন্ত্ৰতাৰ পক্ষপাতী হ'ব লাগিব, অৱশ্যে অকল এই কাৰণে নহয় যে সুবিধাবাদীসকলে এনেকুৱা স্বাতন্ত্ৰ্যক ভয় কৰে, বৰং বিষয়টোৰ চৰিত্ৰই তেনে বুজিছে। কিয়নো পূৰ্ণ স্বাতন্ত্ৰ্য নাথাকিলে যুৱক সমাজে তেওঁলোকৰ মাজৰপৰা

ভাল ভাল সমাজতন্ত্ৰীক প্ৰশিক্ষণ দিবলৈ কিম্বা সমাজতন্ত্ৰক আগ্ৰহৰাই নিয়াত নিজক প্ৰস্তুত কৰিবলৈ সমৰ্থ হ'ব নোৱাৰিব।

আমি যুৱ সংঘবিলাকৰ পূৰ্ণ স্বতন্ত্ৰতাৰ পক্ষে থিয় দিওঁ, কিন্তু তেওঁলোকৰ ভুল-ত্ৰুটীৰ কমৰেডসুলভ সমালোচনাৰ পূৰ্ণ স্বাধীনতাৰো পক্ষপাতী! আমি যুৱকসকলক তোষামোদ কৰিব নালাগিব।

এই সন্দৰ্ভ আলোচনীখনত যিবোৰ ভুল-ভ্ৰান্তি লক্ষণীয় তাৰ ভিতৰত সৰ্বপ্ৰথমে নিম্নলিখিত তিনিটাৰ কথা উল্লেখ কৰা প্ৰয়োজন:

১) নিৰস্ত্ৰীকৰণৰ (অথবা 'নিৰস্ত্ৰ কৰাৰ') প্ৰশ্নত ভ্ৰান্ত অৱস্থান, এই বিষয়ে আমি পূৰ্ববৰ্তী এটা প্ৰবন্ধত [১১৩] সমালোচনা কৰিছোঁ। এই কথা বিশ্বাস কৰাৰ কাৰণ আছে যে 'সমৰবাদৰ সম্পূৰ্ণ বিনাশৰ' কাৰণে (যিটো নিখুঁতভাৱে নিৰ্ভুল) প্ৰয়াস চলোৱাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়াৰ প্ৰশংসনীয় বাসনাৰপৰাই এই ভুলটোৱে সম্পূৰ্ণৰূপে দেখা দিছে; কিন্তু সমাজতান্ত্ৰিক বিপ্লৱত গৃহ-যুদ্ধৰ ভূমিকা পাহৰি যোৱা হৈছে।

২) ৰাষ্ট্ৰ সম্পৰ্কে মনোভাৱৰ ক্ষেত্ৰত সমাজতন্ত্ৰী আৰু নৈৰাজ্যবাদীসকলৰ মাজত মত-পাৰ্থক্যৰ প্ৰশ্নত কমৰেড Nota-Bene তেওঁৰ প্ৰবন্ধত (৬ নং সংখ্যা) এটা গুৰুতৰ ভুলৰ মাজত সোমাই পৰে (আন গোটাচেৰেক প্ৰশ্নতো তেওঁ তাকেই কৰিছে, যেনে 'পিতৃভূমি ৰক্ষা' শ্লোগানটোৰ বিৰুদ্ধে আমাৰ সংগ্ৰাম কৰাৰ কাৰণবোৰ সম্পৰ্কে) লিখকে 'সাধাৰণভাৱে ৰাষ্ট্ৰৰ এখনি সুস্পষ্ট চিত্ৰ' (তাৰ লগতে সাম্ৰাজ্যবাদী লুণ্ঠনমূলক ৰাষ্ট্ৰৰ চিত্ৰ) দাঙি ধৰাৰ ইচ্ছা কৰিছে। তেওঁ মাৰ্ক্স আৰু এঙ্গেলছৰ ভালেমান উক্তি উদ্ধৃত কৰিছে আৰু অন্যান্য কথাৰ ভিতৰতে নিম্নোক্ত দুটি সিদ্ধান্তত উপনীত হৈছে:

ক) '...এই কথাটোৰ ক্ষেত্ৰত সমাজতন্ত্ৰী আৰু নৈৰাজ্যবাদীসকলৰ মাজৰ পাৰ্থক্য বিচাৰি চোৱাটো নিতান্ত ভুল যে প্ৰথমোক্তসকল ৰাষ্ট্ৰৰ অনুকূলে, আৰু শেষোক্তসকল ইয়াৰ বিৰুদ্ধে। আচল পাৰ্থক্য এইহে যে বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেচিয়ে সামাজিক উৎপাদনক নতুন ধাৰাত সংগঠিত কৰিবলৈ বিচাৰে, উৎপাদনৰ কেন্দ্ৰীকৃত, অৰ্থাৎ কাৰিকৰীভাৱে সবাতোকৈ প্ৰগতিশীল পদ্ধতি হিচাপে, আনহাতে বিকেন্দ্ৰীকৃত নৈৰাজ্যবাদী উৎপাদনৰ অৰ্থ হ'ব পুৰণি অচল ক্ৰিয়াকৌশলৰ পিনে, পুৰণি ধৰণৰ উদ্যোগৰ পিনে পিছুৱাই যোৱা।' এইটো ভুল। লিখকে ৰাষ্ট্ৰ সম্পৰ্কে সমাজতন্ত্ৰী আৰু নৈৰাজ্যবাদীসকলৰ দৃষ্টিভঙ্গীৰ ক্ষেত্ৰত পাৰ্থক্যৰ প্ৰশ্ন তুলিছে। অথচ তেওঁ এই প্ৰশ্নৰ উত্তৰ দিয়া নাই, দিছে আন এটি প্ৰশ্নৰ, যেনে ভৱিষ্যৎ সমাজৰ অৰ্থনৈতিক ভিত্তি

সম্পৰ্কে তেওঁলোকৰ মনোভাৱৰ মাজত পাৰ্থক্য। সেইটোও অৱশ্যে এটা গুৰুত্বপূৰ্ণ আৰু আৱশ্যকীয় প্ৰশ্ন। কিন্তু সেইটো ৰাষ্ট্ৰ সম্পৰ্কে মনোভাৱৰ ক্ষেত্ৰত সমাজতন্ত্ৰী আৰু নৈৰাজ্যবাদীসকলৰ মাজত পাৰ্থক্যৰ মাই কথাটো উপেক্ষা কৰাৰ কোনো কাৰণ নহয়। সমাজতন্ত্ৰীসকলে শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ কাৰণে সংগ্ৰামত বৰ্তমান ৰাষ্ট্ৰ আৰু ইয়াৰ প্ৰতিষ্ঠানবোৰক কামত লগোৱাৰ পক্ষে থিয় দিয়ে, তদুপৰি এই মত পোষণ কৰে যে পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ উত্তৰণৰ এক বিশেষ ৰূপ হিচাপে ৰাষ্ট্ৰক ব্যৱহাৰ কৰা উচিত। এই উত্তৰণকালীন ৰূপটো হ'ল প্ৰলিতাৰিয়েতৰ একনায়কত্ব, এইটোও আকৌ এখন ৰাষ্ট্ৰ।

নৈৰাজ্যবাদীসকলে ৰাষ্ট্ৰ 'বিলুপ্ত' কৰিব খোজে, 'উৰুৱাই দিবলৈ' ('sprengen') বিচাৰে, কমৰেড Nota-Bene-য়ে এঠাইত এই কথা কৈছে, কিন্তু ভুলকৈ এই অভিমতটো সমাজতন্ত্ৰীসকলৰ ওপৰত আৰোপ কৰিছে। সমাজতন্ত্ৰীসকলে — দুৰ্ভাগ্যবশতঃ লিখকে এঙ্গেলছৰ প্ৰাসঙ্গিক কথাবোৰ অসম্পূৰ্ণভাৱে উদ্ধৃত কৰিছে — ভাবে যে বুৰ্জোৱা শ্ৰেণীক উচ্ছেদ কৰাৰ পাছত ৰাষ্ট্ৰ 'শুকাই মৰহি যাব', ক্ৰমশঃ 'টোপনিত লালকাল' দিব।

খ) কমৰেড Nota-Bene-এ লিখিছে: 'ছচিয়েল-ডেমক্ৰেচি জনসাধাৰণৰ শিক্ষাদাতা, নাইবা অন্ততঃ তেনে হোৱা উচিত; ই এতিয়া আগতকৈ বহুত বেছিকৈ নীতিগতভাৱে ৰাষ্ট্ৰৰ প্ৰতি তাৰ বৈৰিতাৰ ওপৰত জোৰ দিব লাগিব... বৰ্তমানৰ যুদ্ধই দেখুৱাই দিছে, ৰাষ্ট্ৰৰ ধাৰণাটোৱে শ্ৰমিকসকলৰ আত্মাত কিমান কিমান গভীৰভাৱে অনুপ্ৰবেশ কৰিছে।' নীতিগতভাৱে ৰাষ্ট্ৰৰ প্ৰতি আমাৰ 'বৈৰিতাৰ' ওপৰত 'জোৰ দিয়াৰ' উদ্দেশ্যে আমি দৰাচলতে ইয়াক 'ফটফটীয়াকৈ' বুজিব লাগিব, আৰু আমাৰ লিখকজনৰ সেই স্বচ্ছতাৰেই অভাৱ। 'ৰাষ্ট্ৰৰ ধাৰণা' সম্পৰ্কে তেওঁৰ মন্তব্য সম্পূৰ্ণ খেলিমেলি লগোৱা। ই অ-মাৰ্ক্সীয় আৰু অ-সমাজতন্ত্ৰী। কথাটো এনেকুৱা নহয় যে ৰাষ্ট্ৰক অস্বীকাৰ কৰাৰ লগত 'ৰাষ্ট্ৰৰ ধাৰণাৰ' সংঘাত ঘটিছে, বৰঞ্চ কথাটো এইহে যে বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেটিক নীতিৰ লগত (অৰ্থাৎ বুৰ্জোৱা ৰাষ্ট্ৰ সম্পৰ্কে আৰু বুৰ্জোৱা শ্ৰেণীক উচ্ছেদ কৰাৰ বাবে বুৰ্জোৱাৰ বিৰুদ্ধে ইয়াক ব্যৱহাৰ কৰা সম্পৰ্কে বৈপ্লৱিক ছচিয়েল-ডেমক্ৰেটিক মনোভাৱ) সুবিধাবাদী নীতিৰ (অৰ্থাৎ ৰাষ্ট্ৰ সম্পৰ্কে সুবিধাবাদী, সংস্কাৰবাদী, বুৰ্জোৱা মনোভাৱ) সংঘাত ঘটিছে। এইবিলাক সম্পূৰ্ণ ভিন্ন বিষয়। আমি বেলেগ এটা প্ৰবন্ধত [১১৪] অতি গুৰুত্বপূৰ্ণ এই বিষয়টোলৈ আকৌ ঘূৰি অহাৰ আশা ৰাখিছোঁ।

৩) ৬ নং সংখ্যাত 'সম্পাদকমণ্ডলীৰ খচৰা' হিচাপে প্ৰকাশিত 'সমাজতান্ত্ৰিক যুৱক সংগঠনসমূহৰ আন্তৰ্জাতিক সংঘৰ নীতি-সংক্ৰান্ত ঘোষণা'ত ভালেমান ভুল-ভ্ৰান্তি আছে, আৰু তাত প্ৰধান কথাটোৱেই নাই: সকলো দেশৰ সমাজতান্ত্ৰিক আন্দোলনত বৰ্তমানে পৰস্পৰে তৰ্ক--বিতৰ্ক চলি থকা সেই তিনিটা মূল প্ৰৱণতাৰ (সামাজিক-জাত্যাভিমান, 'মধ্যপন্থা' আৰু বামপন্থী) সুস্পষ্ট বিজনি নাই।

আমি আকৌ কওঁ, এইবোৰ ভুল-ত্ৰুটি অৱশ্যেই খণ্ডন কৰিব আৰু ব্যাখ্যা কৰিব লাগিব। তাৰ লগে লগে যুৱক সংগঠনবোৰেৰে সৈতে যোগাযোগসূত্ৰ আৰু ঘনিষ্ঠতৰ সম্পৰ্ক বিচাৰি উলিয়াৰ কাৰণে আমি সকলো ধৰণে চেষ্টা চলাব লাগিব আৰু সিবিলাকক সকলো প্ৰকাৰে সহায় কৰিব লাগিব, কিন্তু তেওঁলোকক বিচাৰ-বিবেচনা কৰাৰ উপযুক্ত ধৰণ-কৰণো আমি বিচাৰি পাব লাগিব।

১৯১৬ চনৰ ডিচেম্বৰত 'ছুবোর্নিক ছৎছিয়াল-দেমোক্ৰাতা' কাকতৰ ২ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী, খণ্ড ২৩, পৃঃ ১৬৩-১৬৬

## 'আন্তৰ্জাতিক ছচিয়েলিষ্ট কমিটি আৰু সকলো সমাজতান্ত্ৰিক পাৰ্টিলৈ আবেদনৰ খচৰা'

### অশোধিত খচৰা

### (উদ্ধৃতি)

১। শ্ৰমিকসকলক বিপথে পৰিচালিত কৰিব নোৱাৰাকৈ বৰং বাস্তৱ সম্পৰ্কে তেওঁলোকৰ চকু গজোৱাৰ উদ্দেশ্যে ৰচিত তেনে এটি কৰ্মনীতি নিম্নোক্ত ধৰণৰ হোৱা উচিত:

ক) আজি যেতিয়া শান্তিৰ প্ৰশ্নটো অত্যন্ত প্ৰত্যক্ষভাৱে উত্থাপিত হৈছে তেতিয়া প্ৰত্যেক দেশৰ সমাজতন্ত্ৰীসকলে অব্যৰ্থভাৱে আৰু স্বাভাৱিকতকৈও অধিক প্ৰবলভাৱে তেওঁলোকৰ **নিজৰ** চৰকাৰ আৰু তেওঁলোকৰ **নিজৰ** বুৰ্জোৱা শ্ৰেণীৰ মুখা খুলি দিব লাগিব। উপনিৱেশবিলাকৰ বিভাজনৰ কাৰণে, প্ৰভাৱাধীন ক্ষেত্ৰ, অন্যান্য দেশত যুটীয়া বিত্তীয় উদ্যোগ, ছেয়াৰ বা অংশ-পত্ৰ কিনা, এদনীয়া পুঁজিৰ ব্যৱস্থা, ৰেহাই প্ৰভৃতিৰ কাৰণে সিবিলাকে **সিবোৰৰ** সাম্ৰাজ্যবাদী মিত্ৰসকলেৰে সৈতে সম্পাদন কৰা আৰু কৰি থকা সেই গোপন চুক্তিবোৰৰ স্বৰূপ উদ্ঘাটন কৰি দিব লাগিব।

কিয়নো ইয়াৰ মাজতেই সম্প্ৰতি প্ৰস্তুত হ'বলৈ ধৰা সাম্ৰাজ্যবাদী শান্তিৰ প্ৰকৃত, অ-ছলনাপূৰ্ণ **ভিত্তি** আৰু সাৰমৰ্ম নিহিত। আৰু সকলোৱেই জনসাধাৰণক ছলনা কৰাৰ উদ্দেশ্যে। যিসকলে এই দোহাৰবোৰৰ দোহাই দি সংকল্প লয় সেইসকলে আচলতে ৰাজ্য-গ্ৰাস ইত্যাদিৰ অবিহনে গণতান্ত্ৰিক শান্তিক সমৰ্থন কৰা নাই, কিয়নো প্ৰকৃত সমৰ্থনৰ অৰ্থ হ'ল **কাৰ্যক্ষেত্ৰত** নিজৰ বুৰ্জোৱা শ্ৰেণীৰ স্বৰূপ উদঙাই দিয়া, যি শ্ৰেণীটোৱে ইয়াৰ ক্ৰিয়াকলাপেৰে প্ৰকৃত সমাজতন্ত্ৰ আৰু প্ৰকৃত গণতন্ত্ৰৰ এই মহৎ নীতিবোৰ ধ্বংস কৰিছে।

কাৰণ প্ৰত্যেক সংসদ-সদস্য, প্ৰত্যেক সম্পাদক, শ্ৰমিক ইউনিয়নৰ প্ৰত্যেক চেক্ৰেটাৰী, প্ৰতিজন সাংবাদিক আৰু জননেতাই সদায়ে চৰকাৰ আৰু বিত্তপতিসকলৰ গোপনে ৰখা সেইবোৰ তথ্য-পাতি সংগ্ৰহ কৰিব পাৰে, তাৰ মাজেদি সাম্ৰাজ্যবাদী চুক্তি-আপোচবোৰৰ প্ৰকৃত ভিত্তিৰ বিষয়ে সত্য

প্ৰকাশিত হয়। এই কৰ্তব্য পালনত এজন **সমাজতন্ত্ৰীৰ ব্যৰ্থতা** হৈছে সমাজতন্ত্ৰৰ প্ৰতি এক **বিশ্বাসঘাতকতা**। এই বিষয়ে সন্দেহ থকা উচিত নহয় যে **কোনো** চৰকাৰেই বিশেষকৈ এতিয়া ইয়াৰ আচল কৰ্মনীতিৰ, ইয়াৰ চুক্তিবোৰৰ, আৰ্থিক লেনদেন ইত্যাদিৰ স্বৰূপ উদ্ঘাটন অবাধে প্ৰকাশ হ'বলৈ **নিদিব**। সেইটো এনে ধৰণৰ স্বৰূপ উদ্ঘাটন পৰিহাৰ কৰাৰ কোনো কাৰণ হ'ব নোৱাৰে। বৰঞ্চ এয়া হ'ল চেঞ্চৰ প্ৰথাৰ ওচৰত দাসোচিত বশ্যতা বৰ্জন কৰাৰ আৰু অবাধে অৰ্থাৎ চেঞ্চৰ নকৰাকৈ অবৈধভাৱে তথ্য-পাতি প্ৰকাশ কৰাৰেই এটা কাৰণ।

কিয়নো **আন** এখন দেশৰ **সমাজতন্ত্ৰীয়ে** 'তেওঁৰ নিজৰ' জাতিৰ লগত বৰ্ণলিপ্ত এখন দেশৰ চৰকাৰ আৰু বুৰ্জোৱা শ্ৰেণীৰ মুখা খুলি দিব নোৱাৰে, আৰু তেওঁ সেই দেশৰ ভাষা, বুৰঞ্জী, নিৰ্দিষ্ট বৈশিষ্ট্য ইত্যাদি নাজানে বুলিয়েই কেৱল নহয়, বৰং এই কাৰণেও যে **এনে ধৰণৰ** স্বৰূপ উদ্ঘাটন হ'ল **সাম্ৰাজ্যবাদী** চক্ৰান্তৰেই অঙ্গ আৰু **আন্তৰ্জাতিকতাবাদী** এক কৰ্তব্য নহয়।

যিজনে আন্তৰ্জাতিকতাৰ নামত কেৱল দোহাই দিয়ে, শপত লয় তেৱেঁই আন্তৰ্জাতিকতাবাদী নহয়। যিজনে প্ৰকৃততে আন্তৰ্জাতিকতাবাদী উপায়ে তেওঁৰ **নিজৰ** বুৰ্জোৱা শ্ৰেণী, তেওঁৰ **নিজৰ সামাজিক-জাত্যাভিমানী**, তেওঁৰ **নিজৰ** কাউৎস্কিবাদীসকলৰ বিৰুদ্ধে যুঁজ কৰে, কেৱল তেৱেঁইহে আন্তৰ্জাতিকতাবাদী।

১৯১৬ চনৰ ২৫ ডিচেম্বৰ
(১৯১৭ চনৰ ৭ জানুৱাৰী)-ৰ আগতে ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৩, পৃঃ ২০৮-২০৯

## 'আমাৰ বিপ্লৱত প্ৰলিতাৰিয়েতৰ কৰ্তব্য (প্ৰলিতাৰীয় পাৰ্টিৰ বাবে খচৰা কাৰ্যক্ৰম)' পুস্তিকাৰপৰা

### কৃষি আৰু জাতি-সংক্ৰান্ত কাৰ্যসূচী

(উদ্ধৃতি)

১৪। জাতিগত প্ৰশ্নৰ বিষয়ত, প্ৰলিতাৰীয় পাৰ্টিয়ে সৰ্বপ্ৰথমে জাৰতন্ত্ৰৰ দ্বাৰা নিপীড়িত, অথবা বলেৰে ৰাষ্ট্ৰৰ লগত যুক্ত হ'বলৈ বাধ্য কৰা, নাইবা জোৰ কৰি ৰাষ্ট্ৰৰ সীমাৰ মাজত ৰখা অৰ্থাৎ দখললৈ অনা সেই সকলো দেশ আৰু জাতিৰ কাৰণে ৰুছিয়াৰপৰা বিলগ্ন হোৱাৰ পূৰ্ণ স্বাধীনতা ঘোষণা আৰু দ্ৰুত ৰূপায়ণৰ কথা অৱশ্যেই ক'ব লাগিব।

ৰাজ্য-গ্ৰাস পৰিহাৰ সম্পৰ্কিত যিবোৰ বিবৃতি, ঘোষণা আৰু ইস্তাহাৰৰ লগত ব্যৱহাৰিক ক্ষেত্ৰত বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰ ৰূপায়ণৰ উল্লেখ নাই, সেই আটাইবিলাকেই বুৰ্জোৱাৰ জনসাধাৰণক প্ৰতাৰণা কৰাৰ বাহিৰে অথবা পেটি-বুৰ্জোৱা সাধু ইচ্ছাৰ বাহিৰে আন একো নহয়।

প্ৰলিতাৰীয় পাৰ্টিয়ে যথাসম্ভৱ বৃহৎ এক ৰাষ্ট্ৰ সৃষ্টিৰ চেষ্টা কৰে, কাৰণ এয়া মেহনতী জনসাধাৰণৰ পক্ষে সুবিধাজনক; ই জাতিবোৰক বেছি ঘনিষ্ঠভাৱে **একেলগ** কৰাৰ আৰু সিবিলাকৰ **একীকৰণ** গাঢ় কৰাৰ প্ৰয়াস চলায়; কিন্তু ই সেই লক্ষ্য বলপ্ৰয়োগেৰে অৰ্জন কৰিবলৈ নিবিচাৰে, বৰং বিচাৰে একান্তভাৱে সকলো জাতিৰ শ্ৰমিক আৰু মেহনতী জনসাধাৰণৰ অবাধ ভাতৃপ্ৰতিম মিলনৰ মাজেৰে।

ৰুছ প্ৰজাতন্ত্ৰ যিমানে বেছি গণতান্ত্ৰিক হ'ব, যিমানে বেছি সফলভাৱে ই শ্ৰমিক আৰু কৃষক প্ৰতিনিধিসকলৰ ছোভিয়েতসমূহৰ [১১৫] এখন প্ৰজাতন্ত্ৰৰ মাজত নিজক সংগঠিত কৰিব, সিমানে **সকলো** জাতিৰ শ্ৰমজীৱী জনসাধাৰণৰ পক্ষৰপৰা এনে এখন প্ৰজাতন্ত্ৰৰ প্ৰতি **স্বেচ্ছামূলক** আকৰ্ষণৰ শক্তি প্ৰবল হ'ব।

বিলগ্নতাৰ পূৰ্ণ স্বাধীনতা, ব্যাপকতম স্থানীয় (আৰু জাতীয়) স্বায়ত্তশাসন আৰু জাতীয় সংখ্যালঘুসকলৰ অধিকাৰৰ বিস্তৃত নিশ্চিতি — এয়াই হ'ল বিপ্লৱী প্ৰলিতাৰিয়েতৰ কাৰ্যসূচী।

১৬। ৰুছিয়াৰ শ্ৰমিক শ্ৰেণীৰ আন্তৰ্জাতিক দায়িত্ব সঠিকভাৱে এতিয়াই বিশেষ প্ৰবলতাৰে সমুখলৈ আহিছে।

আজিৰ দিনত কেৱল এনেহুৱা মানুহেহে আন্তৰ্জাতিকতাবাদত বিশ্বাস নাৰাখে। আনকি উগ্ৰ-জাতীয়তাবাদী প্ৰতিৰক্ষাবাদীসকলেও, প্লেখানভ আৰু পত্ৰেছভেও, আনকি কেৰেনস্কিয়েও নিজকে আন্তৰ্জাতিকতাবাদী বুলি জাহিৰ কৰে। গতিকেই কথাৰে আন্তৰ্জাতিকতাবাদ আওৰোৱাৰ বিপৰীতে প্ৰকৃততে কাৰ্য্যক্ষেত্ৰত স্পষ্টভাৱে, যথাযথভাৱে আৰু নিৰ্দিষ্টভাৱে আন্তৰ্জাতিকতাবাদক দাঙি ধৰাটো প্ৰলিতাৰীয় পাৰ্টিৰ পক্ষে অধিক জৰুৰী কৰ্তব্য হৈ পৰিছে।

সমস্ত দেশৰ শ্ৰমিকসকললৈ কেৱল আবেদন, আন্তৰ্জাতিকতাবাদৰ প্ৰতি নিষ্ঠাৰ ফোঁপোলা প্ৰতিশ্ৰুতি, বিভিন্ন বৰ্ণলিপ্ত দেশত বিপ্লৱী প্ৰলিতাৰিয়েতৰ সংগ্ৰামৰ এক 'অনুক্ৰম' নিৰ্দ্ধাৰিত কৰাৰ প্ৰত্যক্ষ কিম্বা পৰোক্ষ প্ৰচেষ্টা, বৈপ্লৱিক সংগ্ৰামৰ প্ৰশ্নত বৰ্ণলিপ্ত দেশসমূহৰ সমাজতন্ত্ৰীসকলৰ মাজত 'চুক্তি' সম্পাদন কৰিবলৈ শ্ৰমসাধ্য প্ৰচেষ্টা, এক শান্তি অভিযানৰ উদ্দেশ্যে বিভিন্ন সমাজতন্ত্ৰী কংগ্ৰেছ আহ্বান সম্পৰ্কে সমস্ত আড়ম্বৰ ইত্যাদিৰ — এইবোৰ ধাৰণা, প্ৰচেষ্টা আৰু আঁচনিৰ ৰচয়িতাসকল যিমানেই একনিষ্ঠ নহওক লাগিলে — বাস্তৱ তাৎপৰ্যৰ কথা ক'বলৈ গলে সেইবোৰৰ আচল অৰ্থ হ'ল কেৱল বাগাড়ম্বৰ, আৰু বৰ-বেছি নিৰীহ আৰু সাধু ইচ্ছা, যিবোৰ কেৱল উগ্ৰ-জাতীয়তাবাদীসকলৰ দ্বাৰা জনসাধাৰণক কৰা প্ৰতাৰণা গোপন কৰাৰ কাৰণেহে উপযুক্ত। সংসদীয় ভোজ-বাজিৰ পদ্ধতিত নিপুণ আৰু গুণসম্পন্ন সেই ফৰাচী সামাজিক-জাত্যাভিমানীসকলে বহুত দিনৰ আগতেই সমাজতন্ত্ৰ আৰু আন্তৰ্জাতিকতৰ প্ৰতি অবিশ্বাস্যভাৱে নিৰ্লজ্জ বিশ্বাসঘাতকতা কৰি, সাম্ৰাজ্যবাদী যুদ্ধ চলোৱা চৰকাৰবোৰত পদ গ্ৰহণ কৰি, ক্ৰেডিট বা ঋণৰ পক্ষে ভোটদান কৰি (যিভাৱে চ্খেইজে, স্কবেলেভ, ছেৰেতেলি আৰু স্তেক্লভে সম্প্ৰতি ৰুছিয়াত কৰি আছিছে), তেওঁলোকৰ নিজৰ দেশত বৈপ্লৱিক সংগ্ৰামৰ বিৰোধিতা ইত্যাদি তেনেবোৰ কাম কৰি, সিবোৰৰ লগতে মিলন ঘটাই বাগাড়ম্বৰপূৰ্ণ আৰু অনুৰ্ণিত শান্তিবাদী তথা আন্তৰ্জাতিকতাবাদী বৰ-কথাৰে ফুল-জাৰি উৰুৱাৰ ক্ষেত্ৰত ৰেকৰ্ড ভঙ্গ কৰিছে।

সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধৰ পাশৱিক আৰু বৰ্বৰ সজ্জিতকৰণৰ কথা ভাল

মানুহবিলাকে সততে পাহৰি যায়। এই সজ্জিতকৰণে বৰ-কথা সহ্য নকৰে, নিষ্পাপ আৰু সাধু ইচ্ছাক বিদ্ৰূপ কৰে।

এটা ধৰণৰ, কেৱল একেটা ধৰণৰেই মাথোন প্ৰকৃত আন্তৰ্জাতিকতাবাদ আছে আৰু সেয়া হ'ল -- **নিজৰ** দেশত বৈপ্লৱিক আন্দোলন আৰু বৈপ্লৱিক সংগ্ৰামৰ বিকাশৰ কাৰণে সৰ্বান্তঃকৰণে কাম কৰা আৰু বিনা ব্যতিক্ৰমে প্ৰতিখন দেশত এই সংগ্ৰামক, এই পন্থা আৰু **একমাত্ৰ এই পন্থাকেই** সমৰ্থন কৰা (প্ৰচাৰ, সহানুভূতি আৰু বৈষয়িক সাহায্যৰ যোগে)।

আন সকলোৱেই প্ৰতাৰণা আৰু মানিলভবাদ [১১৬]।

যুদ্ধৰ দুটা বছৰৰ এই সময়খিনিত প্ৰতিখন দেশত আন্তৰ্জাতিক সমাজতান্ত্ৰিক আৰু শ্ৰমিক শ্ৰেণীৰ আন্দোলনত তিনিটা প্ৰৱণতা গঢ় উঠিছে। যিয়েই বাস্তৱক আওকাণ কৰে আৰু এই তিনিটা প্ৰৱণতাৰ অস্তিত্বক মানিবলৈ, সেইবোৰক বিশ্লেষণ কৰিবলৈ, প্ৰকৃতপক্ষে আন্তৰ্জাতিকতাবাদী প্ৰৱণতাটোৰ পক্ষে সুসংগতভাৱে যুঁজিবলৈ অস্বীকাৰ কৰে, সেইজন অৱশ্যেই অক্ষমতা, অসহায়তা আৰু ভুল-ত্ৰুটীৰ গ্ৰাসত পৰিবলৈ বাধ্য।

এই প্ৰৱণতা তিনিটা হ'ল:

১) সামাজিক-জাত্যাভিমানী, অৰ্থাৎ কথাৰে সমাজতন্ত্ৰী, কিন্তু কাৰ্যক্ষেত্ৰত উগ্ৰ-জাতীয়তাবাদী, যিসকলে এখন সাম্ৰাজ্যবাদী যুদ্ধত (আৰু সৰ্বোপৰি বৰ্তমানৰ সাম্ৰাজ্যবাদী যুদ্ধত) 'পিতৃভূমি ৰক্ষাৰ' কথা মানি লয়।

এওঁলোক হৈছে আমাৰ **শ্ৰেণী-শত্ৰু**। এই লোকসকল বুৰ্জোৱাৰ পক্ষলৈ গুচি গৈছে।

**সমস্ত** দেশত এওঁলোকেই হৈছে খাচ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিবোৰৰ চৰকাৰী নেতা — ৰুছিয়াত প্লেখানভ আৰু তেওঁৰ সঙ্গীবৃন্দ, জাৰ্মানিত ছাইডেমান প্ৰমুখ্যে লোকসকল, ফ্ৰান্সত ৰেনোদেল, গেদ আৰু ছাম্বা, ইটালিত বিছছোলাটি আৰু তেওঁৰ সঙ্গীবৃন্দ, ব্ৰিটেইনত হাইণ্ডমেন, ফেবিয়ানসকল আৰু লেবাৰপন্থীসকল [১১৭] ('লেবাৰ পাৰ্টি'ৰ নেতাসকল), ছুইডেনত ব্ৰাণ্টিং আৰু সঙ্গীবৃন্দ, হলেণ্ডত ট্ৰুলস্ট্ৰা আৰু তেওঁৰ পাৰ্টি, ডেনমাৰ্কত ষ্টাউনিং আৰু তেওঁৰ পাৰ্টি, আমেৰিকাত ভিক্তৰ বেৰ্গেৰ আৰু অন্যান্য 'পিতৃভূমি ৰক্ষকসকল', ইত্যাদি।

২) দ্বিতীয় প্ৰৱণতাটো 'মধ্যপন্থা' নামেৰে পৰিচিত, ইয়াত অন্তৰ্ভুক্ত হৈছে সেইসকল লোক, যিসকল সামাজিক-জাত্যাভিমানী আৰু প্ৰকৃত আন্তৰ্জাতিকতাবাদীসকলৰ মাজত দোদুল্যমান।

'মধ্যপন্থা'ৰ সকলোৱে প্ৰতিজ্ঞা আৰু ঘোষণা কৰে যে তেওঁলোক

মাৰ্ক্সবাদী আৰু আন্তৰ্জাতিকতাবাদী, তেওঁলোক শান্তিৰ পক্ষে, চৰকাৰবিলাকৰ ওপৰত সকলো ধৰণৰ 'চাপ সৃষ্টিৰ' পক্ষে, সকলো প্ৰকাৰে এই 'দাবী কৰাৰ' পক্ষে যে তেওঁলোকৰ নিজৰ চৰকাৰে 'শান্তিৰ কাৰণে জনসাধাৰণৰ ইচ্ছা নিশ্চিত কৰিব' লাগিব, তেওঁলোক সকলো ধৰণৰ শান্তি অভিযানৰ সপক্ষে, বিনা ৰাজ্য-গ্ৰাসে শান্তি ইত্যাদিৰ পক্ষে, — আৰু সামাজিক-জাত্যভিমানীসকলৰ লগত শান্তিৰ সপক্ষে। 'মধ্যপন্থা' 'একতাৰ' পক্ষে, মধ্যপন্থা বিভেদৰ বিৰুদ্ধে।

'মধ্যপন্থা' হ'ল মৌ-সনা পেটি-বুৰ্জোৱা কথাৰ এক ৰাজ্য, কথাত আন্তৰ্জাতিকতাবাদ আৰু কামত কাপুৰুষোচিত সুবিধাবাদ আৰু সামাজিক-জাত্যভিমানীসকলক ভালৰি লগোৱাৰ ৰাজ্য।

মাই কথাটো হ'ল এই যে নিজৰ চৰকাৰৰ বিৰুদ্ধে বিপ্লৱৰ প্ৰয়োজনীয়তা সম্বন্ধে 'মধ্যপন্থা'ৰ দৃঢ়-প্ৰত্যয় নাই; ই বিপ্লৱৰ কথা প্ৰচাৰ নকৰে; ই সৰ্বান্তঃকৰণে বৈপ্লৱিক সংগ্ৰাম নচলায়; আৰু এনে এক সংগ্ৰাম পৰিহাৰ কৰাৰ উদ্দেশ্যে এই পন্থাই অতি সাধাৰণ চৰম-'মাৰ্ক্সবাদী' ধৰণৰ আড়ম্বৰপূৰ্ণ অজুহাতৰ আশ্ৰয় লয়।

সামাজিক-জাত্যভিমানীসকল আমাৰ শ্ৰেণী-শত্ৰু, তেওঁলোক হৈছে শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ ভিতৰত বুৰ্জোৱা। শ্ৰমিক শ্ৰেণীৰ যিটো স্তৰ কিম্বা যিবোৰ গোষ্ঠী অথবা অংশক বস্তুনিষ্ঠভাৱে বুৰ্জোৱাই ভেটী থুৱাই হাত কৰে (তুলনামূলকভাৱে বেছি মজুৰি, সম্মানজনক স্থান ইত্যাদি দিয়াৰ যোগে) আৰু যিটো স্তৰে নিজৰ বুৰ্জোৱা শ্ৰেণীক সৰু সৰু দুৰ্বল জাতিবোৰৰ ওপৰত লুণ্ঠন আৰু উৎপীড়ন চলোৱাত আৰু পুঁজিবাদী লুটৰ বস্তু ভাগ কৰাৰ কাৰণে যুঁজ-বাগৰত সহায় কৰে, সেই অংশটোক তেওঁলোকে প্ৰতিনিধিত্ব কৰে।

বৈধতাৰ ক্ষত ৰোগত ক্ষয়িষ্ণু, সংসদীয় পৰিবেশ প্ৰভৃতিৰ মাজেৰে কলুষিত নিয়ম-পূজাৰীসকলক লৈ, সুখকৰ পদ-মৰ্য্যাদা আৰু নিৰ্বিঘ্ন চাকৰিত অভ্যস্ত আমোলাসকলক লৈ এই 'মধ্যপন্থা' গঠিত। ঐতিহাসিক আৰু অৰ্থনৈতিক দিশৰপৰা ক'বলৈ গলে এওঁলোক এটা পৃথক স্তৰ নহয়, বৰং শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ এটা অতীত পৰ্য্যায়ৰপৰা — ১৮৭১ আৰু ১৯১৪ চনৰ মাজৰ যিটো পৰ্য্যায়ে প্ৰলিতাৰিয়েতক ভালেখিনি মূল্যবান, বিশেষকৈ এক বৃহৎ আৰু অতি বৃহৎ পৰিসৰত ধীৰ, নিৰবচ্ছিন্ন আৰু প্ৰণালীবদ্ধ সাংগঠনিক কামৰ অপৰিহাৰ্য্য শিল্পকলাত অশেষ অৰিহণা যোগাইছে — এটা নতুন পৰ্য্যায়লৈ উত্তৰণৰ প্ৰতিভূ মাথোন, এই পৰ্য্যায়টো

সামাজিক বিপ্লবৰ যুগক উদ্বোধন কৰা প্ৰথম সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধৰ আৰম্ভণিৰ লগত বস্তুনিষ্ঠভাবে অনিবাৰ্য্য হৈ উঠিছিল।

'মধ্যপন্থাৰ' প্ৰধান নেতা আৰু মুখপাত্ৰ হ'ল কাৰ্ল কাউৎস্কি, এওঁ দ্বিতীয় আন্তৰ্জাতিকত (১৮৮৯-১৯১৪) অতি বিশিষ্ট কৰ্তৃত্বসম্পন্ন ব্যক্তি, ১৯১৪ চনৰ আগষ্ট মাহৰপৰা মাৰ্ক্সবাদী হিচাপে অত্যন্ত দেউলীয়া অৱস্থাৰ আহি্স্বৰূপ, যিজন অশ্ৰুতপূৰ্ণ মেৰুদণ্ডহীনতাৰ, অতি অধম দোদুল্যমানতা আৰু বিশ্বাসঘাতকতাৰ মূৰ্ত ৰূপ। এই 'মধ্যপন্থী' ধাৰাৰ অন্তৰ্ভুক্ত হ'ল কাউৎস্কি, হাজে, লেডেবুৰ আৰু ৰাইখষ্টাগত তথাকথিত শ্ৰমিক বা বনুৱা গোষ্ঠী [১১৮]; ফ্ৰান্সত ইয়াৰ অন্তৰ্ভুক্ত হ'ল ল'গে, প্ৰেছমান আৰু সাধাৰণভাৱে তথাকথিত 'মিনোৰিতেয়ৰসকল' (সংখ্যালঘুসকল) [১১৯]; ব্ৰিটেইনত ফিলিপ স্নোডেন, ৰেমছি মেকডনাল্ড আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ অন্যান্য ভালেমান নেতা আৰু ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ [১২০] জনচেৰেক নেতা; মাৰ্কিন যুক্তৰাষ্ট্ৰত মৰিছ হিলকুইট আৰু অন্যান্য বহুতো; ইটালিত তুৰাতি, ত্ৰেভেছ, মদিলিয়ানি আৰু অন্যান্যসকল; ছুইজাৰ্লেণ্ডত ৰবাৰ্ট গ্ৰিম প্ৰমুখ্যে লোকসকল; অষ্ট্ৰিয়াত ভিক্টৰ আডলাৰ আৰু সঙ্গীবৃন্দ; ৰুছিয়াত সাংগঠনিক কমিটিৰ দল, আক্সেলৰদ, মাৰ্তভ, চ্খেইজে, ছেৰেতেলি আৰু অন্যান্যসকল, ইত্যাদি।

স্বাভাৱিকতেই, বিভিন্ন ব্যক্তি কেতিয়াবা অসচেতনভাৱে সামাজিক-জাত্যাভিমানী অৱস্থাৰপৰা 'মধ্যপন্থী' অৱস্থানলৈ গুচি যায়, আৰু ইয়াৰ ওলোটা অৱস্থাও ঘটে। প্ৰত্যেক মাৰ্ক্সবাদীয়েই জানে যে গাইগুটীয়াভাৱে লোকসকলে অবাধে এটা শ্ৰেণীৰপৰা আন এটা শ্ৰেণীলৈ গুচি যাব পাৰিলেও শ্ৰেণীবোৰ সুস্পষ্টভাৱে পৃথক; তেনেকৈয়ে ৰাজনৈতিক জীৱনত ব্যক্তিবিশেষে অবাধে এটা প্ৰৱণতাৰপৰা আন এটালৈ সলনি কৰিব পাৰিলেও আৰু প্ৰৱণতাবোৰ মিশ্ৰিত কৰাৰ সকলো প্ৰচেষ্টা সত্ত্বেও প্ৰৱণতাবিলাক নিৰ্দিষ্টভাৱে বেলেগ।

৩) তৃতীয় প্ৰৱণতাৰ, অৰ্থাৎ প্ৰকৃত আন্তৰ্জাতিকতাবাদীসকলৰ প্ৰৱণতাৰ শ্ৰেষ্ঠ প্ৰতিনিধি হ'ল 'ছিমেৰ্ভাল্ড বামপন্থা' [১২১]। (আমি ইয়াৰ ১৯১৫ চনৰ ছেপ্টেম্বৰৰ ইস্তাহাৰ ক্ৰোড়পত্ৰ হিচাপে পুনৰ ছপা কৰিছোঁ যাতে পাঠকসকলে পোনপটীয়াকৈ এই প্ৰৱণতাৰ আৰম্ভণিৰ কথা জানিব পাৰে।)

ইয়াৰ স্বকীয় বৈশিষ্ট্য হ'ল সামাজিক-জাত্যাভিমান আৰু 'মধ্যপন্থা' এই উভয়ৰে লগত ইয়াৰ পূৰ্ণ সম্পৰ্ক ছেদ আৰু ইয়াৰ নিজৰ সাম্ৰাজ্যবাদী

চৰকাৰ আৰু ইয়াৰ নিজৰ সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে নিৰ্ভীক বৈপ্লৱিক সংগ্ৰাম। ইয়াৰ নীতি হ'ল: 'আমাৰ প্ৰধান শত্ৰু আছে স্বদেশত।' মৌ-সনা সামাজিক-শান্তিসৰ্বস্ববাদী বচনৰ বিৰুদ্ধে (এজন সামাজিক-শান্তিসৰ্বস্ববাদী হ'ল কথাত সমাজতান্ত্ৰিক আৰু কামত বুৰ্জোৱা শান্তিবাদী; বুৰ্জোৱা শান্তিবাদীসকলে পুঁজিৰ যুৱালি আৰু আধিপত্য উচ্ছেদ নকৰাকৈয়ে স্থায়ী শান্তিৰ সপোন দেখে) আৰু প্ৰলিতাৰীয় বৈপ্লৱিক সংগ্ৰামৰ আৰু বৰ্তমান যুদ্ধৰ লগত সম্পৰ্ক ৰাখি এক প্ৰলিতাৰীয় সমাজতান্ত্ৰিক বিপ্লৱৰ সম্ভাৱনা, কিম্বা উপযুক্ততা নাইবা সময়োপযোগিতা অস্বীকাৰ কৰিবলৈ ব্যৱহৃত সমস্ত ফন্দি-ফিকিৰৰ বিৰুদ্ধে ই নিৰ্মম সংগ্ৰাম চলায়।

জাৰ্মানিত এই প্ৰৱণতাৰ অতি বিশিষ্ট প্ৰতিনিধি হ'ল 'স্পাৰ্টাকাছ গোষ্ঠী' অথবা 'আন্তৰ্জাতিক' গোষ্ঠী [১২২], ইয়াৰ মাজত কাৰ্ল লিব্‌ক্লেখ্‌ট অন্তৰ্ভুক্ত। কাৰ্ল লিব্‌ক্লেখ্‌ট এই প্ৰৱণতাৰ আৰু নতুন তথা প্ৰকৃত প্ৰলিতাৰীয় আন্তৰ্জাতিকৰ সবাতোকৈ খ্যাতিমান এজন প্ৰতিনিধি।

কাৰ্ল লিব্‌ক্লেখ্‌টে জাৰ্মানিৰ শ্ৰমিক আৰু সৈনিকসকলৰ উদ্দেশ্যে তেওঁলোকৰ নিজৰ চৰকাৰৰ বিৰুদ্ধে তেওঁলোকৰ বন্দুক ঘুৰাই টোঁৱাবলৈ আহ্বান জনাইছিল। তেওঁ সংসদৰ (ৰাইখষ্টাগৰ) মঞ্চৰপৰা প্ৰকাশ্যে এই আৱেদন জনায়। তাৰ পাছত 'চৰকাৰ ধ্বংস হওক' শ্লোগান-সমন্বিত অবৈধভাৱে ছপোৱা বহুতো প্ৰচাৰপত্ৰ লৈ লিব্‌ক্লেখ্‌টে বাৰ্লিনৰ অন্যতম বৃহৎ ৰাজহুৱা স্কোৱাৰ পটছ্‌ডামৰ প্ৰাটছত উপস্থিত হৈ এটি শোভাযাত্ৰাত যোগ দিয়েগৈ। তেওঁক গ্ৰেপ্তাৰ কৰা হয় আৰু সশ্ৰম কাৰাদণ্ডেৰে তেওঁ দণ্ডিত হয়। হাজাৰে হাজাৰে নহলেও শই শই অন্যান্য যিসকল প্ৰকৃত জাৰ্মান সমাজতন্ত্ৰীয়ে তেওঁলোকৰ যুদ্ধ-বিৰোধী কাৰ্য্যকলাপৰ কাৰণে কাৰাবাস খাটিছে, তেওঁলোকৰ দৰেই তেৰোঁ এতিয়া এটা জাৰ্মান বন্দীশালত কয়দী জীৱন অতিবাহিত কৰিছে।

কাৰ্ল লিব্‌ক্লেখ্‌টে তেওঁৰ বক্তৃতা আৰু চিঠি-পত্ৰত কেৱল তেওঁৰ নিজৰ প্লেখানভ আৰু পত্ৰেছভসকলকেই (ছাইডেমান, লেগিন, ডেভিড আৰু তেওঁলোকৰ সঙ্গীবৃন্দ) নহয়, তেওঁৰ নিজৰ মধ্যপন্থীসকলকো, তেওঁৰ নিজৰ চ্‌খেইজে আৰু ছেৰেতেলিসকলকো (কাউৎস্কি, হাজে, লেডেবুৰ আৰু তেওঁলোকৰ সঙ্গীবৃন্দ) নিৰ্দয়ভাৱে সমালোচনা কৰে।

কাৰ্ল লিব্‌ক্লেখ্‌টে আৰু তেওঁৰ বন্ধু অট্টো ৰ্যুলেই — এশ দহজন প্ৰতিনিধিৰ ভিতৰত দুজনে — শৃংখলা ভঙ্গ কৰিছে, 'মধ্যপন্থা' আৰু

জাত্যাভিমানীসকলৰ লগত 'ঐক্য' ধ্বংস কৰিছে আৰু তেওঁলোক সকলোৱে বিৰুদ্ধে থিয় দিছে। একমাত্ৰ লিব্‌ক্লেখ্‌টেই সমাজতন্ত্ৰ, প্ৰলিতাৰীয় আদৰ্শ, প্ৰলিতাৰীয় বিপ্লৱৰ প্ৰতিনিধি। জাৰ্মান ছচিয়েল-ডেমক্ৰেচিৰ বাকী সকলোৱেই, ৰোজা লুক্সেমবুৰ্গৰ (এবৌ স্পাৰ্টাকাছ গোষ্ঠীৰ অন্যতম সদস্যা আৰু নেত্ৰী) যথোপযুক্ত কথাৰে ক'বলৈ গলে — 'দুৰ্গন্ধ মৃত-দেহ'।

জাৰ্মানিত প্ৰকৃত আন্তৰ্জাতিকতাবাদীসকলৰ আন এটি গোষ্ঠী হ'ল ব্ৰেমেনৰ কাকত 'Arbeiterpolitik' [১২৩] গোষ্ঠী।

কাৰ্য্যক্ষেত্ৰত আন্তৰ্জাতিকতাবাদীসকলৰ সব্যাতোকৈ ঘনিষ্ঠ হ'ল: ফ্ৰান্সত লোৰিও আৰু তেওঁৰ বন্ধুবৰ্গ (বুৰ্দেৰৌ আৰু মেৰহেইম সামাজিক-শান্তিবাদলৈ পিছলি গৈছে) আৰু তাৰ লগতে জেনেভাত 'Demain' কাকত [১২৪] প্ৰকাশ কৰা ফৰাচী ব্যক্তি আঁৰি গিলবো; ব্ৰিটেইনত 'দা ট্ৰেড ইউনিয়নিষ্ট' কাকত [১২৫] আৰু ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ কিছুসংখ্যক সদস্য (যেনে, ৰাছেল উইলিয়ামছ, যিজনে সমাজতন্ত্ৰক বিশ্বাসঘাতকতা কৰা নেতাসকলৰ লগত সম্পৰ্ক ছিন্ন কৰিবলৈ প্ৰকাশ্যে আহ্বান জনায়), স্কটিছ স্কুল-শিক্ষক মেকলিন, যিজনক যুদ্ধৰ বিৰুদ্ধে তেওঁৰ বৈপ্লৱিক সংগ্ৰামৰ কাৰণে ব্ৰিটেইনৰ বুৰ্জোৱা চৰকাৰে সশ্ৰম কাৰাদণ্ড বিহিছে, আৰু শই শই ব্ৰিটিছ সমাজতন্ত্ৰী যিসকল সেই একেই অপৰাধৰ কাৰণে কাৰাগাৰত বন্দী। তেওঁলোক — একমাত্ৰ তেওঁলোকেই কামত আন্তৰ্জাতিকতাবাদী। মাৰ্কিন যুক্তৰাষ্ট্ৰত 'ছচিয়েলিষ্ট লেবাৰ পাৰ্টি' [১২৬] আৰু সুবিধাবাদী ছচিয়েলিষ্ট পাৰ্টিৰ [১২৭] ভিতৰত যিসকলে ১৯১৭ চনৰ জানুৱাৰীত 'দা ইণ্টাৰনেছনেলিষ্ট' কাকত [১২৮] প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে; হলেণ্ডত 'ট্ৰিবিউনপন্থীসকলৰ' পাৰ্টি, যিসকলে 'Die Tribune' কাকত [১২৯] প্ৰকাশ কৰিছে (পান্নেকুক, হেৰ্মেন গোৰ্টেৰ, ভাইন্‌কপ, আৰু হেনৰিয়েট ৰোলাণ্ড-হল্‌ষ্ট, যিজন ছিমেৰ্ভাল্ডত মধ্যপন্থী থাকিলেও এতিয়া আমাৰ শাৰীত যোগ দিছে); ছুইডেনত তৰুণ বা বামপন্থীসকলৰ পাৰ্টি [১৩০], যাৰ নেতৃত্বত আছে লিণ্ডাগেন, তুৰে নেৰ্মান, কাৰ্লছন, ষ্ট্ৰম আৰু জেদ. হগ্‌লুণ্ড, যিজন ছিমেৰ্ভাল্ডত 'ছিমেৰ্ভাল্ড বামপন্থা' সংগঠনত ব্যক্তিগতভাৱে সক্ৰিয় আছিল আৰু যিজন বৰ্তমানে যুদ্ধৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰামৰ কাৰণে কাৰাগাৰত আছে; ডেনমাৰ্কত ত্ৰিয়েৰ আৰু তেওঁৰ বন্ধুসকল, যিসকলে মন্ত্ৰী ষ্টাউনিঙৰ পৰিচালনাত বৰ্তমানে বিশুদ্ধ বুৰ্জোৱা ডেনমাৰ্কৰ 'ছচিয়েল-ডেমক্ৰেটিক' পাৰ্টি ত্যাগ কৰিছে; বুলগেৰিয়াত 'তেছ্‌নিয়াকি' [১৩১]; ইটালিত

ঘনিষ্ঠতম হ'ল পাৰ্টিৰ সম্পাদক কনস্টানটিনো লাৎছাৰি আৰু কেন্দ্ৰীয় মুখপত্ৰ 'Avanti!'-ৰ সম্পাদক ছেৰাতি; পোলেণ্ডত ৰাদেক, গানেৎস্কি আৰু 'আঞ্চলিক কাৰ্য্যনিৰ্বাহকৰ' অধীনত ঐক্যবদ্ধ ছচিয়েল-ডেমক্ৰেটসকলৰ অন্যান্য নেতা, আৰু ৰোজা লুক্সেমবুৰ্গ, তিস্কা আৰু 'মুখ্য কাৰ্য্যনিৰ্বাহক' সংস্থাৰ [১৩২] অধীনত ঐক্যবদ্ধ ছচিয়েল-ডেমক্ৰেটসকলৰ অন্যান্য নেতা; ছুইজাৰ্লেণ্ডত বামপন্থাৰ সেই লোকসকল, যিসকলে তেওঁলোকৰ নিজ দেশত সামাজিক-জাত্যাভিমানী আৰু 'মধ্যপন্থীসকলৰ' বিৰুদ্ধে সংগ্ৰাম কৰাৰ উদ্দেশ্যে 'গণভোটৰ' সপক্ষে (১৯১৭ চনৰ জানুৱাৰী) যুক্তি প্ৰণয়ন কৰিছিল আৰু যিসকলে ১৯১৭ চনৰ ১১ ফেব্ৰুৱাৰীত ট্যছত অনুষ্ঠিত জুৰিখ আঞ্চলিক সমাজতান্ত্ৰিক সমাৱৰ্তনত যুদ্ধৰ বিৰুদ্ধে এক সুসংগত বৈপ্লৱিক প্ৰস্তাৱ দাঙি ধৰিছিল; অষ্ট্ৰিয়াত ফ্ৰিডৰিখ আডলাৰৰ তৰুণ বামপন্থী বন্ধুসকল, যিসকলে ভিয়েনাত থকা 'কাৰ্ল মাৰ্ক্স' ক্লাবৰ মাজেৰে আংশিকভাৱে কাম কৰিছিল, অৱশ্যে এতিয়া ঘোৰ প্ৰতিক্ৰিয়াশীল অষ্ট্ৰীয় চৰকাৰে এই ক্লাবটো বন্ধ কৰি দিছে, আৰু এজন মন্ত্ৰীৰ ওপৰত অবিবেচনাপ্ৰসূত হলেও বীৰত্বপূৰ্ণ গুলী নিক্ষেপৰ কাৰণে আডলাৰৰ জীৱন ধ্বংস কৰিছে, ইত্যাদি।

প্ৰশ্নটো অৱশ্যে মতামতৰ অমিল লৈ নহয়, বামপন্থীসকলৰ মাজতো আনকি ইয়াৰ অস্তিত্ব নিশ্চয় আছে। আচলতে এয়া হৈছে **প্ৰৱণতাৰ** প্ৰশ্ন। কথা হ'ল, এখন ভয়ংকৰ সাম্ৰাজ্যবাদী যুদ্ধৰ সময়ত কাৰ্য্যক্ষেত্ৰত আন্তৰ্জাতিকতাবাদী হোৱাটো বৰ সহজ নহয়। এনে লোকৰ সংখ্যা তাকৰ; কিন্তু **একমাত্ৰ** এনে লোকসকলৰ ওপৰতেই সমাজতন্ত্ৰৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে; **একমাত্ৰ** তেওঁলোকেই **জনসাধাৰণৰ** নেতা, দুৰ্নীতিৰ আশ্ৰয় লওঁতাসকল নহয়।

সাম্ৰাজ্যবাদী যুদ্ধৰ অৱস্থাত সংস্কাৰবাদী আৰু বিপ্লৱীসকলৰ মাজত, ছচিয়েল-ডেমক্ৰেট আৰু সাধাৰণভাৱে সমাজতন্ত্ৰীসকলৰ মাজত প্ৰভেদ বস্তুনিষ্ঠভাৱেই পৰিৱৰ্তিত হ'বলৈ বাধ্য। বুৰ্জোৱা চৰকাৰে শান্তি সম্পাদন কৰিব লাগিব নাইবা 'শান্তিৰ কাৰণে জাতিসমূহৰ বাসনা নিশ্চিত কৰিব লাগিব' ইত্যাদি দাবী উত্থাপনৰ মাজতেই যিসকলে নিজক সীমাবদ্ধ ৰাখে, তেওঁলোক **প্ৰকৃততেই** সংস্কাৰ-কাৰ্য্যৰ মাজত বুৰ মাৰিলৈ ধৰে। কিয়নো, **বস্তুনিষ্ঠভাৱে**, যুদ্ধৰ সমস্যাটো **বৈপ্লৱিক** উপায়েৰেহে সমাধান কৰিব পৰা যায়।

প্ৰলিতাৰিয়েতৰ বিপ্লৱৰ অবিহনে এই যুদ্ধ এক গণতান্ত্ৰিক বলপ্ৰয়োগহীন

শান্তিৰে সমাপ্তি ঘটাব কিম্বা যুদ্ধৰ মাজেৰে প্ৰভূত সম্পদ লুট কৰা পুঁজিপতিবোৰক কোটি কোটি মুদ্ৰাৰ সুত পৰিশোধৰ বোজাবপৰা জনসাধাৰণে পৰিত্ৰাণ পোৱাৰ কোনো সম্ভাৱনা নাই।

বুৰ্জোৱা চৰকাৰবোৰৰ ওচৰত বিবিধ সংস্কাৰমূলক কাৰ্য্য দাবী কৰিব পাৰি আৰু কৰিব লাগিবও, কিন্তু মানিলভবাদ আৰু সংস্কাৰবাদত বুৰ নোযোৱাকৈ এই দাবী কৰিব পাৰি যে সাম্ৰাজ্যবাদী পুঁজিৰ হাজাৰ হাজাৰ সুতাৰে বান্ধ খাই থকা জনসাধাৰণ আৰু শ্ৰেণীবোৰে সেইবোৰ সুতা ছিঙি পেলোৱা উচিত। আৰু সেইবোৰ ছিঙি-ভাঙি নেপেলোৱালৈকে যুদ্ধৰ বিৰুদ্ধে যুদ্ধৰ সকলো কথাই হৈছে অসাৰ আৰু ছলনাপূৰ্ণ বলকনি।

'কাউৎস্কিকপন্থীসকল', 'মধ্যপন্থীসকল' কথাত বিপ্লৱী আৰু কামত সংস্কাৰবাদী, তেওঁলোক কথাত আন্তৰ্জাতিকতাবাদী আৰু কামত সামাজিক-জাত্যভিমানীসকলৰ দুষ্কৰ্মৰ সঙ্গী।

### ছিমেৰ্ভাল্ড আন্তৰ্জাতিকৰ পতন। — তৃতীয় আন্তৰ্জাতিক প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা

১৭। নিচেই আৰম্ভণিৰেপৰাই ছিমেৰ্ভাল্ড আন্তৰ্জাতিকে এটা দোদুল্যমান, 'কাউৎস্কিপন্থী', 'মধ্যপন্থী' অৱস্থান গ্ৰহণ কৰিছিল, যাৰ ফলত **ছিমেৰ্ভাল্ড বামপন্থীসকলে** ততালিকে বাকী সকলোৰেপৰা নিজক বিযুক্ত আৰু পৃথক কৰিবলৈ বাধ্য হৈছিল আৰু ইয়াৰ **নিজস্ব** ইস্তাহাৰ প্ৰচাৰ কৰিবলৈ বাধ্য হৈছিল (ৰুছ, জাৰ্মান আৰু ফৰাচী ভাষাত ছুইজাৰ্লেণ্ডত প্ৰকাশিত)।

ছিমেৰ্ভাল্ড আন্তৰ্জাতিকৰ প্ৰধান ত্ৰুটী আৰু ইয়াৰ **পতনৰ** কাৰণ (ৰাজনৈতিক আৰু মতাদৰ্শগতভাৱে ইতিমধ্যে ইয়াৰ পতন ঘটিছিল) হ'ল হেগত (হলেণ্ডত) ভাণ্ডেৰ্ভেল্ডে আৰু হিউছ্‌মান্‌ছ প্ৰমুখ্যে ব্যক্তিসকলৰ নেতৃত্বত সামাজিক-জাত্যভিমান আৰু পুৰণি সামাজিক-জাত্যভিমানী আন্তৰ্জাতিকৰ লগত **সম্পূৰ্ণ সম্পৰ্ক** ছেদ কৰাৰ দৰে কঠিন ব্যৱহাৰিক তাৎপৰ্য্যৰ গুৰুত্বপূৰ্ণ প্ৰশ্নত ইয়াৰ দোদুল্যমানতা আৰু অনিশ্চিত মনোভাৱ।

এই কথা বুজিয়াত এতিয়াও অজ্ঞাত যে ছিমেৰ্ভাল্ডৰ সংখ্যাগৰিষ্ঠতা **কাউৎস্কিকপন্থীসকলৰ** বাহিৰে **আন একো নহয়**। অথচ এইটোৱেই মৌলিক কথা, যাক মুঠেই আওকাণ কৰা নাযায়, আৰু পশ্চিম ইউৰোপত এতিয়া

এই কথাটো সাধাৰণভাৱে জনাজাত। আনকি সেই উগ্ৰ-জাতীয়তাবাদী, সেই চূড়ান্ত জাৰ্মান জাত্যাভিমানী, অতি-জাতিদম্ভবাদী 'Chemnitzer Volksstimme' কাকতৰ [১৩৩] সম্পাদক আৰু পাৰভুছৰ চৰম জাতিদম্ভবাদী 'Glocke' কাকতৰ [১৩৪] লিখক হেইলমানেও (অৱশ্যেই এজন 'ছচিয়েল-ডেমক্ৰেট' আৰু ছচিয়েল-ডেমক্ৰেটিক 'ঐক্যৰ' পক্ষভুক্ত এজন উৎসাহী যোদ্ধা) বাৰ্তাৰকাকতৰ যোগে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে 'মধ্যপন্থা' বা কাউৎস্কিপন্থা আৰু ছিমেৰ্ভাল্ডৰ সংখ্যাগৰিষ্ঠতা হৈছে একেই বস্তু।

১৯১৬ চনৰ শেহত আৰু ১৯১৭ চনৰ আৰম্ভণিত এই ঘটনাটো সুনিৰ্দিষ্টভাৱে প্ৰতিষ্ঠিত হয়। কিন্থাল ইস্তাহাৰেত [১৩৫] সামাজিক-শান্তিসৰ্বস্ববাদ নিন্দিত হলেও, ছিমেৰ্ভাল্ডৰ সমস্ত দক্ষিণপন্থী, ছিমেৰ্ভাল্ডৰ সমগ্ৰ সংখ্যাগৰিষ্ঠ অংশ সামাজিক-শান্তিসৰ্বস্ববাদত বুৰ গৈছিল: কাউৎস্কি আৰু তেওঁৰ সঙ্গীবৃন্দই ১৯১৭ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰীত এলানি উক্তিৰ মাজেৰে; ফ্ৰান্সত বুৰ্দেৰোঁ আৰু মেৰহেইমে ছচিয়েলিষ্ট পাৰ্টিৰ (১৯১৬ চনৰ ডিচেম্বৰ) আৰু 'Confédération Générale du Travail' (ফৰাচী ট্ৰেড ইউনিয়নসমূহৰ জাতীয় সংগঠন, ১৯১৬ চনৰ ডিচেম্বৰতে)-ৰ শান্তিবাদী প্ৰস্তাৱসমূহৰ পক্ষে সামাজিক-জাত্যাভিমানীসকলৰ লগত একমত হৈ তেওঁলোকৰ ভোট দিছিল; ইটালিত তুৰাতি আৰু সঙ্গীবৃন্দ, তাত গোটেই পাৰ্টিয়েই সামাজিক-শান্তিসৰ্বস্ববাদী অৱস্থান গ্ৰহণ কৰিছিল, আৰু স্বয়ং তুৰাতিয়ে ১৯১৬ চনৰ ১৭ ডিচেম্বৰত দিয়া এটি বক্তৃতাত সাম্ৰাজ্যবাদী যুদ্ধৰ দোষ ঢাকি জাতীয়তাবাদী কথা-বাৰ্তাৰ মাজলৈ 'পিছলি গৈছিল' (অৱশ্যে আকস্মিকভাৱে নহয়)।

১৯১৭ চনৰ জানুৱাৰীত ছিমেৰ্ভাল্ড আৰু কিন্থাল সম্মিলনৰ চেয়াৰমেন ৰবাৰ্ট গ্ৰিমে কাৰ্য্যক্ষেত্ৰত আন্তৰ্জাতিকতাবাদীসকলৰ বিৰুদ্ধে তেওঁৰ নিজৰ পাৰ্টিৰ সামাজিক-জাত্যাভিমানীবিলাকৰ লগত (গ্ৰেলিখ, প্‌ফ্লুগেৰ, গুষ্টাভ মিউল্লেৰ আৰু অন্যান্য) যোগ দিছিল।

১৯১৭ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত বিভিন্ন দেশৰ ছিমেৰ্ভাল্ডপন্থীসকলৰ দুখন সম্মিলনত ছিমেৰ্ভাল্ডৰ সংখ্যাগৰিষ্ঠ অংশৰ এই সন্দেহজনক আৰু দুমুখীয়া আচৰণক ভালেমান দেশৰ বামপন্থী আন্তৰ্জাতিকতাবাদীসকলে যথাৰীতি নিন্দা কৰিছিল: আন্তৰ্জাতিক যুৱক সংগঠনৰ সম্পাদক আৰু উৎকৃষ্ট আন্তৰ্জাতিকতাবাদী কাকত 'Die Jugendinternationale'-ৰ [১৩৬] সম্পাদক মিউনট্‌ছেনবেৰ্গ;

আমাৰ পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ প্ৰতিনিধি জিনোভিয়েভ; পোলিছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ ('আঞ্চলিক কাৰ্য্যনিৰ্বাহী') কে. ৰাদেক আৰু জাৰ্মান ছচিয়েল-ডেমক্ৰেট আৰু 'স্পাৰ্টাকাছ গোষ্ঠীৰ' সদস্য হাৰ্টষ্টাইন প্ৰমুখ্যে লোকসকলে।

ৰুছিয়াৰ প্ৰলিতাৰিয়েতক ভালেখিনি দিয়া হৈছে; ৰুছিয়াৰ দৰে পৃথিৱীৰ আন ক'তো শ্ৰমিক শ্ৰেণীয়ে ইমান বেছি বৈপ্লৱিক কৰ্মোৎসাহৰ বিকাশ ঘটাবলৈ এতিয়াও সমৰ্থ হোৱা নাই। কিন্তু যাক বহুতো দিয়া হয় তাৰপৰা ভালেখিনি পোৱাবো আশা কৰা যায়।

ছিমেৰ্ভাল্ডৰ বন্ধ জলাহ আৰু সহ্য কৰিব নোৱাৰি। ছিমেৰ্ভাল্ডৰ 'কাউৎস্কিপন্থীসকলৰ' খাতিৰত কোনোমতেই প্লেখানভ আৰু ছাইডেমানসকলৰ উগ্ৰ-জাতীয়তাবাদী আন্তৰ্জাতিকৰ লগত অৰ্দ্ধ-মৈত্ৰী অব্যাহত ৰাখিব নালাগিব। এই আন্তৰ্জাতিকৰ লগত অবিলম্বে আমাৰ সম্পৰ্ক ছেদ কৰিব লাগিব। আমি ছিমেৰ্ভাল্ডৰ মাজত থাকিব লাগিব কেৱল তথ্য-পাতিৰ উদ্দেশ্যেহে।

আমি অনতিপলমে এতিয়াই এটা নতুন বৈপ্লৱিক প্ৰলিতাৰীয় আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰিব লাগিব, অথবা আমি বৰঞ্চ প্ৰকাশ্যেই এই কথা স্বীকাৰ কৰিবলৈ ভয় কৰিব নালাগিব যে এই নতুন আন্তৰ্জাতিক **ইতিমধ্যেই প্ৰতিষ্ঠিত** হৈছে আৰু চলিব লাগিছে।

এয়া হ'ল মই ওপৰত নিশ্চিতভাৱে উল্লেখ কৰি অহা সেইসকল 'কামত আন্তৰ্জাতিকতাবাদীৰ' আন্তৰ্জাতিক। তেওঁলোক আৰু অকল তেওঁলোকেই হৈছে বিপ্লৱী আন্তৰ্জাতিকতাবাদী জনসাধাৰণৰ প্ৰতিনিধি, আৰু তেওঁলোকক দূষিত কৰাসকল নিশ্চয় নহয়।

আৰু **সেই ধৰণৰ** সমাজতন্ত্ৰী যদি নিচেই তাকৰীয়াও হয়, তথাচ প্ৰত্যেক ৰুছ শ্ৰমিকে যেন নিজকে সুধি চায় — ১৯১৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ বিপ্লৱৰ **আগে আগে** ৰুছিয়াত প্ৰকৃত শ্ৰেণী-সচেতন বিপ্লৱী বহুতো আছিল নে নাই?

এইটো সংখ্যাৰ প্ৰশ্ন নহয়, বৰং এয়া প্ৰকৃত বিপ্লৱী প্ৰলিতাৰিয়েতৰ ধ্যান-ধাৰণা আৰু কৰ্মনীতি নিৰ্ভুলভাৱে প্ৰকাশ কৰাৰ প্ৰশ্ন। আন্তৰ্জাতিকতাবাদ 'ঘোষণা' কৰাটোৱেই কথা নহয়, বৰং সবাতোকৈ কঠিন পৰীক্ষাৰ সময়তো কামত আন্তৰ্জাতিকতাবাদী হ'ব পৰাটোহে আচল কথা।

বিভিন্ন চুক্তি আৰু আন্তৰ্জাতিক কংগ্ৰেছৰ আশাৰে আমি যেন নিজকে প্ৰৱঞ্চিত নকৰোঁ। সাম্ৰাজ্যবাদী যুদ্ধ যেতিয়ালৈকে চলি থাকে তেতিয়ালৈকে

আন্তৰ্জাতিক সংযোগক সাম্ৰাজ্যবাদী বুৰ্জোৱাৰ সামৰিক একনায়কত্বৰ লৌহ কঠিন মুঠিৰে ধৰি ৰখা হয়। আনকি শ্ৰমিক প্ৰতিনিধিসকলৰ ছোভিয়েতৰ [১৩৭] সমান্তৰাল চৰকাৰক সহ্য কৰিবলৈ বাধ্য হোৱা সেই 'প্ৰজাতন্ত্ৰী' মিলিউকভেও যদি ছুইছ ছচিয়েলিষ্ট, পাৰ্টিৰ সম্পাদক, আন্তৰ্জাতিকতাবাদী আৰু ছিমেৰ্ভাল্ড তথা কিন্থাল সম্মিলনৰ অংশগ্ৰহণকৰী ফ্ৰিট্‌ছ প্লাটেনক ১৯১৭ চনৰ এপ্ৰিল মাহত ৰুছিয়াত প্ৰৱেশ কৰিবলৈ নিদিয়াকৈ থাকে — এই ঘটনা সত্ত্বেও যে প্লাটেনৰ পৰিবাৰ এগৰাকী ৰুছীয় মহিলা আৰু পৰিবাৰৰ আত্মীয়-স্বজনৰ লগত তেওঁ দেখা কৰি যাবলৈ আহিছিল, আৰু এই ঘটনা সত্ত্বেও যে বিগাত তেওঁ ১৯০৫ চনৰ বিপ্লৱত অংশগ্ৰহণ কৰাৰ কাৰণে ৰুছিয়াৰ এটা কাৰাগাৰত তেওঁক বন্দী কৰি ৰখা হৈছিল, তেওঁৰ মুক্তিৰ কাৰণে জাৰতন্ত্ৰী চৰকাৰক জামানৎ দিছিল আৰু সেই জামানৎ ঘুৰাই পাবলৈ বিচাৰিছিল — যদি এইজন 'প্ৰজাতন্ত্ৰী' মিলিউকভে ৰুছিয়াত ১৯১৭ চনৰ এপ্ৰিল মাহত এনে কাম কৰিব পাৰে, তেনেহলে বিনা ৰাজ্য-গ্ৰাসে শান্তি ইত্যাদিৰ বিষয়ত বুৰ্জোৱাৰ প্ৰতিশ্ৰুতি আৰু আশ্বাসদান, কথা-বতৰা আৰু ঘোষণা-বিবৃতিবোৰত কি মূল্য দিয়া যায় তাক যিকোনোৱে বিচাৰ কৰি চাব পাৰে।

আৰু ব্ৰিটিছ চৰকাৰে ট্ৰংস্কিক গ্ৰেপ্তাৰ কৰা সম্পৰ্কে? আৰু মাৰ্তভক ছুইজাৰ্লেণ্ডৰপৰা যাবলৈ দিয়াত অস্বীকৃতি আৰু তেওঁক ফুচুলাই ব্ৰিটেইনলৈ নিয়াৰ চেষ্টা, য'ত তেওঁৰ কাৰণেও ট্ৰংস্কিৰ ভাগ্যই অপেক্ষা কৰিছে?

আমি ৰাতে কোনো ৰকমৰ মোহ পোষণ নকৰোঁ। আমি কেতিয়াও নিজক প্ৰৱঞ্চিত কৰিব নালাগিব।

আন্তৰ্জাতিক কংগ্ৰেছ কিম্বা সম্মিলনবিলাকৰ বাবে 'অপেক্ষা' কৰাটো হৈছে কেৱল আন্তৰ্জাতিকতাবাদক **বিশ্বাসঘাতকতা** কৰা, কিয়নো দেখুৱা হৈছে যে ষ্টকহোমৰপৰাও আনকি আন্তৰ্জাতিকতাবাদৰ প্ৰতি বিশ্বস্ত সমাজতন্ত্ৰীসকলক নাইবা **তেওঁলোকৰ চিঠি-পত্ৰ পৰ্যন্ত** ইয়ালৈ আহিবলৈ দিয়া হোৱা নাই, যদিও ই সম্পূৰ্ণে সম্ভৱ আৰু যদিও এটা দুৰ্দান্ত সামৰিক চেন্সৰ ব্যৱস্থা আছে।

আমাৰ পাৰ্টিয়ে 'অপেক্ষা' কৰিব নালাগিব, কিন্তু অনতিপলমে তৃতীয় আন্তৰ্জাতিক **প্ৰতিষ্ঠা কৰিব** লাগিব। জাৰ্মানি আৰু ব্ৰিটেইনত কাৰাৰুদ্ধ শই শই সমাজতন্ত্ৰীয়ে তেতিয়া সকাহ পাই দীঘল হুমুনিয়াহ কাঢ়িব, সেই দুৰাচাৰী দস্যু ভিলহেল্মক আতঙ্কিত কৰি যি হাজাৰ হাজাৰ জাৰ্মান

শ্ৰমিকে এতিয়া ধৰ্মঘট আৰু বিক্ষোভ প্ৰদৰ্শন কৰিব লাগিছে তেওঁলোকে বে-আইনী প্ৰচাৰপত্ৰবিলাকৰপৰা জানিব আমাৰ সিদ্ধান্তৰ কথা, কাৰ্ল লিব্‌ক্লেখ্‌টৰ ওপৰত আৰু অকল তেওঁৰ ওপৰতেই আমাৰ ভ্ৰাতৃপ্ৰতিম আস্থাৰ কথা, এতিয়াও আনকি 'বৈপ্লৱিক প্ৰতিৰক্ষাবাদৰ' বিৰুদ্ধে যুঁজিবলৈ আমাৰ সিদ্ধান্তৰ কথা; তেওঁলোকে ইয়াক পঢ়িব আৰু তেওঁলোকৰ বৈপ্লৱিক আন্তৰ্জাতিকতাবাদত বলীয়ান হ'ব।

যাক ভালেখিনি দিয়া হয়, তেওঁৰপৰা ভালেখিনি আশা কৰাও হয়। পৃথিৱীৰ আন কোনো দেশেই **আজিৰ** ৰুছিয়াৰ দৰে সিমান স্বাধীন নহয়। আহক, এক স্বাধীনতাক আমি কামত লগাওঁ, বুৰ্জোৱা শ্ৰেণীৰ প্ৰতি অথবা বুৰ্জোৱা 'বৈপ্লৱিক প্ৰতিৰক্ষাবাদৰ' প্ৰতি সমৰ্থনৰ কথা ক'বলৈ অৱশ্যেই নহয়, বৰং এক বলিষ্ঠ, সৎ, প্ৰলিতাৰীয়, লিব্‌ক্লেখ্‌টীয় ধৰণেৰে **তৃতীয় আন্তৰ্জাতিক প্ৰতিষ্ঠাৰ** কাৰণে, যিখন আন্তৰ্জাতিক সামাজিক-জাত্যাভিমানী বিশ্বাসঘাতক আৰু দোদুল্যমান 'মধ্যপন্থী' উভয়ৰেই প্ৰতি আপোচহীনভাৱে বৈৰীভাবাপন্ন।

১৮। যিখিনি কোৱা হৈছে তাৰ পাছত এই কথা ব্যাখ্যা কৰি অযথা বেছি কোৱাৰ প্ৰয়োজন নাই যে ৰুছিয়াত ছচিয়েল-ডেমক্ৰেটসকলৰ মিলনৰ প্ৰশ্নই নুঠে।

যিবিলাকে 'বাবোচায়া গাজেতা'-ত [১৩৮] পত্ৰেছভেৰে সৈতে এটা গোষ্ঠী গঢ়াটো সহ্য কৰিব পাৰে, যিবিলাকে শ্ৰমিক প্ৰতিনিধিবৃন্দৰ ছোভিয়েতৰ কাৰ্যনিৰ্বাহক কমিটিত [১৩৯] ঋণৰ পক্ষে ভোট দিছিল আৰু যিসকল 'প্ৰতিৰক্ষাবাদৰ' মাজত বুৰ গৈছে, সেই সাংগঠনিক কমিটিৰ পাৰ্টিৰ লগত, সেই চ্খেইজে আৰু ছেৰেতেলিৰ লগত মিলনৰ কোনো চিন্তা আনকি মুহূৰ্তৰ কাৰণেও পোষণ কৰাতকৈ লিব্‌ক্লেখ্‌টৰ দৰে মাত্ৰ এজন বন্ধুৰ লগত থকাটো, আৰু তাৰ **মানে বৈপ্লৱিক প্ৰলিতাৰিয়েতৰ লগত** থকাটোৱেই বেছি ভাল।

যি শেষ হৈ গৈছে সি জহন্নামে যাওক।

যিজনে দোদুল্যমান লোকসকলক সহায় কৰিবলৈ বিচাৰে তেওঁ প্ৰথমে নিজৰ দোদুল্যমানতা বন্ধ কৰিব লাগিব।

১৯১৭ চনৰ ১০ (২৩) এপ্ৰিলত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৪, পৃঃ ৭০, ৭৪-৮৪

ভ্ৰাতৃসকল, সৈনিকসকল!

এই ভয়াৱহ যুদ্ধত আমি সকলোৱেই ক্লান্ত; এই যুদ্ধই লাখ লাখ লোকৰ জীৱন নাশ কৰিছে, লাখ লাখ মানুহক পঙ্গু কৰিছে আৰু অকথা দুঃখ-দুৰ্দশা, ধ্বংস আৰু অনাহাৰৰ সৃষ্টি কৰিছে।

আৰু ক্ৰমশঃ অধিকসংখ্যক মানুহে নিজকে সুধিবলৈ আৰম্ভ কৰিছে: কিয় এই যুদ্ধ আৰম্ভ হৈছিল, কিহৰ কাৰণে ইয়াক চলাই যোৱা হৈছে?

দিনক দিনে আমাৰ ওচৰত, যুদ্ধৰ প্ৰচণ্ডতা সহ্য কৰিব লগা সেই শ্ৰমিক আৰু কৃষকসকলৰ ওচৰত এই কথা ফটফটীয়া হৈ পৰিছে যে সকলো দেশৰ পুঁজিপতিবোৰে পুঁজিপতিসকলৰ স্বাৰ্থৰ কাৰণেই, পৃথিৱীত আধিপত্যৰ মাজেৰে শ্ৰেষ্ঠত্ব লাভ কৰাৰ কাৰণে, পণ্য উৎপাদনকাৰী, কাৰখানা-মালিক আৰু বেংক ব্যৱসায়ীবোৰৰ বজাৰৰ কাৰণে, দুৰ্বল জাতি-অধিজাতিবোৰক লুট কৰাৰ কাৰণে এই যুদ্ধ আৰম্ভ কৰে আৰু চলাই নিব লাগিছে। তেওঁলোকে উপনিৱেশবোৰ ভগাভাগি কৰি লৈছে আৰু বলকান আৰু তুৰস্কত ভূখণ্ডবোৰ দখল কৰিছে — আৰু ইয়াৰ কাৰণেই ইউৰোপীয় জাতিবোৰক ধ্বংস কৰিব লাগিব, ইয়াৰ কাৰণেই আমি মৃত্যুৰ মুখত পৰিব লাগিব, ইয়াৰ কাৰণেই আমি আমাৰ পৰিয়ালবৰ্গৰ ধ্বংস, অনাহাৰ আৰু মৃত্যু চাই থাকিব লাগিব।

সকলো দেশৰ পুঁজিপতি শ্ৰেণীয়ে বিভিন্ন ঠিকা আৰু সামৰিক যোগানৰপৰা, দখলীকৃত দেশৰ সুযোগ-সুবিধাবোৰৰপৰা আৰু ক্ৰমবৰ্দ্ধমান দ্ৰব্য-মূল্যৰপৰা কলঙ্কজনকভাৱে বিৰাট পৰিমাণৰ অবিশ্বাস্য ধৰণৰ অত্যধিক মুনাফা লুট কৰিছে। যুদ্ধ-ঋণৰ বাবদ দিয়া কোটি কোটি মুদ্ৰাৰ ওপৰত বৰ্দ্ধিত সুদৰ আকাৰত কেবাদশকলৈ পুঁজিপতি শ্ৰেণীয়ে সকলো জাতিৰ ওপৰত ব্যয়ৰ বোজা জাপি দিছে। আৰু আমি, শ্ৰমিক-কৃষকসকল মৰিব

লাগিব, সৰ্বস্বান্ত হ'ব লাগিব আৰু অনাহাৰত থাকিব লাগিব, আমি এই সকলো ধৈৰ্য্য ধৰি সহ্য কৰিব লাগিব আৰু বিভিন্ন দেশৰ শ্ৰমিকসকলক পৰস্পৰে যুঁজি নিৰ্মূল হ'বলৈ দিয়াৰ আৰু তেওঁলোকৰ মাজত পৰস্পৰৰ প্ৰতি ঘৃণাবোধ জাগিবলৈ দিয়াৰ মাজেৰে আমাৰ অত্যাচাৰী-উৎপীড়নকাৰীহঁতক, পুঁজিপতিহঁতক শক্তিশালী কৰিব লাগিব।

আমি বশ্যতা মানি আমাৰ কান্ধৰ যুৰলি লৈ গৈ থাকিম নে, পুঁজিপতি শ্ৰেণীবোৰৰ মাজত চলা এই যুদ্ধ সহ্য কৰি থাকিম জানো? আমি তেন্তে আমাৰ নিজৰ জাতীয় চৰকাৰবোৰৰ, আমাৰ নিজৰ জাতীয় বুৰ্জোৱাবিলাকৰ, আমাৰ নিজৰ জাতীয় পুঁজিপতিহঁতৰ পক্ষ অৱলম্বন কৰি আৰু তাৰ দ্বাৰা সকলো দেশৰ, সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলৰ আন্তৰ্জাতিক ঐক্য বিনাশ কৰি এই যুদ্ধ চলি থাকিবলৈ দিম নেকি?

নিদিওঁ, সৈনিক ভাইসকল, আমি চকু মেলি ভালকৈ চোৱাৰ সময় হৈছে, নিজৰ ভাগ্য আমি নিজৰ হাতত লোৱাৰ সময় উপস্থিত হৈছে। যিবোৰে জনসাধাৰণক যুদ্ধৰ মাজলৈ টানি আনিছে সেই পুঁজিপতি শ্ৰেণীৰ বিৰুদ্ধে সকলো দেশতেই গণ-ক্ৰোধ বৃদ্ধি পাইছে, ব্যাপ্ত হৈছে আৰু তাৰ শক্তি সুসংহত হৈছে। অকল জাৰ্মানিতেই নহয়, যুদ্ধৰ পূৰ্বে অন্যতম সবাতোকৈ মুক্ত দেশ বুলি যাৰ খ্যাতি আছিল সেই ব্ৰিটেইনতো আনকি শ্ৰমিক শ্ৰেণীৰ হেজাৰ হেজাৰ প্ৰকৃত বন্ধু আৰু প্ৰতিনিধিয়ে যুদ্ধৰ বিৰুদ্ধে আৰু পুঁজিপতিহঁতৰ বিৰুদ্ধে ন্যায্য সত্য কথা খোলাখুলিকৈ কোৱাৰ কাৰণেই বন্দীশালত দুঃসহ জীৱন যাপন কৰিব লগা হৈছে। ৰুছিয়াৰ বিপ্লৱ প্ৰথম বিপ্লৱৰ প্ৰথম পদক্ষেপ মাথোন; ইয়াৰ পাছত অন্যবোৰ ঘটা উচিত আৰু ঘটিবও।

দ্বিতীয় ভিলহেল্মৰ দৰেই সমানে নিকৃষ্ট ৰাজমুকুটধাৰী দস্যু দ্বিতীয় নিকোলাইক সম্প্ৰতি ক্ষমতাচ্যুত কৰা ৰুছিয়াৰ নতুন চৰকাৰ হৈছে পুঁজিপতিসকলৰ এটা চৰকাৰ। এই চৰকাৰে জাৰ্মানি, ব্ৰিটেইন আৰু অন্যান্য দেশৰ পুঁজিপতিবোৰৰ দৰেই একেই লুণ্ঠনমূলক আৰু সাম্ৰাজ্যবাদী যুদ্ধ এখন চলাই গৈছে। ব্ৰিটেইন, ফ্ৰান্স আৰু অন্যান্য দেশৰ পুঁজিপতিবিলাকৰ লগত দ্বিতীয় নিকোলাইৰ দ্বাৰা সম্পাদিত লুণ্ঠনমূলক গোপন চুক্তিবোৰ ই অনুমোদন কৰিছে; চৰকাৰে এইবোৰ চুক্তি পৃথিৱীৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা নাই, ঠিক যেনেকৈ জাৰ্মান চৰকাৰেও অষ্ট্ৰিয়া, বুলগেৰিয়া প্ৰভৃতি দেশৰ লগত তাৰ গোপন আৰু সমানে লুণ্ঠনমূলক চুক্তিবিলাক প্ৰকাশ কৰা নাই।

২০ এপ্ৰিলত ৰুছ অস্থায়ী চৰকাৰে জাৰ-সম্ৰাটৰ দ্বাৰা সম্পাদিত পুৰণি লুণ্ঠনমূলক চুক্তিবোৰ পুনৰ অনুমোদন কৰি আৰু বিজয়ী সমাপ্তিৰ মুহূৰ্তলৈকে এই যুদ্ধ চলাই যোৱাৰ ইচ্ছা ঘোষণা কৰি এটা টোকা প্ৰকাশ কৰিছে আৰু ইয়াৰ দ্বাৰা এতিয়ালৈকে এই চৰকাৰক বিশ্বাস আৰু সমৰ্থন কৰা সেই লোকসকলৰ মনতো আনকি ক্ষোভ জগাই তুলিছে।

কিন্তু পুঁজিবাদী চৰকাৰৰ উপৰিও, ৰুছ বিপ্লৱে শ্ৰমিক আৰু কৃষকসকলৰ বিপুল সংখ্যাগৰিষ্ঠৰ প্ৰতিনিধিত্ব কৰি স্বতস্ফূৰ্ত বৈপ্লৱিক সংগঠনবোৰৰ, যেনে পেত্ৰোগ্ৰাদ আৰু ৰুছিয়াৰ অধিকাংশ নগৰীত শ্ৰমিক-সৈনিক প্ৰতিনিধিবৰ্গৰ ছোভিয়েতসমূহৰ উদ্ভৱ ঘটাইছে। জাৰ্মানিত বহুতো শ্ৰমিক আৰু সৈনিকৰ দৰেই ৰুছিয়াতো অধিকাংশ সৈনিক আৰু কিছুসংখ্যক শ্ৰমিকে এতিয়াও পুঁজিপতিসকলৰ চৰকাৰৰ ওপৰত আৰু বিনা ৰাজ্য-গ্ৰাসে শান্তি, প্ৰতিৰক্ষাৰ যুদ্ধ ইত্যাদি সম্পৰ্কে তেওঁলোকৰ অসাৰ আৰু মিছা কথা-বাৰ্তাৰ ওপৰত অহেতুক আস্থা ৰাখিছে।

কিন্তু ৰাজ্য-গ্ৰাসৰ ক্ষেত্ৰত অথবা পুঁজিপতিসকলৰ মুনাফা ৰক্ষাৰ ক্ষেত্ৰত পুঁজিপতিৰ যেনে আগ্ৰহ আছে, শ্ৰমিক আৰু দুখীয়া কৃষকৰ তাত কোনো আগ্ৰহ নাই। সেই গতিকেই, ৰুছিয়া আৰু জাৰ্মানি উভয়তে নিতৌ পুঁজিপতিসকলৰ দ্বাৰা গৃহীত প্ৰত্যেকটো পদক্ষেপে পুঁজিপতিৰ প্ৰৱঞ্চনাৰ মুখা খুলি দিব, আৰু এই ঘটনাও উন্মোচিত কৰি দিব যে পুঁজিবাদী শাসন যেতিয়ালৈকে টিকি থাকিব তেতিয়ালৈকে সমস্ত ৰাজ্য-দখল প্ৰকৃততে পৰিহাৰৰ ভিত্তিত, অৰ্থাৎ বিনা ব্যতিক্ৰমে সকলো উপনিৱেশৰ, বিনা ব্যতিক্ৰমে সমস্ত নিপীড়িত, বলপ্ৰয়োগেৰে দখলীকৃত নাইবা সুযোগ-সুবিধাৰপৰা বঞ্চিত জাতি-অধিজাতিবিলাকৰ মুক্তিৰ ভিত্তিত প্ৰকৃত গণতান্ত্ৰিক, বলপ্ৰয়োগহীন শান্তি স্থাপন হ'ব নোৱাৰে আৰু যুদ্ধ অধিক পৰিমাণে তীব্ৰ আৰু দীৰ্ঘস্থায়ী হোৱাৰ সম্ভাৱনাই বেছি।

**কেৱল** যদিহে বৰ্তমানৰ বৈৰী উভয় দেশতেই, যেনে ৰুছিয়া আৰু জাৰ্মানিত ৰাষ্ট্ৰক্ষমতা সম্পূৰ্ণ আৰু একান্তভাৱে সেই শ্ৰমিক আৰু সৈনিক প্ৰতিনিধিসকলৰ বৈপ্লৱিক ছোভিয়েতসমূহৰ হাতলৈ আহে, যিবোৰ সঁচাকৈয়ে পুঁজিবাদী সম্পৰ্ক আৰু স্বাৰ্থৰ গোটেই জালখন ছিঙিবলৈ সক্ষম, তেনেহলে দুয়োখন ৰণলিপ্ত দেশৰ শ্ৰমিকসকলে পৰস্পৰৰ আস্থা অৰ্জন কৰিব আৰু এনে এক প্ৰকৃত গণতান্ত্ৰিক শান্তিৰ ভিত্তিত যুদ্ধৰ দ্ৰুত অৱসান ঘটাব পাৰিব, যাৰ ফলত পৃথিৱীৰ সকলো জাতি আৰু অধিজাতি প্ৰকৃততেই মুক্ত হ'ব।

ভাতৃসকল, সৈনিকসকল!

আহক, এই কাম দ্ৰুতভাৱে কৰিবলৈ, এই লক্ষ্য অৰ্জন কৰিবলৈ আমি সাধ্যমতে সকলোখিনি কৰোঁহক । আত্মত্যাগলৈ আমি যাতে অলপো ভয় নকৰোঁ -- শ্ৰমিকসকলৰ বিপ্লৱৰ কাৰণে যিকোনো ত্যাগেই যুদ্ধৰ বলিতকৈ কম বেদনাদায়ক হ'ব। বিপ্লৱৰ প্ৰত্যেকটি বিজয়ী পদক্ষেপে লাখ লাখ আৰু কোটি কোটি মানুহক মৃত্যু, ধ্বংস আৰু অনাহাৰৰপৰা ৰক্ষা কৰিব।

পুঁজি-ঘৰবোৰলৈ শান্তি আহক, প্ৰাসাদবোৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰক! সকলো দেশৰ শ্ৰমিকসকলৰ বাবে শান্তি লাগে! সকলো দেশৰ বিপ্লৱী শ্ৰমিকসকলৰ ভ্ৰাতৃপ্ৰতিম ঐক্য দীৰ্ঘজীৱী হওক! সমাজতন্ত্ৰ দীৰ্ঘজীৱী হওক!

**ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ কেন্দ্ৰীয় কমিটি**

**ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ পেট্ৰোগ্ৰাদ কমিটি**

**'প্ৰাভদা'-ৰ সম্পাদকমণ্ডলী**

১৯১৭ চনৰ ৪ মে'ত (২১ এপ্ৰিল)
'প্ৰাভদা'ৰ ৩৭ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৪, পৃঃ ১৮৬-৮৮

# মেহনতী আৰু শোষিত জনসাধাৰণৰ অধিকাৰ সম্পৰ্কিত ঘোষণা [১৪০]

সংবিধান সভাই সিদ্ধান্ত লৈছে:

১। ইয়াৰ দ্বাৰা ৰুছিয়াক শ্ৰমিক-সৈনিক আৰু কৃষক প্ৰতিনিধিৰ ছোভিয়েতসমূহৰ এখন প্ৰজাতন্ত্ৰ বুলি ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় আৰু স্থানীয়ভাৱে সকলো ক্ষমতা এই ছোভিয়েতসমূহৰ হাতত ন্যস্ত কৰা হৈছে।

২। ৰুছ ছোভিয়েত প্ৰজাতন্ত্ৰ মুক্ত জাতিসমূহৰ অবাধ সম্মিলনৰ নীতিৰ ভিত্তিত ছোভিয়েত জাতীয় প্ৰজাতন্ত্ৰসমূহৰ এখন ফেডাৰেছন হিচাপে প্ৰতিষ্ঠিত হ'ল।

ইয়াৰ মূলে লক্ষ্য হৈছে মানুহৰ ওপৰত মানুহৰ সকলো শোষণ দূৰ কৰা, বিভিন্ন শ্ৰেণীত সমাজৰ বিভাজন সম্পূৰ্ণৰূপে বিলোপ ঘটোৱা, শোষকহঁতৰ প্ৰতিৰোধ নিষ্ঠুৰভাৱে মষিমূৰ কৰা, সমাজৰ এক সমাজতান্ত্ৰিক সংগঠন প্ৰতিষ্ঠা কৰা আৰু সকলো দেশত সমাজতন্ত্ৰৰ বিজয় অৰ্জন কৰা, আৰু সেয়ে সংবিধান সভাই অতিৰিক্ত সিদ্ধান্ত লয়:

১) ইয়াৰ দ্বাৰা মাটিৰ ব্যক্তিগত মালিকানা বিলুপ্ত কৰা হ'ল। সকলো ঘৰ-দুৱাৰ, কৃষি সঁজুলি আৰু কৃষি উৎপাদনৰ দখলত থকা অন্যান্য আনুষঙ্গিক বস্তুকো ধৰি সমস্ত মাটি সমগ্ৰ মেহনতী জনসাধাৰণৰ সম্পত্তি বুলি ঘোষিত হ'ল।

২) শোষকবিলাকৰ ওপৰত মেহনতী জনসাধাৰণৰ ক্ষমতা নিশ্চিত কৰাৰ উদ্দেশ্যে আৰু কাৰখানা, খনি, ৰেলপথ আৰু উৎপাদন তথা পৰিবহনৰ অন্যান্য উপায়ক শ্ৰমিক-কৃষক ৰাষ্ট্ৰখনৰ সম্পত্তিত সম্পূৰ্ণে পৰিণত কৰাৰ অভিমুখে প্ৰথম পদক্ষেপ হিচাপে শ্ৰমিকসকলৰ নিয়ন্ত্ৰণ [১৪১] আৰু সৰ্বোচ্চ অৰ্থনৈতিক পৰিষদ [১৪২] সম্পৰ্কিত ছোভিয়েত আইন-বিধিবোৰ ইয়াৰ দ্বাৰা সাব্যস্ত কৰা হ'ল।

৩) সকলো বেংককেই শ্ৰমিক-কৃষক ৰাষ্ট্ৰৰ সম্পত্তিত পৰিণত কৰাটোক

পুঁজিৰ বন্ধনৰপৰা মেহনতী মানুহৰ মুক্তিৰ অন্যতম চৰ্ত হিচাপে ইয়াৰ দ্বাৰা নিশ্চিত কৰা হ'ল।

৪) সমাজৰ পৰোপজীৱী অংশবোৰক উচ্ছেদ কৰাৰ উদ্দেশ্যে ইয়াৰ দ্বাৰা সাৰ্বজনীন বাধ্যতামূলক শ্ৰম প্ৰৱৰ্তন কৰা হ'ল।

৫) মেহনতী বাইজৰ সাৰ্বভৌম ক্ষমতা নিশ্চিত কৰিবলৈ আৰু শোষকহ'তৰ ক্ষমতা পুনৰ্স্থাপনৰ সকলো সম্ভাৱনা নিৰ্মূল কৰিবলৈ শ্ৰমজীৱী জনসাধাৰণক সশস্ত্ৰ কৰা, শ্ৰমিক আৰু কৃষকসকলৰ এটি সমাজতান্ত্ৰিক লাল ফৌজ গঢ়ি তোলা আৰু সম্পত্তিবান শ্ৰেণীবোৰক সম্পূৰ্ণৰূপে নিৰস্ত্ৰ কৰাৰ নিৰ্দেশনামা ইয়াৰ দ্বাৰা জাৰি কৰা হ'ল।

১। যি বিত্তীয় পুঁজি আৰু সাম্ৰাজ্যবাদে এই অত্যন্ত অপৰাধমূলক যুদ্ধত পৃথিৱীক তেজেৰে লুতুৰি-পুতুৰি কৰিছে, তাৰ কবলৰপৰা মানৱজাতিক উদ্ধাৰ কৰাৰ দৃঢ় সংকল্প ব্যক্ত কৰি সংবিধান সভাই ছোভিয়েত ক্ষমতাৰ দ্বাৰা অনুসৃত নীতি, অৰ্থাৎ গোপন চুক্তিবোৰ বৰ্জন কৰাৰ, যুদ্ধত সেনাবাহিনীবোৰৰ মাজত শ্ৰমিক আৰু কৃষকসকলৰ লগত অতি ব্যাপক ভাতৃবৎ সুসম্পৰ্ক সংগঠিত কৰাৰ আৰু যিকোনো মূল্যৰ বিনিময়ত, বৈপ্লৱিক উপায়েৰে, ৰাজ্য-গ্ৰাস আৰু ক্ষতিপূৰণ নোহোৱাকৈ আৰু জাতিসমূহৰ অবাধ আত্মনিয়ন্ত্ৰণৰ ভিত্তিত জাতিসমূহৰ মাজত এক গণতান্ত্ৰিক শান্তি অৰ্জনৰ কৰ্মনীতি আন্তৰিকতাৰে অনুমোদন কৰে।

২। একে লক্ষ্যকেই সমুখত ৰাখি, সংবিধান সভাই সেই বুৰ্জোৱা সভ্যতাৰ বৰ্বৰজনক নীতিৰ লগত সম্পূৰ্ণৰূপে সম্পৰ্ক ছেদ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যি সভ্যতাই এছিয়াত, সাধাৰণভাৱে উপনিৱেশবোৰত আৰু সৰু সৰু দেশবিলাকত কোটি কোটি মেহনতী মানুহৰ দাসত্বৰ ওপৰত মনোনীত কেইটামান জাতিৰ শোষকবোৰৰ সমৃদ্ধি গঢ়ি তুলিছে।

ফিনলেণ্ডৰ পূৰ্ণ স্বাধীনতা ঘোষণা কৰি, পাৰস্যৰপৰা সৈন্যদলবোৰৰ অপসৰণ আৰম্ভ কৰি আৰু আৰ্মেনিয়াৰ কাৰণে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ ঘোষণা কৰি গণ-কমিছাৰ পৰিষদে [১৪৩] গ্ৰহণ কৰা নীতিক সংবিধান সভাই স্বাগত জনায় [১৪৪]।

৩। জাৰ-সম্ৰাট, জমিদাৰ আৰু বুৰ্জোৱাবিলাকৰ চৰকাৰসমূহে লোৱা ঋণবোৰ নাকচ কৰা সম্পৰ্কে ছোভিয়েত আইনক সংবিধান সভাই আন্তৰ্জাতিক বেংক-ব্যৱস্থাৰ, বিত্তীয় পুঁজিৰ ওপৰত প্ৰথম আঘাত বুলি গণ্য কৰে, আৰু এই প্ৰত্যয় প্ৰকাশ কৰে যে পুঁজিৰ শাসনৰ বিৰুদ্ধে

আন্তর্জাতিক শ্রমিকসকলৰ অভ্যুত্থান সম্পূর্ণে জয়ী নোহোৱালৈকে ছোভিয়েত ক্ষমতাই সেই পথ দৃঢ়তাৰে অনুসৰণ কৰিব।

অক্টোবৰ বিপ্লৱৰ পূর্বে, যেতিয়া জনসাধাৰণ শোষকহঁতৰ বিৰুদ্ধে সামূহিকভাৱে জাগি উঠাৰ অৱস্থা তেতিয়াও পোৱাগৈ নাছিল, যেতিয়ালৈকে শ্রেণীগত সুযোগ-সুবিধাবোৰ ৰক্ষাৰ কাৰণে শোষকবোৰৰ প্রতিৰোধৰ পূর্ণ শক্তিৰ পৰিচয় পোৱা নাছিল আৰু যেতিয়ালৈকে ব্যৱহাৰিক ক্ষেত্রত জনসাধাৰণে সমাজতান্ত্রিক সমাজ ৰচনাৰ কামত নিজক নিয়োগ কৰিব পৰা নাছিল, সেই সময়ত ৰচিত পার্টি তালিকাবিলাকৰ ভিত্তিত নির্বাচিত হৈছে বুলিয়েই সংবিধান সভাই বিবেচনা কৰে যে ছোভিয়েত শাসনক্ষমতাৰ বিৰোধিতাত নিজকে ৰখাটো, আনকি আনুষ্ঠানিকভাৱে হলেও, মূলগতভাৱে ভুল হ'ব।

সাৰমর্মৰ ফালৰপৰা, সংবিধান সভাই ভাবে যে বর্তমানে জনসাধাৰণে যেতিয়া তেওঁলোকৰ শোষকহঁতৰ বিৰুদ্ধে শেষ সংগ্ৰাম চলাইছে, তেতিয়া কোনো চৰকাৰী সংস্থাতেই শোষকবিলাকৰ কোনো স্থান থাকিব নোৱাৰে। ক্ষমতা অৱশ্যেই সম্পূর্ণে আৰু সামগ্রিকভাৱে শ্রমজীৱী জনসাধাৰণ আৰু তেওঁলোকৰ স্বীকৃত প্রতিনিধি — শ্রমিক-সৈনিক আৰু কৃষকসকলৰ প্রতিনিধিবর্গৰ ছোভিয়েতসমূহৰ ওপৰত ন্যস্ত থাকিব।

ছোভিয়েত ক্ষমতাক আৰু গণ-কমিছাৰ পৰিষদৰ নির্দেশনামাবোৰক সমর্থন কৰি সংবিধান সভাই বিবেচনা কৰে যে ইয়াৰ নিজৰ কর্তব্য সমাজৰ সমাজতান্ত্রিক পুনর্নির্মাণৰ মূল নীতিসমূহ প্রতিষ্ঠা কৰাৰ মাজতেই সীমাবদ্ধ।

তাৰ লগে লগে, ৰুছিয়াৰ সকলো জাতিৰ শ্রমিক শ্রেণীৰ প্রকৃতপক্ষে অবাধ আৰু স্বেচ্ছামূলক, আৰু সেই গতিকেই অধিক সুদৃঢ় আৰু সুস্থিত এক সম্মিলন সৃষ্টিৰ প্রচেষ্টা চলাই সংবিধান সভাই ইয়াৰ নিজৰ কর্তব্যক ৰুছিয়াৰ ছোভিয়েত প্রজাতন্ত্রসমূহৰ এক ফেডাৰেছনৰ মূল নীতিসমূহ প্রণয়নৰ মাজতে সীমিত ৰাখিছে, আৰু প্রত্যেক জাতিৰ শ্রমিক আৰু কৃষকসকলৰ ওপৰত এই বিষয়টিৰ ভাৰ এৰি দিছে, অর্থাৎ তেওঁলোকে সংযুক্ত ফেডাৰেল চৰকাৰৰ মাজত আৰু অন্যান্য ফেডাৰেল ছোভিয়েত প্রতিষ্ঠানত অংশগ্রহণ কৰিবলৈ ইচ্ছুক হয় নে নহয় আৰু কি কি চর্তত, সেই সম্পর্কে তেওঁলোকৰ নিজৰ ছোভিয়েতসমূহৰ কর্তৃত্বসম্পন্ন কংগ্রেছত স্বাধীনভাৱে সিদ্ধান্ত গ্রহণৰ বিষয়টি।

১৯১৮ চনৰ ৩ (১৬) জানুৱাৰীৰ আগতে লিখা — সংগৃহীত ৰচনাৱলী, খণ্ড ২৬, পৃঃ ৪২৩-২৫

## ‘বামপন্থী’ শিশুসুলভতা
## আৰু পেটি-বুৰ্জোৱা মানসিকতা’ প্ৰবন্ধৰপৰা

শব্দাড়ম্বৰপূৰ্ণ বৰ-কথাৰে বৰাই কৰাটো শ্ৰেণীচ্যুত পেটি-বুৰ্জোৱা বুদ্ধিজীৱীসকলৰ বিশিষ্ট লক্ষণ। সংগঠিত প্ৰলিতাৰীয় কমিউনিস্টসকলে নিশ্চিতভাৱেই এই ‘অভ্যাসটোক’ বিদ্ৰূপৰ আৰু সকলো দায়িত্বপূৰ্ণ পদৰপৰা বহিষ্কৰণৰ মাজেৰে শাস্তি দিব, ইয়াতোকৈ লঘু উপায়েৰে নহয়। অপ্ৰিয় সত্যটোকো জনসাধাৰণৰ আগত সহজভাৱে, স্পষ্টভাৱে আৰু পোনপটীয়া ধৰণেৰে ক'ব লাগিব: এইটো সম্ভৱ আৰু আনকি খুবেই সম্ভৱ যে জাৰ্মানিত যুদ্ধবাদী দলে আকৌ প্ৰাধান্য লাভ কৰিব (অৰ্থাৎ লগে লগে আমাৰ বিৰুদ্ধে এক আক্ৰমণ আৰম্ভ হ'ব), আৰু জাপানেৰে সৈতে লগ লাগি জাৰ্মানিয়ে চৰকাৰী চুক্তি অথবা গোপন বুজাবুজিৰ মাজেৰে আমাক বিভক্ত কৰিব আৰু টেঁটু চেপি ধৰিব। আমি যদি বৰকথীয়াসকলৰ কথাত কাণ দিব নোখোজোঁ, তেনেহলে আমাৰ কৰ্মকৌশল হ'ব লাগিব অপেক্ষা কৰা, স্থগিত ৰাখি পলম কৰা, যুঁজ এৰি চলা আৰু পিছ হুঁহকি যোৱা। আমি যদি বাকাবাগীশসকলক দূৰলৈ ঠেলি প্ৰকৃততে লোহ-দৃঢ়, প্ৰকৃততে প্ৰলিতাৰীয়, প্ৰকৃততেই কমিউনিস্ট শৃংখলা সৃষ্টি কৰি ‘নিজক তেজীয়ান কৰি তোলোঁ’, তেনেহলে কেবামাহলৈ সময় পোৱাৰ ভাল সুযোগ পোৱা যাব। আৰু তেতিয়া আনকি অতি বেয়া অৱস্থা আহিলেও, উৰাললৈকে পশ্চাদপসৰণ কৰি আমি আমাৰ সহযোগী-মিত্ৰৰ (আন্তৰ্জাতিক প্ৰলিতাৰিয়েত) পক্ষে আমাৰ সাহায্যাৰ্থে আগুৱাই অহাত, বৈপ্লৱিক বিস্ফোৰণৰ আৰম্ভণি আৰু বিপ্লৱৰ মাজৰ দূৰত্বক ‘আয়ত্তলৈ অনাত’ (ক্ৰীড়াৰ ভাষা প্ৰয়োগত) অধিক সুগম কৰি তুলিব পাৰিম।

এনেকুৱা, আৰু একমাত্ৰ এনে কৰ্মকৌশলেই মাথোন দৰাচলতে আন্তৰ্জাতিক সমাজতন্ত্ৰৰ সাময়িকভাৱে বিচ্ছিন্ন একাংশ আৰু অন্যান্য অংশৰ মাজত সংযোগ শক্তিশালী কৰিব পাৰে। কিন্তু সঁচা কথা ক'বলৈ

গ'লে, প্ৰিয় 'বামপন্থী কমিউনিষ্টসকল' [১৪৫], আপোনালোকৰ যুক্তিৰ সাৰমৰ্ম হ'ল ইটো শব্দাড়ম্বৰপূৰ্ণ কথা আৰু সিটো শব্দাড়ম্বৰপূৰ্ণ কথাৰ মাজত 'অঙ্গাঙ্গী সম্পৰ্ক সুদৃঢ় কৰা'। এয়া অৱশ্যেই অতি বেয়া ধৰণৰ এক 'অঙ্গাঙ্গী সম্পৰ্ক'!

মোৰ অমায়িক বন্ধুসকল, এনেকুৱা এটা বিপৰ্যয়ে কিয় আপোনালোকক গ্ৰাস কৰিলে, সেই বিষয়ে মই আপোনালোকক অৱগত কৰিম। ইয়াৰ কাৰণ হ'ল বৈপ্লৱিক কৰ্মধাৰানিবোৰ সম্পৰ্কে চিন্তা-ভাৱনা কৰাতকৈ সেইবোৰ আওৰাই মুখস্থ কৰি ৰখাৰ বাবেই আপোনালোকে অধিক প্ৰচেষ্টা নিয়োজিত কৰে। ইয়াৰ ফলত আপোনালোকে 'সমাজতান্ত্ৰিক পিতৃভূমি ৰক্ষা' কথাটো উদ্ধৃতি চিহ্নৰ মাজত লিখে, সম্ভৱতঃ ইয়াৰ উদ্দেশ্য হ'ল ব্যঙ্গসূচক হ'বলৈ আপোনালোকৰ চেষ্টাটো বুজোৱা, কিন্তু ই প্ৰকৃততে আপোনাসকলৰ বিভ্ৰান্তিৰ কথাকেই প্ৰমাণ কৰে। 'প্ৰতিৰক্ষাবাদক' কিবা নীচ আৰু ঘৃণনীয় হিচাপে গণ্য কৰাতেই আপোনালোক অভ্যস্ত; আপোনাসকলে এইটো শিকিছে আৰু মনত ৰাখি থৈছে। আপোনালোকে ইয়াক ইমান সম্পূৰ্ণকৈ মুখস্থ কৰি ৰাখিছে যে আপোনালোকৰ কোনো কোনোৱে এই মৰ্মে এনেকুৱা অসঙ্গত কথা পৰ্য্যন্ত ক'বলৈ আৰম্ভ কৰিছে যে সাম্ৰাজ্যবাদী যুগত পিতৃভূমি ৰক্ষাৰ কথা তোলাটো অনুমোদনীয় নহয় (দৰাচলতে, ই অনুমোদনীয় নহয় কেৱল বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা চালিত এখন সাম্ৰাজ্যবাদী প্ৰতিক্ৰিয়াশীল যুদ্ধতহে)। কিন্তু 'প্ৰতিৰক্ষাবাদ' কিয় আৰু কেতিয়া ঘৃণ্য, সেই কথা আপোনালোকে ভাবিয়েই চোৱা নাই।

পিতৃভূমি ৰক্ষাৰ স্বীকৃতিৰ অৰ্থ হ'ল যুদ্ধৰ বৈধতা আৰু ন্যায়পৰতা স্বীকাৰ কৰা। কোন দৃষ্টিকোণৰপৰা বৈধতা আৰু ন্যায়পৰতা? একমাত্ৰ সমাজতন্ত্ৰী প্ৰলিতাৰিয়েতৰ আৰু ইয়াৰ মুক্তিৰ কাৰণে সংগ্ৰামৰ দৃষ্টিকোণৰপৰা। আমি অন্য কোনো দৃষ্টিকোণ স্বীকাৰ নকৰোঁ। শোষক শ্ৰেণীয়ে যদি শ্ৰেণী হিচাপে ইয়াৰ শাসন শক্তিশালী কৰাৰ উদ্দেশ্যে যুদ্ধ চলায়, তেনেহলে এনে যুদ্ধ হ'ল দুৰ্বৃত্তমূলক যুদ্ধ, আৰু সেই যুদ্ধত 'প্ৰতিৰক্ষাবাদ' হ'ল সমাজতন্ত্ৰৰ প্ৰতি নীচ বিশ্বাসঘাতকতা। প্ৰলিতাৰিয়েতে যদি ইয়াৰ নিজৰ দেশত বুৰ্জোৱা শ্ৰেণীক পৰাস্ত কৰাৰ পাছত যুদ্ধ চলায়, আৰু সেই যুদ্ধ সমাজতন্ত্ৰক সুদৃঢ় আৰু বিকশিত কৰাৰ উদ্দেশ্যে চালিত হয়, তেনেহলে এনে যুদ্ধ বৈধ আৰু 'পবিত্ৰ'।

১৯১৭ চনৰ ২৫ অক্টোবৰৰপৰা আমি হৈ পৰিছোঁ 'প্ৰতিৰক্ষাপন্থী'। এই কথা মই নিৰ্দিষ্টভাৱে একাধিকবাৰ কৈছোঁ, আৰু আপোনালোকে তাক

কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰে। আন্তৰ্জাতিক সমাজতন্ত্ৰৰ লগত 'সম্পৰ্ক শক্তিশালী কৰাৰ' স্বাৰ্থতেই আমি আমাৰ সমাজতান্ত্ৰিক পিতৃভূমিক ৰক্ষা কৰিবলৈ দায়িত্ববদ্ধ। য'ত ইতিমধ্যে প্ৰলিতাৰিয়েতে বিজয় অৰ্জন কৰিছে সেই দেশক ৰক্ষা কৰাৰ কৰ্তব্যক যিসকলে লঘুকৈ দেখে, তেওঁলোকেই আন্তৰ্জাতিক সমাজতন্ত্ৰৰ লগত সম্পৰ্ক ধ্বংস কৰে। যেতিয়া আমি এটা নিপীড়িত শ্ৰেণীৰ প্ৰতিনিধি আছিলোঁ, তেতিয়া সাম্ৰাজ্যবাদী যুদ্ধত পিতৃভূমি ৰক্ষা সম্পৰ্কে আমি লঘু মনোভাৱ গ্ৰহণ কৰা নাছিলোঁ। সেই প্ৰতিৰক্ষাৰ বিৰোধিতা আমি নীতিগতভাৱে কৰিছিলোঁ। এতিয়া আমি যেতিয়া এটি শাসক শ্ৰেণীৰ প্ৰতিনিধি হৈ পৰিছোঁ, যি শাসক শ্ৰেণীয়ে সমাজতন্ত্ৰ সংগঠিত কৰিবলৈ আৰম্ভ কৰিছে, তেতিয়া আমি দাবী কৰোঁ যে দেশ ৰক্ষাৰ সম্পৰ্কত সকলোৱেই গুৰুত্বপূৰ্ণ মনোভাৱ গ্ৰহণ কৰিব লাগিব। আৰু দেশ ৰক্ষাৰ ক্ষেত্ৰত গুৰু-গম্ভীৰ মনোভাৱ গ্ৰহণ কৰাৰ অৰ্থ হ'ল তাৰ কাৰণে সম্পূৰ্ণে প্ৰস্তুত হোৱা আৰু কঠোৰভাৱে শক্তিৰ ভাৰসাম্য হিচাপ-নিকাচ কৰা। যদি আমাৰ শক্তি দেখ্‌দেখ্‌কৈয়ে কম, তেন্তে আত্মৰক্ষাৰ শ্ৰেষ্ঠ উপায় হ'ল **দেশৰ বৰ্তি ভিতৰলৈকে পশ্চাদপসৰণ কৰা** (ইয়াক যিসকলে মুহূৰ্তৰ প্ৰয়োজনৰ উপযোগী এক কৃত্ৰিম সূত্ৰ বুলি গণ্য কৰে, তেওঁলোকে সামৰিক বিষয়ত অন্যতম শ্ৰেষ্ঠ বিশেষজ্ঞ ক্লাউজেভিৎছৰ এই সম্দৰ্ভত শিক্ষণীয় ইতিহাসৰ শিক্ষা সম্পৰ্কীয় ৰচনা পঢ়া উচিত)। অৱশ্যে 'বামপন্থী কমিউনিষ্টসকলে' শক্তিৰ ভাৰসাম্যৰ প্ৰশ্নটোৰ তাৎপৰ্য্য কিবা বুজি পায় বুলি সামান্যতম ইঙ্গিতো নিদিয়ে।

যেতিয়া আমি নীতিগতভাৱে প্ৰতিৰক্ষাবাদৰ বিৰোধী আছিলোঁ, তেতিয়া আমি প্ৰতীয়মানভাৱে সমাজতন্ত্ৰৰ স্বাৰ্থত, নিজৰ পিতৃভূমিক 'ৰক্ষা কৰিবলৈ' বিচৰা সেইসকলক বিদ্ৰূপ কৰি যথাৰ্থ কামেই কৰিছিলোঁ। যেতিয়া আমি প্ৰলিতাৰীয় প্ৰতিৰক্ষাপন্থী হোৱাৰ অধিকাৰ লাভ কৰিলোঁ, তেতিয়া সমগ্ৰ প্ৰশ্নটোৰ আমূলভাৱে পৰিবৰ্তন ঘটিল। অত্যন্ত সঠিকতাৰে সংশ্লিষ্ট বিভিন্ন শক্তিৰ হিচাপ কৰাটো আমাৰ সহযোগী-মিত্ৰ (আন্তৰ্জাতিক প্ৰলিতাৰিয়েত) যথাসময়ত আমাৰ সাহায্যাৰ্থে আহিবলৈ সক্ষম নেকি সেই সম্ভাৱনাৰ কথা সযত্নে বিবেচনা কৰাটো আমাৰ কৰ্তব্য হৈ পৰিছে। পুঁজিৰ স্বাৰ্থই হ'ল ইয়াৰ শত্ৰুক (বিপ্লৱী প্ৰলিতাৰিয়েতক) ক্ৰমে, সকলো দেশত শ্ৰমিকসকল ঐক্যবদ্ধ হোৱাৰ (প্ৰকৃততেই ঐক্যবদ্ধ, অৰ্থাৎ বিপ্লৱ আৰম্ভ

কৰি) আগে আগেই ধ্বংস কৰা। আমাৰ স্বাৰ্থৰ কথা হ'ল বিপ্লৱী শ্ৰমিকসকলৰ বাহিনীবোৰ একেটি বিৰাট আন্তৰ্জাতিক বাহিনীত যোঁতিয়ালৈকে মিলিত নহৈছে সেই মুহূৰ্তলৈকে (অথবা সেই মুহূৰ্তটিৰ পাছলৈকে) চূড়ান্ত সংগ্ৰাম স্থগিত ৰখাৰ কাৰণে সম্ভাব্য সকলোখিনিকেই কৰা, সামান্যতম সুযোগবো সদ্ব্যৱহাৰ কৰা।

১৯১৮ চনৰ ৯-১১ মে'ত
'প্ৰাভদা' কাকতৰ ৮৮-৯০ সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৭, পৃঃ ৩৩০-৩৩

## শ্ৰমিক-কৃষক-সৈনিক আৰু লাল ফৌজ প্ৰতিনিধিসকলৰ ছোভিয়েতসমূহৰ পঞ্চম সৰ্ব-ৰুছিয়া কংগ্ৰেছ
## ৪-১০ জুলাই, ১৯১৮

### 'গণ-কমিছাৰ পৰিষদৰ প্ৰতিবেদন'ৰ অংশ
### ৫ জুলাই, ১৯১৮ চন

আমাৰ কংগ্ৰেছে দেখুৱাই দিছে যে সকলো ঘটনা সত্ত্বেও সমস্ত মেহনতী জনসাধাৰণৰ মৈত্ৰী-বন্ধন অকল ৰুছিয়াতেই নহয়, গোটেই পৃথিৱী জুৰি বৃদ্ধি পাইছে, ব্যাপ্ত হৈছে আৰু শক্তিশালী হৈ উঠিছে। আমাৰ বিপ্লৱ সম্পৰ্কে বাহিৰৰ দেশবোৰত ইমান কম জানে যে সেয়া অবিশ্বাস্য। সেই ঠাইবোৰৰ সামৰিক চেন্সৰ ব্যৱস্থাই একোকেই সৰকি যাবলৈ নিদিয়ে। বিদেশৰপৰা উভতি অহা কমৰেডসকলে সেই কথা আমাক কৈছে; তথাপি এই সকলো সত্ত্বেও, কেৱল সহজাত প্ৰবৃত্তিৰেই চালিত হৈ ইউৰোপীয় শ্ৰমিকসকলে বলছেভিক চৰকাৰৰ প্ৰতি সহানুভূতি জনাইছে। আৰু ক্ৰমবৰ্দ্ধমান অগণন কণ্ঠস্বৰত প্ৰকাশ পাইছে যে ইউৰোপত সাম্ৰাজ্যবাদী যুদ্ধ এতিয়াও চলি থকা সেই দেশবোৰত সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰতি সহানুভূতি বৃদ্ধি পাইছে। বলছেভিক চৰকাৰে জাৰ্মান সমাজতন্ত্ৰীসকলৰপৰা আৰু ক্লাৰা জেট্‌কিন, ফ্ৰানট্‌জ মেহৰিং প্ৰমুখ্যে লোকসকলৰ দৰে অন্যান্য এনে বহু নৰ-নাৰীৰপৰা কৃতজ্ঞতা, সহানুভূতি আৰু সমৰ্থনসূচক বক্তব্য লাভ কৰিছে, যিসকলৰ নাম প্ৰতিজন জ্ঞানোদ্দীপ্ত শ্ৰমিক-কৃষকৰ ওচৰত সুপৰিচিত। ইটালিত পাৰ্টিৰ বয়োবৃদ্ধ সম্পাদক লাৎছাৰি, যিজনে ছিমেৰ্ভাল্ডত বলছেভিকসকলক অবিশ্বাসৰ চকুৰে চাইছিল, তেওঁ এতিয়া আমাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰাৰ কাৰণে বন্দীশালত আছে।

বিপ্লৱ সম্পৰ্কে মানুহৰ উপলব্ধি বাঢ়িছে। ফ্ৰান্সত, যিসকল কমৰেডে আৰু শ্ৰমিকে ছিমেৰ্ভাল্ড সম্মিলনত বলছেভিকসকলক গভীৰ অবিশ্বাসেৰে আচৰণ-ব্যৱহাৰ কৰিছিল, সেইসকলেই আকৌ কেইদিনমানৰ আগতে বলছেভিক চৰকাৰৰ প্ৰতি সমৰ্থন জনোৱাৰ ঐকান্তিক আবেদন জনাই আৰু যিকোনো পাৰ্টিৰ হঠকাৰিতাৰ বিৰোধিতা কৰি আন্তৰ্জাতিক সম্পৰ্ক কমিটিৰ [১৪৬] নামত এখন ইস্তাহাৰ প্ৰচাৰ কৰিছে।

গতিকেই কমৰেডসকল, আমাৰ সমুখত পৰি থকা এই সময়ছোৱা যিমানেই কঠিন আৰু কষ্টকৰ নহওক লাগিলে, আমাৰ কৰ্তব্য হ'ল সত্য কথা দাঙি ধৰা আৰু এই সম্পৰ্কে জনসাধাৰণক সচেতন কৰা, কাৰণ একমাত্ৰ জনসাধাৰণেইহে তেওঁলোকৰ উদ্যোগ আৰু সংগঠনৰ যোগে, দাবীৰ পাছত দাবী আগ বঢ়োৱাৰ মাজেৰে আৰু সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰক সমৰ্থন কৰাৰ যোগে আমাক সাহায্য কৰিব পাৰে। কমৰেডসকল, সেয়ে আমি কওঁ, আমি বাছি লোৱা আৰু ঘটনাৱলীয়ে সাব্যস্ত কৰা এই পথ যদি আমি অনুসৰণ কৰোঁ, আমি যদি এই পথ দৃঢ়তাৰে আৰু অবিচলভাৱে অনুসৰণ কৰোঁ, যদি আমি কোনো ববকথীয়া চাল, মোহ, প্ৰৱঞ্চনা কিম্বা উন্মাদনাত উঁটি সঠিক পথৰপৰা নিজক বিপথগামী হ'বলৈ নিদিওঁ, তেনেহ'লে আমাৰ অৱস্থান ৰক্ষা কৰাৰ আৰু ৰাছিয়াত সমাজতন্ত্ৰৰ বিজয়ক দৃঢ়তাৰে অধিক আগুৱাই নিয়াৰ ক্ষেত্ৰত আৰু এনেকৈয়ে বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ জয়ক আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলো সম্ভাৱনাই যে আমাৰ আছে, সেই সম্পৰ্কে লেশমানো সন্দেহ নাই! (বহুত পৰলৈকে বিৰাট হাত-চাপৰি আৰু হৰ্ষধ্বনি।)

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৭, পৃঃ ৫২৭-২৮

## 'কাৰখানা কমিটিসমূহৰ মস্কো গুবেৰ্নিয়া সম্মিলনত উত্থাপিত প্ৰতিবেদনৰ অংশ
## ২৩ জুলাই, ১৯১৮ চন

### বাৰ্তাবিকাকতৰ বিৱৰণ

(লেনিন সম্মিলন-কক্ষত উপস্থিত হোৱাৰ লগে লগে তুমুল প্ৰশংসা-ধ্বনিৰে সম্বৰ্দ্ধিত হয় আৰু এই আনন্দ-উচ্ছ্বাস কেবামিনিটলৈকে থাকে।) যোৱা কেইদিনমানৰ ভিতৰত ছোভিয়েত প্ৰজাতন্ত্ৰৰ অৱস্থাৰ চূড়ান্ত অৱনতি দেখা গৈছে, আন্তৰ্জাতিকভাৱে এই দেশৰ অৱস্থানৰ কাৰণে আৰু প্ৰতিবৈপ্লৱিক বিভিন্ন ষড়যন্ত্ৰ আৰু সিবোৰৰ লগত ঘনিষ্ঠভাৱে জড়িত খাদ্য-সংকটৰ কাৰণেই অৱস্থাটোৰ সৃষ্টি।

আপোনালোকৰ অনুমতি লৈ মই আন্তৰ্জাতিক পৰিস্থিতি সম্পৰ্কে অলপ আলোচনা কৰিব খোজোঁ। ৰুছ বিপ্লৱ হৈছে আন্তৰ্জাতিক সমাজতান্ত্ৰিক বাহিনীৰ অন্যতম অংশ মাথোন, এই বাহিনীৰ কামৰ ওপৰতেই আমাৰ বিপ্লৱৰ সাফল্য আৰু বিজয় নিৰ্ভৰ কৰিছে। এই ঘটনাটো আমাৰ কোনেও লক্ষ্য নকৰাকৈ থাকিব নোৱাৰে। তেনেকৈয়ে আমি মনত ৰাখোঁ যে বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ আন্দোলনত ৰুছ প্ৰলিতাৰিয়েতৰ অগ্ৰণী ভূমিকা এই দেশৰ অৰ্থনৈতিক বিকাশৰ কাৰণে নহয়। ইয়াৰ বিপৰীতে, এয়া বৰঞ্চ ৰুছিয়াৰ পশ্চাৎপদতা, যাক আমাৰ দেশীয় বুৰ্জোৱা শ্ৰেণী বোলা হয় তেওঁলোক যুদ্ধ আৰু ইয়াৰ অৱসানৰ লগত সংশ্লিষ্ট বিৰাট বিৰাট সমস্যা সমাধা কৰিবলৈ অক্ষম হোৱাৰ ফলতেই প্ৰলিতাৰিয়েতে ৰাজনৈতিক ক্ষমতা দখল কৰি নিজৰ শ্ৰেণীগত একনায়কত্ব প্ৰতিষ্ঠা কৰিব পাৰিলে।

ইয়াৰ বিপ্লৱৰ বিচ্ছিন্নতা সম্পৰ্কে সচেতন ৰুছ প্ৰলিতাৰিয়েতে স্পষ্টৰূপেই উপলব্ধি কৰে যে ইয়াৰ বিজয়ৰ কাৰণে এটা অপৰিহাৰ্য্য চৰ্ত আৰু প্ৰধান প্ৰয়োজন হ'ল সমগ্ৰ পৃথিৱীৰ, কিম্বা পুঁজিবাদৰ পিনৰপৰা অগ্ৰসৰ কিছুমান দেশৰ শ্ৰমিকসকলৰ ঐক্যবদ্ধ কৰ্মতৎপৰতা। কিন্তু ৰুছ প্ৰলিতাৰিয়েতে ইয়াকো ভালদৰেই জানে যে প্ৰত্যেক দেশতে ইয়াৰ প্ৰতিশ্ৰুত আৰু অপ্ৰতিশ্ৰুত দুই ধৰণৰ বন্ধুৱেই আছে। উদাহৰণ হিচাপে, এনে কোনো

এখন দেশ নাই, য'ৰ বন্দীশালবোৰ ছোভিয়েত ৰুছিয়াৰ প্ৰতি সহানুভূতিশীল আন্তৰ্জাতিকতাবাদীসকলেৰে ভৰপূৰ নহয়; এনে কোনো দেশ নাই, য'ত বৈপ্লৱিক সমাজতান্ত্ৰিক চিন্তা প্ৰকাশ্য কিম্বা গোপন কাকত-আলোচনী আদিত প্ৰকাশ পোৱা নাই। আৰু সেয়ে, আমাৰ প্ৰকৃত বন্ধুসকলক চিনি পাওঁ বুলিয়েই আমি কেৰেনস্কি আৰু তেওঁৰ আক্ৰমণক [১৪৭] সমৰ্থন কৰা সেই মেনছেভিকসকলৰ [১৪৮] লগত কোনো বুজাবুজিলৈ আহিবলৈ অস্বীকাৰ কৰোঁ।

এই শেষোক্ত প্ৰসঙ্গত জুন মাহৰ আক্ৰমণৰ বিষয়ে ব্ৰিটিছ কাকত 'Workers' Dreadnought'-ত [১৪৯] প্ৰকাশিত হোৱা আন্তৰ্জাতিকতাবাদী ৰোজা লুক্সেমবুৰ্গৰ এখন চিঠি (আকাৰত সৰু হলেও সাৰমৰ্মৰ ফালৰপৰা কিন্তু স্পষ্টভাৱে আন্তৰ্জাতিকতাবাদী) অত্যন্ত তাৎপৰ্য্যপূৰ্ণ। ৰোজা লুক্সেমবুৰ্গে এই মত পোষণ কৰে যে মহান ৰুছ বিপ্লৱৰ আন্তৰ্জাতিকতাবাদ কেৰেনস্কিৰ আক্ৰমণত আৰু ইয়াৰ প্ৰতি ছোভিয়েতসমূহৰ প্ৰথম সদৌ-ৰুছ কংগ্ৰেছৰ সম্মতি আৰু অনুমোদনত ক্ষুণ্ণ হৈছিল। বিপ্লৱী ৰুছিয়াৰ এই আক্ৰমণে পশ্চিমত বিপ্লৱৰ অগ্ৰগতি ব্যাহত কৰিছিল আৰু একমাত্ৰ প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ ফলতেই, ইয়াৰ দ্বাৰা সমস্ত ক্ষমতা গ্ৰহণৰ ফলতেই মাথোন গোপন চুক্তিবোৰ ব্যৰ্থ হৈ যায় আৰু সিবোৰৰ লুণ্ঠনমূলক সাম্ৰাজ্যবাদী চৰিত্ৰ উদ্‌ঘাটিত হয়, আৰু তাৰ ফলস্বৰূপেই ইউৰোপত ঘটনাৱলীৰ বৈপ্লৱিক বিকাশ ত্বৰান্বিত হয়। ৰাজ্য-গ্ৰাস কিম্বা ক্ষতিপূৰণ [১৫০] অবিহনে এক গণতান্ত্ৰিক শান্তি সম্পাদনৰ কাৰণে সকলো জাতিৰ উদ্দেশ্যে জনোৱা আমাৰ আবেদনেও পশ্চিমত জাগৰণ আৰু প্ৰলিতাৰীয় কৰ্মোদ্যোগ বিকশিত কৰাত সমানে শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰে। এই সকলো বৈপ্লৱিক ক্ৰিয়াকলাপে সমগ্ৰ পৃথিৱীৰ শ্ৰমিকসকলৰ দৃষ্টি প্ৰখৰ কৰি তুলিছে, আৰু বুৰ্জোৱা তথা দলত্যাগী সমাজতন্ত্ৰী গোষ্ঠীবোৰৰ পক্ষৰপৰা কোনো চেষ্টায়েই তেওঁলোকৰ জাগ্ৰত শ্ৰেণী-চেতনাক অস্পষ্ট কৰিবলৈ সক্ষম হ'ব নোৱাৰিব। কেৰেনস্কিক ব্ৰিটিছ শ্ৰমিকসকলে যিদৰে অভ্যৰ্থনা জনাইছে তাৰপৰা এই কথা স্পষ্টভাৱে দেখা গৈছে। ৰুছ বিপ্লৱৰ আকৰ্ষণীয় শক্তিয়ে যুদ্ধ লগাৰ পাছত জাৰ্মান শ্ৰমিকসকলৰ প্ৰথম ব্যাপক আকাৰৰ কৰ্মতৎপৰতাৰ মাজত তাৰ অভিব্যক্তি লাভ কৰিছে, যেতিয়া এই শ্ৰমিকসকলে বাৰ্লিন আৰু অন্যান্য শিল্প-প্ৰধান কেন্দ্ৰত বিৰাট ধৰ্মঘট

কবি ব্ৰেস্ত আলোচনা [১৫১] সম্পৰ্কে তেওঁলোকৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। জাতীয়তাবাদৰ ধোঁৱাৰে আচ্ছন্ন আৰু উগ্ৰ-স্বাদেশিকতাৰ বিহেৰে মতলীয়া এখন দেশত প্ৰলিতাৰিয়েতৰ এই কৰ্মতৎপৰতা অত্যন্ত গুৰুত্বপূৰ্ণ এটি ঘটনা আৰু ই জাৰ্মান প্ৰলিতাৰিয়েতৰ মাজত মনোভাৱৰ পৰিৱৰ্তনৰ কথাকেই চিহ্নিত কৰে।

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৭, পৃঃ ৫৪৫-৪৬

সাম্ৰাজ্যবাদী সম্পৰ্কৰ, হীন সাম্ৰাজ্যবাদী সন্ধি-চুক্তিৰ, সাম্ৰাজ্যবাদী শৃঙ্খলৰ লোহাৰ বেৰী ভঙাৰ কাৰণে -- শিকলি ছিঁঙি মুক্তিল্যভৰ কাৰণে আৰু তাকে কৰিবলৈ যাওঁতে অশেষ আত্মত্যাগ স্বীকাৰ কৰাৰ কাৰণে -- সাম্ৰাজ্যবাদীহ'তৰ দ্বাৰা বিদীৰ্ণ আৰু লুণ্ঠিত হলেও এখন সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰ হিচাপে সাম্ৰাজ্যবাদী যুদ্ধৰ বাহিৰত থকাৰ বাবে আৰু সমগ্ৰ বিশ্বৰ আগত শান্তিৰ পতাকা, সমাজতন্ত্ৰৰ পতাকা উৰ্দ্ধত তুলি ধৰাৰ কাৰণে গোটেই বিশ্বৰ শ্ৰমিকসকলে, তেওঁলোক যিকোনো দেশতেই বসবাস নকৰক লাগিলে, সকলোৰেই আমাক অভিনন্দন জনাইছে, আমাৰ প্ৰতি সহানুভূতি জনাইছে, প্ৰশংসা জ্ঞাপন কৰিছে।

ইয়াৰ কাৰণেই আন্তৰ্জাতিক সাম্ৰাজ্যবাদী দলে যে আমাক ঘৃণা কৰে, আমাক 'অভিযুক্ত কৰে', আমাৰ দক্ষিণপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰি আৰু মেনছেভিকসকলকো ধৰি সাম্ৰাজ্যবাদীহ'তৰ সকলো বহুতীয়ায়ো আমাক 'অভিযুক্ত কৰে' তাত আচৰিত হ'বলৈ একো নাই। বলছেভিক-সকলৰ প্ৰতি সাম্ৰাজ্যবাদৰ এই বথীয়া-কুকুৰবোৰে প্ৰকাশ কৰা ঘৃণা-বিদ্বেষ আৰু পৃথিৱীৰ শ্ৰেণী-সচেতন শ্ৰমিকসকলৰ এই সহানুভূতিয়ে আমাৰ আদৰ্শৰ ন্যায্যতা সম্পৰ্কেই আমাৰ মনত বহুত বেছি পৰিমাণে দৃঢ় প্ৰত্যয় জন্মায়।

বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে জয়লাভৰ কাৰণে, শ্ৰমিকসকলৰ হাতলৈ ক্ষমতা অহাৰ কাৰণে, বিশ্ব প্ৰলিতাৰীয় বিপ্লৱ আৰম্ভ কৰাৰ কাৰণে আমি যে আমাৰ ভূখণ্ডৰ অংশ ত্যাগ, সাম্ৰাজ্যবাদৰ হাতত ভীষণ পৰাজয় সহ্যকো ধৰি কঠোৰতম ত্যাগ স্বীকাৰ কৰিবলৈও দ্বিধা-বোধ কৰিব নোৱাৰো আৰু কৰিব নালাগিবও সেই কথা এজন প্ৰকৃত সমাজতন্ত্ৰীয়ে বুজিবলৈ ব্যৰ্থ নহ'ব। এজন প্ৰকৃত সমাজতন্ত্ৰীয়ে সমাজতান্ত্ৰিক বিপ্লৱৰ আদৰ্শক যথাৰ্থতে

আগুৱাই নিয়াৰ কাৰণে 'তেওঁৰ' দেশৰ চূড়ান্ত ত্যাগ-স্বীকাৰত তেওঁৰ বাসনাক **কৰ্মৰ** মাজেৰে প্ৰমাণ কৰিব লাগে।

'সিবোৰৰ' আদৰ্শৰ কাৰণে অৰ্থাৎ বিশ্ব আধিপত্য লাভ কৰাৰ কাৰণে ব্ৰিটেইন আৰু জাৰ্মানিৰ সাম্ৰাজ্যবাদীহঁতে বেলজিয়াম আৰু ছাৰ্বিয়াৰপৰা পেলেষ্টাইন আৰু মেছোপটামিয়ালৈকে একোখন সমগ্ৰ দেশক সম্পূৰ্ণে চুৰ্মাৰ কৰিবলৈ আৰু টেঁটু চোঁপ ধৰিবলৈ অকণো সংকোচ কৰা নাই। কিন্তু সমাজতন্ত্ৰীসকলে জানো 'সিবিলাকৰ' আদৰ্শ লৈ, পুঁজিৰ যুৱলিৰপৰা সমগ্ৰ পৃথিৱীৰ মেহনতী জনসাধাৰণক মুক্ত কৰাৰ, বিশ্ব-জোৰা আৰু স্থায়ী শান্তি অৰ্জন কৰাৰ আদৰ্শ লৈ ত্যাগ-স্বীকাৰ নকৰাকৈ কোনো পথ বিচাৰি পোৱা সময়লৈকে অপেক্ষা কৰিব? সহজে বিজয় অৰ্জন নিশ্চিত নোহোৱালৈকে তেওঁলোকে জানো যুদ্ধ চলাবলৈ ভয় খাব? তেওঁলোকে জানো 'সিবিলাকৰ' বুৰ্জোৱা-সৃষ্ট 'পিতৃভূমিৰ' অখণ্ডতা আৰু নিৰাপত্তাক বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ স্বাৰ্থৰ ঊৰ্দ্ধত স্থান দিব? আন্তৰ্জাতিক সমাজতান্ত্ৰিক আন্দোলনত যিবিলাক দুৰ্জনে এনেদৰে চিন্তা কৰে, যিবোৰ বহতীয়া দাসে বুৰ্জোৱা নৈতিকতাৰ ওচৰত হীনভাৱে সেও মানে, তেওঁলোক গৰিহণা খোৱাৰ যোগ্য।

১৯১৮ চনৰ ২০ আগষ্টত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ৬৫-৬৬

## ৰুছ কমিউনিষ্ট পার্টি (বলশ্বেভিক) কেন্দ্রীয় কার্য্যনির্বাহী কমিটি [১৫২], মস্কো ছোভিয়েত আৰু কাৰখানা কমিটিৰ আৰু ট্ৰেড ইউনিয়নসমূহৰ প্ৰতিনিধিবৃন্দৰ এখন যুটীয়া অধিৱেশনলৈ চিঠি

৩ অক্টোবৰ, ১৯১৮ চন

জাৰ্মানি এটা ৰাজনৈতিক সংকটৰ কবলত পৰিছে। চৰকাৰ আৰু সাধাৰণভাৱে সকলো শোষক শ্ৰেণীৰ আতংকিত বিহ্বলতা সমগ্ৰ জনসাধাৰণৰ আগত যথেষ্ট পৰিমাণে স্পষ্ট হৈ পৰিছে। সামৰিক পৰিস্থিতিৰ নিৰাশজনক অৱস্থা আৰু মেহনতী জনসাধাৰণৰ মাজত শাসক শ্ৰেণীবোৰৰ প্ৰতি সমৰ্থনৰ অভাৱ একে খন্দাতেই উন্মাটিত হৈ গৈছে। এই সংকটৰ অৰ্থ হ'ল এই যে বিপ্লৱ আৰম্ভ হৈছে, নহলেবা ই অনিবাৰ্য্য আৰু আসন্ন বুলি জনসাধাৰণে অন্ততঃ স্পষ্টকৈ বুজি পাইছে।

চৰকাৰে নৈতিকভাৱে পদত্যাগ কৰিছে আৰু ই এক উন্মাদজনক অনিশ্চয়তাৰ অৱস্থাত আছে, সামৰিক একনায়কত্ব আৰু সংযুক্ত মন্ত্ৰীসভাৰ মাজত দোধোৰ-মোধোৰ কৰিছে। কিন্তু সামৰিক একনায়কতন্ত্ৰ, আচলতে ক'বলৈ গলে যুদ্ধ লগাৰ সময়ৰেপৰাই পৰীক্ষাধীন হৈ আহিছে, আৰু এতিয়া ই সাধনযোগ্য অৱস্থাত আৰু নাই, কাৰণ সৈন্যবাহিনী অবিশ্বাসী হৈ পৰিছে। আৰু মন্ত্ৰীসভাত ছাইডেমান আৰু তেওঁৰ সঙ্গীবৃন্দৰ প্ৰৱেশাধিকাৰে কেৱল বৈপ্লৱিক বিস্ফোৰণকেই ত্বৰান্বিত কৰিব আৰু বুৰ্জোৱা শ্ৰেণীৰ এই যিসকল ভৃত্য, দুৰ্নীতিপৰায়ণ ব্যক্তিবিশেষ ঠিক যেনেকৈ আমাৰ মেনছেভিক আৰু ছচিয়েলিষ্ট-বিভলিউছনেৰিবোৰৰ নিচিনা [১৫৩], ব্ৰিটেইনত হেণ্ডাৰছন আৰু ছিডনি ওৱেব প্ৰভৃতিৰ নিচিনা, ফ্ৰান্সত আলবেৰ তমা আৰু ৰেনোদেল ইত্যাদি লোকৰ নিচিনা — সেইসকলৰ পুতৌজনক অক্ষম অৱস্থাৰ পূৰ্ণ উন্মাটনৰ পাছত সেই বিস্ফোৰণক অধিক ব্যাপক, অধিক সচেতন, অধিক দৃঢ় আৰু কৃতসংকল্প কৰি তুলিব।

জাৰ্মানিত সংকট আৰম্ভ হৈছেহে মাথোন। অনিবাৰ্য্যভাৱেই জাৰ্মান প্ৰলিতাৰিয়েতৰ হাতলৈ ৰাজনৈতিক ক্ষমতা যোৱাৰ মাজেদি এই সংকটৰ সমাপ্তি ঘটিব। ৰুছ প্ৰলিতাৰিয়েতে অতি গভীৰ মনোযোগেৰে আৰু উদ্দীপনাৰে ঘটনাৱলী লক্ষ্য কৰিছে। আজি বিভিন্ন দেশত নিচেই দৃষ্টিহীন

শ্ৰমিকসকলেও আনকি দেখিবলৈ পাব যে সকলো ধৰণৰ অশেষ ত্যাগ-স্বীকাৰ কৰিবলৈ অলপো ভয় নকৰি বলছেভিকসকলে পৃথিৱীৰ শ্ৰমিকসকলৰ বিপ্লৱৰ সমৰ্থনৰ ভিত্তিত তেওঁলোকৰ সমগ্ৰ কৰ্মকৌশল প্ৰতিষ্ঠিত কৰি সঠিক কামেই কৰিছিল। মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলে প্ৰতীয়মানভাৱে ব্ৰেস্ত-লিতভ্স্ক শান্তি চুক্তি বন্দ কৰাৰ কাৰণে লুণ্ঠনকাৰী ব্ৰিটিছ আৰু ফৰাচী বুৰ্জোৱা শ্ৰেণীৰ লগত মিত্ৰতা স্থাপন কৰি সমাজতন্ত্ৰৰ প্ৰতি কেনেকৈ অকথনীয় হীন বিশ্বাসঘাতকতা কৰিছিল তাক আজি আনকি অতি অজ্ঞজনেও দেখিবলৈ পাব। জাৰ্মানিত সাম্ৰাজ্যবাদ-বিৰোধী শক্তিবোৰ যেতিয়া বিক্ষুব্ধ আৰু আলোড়িত হ'বলৈ আৰম্ভ কৰিছে আৰু যেতিয়া জাৰ্মান বুৰ্জোৱা শ্ৰেণীৰ মুখপাত্ৰসকলে এনেকুৱা এটা শান্তি চুক্তি সম্পাদন কৰাৰ বাবে তেওঁলোকৰ জনসাধাৰণৰ ওচৰত নিজৰ অপৰাধহীনতা প্ৰচাৰ কৰিবলৈ ধৰিছে আৰু তেওঁলোকৰ নীতি 'সলনি কৰাৰ' উপায় বিচাৰিবলৈ আৰম্ভ কৰিছে সেই মুহূৰ্তত ব্ৰেস্ত-লিতভ্স্ক শান্তি চুক্তি লঙ্ঘন কৰাৰ চেষ্টা কৰি ছোভিয়েত চৰকাৰে নিশ্চয় জাৰ্মান সাম্ৰাজ্যবাদীহ'তক সাহায্য নকৰিব।

কিন্তু ৰুছিয়াৰ শ্ৰমিকসকলে মনোযোগ আৰু উৎসাহেৰে ঘটনাৱলীক যে কেৱল লক্ষ্যহে কৰিছে এনে নহয়। তেওঁলোকে দাবী কৰিছে যে, যিসকলৰ সন্মুখত কঠোৰতম পৰীক্ষাই অপেক্ষা কৰি আছে, দাসত্বৰপৰা মুক্তিলৈ অতি কঠিন এক উত্তৰণৰ, তেওঁলোকৰ **নিজৰ আৰু ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে** অত্যন্ত অনমনীয় এক সংগ্ৰামৰ পৰীক্ষা, সেই **জাৰ্মান শ্ৰমিকসকলৰ সাহায্যাৰ্থে** সকলোখিনি কৰিব লাগিব। জাৰ্মান সাম্ৰাজ্যবাদৰ পৰাজয়ৰ ফলস্বৰূপে অলপ দিনলৈ ব্ৰিটিছ আৰু ফৰাচী সাম্ৰাজ্যবাদৰ ঔদ্ধত্য, পাশৱিকতা, প্ৰতিক্ৰিয়া আৰু ৰাজ্যগ্ৰাসমূলক প্ৰচেষ্টা বাঢ়ি যাব।

ৰুছিয়াৰ বলছেভিক শ্ৰমিক শ্ৰেণী সদায়ে কাৰ্যক্ষেত্ৰত আন্তৰ্জাতিকতাবাদী হৈ আহিছে; দ্বিতীয় আন্তৰ্জাতিকৰ যিসকল বীৰ আৰু নেতাই তেওঁলোকৰ বুৰ্জোৱা শ্ৰেণীৰ লগত মৈত্ৰী-সহযোগিতা স্থাপন কৰি প্ৰত্যক্ষভাৱে বিশ্বাসঘাতকতাৰ আশ্ৰয় লয়, কিম্বা বৰ-কথাৰ মেৰপাক আৰু বিভিন্ন অজুহাতৰ মাজেৰে (কাউৎস্কি, অট্টো বাউয়েৰ আৰু সঙ্গীবৃন্দই কৰাৰ দৰে) বিপ্লৱ পৰিহাৰ কৰাৰ চেষ্টা কৰে আৰু শ্ৰমিকসকলৰ বিপ্লৱ আগুৱাই নিয়াৰ কাৰণে সমস্ত বলিষ্ঠ আৰু বিৰাট বৈপ্লৱিক অভিযানৰ, সংকীৰ্ণ জাতীয় স্বাৰ্থ বিসৰ্জনৰ বিৰোধিতা কৰে, সেই দুৰ্জন লোকৰ লগত এই বলছেভিক শ্ৰমিক শ্ৰেণীৰ সাদৃশ্য নাই।

বুছিয়াৰ শ্ৰমিকসকলে বুজি পাব যে অতি সোনকালেই তেওঁলোকে আন্তৰ্জাতিকতাবাদৰ স্বাৰ্থত অশেষ ত্যাগ-স্বীকাৰ কৰিব লাগিব। এনে সময় ওচৰ চাপি আহিছে যেতিয়া অৱস্থাৰ কাৰণে আমি জাৰ্মান জনসাধাৰণৰ সাহায্যাৰ্থে আগুৱাই যাব লগা হ'ব পাৰে, এই জাৰ্মান জনসাধাৰণে তেওঁলোকৰ নিজৰ সাম্ৰাজ্যবাদৰ গৰাহৰপৰা মুক্তিৰ কাৰণে, ব্ৰিটিছ আৰু ফৰাচী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি যাব।

আহক, এতিয়াই প্ৰস্তুত হ'বলৈ আৰম্ভ কৰা যাওক। দেখুৱাই দিয়া যাওক যে পৃথিৱীৰ শ্ৰমিকসকলৰ বিপ্লৱ আৰু ৰুছ বিপ্লৱ যেতিয়া অগ্নি-পৰীক্ষাৰ সমুখীন হৈছে, তেতিয়া ৰুছ শ্ৰমিকসকল আৰু বেছি কঠিন কাম কৰিবলৈ, যুঁজিবলৈ আৰু বহুতে বেছি আত্মত্যাগ কৰি মৃত্যু বৰণ কৰিবলৈ সক্ষম।

সৰ্বপ্ৰথমে, গুটি শস্যৰ মজুত-ভঁৰাল গঢ়ি তোলাৰ কাৰণে আমাৰ প্ৰচেষ্টা যথেষ্ট বঢ়োৱা যাওক। প্ৰতিজ্ঞা কৰা যাওক যে সাম্ৰাজ্যবাদী দানৱ আৰু পশুবোৰৰ কবলৰপৰা মুক্তিৰ সংগ্ৰামত জাৰ্মান শ্ৰমিকসকল যদি কেনেবাকৈ আহুকালত পৰে, তেনেহলে তেওঁলোকৰ সাহায্যাৰ্থে প্ৰত্যেক বৃহৎ শস্য-উত্তোলনৰপৰাই যাতে কিছু পৰিমাণ গুটি-শস্য আছুতীয়াকৈ ৰাখি থোৱা হয়। প্ৰত্যেক পাৰ্টি সংগঠন, প্ৰত্যেক ট্ৰেড ইউনিয়ন, প্ৰত্যেক কাৰখানা আৰু যন্ত্ৰশাল প্ৰভৃতিয়ে যেন কৃষকসকলৰ লগত মৈত্ৰী সুদৃঢ় কৰাৰ উদ্দেশ্যেৰে, তেওঁলোকক সাহায্য কৰাৰ আৰু জ্ঞান প্ৰদান কৰাৰ, কুলাকহ'তক [১৫৪] পৰাস্ত কৰাৰ আৰু সমস্ত উদ্বৃত্ত গুটি-শস্যৰ শেষ আউন্সটিলৈকে সংগ্ৰহ কৰাৰ উদ্দেশ্যেৰে তেওঁলোকৰ নিজস্ব বাছনিৰ কেতবোৰ গাওঁ অঞ্চলৰ লগত বিশেষ সম্পৰ্ক গঢ়ি তোলে।

আহক, তেনেকৈয়ে আমি এটি প্ৰলিতাৰীয় ৰেড আৰ্মি (লাল ফৌজ) গঢ়াৰ কামত আমাৰ প্ৰচেষ্টা বহুগুণে বঢ়াই তোলোঁহ'ক। সেই সন্ধিক্ষণ সমাগত — আমি আটায়ে ইয়াক জানোঁ, আমি সকলোৱে দেখোঁ আৰু ইয়াক অনুভৱ কৰোঁ। শ্ৰমিকসকলে আৰু শ্ৰমজীৱী কৃষকসকলে সাম্ৰাজ্যবাদী নিধনযজ্ঞৰ বিভীষিকাৰপৰা সকাহ পাইছে; তেওঁলোকে উপলব্ধি কৰিছে আৰু অভিজ্ঞতাৰপৰা শিকিছে যে তেওঁলোকৰ বিপ্লৱৰ, শ্ৰমজীৱী জনসাধাৰণৰ বিপ্লৱৰ অৰ্জিত সাফল্যৰাজিক, তেওঁলোকৰ চৰকাৰ, ছোভিয়েত চৰকাৰক ৰক্ষা কৰাৰ কাৰণে, নিপীড়নকাৰীৰ বিৰুদ্ধে যুঁজ চলাব লাগিব। এটি সৈন্যবাহিনী সৃষ্টি কৰা হৈছে, শ্ৰমিক আৰু দুখীয়া কৃষকসকলেৰে গঠিত এক লাল ফৌজ, সমাজতন্ত্ৰ ৰক্ষাৰ কাৰণে যিকোনো ত্যাগ-স্বীকাৰ

কৰিবলৈ এওঁলোক প্ৰস্তুত। সেনাবাহিনীৰ শক্তি বৃদ্ধি পাইছে আৰু চেক [১৫৫] আৰু শ্বেতৰক্ষীবোৰৰ [১৫৬] লগত হোৱা যুদ্ধৰ মাজেৰে লৌহ-কঠিন হৈ পৰিছে। এটি সুদৃঢ় ভিত্তি প্ৰতিষ্ঠিত হৈছে, আমি এতিয়া লৰালৰিকৈ দালানটোকেই নিৰ্মাণ কৰিব লাগিব।

আমি বসন্তকালৰ ভিতৰতে এক নিযুত লোকৰ এটি সৈন্যবাহিনী গঢ়াৰ বাবে সিদ্ধান্ত লৈছিলোঁ; এতিয়া আমাক লাগে তিনি নিযুতৰ এক সেনাবাহিনী। আমি ইয়াক প্ৰস্তুত কৰিব পাৰোঁ। **আৰু আমি ইয়াক গঢ়ি তুলিমেই।**

যোৱা কেইদিনমানৰ ভিতৰত বিশ্বৰ ইতিহাসে পৃথিৱীৰ শ্ৰমিকসকলৰ বিপ্লৱক প্ৰচণ্ড গতিবেগ প্ৰদান কৰিছে। অতি বিচিত্ৰ ধৰণৰ পৰিৱৰ্তনবোৰো সম্ভৱ, ছোভিয়েত চৰকাৰৰ বিৰুদ্ধে জাৰ্মান আৰু ইঙ্গ-ফৰাচী সাম্ৰাজ্যবাদৰ মাজত এটা মৈত্ৰী-গোট স্থাপনৰ প্ৰচেষ্টা চলিব পাৰে।

আৰু আমিও আমাৰ প্ৰস্তুতি খৰতকীয়া কৰিব লাগিব। আমাৰ প্ৰচেষ্টাক কেবাগুণে বঢ়াব লাগিব।

এয়াই মহান অক্টোবৰ শ্ৰমিক বিপ্লৱৰ বাৰ্ষিকীৰ কৰ্মধ্বনি হৈ পৰক!

এয়াই হওক বিশ্ব শ্ৰমিক বিপ্লৱৰ আসন্ন বিজয়সমূহৰ কাৰণে প্ৰতিজ্ঞা!

**এন. লেনিন**

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ১০১-১০৪

মই অৱশ্যেই মিঃ কাউৎস্কিৰ 'আন্তৰ্জাতিকতাবাদ' সম্পৰ্কে দুই-এষাৰ কথা ক'বই লাগিব। মেনছেভিকসকলৰ আন্তৰ্জাতিকতাবাদক অতি সহানুভূতিৰে চিত্ৰিত কৰাৰ মাজেৰে তেওঁ অসাৱধানেৰে নিজেই সেই বিষয়ে আলোকপাত কৰিছে; মিঃ কাউৎস্কিয়ে আমাক আশ্বাস দিছে যে তেওঁলোকো ছিমেৰ্ভাল্ডপন্থী [১৫৭] আৰু, বলছেভিকসকলৰ 'ভায়েক' বুলিয়েই ধৰি লব পাৰেচোন!

মেনছেভিকসকলৰ 'ছিমেৰ্ভাল্ডপন্থা' সম্পৰ্কে তেওঁ অ'কা সুন্দৰ ক্ষুদ্ৰ চিত্ৰখনি হ'ল এনেকুৱা:

'মেনছেভিকসকলে সাৰ্বজনীন শান্তি বিচাৰিছিল। তেওঁলোকে বিচাৰিছিল ৰণলিপ্ত সকলোৱেই যাতে এই শ্লোগানটো মানি লয়: কোনো ৰাজ্যগ্ৰাস কিম্বা ক্ষতিপূৰণ নচলিব। তেওঁলোকৰ মতে, যেতিয়ালৈকে এই কৰ্মধ্বনি বাস্তৱত অৰ্জিত নহয় তেতিয়ালৈকে ৰুছ সৈনাবাহিনীয়ে নিজক যুঁজ চলাবলৈ প্ৰস্তুত অৱস্থাত ৰাখিব লাগিছিল...' কিন্তু হতভগা বলছেভিকসকলে সৈন্যবাহিনীক 'বিশৃংখল' কৰি দিলে আৰু জঘন্য ব্ৰেস্ত শান্তি চুক্তি [১৫৮] সম্পাদন কৰিলে... আৰু কাউৎস্কিয়ে যথাসম্ভৱ স্পষ্টভাৱে কয় যে সংবিধান সভা অটুট ৰখা উচিত আছিল, আৰু বলছেভিকসকলে ক্ষমতা গ্ৰহণ কৰা উচিত হোৱা নাই।

তেনেহলে আন্তৰ্জাতিকতাৰ অৰ্থ হৈছে 'নিজৰ' সাম্ৰাজ্যবাদী চৰকাৰক সমৰ্থন কৰা, ঠিক যেনেকৈ মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলে [১৫৯] কেৰেনস্কিক সমৰ্থন কৰিছিল; ইয়াৰ অৰ্থ হৈছে গোপন চুক্তিবোৰক গোপনে ৰখা, ৰহণ লগোৱা মনোহৰ কথা কৈ জনসাধাৰণৰ চকুত ধূলি মৰা, যেনেকৈ উগ্ৰ হিংসুক পশুবোৰে পোহ মানক বুলি আমি 'দাবী কৰিছোঁ', সাম্ৰাজ্যবাদী চৰকাৰবোৰে 'ৰাজ্যগ্ৰাস কিম্বা

ক্ষতিপূৰণ নচলিব বোলা শ্লোগান মানি লওক' বুলি আমি 'দাবী কৰিছোঁ'।

কাউৎস্কিৰ মতে, এয়াই হ'ল আন্তৰ্জাতিকতাবাদ।

আমাৰ মতে, এয়া হৈছে আদৰ্শ বিসৰ্জন।

আন্তৰ্জাতিকতাবাদৰ অৰ্থ হ'ল যিকোনোৱে **নিজৰ** সামাজিক-উগ্ৰস্বাদেশিকতাবাদীসকলৰ (অৰ্থাৎ প্ৰতিৰক্ষাৰ সমৰ্থকসকলৰ) লগত আৰু **নিজৰ** সাম্ৰাজ্যবাদী চৰকাৰৰ লগত সম্পৰ্ক ছিন্ন কৰা; ইয়াৰ অৰ্থ হৈছে সেই চৰকাৰৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰাম চলোৱা আৰু তাক উচ্ছেদ কৰা, আৰু সৰ্বাধিক জাতীয় ত্যাগস্বীকাৰ কৰিবলৈ (আনকি ব্ৰেস্ত শান্তি চুক্তি পৰ্য্যন্ত) সাজু থকা, যদি ইয়াৰ ফলত **বিশ্বৰ** শ্ৰমিকসকলৰ বিপ্লৱৰ বিকাশত উপকাৰ হয়। আমি আটায়ে ভালকৈ জানোঁ যে কাউৎস্কি আৰু তেওঁৰ বন্ধুবৰ্গ (ষ্ট্ৰেবেল, বাৰ্ণষ্টাইন আৰু অন্যান্য) ব্ৰেস্ত শান্তি চুক্তিৰ বাবে হতাশ হৈছিল: আমি যদি এনে এটা 'ইঙ্গিত' ৰাখিলোঁহেঁতেন... যাতে বুজিছিয়াত বুৰ্জোৱা শ্ৰেণীৰ হাতত ততালিকে ক্ষমতা গতাই দিব পৰা যায় তেনেহলে সেইটো ব্যৱস্থা তেওঁলোকৰ মনঃপূত হ'লহেঁতেন! পৃথিৱীত সৰ্বপ্ৰথমে যিখন দেশে বৈপ্লৱিক উপায়েৰে ইয়াৰ সাম্ৰাজ্যবাদক উচ্ছেদ কৰিছে সেই প্ৰলিতাৰীয় ছোভিয়েত প্ৰজাতন্ত্ৰই ইউৰোপত বিপ্লৱ ঘটাইলৈকে নিজক বচাই ৰখাৰ, অন্যান্য দেশত বিশাল বহ্নি-শিখা প্ৰজ্বলিত কৰাৰ বিষয়ত উক্ত সমস্ত ভোতা-বুদ্ধিৰ অথচ অতি ভদ্ৰ আৰু সদয় জাৰ্মান পেটি-বুৰ্জোৱাসকলৰ মুঠেই আগ্ৰহ নাছিল (পেটি-বুৰ্জোৱা শ্ৰেণীয়ে ইউৰোপত বিৰাট অগ্নিদাহলৈ **ভয় কৰে**, তেওঁলোকে গৃহ-যুদ্ধলৈ **ভয় কৰে**, ই যে 'শান্তি আৰু নিৰাপত্তা' বিঘ্নিত কৰিব)। নাই, তেওঁলোক আগ্ৰহী আছিল মাথোন **সকলো** দেশত **পেটি-বুৰ্জোৱা** জাতীয়তাবাদ ৰক্ষা কৰাৰ বিষয়ত, যি জাতীয়তাবাদে ইয়াৰ 'পৰিমিততা আৰু সৌজন্যৰ' কাৰণে নিজক 'আন্তৰ্জাতিকতাবাদ' বুলি অভিহিত কৰে। যদি কেৱল ৰুছ প্ৰজাতন্ত্ৰ বুৰ্জোৱা হৈ থাকিলহেঁতেন আৰু.. অপেক্ষা কৰিলেহেঁতেন.. তেনেহলে পৃথিৱীত প্ৰত্যেকেই সৎ নৰমপন্থী, অ-লুণ্ঠনকাৰী, পেটি-বুৰ্জোৱা জাতীয়তাবাদী হ'লহেঁতেন — আৰু সেয়াই দৰাচলতে হ'লহেঁতেন আন্তৰ্জাতিকতাবাদ!

এয়াই হৈছে জাৰ্মানিত কাউৎস্কিপন্থীসকলৰ, ফ্ৰান্সত ল'গেপন্থীসকলৰ, ইংলণ্ডত ইণ্ডিপেণ্ডেণ্টসকলৰ (আই.এল.পি.) [১৬০], ইটালিত আদৰ্শচ্যুত তুৰাতি আৰু তেওঁৰ 'কমৰেডসকলৰ' আৰু বাকী দলবোৰৰ চিন্তাধাৰা।

আমি যে আমাৰ বুৰ্জোৱা শ্ৰেণীক (আৰু তেওঁলোকৰ অনুচৰ মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলক) উচ্ছেদ কৰি সঠিক কামেই

কৰিছিলোঁ অকল সেয়ে নহয়, গোপন চুক্তিবোৰ প্ৰকাশ আৰু নাকচ কৰাৰ লগে লগে বিশ্বব্যাপী শান্তিৰ কাৰণে আমাৰ প্ৰকাশ্য আবেদন আঁতীত [১৬১] গোষ্ঠীৰ বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা প্ৰত্যাখ্যান হোৱাৰ পাছত ব্ৰেস্ত-লিতভ্স্ক শান্তি চুক্তি সম্পাদন কৰিও আমি যে ঠিকেই কৰিছিলোঁ সেই কথা আজি কেৱল অতি মূৰ্খ লোকেহে বুজি নাপায়। প্ৰথমতঃ, আমি যদি ব্ৰেস্ত শান্তি চুক্তি সম্পাদন নকৰিলোঁহেঁতেন, তেনেহলে আমি ৰুছ বুৰ্জোৱা শ্ৰেণীৰ হাতত ততালিকে আমাৰ ক্ষমতা সমৰ্পণ কৰিব লাগিলহেঁতেন আৰু এনে কাৰ্য্যৰ মাজেৰে আমি বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ অবৰ্ণনীয় ক্ষতি কৰিলোঁহেঁতেন। দ্বিতীয়তঃ, **জাতীয়** ত্যাগস্বীকাৰৰ বিনিময়ত আমি এনে এক আন্তৰ্জাতিক বৈপ্লৱিক প্ৰভাৱ ৰক্ষা কৰিছোঁ যে আজি বুলগেৰিয়াই প্ৰত্যক্ষভাৱে আমাক অনুকৰণ কৰা দেখিবলৈ পাইছোঁ, অষ্ট্ৰিয়া আৰু জাৰ্মানিক আলোড়িত অৱস্থাত দেখা গৈছে, উভয় সাম্ৰাজ্যবাদী ব্যৱস্থাই দুৰ্বল হৈ পৰিছে, অথচ আমি অধিক শক্তিশালী হৈ পৰিছোঁ আৰু এক প্ৰকৃত প্ৰলিতাৰীয় সেনাবাহিনী সৃষ্টি কৰিবলৈ আৰম্ভ কৰিছোঁ।

আদৰ্শচ্যুত কাউৎস্কিৰ কৰ্মকৌশলৰপৰা এই কথাই ওলাই পৰে যে জাৰ্মান শ্ৰমিকসকলে এতিয়া বুৰ্জোৱাসকলৰ লগ লাগি তেন্তে স্বদেশ-ভূমি ৰক্ষা কৰা উচিত আৰু জাৰ্মান বিপ্লৱক আটাইতকৈ বেছি ভয় কৰা উচিত, কিয়নো ব্ৰিটিছসকলে ইয়াৰ ওপৰত ব্ৰেস্ত-লিতভ্স্ক শান্তিৰ এটা নতুন সংস্কৰণ জাপি দিব পাৰে। এয়াই হ'ল আদৰ্শৰপৰা বিচ্যুতি। এয়াই হ'ল পেটি-বুৰ্জোৱা জাতীয়তাবাদ।

আমি অৱশ্যে কওঁ যে ইউক্ৰেনক হেৰুওৱাটো [১৬২] গুৰুতৰ এটা জাতীয় ত্যাগস্বীকাৰ হলেও, ই পৃথিৱীৰ শ্ৰমিকসকলৰ বিপ্লৱৰ কাৰণে বিপ্লৱী যোদ্ধা হিচাপে ইউক্ৰেনৰ শ্ৰমিক আৰু দুখীয়া কৃষকসকলক সুদৃঢ় আৰু **শক্তিশালী** কৰাত সহায় কৰিছিল। ইউক্ৰেনৰ কষ্টভোগ আছিল বিশ্ব বিপ্লৱৰ লাভ, কাৰণ জাৰ্মান ফৌজ দুৰ্নীতিপৰায়ণ হৈছিল, জাৰ্মান সাম্ৰাজ্যবাদ দুৰ্বল হৈ পৰিছিল আৰু জাৰ্মান, ইউক্ৰেনীয় আৰু ৰুছ বিপ্লৱী শ্ৰমিকসকল ক্ৰমশঃ বেছি **ঘনিষ্ঠ** হৈ পৰিছিল।

আমি যদি অকল যুদ্ধৰ মাজেৰেই ভিলহেল্ম আৰু উইলছন দুয়োজনকে ক্ষমতাচ্যুত কৰিব পাৰিলোঁহেঁতেন তেনেহলে অৱশ্যেই 'বৰ ভাল' কথা হ'লহেঁতেন। কিন্তু সেয়া একেবাৰে অৰ্থহীন ভাবনা। বাহিৰৰপৰা আমি এখন যুদ্ধৰ সাহায্যেৰে তেওঁলোকক উচ্ছেদ কৰিব নোৱাৰোঁ। কিন্তু আমি তেওঁলোকৰ **আভ্যন্তৰীণ** ভাঙনক ত্বৰান্বিত কৰিব পাৰোঁ। আমি সেই কাৰ্য্য

ছোভিয়েতৰ, প্ৰলিতাৰীয় বিপ্লৱৰ যোগেদি **বিৰাট পৰিসৰত** অৰ্জন কৰিছোঁ।

**জাৰ্মান** শ্ৰমিকসকলে ইয়াক আনকি অধিক সাফল্যেৰে কৰিব পাৰিব, যদি তেওঁলোকে জাতীয় ত্যাগস্বীকাৰ **উপেক্ষা কৰি** বিপ্লৱ আৰম্ভ কৰে (একমাত্ৰ সেইটোৱেই হৈছে আন্তৰ্জাতিকতাবাদ), যদি তেওঁলোকে কয় (আৰু **কৰ্মৰ মাজেৰে** তেওঁলোকৰ কথা সমৰ্থিত হয়) যে যিকোনো জাতীয় ৰাষ্ট্ৰৰ, আৰু **বিশেষকৈ** তেওঁলোকৰ নিজৰ ৰাষ্ট্ৰৰ অখণ্ডতা, নিৰাপত্তা আৰু শান্তিতকৈ পৃথিৱীৰ শ্ৰমিকসকলৰ বিপ্লৱৰ স্বাৰ্থক বহুত বেছি মূল্য দিয়ে।

* * *

ইউৰোপৰ সবাতোকৈ ডাঙৰ দুৰ্ভাগ্য আৰু বিপদ হ'ল এই যে ইয়াৰ কোনো বৈপ্লৱিক প্যাৰ্টি **নাই**। ইয়াৰ আছে ছাইডেমান, ৰেনোদেল, হেণ্ডাৰছন, ওৱেব প্ৰভৃতিৰ দৰে বিশ্বাসঘাতকবোৰৰ পাৰ্টিবিলাক আৰু কাউৎস্কিৰ দৰে দাসোচিত আত্মাৰ লোকসকলৰ পাৰ্টি। কিন্তু ইয়াৰ কোনো বৈপ্লৱিক পাৰ্টি নাই।

অৱশ্যে এটা বিশাল গণ-বৈপ্লৱিক আন্দোলনে এই ত্ৰুটি সংশোধন কৰিব পাৰে, কিন্তু ই তথাপিও এটা গুৰুতৰ দুৰ্ভাগ্য আৰু ভয়ংকৰ বিপদ।

সেই গতিকেই আমি কাউৎস্কিৰ দৰে আদৰ্শচ্যুতবিলাকৰ মুখা খুলি দিয়াৰ কাৰণে সাধ্যমতে সকলোখিনি কৰিব লাগিব, ইয়াৰ দ্বাৰা **সকলো** দেশতেই অস্তিত্ব থকা প্ৰকৃত আন্তৰ্জাতিকতাবাদী শ্ৰমিকসকলৰ বৈপ্লৱিক **গোষ্ঠীবিলাকক** সমৰ্থন কৰা হ'ব। প্ৰলিতাৰিয়েতে অতি সোনকালেই বিশ্বাসঘাতক আৰু দলত্যাগী আদৰ্শচ্যুতবোৰক নেওচা দিব আৰু উক্ত বৈপ্লৱিক গোষ্ঠীবোৰক অনুসৰণ কৰিব, তেওঁলোকৰ মাজৰপৰাই নেতাসকলক বাছি উলিয়াই আনিব আৰু প্ৰশিক্ষণ দিব। সকলো দেশৰ বুৰ্জোৱা শ্ৰেণীয়ে 'বিশ্ব বলছেভিকবাদ' সম্পৰ্কে যি চিএৰ-বাখৰ লগাইছে তাত আচৰিত হবলৈ একো নাই।

বিশ্ব বলছেভিকবাদে বিশ্ব বুৰ্জোৱা শ্ৰেণীৰ ওপৰত জয়লাভ কৰিবই।

১৯১৮ চনৰ ১২ অক্টোবৰত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ১১০-১৩

## 'প্ৰলিতাৰীয় বিপ্লৱ আৰু আদৰ্শচ্যুত কাউৎস্কি'
### পুথিৰ অংশ

জাৰ্মানিত কাউৎস্কিৰ অনুগামীসকলে, ফ্ৰান্সত লংগেৰ সমৰ্থকসকলে আৰু ইটালিত তুৰাতি আৰু তেওঁৰ সঙ্গীবৃন্দই এনেদৰে যুক্তি দৰ্শায়: সমাজতন্ত্ৰই জাতিসমূহৰ সমতা আৰু স্বাধীনতা, সিহঁতৰ আত্মনিয়ন্ত্ৰণ আগতীয়াকৈ স্বীকাৰ কৰি লয়, গতিকে আমাৰ দেশ যেতিয়া আক্ৰান্ত হয় নাইবা শত্ৰু সৈন্যই যেতিয়া আমাৰ ভূখণ্ডত আক্ৰমণ চলায়, তেতিয়া সমাজতন্ত্ৰীসকলৰ অধিকাৰ আৰু কৰ্তব্য হ'ল তেওঁলোকৰ দেশখনক ৰক্ষা কৰা। কিন্তু তত্ত্বগতভাৱে এনেকুৱা যুক্তি সমাজতন্ত্ৰৰ কেৱল এক বিদ্ৰূপ নহলেবা ছলনাপূৰ্ণ ফালৰি কটাৰ ফন্দি, আৰু বাস্তৱ ৰাজনীতিৰ দৃষ্টিকোণৰপৰা সেই কথা নিচেই অজ্ঞ গাৱঁলীয়া এনে চহাৰ যুক্তিৰ লগত মিলি যায়, যিজনৰ যুদ্ধৰ সামাজিক, শ্ৰেণী-চৰিত্ৰ সম্বন্ধে আৰু প্ৰতিক্ৰিয়াশীল যুদ্ধৰ সময়ত এটা বৈপ্লৱিক পাৰ্টিৰ কৰ্তব্য সম্বন্ধে কোনো ধাৰণাই আনকি নাই।

জাতিসমূহৰ বিৰুদ্ধে হিংসা-বলপ্ৰয়োগক সমাজতন্ত্ৰই বিৰোধিতা কৰে। এই কথা তৰ্কাতীত। কিন্তু সমাজতন্ত্ৰ সাধাৰণভাৱে মানুহৰ বিৰুদ্ধে হিংসাৰ বিৰোধী। খ্ৰীষ্টান নৈৰাজ্যবাদী আৰু তলস্তয়বাদীসকলৰ বাহিৰে অৱশ্যে আন কোনেও ইয়াৰপৰা এই সিদ্ধান্তলৈ অহা নাই যে সমাজতন্ত্ৰ **বৈপ্লৱিক** হিংসাৰ বিৰোধী। গতিকে, যি অৱস্থাত বৈপ্লৱিক হিংসাৰপৰা প্ৰতিক্ৰিয়াশীল হিংসাৰ প্ৰভেদ ঘটে তাক বিচাৰ-বিবেচনা নকৰাকৈ সাধাৰণভাৱে 'হিংসাৰ' কথা কোৱাৰ অৰ্থ হ'ল বিপ্লৱ পৰিত্যাগকাৰী এজন কূপমণ্ডূক হোৱা, নাইবা ইয়াৰ অৰ্থ হ'ল কুতৰ্কৰ মাজেৰে নিজক আৰু আনসকলকো কেৱল প্ৰৱঞ্চনা কৰা।

জাতিসমূহৰ বিৰুদ্ধে হিংসাৰ বিষয়েও একে কথাই প্ৰযোজ্য। প্ৰতিখন যুদ্ধই হৈছে জাতিসমূহৰ বিৰুদ্ধে হিংসা-বলপ্ৰয়োগ, কিন্তু ইয়াৰ ফলত

এখন বৈপ্লৱিক যুদ্ধৰ অনুকূলে যাবলৈ সমাজতন্ত্ৰীসকলক বাধা নিদিয়ে। যুদ্ধৰ শ্ৰেণী-চৰিত্ৰ -- এয়াই হৈছে এজন সমাজতন্ত্ৰীৰ (যদি তেওঁ আদৰ্শচ্যুত নহয়) সমুখত মূল প্ৰশ্ন। ১৯১৪-১৯১৮ চনৰ সাম্ৰাজ্যবাদী যুদ্ধখন হৈছে পৃথিৱীক ভগাভগি কৰি লোৱাৰ কাৰণে, লুটৰ বয়-বস্তু ভাগ কৰাৰ কাৰণে, আৰু ক্ষুদ্ৰ তথা দুৰ্বল জাতিবোৰক লুণ্ঠন কৰা আৰু টেঁটু চেপি মৰাৰ কাৰণে সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীৰ দুটা গোষ্ঠীৰ মাজত এখন যুদ্ধ। ১৯১২ চনত বাছেল ইস্তাহাৰত [১৬৩] আসন্ন যুদ্ধখনৰ সম্পৰ্কে এনেদৰেই মূল্যায়ন কৰা হৈছিল আৰু বাস্তৱ ঘটনাই তাকেই প্ৰতিপন্ন কৰিছিল। যুদ্ধ সম্পৰ্কে এই অভিমতৰপৰা যিয়েই বিচ্যুত হয়, তেওঁ সমাজতন্ত্ৰী নহয়।

ভিলহেল্মৰ অধীনত এজন জাৰ্মানে অথবা ক্লেমাঁছোৰ অধীনত এজন ফৰাচী লোকে যদি কয়, 'মোৰ দেশ শত্ৰুৱে আক্ৰমণ কৰিলে ইয়াক ৰক্ষা কৰাটো এজন সমাজতন্ত্ৰী হিচাপে মোৰ অধিকাৰ আৰু কৰ্তব্য', তেনেহলে তেওঁ এজন সমাজতন্ত্ৰীৰ দৰে, এজন আন্তৰ্জাতিকতাবাদীৰ দৰে, এজন বিপ্লৱী প্ৰলিতাৰীয়ৰ দৰে যুক্তি নিদিয়ে, বৰং যুক্তি দিয়ে এজন পেটি-বুৰ্জোৱা জাতীয়তাবাদীৰ দৰেহে। কিয়নো এই যুক্তিয়ে পুঁজিৰ বিৰুদ্ধে শ্ৰমিকসকলৰ বৈপ্লৱিক শ্ৰেণী-সংগ্ৰামক উপেক্ষা কৰে, বিশ্ব বুৰ্জোৱা শ্ৰেণী আৰু বিশ্ব প্ৰলিতাৰিয়েতৰ দৃষ্টিকোণৰপৰা সামগ্ৰিকভাৱে যুদ্ধৰ মূল্যায়নক উপেক্ষা কৰে, অৰ্থাৎ আন্তৰ্জাতিকতাবাদক উপেক্ষা কৰে, আৰু অৱশিষ্ট যি থাকেগৈ সেয়া হ'ল শোচনীয় আৰু সংকীৰ্ণমনা জাতীয়তাবাদ। মোৰ দেশৰ প্ৰতি অন্যায় কৰা হৈছে, মাত্ৰ সেইকণকে লৈয়েই মোৰ চিন্তা-ভাৱনা -- এয়াই হৈছে এই যুক্তিৰ সাৰমৰ্ম আৰু তাতেই ইয়াৰ পেটি-বুৰ্জোৱা, জাতীয়তাবাদী সংকীৰ্ণমনস্কতা নিহিত। ব্যক্তিগত হিংসা, কোনো এক ব্যক্তিৰ বিৰুদ্ধে হিংসাৰ ক্ষেত্ৰত কোনোবাই যদি এনে যুক্তি দৰ্শায় যে সমাজতন্ত্ৰ হিংসাৰ বিৰোধী, গতিকে জেললৈ যোৱাতকৈ মই বৰঞ্চ বিশ্বাসঘাতকেই হ'ম — তেনেহলে এই ক্ষেত্ৰত যিটো অৱস্থা হয়, সেইটোও একে ধৰণৰ কথাই।

যিজন ফৰাচী, জাৰ্মান বা ইটালীয় লোকে কয়: 'সমাজতন্ত্ৰ জাতিসমূহৰ বিৰুদ্ধে হিংসাৰ বিৰোধী, গতিকে মোৰ দেশ যেতিয়া আক্ৰান্ত হয় তেতিয়া মই নিজক ৰক্ষা কৰোঁ', সেইজনে সমাজতন্ত্ৰ আৰু আন্তৰ্জাতিকতাক বিশ্বাসঘাতকতা কৰে, কাৰণ এনে এজন লোকে কেৱল তেওঁৰ নিজৰ 'দেশকহে' দেখে, তেওঁ 'তেওঁৰ নিজৰ'... বুৰ্জোৱা শ্ৰেণীক অন্য সকলোৰে

ওপৰত স্থান দিয়ে আৰু যি আন্তৰ্জাতিক সংযোগবিলাকে যুদ্ধক এখন সাম্ৰাজ্যবাদী যুদ্ধত পৰিণত কৰে আৰু তেওঁৰ বুৰ্জোৱা শ্ৰেণীক সাম্ৰাজ্যবাদী লুণ্ঠনৰ শিকলিৰ এটা গ্ৰন্থি কৰি তোলে সেই সম্পৰ্কে চিন্তা কৰিও নাচায়।

সকলো কূপমণ্ডূক আৰু সকলো নিৰ্বোধ আৰু অজ্ঞ চহা ধৰণৰ লোকে আদৰ্শচ্যুত কাউৎস্কিৰ সমৰ্থকসকলৰ দৰে, ল'গেৰ অনুগামীৰ দৰে, তুৰাতি আৰু সঙ্গীবৃন্দৰ দৰেই একেদৰে যুক্তি দিয়ে: 'শত্ৰুৱে মোৰ দেশ আক্ৰমণ কৰিছে; মই অন্য একো কথাকেই আৰু বিচাৰ নকৰোঁ'।*

সমাজতন্ত্ৰী, বিপ্লৱী প্ৰলিতাৰিয়েতে, আন্তৰ্জাতিকতাবাদীয়ে যুক্তি আগ বঢ়ায় অন্য ধৰণে। তেওঁ কয়: 'কোন আক্ৰমণকাৰী আছিল, নাইবা কাৰ দেশত 'শত্ৰুৰ' সমাৱেশ ঘটিছে তাৰ ওপৰত যুদ্ধৰ চৰিত্ৰ (ই প্ৰতিক্ৰিয়াশীল নে বিপ্লৱী) নিৰ্ভৰ নকৰে; **কোন শ্ৰেণীয়ে** যুদ্ধ চলাইছে আৰু এই যুদ্ধই কোন ৰাজনীতিৰ ধাৰাবাহিকতা ৰক্ষা কৰিছে তাৰ ওপৰতহে ই নিৰ্ভৰ কৰে। যুদ্ধখন যদি প্ৰতিক্ৰিয়াশীল, সাম্ৰাজ্যবাদী যুদ্ধ হয়, অৰ্থাৎ সাম্ৰাজ্যবাদী, লুভীয়া, লুণ্ঠনকাৰী, প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা শ্ৰেণীৰ দুটা বিশ্ব-গোষ্ঠীৰ মাজত যদি সেই যুদ্ধ চলে, তেনেহলে প্ৰত্যেক বুৰ্জোৱা শ্ৰেণী (আনকি নিচেই সৰু দেশৰো) লুণ্ঠনৰ অংশীদাৰ হয়, আৰু বিপ্লৱী প্ৰলিতাৰিয়েতৰ প্ৰতিনিধি হিচাপে মোৰ কৰ্তব্য হ'ল বিশ্ব-জোৰা এক ধ্বংসযজ্ঞৰ বিভীষিকাৰপৰা **একমাত্ৰ** পৰিত্ৰাণ হিচাপে **বিশ্ব প্ৰলিতাৰীয় বিপ্লৱৰ** কাৰণে প্ৰস্তুত হোৱা। মই যুক্তি দেখুৱাব লাগিব 'মোৰ' দেশৰ দৃষ্টিকোণৰপৰা নহয় (কাৰণ সেয়া হ'ল এক হতভগা, নিৰ্বোধ, পেটি-বুৰ্জোৱা জাতীয়তাবাদীৰ যুক্তি, যিজনে উপলব্ধি কৰিব নোৱাৰে যে তেওঁ

---

* সামাজিক-উগ্ৰ জাতীয়তাবাদীসকলে (ছাইডেমান, ৰেনোদেল, হেণ্ডাৰছন, গমপেৰ্ছ প্ৰমুখ্যে লোকসকলে) যুদ্ধৰ সময়ত 'আন্তৰ্জাতিকৰ' বিষয়ে কথা ক'বলৈ সম্পূৰ্ণ অস্বীকাৰ কৰিছিল। তেওঁলোকে 'তেওঁলোকৰ' নিজ নিজ বুৰ্জোৱা শ্ৰেণীৰ শত্ৰুসকলকহে... সমাজতন্ত্ৰৰ প্ৰতি 'বিশ্বাসঘাতক' বুলি বিবেচনা কৰে। তেওঁলোকৰ নিজ নিজ বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা অনুসৃত ৰাজ্য-জয়ৰ নীতিক তেওঁলোকে সমৰ্থন কৰে। সামাজিক-শান্তিবাদীসকলে (অৰ্থাৎ কথাত সমাজতন্ত্ৰী আৰু কামত পেটি-বুৰ্জোৱা শান্তিসৰ্বস্ববাদীসকল) সকলো ধৰণৰ 'আন্তৰ্জাতিকতাবাদী' মনোভাব প্ৰকাশ কৰে, ৰাজ্য-গ্ৰাস ইত্যাদিৰ প্ৰতিবাদ কৰে, কিন্তু কাৰ্যক্ষেত্ৰত তেওঁলোকৰ নিজ নিজ সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীক সমৰ্থন কৰি যায়। এই দুই ধৰণৰ মাজত পাৰ্থক্যটো গুৰুত্বপূৰ্ণ নহয়; এয়া দুই পুঁজিপতিৰ মাজত পাৰ্থক্যৰ দৰে — এজনৰ মুখত কটুৰ তিতা-কেঁহা লগা কথা, আনজনৰ মুখত মৌ-সনা মিঠা কথা।

সাম্রাজ্যবাদী বুর্জোৱা শ্রেণীৰ হাতত খেলৰ পুতলা মাথোন), বৰং বিশ্ব প্রলিতাৰীয় বিপ্লৱৰ প্রস্তুতিত, প্রচাৰত আৰু ইয়াক ত্বৰান্বিত কৰাৰ কামত মোৰ অংশৰ দৃষ্টিকোণৰপৰা।

আন্তর্জাতিকতাবাদ বুলিলে ইয়াকেই বুজায়, আৰু সেয়াই হৈছে আন্তর্জাতিকতাবাদী, বিপ্লৱী শ্রমিকৰ, প্রকৃত সমাজতন্ত্রীৰ কর্তব্য। আদর্শচ্যুত কাউৎস্কিয়ে এই অ-আ-ক-খও 'পাহৰি গৈছে'। আৰু তেওঁ যেতিয়া পেটি-বুর্জোৱা জাতীয়তাবাদীসকলৰ (ৰুছিয়াত মেনছেভিকসকলৰ, ফ্রান্সত লংগেৰ সমর্থকসকলৰ, ইটালিত তুৰাতি প্রভৃতি আৰু জার্মানিত হাজে আৰু সঙ্গীবৃন্দৰ) কর্মকৌশল অনুমোদন কৰাৰপৰা বলছেভিক কর্মকৌশলৰ সমালোচনালৈ গুচি আহে তেতিয়া তেওঁৰ সেই আদর্শভ্রষ্টতা অধিক পৰিমাণে স্পষ্ট হৈ উঠে। এয়া হৈছে তেওঁৰ সমালোচনা:

'বলছেভিক বিপ্লৱ এই অনুমানৰ ওপৰত ভিত্তি কৰা হৈছিল যে ই হ'ব সাধাৰণ ইউৰোপীয় এক বিপ্লৱৰ যাত্রা-স্থল, ৰুছিয়াৰ বলিষ্ঠ উদ্যোগে সমগ্র ইউৰোপৰ প্রলিতাৰীয়সকলক জাগি উঠিবলৈ উদগনি দিব।

'এই অনুমানৰ ভিত্তিত অৱশ্যে পৃথক ৰুছ শান্তিয়ে কি ৰূপ লব, তাৰ ফলত ৰুছ জনসাধাৰণৰ কি কষ্ট-অসুবিধা আৰু অঞ্চলগত ক্ষতি (আক্ষৰিকভাৱে: অঙ্গচ্ছেদন অথবা বিকলাঙ্গ কৰা, Verstümmelungen) হ'ব আৰু ই জাতিসমূহৰ আত্মনিয়ন্ত্রণৰ কি ব্যাখ্যা দিব, সেইটো সিমান গুৰুত্বপূর্ণ নাছিল। নিজক ৰক্ষা কৰিবলৈ ৰুছিয়া সক্ষম হয় নে নহয়, সেই সময়ত সেইটোও সিমান গুৰুত্বৰ কথা নাছিল। এই মত অনুসৰি ইউৰোপীয় বিপ্লৱেই ৰুছ বিপ্লৱৰ শ্রেষ্ঠতম আশ্রয় হ'ব, আৰু সিয়েই পূর্বৰ ৰুছীয় ভূখণ্ডত বসবাস কৰা সকলো জাতিৰ কাৰণে পূর্ণ আৰু প্রকৃত আত্মনিয়ন্ত্রণ আনিব।

'ইউৰোপত এটা বিপ্লৱে তাত সমাজতন্ত্র প্রতিষ্ঠা কৰিব আৰু সুসংহত কৰিব, আৰু ই দেশৰ অর্থনৈতিক পশ্চাৎপদতাৰ কাৰণে উৎপাদনৰ সমাজতান্ত্রিক ব্যৱস্থা প্রৱর্তনৰ পথত ৰুছিয়াত যিবোৰ বাধা-বিঘিনি দেখা দিব সেইবোৰ দূৰীভূত কৰাৰো উপায় হৈ পৰিব।

'এই সকলো কথা আছিল অতি যুক্তিপূর্ণ আৰু অতি সাবুৱা — কেৱল যদিহে প্রধান অনুমানটো মানি লোৱা যায়, অর্থাৎ ৰুছ বিপ্লৱে অব্যর্থভাৱে এটা ইউৰোপীয় বিপ্লৱ ঘটাব। কিন্তু সেইটো যদি নঘটে তেনেহলে কি হ'ব?

'এতিয়ালৈকে অনুমানটোৰ সত্যতা প্ৰমাণিত হোৱা নাই। আৰু ইউৰোপৰ প্ৰলিতাৰীয়সকলক এতিয়া ৰুহু বিপ্লৱ পৰিত্যাগ কৰা আৰু ইয়াৰ প্ৰতি বিশ্বাসঘাতকতা কৰা বুলি অভিযুক্ত কৰা হৈছে। এই অভিযোগ অজ্ঞাত ব্যক্তিসকলৰ বিৰুদ্ধে অনা হৈছে, কিয়নো ইউৰোপীয় প্ৰলিতাৰিয়েতসকলৰ আচৰণৰ কাৰণে কাক দায়ী কৰা যাব?' (২৮ পৃষ্ঠা)।

আৰু ইয়াৰ পাছত কাউৎস্কিয়ে বিতংভাৱে ব্যাখ্যা কৰি কয় যে মাৰ্ক্স, এঙ্গেলছ আৰু বেবেলে তেওঁলোকৰ প্ৰত্যাশিত বিপ্লৱৰ আগমন সম্পৰ্কে একাধিকবাৰ ভুল কৰিছিল, কিন্তু তেওঁলোকে কেতিয়াও **'কোনো এক নিৰ্দিষ্ট তাৰিখত'** (পৃঃ ২৯) বিপ্লৱৰ প্ৰত্যাশাৰ ভিত্তিত তেওঁলোকৰ কৰ্মকৌশল স্থিৰ কৰা নাছিল, অথচ তেওঁ কয়, বলছেভিকসকলে 'এপাত তাচৰ ওপৰত, এক সাধাৰণ ইউৰোপীয় বিপ্লৱৰ ওপৰত সৰ্বস্ব পণ কৰিছিল'।

মাৰ্ক্সবাদৰ সলনি নিজৰ তুচ্ছ আৰু প্ৰতিক্ৰিয়াশীল কূপমণ্ডুক অভিমত কাৰছাজি কৰি মাৰ্ক্সবাদক জাল কৰাৰ বিষয়ত কাউৎস্কিৰ 'দক্ষতা' আমাৰ পাঠকসকলৰ আগত দেখুৱাবৰ উদ্দেশ্যে আমি ইচ্ছা কৰিয়েই এই সুদীৰ্ঘ অংশটি উদ্ধৃত কৰিছোঁ।

প্ৰথমতঃ, বিপক্ষৰ ওপৰত স্পষ্টভাৱেই এটা মূঢ় ধাৰণা আৰোপ কৰা আৰু তাৰ পাছত ইয়াক খণ্ডন কৰাটো হৈছে বেছি টেঙৰালি নজনা লোকে ব্যৱহাৰ কৰা এটা ফিকিৰ। বলছেভিকসকলে যদি **এটা নিৰ্দিষ্ট তাৰিখৰ ভিতৰত** অন্যান্য দেশত বিপ্লৱৰ প্ৰত্যাশাৰ ভিত্তিত তেওঁলোকৰ কৰ্মকৌশল স্থিৰ কৰিলেহেঁতেন, তেনেহলে সেইটো এটা অস্বীকাৰ কৰিব নোৱৰা নিৰ্বোধিতা হ'লহেঁতেন। কিন্তু বলছেভিক পাৰ্টি কাহানিও এনে মূৰ্খতাৰ কাৰণে দোষী হোৱা নাই। আমেৰিকাৰ শ্ৰমিকসকললৈ মোৰ চিঠিত (১৯১৮ চনৰ ২০ আগষ্টত) এই কথা কৈ মই এই নিৰ্বোধ ধাৰণাক মানিবলৈ স্পষ্টভাৱে অস্বীকাৰ কৰিছোঁ যে আমি এটা আমেৰিকান বিপ্লৱৰ ওপৰত ভাৰসা কৰোঁ, কিন্তু কোনো নিৰ্দিষ্ট তাৰিখৰ ভিতৰত অৱশ্যেই নহয়। মই বামপন্থী ছচিয়েলিষ্ট-ৰিভলিউছনেৰি [২৬৪] আৰু 'বামপন্থী কমিউনিষ্টসকলৰ' [১৬৫] লগত মোৰ বিতৰ্কত এই একেই ধাৰণা সম্পৰ্কে একাধিকবাৰ দীৰ্ঘ আলোচনা কৰিছোঁ (১৯১৮ চনৰ জানুৱাৰী-মাৰ্চ মাহত)। কাউৎস্কিয়ে সামান্য এটা... মাত্ৰ নিচেই সামান্য এটা জাল কৰিছে, তাৰ ভিত্তিতেই আচলতে তেওঁ বলছেভিকবাদৰ সমালোচনা কৰিছে। নিৰ্দিষ্ট তাৰিখ নহয়, কম-বেছি অদূৰ ভৱিষ্যতত ইউৰোপীয় বিপ্লৱৰ প্ৰত্যাশাৰ

ভিত্তিত ৰচিত কৰ্মকৌশলক কাউৎস্কিয়ে নিৰ্দিষ্ট তাৰিখত ইউৰোপীয় বিপ্লৱৰ প্ৰত্যাশাৰ ভিত্তিত তৈয়াৰী কৰ্মকৌশলৰ লগত খেলিমেলি কৰি পেলাইছে। সামান্য, মাত্ৰ অতি সামান্য এটা জালকৰণ!

শেষোক্ত কৰ্মকৌশল নিৰ্বোধিতাৰ পৰিচায়ক। প্ৰথমোক্ত কৰ্মকৌশল এজন মাৰ্ক্সবাদীৰ পক্ষে, প্ৰত্যেক বিপ্লৱী প্ৰলিতাৰীয় আৰু আন্তৰ্জাতিকতাবাদীৰ পক্ষে **অনিবাৰ্য্যভাৱেই পালনীয় — অনিবাৰ্য্য**, কিয়নো একমাত্ৰ এই কৰ্মকৌশলেই সকলো ইউৰোপীয় দেশত যুদ্ধৰ ফলত উদ্ভূত বস্তুনিষ্ঠ পৰিস্থিতি যথাৰ্থ মাৰ্ক্সীয় পদ্ধতিত গণ্য কৰে, আৰু একমাত্ৰ এই কৰ্মকৌশলহে প্ৰলিতাৰিয়েতৰ আন্তৰ্জাতিক কৰ্তব্যৰ লগত সঙ্গতিপূৰ্ণ।

যিটো ভুল বলছেভিক বিপ্লৱীসকলে কৰিব পাৰিলেহেঁতেন, কিন্তু কৰা নাছিল, সেই বিষয়ে তুচ্ছ প্ৰশ্নটোকে সাধাৰণভাৱে বৈপ্লৱিক কৰ্মকৌশলৰ ভিত্তি-সংক্ৰান্ত গুৰুত্বপূৰ্ণ প্ৰশ্নটোৰ ঠাইত প্ৰতিস্থাপিত কৰি কাউৎস্কিয়ে সুকৌশলেৰে সকলো বৈপ্লৱিক কৰ্মকৌশলকেই শপত খাই ত্যাগ কৰিছে!

ৰাজনীতিত আদৰ্শচ্যুত বুলিয়েই তেওঁ বৈপ্লৱিক কৰ্মকৌশলৰ বস্তুনিষ্ঠ পূৰ্বচৰ্তবোৰৰ প্ৰশ্নটো আনকি তত্ত্বগতভাৱে **উপস্থিত কৰিবলৈও অক্ষম।**

আৰু সেয়ে আমি দ্বিতীয় বিষয়টোলৈ আহিছোঁ।

দ্বিতীয়তঃ, **এক বৈপ্লৱিক পৰিস্থিতি** থাকিলে ইউৰোপীয় বিপ্লৱৰ ওপৰত ভাৰসা কৰাটো এজন মাৰ্ক্সবাদীৰ পক্ষে অনিবাৰ্য্য কৰ্তব্য। মাৰ্ক্সবাদৰ প্ৰাথমিক কথাই হৈছে যে যেতিয়া বৈপ্লৱিক পৰিস্থিতি থাকে আৰু যেতিয়া বৈপ্লৱিক পৰিস্থিতি নাথাকে এই উভয় ক্ষেত্ৰতেই সমাজতন্ত্ৰী প্ৰলিতাৰিয়েতৰ কৰ্মকৌশল একে হ'ব নোৱাৰে।

এজন মাৰ্ক্সবাদীৰ পক্ষে বাধ্যতামূলক এই প্ৰশ্নটো যদি কাউৎস্কিয়ে উত্থাপন কৰিলেহেঁতেন, তেনেহলে তেওঁ দেখিবলৈ পালেহেঁতেন যে সমিধানটো সম্পূৰ্ণে তেওঁৰ বিৰুদ্ধে। যুদ্ধৰ বহুত দিনৰ আগতেই সকলো মাৰ্ক্সবাদী, সকলো সমাজতন্ত্ৰী এই বিষয়ে একমত আছিল যে এখন ইউৰোপীয় যুদ্ধই বৈপ্লৱিক পৰিস্থিতি সৃষ্টি কৰিব। আদৰ্শচ্যুত হোৱাৰ আগেয়ে কাউৎস্কিয়ে নিজেও স্পষ্টভাৱে আৰু নিৰ্দিষ্টভাৱে এই কথা স্বীকাৰ কৰিছিল — ১৯০২ চনত (তেওঁৰ 'সমাজ বিপ্লৱ' ৰচনাত) আৰু ১৯০৯ চনত (তেওঁৰ 'ক্ষমতালাভৰ পথ' ৰচনাত)। বাছেল ইস্তাহাৰত সমগ্ৰ দ্বিতীয় আন্তৰ্জাতিকৰ [১৬৬] নামতো সেই কথা স্বীকৃত হৈছিল। সকলো দেশৰ সামাজিক-জাত্যাভিমানী আৰু কাউৎস্কিৰ সমৰ্থকসকলে ('মধ্যপন্থীসকলে,' অৰ্থাৎ বিপ্লৱী আৰু সুবিধাবাদীসকলৰ মাজত

দোদুল্যমান লোকসকলে) এই সম্পৰ্কে বাছেল ইস্তাহাৰৰ ঘোষণাবিলাক বিৰক্তিৰে যে পৰিহাৰ কৰিছিল, তাত আচৰিত হ'বলৈ একো নাই!

গতিকে, ইউৰোপত বৈপ্লৱিক পৰিস্থিতিৰ প্ৰত্যাশা বলছেভিকসকলৰ কোনো মোহগ্ৰস্ততাৰ কথা নাছিল, বৰং সেয়া আছিল সমস্ত মাৰ্ক্সবাদীৰ **সাধাৰণ অভিমত।** বলছেভিকসকলে 'সদায়ে হিংসা আৰু ইচ্ছাৰ সৰ্বশক্তিমত্তাত বিশ্বাস কৰিছিল' বুলি এনে ধৰণৰ কথা ব্যৱহাৰ কৰি কাউৎস্কিয়ে সেই তৰ্কাতীত সত্যৰপৰা ফালৰি কটাৰ চেষ্টা কৰে, তেতিয়া তেওঁ যে বৈপ্লৱিক পৰিস্থিতিৰ প্ৰশ্নটোৰ উত্থাপন ছলেৰে এৰি গৈছে, লজ্জাজনকভাৱে এৰি গৈছে তাক **আঁৰ কৰাৰ** উদ্দেশ্যেই তেওঁ কেৱল ফোঁপোলা কথা কয়।

আৰু অলপ আগুৱাই যোৱা যাওক। বৈপ্লৱিক পৰিস্থিতি প্ৰকৃততে আহিছে নে নাই? এই প্ৰশ্নটো উত্থাপন কৰিবলৈও আনকি কাউৎস্কি অক্ষম। অৰ্থনৈতিক ঘটনাৱলীয়ে এটা উত্তৰ আগ বঢ়ায়: যুদ্ধৰ ফলত সৰ্বত্ৰ সৃষ্টি হোৱা দুৰ্ভিক্ষ আৰু ধ্বংসই বৈপ্লৱিক পৰিস্থিতিৰ সূচনা কৰে। ৰাজনৈতিক ঘটনাৱলীয়েও এটি সমাধান দিয়ে: ১৯১৫ চনৰপৰা **সকলো** দেশত পুৰণি আৰু মৰহি যোৱা সমাজতন্ত্ৰী পাৰ্টিসমূহৰ ভিতৰত বিভেদৰ প্ৰক্ৰিয়া স্পষ্ট, সামাজিক-জাত্যভিমানী নেতাসকলৰপৰা বামপন্থালৈ, বৈপ্লৱিক ধ্যান-ধাৰণা আৰু মনোভাৱলৈ, বিপ্লৱী নেতাসকলৰ পিনলৈ প্ৰলিতাৰিয়েতৰ **ব্যাপক অংশ** গুচি যোৱাৰ এক প্ৰক্ৰিয়া সুস্পষ্ট হৈ উঠিছে।

যিজনে বিপ্লৱক ভয় কৰে আৰু বিশ্বাসঘাতকতা কৰে, একমাত্ৰ সেই ব্যক্তিয়েই মাথোন ১৯১৮ চনৰ ৫ আগষ্টত এনেবোৰ ঘটনা দেখিবলৈ নাপায়, যেতিয়া কাউৎস্কিয়ে তেওঁৰ পুস্তিকাখনি লিখিছিল। আৰু আজি, ১৯১৮ চনৰ অক্টোবৰৰ শেহত **গোটেইখন** ইউৰোপীয় দেশত বিপ্লৱ অগ্ৰসৰ হৈছে, আৰু ই বিকশিত হৈছে সকলোৰে চকুৰ আগত আৰু অতি দ্ৰুত গতিৰে। এতিয়াও মাৰ্ক্সবাদী বুলি পৰিগণিত হ'বলৈ বিচৰা সেই 'বিপ্লৱী' কাউৎস্কিয়ে নিজক এজন দূৰ-দৃষ্টিহীন কূপমণ্ডুক বুলিয়েই প্ৰমাণ কৰিছে; মাৰ্ক্সে উপহাস কৰা ১৮৪৭ চনৰ সেই কূপমণ্ডুকসকলৰ দৰেই কাউৎস্কিয়েও আসন্ন বিপ্লৱক দেখা নাই!

এতিয়া তৃতীয় বিষয়টোলৈ অহা যাওক।

তৃতীয়তঃ, ইউৰোপত যেতিয়া বৈপ্লৱিক পৰিস্থিতি বিদ্যমান, তেতিয়া বৈপ্লৱিক কৰ্মকৌশলৰ সুনিৰ্দিষ্ট বৈশিষ্ট্যবোৰ কি হোৱা উচিত?

আদৰ্শচ্যুত হৈ কাউৎস্কিয়ে এই প্ৰশ্নটো তুলিবলৈ ভয় খাইছে, অথচ এজন মাৰ্ক্সবাদীৰ পক্ষে এই প্ৰশ্নটি বাধ্যতামূলক। কাউৎস্কিয়ে এজন প্ৰতিনিধিস্থানীয় পেটি-বুৰ্জোৱাৰ দৰে, এজন কূপমণ্ডুক অথবা অজ্ঞ কৃষকৰ দৰে তৰ্ক কৰিছে: 'সাধাৰণ ইউৰোপীয় বিপ্লৱ' আৰম্ভ হৈছে নে নাই? যদি হৈছে তেনেহলে **তেৰোঁ** এজন বিপ্লৱী হ'বলৈ প্ৰস্তুত! কিন্তু মনত ৰাখিব, প্ৰত্যেক দুৰ্জনেই আকৌ (এতিয়া যিবোৰে মাজে মাজে নিজক বিজয়ী বলছেভিকসকলৰ লগত যুক্ত কৰে সেই দুৰ্জনবিলাকৰ দৰে) নিজক বিপ্লৱী বুলি জাহিৰ কৰিবলৈ বিচাৰে!

যদি আৰম্ভ হোৱা নাই, তেনেহলে কাউৎস্কিয়ে বিপ্লৱলৈ পিঠি দিব! কাউৎস্কিয়ে এই সত্য উপলব্ধিৰ অকণো পৰিচয় নিদিয়ে যে কূপমণ্ডুক আৰু পেটি-বুৰ্জোৱাৰ লগত এজন বিপ্লৱী মাৰ্ক্সবাদীৰ পাৰ্থক্য এইখিনিতেই যে তেওঁ পৈণত বিপ্লৱ প্ৰয়োজন বুলি অশিক্ষিত জনসাধাৰণৰ আগত **প্ৰচাৰ কৰিবলৈ** সক্ষম, ই যে অনিবাৰ্য্য তাক **প্ৰমাণ কৰিবলৈ**, জনসাধাৰণৰ পক্ষে ইয়াৰ সুফলৰ কথা **ব্যাখ্যা কৰিবলৈ**, আৰু ইয়াৰ বাবে প্ৰলিতাৰিয়েত তথা সমগ্ৰ মেহনতী অৰু শোষিত জনসাধাৰণক **প্ৰস্তুত কৰিবলৈ** তেওঁ **সক্ষম**।

কাউৎস্কিয়ে বলছেভিকসকলৰ নামত এটা অদ্ভুত অসঙ্গত কথা জাপি দিছিল, যেনে, তেওঁলোকে এপাত তাচৰ ওপৰত সৰ্বস্ব পণ কৰিছিল, এটা নিৰ্দিষ্ট তাৰিখত ইউৰোপীয় বিপ্লৱ আৰম্ভ হোৱাৰ ওপৰত বাজি ৰাখিছিল। এই অবাস্তৱ অসঙ্গত কথা এতিয়া স্বয়ং কাউৎস্কিৰ বিৰুদ্ধেই গৈছে, কাৰণ তেওঁৰ বক্তব্যৰ যুক্তিসংগত সিদ্ধান্ত হ'ল এই যে বলছেভিকসকলৰ কৰ্মকৌশল সঠিক হ'লহেঁতেন যদিহে ১৯১৮ চনৰ ৫ আগষ্টৰ ভিতৰত ইউৰোপীয় বিপ্লৱ আৰম্ভ হ'লহেঁতেন! এই তাৰিখটোকেই কাউৎস্কিয়ে তেওঁৰ পুস্তিকা লিখাৰ সময় বুলি উল্লেখ কৰে। আৰু, এই ৫ আগষ্টৰ কেইসপ্তাহমানৰ পাছত যেতিয়া স্পষ্ট হৈ পৰিল যে ভালেমান ইউৰোপীয় দেশত বিপ্লৱৰ আগমন ঘটিছে, তেতিয়া কাউৎস্কিৰ সমগ্ৰ মতভ্ৰষ্টতা, মাৰ্ক্সবাদ সম্পৰ্কে তেওঁৰ সমস্ত বিকৃতকৰণ, আৰু তেওঁৰ যুক্তি-বিচাৰৰ পূৰ্ণ অক্ষমতা নাইবা বৈপ্লৱিক ধৰণেৰে আনকি প্ৰশ্নবোৰ উত্থাপন কৰাৰো অপাৰগতা একেবাৰে চকুত লগাকৈ প্ৰকাশিত হৈ পৰিল!

যেতিয়া ইউৰোপৰ প্ৰলিতাৰীয়সকলৰ নামত বিশ্বাসঘাতকতাৰ অভিযোগ অনা হয় তেতিয়া কাউৎস্কিয়ে লিখে, এয়া অজ্ঞাত ব্যক্তিসকলৰ বিৰুদ্ধে অনা এক অভিযোগ।

আপুনি ভুল কৰিছে, কাউটস্কি ডাঙৰীয়া! দাপোণলৈ চাওক, তেতিয়াহলে যাৰ বিৰুদ্ধে এই অভিযোগ কৰা হৈছে সেই 'অজ্ঞাত ব্যক্তিসকলক' আপুনি নিজেই দেখিবলৈ পাব। কাউটস্কিয়ে নিজকে নিচেই অজলা হেন দেখুৱাইছে, এনেহে ভাও ধৰিছে যেন কোনে অভিযোগ কৰিছে, আৰু ইয়াৰ অৰ্থ কি একোকেই বুজিব পৰা নাই। আচলতে কাউটস্কিয়ে কিন্তু ভালকৈয়ে জানে যে এই অভিযোগ কৰি আহিছে আৰু কৰিব লাগিছে জাৰ্মান 'বামপন্থীসকলে', স্পাৰ্টাকাছপন্থীসকলে [১৬৭], লিব্‌ক্লেখ্‌ট আৰু তেওঁৰ বন্ধুসকলে। এই অভিযোগে এই ঘটনাবেই সুস্পষ্ট স্বীকৃতি প্ৰকাশ কৰে যে জাৰ্মান প্ৰলিতাৰিয়েতে ফিনলেণ্ড, ইউক্ৰেন, লাৎভিয়া আৰু এস্তোনিয়াক টেঁটু চেপি ৰুছ (আৰু বিশ্ব) বিপ্লৱৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে। এই অভিযোগ চিৰকাল পদদলিত হৈ অহা জনসাধাৰণৰ বিৰুদ্ধে নহয়, বৰং প্ৰধানতঃ আৰু সৰ্বোপৰি অনা হৈছে সেইসকল নেতাৰ বিৰুদ্ধেহে যিসকলে ছাইডেমান আৰু কাউটস্কিৰ দৰে জনসাধাৰণৰ মাজত তেওঁলোকৰ নিষ্ক্ৰিয়তা অতিক্ৰম কৰাৰ কাৰণে বৈপ্লৱিক আন্দোলন, বৈপ্লৱিক প্ৰচাৰ, বৈপ্লৱিক কাৰ্য্য চলাই যাবলৈ নিজৰ কৰ্তব্য পালনত ব্যৰ্থ হৈছিল, যিসকলে দৰাচলতে বৈপ্লৱিক প্ৰেৰণা আৰু আশা-আকাঙ্ক্ষাৰ বিৰুদ্ধে কাম কৰিছিল, অথচ এইবোৰ বৈপ্লৱিক প্ৰবৃত্তি সদায়ে শোষিত শ্ৰেণীৰ জনসাধাৰণৰ মাজত গভীৰতম স্থলত জিলিকি থাকে। ছাইডেমান প্ৰভৃতি লোকসকলে লুক-ঢাক নকৰাকৈ, অমাৰ্জিতভাৱে, বিদ্বেষেৰে আৰু সৰহভাগ ক্ষেত্ৰতে স্বাৰ্থপৰ উদ্দেশ্যৰ কাৰণে প্ৰলিতাৰিয়েতক বিশ্বাসঘাতকতা কৰিছে আৰু তেওঁলোকক এৰি থৈ বুৰ্জোৱা শ্ৰেণীৰ পক্ষে গুচি গৈছে। কাউটস্কি আৰু লংগেৰ সমৰ্থকসকলেও একে কামকেই কৰিছে, কেৱল দোধোৰ-মোধোৰকৈ আৰু কৈ-থৈ কৰো-নকৰোঁকৈ আৰু সেই মুহূৰ্তত অধিকতৰ শক্তিশালী পক্ষৰ ফালে কাপুৰুষৰ দৰে কেঁৰাহিকৈ চাই চাই। যুদ্ধৰ সময়ত কাউটস্কিয়ে তেওঁৰ সমগ্ৰ ৰচনাত বৈপ্লৱিক চেতনাক পোষণ আৰু প্ৰজ্বলিত কৰাৰ সলনি নিৰ্বাপিত কৰিবলৈহে চেষ্টা কৰে।

ৰুছ বিপ্লৱক ইউৰোপৰ প্ৰলিতাৰীয়সকলে বিশ্বাসঘাতকতা কৰিছে বোলা এই 'অভিযোগটোৰ' বিৰাট তত্ত্বগত গুৰুত্ব, আৰু তাতোকৈ ডাঙৰ আন্দোলনগত আৰু প্ৰচাৰগত গুৰুত্বক কাউটস্কিয়ে আনকি বুজিও যে নাপায় এই কথাটো জাৰ্মান চৰকাৰী ছচিয়েল-ডেমক্ৰেচিৰ 'গড় হিচাপে' নেতাৰ কূপমণ্ডুক বুদ্ধিভ্ৰংশৰ এক যথাৰ্থ ঐতিহাসিক স্মাৰক হৈ থাকিব! কাউটস্কিয়ে বুজি নাপায় যে জাৰ্মান 'ৰাইখ'ত প্ৰচলিত চেন্সৰ ব্যৱস্থাৰ

কাৰণে এই 'অভিযোগেই' হয়তোবা একমাত্ৰ ধৰণ যাৰ যোগেদি সমাজতন্ত্ৰক বিশ্বাসঘাতকতা নকৰা সেই জাৰ্মান সমাজতন্ত্ৰীসকলে — লিব্‌ক্নেখ্‌ট আৰু তেওঁৰ বন্ধুসকলে ছাইডেমান আৰু কাউৎস্কিৰ দৰে লোকসকলক পৰিত্যাগ কৰাৰ কাৰণে, এনেকুৱা 'নেতাসকলক' ঠেলি একাষৰীয়াকৈ ৰখাৰ কাৰণে, তেওঁলোকৰ মূৰ্খ বনোৱা আৰু নীচ প্ৰকৃতিৰ প্ৰচাৰৰপৰা নিজক মুক্ত কৰাৰ কাৰণে, তেওঁলোকৰ বাধা সত্ত্বেও, তেওঁলোকক বাদ দিয়েই বিদ্ৰোহ কৰাৰ কাৰণে আৰু তেওঁলোকৰ মূৰৰ ওপৰেদি বিপ্লৱৰ অভিমুখে অগ্ৰসৰ হোৱাৰ কাৰণে জাৰ্মান শ্ৰমিকসকলৰ উদ্দেশ্যে তেওঁলোকৰ আবেদন প্ৰকাশ কৰিব পাৰে!

এই কথা কাউৎস্কিয়ে বুজি নাপায়। আৰু বলছেভিকসকলৰ কৰ্মকৌশলৰ বিষয়ে তেওঁ বুজিবইবা কেনেকৈ? যিজনে সাধাৰণভাৱে বিপ্লৱক বৰ্জন কৰে, তেওঁ জানো অন্যতম অতি 'কঠিন' ক্ষেত্ৰত বিপ্লৱৰ বিকাশৰ অৱস্থা চালি-জাৰি চাই মূল্যায়ন কৰিব বুলি আশা কৰিব পৰা যায়?

বলছেভিকসকলৰ কৰ্মকৌশল নিৰ্ভুল আছিল; ই আছিল **একমাত্ৰ** আন্তৰ্জাতিকতাবাদী কৰ্মকৌশল, কাৰণ ইয়াৰ ভিত্তি বিশ্ব-বিপ্লৱ সম্পৰ্কে কাপুৰুষোচিত ভীতিৰ ওপৰত ৰচিত নহয়, ইয়াৰ প্ৰতি কূপমণ্ডুক 'আস্থাহীনতাৰ' ওপৰত নহয়, বাকী আন সকলোৰে বাবে 'মূঠেই চিন্তা নকৰি' 'নিজৰ' পিতৃভূমি (নিজৰ বুৰ্জোৱা শ্ৰেণীৰ পিতৃভূমি) ৰক্ষাৰ্থে সংকীৰ্ণ জাতীয়তাবাদী বাসনাৰ ওপৰত নহয়, বৰং ইউৰোপৰ বৈপ্লৱিক পৰিস্থিতিৰ **সঠিক** (আৰু, যুদ্ধৰ আগেয়ে আৰু সামাজিক-জাতিদম্ভবাদী আৰু সামাজিক-শান্তিবাদীসকলৰ মতবিচ্যুতিৰ আগেয়ে যিটো সাৰ্বজনীনভাৱে স্বীকৃত) মূল্যায়নৰ ওপৰত প্ৰতিষ্ঠিত। এই কৰ্মকৌশলেই আছিল একমাত্ৰ আন্তৰ্জাতিকতাবাদী কৰ্মকৌশল, কিয়নো ই **সকলো দেশত** বিপ্লৱৰ বিকাশ, সমৰ্থন আৰু জাগৰণৰ **সপক্ষে** এখন দেশত সম্ভাৱ্য সকলোখিনিকেই কৰিছিল। এই কৰ্মকৌশলৰ ন্যায্যতা তাৰ বিপুল সাফল্যৰ যোগে প্ৰমাণিত হৈছে, কাৰণ বলছেভিকবাদ (কোনোমতেই ৰুছ বলছেভিকসকলৰ গুণৰ কাৰণে নহয়, বৰং কাৰ্যক্ষেত্ৰত বৈপ্লৱিক কৰ্মকৌশলৰ প্ৰতি সৰ্বত্ৰ **জনসাধাৰণৰ** গভীৰতম সহানুভূতিৰ কাৰণে) হৈ পৰিছে **বিশ্ব** বলছেভিকবাদ, ই এনে এক প্ৰত্যয়ৰ, এক তত্ত্বৰ, এক কাৰ্যসূচী আৰু কৰ্মকৌশলৰ জন্ম দিছে যি সামাজিক-জাতিদম্ভ আৰু সামাজিক-শান্তিবাদৰ প্ৰত্যয়, তত্ত্ব আৰু কৰ্মসূচীৰপৰা নিৰ্দিষ্টভাৱে আৰু কাৰ্যক্ষেত্ৰত বেলেগ। বলছেভিকবাদে ছাইডেমান আৰু কাউৎস্কি দলৰ, ৰেনোদেল আৰু ল'গে দলৰ, হেণ্ডাৰছন

আৰু মেকডনাল্ড দলৰ পৰ্বোণি, যৰ্বহি যোৱা আন্তৰ্জাতিকক শেষ আঘাত দিছে, এওঁলোকে এতিয়াৰপৰা পৰম্পৰক অনুসৰণ কৰি চলিব, 'ঐক্যৰ' সপোন দেখিব আৰু এটা মৃত-দেহত জীৱন সঞ্চাৰৰ চেষ্টা কৰিব। বলছেভিকবাদে এক তৃতীয় আন্তৰ্জাতিকৰ, প্ৰকৃত এক প্ৰলিতাৰীয় আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ মতাদৰ্শগত আৰু কৰ্মকৌশলগত ভিত্তি গঢ়ি তুলিছে, এই আন্তৰ্জাতিকে শান্তিপূৰ্ণ যুগৰ সাফল্যৰাজি আৰু আৰম্ভ হোৱা বিপ্লৱৰ যুগৰ অভিজ্ঞতা উভয়কেই বিবেচনা কৰিব।

বলছেভিকবাদে গোটেই পৃথিৱী জুৰি 'প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ' ধাৰণাক জনপ্ৰিয় কৰি তুলিছে, এই শব্দকেইটা লেটিন ভাষাৰপৰা প্ৰথমে ৰুছ ভাষাত অনুবাদ কৰিছে, তাৰ পাছত কৰিছে পৃথিৱীৰ সকলো ভাষাত, আৰু ছোভিয়েত চৰকাৰৰ দৃষ্টান্তৰ মাজেৰে দেখুৱাই দিছে যে আনকি এখন পিছ পৰা দেশৰ শ্ৰমিক আৰু দুখীয়া কৃষকসকলে, আনকি নিচেই সামান্য অভিজ্ঞতা শিক্ষা আৰু সংগঠনৰ অভ্যাসৰ বলেৰেই পূৰা এবছৰ ধৰি বিৰাট আহুকাল-অসুবিধাৰ মাজত আৰু শোষকহঁতৰ (যিবোৰে সমগ্ৰ পৃথিৱীৰ বুৰ্জোৱা শ্ৰেণীৰ সমৰ্থন লাভ কৰিছিল) বিৰুদ্ধে সংগ্ৰামৰ মাজত শ্ৰমজীৱী জনসাধাৰণৰ ক্ষমতা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে; সক্ষম হৈছে পৃথিৱীত পূৰ্বৱৰ্তী সমস্ত গণতন্ত্ৰতকৈ অপৰিমেয়ভাৱে উচ্চতৰ আৰু ব্যাপকতৰ গণতন্ত্ৰ সৃষ্টি কৰাৰ কাৰণে, আৰু সমাজতন্ত্ৰৰ বাস্তৱ নিৰ্মাণ-কাৰ্য্যৰ বাবে কোটি কোটি শ্ৰমিক আৰু কৃষকৰ সৃষ্টিশীল কৰ্ম আৰম্ভ কৰাৰ কাৰণে।

আন যিকোনো দেশত যিকোনো পাৰ্টিয়ে এতিয়ালৈকে যিমানখিনি সাফল্য আৰ্জিছে তাৰ তুলনাত বলছেভিকবাদে বহুত বেছি প্ৰবলভাৱে ইউৰোপ আৰু আমেৰিকাত প্ৰলিতাৰীয় বিপ্লৱৰ বিকাশত প্ৰকৃততে ৰৰগুণি যোগাইছে। সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলে যেনেকৈ ক্ৰমবৰ্দ্ধমান স্পষ্টতাৰে নিতৌ উপলব্ধি কৰিছে যে ছাইডেমান আৰু কাউংস্কি প্ৰমুখ্যে লোকসকলৰ কৰ্মকৌশলে তেওঁলোকক সাম্ৰাজ্যবাদী যুদ্ধৰপৰা আৰু সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীৰ মজুৰি-দাসত্বৰপৰা নিষ্কৃতি দিয়া নাই, আৰু সেই কৰ্মকৌশল সমস্ত দেশৰ পক্ষে আৰ্হিস্বৰূপো হ'ব নোৱাৰে, তেনেকৈয়ে সকলো দেশৰ ব্যাপক শ্ৰমিকসকলে ক্ৰমবৰ্দ্ধমান স্পষ্টভাৱে দিনক-দিনে উপলব্ধি কৰিছে যে বলছেভিকবাদে যুদ্ধৰ বিভীষিকা আৰু সাম্ৰাজ্যবাদৰ গৰাহৰপৰা ৰক্ষা পোৱাৰ সঠিক পথটি নিৰ্দেশ কৰিছে, আৰু বলছেভিকবাদে সকলোৰে কাৰণে কৰ্মকৌশলৰ এক আৰ্হি হিচাপে সহায় কৰিব পাৰে।

অকল সাধাৰণ ইউৰোপীয় বিপ্লৱেই নহয়, বৰং বিশ্ব প্ৰলিতাৰীয় বিপ্লৱো সকলোৱে চকুৰ আগত পৈণত হৈ উঠিছে আৰু ইয়াক ৰুছিয়াৰ প্ৰলিতাৰিয়েতৰ বিজয়ে সাহায্য কৰিছে, ক্ষিপ্ৰ কৰি তুলিছে আৰু সমৰ্থন কৰিছে। এই সকলোখিনি সমাজতন্ত্ৰৰ পূৰ্ণ বিজয় লাভৰ পক্ষে যথেষ্ট নহয় বুলি আপুনি কব খোজে? অৱশ্যেই যথেষ্ট নহয়। এখন দেশে অকলে ইয়াতকৈ বেছি কৰিব নোৱাৰেও। কিন্তু ছোভিয়েত চৰকাৰৰ যহত এই এখন দেশেই ইমানখিনি কৰিছে যে, কথাৰ কথা হিচাপে কোৱা যাওক, জাৰ্মান আৰু ইঙ্গ-ফৰাচী সাম্ৰাজ্যবাদৰ মাজত কোনো এক চুক্তিৰ ফলস্বৰূপে যদি কালিলৈ বিশ্ব সাম্ৰাজ্যবাদৰ হাতত ৰুছিয়াৰ ছোভিয়েত চৰকাৰ আনকি চূৰ্ণ হ'ব লগীয়াও হয় -- আনকি তেনে এক অতি বেয়া অৱস্থাৰ সম্ভাৱনাৰ কথা ধৰি ললেও — তথাপি দেখা যাব যে বলছেভিক কৰ্মকৌশলে সমাজতন্ত্ৰৰ অশেষ কল্যাণ সাধন কৰিছে আৰু অজেয় বিশ্ব বিপ্লৱৰ বিকাশ-বৃদ্ধিত সহায় কৰিছে।

১৯১৮ চনৰ ১০ নৱেম্বৰৰ আগতে ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ২৮৩-৯৪

কমৰেডসকল, আমেৰিকান শ্ৰমিকসকললৈ লিখা মোৰ ১৯১৮ চনৰ ২০ আগষ্ট তাৰিখৰ চিঠিৰ শেষত মই লিখিছিলোঁ যে বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ অন্যান্য বাহিনীবোৰ যেতিয়ালৈকে আমাৰ সাহায্যাৰ্থে আগুৱাই নাহে, তেতিয়ালৈকে আমি এক অৱৰুদ্ধ দুৰ্গৰ মাজত আছোঁ। মই ইয়াকো কৈছিলোঁ যে শ্ৰমিকসকলে তেওঁলোকৰ সামাজিক-বিশ্বাসঘাতকসকলৰ, গমপেৰ্ছ আৰু ৰেনাৰহ'তৰ লগত সম্পৰ্ক ছিন্ন কৰিছে। শ্ৰমিকসকলে লাহে লাহে অথচ নিশ্চিতভাৱে কমিউনিষ্ট আৰু বলছেভিক কৰ্মকৌশলৰ দিশে অগ্ৰসৰ হৈছে।

এই কথাখিনি লিখাৰ পাছত পাঁচ মাহতো কম সময় অতিবাহিত হৈছে, আৰু এই কথা ক'বই লাগিব যে এই সময়ছোৱাত বিভিন্ন দেশৰ শ্ৰমিকসকলে কমিউনিজম আৰু বলছেভিকবাদৰ ফালে ঢাল লৈছে বুলিয়েই বিশ্ব প্ৰলিতাৰীয় বিপ্লৱৰ পৈণতা অতি দ্ৰুতভাৱে ঘটিছে।

তাৰ পাছত ১৯১৮ চনৰ ২০ আগষ্টত কেৱল আমাৰ পাৰ্টি, বলছেভিক পাৰ্টিয়ে দৃঢ়তাৰে সৈতে ১৮৮৯-১৯১৪ চনৰ সেই পুৰণি দ্বিতীয় আন্তৰ্জাতিকৰ লগত সম্পৰ্ক ছেদ কৰিলে, যিখন আন্তৰ্জাতিক ১৯১৪-১৯১৮ চনৰ সাম্ৰাজ্যবাদী যুদ্ধৰ সময়ত অতি লজ্জাজনকভাৱে ভাঙি গৈছিল। অকল আমাৰ পাৰ্টিয়েহে লুণ্ঠনকাৰী বুৰ্জোৱাৰ লগত মিত্ৰতাৰ মাজেৰে নিজক অপদস্থ কৰা সেই ছচিয়েলিষ্টসকলৰ আৰু ছচিয়েল-ডেমক্ৰেচিৰপৰা ভিন্ন সাম্যবাদৰ নতুন পথ দ্বিধাহীনভাৱে গ্ৰহণ কৰিছিল, আৰু যি পেটি-বুৰ্জোৱা সংস্কাৰবাদ আৰু সুবিধাবাদে চৰকাৰী ছচিয়েল-ডেমক্ৰেটিক আৰু সমাজতান্ত্ৰিক পাৰ্টিবোৰক সম্পূৰ্ণে আচ্ছন্ন কৰিছিল আৰু এতিয়াও আচ্ছন্ন কৰি আছে তাৰপৰা ভিন্ন প্ৰকৃত প্ৰলিতাৰীয় বৈপ্লৱিক কৰ্মকৌশল দ্বিধাহীনভাৱে গ্ৰহণ কৰিছিল।

এতিয়া ১৯১৯ চনৰ ১২ জানুৱাৰীত আমি ইতিমধ্যে ভালেমান কমিউনিষ্ট প্ৰলিতাৰীয় পাৰ্টি দেখিবলৈ পাইছোঁ, উদাহৰণ হিচাপে, লাংভিয়া, ফিনলেণ্ড আৰু পোলেণ্ডৰ দৰে পূৰ্বৰ জাৰতন্ত্ৰী সাম্ৰাজ্যৰ সীমাৰ ভিতৰতেই কেৱল নহয়, বৰং পশ্চিম ইউৰোপতো — অষ্ট্ৰিয়া, হাঙ্গেৰী, হলেণ্ড আৰু সদো শেহত জাৰ্মানিত। এটা প্ৰকৃত প্ৰলিতাৰীয়, প্ৰকৃত আন্তৰ্জাতিকতাবাদী, প্ৰকৃত বৈপ্লৱিক তৃতীয় আন্তৰ্জাতিক, **কমিউনিষ্ট আন্তৰ্জাতিকৰ প্ৰতিষ্ঠা** এনে এটা সময়ত এক **বাস্তৱ ঘটনা** হৈ পৰিছিল, যেতিয়া লিব্‌ক্লেখ্‌ট, ৰোজা লুক্সেমবুৰ্গ, ক্লাৰা জেট্‌কিন আৰু ফ্ৰানট্‌ছ মেহৰিঙৰ দৰে বিশ্বত সুপৰিচিত আৰু বিশ্ব-বিখ্যাত নেতৃবৃন্দেৰে, শ্ৰমিক শ্ৰেণীৰ পক্ষাৱলম্বী এনে একনিষ্ঠ যোদ্ধাসকলেৰে সৈতে জাৰ্মান 'স্পাৰ্টাকোছ লীগে' [১৬৮] ছাইডেমান আৰু জিউডেকুমৰ দৰে সমাজতন্ত্ৰীসকলৰ লগত, লুণ্ঠনকাৰী সাম্ৰাজ্যবাদী জাৰ্মান বুৰ্জোৱা আৰু দ্বিতীয় ভিলহেল্মেৰে সৈতে মিতিৰালি পাতি চিৰকাললৈ নিজে কলংক অৰ্জন কৰা সেই সামাজিক-উগ্ৰ জাত্যাভিমানীসকলৰ (কথাত সমাজতন্ত্ৰী, কিন্তু কামত জাতিদম্ভবাদী) লগত সম্পূৰ্ণে সম্পৰ্ক ছিন্ন কৰিছিল। ই এক বাস্তৱ ঘটনা হৈ পৰিছিল যেতিয়া 'স্পাৰ্টাকোছ লীগে' ইয়াৰ নাম পৰিৱৰ্তন কৰি 'জাৰ্মানিৰ কমিউনিষ্ট পাৰ্টি' নাম ধাৰণ কৰিছিল। আনুষ্ঠানিকভাৱে এতিয়াও উদ্বোধন নহলেও তৃতীয় আন্তৰ্জাতিকৰ অস্তিত্ব প্ৰকৃততেই বিদ্যমান।

ৰুছিয়াত মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলৰ দৰে, জাৰ্মানিত ছাইডেমান আৰু জিউডেকুম প্ৰভৃতিৰ দৰে, ফ্ৰান্সত ৰেনোদেল আৰু ভাণ্ডেৰ্ভেল্ডে প্ৰভৃতিৰ দৰে, ব্ৰিটেইনত হেণ্ডাৰছন আৰু ওৱেব প্ৰভৃতিৰ দৰে আৰু আমেৰিকাত গমপেৰ্ছ আৰু সঙ্গীবৃন্দৰ দৰে যিসকলে ১৯১৪-১৯১৮ চনত 'তেওঁলোকৰ' বুৰ্জোৱাসকলক সমৰ্থন কৰিছিল, সিসকলৰ সমাজতন্ত্ৰৰ প্ৰতি বিশ্বাসঘাতকতা কিমান কাপুৰুষোচিত আছিল, সেই কথা কোনো শ্ৰেণী-সচেতন শ্ৰমিকৰ, কোনো প্ৰকৃত সমাজতন্ত্ৰীৰ চকুত নপৰাকৈ আজি থাকিব নোৱাৰে। সেই যুদ্ধই এখন সাম্ৰাজ্যবাদী প্ৰতিক্ৰিয়াশীল, লুণ্ঠনমূলক যুদ্ধ হিচাপে নিজৰ স্বৰূপ সম্পূৰ্ণে প্ৰকাশ কৰি দিছিল — জাৰ্মানিৰ পক্ষৰপৰা তথা ব্ৰিটেইন, ফ্ৰান্স, ইটালি আৰু আমেৰিকাৰ পুঁজিপতিসকলৰ পক্ষৰপৰাও। এই শেষোক্তবিলাকে এতিয়া লুটৰ বস্তু লৈ, তুৰস্ক, ৰুছিয়া, আফ্ৰিকান আৰু পলিনেছীয় উপনিৱেশবোৰ, বলকান অঞ্চল ইত্যাদিৰ ভাগ লৈ কাজিয়া আৰম্ভ কৰিছে। ফৰাচী বুৰ্জোৱাসকলৰ ৰাইন নৈৰ বাওঁ পাৰ দখল, ফৰাচী-ব্ৰিটিছ আৰু আমেৰিকান পুঁজিপতিসকলৰ তুৰস্ক (ছিৰিয়া,

মেছোপটামিয়া) আৰু ৰুছিয়াৰ একাংশ (ছাইবেৰিয়া, আৰ্খাঙ্গেল্‌স্ক, বাকু, ক্ৰাস্নোভদ্‌স্ক, আস্খাবাদ প্ৰভৃতি) দখল আৰু লুটৰ সামগ্ৰীৰ বন্টন লৈ ইটালি আৰু ফ্ৰান্স, ফ্ৰান্স আৰু ব্ৰিটেইন, ব্ৰিটেইন আৰু আমেৰিকা, আমেৰিকা আৰু জাপানৰ মাজত ক্ৰমবৰ্দ্ধমান শত্ৰুতা আমি যেতিয়া দেখিবলৈ পাওঁ তেতিয়া 'গণতন্ত্ৰ' আৰু 'জাতিসমূহৰ সম্মিলন' সম্পৰ্কে উইলছন আৰু তেওঁৰ অনুগামীসকলে উচ্চাৰণ কৰা ভণ্ডামিপূৰ্ণ বৰ-কথাবোৰৰ স্বৰূপ আচৰিত দ্ৰুততাৰে উন্মাটিত হৈ পৰে।

যিসকল বুৰ্জোৱা গণতন্ত্ৰৰ পূৰ্বসংস্কাৰত সম্পূৰ্ণে আচ্ছন্ন, যোৱা কালি যিসকলে 'তেওঁলোকৰ' সাম্ৰাজ্যবাদী চৰকাৰবোৰক সমৰ্থন কৰিছিল আৰু আজি ৰুছিয়াত সামৰিক হস্তক্ষেপৰ বিৰুদ্ধে নিৰাসক্ত 'প্ৰতিবাদৰ' মাজত নিজক সীমাবদ্ধ ৰাখিছে, সেই কাপুৰুষ উদাসীন 'সমাজতন্ত্ৰীসকলৰ' বাহিৰেও, মিত্ৰপক্ষীয় দেশবোৰত এনেবোৰ লোকৰ সংখ্যা ক্ৰমশঃ বাঢ়িছে, যিসকলে কমিউনিষ্ট পথ — মেকালিন, ডেব্‌ছ, লোৰিও, লাৎছাৰি আৰু ছেৰাতিৰ পথ গ্ৰহণ কৰিছে। এইসকল লোকে উপলব্ধি কৰিছে যে সাম্ৰাজ্যবাদক যদি মাৰিমুৰ কৰিব লাগে আৰু সমাজতন্ত্ৰৰ বিজয় আৰু স্থায়ী শান্তি সুনিশ্চিত কৰিব লাগে, তেনেহলে বুৰ্জোৱা শ্ৰেণীৰ উচ্ছেদ ঘটাবই লাগিব, বুৰ্জোৱা সংসদবোৰ বিলুপ্ত কৰিব লাগিব আৰু ছোভিয়েত ক্ষমতা তথা প্ৰলিতাৰিয়েতৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিবই লাগিব।

তেতিয়া, ১৯১৮ চনৰ ২০ আগষ্টত প্ৰলিতাৰীয় বিপ্লৱ ৰুছিয়াৰ মাজতেই সীমাৱদ্ধ আছিল, আৰু 'ছোভিয়েত চৰকাৰ' অৰ্থাৎ যিটো ব্যৱস্থাধীনত **সমস্ত** ৰাষ্ট্ৰক্ষমতা শ্ৰমিক-সৈনিক আৰু কৃষক প্ৰতিনিধিবৰ্গৰ ছোভিয়েতসমূহৰ ওপৰত অৰ্পিত সেই ব্যৱস্থাক তেতিয়াও কেৱল এটি ৰুছ প্ৰতিষ্ঠান বুলি ধাৰণা হৈছিল (আৰু প্ৰকৃততে তেনে আছিলো)।

এতিয়া, ১৯১৯ চনৰ ১২ জানুৱাৰীত আমি এক বিশাল 'ছোভিয়েত' আন্দোলন দেখিবলৈ পাইছোঁ, উদাহৰণ হিচাপে লাৎভিয়া, পোলেণ্ড আৰু ইউক্ৰেইনৰ দৰে কেৱল প্ৰাক্তন জাৰতন্ত্ৰী সাম্ৰাজ্যৰ অংশবোৰতেই নহয়, বৰং পশ্চিম ইউৰোপীয় দেশবিলাকতো, নিৰপেক্ষ দেশসমূহতো (ছুইজাৰ্লেণ্ড, হলেণ্ড আৰু নৰ্বে) আৰু যুদ্ধত ক্ষতিগ্ৰস্ত হোৱা দেশবোৰতো (অষ্ট্ৰিয়া আৰু জাৰ্মানি)। জাৰ্মানিত বিপ্লৱে — যি সবাতোকৈ অগ্ৰসৰ পুঁজিবাদী দেশসমূহৰ অন্যতম হিচাপে বিশেষ গুৰুত্বপূৰ্ণ আৰু বৈশিষ্ট্যপূৰ্ণ — ততালিকে 'ছোভিয়েত' ৰূপ ধাৰণ কৰিছিল। জাৰ্মান বিপ্লৱৰ সমগ্ৰ গতিপথ, আৰু বিশেষকৈ বুৰ্জোৱা শ্ৰেণীৰ লগত সেই বিশ্বাসঘাতকী দুৰ্জন ছাইডেমান

আৰু জিউডেকুমহ'তৰ কুটুম্বিতাৰ বিৰুদ্ধে 'স্পার্টাকোছপন্থীসকলৰ', অর্থাৎ প্ৰলিতাৰিয়েতৰ প্ৰকৃত আৰু একমাত্ৰ প্ৰতিনিধিসকলৰ সংগ্ৰাম — এই সকলোৱে জাৰ্মানিৰ সম্পৰ্কত প্ৰশ্নটো ইতিহাসে কেনেকৈ সূত্ৰায়িত কৰিছে তাক স্পষ্টৰূপে দেখুৱাই দিয়ে।

'ছোভিয়েত ক্ষমতা' অথবা বুৰ্জোৱা সংসদ, ইয়াৰ যি ছাইনবৰ্ডৰ তলতেই (যেনে 'জাতীয়' কিম্বা 'সংবিধান' সভা) আত্মপ্ৰকাশ নঘটক লাগিলে।

এনেকৈয়ে **বিশ্ব ইতিহাসে** প্ৰশ্নটো সূত্ৰায়িত কৰিছে। এতিয়া এই কথাটো কোনো অতিৰঞ্জিত নকৰাকৈয়ে ক'ব পৰা যায় আৰু ক'ব লাগিবও।

'ছোভিয়েত ক্ষমতা' হৈছে প্ৰলিতাৰীয় একনায়কত্বৰ বিকাশৰ ক্ষেত্ৰত দ্বিতীয় ঐতিহাসিক পদক্ষেপ কিম্বা স্তৰ। প্ৰথম খোজটো আছিল পেৰিছ কমিউন। মাৰ্ক্সে তেওঁৰ 'ফ্ৰান্সত গৃহযুদ্ধ' নামৰ ৰচনাত দাঙি ধৰা ইয়াৰ চৰিত্ৰ আৰু তাৎপৰ্য্যৰ সুন্দৰ বিশ্লেষণে দেখুৱাই দিয়ে যে কমিউনে **এখন নতুন ধৰণৰ ৰাষ্ট্ৰ, এক প্ৰলিতাৰীয় ৰাষ্ট্ৰ** সৃষ্টি **কৰিছিল**। সবাতোকৈ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰকো ধৰি প্ৰত্যেক ৰাষ্ট্ৰই এটা শ্ৰেণীৰ দ্বাৰা আন এটা শ্ৰেণীৰ দমনৰ এক যন্ত্ৰৰ বাহিৰে আন একো নহয়। প্ৰলিতাৰীয় ৰাষ্ট্ৰ হ'ল প্ৰলিতাৰিয়েতৰ দ্বাৰা বুৰ্জোৱা শ্ৰেণীক দমন কৰাৰ এক যন্ত্ৰ। জমিদাৰ আৰু পুঁজিপতিবিলাকে, সমগ্ৰ বুৰ্জোৱা শ্ৰেণী আৰু তেওঁলোকৰ আশ্ৰিত সমস্ত পৰোপজীৱীয়ে, সকলো শোষকে যেতিয়া তেওঁলোকৰ উচ্ছেদ আৰম্ভ হয়, যেতিয়া উচ্ছেদকাৰীসকলৰ উচ্ছেদসাধন চলিবলৈ ধৰে তেতিয়া একোনাই হৈ ক্যাকো নামানে, সিবিলাকৰ সেই হিংস্ৰ, মৰি-মৃজি চলোৱা প্ৰতিৰোধৰ কাৰণেই এনে ধৰণৰ দমন প্ৰয়োজন হয়।

সবাতোকৈ গণতান্ত্ৰিক যি প্ৰজাতন্ত্ৰত সম্পত্তি-মালিকানা আৰু পুঁজিপতিসকলৰ শাসন সুৰক্ষিত, তাতো আনকি সবাতোকৈ গণতান্ত্ৰিক বুৰ্জোৱা সংসদ হৈছে শোষকবিলাকৰ সৰু সৰু গোষ্ঠীৰ দ্বাৰা লাখ লাখ মেহনতী মানুহৰ ওপৰত দমনৰ এক যন্ত্ৰ। **আমাৰ সংগ্ৰাম যেতিয়ালৈকে বুৰ্জোৱা ব্যৱস্থাৰ গাঁথনিৰ মাজত সীমাবদ্ধ আছিল**, তেতিয়ালৈকে শোষণৰপৰা শ্ৰমজীৱী জনসাধাৰণৰ মুক্তিৰ বাবে সংগ্ৰাম চলোৱা সেই সমাজতন্ত্ৰীসকলে বুৰ্জোৱা সংসদবোৰক প্ৰচাৰ, আন্দোলন আৰু সংগঠনৰ মঞ্চ হিচাপে, এটা ঘাটি হিচাপে ব্যৱহাৰ কৰিব লগা হৈছিল। আজি যেতিয়া বিশ্ব ইতিহাসে সেই গোটেই ব্যৱস্থাটোকেই ধ্বংস কৰাৰ, শোষকহ'তক উচ্ছেদ আৰু দমন কৰাৰ, পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ যোৱাৰ প্ৰশ্নটো সমুখত উপস্থিত কৰিছে, তেতিয়া নিজকে বুৰ্জোৱা সংসদীয় ৰীতি-নীতিৰ মাজত,

বুর্জোৱা গণতন্ত্ৰৰ মাজত সীমাবদ্ধ ৰখা, ইয়াক সাধাৰণভাৱে 'গণতন্ত্ৰ' হিচাপে উপস্থিত কৰা, ইয়াৰ বুর্জোৱা চৰিত্ৰ অস্পষ্ট কৰি তোলা, পুঁজিবাদী সম্পত্তি-মালিকানা বৰ্তি থকালৈকে সাৰ্বজনীন ভোটাধিকাৰ যে বুর্জোৱা ৰাষ্ট্ৰৰ এটা এপাত হাতিয়াৰহে সেই কথা পাহৰি যোৱাৰ অৰ্থ হ'ব প্ৰলিতাৰিয়েতৰ প্ৰতি লজ্জাজনক বিশ্বাসঘাতকতা, ইয়াৰ শ্ৰেণী-শত্ৰু বুর্জোৱা শ্ৰেণীৰ পক্ষ লোৱা, বিশ্বাসঘাতক আৰু দলত্যাগী হোৱা।

বিশ্ব সমাজতন্ত্ৰত যি তিনিটা ধাৰা সম্পৰ্কে বলছেভিক কাকত-আলোচনী আদিত ১৯১৫ চনৰেপৰা অনৱৰতে কৈ অহা হৈছে, সেইকেইটা আজি জাৰ্মানিত ৰক্তাক্ত সংগ্ৰাম আৰু গৃহ-যুদ্ধৰ পটভূমিত বিশেষ স্পষ্টৰূপে প্ৰকাশ পাইছে।

সকলো দেশৰ শ্ৰমিকেই কাৰ্ল লিব্‌ক্লেখ্‌ট নামটো জানে। সকলো ঠাইতে আৰু বিশেষকৈ আঁতাতৰ [১৬৯] দেশসমূহত এই নামটি হৈছে প্ৰলিতাৰিয়েতৰ স্বাৰ্থৰ প্ৰতি এজন নেতাৰ নিষ্ঠা আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰতি আনুগত্যৰ প্ৰতীক। এয়া পুঁজিবাদৰ বিৰুদ্ধে প্ৰকৃততে আন্তৰিকতাপূৰ্ণ, প্ৰকৃততে আত্মত্যাগমূলক আৰু নিৰ্মম সংগ্ৰামৰ প্ৰতীক। এয়া মুখৰ কথাত নহয় বৰং কামত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আপোচহীন সংগ্ৰামৰ, 'এজনৰ নিজৰ' দেশ যেতিয়া সাম্ৰাজ্যবাদী বিজয়েৰে আবেগ-উদ্দীপ্ত ঠিক সেই সময়ত আত্মত্যাগমূলক সংগ্ৰামৰ প্ৰতীক। লিব্‌ক্লেখ্‌ট আৰু স্পাৰ্টাকাছপন্থীসকলৰ লগত আছে সেই সকলো জাৰ্মান সমাজতন্ত্ৰী, যিসকল সৎ আৰু প্ৰকৃত বিপ্লৱী হৈ আছে, তেওঁলোকৰ লগত আছে প্ৰলিতাৰিয়েত, শোষিত জনসাধাৰণৰ মাজৰ সেই সকলো শ্ৰেষ্ঠ আৰু আত্মত্যাগী ব্যক্তিসকল, যিসকল ক্ষোভ আৰু ঘৃণাত উতলা আৰু যিসকলৰ মাজত বিপ্লৱৰ কাৰণে তৎপৰতা ক্ৰমশঃ বৃদ্ধি পাইছে।

লিব্‌ক্লেখ্‌টৰ বিৰুদ্ধে আছে ছাইডেমান, জিউডেকুমৰ দল আৰু কাইজাৰ তথা বুর্জোৱা শ্ৰেণীৰ সমগ্ৰ ঘৃণ্য বহতীয়াৰ দল। গমপেৰ্ছ আৰু ভিক্তৰ বেৰ্গেৰ, হেণ্ডাৰছন আৰু ওৱেব, ৰেনোদেল আৰু ভাণ্ডেৰ্ভেল্ডে প্ৰভৃতিৰ দৰেই তেওঁলোকো সমাজতন্ত্ৰৰ প্ৰতি ঠিক সমানেই বিশ্বাসঘাতক। এওঁলোকে শ্ৰমিকসকলৰ সেই শীৰ্ষস্থানীয়, অংশৰ প্ৰতিনিধিত্ব কৰে, যাক বুর্জোৱা শ্ৰেণীয়ে ভেটী খুৱাই হাত কৰে, তেৰাসৱকেই আমি বলছেভিকসকলে 'শ্ৰমিক শ্ৰেণীৰ আন্দোলনত বুর্জোৱাহ'তৰ দালাল' বুলি অভিহিত কৰিছোঁ (নামটো ৰুছ জিউডেকুমসকল, মেনছেভিকসকলৰ ক্ষেত্ৰত প্ৰয়োগ কৰি), আৰু সিসকলকেই আমেৰিকাত শ্ৰেষ্ঠ সমাজতন্ত্ৰীসকলে শোভনীয় ভাবব্যঞ্জক

আৰু অতি উপযুক্ত সংজ্ঞাৰে ভূষিত কৰিছে: 'পুঁজিপতি শ্ৰেণীৰ শ্ৰমিক প্ৰতিনিধি' বুলি। এইসকলেই শেহতীয়া, 'আধুনিক' ধৰণৰ সমাজতান্ত্ৰিক বিশ্বাসঘাতকতাৰ প্ৰতিনিধি, কাৰণ সকলো সভ্য অগ্ৰসৰ দেশত বুৰ্জোৱাবিলাকে ঔপনিৱেশিক নিপীড়নৰ যোগে কিম্বা আনুষ্ঠানিকভাৱে স্বাধীন দুৰ্বল দেশবোৰৰপৰা আৰ্থিকভাৱে 'ফইদা' আদায় কৰে, তেওঁলোকে 'তেওঁলোকৰ নিজৰ' দেশৰ জনসমষ্টিতকৈ বহুত গুণে বৃহৎ এক জনসমষ্টিক লুট কৰে। এই অৰ্থনৈতিক উপাদানটোৱেই সাম্ৰাজ্যবাদী বুৰ্জোৱা শ্ৰেণীক অতি-মুনাফা অৰ্জন কৰিবলৈ সক্ষম কৰি তোলে, সেই লাভৰেই একাংশ প্ৰলিতাৰিয়েতৰ শীৰ্ষস্থানীয় অংশটোক ভেটী দিয়াৰ কাৰণে আৰু ইয়াক বিপ্লৱলৈ ভয় কৰা এটা সংস্কাৰবাদী সুবিধাবাদী পেটি-বুৰ্জোৱা শ্ৰেণীত পৰিণত কৰাৰ কাৰণে ব্যৱহৃত হয়।

স্পাৰ্টাকাছপন্থী আৰু ছাইডেমান অনুগামীসকলৰ মাজভাগত আছে দোদুল্যমান, মেৰুদণ্ডহীন 'কাউৎস্কিপন্থীসকল': এওঁলোক কথাত 'স্বাধীন', কিন্তু কাৰ্যক্ষেত্ৰত সম্পূৰ্ণে আৰু সৰ্বত্ৰ হয়তো এদিন বুৰ্জোৱা শ্ৰেণীৰ আৰু ছাইডেমানৰ লোকসকলৰ ওপৰত, পিছ দিনা স্পাৰ্টাকাছপন্থীসকলৰ ওপৰত নিৰ্ভৰশীল, খেনোৱে সমৰ্থন কৰে প্ৰথমোক্তসকলক, কিছুমানে আকৌ অনুসৰণ কৰে শেষোক্তসকলক। এওঁলোক হ'ল চিন্তাহীন, মেৰুদণ্ডহীন, নীতিহীন, মৰ্য্যাদাহীন, বিবেকহীন মানুহ, যিসকল কথাত সমাজতান্ত্ৰিক বিপ্লৱৰ পক্ষে অথচ আচলতে বিপ্লৱ যেতিয়া আৰম্ভ হৈছে তেতিয়া তাক বুজিবলৈ অক্ষম আৰু দলত্যাগীৰ কায়দাৰে যিসকলে সাধাৰণভাৱে 'গণতন্ত্ৰৰ' পক্ষ সমৰ্থন কৰে, অৰ্থাৎ প্ৰকৃততে বুৰ্জোৱা গণতন্ত্ৰৰ পক্ষে ওকালতি কৰে, সেই কূপমণ্ডুকসকলৰ বিহ্বলতাৰ জীৱন্ত প্ৰতীক।

প্ৰতিখন পুঁজিবাদী দেশতে, প্ৰত্যেক চিন্তাশীল শ্ৰমিকে জাতীয় আৰু ঐতিহাসিক অৱস্থা অনুযায়ী পৰিৱৰ্তিত পৰিস্থিতিত সমাজতন্ত্ৰী আৰু ছিণ্ডিকেলিষ্টসকলৰ মাজত এই তিনিটা ঘাই ধাৰা লক্ষ্য কৰিব পাৰিব, কাৰণ সাম্ৰাজ্যবাদী যুদ্ধ আৰু প্ৰাৰম্ভিক বিশ্ব প্ৰলিতাৰীয় বিপ্লৱে সমগ্ৰ পৃথিৱী জুৰি একেই অভিন্ন মতাদৰ্শগত আৰু ৰাজনৈতিক প্ৰৱণতাৰ জন্ম দিয়ে।

• • •

ওপৰৰ কথাখিনি এবেৰ্ট আৰু ছাইডেমান চৰকাৰে কাৰ্ল লিব্‌ক্লেখ্‌ট আৰু ৰোজা লুক্সেমবুৰ্গক নৃশংস আৰু কাপুৰুষোচিতভাৱে হত্যা কৰাৰ আগেয়ে লিখা হৈছিল। বুৰ্জোৱা শ্ৰেণীৰ দাসত্ব মানি সেই কছাইবোৰে পবিত্ৰ পুঁজিবাদী সম্পত্তিৰ ৰখীয়া কুকুৰ জাৰ্মান শ্বেতৰক্ষীহঁতক বিনা বিচাৰে ৰোজা লুক্সেমবুৰ্গক মাৰিবলৈ লগাই দিছিল, 'পলোৱাৰ চেষ্টা কৰা' বুলি দেখ্‌দেখ্‌কৈয়ে মিছা অজুহাতত পিছ ফালৰপৰা গুলীয়াই কাৰ্ল লিব্‌ক্লেখ্‌টক হত্যা কৰিবলৈ দিছিল (ৰুছিয়াৰ জাৰতন্ত্ৰই ১৯০৫ চনৰ বিপ্লৱক নিষ্ঠুৰভাৱে দমন কৰাৰ সময়ত বন্দীসকলক হত্যা কৰিবলৈ সততে এই অজুহাতটো কামত লগাইছিল)। তাৰ লগে লগে সেই কছাইবোৰে চৰকাৰৰ ক্ষমতাৰে শ্বেতৰক্ষীহঁতক ৰক্ষা কৰিছে, অথচ এই চৰকাৰে নিজকে সম্পূৰ্ণ নিৰপৰাধ আৰু সকলো শ্ৰেণীৰ ঊৰ্দ্ধত বুলি দাবী কৰে! তথাকথিত সমাজতন্ত্ৰীবোৰৰ এই নিষ্ঠুৰ হত্যাকাণ্ডৰ জঘন্য নীচ আৰু ঘৃণনীয় চৰিত্ৰক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। স্পষ্টভাৱেই, ইতিহাসে এনে এটা পথ বাছি লৈছে য'ত 'পুঁজিপতি শ্ৰেণীৰ শ্ৰমিক প্ৰতিনিধিসকলৰ' ভূমিকা পাশৱিকতা, হীনতা আৰু নীচতাৰ 'শেষ মাত্ৰালৈকে' পালন কৰিব লাগিব। সেই নিৰ্বোধবোৰে, কাউৎস্কিপন্থীবিলাকে তেওঁলোকৰ বাতৰিকাকত Freiheit-ত [১৭০] 'সকলো সমাজতন্ত্ৰী' পাৰ্টিৰ প্ৰতিনিধিবৃন্দৰ এখন 'আদালতৰ' বিষয়ে আলোচনা চলাই যাওক (সেই দাসোচিত আত্মাবোৰে জোৰ দি কয় যে ছাইডেমান ঘাতকবোৰ সমাজতন্ত্ৰী)! কূপমণ্ডুকসুলভ মূৰ্খতা আৰু পেটি-বুৰ্জোৱা ভীৰুতাৰ সেই নায়কসকলে এই কথাটোও আনকি বুজিব নোৱাৰে যে আদালতবিলাক ৰাষ্ট্ৰক্ষমতাৰ সংস্থা আৰু জাৰ্মানিত বৰ্তমানে চলি থকা সংগ্ৰাম আৰু গৃহ-যুদ্ধখনত নিশ্চিতভাৱেই প্ৰশ্নটো হৈছে এই ক্ষমতা কাৰ হাতত থাকিব — ঘাতক আৰু ধ্বংসলীলাৰ প্ৰৰোচক হিচাপে ছাইডেমানবিলাকে আৰু 'বিশুদ্ধ গণতন্ত্ৰৰ' মহিমা প্ৰচাৰক হিচাপে কাউৎস্কিহঁতে 'সেৱা' কৰা সেই বুৰ্জোৱা শ্ৰেণীৰ হাতত, নে পুঁজিবাদী শোষকহঁতক উচ্ছেদ কৰি যিসকলে সিবোৰৰ প্ৰতিৰোধ চূৰ্ণ কৰিব সেই প্ৰলিতাৰিয়েতৰ হাতত।

বিশ্ব প্ৰলিতাৰীয় আন্তৰ্জাতিকৰ শ্ৰেষ্ঠ প্ৰতিনিধিবৰ্গৰ, বিশ্ব সমাজতান্ত্ৰিক বিপ্লৱৰ অবিস্মৰণীয় নেতাসকলৰ ৰক্তই জীৱন-মৰণ সংগ্ৰামৰ কাৰণে শ্ৰমিকসকলৰ নতুন নতুন ব্যাপকতৰ অংশক লোহ-দৃঢ় কৰি তুলিব। আৰু

এই সংগ্ৰাম বিজয়ৰ পথত অগ্ৰসৰ হ'ব। ৰুছিয়াত আমি ১৯১৭ চনৰ গ্ৰীষ্মকালত সেই 'জুলাই মাহৰ দিনবোৰৰ' [১৭১] মাজেৰে আগুৱাব লগা হৈছিল, যেতিয়া ৰুছ ছাইডেমানবিলাক, অৰ্থাৎ মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিবিলাকেও বলছেভিকসকলৰ বিৰুদ্ধে শ্বেতৰক্ষীবোৰৰ 'জয়ৰ' কাৰণে 'ৰাষ্ট্ৰীয়' আশ্ৰয়ৰ ব্যৱস্থা কৰিছিল, আৰু কছাকবিলাকে [১৭২] যেতিয়া শ্ৰমিক ভইনভক বলছেভিক প্ৰচাৰ-পত্ৰ বিলি কৰাৰ কাৰণে পেত্ৰোগ্ৰাদৰ ৰাস্তাত গুলীয়াই মাৰিছিল। আমি অভিজ্ঞতাৰ মাজেৰে জানোঁ, বুৰ্জোৱা শ্ৰেণী আৰু সিবিলাকৰ বহুতীয়াবোৰৰ এনেকুৱা 'জয়লাভে' কিমান দ্ৰুতভাৱে বুৰ্জোৱা গণতন্ত্ৰ, 'সাৰ্বজনীন ভোটাধিকাৰ' ইত্যাদি সম্পৰ্কে জনসাধাৰণৰ মোহ-মুক্তি ঘটায়।

* * *

মিত্ৰপক্ষীয় দেশসমূহৰ বুৰ্জোৱা শ্ৰেণী আৰু চৰকাৰবিলাক দ্বিধাগ্ৰস্ত হৈ পৰা যেন লাগিছে। একাংশই দেখিছে যে ৰুছিয়াত শ্বেতৰক্ষী বাহিনীক সাহায্য কৰা আৰু জঘন্য কুখ্যাত ৰাজতন্ত্ৰী আৰু জমিদাৰী প্ৰতিক্ৰিয়াৰ সেৱা কৰা সেই মিত্ৰপক্ষীয় সৈন্যসকলৰ মাজত ইতিমধ্যে হতাশাই আগুৰি ধৰিছে। ই উপলব্ধি কৰিছে যে সামৰিক হস্তক্ষেপ চলাই যোৱা আৰু ৰুছিয়াক পৰাস্ত কৰাৰ চেষ্টা — যাৰ অৰ্থ হৈছে সুদীৰ্ঘ কালৰ বাবে এক নিযুক্ত লোকৰ এক সৈন্যবাহিনী পোহা — হ'ল মিত্ৰপক্ষীয় দেশবোৰলৈ প্ৰলিতাৰীয় বিপ্লৱক কাঢ়িয়াই নিয়াৰ অতি নিশ্চিত আৰু দ্ৰুত উপায়। ইউক্ৰেইনত জাৰ্মান দখলকাৰী সৈন্যবাহিনীৰ উদাহৰণেই ইয়াৰ অতি প্ৰত্যয়জনক প্ৰমাণ।

মিত্ৰপক্ষীয় দেশবোৰৰ বুৰ্জোৱা শ্ৰেণীৰ আন এটি অংশই ইয়াৰ সামৰিক হস্তক্ষেপ, 'অৰ্থনৈতিক অৱৰোধ' (ক্ৰেমাঁছো) আৰু ছোভিয়েত প্ৰজাতন্ত্ৰক টেঁটু চেপি মৰাৰ নীতি চলাই গৈছে। সেই বুৰ্জোৱা শ্ৰেণীৰ সেৱাত নিযুক্ত সমগ্ৰ সংবাদপত্ৰ-জগৎ, অৰ্থাৎ ব্ৰিটেইন আৰু ফ্ৰান্সত পুঁজিপতিসকলে কিনি লোৱা অধিকাংশ দৈনিক বাতৰিকাকতে ছোভিয়েত চৰকাৰৰ অবিলম্বে পতনৰ ভৱিষ্যদ্বাণী কৰিছে, ৰুছিয়াত দুৰ্ভিক্ষৰ ভয়াৱহতাৰ ঘোৰ মলিন চিত্ৰ আঁকিছে। 'বিশৃংখলা' আৰু ছোভিয়েত চৰকাৰৰ 'অস্থিৰতা' সম্পৰ্কে মিছা কথা প্ৰচাৰ কৰিছে। মিত্ৰপক্ষীয় দেশবোৰে যাক উচ্চপদস্থ বিষয়া, গুলী-বাৰুদ, ধন-বিত আৰু অতিৰিক্ত খণ্ডবাহিনীৰে সহায় কৰে, সেই জমিদাৰ আৰু পুঁজিপতিহঁতৰ শ্বেতৰক্ষী বাহিনীবিলাকে ৰুছিয়াৰ

অনাহাৰ-পীড়িত মধ্য আৰু উত্তৰ অঞ্চলবোৰক সবাতোকৈ সাৰুৱা অঞ্চল, ছাইবেৰিয়া আৰু দনৰপৰা বিচ্ছিন্ন কৰি পেলাইছে।

পেট্রোগ্রাদ আৰু মস্কোত, ইভানভো-ভজ্নেছেন্স্ক আৰু অন্যান্য ঔদ্যোগিক কেন্দ্রবোৰত অনাহাৰত পীড়িত শ্রমিকসকলৰ দুৰৱস্থা স'চাকৈয়ে ভয়ানক। শ্রমিকসকলে যে ৰুছিয়াত আৰু সমগ্র পৃথিৱীত সমাজতন্ত্রৰ আদর্শক ৰক্ষা কৰিছে সেই কথা যদি নুবুজিলেহেঁতেন, তেনেহলে তেওঁলোকে মিত্রপক্ষীয় সামৰিক হস্তক্ষেপৰ (অৱশ্যে ইয়াক সততে 'নিজৰ' সৈন্যদল নপঠোৱাৰ ভণ্ডামিপূর্ণ প্রতিশ্রুতিৰে ঢাকি ৰাখিলেও 'কৃষ্ণাঙ্গ' সৈন্য আৰু লগতে গুলী-বাৰুদ, ধন-বিত আৰু বিষয়াসকলক পঠোৱাৰ কাম অব্যাহত থাকে) ফলত ভোগা অকথ্য দুঃখ-কষ্ট, ক্ষুধাৰ যাতনা কেতিয়াও সহ্য কৰিব নোৱাৰিলেহেঁতেন।

'মিত্রপক্ষীয়' আৰু শ্বেতৰক্ষী সৈন্যবাহিনীবোৰে আৰ্খাঙ্গেল্স্ক, পের্ম, ওৰেনবুর্গ, দন তীৰস্থ ৰস্তভ, বাকু আৰু আস্খাবাদ দখল কৰি ৰাখিছে, কিন্তু 'ছোভিয়েত আন্দোলনে' ৰিগা আৰু খাৰ্কভক জয় কৰি লৈছে। লাৎভিয়া আৰু ইউক্রেইন ছোভিয়েত প্রজাতন্ত্র হৈ পৰিছে। শ্রমিকসকলে দেখিবলৈ পাইছে যে তেওঁলোকৰ মহান ত্যাগস্বীকাৰ অথলে যোৱা নাই, ছোভিয়েত ক্ষমতাৰ জয় গোটেই পৃথিৱীতে কাষ চাপি আহিছে, প্রসাৰিত হৈছে, বৃদ্ধি পাইছে আৰু ই শক্তি সঞ্চয় কৰিছে। প্রত্যেকটো মাহৰ তুমুল যুদ্ধ আৰু অশেষ ত্যাগ-স্বীকাৰে গোটেই পৃথিৱী জুৰি ছোভিয়েত ক্ষমতাৰ আদর্শক শক্তিশালী কৰিছে আৰু ইয়াৰ শত্রুহঁতক, শোষকহঁতক দুর্বল কৰি পেলাইছে।

বিশ্ব প্রলিতাৰীয় বিপ্লৱৰ শ্রেষ্ঠ নেতাসকলক হত্যা কৰিবলৈ, অধিকৃত কিম্বা পৰাজিত দেশ আৰু অঞ্চলবোৰত শ্রমিকসকলৰ আত্মত্যাগ আৰু দুঃখ-কষ্ট-যাতনা বঢ়াই তুলিবলৈ অৱশ্যে শোষকহঁতৰ এতিয়াও যথেষ্ট শক্তি আছে। কিন্তু সমগ্র বিশ্ব-ব্যাপী এই শোষকহঁত ইমান শক্তিশালী নহয় যে সিহঁতে বিশ্ব প্রলিতাৰীয় বিপ্লৱৰ বিজয়ক প্রতিৰোধ কৰিব পাৰে, যি বিজয়লাভে পুঁজিৰ যুৱলিৰপৰা আৰু পুঁজিবাদৰ অধীনত অনিবার্য্য সেই নতুন নতুন সাম্রাজ্যবাদী যুদ্ধৰ অন্তহীন বিপদৰপৰা মানৱ সমাজক মুক্ত কৰিব।

এন. লেনিন

১৯১৯ চনৰ ২১ জানুৱাৰী

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ৪২৯-৩৬

শ্ৰমিক শ্ৰেণীৰ ব্যাপক অংশই যিটো অৰ্জন কৰিছে সেইটোৱেই হৈছে বিপ্লৱৰ একমাত্ৰ সুনিশ্চিত ফললাভ। যাক প্ৰকৃতপক্ষে সুনিশ্চিতভাৱে অৰ্জন কৰা হৈছে সেইটোবেই হৈছে নথিভুক্ত কৰাৰ যোগ্য একমাত্ৰ ফললাভ।

১৯১৯ চনৰ ২ মাৰ্চত মস্কোত তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিকৰ [১৭৩] প্ৰতিষ্ঠা অকল ৰুছিয়াৰ শ্ৰমিকসকলৰেই নহয়, জাৰ্মান, অষ্ট্ৰীয়, হাঙ্গেৰীয়, ফিনিছ, ছুইছ — থুপতে পৃথিৱীৰ শ্ৰমিকসকলৰো অৰ্জিত এটি অভিলেখ।

ঠিক এই কাৰণেই তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিকৰ প্ৰতিষ্ঠা প্ৰকৃততেই সুদৃঢ়।

ছোভিয়েত চৰকাৰ, ৰাষ্ট্ৰৰ এই ছোভিয়েত ৰূপটো যে এটা আন্তৰ্জাতিক সাফল্য, সেই কথা মাত্ৰ চাৰি মাহৰ আগতেও কোৱাটো সম্ভৱ নহৈছিল। তাৰ মাজত এনে কিবা আছিল, তদুপৰি অপৰিহাৰ্য এনে কিবা আছিল যিটো সকলো পুঁজিবাদী দেশৰ তথা ৰুছিয়াৰো সম্পদ। কিন্তু তাক পৰীক্ষা কৰি নোচোৱালৈকে, বিশ্ব-বিপ্লৱৰ বিকাশে কিমান দূৰ গভীৰতা আৰু তাৎপৰ্যপূৰ্ণ কি কি পৰিৱৰ্তন আনিব তাক কোৱাটো তেতিয়াও সম্ভৱ নাছিল।

জাৰ্মান বিপ্লৱে এই পৰীক্ষাৰ ব্যৱস্থা কৰিছে। সবাতোকৈ পিছ পৰা এখন দেশৰ পাছত এখন অগ্ৰসৰ পুঁজিবাদী দেশে মাত্ৰ এশ দিনমানৰ ভিতৰতে গোটেই পৃথিৱীৰ সমুখত কেৱল সেই একেই প্ৰধান প্ৰধান বৈপ্লৱিক শক্তি আৰু বিপ্লৱৰ প্ৰধান গতিপথকেই যে প্ৰদৰ্শন কৰিছে এনে নহয়, জগতে নতুন প্ৰলিতাৰীয় গণতন্ত্ৰৰ সেই একেই প্ৰধান ৰূপ — ছোভিয়েতসমূহকো দাঙি ধৰিছে।

ইয়াৰ লগে লগে এখন বিজয়ী দেশ, উপনিৱেশবোৰৰ ফালৰপৰা অতি সমৃদ্ধ, 'সামাজিক শান্তিৰ' দীৰ্ঘতম কাৰ্যাকৰ আদৰ্শ কিম্বা তেনে খ্যাতিৰ

অধিকাৰী, প্ৰাচীনতম পুঁজিবাদী দেশ ব্ৰিটেইনত আমি দেখিবলৈ পাইছোঁ ছোভিয়েতসমূহৰ আৰু ব্যাপক প্ৰলিতাৰীয় সংগ্ৰামৰ নতুন ছোভিয়েত ৰূপবিলাক — শ্বপ ষ্টিউৱাৰ্ডছ কমিটিবোৰৰ [১৭৪] এক ব্যাপক, অদম্য, নিবিড় আৰু প্ৰবল বৃদ্ধি।

সবাতোকৈ শক্তিশালী আৰু তৰুণতম পুঁজিবাদী দেশ আমেৰিকাতো শ্ৰমিকসকলৰ মাজত ছোভিয়েতসমূহৰ প্ৰতি বিপুল সহানুভূতি আছে।

বৰফ ভঙা হৈছে।

গোটেই পৃথিৱী জুৰি ছোভিয়েতসমূহে জয়লাভ কৰিছে।

শ্ৰমিকসকলৰ সহানুভূতি অৰ্জন কৰাৰ কাৰণেই এইবোৰে প্ৰথমতঃ আৰু প্ৰধানতঃ জয়লাভ কৰিছে। এইটোৱেই হৈছে প্ৰধান কথা। সাম্ৰাজ্যবাদী বুৰ্জোৱাৰ কোনো পাশৱিকতাই, বলছেভিকসকলৰ বিৰুদ্ধে কোনো নিৰ্যাতন কিম্বা হত্যাকাণ্ডই জনসাধাৰণক এই ফললাভৰপৰা বঞ্চিত কৰিব নোৱাৰে। 'গণতন্ত্ৰী' বুৰ্জোৱা শ্ৰেণী যিমানেই বেছি ক্ৰোধান্বিত হ'ব, এই ফলশ্ৰুতিবোৰে সিমানে বেছি সুদৃঢ়ভাৱে শ্ৰমিকসকলৰ অন্তৰত, তেওঁলোকৰ মনৰ ভাৱত আৰু মানসিকতাত থিতাপি লব, আৰু তেওঁলোকৰ বীৰত্বপূৰ্ণ সংগ্ৰাম সিমানে বেছি উদ্দীপিত কৰিব।

বৰফ ভঙা হৈছে।

সেই কাৰণেই মস্কোত কমিউনিষ্টসকলৰ যি আন্তৰ্জাতিক সম্মিলনে তৃতীয় আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰিছে তাৰ কাম ইমান সহজে, নিমজভাৱে, এনে শান্ত আৰু দৃঢ় প্ৰতিজ্ঞাৰে সৈতে আগ বাঢ়িছে।

ইতিমধ্যে যিখিনি সাফল্য অৰ্জিত হৈছে তাক আমি নথিভুক্ত কৰিছোঁ। জনসাধাৰণৰ মনত ইতিমধ্যে যি দৃঢ় আসন লাভ কৰিছে তাক আমি লিপিবদ্ধ কৰিছোঁ। প্ৰত্যেকেই জানে আৰু তাতোকৈ ডাঙৰ কথা, প্ৰত্যেকেই তেওঁৰ নিজৰ দেশৰ অভিজ্ঞতাৰপৰা নিজেই দেখিছে, অনুভৱ কৰিছে, উপলব্ধি কৰিছে যে এক নতুন প্ৰলিতাৰীয় আন্দোলন পূৰাদমে চলিছে। প্ৰত্যেকেই উপলব্ধি কৰিছে যে এই অভূতপূৰ্ব সবল আৰু গভীৰ-প্ৰসাৰী আন্দোলনক পুৰণি কোনো গাঁথনিৰ মাজত সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি, অথবা তুচ্ছ ৰাজনীতিত নিপুণ ব্যক্তিসকলে, ব্ৰিটিছ আৰু আমেৰিকান 'গণতান্ত্ৰিক' পুঁজিবাদৰ বিশ্ব-দীক্ষিত, বিশ্ব-দক্ষ লয়েড জৰ্জ আৰু উইলছনসকলে, নাইবা হেণ্ডাৰছন, ৰেনোদেল, ব্ৰাণ্টিং গোষ্ঠীবোৰে আৰু সামাজিক-উগ্ৰ স্বাদেশিকতাৰ আন সকলো দাগী নায়কসকলেও তাক বাধা দি ৰাখিব নোৱাৰে।

এই নতুন আন্দোলন প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ দিশে আগুৱাই গৈছে, সমস্ত দোদুল্যমানতা সত্ত্বেও, মাৰাত্মক বিপৰ্যয় সত্ত্বেও, অতুলনীয় আৰু অবিশ্বাস্য 'বৃহৎ বিশৃংখলা' (দৰ্শক হিচাপে ওপৰে-ওপৰে বিচাৰ কৰিলে) সত্ত্বেও ই আগ বাঢ়িছে। এই আন্দোলন ধাবিত হৈছে **ছোভিয়েত চৰকাৰৰ** দিশে, কোটি কোটি শ্ৰমিকৰ প্ৰবল স্ৰোতধাৰাই পথৰ সমস্ত অন্তৰায় সাৰি চাফ কৰি নিছে।

ইয়াকেই আমি নথিভুক্ত কৰিছোঁ। ইতিমধ্যে যিখিনি অৰ্জিত হৈছে তাক আমি আমাৰ প্ৰস্তাৱ, থিছিছ, প্ৰতিৱেদন আৰু বক্তৃতাত মূৰ্ত কৰি তুলিছোঁ।

বিপ্লৱী শ্ৰমিকসকলৰ নতুন, বিশ্ব-জোৰা সমৃদ্ধ অভিজ্ঞতাৰ উজ্জ্বল জেউতিৰে উদ্ভাসিত মাৰ্ক্সবাদে বৰ্তমান ঘটনাৱলীৰ বিকাশৰ অনিবাৰ্যতা উপলব্ধি কৰাত আমাক সহায় কৰিছে। যিসকলে পুঁজিবাদী মজুৰি-দাসত্বৰ উচ্ছেদৰ কাৰণে যুঁজ চলাই গৈছে, সমগ্ৰ পৃথিৱীৰ সেই শ্ৰমিকসকলক তেওঁলোকৰ সংগ্ৰামৰ লক্ষ্য অধিক স্পষ্টৰূপে অনুধাৱন কৰাত এই মাৰ্ক্সবাদেই সহায় কৰিব; যি পথৰ নক্সা ইতিমধ্যেই ৰচিত হৈছে সেই পথেদি অধিক দৃঢ়ভাৱে অগ্ৰসৰ হ'বলৈ, অধিক আস্থা আৰু দৃঢ়তাৰে সৈতে বিজয় অৰ্জন কৰিবলৈ আৰু ইয়াক সুসংহত কৰিবলৈ তেওঁলোকক সহায় কৰিব।

তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিকৰ প্ৰতিষ্ঠাই ছোভিয়েতসমূহৰ আন্তৰ্জাতিক প্ৰজাতন্ত্ৰৰ আগমনী, কমিউনিজমৰ আন্তৰ্জাতিক বিজয়ৰ আগমনী ঘোষণা কৰিছে।

**৫ মাৰ্চ, ১৯১৯ চন**

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৮, পৃঃ ৪৭৮-৮০

## 'গ্ৰামোফোন ৰেকৰ্ডত ভাষণ'

(অংশ)

## তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিক

এইবেলি ১৯১৯ চনৰ মাৰ্চত কমিউনিষ্টসকলৰ এখন আন্তৰ্জাতিক কংগ্ৰেছ মস্কোত অনুষ্ঠিত হয়। এই কংগ্ৰেছেই সকলো দেশতে ছোভিয়েত ক্ষমতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাই থকা গোটেই পৃথিৱীৰ শ্ৰমিকসকলৰ এখন সমিতি — তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰিছে।

মাৰ্ক্সৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথম আন্তৰ্জাতিকৰ অস্তিত্ব আছিল ১৮৬৪ চনৰপৰা ১৮৭২ চনলৈকে। বিখ্যাত পেৰিছ কমিউনৰ — পেৰিছৰ সেই বীৰ শ্ৰমিকসকলৰ পৰাজয়ৰ পাছতেই এই আন্তৰ্জাতিকৰ সমাপ্তি ঘটে। ই অবিস্মৰণীয়, শ্ৰমিকসকলৰ মুক্তিৰ কাৰণে চলা সংগ্ৰামৰ ইতিহাসত ই চিৰকাল জিলিকি থাকিল। এতিয়া আমি বিশ্ব সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ যি সৌধটি গঢ়াৰ সৌভাগ্য লাভ কৰিছোঁ তাৰ ভিত্তি এই আন্তৰ্জাতিকেই স্থাপন কৰিছিল।

দ্বিতীয় আন্তৰ্জাতিকৰ অস্তিত্ব আছিল ১৮৮৯ চনৰপৰা ১৯১৪ চনলৈ, বিশ্ব-যুদ্ধৰ সময়লৈকে। এয়া আছিল পুঁজিবাদৰ সবাতোকৈ প্ৰশান্তিময় আৰু শান্তিপূৰ্ণ বিকাশৰ এছোৱা কাল, বৃহৎ আকাৰৰ বিপ্লৱ এই সময়ছোৱাত ঘটা নাছিল। এই কাল-পৰ্য্যায়তেই ভালেমান দেশত শ্ৰমিক শ্ৰেণীৰ আন্দোলনে শক্তি সঞ্চয় কৰে আৰু পৈণত হৈ উঠে। কিন্তু সৰহভাগ পাৰ্টিতেই শ্ৰমিক নেতাসকল শান্তিপূৰ্ণ অৱস্থাত অভ্যস্ত হৈ পৰিছিল আৰু তেওঁলোকে বৈপ্লৱিক সংগ্ৰাম চলোৱাৰ যোগ্যতা হেৰুৱাই পেলাইছিল। ১৯১৪ চনত যুদ্ধ আৰম্ভ হ'ল, চাৰি বছৰ ধৰি এই যুদ্ধই পৃথিৱীক তেজেৰে লুতুৰি-পুতুৰি কৰিলে, মুনাফাৰ ভাগ-বাঁটন লৈয়েই পুঁজিপতিবোৰৰ মাজত এই যুদ্ধ, সৰু সৰু দুৰ্বল জাতিবোৰৰ ওপৰত আধিপত্যৰ কাৰণে চলিছিল এই যুদ্ধ; সেই সময়তেই উক্ত শ্ৰমিক নেতাসকলে তেওঁলোকৰ নিজৰ নিজৰ চৰকাৰবোৰৰ পক্ষে থিয় দিলে। তেওঁলোকে শ্ৰমিকসকলৰ প্ৰতি

বিশ্বাসঘাতকতা কৰিলে, ধ্বংসযজ্ঞ দীঘলীয়া কৰাত সহায় কৰিলে, তেওঁলোকে সমাজতন্ত্ৰৰ শত্ৰু হৈ পৰিল, পুঁজিপতিৰ পক্ষলৈ গুচি গ'ল।

শ্ৰমিক শ্ৰেণীৰ ব্যাপক অংশই সমাজতন্ত্ৰৰ প্ৰতি বিশ্বাসঘাতকতা কৰা এই লোকবোৰলৈ পিঠি দিলে। গোটেই বিশ্ব জুৰি বৈপ্লৱিক সংগ্ৰামৰ পিনে ঢাল লোৱা এটা অৱস্থা দেখা গ'ল। পুঁজিবাদৰ ধ্বংস যে অনিবাৰ্য্য সেই কথা যুদ্ধই প্ৰমাণ কৰিলে। তাৰ স্থান গ্ৰহণ কৰিবলৈ এটি নতুন ব্যৱস্থা আগুৱাই আহিছে। সমাজতন্ত্ৰ বোলা পুৰণি শব্দটিক সমাজতন্ত্ৰৰ সেই বিশ্বাসঘাতকবোৰে অপবিত্ৰ কৰি দিলে।

পুঁজিৰ যুৱালি ছিঙি দলিয়াই পেলোৱাৰ আদৰ্শত যিসকল শ্ৰমিক অনুগত হৈ আছে, তেওঁলোকে আজি নিজকে কমিউনিষ্ট বুলি অভিহিত কৰিছে। গোটেই পৃথিৱী জুৰি কমিউনিষ্টসকলৰ সমিতি গঢ়ি-বাঢ়ি উঠিছে। ইতিমধ্যে ভালেমান দেশত ছোভিয়েত ক্ষমতা জয়যুক্ত হৈছে। সোনকালেই আমি সমগ্ৰ বিশ্বত কমিউনিজমৰ বিজয় দেখিবলৈ পাম; ছোভিয়েতসমূহৰ বিশ্ব ফেডাৰেটিভ (যুক্তৰাষ্ট্ৰীয়) প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা আমি দেখিবলৈ পাম।

১৯১৯ চনৰ মাৰ্চৰ শেষছোৱাত ঘোষিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ২৯, পৃঃ ২১৬-২১৭

# প্ৰাচ্যৰ জাতিসমূহৰ কমিউনিষ্ট সংগঠনবিলাকৰ দ্বিতীয় সৰ্বা-ৰুছিয়া কংগ্ৰেছত ভাষণ

## ২২ নবেম্বৰ, ১৯১৯ চন

(অংশ)

কমৰেডসকল, প্ৰাচ্যৰ মুছলমান সংগঠনবোৰক প্ৰতিনিধিত্ব কৰা কমিউনিষ্ট কমৰেডসকলৰ এই কংগ্ৰেছক ওলগ জনাবলৈ পাই আৰু ৰুছিয়া তথা সমগ্ৰ বিশ্বৰ বৰ্তমান পৰিস্থিতিৰ সম্বন্ধে দুআষাৰ কোৱাৰ সুযোগ পাই মই নথৈ সন্তোষ পাইছোঁ। মোৰ অভিভাষণৰ বিষয় হৈছে বৰ্তমানৰ অৱস্থা, আৰু মোৰ বোধেৰে এই মুহূৰ্তত সমস্যাটোৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে সাম্ৰাজ্যবাদৰ প্ৰতি প্ৰাচ্যৰ জাতিসমূহৰ মনোভাৱ আৰু সিবিলাকৰ মাজত বৈপ্লৱিক আন্দোলন। এই কথা স্বতঃসিদ্ধ যে, প্ৰাচ্য জাতিসমূহৰ এই বৈপ্লৱিক আন্দোলন এতিয়া কাৰ্য্যকৰীভাৱে বিকশিত হ'ব পাৰে, সাফল্যেৰে সমাধানত উপনীত হ'ব পাৰে একমাত্ৰ আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আমাৰ ছোভিয়েত প্ৰজাতন্ত্ৰৰ বৈপ্লৱিক সংগ্ৰামৰ লগত প্ৰত্যক্ষ সংযোগ-সহযোগৰ মাজেদিহে। ভালেমান অৱস্থাৰ কাৰণে, তাৰ ভিতৰত ৰুছিয়াৰ অনগ্ৰসৰতা, ইয়াৰ বিশাল আয়তন, আৰু পশ্চিম আৰু পূবৰ মাজত, ইউৰোপ আৰু এছিয়াৰ মাজত সীমান্তস্বৰূপ ইয়াৰ অৱস্থিতিৰ কাৰণে, সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বিশ্ব-জোৰা সংগ্ৰামৰ অগ্ৰদূত হোৱাৰ গোটেই দায়িত্বৰ হেঁচাটো আমিয়েই বহন কৰিব লগা হৈছিল — আৰু ইয়াক অৱশ্যে আমি আমাৰ পক্ষে অতি সম্মানৰ কথা বুলিয়েই গণ্য কৰোঁ। ফলস্বৰূপে, অদূৰ ভৱিষ্যতত সমগ্ৰ ঘটনাৱলীৰ বিকাশৰ গতিপথত আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বেছি ব্যাপক আৰু বেছি তেজী কষ্টসাধ্য সংগ্ৰামৰ পূৰ্বলক্ষণ দেখা গৈছে, আৰু ই অনিবাৰ্য্যভাৱেই জাৰ্মানি, ফ্ৰান্স, ইংলণ্ড আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ একাবদ্ধ সাম্ৰাজ্যবাদৰ শক্তিৰ বিৰুদ্ধে ছোভিয়েত প্ৰজাতন্ত্ৰৰ সংগ্ৰামৰ লগত যুক্ত হ'ব।

আপোনাসকল প্ৰাচ্যৰ বিভিন্ন জাতিৰ কমিউনিষ্ট সংগঠন আৰু কমিউনিষ্ট পাৰ্টিবোৰৰ প্ৰতিনিধি। মই এই কথা ক'বই লাগিব যে ৰুছ

বলছেভিকসকলে প্ৰৰণি সাম্ৰাজ্যবাদৰ মাজত ভাঙন ঘটোৱাত, বিপ্লৱৰ নতুন নতুন পথ উজলাই তোলাৰ অতি কঠিন অথচ অত্যন্ত মহৎ কৰ্তব্য সম্পাদনত সফল হৈছে, আনহাতে আপোনাসকলৰ, প্ৰাচ্যৰ মেহনতী জনসাধাৰণৰ প্ৰতিনিধিসকলৰ আগত তাতোকৈ বৃহৎ আৰু নতুনতৰ এক কৰ্তব্যই দেখা দিছে। এই কথা সম্পূৰ্ণ স্পষ্ট হৈ পৰিছে যে সমগ্ৰ বিশ্বৰ পক্ষে যি সমাজতান্ত্ৰিক বিপ্লৱ আসন্ন, সি কোনোমতেই কেৱল প্ৰত্যেক দেশত ইয়াৰ নিজৰ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে প্ৰলিতাৰিয়েতৰ বিজয় লাভ হিচাপেই নঘটিব। ই সম্ভৱ হ'ব পাৰিলেহেঁতেন যদিহে বিপ্লৱ অনায়াসে আৰু দ্ৰুতভাৱে আহিলহেঁতেন। আমি জানোঁ যে সাম্ৰাজ্যবাদীহঁতে তেনে হ'বলৈ নিদিব, সকলো দেশকেই সিবোৰৰ আভ্যন্তৰিক বলছেভিকবাদৰ বিৰুদ্ধে অস্ত্ৰসজ্জিত কৰা হৈছে আৰু সিহঁতৰ একেটা চিন্তা হৈছে — কেনেকৈ স্বদেশত বলছেভিকবাদক পৰাস্ত কৰিব পাৰি। সেই কাৰণেই প্ৰত্যেক দেশত গৃহ-যুদ্ধ মূৰ দাঙি উঠিছে, তাত পুৰণি সমাজতন্ত্ৰী আপোচকামীসকলো বুৰ্জোৱাৰ পক্ষে যোগ দিছে। এনেদৰেই, সমাজতান্ত্ৰিক বিপ্লৱ একমাত্ৰ কিম্বা প্ৰধানতঃ, প্ৰত্যেক দেশত বিপ্লৱী প্ৰলিতাৰিয়েতৰ তেওঁলোকৰ নিজৰ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধেই সংগ্ৰাম হিচাপে দেখা নিদিব — তেনে নহ'ব, বৰঞ্চ ই হ'ব আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সমস্ত সাম্ৰাজ্যবাদ-নিপীড়িত উপনিৱেশ আৰু দেশৰ, সকলো পৰাধীন দেশৰ সংগ্ৰাম। যোৱা মাৰ্চ মাহত আমি যি পাৰ্টি কৰ্মসূচী [১৭৫] গ্ৰহণ কৰিছোঁ তাত বিশ্ব সমাজ-বিপ্লৱৰ আসন্নতাৰ বৈশিষ্ট্য চিহ্নিত কৰি আমি কৈছিলোঁ যে সকলো অগ্ৰসৰ দেশত সাম্ৰাজ্যবাদী আৰু শোষকহঁতৰ বিৰুদ্ধে শ্ৰমজীৱী জনসাধাৰণৰ গৃহ-যুদ্ধ আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় যুদ্ধবোৰৰ লগত সংযুক্ত হ'বলৈ আৰম্ভ কৰিছে। এই কথা বিপ্লৱৰ গতিধাৰাই প্ৰতিপন্ন কৰিছে আৰু সময় অতিবাহিত হোৱাৰ লগে লগে ক্ৰমশঃ বেছিকৈ সমৰ্থিত হ'ব। একেই ঘটনা প্ৰাচ্যৰ ক্ষেত্ৰতো ঘটিব।

প্ৰাচ্যৰ জনসাধাৰণ স্বাধীন অংশগ্ৰহণকাৰী হিচাপে, নৱ-জীৱনৰ নিৰ্মাতা হিচাপে যে মূৰ দাঙি উঠিব সেই কথা আমি জানোঁ, কিয়নো ইয়াৰ কোটি কোটি মানুহ পৰাধীন, পূৰ্ণাধিকাৰহীন জাতিৰ অন্তৰ্ভুক্ত, যিবিলাক আজিকোপতি আন্তৰ্জাতিক সাম্ৰাজ্যবাদী নীতিৰ লক্ষ্যবস্তু হৈ আহিছে, আৰু পুঁজিবাদী সংস্কৃতি আৰু সভ্যতাৰ সাৰ যোগানৰ উপাদান হিচাপেই কেৱল সিবোৰৰ অস্তিত্ব আছে। আৰু যেতিয়া উপনিৱেশৰ কাৰণে অধিকাৰ প্ৰদানৰ কথা কোৱা হয়, তেতিয়া আমি ভালকৈয়ে জানোঁ যে ইয়াৰ অৰ্থ

হৈছে লুণ্ঠন আৰু ধ্বংস কৰাৰ কাৰণে অনুশাসন দিয়া — ভূমণ্ডলৰ অধিকাংশ অধিবাসীক শোষণ কৰাৰ বাবে বিশ্ববাসীৰ নগণ্য এটি অংশক ক্ষমতা প্ৰদান কৰা। বিপুল সংখ্যাগৰিষ্ঠ যি অংশটো স্বতন্ত্ৰ বৈপ্লৱিক শক্তিত পৰিণত হ'ব নোৱৰাৰ কাৰণে তেতিয়ালৈকে ঐতিহাসিক অগ্ৰগতিৰ কক্ষপথৰপৰা সম্পূৰ্ণ বাহিৰত আছিল, সিসকলৰ সেই নিষ্ক্ৰিয় ভূমিকাৰ যে কুৰি শতিকাৰ আৰম্ভণিত অৱসান ঘটিছে তাকো আমি জানোঁ। আমি জানোঁ যে ১৯০৫ চনৰ পাছত তুৰস্ক, পাৰস্য আৰু চীনত বিপ্লৱে দেখা দিছিল আৰু ভাৰততো এক বৈপ্লৱিক আন্দোলন বিকশিত হৈ উঠিছিল। সাম্ৰাজ্যবাদী যুদ্ধয়ো বৈপ্লৱিক আন্দোলনৰ বৃদ্ধিত অৰিহণা যোগায়, কিয়নো ইউৰোপীয় সাম্ৰাজ্যবাদীহ'তে সমগ্ৰ ঔপনিৱেশিক বাহিনীবোৰকেই সিবিলাকৰ সংগ্ৰামত কামত লগাব লগা হৈছিল। সাম্ৰাজ্যবাদী যুদ্ধই প্ৰাচ্যকো জগাই তুলিলে আৰু ইয়াৰ জনসাধাৰণক আন্তৰ্জাতিক ৰাজনীতিৰ মাজলৈ টানি আনিলে। ব্ৰিটেইন আৰু ফ্ৰান্সে ঔপনিৱেশিক জাতিসমূহক সশস্ত্ৰ কৰি তুলিলে আৰু সামৰিক কলাকৌশল আৰু উন্নত যন্ত্ৰপাতিৰ লগত পৰিচয় ঘটোৱাত সিবিলাকক সাহায্য কৰিলে। সেই জ্ঞান-বিদ্যাক অৱশ্যে তেওঁলোকে সাম্ৰাজ্যবাদী অভিজাত সম্প্ৰদায়ৰ বিৰুদ্ধেই ব্যৱহাৰ কৰিব। সমকালীন বিপ্লৱত প্ৰাচ্যৰ জন-জাগৰণৰ কালছোৱাৰ পিছে পিছেই আহিছে এনে এছোৱা সময়, যেতিয়া প্ৰাচ্যৰ সকলো জাতিয়ে আনৰ সমৃদ্ধিৰ কেৱল লক্ষ্যবস্তু হিচাপে নাথাকি সমগ্ৰ বিশ্বৰ ভাগ্য নিৰ্দ্ধাৰণত অংশ গ্ৰহণ কৰিব। বাস্তৱ কৰ্মতৎপৰতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে, সমগ্ৰ মানৱ জাতিৰ ভাগ্য নিৰ্দ্ধাৰণৰ কামত প্ৰত্যেক জাতিৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কে প্ৰাচ্যৰ জাতিসমূহ সজাগ হৈ উঠিছে।

মোৰ বোধেৰে সেই কাৰণেই, ইয়াৰ আৰম্ভণিৰ কথা বিবেচনা কৰি ক'ব পৰা যায় যে, যি বিশ্ব বিপ্লৱ বহু বছৰ চলি থাকিব আৰু যাৰ কাৰণে অশেষ প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব, তাৰ বিকাশৰ ইতিহাসত আপোনালোকে এক বৃহৎ ভূমিকা পালন কৰিব লাগিব; ইয়াৰ বৈপ্লৱিক সংগ্ৰামত, বৈপ্লৱিক আন্দোলনত সক্ৰিয়ভাৱে ভাগ লব লাগিব আৰু আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে আমাৰ সংগ্ৰামৰ লগত মিলন ঘটাব লাগিব। আন্তৰ্জাতিক বিপ্লৱত অংশগ্ৰহণৰ ফলত আপোনাসকলৰ সমুখত উপস্থিত হ'ব এটা জটিল আৰু সুকঠিন কৰ্তব্য, ইয়াক সাধন কৰিব পাৰিলে আমাৰ উমৈহতীয়া সাফল্যৰ ভিত্তি গঠিত হ'ব, কাৰণ ইয়াত সংখ্যাগৰিষ্ঠ জনসাধাৰণে এই প্ৰথমবাৰৰ কাৰণে স্বাধীনভাৱে কাম কৰিবলৈ আৰম্ভ কৰিছে আৰু আন্তৰ্জাতিক

সাম্রাজ্যবাদক উচ্ছেদ কৰাৰ সংগ্ৰামত এয়া এক সক্ৰিয় উপাদানত পৰিণত হ'ব।

অধিকাংশ প্ৰাচ্য-জাতিৰ অৱস্থা আজি ইউৰোপৰ সৰ্বাতোকৈ পশ্চাৎপদ দেশ ৰুছিয়াতকৈও নিকৃষ্ট। কিন্তু সামন্ততন্ত্ৰৰ অৱশেষ আৰু পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰামত আমি ৰুছিয়াৰ শ্ৰমিক আৰু কৃষকসকলক ঐক্যবদ্ধ কৰাত সফল হৈছোঁ; পুঁজিবাদ আৰু সামন্ততন্ত্ৰৰ বিৰুদ্ধে শ্ৰমিক-কৃষকসকল মিলিত হৈছিল বুলিয়েই আমাৰ জয় ইমান সহজ হৈছিল। এই ক্ষেত্ৰত প্ৰাচ্যৰ জাতিসমূহৰ লগত যোগাযোগ বিশেষ গুৰুত্বপূৰ্ণ, কিয়নো প্ৰাচ্যৰ অধিকাংশ জাতিয়েই হ'ল মেহনতী জনসাধাৰণৰ প্ৰতিনিধিস্থানীয় — পুঁজিবাদী কল-কাৰখানাৰ শিক্ষালয়ৰ মাজেদি অহা শ্ৰমিক নহয়, বৰং তেওঁলোক হৈছে মধ্যযুগীয় উৎপীড়নৰ চিকাৰ শ্ৰমজীৱী আৰু শোষিত কৃষক জনসাধাৰণৰ প্ৰতিনিধিস্থানীয়। পুঁজিবাদক পৰাস্ত কৰি চৌদিশে সিঁচৰিত কোটি কোটি মেহনতী কৃষক ৰাইজৰ লগত ঐক্যবদ্ধ হৈ প্ৰলিতাৰীয়সকলে কেনেকৈ মধ্যযুগীয় উৎপীড়ন-নিপীড়নৰ বিৰুদ্ধে বিজয়ী অভ্যুত্থান ঘটালে তাক ৰুছ বিপ্লৱে দেখুৱাই দিছে। এতিয়া আমাৰ ছোভিয়েত প্ৰজাতন্ত্ৰৰ অৱশ্য-পালনীয় কৰ্তব্য হ'ল প্ৰাচ্যৰ সমস্ত জাগ্ৰত জাতিক সমবেত কৰা আৰু সিবিলাকৰ লগত একেলগে মিলিজুলি আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰাম চলোৱা।

এই ক্ষেত্ৰত আপোনালোকৰ আগত এনে এটি কৰ্তব্য আহি পৰিছে, যিটো বিশ্বৰ কমিউনিষ্টসকলৰ সমুখত কাহানিও দেখা নগৈছিল; সেয়া হ'ল, সাম্যবাদৰ সাধাৰণ তত্ত্ব আৰু প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰি আপোনালোকে এনেবোৰ স্বকীয় পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই লব লাগিব যিবোৰৰ অস্তিত্ব ইউৰোপীয় দেশবিলাকত নাই; সেই তত্ত্ব আৰু ব্যৱহাৰিক কাৰ্য্যক আপোনালোকে এনে এটি পৰিস্থিতিত প্ৰয়োগ কৰিবলৈ সমৰ্থ হ'ব লাগিব, য'ত জনসংখ্যাৰ অধিকাংশই হ'ল কৃষক আৰু য'ত পুঁজিবাদৰ বিৰুদ্ধে নহয়, মধ্যযুগীয় অৱশেষবোৰৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাই হ'ল প্ৰধান কৰ্তব্য। এয়া কঠিন আৰু নিৰ্দিষ্ট কাম, কিন্তু অতি ফলদায়ক, কিয়নো যি জনসাধাৰণে এতিয়ালৈকে সংগ্ৰামত কোনো অংশগ্ৰহণ কৰা নাই, সেইসকলকে সংগ্ৰামৰ মাজলৈ টানি অনা হৈছে, তদুপৰি প্ৰাচ্যত কমিউনিষ্ট ইউনিটবোৰ (চে'ল) গঢ়ি উঠাৰ ফলত আপোনাসকলে তৃতীয় আন্তৰ্জাতিকৰ লগত ঘনিষ্ঠ সম্পৰ্ক কাৰ্য্যকৰী কৰাৰ সুযোগ পাইছে। সমগ্ৰ পৃথিৱীৰ আগৰণুৱা প্ৰলিতাৰীয়সকলৰ লগত প্ৰাচ্যৰ বহু ক্ষেত্ৰতেই মধ্যযুগীয় পৰিস্থিতিত বাস কৰা মেহনতী আৰু শোষিত জনসাধাৰণৰ এই

মিত্ৰতা স্থাপনৰ সুনিৰ্দিষ্ট ৰূপটোকো আপোনাসকলেই বিচাৰি উলিয়াব লাগিব। আমাৰ দেশত আমি ক্ষুদ্ৰ পৰিসৰত যি সাধন কৰিছোঁ, তাকেই আপোনালোকে বৃহৎ আকাৰত আৰু বৃহৎ দেশবোৰত সম্পন্ন কৰিব। আৰু এই দ্বিতীয় কামটোকো আপোনালোকে সাফল্যেৰে সম্পাদন কৰিব বুলি মই আশা কৰোঁ। ইয়াত আপোনাসকলে যাৰ প্ৰতিনিধিত্ব কৰিছে, প্ৰাচ্যৰ সেই কমিউনিষ্ট সংগঠনবিলাকৰ যহতে আগৰণুৱা বিপ্লৱী প্ৰলিতাৰিয়েতৰ লগত আপোনালোকৰ যোগাযোগ স্থাপিত হৈছে। আপোনালোকৰ কৰ্তব্য হ'ল প্ৰত্যেক দেশৰ ভিতৰত সাধাৰণ ৰাইজৰ বোধগম্য ভাষাত কমিউনিষ্ট প্ৰচাৰ-কাৰ্য্য চলাই যোৱাৰ নিশ্চিত ব্যৱস্থা কৰা।

এই কথা স্বতঃসিদ্ধ যে পৃথিৱীৰ সকলো অগ্ৰসৰ দেশৰ প্ৰলিতাৰিয়েতৰ দ্বাৰাহে মাথোন চূড়ান্ত বিজয় অৰ্জিত হ'ব পাৰে, আৰু আমি ৰুছসকলে সেই কামকে আৰম্ভ কৰিছোঁ, যাক ব্ৰিটিছ ফৰাচী অথবা জাৰ্মান প্ৰলিতাৰিয়েতসকলে সুসংহত কৰি তুলিব। কিন্তু আমি এই কথাও লক্ষ্য কৰিছোঁ যে সমগ্ৰ নিপীড়িত ঔপনিৱেশিক জাতিৰ, প্ৰথমতঃ আৰু প্ৰধানতঃ প্ৰাচ্যৰ জাতিসমূহৰ মেহনতী জনসাধাৰণৰ সাহায্য নাপালে তেওঁলোক জয়যুক্ত হ'ব নোৱাৰিব। আমি উপলব্ধি কৰিব লাগিব যে সাম্যবাদলৈ উত্তৰণ কেৱল অগ্ৰণী বাহিনীৰ দ্বাৰাই সম্পন্ন হ'ব নোৱাৰে। আচল কামটো হ'ল, তেওঁলোক যিকোনো স্তৰতেই নাথাকক লাগিলে, সেই মেহনতী জনসাধাৰণক বৈপ্লৱিক কাৰ্য্যকলাপত, স্বতন্ত্ৰ কৰ্মতৎপৰতাত আৰু সংগঠনত উদ্বুদ্ধ কৰা; কৰ্তব্য হ'ল অধিক অগ্ৰসৰ দেশৰ কমিউনিষ্টসকলৰ উদ্দেশ্যে ৰচিত সেই প্ৰকৃত কমিউনিষ্ট মতবাদক প্ৰত্যেক জাতিৰ ভাষাত অনুবাদ কৰা; অবিলম্বে কৰণীয় ব্যৱহাৰিক কৰ্তব্যবিলাক পালন কৰা; আৰু অন্যান্য দেশৰ প্ৰলিতাৰীয়সকলৰ লগত উমৈহতীয়া সংগ্ৰামত মিলিত হোৱা।

এনে ধৰণৰ সমস্যাবিলাকৰ সমাধান আপোনালোকে কোনো কমিউনিষ্ট গ্ৰন্থত বিচাৰি নাপাব, কিন্তু ৰুছিয়াই যি সংগ্ৰাম আৰম্ভ কৰিছে সেই উমৈহতীয়া সংগ্ৰামৰ মাজত তাক বিচাৰি পাব। আপোনালোকে সেই সমস্যাৰ সন্মুখীন হ'ব লাগিব আৰু নিজৰ স্বতন্ত্ৰ অভিজ্ঞতাৰ মাজেৰে ইয়াক সমাধান কৰিব লাগিব। সেই কামত আপোনালোকক এফালেদি সাহায্য কৰিব অন্যান্য দেশৰ সকলো মেহনতী মানুহৰ অগ্ৰণী বাহিনীৰ লগত ঘনিষ্ঠ মিত্ৰতা-সহযোগিতাই, আৰু আনফালে, আপোনালোক ইয়াত যাৰ প্ৰতিনিধি সেই প্ৰাচ্য জাতিসমূহৰ ক্ষেত্ৰত নিৰ্ভুল দৃষ্টিভঙ্গী স্থিৰ কৰাৰ ক্ষমতাই সহায় কৰিব। সেইবিলাক জাতিৰ মাজত যি বুৰ্জোৱা জাতীয়তাবাদ জাগিছে আৰু

জাগি উঠিবলৈ বাধ্য, আৰু যাৰ এটা ঐতিহাসিক ন্যায্যতাও আছে, সেই বুৰ্জোৱা জাতীয়তাবাদক ভিত্তি কৰি আপোনালোকে থিয় দিব লাগিব। তাৰ লগে লগে, প্ৰত্যেক দেশৰ মেহনতী আৰু শোষিত জনসাধাৰণৰ কাষ চপাৰ পথ আপোনালোকে বিচাৰি পাব লাগিব আৰু তেওঁলোকৰ বোধগম্য ভাষাত তেওঁলোকক ক'ব লাগিব যে আন্তৰ্জাতিক বিপ্লৱৰ বিজয়ৰ মাজতেই তেওঁলোকৰ মুক্তিৰো একমাত্ৰ আশা নিহিত আছে, আৰু প্ৰাচ্যৰ জাতিসমূহৰ কোটি কোটি শ্ৰমজীৱী আৰু শোষিত মানুহৰ সকলোৰেই একমাত্ৰ সহযোগী-মিত্ৰ হ'ল আন্তৰ্জাতিক প্ৰলিতাৰিয়েত।

আপোনাসকলৰ সন্মুখত দেখা দিয়া এয়াই হৈছে বিশাল কৰ্তব্য, আৰু বিপ্লৱ তথা বৈপ্লৱিক আন্দোলনৰ বিকাশৰ যুগৰ যহতে — সেই সম্বন্ধে সন্দেহৰ কোনো থল নাই — প্ৰাচ্যৰ কমিউনিষ্ট সংগঠনবিলাকৰ সমবেত প্ৰচেষ্টাত এই কৰ্তব্য সাফল্যেৰে সম্পন্ন হ'ব আৰু অৱশেষত আন্তৰ্জাতিক সাঁম্ৰাজ্যবাদৰ বিৰুদ্ধে পূৰ্ণ বিজয়েৰে ভূষিত হ'ব।

সংগৃহীত ৰচনাৱলী,
পৃঃ ১৫১ আৰু ১৫৯-৬২

## ছোভিয়েতসমূহৰ সপ্তম সদৌ-ৰুছিয়া কংগ্ৰেছ
## ৫-৯ ডিচেম্বৰ, ১৯১৯

### 'সদৌ-ৰুছিয়া কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটি আৰু গণ-কমিছাৰ পৰিষদৰ প্ৰতিবেদন'ৰপৰা, ৫ ডিচেম্বৰ

বিপ্লৱৰ নিচেই আৰম্ভণিৰেপৰাই আমি কৈছোঁ যে আমি আন্তৰ্জাতিক প্ৰলিতাৰিয়েতৰ এটা পাৰ্টি আৰু বিপ্লৱৰ সমুখত যিমান ডাঙৰ অসুবিধাই দেখা নিদিয়ক লাগিলে, এনে এটা সময় আহিব, যেতিয়া অতি চূড়ান্ত মুহূৰ্তত আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ দ্বাৰা নিপীড়িত শ্ৰমিকসকলৰ সহানুভূতি, সংহতিৰ পৰিচয় পোৱা যাব। ইয়াৰ কাৰণে আমাক কল্পনাবিলাসী বুলি দোষাৰোপ কৰা হৈছিল। কিন্তু অভিজ্ঞতাই দেখুৱাই দিছে যে আমি সদায়ে আৰু সকলো ক্ষেত্ৰতে প্ৰলিতাৰিয়েতৰ কৰ্মতৎপৰতাৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰোঁ স'চা, তথাপি আমি ক'ব পাৰোঁ যে পৃথিৱীৰ ইতিহাসৰ এই দুটি বছৰত আমাৰ নিৰ্ভুলতা হাজাৰবাৰ প্ৰমাণিত হৈছে। ব্ৰিটিছ আৰু ফৰাচীসকলে নিজৰ সৈন্যৰে ছোভিয়েত ৰুছিয়াক মষিমূৰ কৰাৰ যি প্ৰচেষ্টাৰ মাজত তেওঁলোকে নিচেই কম সময়ৰ ভিতৰতে সুনিশ্চিত আৰু অতি অনায়াসে সাফল্য অৰ্জনৰ ভাৰসা ৰাখিছিল, সি ব্যৰ্থতাৰ মাজেৰে অন্ত পৰিল: ব্ৰিটিছ সৈন্যবাহিনীয়ে আৰ্খাঙ্গেল্স্ক ত্যাগ কৰি গৈছে, আৰু দক্ষিণত অৱতৰণ কৰা ফৰাচী সৈনাদলৰ সকলোকে স্বদেশলৈ খেদি পঠোৱা হৈছে। অৱৰোধ সত্ত্বেও, আমাক চৌপাশে বেৰি থকা সত্ত্বেও, পশ্চিম ইউৰোপৰপৰা নানান বাতৰি আমাৰ হাতত পৰেহি, আনকি বিক্ষিপ্তভাৱে হলেও আমি ব্ৰিটিছ আৰু ফৰাচী বাতৰিকাকত পাওঁ আৰু তাৰপৰা জানিব পাৰোঁ যে আৰ্খাঙ্গেল্স্ক অঞ্চলৰপৰা ব্ৰিটিছ সৈন্যৰ দ্বাৰা প্ৰেৰিত চিঠি-পত্ৰ কোনোমতে ব্ৰিটেইন পাইছেগৈ আৰু তাত প্ৰকাশিত হ'ব লাগিছে। আমি ইয়াকো জানোঁ যে যিগৰাকী ফৰাচী ৰমণী ফৰাচী সৈনিক আৰু শ্ৰমিকসকলৰ মাজত কমিউনিষ্ট কাৰ্য্যকলাপত লিপ্ত আছিল আৰু যাক ওদেছাত গুলীয়াই হত্যা কৰা হয় সেই কমৰেড জিন লাবুৰ্বৰ নামে সমগ্ৰ ফৰাচী প্ৰলিতাৰিয়েতৰ মাজত জনাজাত হৈ পৰিছে আৰু এক

ৰণ-ধ্বনি হৈ উঠিছে; এই নামক কেন্দ্ৰ কৰিয়েই, ছিণ্ডিকেলিজমৰ (শ্ৰমসংঘবাদ) বাহ্যতঃ অলঙ্ঘ্য উপদলীয় প্ৰৱণতা সত্ত্বেও আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামৰ কাৰণে সমস্ত ফৰাচী শ্ৰমিক ঐক্যবদ্ধ হৈছে। সৌভাগ্যবশতঃ আজিৰ বাৰ্তাৰিস্ত প্ৰকাশ যে জাৰ্মানিয়ে ৰাদেকক মুক্তি দিছে আৰু সম্ভৱতঃ আমি তেওঁক শীঘ্ৰে দেখিবলৈ পাম; এই কমৰেড ৰাদেকে কৈছিল: বিপ্লৱৰ বহ্নিৰে প্ৰজ্বলিত ৰুছিয়াৰ মাটি আঁতাঁত গোষ্ঠীৰ সৈন্যৰ পক্ষে অগম্য বুলি প্ৰমাণিত হ'ব; এই যি কথাষাৰ কেৱল এজন লিখকৰ কল্পনাবিলাস বুলি ধাৰণা হৈছিল সেয়া আজি বাস্তৱত ৰূপায়িত হৈছে। আমাৰ সমস্ত পশ্চাৎপদতা সত্ত্বেও, আমাৰ সংগ্ৰামৰ সমস্ত বোজা সত্ত্বেও, ব্ৰিটেইন আৰু ফ্ৰান্সৰ সৈন্যবাহিনী আমাৰ মাতৃভূমিত আমাৰ বিৰুদ্ধে যুঁজিবলৈ অক্ষম বুলি প্ৰমাণিত হৈছে। তাৰ ফল হৈছে আমাৰ জয়লাভ। প্ৰথম যিবাৰ সিঁহতে আমাৰ বিৰুদ্ধে বিৰাট সংখ্যক সামৰিক বাহিনী পঠোৱাৰ চেষ্টা কৰিছিল — আৰু সিহঁতৰ অবিহনে যে জয়লাভো অসম্ভৱ — তাৰ একমাত্ৰ ফল হৈছিল এই যে ফৰাচী আৰু ব্ৰিটিছ সৈনিকবিলাকে তেওঁলোকৰ সঠিক সহজাত শ্ৰেণীগত প্ৰবৃত্তিৰ যহত ৰুছিয়াৰপৰা নিজ দেশলৈ নিছিল সেই বলছেভিকবাদৰেই ব্যাধি, ইয়াৰ বিৰুদ্ধেই জাৰ্মান সাম্ৰাজ্যবাদীহঁতে বাৰ্লিনৰপৰা আমাৰ দূতসকলক বহিষ্কাৰ কৰি [১৭৬] যুঁজ চলাইছিল। সিঁহতে ভাবিছিল এনেকৈয়ে সিহঁতে বলছেভিকবাদৰ ব্যাধিৰপৰা নিজক ৰক্ষা কৰিব পাৰিব, অথচ এতিয়া এই ব্যাধি শক্তিশালী শ্ৰমিক আন্দোলনৰ ৰূপত আজি সমগ্ৰ জাৰ্মানিত বিয়পি পৰিছে। ব্ৰিটিছ আৰু ফৰাচী সৈন্যবোৰক অপসৰণ কৰিবলৈ বাধ্য কৰাত আমি যি সাফল্য অৰ্জন কৰিছিলোঁ, সেয়া আছিল আঁতাঁত গোষ্ঠীৰ দেশসমূহৰ বিৰুদ্ধে আমাৰ বৃহত্তম বিজয়। আমি সিহঁতক নিজৰ সৈনিকদলৰপৰা বঞ্চিত কৰিছোঁ। আঁতাঁত গোষ্ঠীৰ দেশবোৰৰ সীমাহীন, সামৰিক আৰু কাৰিকৰী শ্ৰেষ্ঠত্বৰ সন্মুখত আমাৰ যি সমুচিত জবাব আছিল সেয়া হ'ল সাম্ৰাজ্যবাদী চৰকাৰবিলাকৰ বিৰুদ্ধে মেহনতী জনসাধাৰণৰ সংহতিৰ মাজেৰে সিহঁতক তাৰপৰা বঞ্চিত কৰা।

এইবোৰ তথাকথিত গণতান্ত্ৰিক দেশক স্বীকৃত মানদণ্ডেৰে বিচাৰ কৰাটো যে কিমান তৰঙুৱা আৰু অনিশ্চিত সেই কথা ইয়াৰপৰাই প্ৰকাশ পায়। সেই দেশবোৰৰ সংসদত আছে স্থায়ী বুৰ্জোৱা সংখ্যাধিক্যতা। ইয়াকেই তেবাসৰে 'গণতন্ত্ৰ' বোলে। পুঁজিয়ে সকলোৰে ওপৰত আধিপত্য বিস্তাৰ কৰে আৰু সকলোকে হেঁচি ৰাখে, তথাচ তেওঁলোকে সামৰিক চেন্সৰ ব্যৱস্থাৰ

আশ্ৰয় লয়। আৰু তেওঁলোকে ইয়াকেই বোলে 'গণতন্ত্ৰ'। এওঁলোকৰ বাতৰিকাকত আৰু আলোচনীৰ লাখ লাখ কপিৰ মাজত নিচেই সামান্য দুই-চাৰিখনৰ বাহিৰে এনে কোনো কাকত-পত্ৰ বিচাৰি পাবলৈ আপোনাৰ বাৰুকৈয়ে কষ্ট হ'ব, য'ত বলছেভিকসকলৰ বিষয়ে অনুকূল কিবা অলপ ইঙ্গিতো আনকি থাকে। সেই কাৰণেই তেওঁলোকে কয়: 'বলছেভিকবাদৰ বিৰুদ্ধে আমি সুৰক্ষিত, আমাৰ দেশবোৰত শৃংখলা আছে', আৰু তেওঁলোকে ইয়াকেই বোলে 'গণতন্ত্ৰ'। ব্ৰিটিছ সৈনিক আৰু ফৰাচী নাৱিকসকলৰ ক্ষুদ্ৰ এটি অংশই যে ৰুছিয়াৰপৰা আঁতাত গোষ্ঠীৰ সৈন্যদলবোৰক অপসৰণ কৰিবলৈ বাধ্য কৰিব পাৰিলে, সেইটো কেনেকৈ ঘটিল? কিবা এটা আসোঁৱাহ আছে। তাৰ অৰ্থ হৈছে এই যে ব্ৰিটেইন, ফ্ৰান্স আৰু আমেৰিকাতো আনকি জনসাধাৰণৰ ব্যাপক অংশ আমাৰ পক্ষে আছে; তাৰ মানে হ'ল এই সকলো বাহ্যিক প্ৰকৃতি এক প্ৰৱঞ্চনা মাথোন, যি কথাটো সমাজতন্ত্ৰক বিশ্বাসঘাতকতা কৰিবলৈ অনিচ্ছুক সমাজতন্ত্ৰীসকলে সদায়ে দৃঢ়ভাবে কৈ আহিছে; তাৰ মানে হ'ল বুৰ্জোৱা সংসদীয় ব্যৱস্থা, বুৰ্জোৱা গণতন্ত্ৰ, সংবাদপত্ৰৰ বুৰ্জোৱা স্বাধীনতা কেৱল পুঁজিপতিসকলৰ স্বাধীনতা, জনমতক উৎকোচৰ অধীনস্থ কৰাৰ স্বাধীনতা, ধনৰ সকলো ক্ষমতাৰে ইয়াৰ ওপৰত চাপ সৃষ্টিৰ স্বাধীনতা। সমাজতন্ত্ৰীসকলে সদায়ে এই কথা কৈ আহিছিল, তাৰ পাছত সাম্ৰাজ্যবাদী যুদ্ধই তেওঁলোকক নিজৰ নিজৰ জাতীয় শিবিৰলৈ বিক্ষিপ্ত কৰি দিলে আৰু সমাজতন্ত্ৰীসকলৰ প্ৰত্যেক জাতীয় গোষ্ঠীক তেওঁলোকৰ নিজৰ বুৰ্জোৱা শ্ৰেণীৰ অনুচৰবৰ্গত পৰিণত কৰিলে। যুদ্ধৰ আগেয়ে সমাজতন্ত্ৰীসকলে সেই কথা কৈছিল, সেই কথা আন্তৰ্জাতিকতাবাদী আৰু বলছেভিকসকলে যুদ্ধৰ সময়তো সদায়ে কৈছে — আৰু এই সকলো সম্পূৰ্ণে নিৰ্ভুল বুলি প্ৰমাণিত হৈছে। সমস্ত বাহ্যিক ঠাঁচ, সমস্ত চমক লগোৱা সাজ-সজ্জাৰ বাহাৰেই হৈছে প্ৰতাৰণা; আৰু এই কথা ক্ৰমে বেছিকৈ জনসাধাৰণৰ আগত ফটফটীয়া হৈ পৰিছে। তেওঁলোক সকলোৱেই গণতন্ত্ৰ বুলি চিঞৰ-বাখৰ কৰে, কিন্তু পৃথিৱীৰ কোনো সংসদতে তেওঁলোকে এই কথা কবলৈ সাহ কৰা নাই যে ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে তেওঁলোকে যুদ্ধ ঘোষণা কৰিছে। সেই গতিকেই এতিয়া আমাৰ হাতত পৰা অজস্ৰ ফৰাচী, ব্ৰিটিছ আৰু আমেৰিকান কাকত-পত্ৰত আমি 'সংবিধান লংঘন কৰাৰ কাৰণে, যুদ্ধ ঘোষণা নকৰাকৈ ৰুছিয়াৰ বিৰুদ্ধে যুদ্ধ চলাই যোৱাৰ কাৰণে ৰাষ্ট্ৰ-প্ৰধানসকলক আচামীৰ কাঠ-গৰাত তুলিবলৈ' প্ৰস্তাৱ পঢ়িবলৈ পাওঁ। এই কথা কেতিয়া আৰু ক'ত নে অনুমোদিত হৈছিল, সংবিধানৰ কোন ধাৰা, কোন

সংসদে ইয়াক অনুমোদন কৰিছিল? ফৰাচী বাৰ্তাবাহকসকলৰ ভাষা ব্যৱহাৰ কৰি ক'ব পৰা যায়, সকলো বলছেভিক আৰু বলছেভিকসকলৰ নিকটস্থ লোকসকলক জেলত ভৰাবলৈ সতৰ্কতা অৱলম্বন কৰাৰ পাছতো তেওঁলোকে নিজৰ সংসদীয় প্ৰতিনিধিসকলক ক'ত নো একেলগে সমবেত কৰিছিল? সেই অৱস্থাতো আনকি তেওঁলোকে নিজৰ সংসদবোৰত ৰুছিয়াৰ বিৰুদ্ধে তেওঁলোকৰ যুদ্ধ চলাই যোৱাৰ কথা কবলৈ সাহ কৰা নাছিল। সেই গতিকেই, ব্ৰিটেইন আৰু ফ্ৰান্সৰ নিয়াৰিকৈ অস্ত্ৰসজ্জিত, পূৰ্বৰ অপৰাজিত বাছকবনীয়া সৈন্যবাহিনীয়েও আমাক পৰাস্ত কৰিবলৈ সক্ষম হোৱা নাছিল আৰু উত্তৰৰ আৰ্খাঙ্গেল্স্ক অঞ্চলৰপৰা আৰু দক্ষিণৰপৰাও গুচি গৈছিল।

সেয়া আছিল আমাৰ প্ৰথম আৰু প্ৰধান জয়লাভ, কাৰণ সেয়া কেৱল সামৰিক বিজয়েই নাছিল, প্ৰকৃততে এক সামৰিক বিজয় মুঠেই নাছিল — বৰং এয়া আছিল দৰাচলতে মেহনতী জনসাধাৰণৰ সেই আন্তৰ্জাতিক সংহতিৰ জয়, যাৰ কাৰণে আমি সমগ্ৰ বিপ্লৱটোকেই আৰম্ভ কৰিছিলোঁ আৰু ইয়ালৈকে আঙুলিয়াই আমি কৈছিলোঁ যে যিমান অজস্ৰ অগ্নি-পৰীক্ষাৰ মাজেদিয়েই আমি যাব লগা নহওক লাগিলে, বিশ্ব-বিপ্লৱৰ বিকাশৰ মাজেৰে এই সমস্ত আত্মত্যাগৰ প্ৰতিদান শই শইগুণে পোৱা যাব, সেই বিপ্লৱ যে অৱশ্যম্ভাৱী। ঘটনাৰপৰা এই কথা স্পষ্ট আছিল যে স্থূলতম বৈষয়িক উপাদানবোৰে যি ক্ষেত্ৰত বৃহত্তম ভূমিকা পালন কৰে, তাত, যেনে সামৰিক ক্ষেত্ৰত,আঁতাত গোষ্ঠীৰ দেশসমূহক আমি সৈনিকৰ পোছাক পিন্ধা শ্ৰমিক আৰু কৃষকসকলৰপৰা বঞ্চিত কৰাৰ মাজেৰে সিবোৰক পৰাস্ত কৰিছিলোঁ।

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩০, পৃঃ ২১০-২১২

## 'মেহনতী কজাকসকলৰ প্ৰথম সদৌ-ৰুছিয়া কংগ্ৰেছত দিয়া ভাষণ'-ৰপৰা, ১ মাৰ্চ, ১৯২০

জাৰ্মানি পৰাস্ত হোৱাৰ পাছত ব্ৰিটেইন, ফ্ৰান্স আৰু আমেৰিকাৰ বিৰোধিতা কৰিবলৈ পৃথিৱীত যে আৰু কোনো শক্তি নাছিল, সেই কথা আপোনালোকে জানে। তেওঁলোকে জাৰ্মানিৰপৰা ইয়াৰ উপনিৱেশবোৰ কাঢ়ি লৈছিল আৰু পৃথিৱীত এনে এটিও চুক-কোণ নাছিল, এনে এখনো দেশ নাছিল, য'ত আঁতাত গোষ্ঠীৰ সামৰিক পৰাক্ৰমৰ প্ৰাধান্য নাছিল। ধাৰণা হ'ব পাৰে, ছোভিয়েত ৰুছিয়াৰ শত্ৰু বুলিয়েই এই অৱস্থাত সিবিলাকে নিশ্চয় স্পষ্টৰূপে উপলব্ধি কৰিছিল যে বলছেভিকবাদৰ লক্ষ্য হ'ল বিশ্ব বিপ্লৱ। এই কথা আমি কেতিয়াও গোপন কৰা নাই যে আমাৰ বিপ্লৱ কেৱল আৰম্ভহে হৈছে, ইয়াৰ বিজয়ী সমাপ্তি ঘটিব কেৱল তেতিয়াহে, যেতিয়া বিপ্লৱৰ এই একেই অগ্নি-শিখাৰ জ্যোতিৰে সমগ্ৰ পৃথিৱীক আমি পোহৰাই তুলিম। তদুপৰি আমি অতি স্পষ্টভাৱে উপলব্ধি কৰিছিলোঁ যে ছোভিয়েত চৰকাৰৰ ক্ৰোধোন্মত্ত শত্ৰু হ'ল পুঁজিপতিবিলাক। উল্লেখ কৰা প্ৰয়োজন যে ইউৰোপীয় সংগ্ৰাম যেতিয়া শেষ হয় তেতিয়া সিবোৰৰ হাতত আছিল কেবালক্ষ সৈন্যৰ এক ফৌজ আৰু পৰাক্ৰান্ত এক নৌবাহিনী, যাৰ বিৰুদ্ধে আমি শক্তিশালী কোনো সৈন্যবাহিনী কিম্বা নৌবাহিনীৰ সামান্যতম অংশও আনকি থিয় কৰাৰ পৰা অৱস্থাত নাছিলোঁ। লাখ লাখ লোকৰ এই সৈন্যবাহিনীৰ মাত্ৰ কেইবালাখ সৈন্যক জাৰ্মানিৰ বিৰুদ্ধে যুঁজত যেনেকৈ প্ৰয়োগ কৰা হৈছিল তেনেকৈ আমাৰ বিৰুদ্ধে যুদ্ধতো ব্যৱহাৰ কৰিলেই হ'লহেঁতেন, আৰু আঁতাত গোষ্ঠীয়ে আমাক মচিমূৰ কৰিব পাৰিলেহেঁতেন। এই প্ৰশ্নটো যিবিলাকে তত্ত্বগত দৃষ্টিকোণৰপৰা বিচাৰ কৰিছিল তেওঁলোকৰ মনত, বিশেষকৈ যোৱা যুদ্ধৰ মাজেৰে অতিক্ৰম কৰা আৰু নিজৰ অভিজ্ঞতা আৰু পৰ্যবেক্ষণৰপৰা বুজি পোৱা সেইসকলৰ মনত এই সম্পৰ্কে অকণো সন্দেহ থাকিব নোৱাৰে।

ব্রিটেইন আৰু ফ্রান্স উভয়েই এই ধৰণে ৰুছিয়াক দখল কৰিবলৈ চেষ্টা কৰিছিল। যি জাপানে সাম্রাজ্যবাদী যুদ্ধত কাৰ্য্যতঃ প্রত্যক্ষভাৱে অংশ গ্রহণ কৰা নাছিল, কিন্তু দূৰ প্রাচ্যৰপৰা কাৰ্য্য চলাই ছোভিয়েত প্রজাতন্ত্রক চূর্ণ কৰাৰ বাবে এক লাখমান সৈন্যৰ যোগান ধৰিছিল, সেই জাপানৰ লগত উক্ত দেশ দুখনে এটা চুক্তি সম্পাদন কৰে। সেই সময়তে ব্রিটেইনে মুৰ্মানস্ক আৰু আৰ্খাঞ্জেলস্কত সৈন্য নমায়, ককেছাছত সৈন্য চলাচলৰ কথা বাৰু উল্লেখ নকৰিলোঁৱেই; আৰু ফ্রান্সে দক্ষিণাংশত সৈনিক আৰু নাৱিকসকলক নমায়। সংগ্রামৰ এই প্রথম ঐতিহাসিক পৰ্য্যায়টি আমি সহ্য কৰি আহিছোঁ।

সেই সময়ত আঁতাত গোষ্ঠীৰ [১৭৭] আছিল লাখ লাখ লোকৰ বিশাল ফৌজ আৰু ৰুছিয়াত সমাৱেশ ঘটোৱা যি শ্বেতৰক্ষী সৈন্যদলৰ কোনো সংগঠক কিম্বা অস্ত্রশস্ত্র নাছিল, সেইবোৰৰ তুলনাত সেই ফৌজৰ সৈনিকবিলাক অৱশ্যেই বহুগুণে শ্রেষ্ঠ আছিল। আৰু আমাৰ বিৰুদ্ধে এই সৈনিকবোৰকেই পঠোৱা হৈছিল। কিন্তু বলছেভিকসকলে আগতীয়াকৈ যি সংকেত দিছিল সেয়াই ঘটিল। তেওঁলোকে কৈছিল যে এয়া কেৱল ৰুছ বিপ্লৱৰেই কথা নহয়, বিশ্ব-বিপ্লৱৰ লগতো জড়িত বিষয়, আৰু সকলো সভ্য দেশৰ শ্রমিকসকলৰ মাজত বলছেভিকসকলৰ সহযোগী-মিত্র আছে। আমি যেতিয়া সকলো দেশৰ ওচৰত শান্তিৰ প্রস্তাৱ দিছিলোঁ [১৭৮], তেতিয়া এইবিলাক ভৱিষ্যদ্বাণী প্রত্যক্ষভাৱে ৰূপায়িত হোৱা নাছিল। আমাৰ আৱেদনত সাৰ্বিক সঁহাৰি পোৱা নগৈছিল। কিন্তু ১৯১৮ চনৰ জানুৱাৰীত [১৭৯] জাৰ্মানিত হোৱা ধৰ্মঘটে আমাক দেখুৱাই দিলে যে তাত আমাৰ প্রতি সমৰ্থন অকল লিব্‌ক্লেখ্‌টৰেই নহয়, শ্রমিকসকলৰ বাৰুকৈয়ে ৰূজন অংশৰো আছে; আনকি কাইজাৰৰ আমোলতো লিব্‌ক্লেখ্‌টে সাহসেৰে এই কথা প্রকাশ্যে ঘোষণা কৰিছিল যে জাৰ্মানিৰ চৰকাৰ আৰু বুর্জোৱা শ্রেণী হৈছে ডকাইত। শ্রমিকসকলৰ ৰক্তপাত আৰু দমন-নিপীড়নৰ মাজেৰে সেই ধৰ্মঘটৰ সমাপ্তি ঘটে। আঁতাত গোষ্ঠীৰ দেশবোৰত অৱশ্যে বুর্জোৱা শ্রেণীয়ে আমাৰ আৱেদন সম্পৰ্কে মিছা কথা ৰটাই নাইবা তাৰ বিষয়ে একোকেই প্রচাৰ নকৰি শ্রমিকসকলক প্রৱঞ্চনা কৰে। এই গতিকেই ১৯১৭ চনৰ নৱেম্বৰত সকলো জাতিৰ উদ্দেশ্যে প্রচাৰিত আমাৰ আৱেদনৰ কোনো প্রত্যক্ষ ফললাভ হোৱা নাছিল, আৰু অকল এই আৱেদনৰ ফলতেই বিপ্লৱ আৰম্ভ হৈ যাব বুলি যিসকলে ভাবিছিল তেওঁলোকো অৱশ্যে অত্যন্ত তিক্ততাৰে হতাশ হ'বলৈ বাধ্য হৈছিল। কিন্তু আমি কেৱল আৱেদনৰ ওপৰতেই ভাৰসা কৰা নাছিলোঁ; আমি নিৰ্ভৰ কৰিছিলোঁ অধিক গভীৰ চালিকা-শক্তিৰ

ওপৰত। আমি কৈছিলোঁ যে বিভিন্ন দেশত বিপ্লৱ বিভিন্ন ধৰণে অগ্ৰসৰ হ'ব আৰু এয়া অৱশ্যেই বাস্পদুতিনৰ এজন আশ্ৰিত ব্যক্তিক নাইবা এজন দুৰ্জন জমিদাৰক অপসাৰিত কৰাৰ বিষয় মাথোন নহয়, বৰং এয়া হৈছে অধিক বিকশিত আৰু শিক্ষাপ্ৰাপ্ত বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামৰ বিষয়।

আৰু সেই গতিকেই, ব্ৰিটিছে যেতিয়া উত্তৰ দিশত আৰু ফৰাচীয়ে দক্ষিণত সৈন্যদল নমালে, তেতিয়া চূড়ান্ত অগ্নি-পৰীক্ষা আৰু শেষ পৰিণতিৰ পিনে ঘোৰাটো আৰম্ভ হ'ল। কোন নিৰ্ভুল আছিল সেই প্ৰশ্নৰ সমিধান পোৱাৰ সময় আহিল। বলছেভিকসকলে যেতিয়া কৈছিল — যুদ্ধত জিকিবলৈ হলে শ্ৰমিকসকলৰ ওপৰত তেওঁলোকে নিৰ্ভৰ কৰিব লাগিব, তেতিয়া তেওঁলোকৰ কথা শুদ্ধ আছিল জানো? নে, মেনছেভিকসকলে যেতিয়া কৈছিল — এখন দেশত বিপ্লৱ কৰাৰ চেষ্টা অৰ্থহীন আৰু দুঃসাহসিক হ'ব, যিহেতু অন্যান্য দেশে ইয়াক চুৰমাৰ কৰি পেলাব, তেতিয়া তেওঁলোকেই জানো সঠিক কথা কৈছিল? এনে ধৰণৰ কথা-বতৰা অকল পাৰ্টিৰ বিভিন্ন লোকৰ মুখতেই নহয়, যিসকলে সম্প্ৰতি মাথোন ৰাজনীতিৰ সম্পৰ্কে চিন্তা-ভাবনা কৰিবলৈ আৰম্ভ কৰিছিল তেওঁলোকৰ মুখতো আনকি সঘনে শুনা গৈছিল। আৰু তাৰ পাছতে আহিল সেই চূড়ান্ত পৰীক্ষা। ফল কি হ'বগৈ সেই বিষয়ে বহুত দিনলৈকে আমি জনা নাছিলোঁ; দীৰ্ঘকাল ধৰি আমি ফল বিচাৰ কৰিব পৰা নাই; কিন্তু এতিয়া ঘটনা ঘটাৰ পাছত আমি জানো সেয়া কি আছিল। আনকি ইংৰাজী বাৰ্তাৰিককাকতবোৰত, সমস্ত বুৰ্জোৱা কাকত-পত্ৰই বলছেভিকসকলৰ বিষয়ে উন্মাদৰ দৰে মিছা কথা প্ৰচাৰ কৰা সত্ত্বেও --- আনকি সেই কাকতবোৰতো আৰ্খাঙ্গেল্স্কৰ ওচৰত থকা ব্ৰিটিছ সৈনিকসকলৰ চিঠি প্ৰকাশিত হ'বলৈ আৰম্ভ কৰিলে, তাত কোৱা হ'ল যে ৰুছিয়াৰ মাটিত তেওঁলোকে ইংৰাজী ভাষাত লিখা প্ৰচাৰ-পত্ৰ পাইছে, সেইবোৰত তেওঁলোকৰ উদ্দেশ্যে ব্যাখ্যা কৰা হৈছে যে তেওঁলোকক ঠগোৱা হৈছে, তেওঁলোকক সেই শ্ৰমিক আৰু কৃষকসকলৰ বিৰুদ্ধে চালিত কৰা হৈছে যিসকলে নিজৰ ৰাষ্ট্ৰ গঠন কৰিছে। এই সৈনিকসকলে লিখিছিল যে তেওঁলোকে যুদ্ধ কৰিবলৈ নিবিচাৰে। ফ্ৰান্সৰ কথা ক'বলৈ গলে, আমি জানো যে নৌবাহিনীত এটা বিদ্ৰোহ হৈছিল আৰু তাৰ কাৰণে শই শই, হয়তোবা হাজাৰে হাজাৰে ফৰাচী লোকে এতিয়াও সশ্ৰম কাৰাবাস খাটিব লগা হৈছে। এই নাৱিকসকলে ঘোষণা কৰিছিল যে তেওঁলোকে ছোভিয়েত প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে যুদ্ধ নকৰিব। আমি এতিয়া দেখিবলৈ পাইছো, ফৰাচী ফৌজ কিম্বা ব্ৰিটিছ ফৌজ কোনোৱেই বৰ্তমানে কিয় আমাৰ বিৰুদ্ধে যুদ্ধ

কৰা নাই, ব্ৰিটিছ সৈন্যদলক কিয় আৰ্খাঙ্গেলস্কৰপৰা অপসাৰিত কৰা হৈছে আৰু ব্ৰিটিছ চৰকাৰে কিয় সেই সৈন্যবোৰক আমাৰ ভূখণ্ডলৈ অনাৰ কাৰণে সাহ কৰা নাই।

আমাৰ এজন ৰাজনৈতিক লিখক কমৰেড ৰাদেকে লিখিছিল যে ৰুছিয়াৰ ভূখণ্ড এনেকুৱা হৈ পৰিব বুলি প্ৰমাণিত হ'ব যে অন্য কোনো দেশৰ কোনো সৈনাই এই মাটিত ভৰি দি যুঁজ কৰিবলৈ সমৰ্থ নহ'ব। ধাৰণা হৈছিল এয়া যেন অত্যন্ত গৰ্বোদ্ধত অঙ্গীকাৰ, ধাৰণা হৈছিল এয়া যেন ভ্ৰান্ত মোহ। কিন্তু ই নিৰ্ভুল বুলিয়েই প্ৰমাণিত হ'ল। যি ভূমিত ছোভিয়েত বিপ্লৱ সংঘটিত হৈছে সেয়া সকলো দেশৰ পক্ষেই অত্যন্ত বিপজ্জনক বুলি প্ৰমাণিত হৈছে। ধাৰণা হয় ৰুছ বলছেভিকসকল সঠিক আছিল; জাৰতন্ত্ৰৰ আমোলত শ্ৰমিকসকলৰ মাজত ঐক্য স্থাপন কৰিবলৈ তেওঁলোক সমৰ্থ হৈছিল, শ্ৰমিকসকলে সৰু সৰু কোষ (চে'ল) সৃষ্টি কৰিব পাৰিছিল, এই চে'লবোৰে সিবোৰক বিশ্বাস কৰা সেই ফৰাচী শ্ৰমিক নাইবা ব্ৰিটিছ সৈনিক, সকলোৰে প্ৰতি সিবিলাকৰ নিজৰ ভাষাত প্ৰচাৰ চলাই ওলগ জনাইছিল। সঁচা কথা যে আমাৰ আছিল কেৱল ক্ষুদ্ৰাকাৰৰ কেইখিলামান পাত, অথচ ব্ৰিটিছ আৰু ফৰাচী সংবাদপত্ৰ জগতত প্ৰচাৰ চলাইছিল হাজাৰ হাজাৰ বাৰ্তাৰিকাকতে, আৰু প্ৰত্যেকটো কথা হাজাৰ হাজাৰ স্তম্ভ জুৰি প্ৰচাৰিত হৈছিল। আমি মাহেকত মাত্ৰ দুই বা তিনিখন চাৰি-পৃষ্ঠাৰ কাকত প্ৰকাশ কৰিছিলোঁ; হিচাপ কৰিলে দেখা যায়, খুব বেছি প্ৰতি দহ হাজাৰ ফৰাচী সৈনিকৰ কাৰণে মাত্ৰ এখনকৈ। আনকি এইখিনিও গন্তব্য স্থল পায়গৈ নে নাপায়, মোৰ সন্দেহ। তেনেহলে ফৰাচী আৰু ব্ৰিটিছ সৈনিকসকলে কিয় সিবোৰৰ কথাত বিশ্বাস কৰিছিল? কৰিছিল এই কাৰণেই যে আমি সঁচা কথা কৈছিলোঁ, তদুপৰি ৰুছিয়ালৈ অহাৰ সময়ত তেওঁলোকে নিজেও দেখিছিল যে তেওঁলোক প্ৰতাৰিত হৈছে। তেওঁলোকক তেতিয়া কোৱা হৈছিল যে তেওঁলোকৰ নিজৰ দেশক ৰক্ষা কৰিব লাগিব; কিন্তু তেওঁলোকে ৰুছিয়ালৈ আহি দেখিলেহি যে তেওঁলোকে ৰক্ষা কৰিব লগা হৈছে জমিদাৰ আৰু পুঁজিপতিৰ শাসন, তেওঁলোকে বিপ্লৱক চুৰমাৰ কৰিব লগা হৈছে। দুটা বছৰৰ ভিতৰত এওঁলোকক যে আমি আমাৰ পক্ষলৈ আনিব পাৰিলোঁ তাৰ কাৰণ হ'ল এই যে এসময়ত তেওঁলোকে তেওঁলোকৰ নিজৰ ৰজাসকলক নিঃশেষ কৰাৰে কথা পাহৰি গলেও ৰুছ ভূমিত ভৰি দিয়াৰ লগে লগে ৰুছ বিপ্লৱ আৰু ৰুছ শ্ৰমিক-কৃষকসকলৰ বিজয়ে ফ্ৰান্স আৰু ব্ৰিটেইনৰ সৈনিকসকলৰ মনত পেলাই দিছে নিজৰ বিপ্লৱৰ কথা, আৰু ৰুছিয়াৰ

ঘটনাৱলীৰ যহতে তেওঁলোকে নিজৰ দেশত এদিন ঘটা সেই কথাবোৰ সুঁৱৰিছে।

আৰু ইয়েই দেখুৱাই দিছে যে বলছেভিকসকল সঠিক আছিল, পুঁজিপতিবোৰৰ আশাতকৈ আমাৰ আশা-আকাংক্ষাৰ ভিত্তি আছিল বেছি দৃঢ়, যদিও আমাৰ হাতত ধনবল কিম্বা অস্ত্ৰশস্ত্ৰ নাছিল, আনহাতে আঁতাত গোষ্ঠীৰ হাতত বিপুল অস্ত্ৰশস্ত্ৰ আৰু এক অপৰাজেয় সৈন্যবাহিনী দুয়োটাই আছিল। কিন্তু আমি এইবিলাক অজেয় সৈন্যদলৰ সহানুভূতি অৰ্জন কৰিছোঁ, এয়া ইমান দূৰ পৰ্যন্ত আছিল যে আমাৰ বিৰুদ্ধে সিবিলাকে ব্ৰিটিছ সৈনিক অথবা ফৰাচী সৈনিকসকলক আনিবলৈ সাহ কৰা নাই, সিবিলাকে অভিজ্ঞতাবপৰা জানে যে এনেকুৱা প্ৰত্যেকটো চেষ্টাৰ ফল নিজৰ বিৰুদ্ধেই যায়। সেয়াই হৈছে ছোভিয়েত ৰুছিয়াত ঘটা অন্যতম অলৌকিক ঘটনা।

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩০, পৃঃ ৩৮২-৮৬

১

## ৰুছ বিপ্লৱৰ আন্তৰ্জাতিক তাৎপৰ্য্যৰ কথা আমি কি অৰ্থত কব পাৰোঁ?

ৰুছিয়াত শ্ৰমিক শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতা অৰ্জন কৰাৰ (১৯১৭ চন, ২৫ অক্টোবৰ [৭ নৱেম্বৰ]) পাছত প্ৰথম কেইমাহতেই ধাৰণা হ'ব পাৰিলেহেঁতেন যে পশ্চাৎপদ ৰুছিয়া আৰু পশ্চিম ইউৰোপৰ অগ্ৰসৰ দেশসমূহৰ মাজত বিৰাট পাৰ্থক্যৰ ফলত শেষোক্ত দেশসমূহত ঘটিব লগা প্ৰলিতাৰীয় বিপ্লৱৰ লগত আমাৰ বিপ্লৱৰ সাদৃশ্য সামান্য পৰিমাণেহে থাকিব। আমি এতিয়া যথেষ্ট আন্তৰ্জাতিক অভিজ্ঞতা অৰ্জন কৰিছোঁ, সেই অভিজ্ঞতাই অতি নিশ্চিতকৈ দেখুৱাই দিয়ে যে আমাৰ বিপ্লৱৰ এনে গোটাচেৰেক মূল বৈশিষ্ট্য আছে যাৰ তাৎপৰ্য্য স্থানীয় নহয়, কিম্বা বিশিষ্টভাৱে জাতীয় নাইবা কেৱল ৰুছীয় নহয়, বৰং আন্তৰ্জাতিক প্ৰকৃতিৰ। ইয়াত মই ব্যাপক অৰ্থত আন্তৰ্জাতিক তাৎপৰ্যাৰ কথা ক'বলৈ যোৱা নাই: সমস্ত দেশৰ ওপৰত ইয়াৰ প্ৰভাৱৰ অৰ্থত আমাৰ বিপ্লৱৰ মাথোন কেইটিমান নহয় বৰং আটাইকেইটা প্ৰধান বৈশিষ্ট্য আৰু ইয়াৰ ভালেমান গৌণ বৈশিষ্ট্যই হ'ল আন্তৰ্জাতিক তাৎপৰ্য্যপূৰ্ণ। শব্দটিৰ সংকীৰ্ণতম অৰ্থত মই ইয়াৰ কথা কৈছোঁ, আন্তৰ্জাতিক তাৎপৰ্য্য বোলোঁতে বুজাইছোঁ আমাৰ দেশত যি ঘটিছে, তাৰেই আন্তৰ্জাতিক পৰিসৰত পুনৰাবৃত্তিৰ আন্তৰ্জাতিক বৈধতা অথবা ঐতিহাসিক অনিবাৰ্য্যতা। এই কথা স্বীকাৰ কৰিবই লাগিব যে আমাৰ বিপ্লৱৰ গোটাচেৰেক নিৰ্দিষ্ট মূল বৈশিষ্ট্যৰ সেই তাৎপৰ্য্য নিশ্চয় আছে।

অৱশ্যে এই সত্যটোক অতিৰঞ্জিত কৰা আৰু ইয়াক আমাৰ বিপ্লৱৰ কেতবোৰ মূল বৈশিষ্ট্যৰপৰা বেছি দূৰলৈকে বিস্তৃত কৰাটো অত্যন্ত ভুল হ'ব। এই কথা পাহৰি যোৱাটোও ভুল হ'ব যে অগ্ৰসৰ দেশবোৰৰ অন্ততঃ এখনতো প্ৰলিতাৰীয় বিপ্লৱৰ জয়লাভৰ পাছত সোনকালেই হয়তো এক তীব্ৰ পৰিৱৰ্তন ঘটিব: ৰুছিয়া আৰু আৰ্হিস্বৰূপ হৈ নাথাকিব আৰু আকৌ এখন

পশ্চাৎপদ দেশ হৈ পৰিব ('ছোভিয়েত' আৰু সমাজতান্ত্ৰিক অৰ্থত)।

ইতিহাসত বৰ্তমান মুহূৰ্তত কিন্তু ৰুছ আৰ্হিয়েই সকলো দেশৰ বাবে সিবোৰৰ ওচৰ আৰু অনিবাৰ্য্য ভৱিষ্যতৰ কিবা এটা — আৰু অতি তাৎপৰ্য্যপূৰ্ণ কিবা এটা — প্ৰকাশ কৰে। সকলো দেশতে আগবঢ়ুৱা শ্ৰমিকসকলে বহু দিনৰ আগতেই এই কথা উপলব্ধি কৰিছে; অধিকাংশ ক্ষেত্ৰতেই উপলব্ধি কৰাতকৈ তেওঁলোকে বৰং নিজৰ বৈপ্লৱিক শ্ৰেণীগত প্ৰবৃত্তিৰেই ইয়াক আয়ত্ত কৰিছে। ইয়াতেই ছোভিয়েত ক্ষমতাৰ, আৰু বলছেভিক তত্ত্ব তথা প্ৰয়োগৰ মূল কথাবোৰৰ আন্তৰ্জাতিক 'তাৎপৰ্য্য' (শব্দটিৰ সংকীৰ্ণ অৰ্থত) নিহিত। দ্বিতীয় আন্তৰ্জাতিকৰ 'বিপ্লৱী' নেতাসকলে, যেনে জাৰ্মানিত কাউৎস্কি আৰু অষ্ট্ৰিয়াত অট্টো বাউয়েৰ আৰু ফ্ৰিডৰিখ আডলাৰ প্ৰভৃতিয়ে তাকেই উপলব্ধি কৰিব পৰা নাই; সেই কাৰণেই তেওঁলোক প্ৰতিক্ৰিয়াশীল হৈ পৰিছে আৰু অতি জঘন্য ধৰণৰ সুবিধাবাদ আৰু সামাজিক বিশ্বাসঘাতকতাৰ উদ্যোক্তা হৈ পৰিছে। প্ৰসঙ্গতঃ, ১৯১৯ চনত ভিয়েনাত প্ৰকাশিত *(Sozialistische Bücherei, Heft 11; Ignaz Brand*)*, 'বিশ্ব-বিপ্লৱ' *(Weltrevolution)* নামৰ বেনামী পুস্তিকাখনিত তেওঁলোকৰ সমগ্ৰ চিন্তা আৰু সকলো ধৰণৰ ধ্যান-ধাৰণা, নাইবা বৰং তেওঁলোকৰ মূৰ্খতা, পাণ্ডিত্যাভিমান, নীচতা আৰু শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতি বিশ্বাসঘাতকতা — আৰু তাকো আকৌ 'বিশ্ব-বিপ্লৱৰ' ধাৰণাটি 'ৰক্ষা কৰাৰ' ছদ্মবেশত, অত্যন্ত স্পষ্টভাৱে প্ৰকাশ পাইছে।

আমি এই পুস্তিকাখনৰ বিষয়ে বাৰু আন সময়ত বিতং আলোচনা কৰিম। ইয়াত কেৱল আৰু এটা বিষয় উল্লেখ কৰিম: অতীতত কাউৎস্কি যেতিয়া মাৰ্ক্সবাদী আছিল, আদৰ্শচ্যুত হোৱা নাছিল, তেতিয়া তেওঁ ইতিহাসবিদ হিচাপে প্ৰশ্নটো বিবেচনা কৰিবলৈ গৈ এনে এটা পৰিস্থিতি উদ্ভূত হোৱাৰ সম্ভাৱনা আগতীয়াকৈ দেখা পাইছিল, য'ত ৰুছ প্ৰলিতাৰিয়েতৰ বৈপ্লৱিক চেতনাই পশ্চিম ইউৰোপৰ সমুখত এটা আদৰ্শ যোগাব। এয়া আছিল ১৯০২ চনৰ কথা, তেতিয়া কাউৎস্কিয়ে বৈপ্লৱিক 'ইস্ক্ৰা' কাকতৰ [১৮১] কাৰণে 'স্লাভ জাতি আৰু বিপ্লৱ' নামেৰে এটা প্ৰবন্ধ লিখিছিল। ইয়াত তেওঁ এই দৰে লিখিছিল:

'বৰ্তমান সময়ত (১৮৪৮ চনৰ তুলনাত) ধাৰণা হ'ব পাৰে যে

---

* ইগনাজ ব্ৰান্ড, 'সমাজতান্ত্ৰিক গ্ৰন্থালয়', খণ্ড ১১। — সম্পাঃ

শ্লাভসকলেই কেৱল বৈপ্লৱিক জাতিসমূহৰ বাহিনীত প্ৰৱেশ কৰা নাই, বৰং বৈপ্লৱিক চিন্তা আৰু বৈপ্লৱিক কৰ্মতৎপৰতাৰ কেন্দ্ৰটিয়েই ক্ৰমে বেছিকৈ শ্লাভসকলৰ পিনে আঁতৰি আহিছে। বৈপ্লৱিক কেন্দ্ৰ পশ্চিমৰপৰা পূবলৈ গুচি আহিছে। ঊনৈছ শতিকাৰ প্ৰথমাৰ্দ্ধত ই অৱস্থিত আছিল ফ্ৰান্সত আৰু মাজে মাজে ইংলণ্ডত। ১৮৪৮ চনত জাৰ্মানিয়েও বৈপ্লৱিক জাতিসমূহৰ বাহিনীত যোগ দিছিল... নতুন শতিকাটো এনেবোৰ ঘটনাৱলীৰ মাজেৰে আৰম্ভ হৈছে যাৰপৰা এই ধাৰণা হয় যে আমি বৈপ্লৱিক কেন্দ্ৰৰ অধিক পৰিমাণে সলনি হোৱাৰ, অৰ্থাৎ ৰুছিয়াৰ দিশে আঁতৰি অহাৰ কাষ চাপিছোঁ... যি ৰুছিয়াই পশ্চিমৰপৰা ইমান বেছি বৈপ্লৱিক উদ্যোগ ধাৰ কৰিছে, সেই ৰুছিয়াই এতিয়া হয়তো নিজেই পশ্চিমৰ বাবে বৈপ্লৱিক কৰ্মশক্তিৰ উৎস হিচাপে কাম কৰিবলৈ প্ৰস্তুত। বৰ্তমানে দপ্ দপ্‌কৈ জ্বলি উঠা ৰুছ বৈপ্লৱিক আন্দোলনেই সম্ভৱতঃ আমাৰ মাজত শিথিল কূপমণ্ডুকতা আৰু উদ্ধাসীনভাৱে গণনা কৰা ৰাজনীতিৰ যি মনোভাৱ প্ৰসাৰিত হবলৈ ধৰিছে সেই ভূত খেদাৰ সবাতোকৈ শক্তিশালী উপায় হ'বগৈ বুলি প্ৰমাণিত হ'ব আৰু ইয়াৰ ফলতেই হয়তো সংগ্ৰামী চেতনা আৰু আমাৰ মহৎ আদৰ্শৰ প্ৰতি আৱেগদীপ্ত নিষ্ঠা আকৌ জ্বলি উঠিব পাৰে। পশ্চিম ইউৰোপৰ মানত, ৰুছিয়া বহুত দিনৰপৰাই সেই প্ৰতিক্ৰিয়া আৰু স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ কোঠ হৈ আৰু থকা নাই। মোৰ বোধেৰে ইয়াৰ ওলোটাটোহে বৰং আজি সত্য। পশ্চিম ইউৰোপ হৈ উঠিছে ৰুছিয়াৰ প্ৰতিক্ৰিয়া আৰু স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ ঘাটি... ৰুছ বিপ্লৱীসকলে হয়তো বহুত আগতেই জাৰ-সম্ৰাটৰ সমুখীন হ'বলৈ সক্ষম হ'ব পাৰিলেহেঁতেন, যদিহে তেওঁলোকে একে সময়তে তেওঁৰ সহযোগী-মিত্ৰ — ইউৰোপীয় পুঁজিৰ বিৰুদ্ধে যুঁজ কৰিবলৈ বাধ্য নহ'লহেঁতেন। আশা কৰা যাওক যে এইবাৰ তেওঁলোক উভয় শত্ৰুৰেই বিৰুদ্ধে সমুখীন হোৱাত সফল হ'ব আৰু নতুন 'পবিত্ৰ মৈত্ৰী-গোট' ইয়াৰ পূৰ্ববৰ্তীৰ তুলনাত বেছি দ্ৰুতভাৱে ভাঙি পৰিব। যিয়েই নহওক, ৰুছিয়াৰ বৰ্তমান সংগ্ৰাম শেষ হৈ যাব পাৰে, কিন্তু যি ছহিদসকলৰ সংখ্যা দুৰ্ভাগ্যবশতঃ বিৰাট পৰিমাণৰ হ'ব সিসকলৰ ৰক্তদান আৰু যাতনা-ভোগ অথলে নাযাব। সিবোৰে গোটেই সুসভ্য জগত জুৰি সমাজ-বিপ্লৱৰ পুলি-পোথাবিলাক পুষ্ট কৰিব আৰু সেইবিলাকক বেছি লহপহকৈ দ্ৰুতভাৱে বঢ়াই তুলিব। ১৮৪৮ চনত শ্লাভবিলাক আছিল প্ৰাণঘাতী তুষাৰ, যি জনসাধাৰণৰ বসন্তৰ ফুলবিলাক নষ্ট কৰি দিছিল। এতিয়া হয়তো সেইসকলৰ ভাগ্যত আছে ধুমুহাত পৰিণত হোৱাটো, যি ধুমুহাই প্ৰতিক্ৰিয়াৰ বৰফ

ভাঙিব আৰু ইয়াৰ লগতে অনিবাৰ্য্যভাৱে জাতিসমূহলৈ এক নতুন আৰু সুখৰ বসন্ত আনিব' (কাৰ্ল কাউৎস্কি, 'স্লাভ জাতি আৰু বিপ্লৱ', ৰুছ ছচিয়েল-ডেমক্ৰেটিক বৈপ্লৱিক বাতৰিকাকত 'ইস্ক্ৰা', সংখ্যা ১৮, ১০ মাৰ্চ, ১৯০২ চন)।

ওঠৰ বছৰৰ আগেয়ে কাৰ্ল কাউৎস্কিয়ে কিমান সুন্দৰ লিখিছিল!

## ১০

## গোটাচেৰেক সিদ্ধান্ত

১৯০৫ চনৰ ৰুছ বুৰ্জোৱা বিপ্লৱে বিশ্বৰ ইতিহাসত অতি মৌলিক এক পৰিৱৰ্তনৰ পৰিচয় দিছিল: সবাতোকৈ পিছ পৰা এখন পুঁজিবাদী দেশত ধৰ্মঘট আন্দোলনে পৃথিৱীৰ ক'তো নোহোৱা-নোপজা ধৰণৰ এক প্ৰসাৰতা আৰু ক্ষমতা অৰ্জন কৰিছিল। ১৯০৫ চনৰ কেৱল **প্ৰথম মাহটোতেই** ধৰ্মঘটীসকলৰ সংখ্যা আগৰ দশকৰ (১৮৯৫-১৯০৪) **বছেৰেকীয়া** গড় পৰিমাণতকৈ দহ গুণ বেছি আছিল। ১৯০৫ চনৰ জানুৱাৰীৰপৰা অক্টোবৰলৈকে ধৰ্মঘট অনৱৰতে বাঢ়িবলৈ ধৰিছিল আৰু বিৰাট আকাৰ ধাৰণ কৰিছিল এই ধৰ্মঘটবিলাকে। গোটাচেৰেক অসাধাৰণ ঐতিহাসিক অৱস্থাৰ প্ৰভাৱত পশ্চাৎপদ ৰুছিয়াই সৰ্বপ্ৰথমে পৃথিৱীৰ সমুখত কেৱল যে বিপ্লৱৰ সময়ত নিপীড়িত জনসাধাৰণৰ স্বতন্ত্ৰ কৰ্মতৎপৰতাৰ অতি দ্ৰুত বৃদ্ধিকেই (সকলো ডাঙৰ বিপ্লৱতেই এনেকুৱা ঘটিছিল) দেখুৱাইছিল এনে নহয়, লগতে মুঠ জনসংখ্যাৰ মাজত প্ৰলিতাৰিয়েতৰ অনুপাততকৈ এই শ্ৰেণীৰ তাৎপৰ্য্য যে অপৰিসীমভাৱে বেছি সেই কথাও দেখুৱাই দিছিল; ই দেখুৱাইছিল অৰ্থনৈতিক ধৰ্মঘট আৰু ৰাজনৈতিক ধৰ্মঘটৰ সমন্বয়ৰ কথা, য'ত এই ৰাজনৈতিক ধৰ্মঘটেই বিকাশ লাভ কৰি সশস্ত্ৰ অভ্যুত্থানত পৰিণত হয়, আৰু ফলস্বৰূপে পুঁজিবাদৰ দ্বাৰা নিপীড়িত শ্ৰেণীবোৰৰ গণ-সংগ্ৰাম আৰু গণ-সংগঠনৰ এক নতুন ৰূপ সেই ছোভিয়েতসমূহে জন্ম লাভ কৰে।

১৯১৭ চনৰ ফেব্ৰুৱাৰী আৰু অক্টোবৰ বিপ্লৱৰ ফলত দেশ-জোৰা পৰিসৰত ছোভিয়েতসমূহৰ সৰ্বাঙ্গীণ বিকাশ ঘটিছিল আৰু প্ৰলিতাৰীয় সমাজতান্ত্ৰিক বিপ্লৱত সেইবোৰে জয়লাভ কৰিছিল। দুই বছৰতো কম সময়ৰ ভিতৰতে ছোভিয়েতসমূহৰ আন্তৰ্জাতিক চৰিত্ৰ, বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ

আন্দোলনলৈ সংগ্ৰাম আৰু সংগঠনৰ এই ৰূপটোৰ প্ৰসাৰ আৰু বুৰ্জোৱা সংসদীয় প্ৰথাৰ আৰু সাধাৰণভাৱে বুৰ্জোৱা গণতন্ত্ৰৰ কবৰ-খানৌতা, উত্তৰাধিকাৰী তথা উত্তৰ-পুৰুষ হিচাপে ছোভিয়েতসমূহৰ ঐতিহাসিক লক্ষ্য — সমস্ত স্পষ্ট হৈ উঠিছিল।

কিন্তু এয়াই সকলো নহয়। শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ ইতিহাসৰপৰা এতিয়া দেখা যায় যে সমস্ত দেশত, ই সৰ্বপ্ৰথমে আৰু প্ৰধানতঃ 'মেনছেভিকবাদৰ' বিৰুদ্ধে, অৰ্থাৎ সুবিধাবাদ আৰু সামাজিক-জাত্যাভিমানৰ (প্ৰত্যেক বিশেষ দেশত স্বদেশী মাৰ্কা) বিৰুদ্ধে, আৰু তাৰ পাছত ক'বলৈ গলে পৰিপূৰক হিচাপে, 'বামপন্থী' সাম্যবাদৰ বিৰুদ্ধে সাম্যবাদৰ — উত্থিত, শক্তি সঞ্চয়ৰত আৰু বিজয়ৰ দিশে আগুৱাই থকা — এক সংগ্ৰামৰ মাজেদি যাবলৈ ধৰিছে (আৰু ইতিমধ্যে গৈছে)। প্ৰথমোক্ত সংগ্ৰাম সকলো দেশতেই, বাহ্যতঃ বিনা ব্যতিক্ৰমে, দ্বিতীয় আন্তৰ্জাতিক (কাৰ্য্যতঃ ইতিমধ্যে মৃত) আৰু তৃতীয় আন্তৰ্জাতিকৰ মাজত দ্বন্দ্ব-যুদ্ধ হিচাপে বিকশিত হৈছে। শেষোক্ত সংগ্ৰাম দেখা যায় জাৰ্মানি, গ্ৰেট ব্ৰিটেইন, ইটালি, আমেৰিকাত (অন্ততঃ 'বিশ্বৰ ঔদ্যোগিক শ্ৰমিকসকলৰ' [১৮২] আৰু নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্ট প্ৰৱণতাৰ নিৰ্দিষ্ট **একাংশই** প্ৰায় সাৰ্বজনীন আৰু প্ৰায় অকুণ্ঠভাৱে ছোভিয়েত ব্যৱস্থাক মানি লোৱাৰ ওচৰা-উচৰিকৈ বামপন্থী সাম্যবাদৰ ভুল-ভ্ৰান্তিবোৰ দাঙি ধৰে), আৰু ফ্ৰান্সত (ৰাজনৈতিক পাৰ্টি আৰু সংসদীয় প্ৰথা সম্পৰ্কে প্ৰাক্তন ছিণ্ডিকেলিষ্টসকলৰ একাংশৰ মনোভাৱ, ইও ছোভিয়েত ব্যৱস্থাক মানি লোৱাৰ ওচৰা-উচৰিকৈ); আন কথাত ক'বলৈ গলে, নিঃসন্দেহে এই সংগ্ৰাম কেৱল আন্তৰ্জাতিক ক্ষেত্ৰতে নহয়, আনকি বিশ্ব-জোৰা পৰিসৰতো চালিত হৈছে।

কিন্তু শ্ৰমিক শ্ৰেণীৰ আন্দোলন যেনেকৈ সৰ্বত্ৰ বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে জয়লাভৰ প্ৰকৃতপক্ষে যি একেই ধৰণৰ প্ৰস্তুতিমূলক শিক্ষালয় তাৰ মাজেৰে চলিব লাগিছে, তেনেকৈয়ে প্ৰত্যেক দেশত ই তাৰ **নিজস্ব** পথেৰে সেই বিকাশ লাভ কৰিছে। সংগঠিত এক ৰাজনৈতিক প্ৰৱণতা হিচাপে বলছেভিকবাদক বিজয়ৰ কাৰণে প্ৰস্তুত হ'বলৈ ইতিহাসে পোন্ধৰ বছৰ সময় দিছিল, সেই বলছেভিকবাদৰ তুলনাত বৃহৎ আৰু অগ্ৰসৰ পুঁজিবাদী দেশসমূহে এই পথত **অতি বেছি ক্ষিপ্ৰ গতিৰে** বাট বুলিছে। এটি বছৰৰ এই সংক্ষিপ্ত কালছোৱাতেই তৃতীয় আন্তৰ্জাতিকে ইতিমধ্যে এক চূড়ান্ত বিজয় অৰ্জন কৰিছে; ই নীচ প্ৰবৃত্তিৰ প্ৰৰোচক, সামাজিক-জাতিদম্ভবাদী দ্বিতীয় আন্তৰ্জাতিকক পৰাস্ত কৰিছে, অথচ মাত্ৰ কেইমাহমানৰ আগলৈকো এই সংস্থা

তৃতীয় আন্তৰ্জাতিকতকৈ অতুলনীয়ভাৱে অধিক শক্তিশালী আছিল, সংহিত আৰু ক্ষমতাশালী বুলি ধাৰণা হৈছিল, আৰু ই বিশ্বৰ বুৰ্জোৱা শ্ৰেণীবপৰা সম্ভাব্য সকলো প্ৰকাৰৰ সাহায্য-সমৰ্থন -- প্ৰত্যক্ষ আৰু পৰোক্ষ, বৈষয়িক (মন্ত্ৰীসভাত বিভিন্ন পদ, পাৰপত্ৰ, সংবাদপত্ৰ) আৰু মতাদৰ্শগত — লাভ কৰিছিল।

প্ৰত্যেক দেশৰ কমিউনিষ্টসকলৰ কাৰণে এতিয়া একান্ত প্ৰয়োজন হ'ল সুবিধাবাদ আৰু 'বামপন্থী' মতান্ধতাৰ বিৰুদ্ধে সংগ্ৰামৰ মৌলিক লক্ষ্যসমূহক আৰু প্ৰত্যেক দেশত ইয়াৰ অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি আৰু জাতিগত গঠনবিন্যাস (আয়াৰ্লেণ্ড প্ৰভৃতি), ইয়াৰ উপনিবেশ, ধৰ্মীয় বিভাজন ইত্যাদিৰ লগত সঙ্গতি ৰাখি এই সংগ্ৰামে যিবোৰ **সুনিৰ্দিষ্ট বৈশিষ্ট্য** অৰ্জন কৰে আৰু অনিবাৰ্য্যভাৱেই কৰিব তাক সম্পূৰ্ণ সচেতনভাৱে বিবেচনা কৰা। দ্বিতীয় আন্তৰ্জাতিক সম্পৰ্কে অসন্তুষ্টি সৰ্বত্ৰ অনুভূত হৈছে আৰু ব্যাপ্ত আৰু বৃদ্ধি হৈছে - অকল ইয়াৰ সুবিধাবাদৰ কাৰণেই নহয়, তাৰ লগে লগে এক বিশ্ব-জোৰা ছোভিয়েত প্ৰজাতন্ত্ৰৰ কাৰণে সংগ্ৰামত বিপ্লৱী প্ৰলিতাৰিয়েতৰ আন্তৰ্জাতিক কৰ্মকৌশল পৰিচালনাত সক্ষম তেনে এক প্ৰকৃততেই কেন্দ্ৰীভূত আৰু প্ৰকৃততেই নেতৃস্থানীয় কেন্দ্ৰ সৃষ্টি কৰিবলৈ উক্ত আন্তৰ্জাতিকৰ অক্ষমতা কিম্বা অযোগ্যতাৰ কাৰণেও। এনেকুৱা এটা নেতৃত্বদায়ক কেন্দ্ৰ যে সংগ্ৰামৰ গতানুগতিক, যান্ত্ৰিকভাৱে সমানীকৃত আৰু অভিন্ন কৰ্মকৌশলগত নিয়মৰ ওপৰত কেতিয়াও গঢ় তুলিব নোৱাৰি সেই কথা স্পষ্টভাৱে উপলব্ধি কৰিব লাগিব। যেতিয়ালৈকে জাতি আৰু দেশবোৰৰ মাজত জাতিগত আৰু ৰাষ্ট্ৰগত প্ৰভেদ থাকিব - আৰু এইবিলাকৰ অস্তিত্ব বহুত বহুত দিনলৈকে থাকিবও, আনকি বিশ্ব-জোৰা পৰিসৰত প্ৰলিতাৰিয়েতৰ একনায়কত্ব প্ৰতিষ্ঠিত হোৱাৰ পাছতো — তেতিয়ালৈকে সমস্ত দেশত কমিউনিষ্ট শ্ৰমিক-শ্ৰেণীৰ আন্দোলনৰ আন্তৰ্জাতিক কৰ্মকৌশলৰ ঐক্যই বৈচিত্ৰ্য নিশ্চিহ্নকৰণ নাইবা জাতিগত প্ৰভেদ দমন দাবী নকৰে (বৰ্তমানে ই অলীক স্বপ্ন মাথোন), বৰং দাবী কৰে কমিউনিজমৰ **মৌলিক** নীতিবোৰৰ (ছোভিয়েত ক্ষমতা আৰু প্ৰলিতাৰিয়েতৰ একনায়কত্ব) প্ৰয়োগ, যি এই নীতিবোৰক গোটাচেৰেক **নিৰ্দিষ্ট বিষয়ত নিৰ্ভুলকৈ পৰিমাৰ্জিত কৰিব,** জাতীয় তথা জাতিগত-ৰাষ্ট্ৰগত বৈশিষ্ট্যবোৰৰ লগত সঠিকভাৱে খাপ খুৱাব আৰু প্ৰয়োগ কৰিব। শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ মাজত সুবিধাবাদ আৰু বামপন্থী মতান্ধতাৰ বিৰুদ্ধে জয়লাভ, বুৰ্জোৱা শ্ৰেণীৰ উচ্ছেদ, ছোভিয়েত প্ৰজাতন্ত্ৰ আৰু প্ৰলিতাৰীয় একনায়কত্ব প্ৰতিষ্ঠা — এই **একেটি** আন্তৰ্জাতিক কৰ্তব্য প্ৰতিখন দেশে যি

নিৰ্দিষ্ট পদ্ধতিত সম্পন্ন কৰিব লাগিব তাৰ মাজত থকা জাতীয়ভাবে বিশেষ ধৰণৰ আৰু জাতীয়ভাৱে বৈশিষ্ট্যপূৰ্ণ বিষয়টোক বিচাৰি উলিওৱা, সযতনে পৰীক্ষা কৰা, আগতীয়াকৈ ধাৰণা কৰা আৰু উপলব্ধি কৰা — এয়াই হ'ল সকলো অগ্ৰসৰ দেশে (আৰু সিবোৰেই অকলে নহয়) অতিবাহিত কৰা এই ঐতিহাসিক কালছোৱাৰ ভিতৰত মূল কৰ্তব্য।

১৯২০ চনৰ এপ্ৰিল-মে' মাহত লিখা

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ২১-২৩ আৰু
৯০-৯২

## ভাৰতীয় বৈপ্লৱিক সমিতিৰ উদ্দেশ্যে [১৮০]

মই এই কথা জানিব পাৰি নথৈ সন্তোষ পাইছোঁ যে শ্ৰমিক-কৃষক প্ৰজাতন্ত্ৰৰ দ্বাৰা ঘোষিত আত্মনিয়ন্ত্ৰণৰ নীতি আৰু বিদেশী তথা স্বদেশী পুঁজিপতিবিলাকৰ শোষণৰপৰা নিপীড়িত জাতিসমূহৰ মুক্তিৰ নীতিয়ে স্বাধীনতাৰ কাৰণে বীৰত্বপূৰ্ণ সংগ্ৰাম চলাই যোৱা প্ৰগতিশীল ভাৰতীয়সকলৰ মাজত অতি দ্ৰুত সঁহাৰি জগাইছে। ৰুছিয়াৰ মেহনতী জনসাধাৰণে অবিচল মনোযোগেৰে ভাৰতীয় শ্ৰমিক আৰু কৃষক বাইজৰ জাগৰণ লক্ষ্য কৰিছে। শ্ৰমজীৱী জনসাধাৰণৰ সংগঠন আৰু শৃংখলা আৰু তেওঁলোকৰ অধ্যৱসায় আৰু পৃথিৱীৰ মেহনতী জনসাধাৰণৰ লগত সংহতি হৈছে চূড়ান্ত সাফল্যৰ নিশ্চিতি। আমি মুছলমান আৰু অ-মুছলমানসকলৰ মাজত ঘনিষ্ঠ মৈত্ৰী-বন্ধনক স্বাগত জনাওঁ। এই মৈত্ৰী-সহযোগিতা প্ৰাচ্যৰ সকলো মেহনতী জনসাধাৰণৰ মাজত যাতে প্ৰসাৰিত হয়, তাকেই আমি আন্তৰিকতাৰে কামনা কৰোঁ। কেৱল যেতিয়া ভাৰতীয়, চীনা, কোৰীয়, জাপানী, পাৰ্চীয় আৰু তুৰ্কী শ্ৰমিক-কৃষক জনসাধাৰণে হাতত হাত মিলাই মুক্তিৰ উমৈহতীয়া আদৰ্শত একেলগে আগুৱাই যাব — কেৱল তেতিয়াহে শোষকহ'তৰ বিৰুদ্ধে চূড়ান্ত বিজয় সুনিশ্চিত হ'ব। মুক্ত এছিয়া দীৰ্ঘজীৱী হওক!

১৯২০ চনৰ ২০ মে'ত 'প্ৰাভদা'
আৰু 'ইজভেস্তিয়া' কাকতত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ১০৮

## জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নাৱলীৰ সম্পৰ্কত প্ৰাথমিক খচৰা থিছিছ [১৮৪]

### (কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছৰ বাবে)

কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছত আলোচনাৰ কাৰণে জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নাৱলীৰ সম্পৰ্কত নিম্নলিখিত খচৰা থিছিছ উত্থাপন কৰি মই কমৰেডসকলক, বিশেষকৈ অতি জটিল এইবোৰ প্ৰশ্নৰ যিকোনোটিৰ বিষয়ে যিসকলৰ সুনিৰ্দিষ্ট তথ্যাদিৰ জ্ঞান আছে সেইসকলক অনুৰোধ জনাব খোজোঁ, যাতে তেওঁলোকে নিজৰ নিজৰ মতামত, সংশোধন, সংযোজন আৰু সুনিৰ্দিষ্ট মন্তব্য অতি সংক্ষিপ্ত আকাৰত (দুই-তিনি পৃষ্ঠাৰ বেছি নহয়) মোক জনায়, বিশেষকৈ তলত উল্লেখ কৰা বিষয়বিলাকৰ সম্পৰ্কত:

অষ্ট্ৰিয়াৰ অভিজ্ঞতা;<br>
পোলিছ-ইহুদী আৰু ইউক্ৰেনীয় অভিজ্ঞতা;<br>
আলছেচ-লৰেন আৰু বেলজিয়াম;<br>
আয়াৰ্লেণ্ড;<br>
ডেনমাৰ্ক-জাৰ্মান, ইটালীয়-ফৰাচী আৰু ইটালীয়-স্লাভ সম্পৰ্ক;<br>
বলকান অভিজ্ঞতা;<br>
প্ৰাচ্যৰ জাতিসমূহ;<br>
নিখিল-ইছলামবাদৰ [১৮৫] বিৰুদ্ধে সংগ্ৰাম;<br>
ককেছাছত জাতি-সম্পৰ্ক;<br>
বাস্কিৰ আৰু তাতাৰ প্ৰজাতন্ত্ৰ;<br>
কিৰ্ঘিজিয়া;<br>
তুৰ্কেস্তান, ইয়াৰ অভিজ্ঞতা;<br>
আমেৰিকাত নিগ্ৰোসকল;<br>
উপনিৱেশবিলাক;<br>
চীন-কোৰিয়া-জাপান।

৫ জুন, ১৯২০ চন

এন. লেনিন

১) সাধাৰণভাৱে সমতা আৰু বিশেষভাৱে জাতিগত সমতাৰ সমস্যাটোৰ বিমূৰ্ত অথবা আনুষ্ঠানিক উপস্থাপন বুৰ্জোৱা গণতন্ত্ৰৰ নিজস্ব প্ৰকৃতিতেই

দেখা যায়। সাধাৰণভাৱে ব্যক্তি-মানুহৰ সমতাৰ ছদ্মবেশত বুর্জোৱা গণতন্ত্রই সম্পত্তি-মালিক আৰু প্ৰলিতাৰীয়সকলৰ, শোষক আৰু শোষিতৰ আনুষ্ঠানিক অথবা আইনসঙ্গত সমতাৰ কথা ঘোষণা কৰে আৰু ইয়াৰ দ্বাৰা নিপীড়িত শ্ৰেণীবোৰক স্থূলভাৱে প্ৰতাৰিত কৰে। সকলো মানুহেই সম্পূৰ্ণ সমান বুলি এই অজুহাতত বুর্জোৱা শ্ৰেণীয়ে পণ্য-উৎপাদনৰ ক্ষেত্ৰত সম্পৰ্কৰেই প্ৰতিফলন সেই সমতাৰ ধাৰণাটোক শ্ৰেণীসমূহৰ উচ্ছেদৰ বিৰুদ্ধে সংগ্ৰামত এপাত অস্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। সমতাৰ দাবীটোৰ প্ৰকৃত অৰ্থ হ'ল শ্ৰেণীসমূহৰ বিলুপ্তিৰ দাবী।

২) বুর্জোৱা গণতন্ত্ৰৰ বিৰুদ্ধে যুঁজ কৰাৰ আৰু ইয়াৰ জাল-জুৱাচুৰি আৰু ভণ্ডামিৰ স্বৰূপ উদ্ঘাটনৰ মূল কৰ্তব্যৰ লগত সংগতি ৰাখি বুর্জোৱা শাসনৰ শৃংখলি ছিঙি পেলোৱাৰ কাৰণে প্ৰলিতাৰীয় সংগ্ৰামৰ অঙ্গীকাৰবদ্ধ যোদ্ধা হিচাপে কমিউনিষ্ট পাৰ্টিয়ে জাতীয় প্ৰশ্নৰ ক্ষেত্ৰতো বিমূৰ্ত অথবা আনুষ্ঠানিক নীতিৰ ভিত্তিত নহয়, বৰং প্ৰথমতঃ, নিৰ্দিষ্ট ঐতিহাসিক পৰিস্থিতিৰ আৰু প্ৰধানতঃ অৰ্থনৈতিক অৱস্থাৰ যথাযথ মূল্যায়নৰ ভিত্তিত ইয়াৰ নীতি প্ৰণয়ন কৰিব লাগিব; দ্বিতীয়তঃ, নিপীড়িত শ্ৰেণীবোৰৰ, শ্ৰমজীৱী আৰু শোষিত জনসাধাৰণৰ স্বাৰ্থ, আৰু সামগ্ৰিকভাৱে জাতীয় স্বাৰ্থৰ সাধাৰণ ধাৰণা যাৰ অন্তৰ্ভুক্ত শাসক শ্ৰেণীৰ স্বাৰ্থ তাৰ মাজত এক সুস্পষ্ট প্ৰভেদ-নিৰ্ণয়ৰ ভিত্তিত; তৃতীয়তঃ, নিপীড়িত, পৰাধীন আৰু শাসিত জাতিবোৰ আৰু নিপীড়নকাৰী, শোষক আৰু সাৰ্বভৌম জাতিবোৰৰ মাজত সমানে সুস্পষ্ট প্ৰভেদ-নিৰ্ণয়ৰ ভিত্তিত প্ৰণয়ন কৰিব লাগিব, যাতে বুর্জোৱা-গণতান্ত্ৰিক যি মিছা প্ৰচাৰে বিত্তীয় পুঁজি আৰু সাম্ৰাজ্যবাদৰ যুগৰ বৈশিষ্ট্যসূচক অতি চহকী আৰু অগ্ৰসৰ পুঁজিবাদী দেশসমূহৰ নগণ্য সংখ্যালঘুৰ হাতত পৃথিৱীৰ বিপুল সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ এই ঔপনিৱেশিক আৰু আৰ্থিক দাসত্ব-বন্ধনক লঘুকৈ দেখুৱায় তাক বাধা দিয়া যায়।

৩) বিখ্যাত 'পশ্চিমী গণতন্ত্ৰবিলাকৰ' ভাৰ্ছাই চুক্তি [১৮৬] যে জাৰ্মান ইউংকাৰ আৰু কাইজাৰৰ ব্ৰেস্ত-লিতোভস্ক চুক্তিৰ [১৮৭] তুলনাত দুৰ্বল জাতিবোৰৰ বিৰুদ্ধে আনকি বহুত বেছি বৰ্বৰ আৰু জঘন্য হিংসাত্মক কাৰ্য্য, সেই কথা বাস্তৱত দেখুৱাই ১৯১৪-১৯১৮ চনৰ সাম্ৰাজ্যবাদী যুদ্ধই সকলো জাতি আৰু সমগ্ৰ পৃথিৱীৰ নিপীড়িত শ্ৰেণীবোৰৰ আগত বুর্জোৱা-গণতান্ত্ৰিক বৰ-কথাৰ জাল-জুৱাচুৰি অত্যন্ত স্পষ্টভাৱে প্ৰকাশ কৰি দিছে। জাতি-সংঘ আৰু আঁতাত গোষ্ঠীৰ সমগ্ৰ যুদ্ধোত্তৰ কৰ্মনীতিয়ে এই সত্যক

অধিক পৰিস্কাৰ আৰু নিৰ্দিষ্টভাৱে প্ৰকাশ কৰিছে। সেইবোৰে সৰ্বত্ৰ অগ্ৰসৰ দেশসমূহত প্ৰলিতাৰিয়েতৰ আৰু ঔপনিৱেশিক তথা পৰাধীন দেশবিলাকত মেহনতী জনসাধাৰণৰ বৈপ্লৱিক সংগ্ৰামক তীব্ৰতৰ কৰি তুলিছে। পুঁজিবাদৰ অধীনত জাতিসমূহে শান্তিৰে আৰু সমানাধিকাৰেৰে একেলগে বসবাস কৰিব পাৰে বুলি এই পেটি-বুৰ্জোৱা জাতীয়তাবাদী মায়া-মোহ দ্ৰুতভাৱে ভঙ্গ কৰাত সেইবোৰে অৰিহণা যোগায়।

৪) এইবিলাক মূল সূত্ৰৰপৰা এই সিদ্ধান্তলৈ অহা যায় যে জাতীয় আৰু ঔপনিৱেশিক প্ৰশ্নাৱলী সম্পৰ্কে কমিউনিষ্ট আন্তৰ্জাতিকৰ সমগ্ৰ কৰ্মনীতি প্ৰধানতঃ জমিদাৰ আৰু বুৰ্জোৱাবিলাকৰ উচ্ছেদ সাধনাৰ্থে যুটীয়া বৈপ্লৱিক সংগ্ৰামৰ কাৰণে সকলো জাতি আৰু দেশৰ প্ৰলিতাৰীয় আৰু শ্ৰমজীৱী জনসাধাৰণৰ ঘনিষ্ঠ মিলনৰ ভিত্তিত প্ৰতিষ্ঠিত হোৱা উচিত। এই মিলনেই মাথোন পুঁজিবাদৰ বিৰুদ্ধে জয়লাভৰ নিশ্চিতি দিব, ইয়াৰ অবিহনে জাতীয় উৎপীড়ন আৰু অসাম্য বিলুপ্ত কৰা অসম্ভৱ।

৫) বৰ্তমানে পৃথিৱীৰ ৰাজনৈতিক পৰিস্থিতিয়ে প্ৰলিতাৰিয়েতৰ একনায়কত্বক আশু কৰ্তব্যৰ ভিতৰত স্থান দিছে। বিশ্বৰ ৰাজনৈতিক ঘটনাৱলীৰ বিকাশ অনিবাৰ্যভাৱেই এটি কেন্দ্ৰ-বিন্দুত ঘনীভূত হৈছে — ছোভিয়েত ৰুছ প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে বিশ্ব বুৰ্জোৱা শ্ৰেণীৰ সংগ্ৰাম; এই প্ৰজাতন্ত্ৰক কেন্দ্ৰ কৰি অৱশ্যম্ভাৱীৰূপেই এফালে সমস্ত দেশত অগ্ৰসৰ শ্ৰমিকসকলৰ ছোভিয়েত আন্দোলনবিলাক আৰু আনফালে উপনিৱেশবোৰত আৰু নিপীড়িত জাতি-অধিজাতিবোৰৰ মাজত সমস্ত জাতীয় মুক্তি আন্দোলনবিলাক দলবদ্ধভাৱে থূপ খাইছে; সিবিলাকে তিক্ত অভিজ্ঞতাৰ মাজেৰে বুজিব পাৰিছে যে বিশ্ব সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ছোভিয়েত ব্যৱস্থাৰ বিজয়ৰ মাজতেই সিবিলাকৰ মুক্তিৰ একমাত্ৰ উপায় নিহিত।

৬) এতেকে, বিভিন্ন জাতিৰ মেহনতী জনসাধাৰণৰ মাজত ঘনিষ্ঠতৰ মিলনৰ প্ৰয়োজনীয়তা কেৱল স্বীকাৰ কৰা কিম্বা ঘোষণা কৰাৰ মাজতেই আজি নিজক সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি; এনে এটা নীতি অৱশ্যেই অনুসৰণ কৰিব লাগিব যি নীতিয়ে ছোভিয়েত ৰুছিয়াৰ লগত সকলো জাতীয় আৰু ঔপনিৱেশিক মুক্তি আন্দোলনৰ অতি ঘনিষ্ঠ মিত্ৰতা অৰ্জন কৰিব। এই মৈত্ৰী-বন্ধনৰ ৰূপ নিৰ্দ্ধাৰিত হ'ব লাগিব প্ৰত্যেক দেশৰ প্ৰলিতাৰিয়েতৰ মাজত কমিউনিষ্ট আন্দোলনৰ, কিম্বা পশ্চাৎপদ দেশসমূহত বা পিছ পৰা জাতিসমূহৰ মাজত শ্ৰমিক আৰু কৃষকসকলৰ বুৰ্জোৱা-গণতান্ত্ৰিক মুক্তি আন্দোলনৰ বিকাশৰ মাত্ৰা অনুসৰি।

৭) ফেডাৰেছন (যুক্তৰাজ্য) হ'ল বিভিন্ন জাতিৰ শ্ৰমজীৱী জনসাধাৰণৰ পূৰ্ণ ঐক্যত উপনীত হোৱাৰ এটি উত্তৰণমূলক ৰূপ। এই ফেডাৰেছনৰ সম্ভাৱ্যতা ৰুছ ফেডাৰেছন আৰু অন্যান্য ছোভিয়েত প্ৰজাতন্ত্ৰৰ (অতীতত হাঙ্গেৰীয়, ফিনিছ আৰু লাৎভীয় [১৮৮] আৰু বৰ্তমানে আজেৰবাইজান আৰু ইউক্ৰেনীয়) মাজৰ সম্পৰ্কৰ যোগেদি, আৰু আগেয়ে ৰাষ্ট্ৰসত্তা কিম্বা স্বশাসন কোনোটোকেই ভোগ কৰিবলৈ নোপোৱা জাতি-অধিজাতিৰ বিষয়ত (যেনে, ৰুছ ফেডাৰেছনৰ মাজত যথাক্ৰমে ১৯১৯ আৰু ১৯২০ চনত স্থাপিত বাস্কিৰ আৰু তাতাৰ স্বশাসিত প্ৰজাতন্ত্ৰ) ৰুছ ফেডাৰেছনৰ ভিতৰত সম্পৰ্কৰ যোগেদি ইতিমধ্যে কাৰ্য্যক্ষেত্ৰত দেখিবলৈ পোৱা গৈছে।

৮) এই ক্ষেত্ৰত কমিউনিষ্ট আন্তৰ্জাতিকৰ কাম হ'ল ছোভিয়েত ব্যৱস্থা আৰু ছোভিয়েত আন্দোলনৰ ভিত্তিত মূৰ দাঙি উঠা এই নতুন ফেডাৰেছনবোৰক অধিক বিকশিত কৰি তোলা আৰু তাৰ লগতে অভিজ্ঞতাৰ মাজেৰে সিবোৰক অধ্যয়ন আৰু পৰীক্ষা কৰা। ফেডাৰেছন যে পৰিপূৰ্ণ ঐক্যত উপনীত হোৱাৰ এটি উত্তৰণমূলক ৰূপ সেই কথা স্বীকাৰ কৰিবলৈ যাওঁতে প্ৰথমতঃ, এই কথা মনত ৰাখি ক্ৰমবৰ্দ্ধমান ঘনিষ্ঠ ফেডাৰেল ঐক্যৰ কাৰণে চেষ্টা কৰা প্ৰয়োজন যে, সমগ্ৰ বিশ্বৰ সাম্ৰাজ্যবাদী শক্তিবোৰৰ দ্বাৰা --- যিবোৰ সামৰিক দৃষ্টিকোণৰপৰা অপৰিমেয়ভাৱে বেছি শক্তিশালী --- পৰিবেষ্টিত ছোভিয়েত প্ৰজাতন্ত্ৰসমূহ হয়তো ঘনিষ্ঠতম মৈত্ৰী-বন্ধনৰ অবিহনে তিষ্ঠি থাকিব নোৱাৰিব; দ্বিতীয়তঃ, ছোভিয়েত প্ৰজাতন্ত্ৰবিলাকৰ মাজত ঘনিষ্ঠ অৰ্থনৈতিক মৈত্ৰী-সহযোগিতা প্ৰয়োজন, নহলে সাম্ৰাজ্যবাদৰ দ্বাৰা বিধ্বস্ত উৎপাদিকা শক্তিবোৰ পুনৰুদ্ধাৰ কৰিব নোৱাৰি আৰু মেহনতী জনসাধাৰণৰ মঙ্গলসাধনো সুনিশ্চিত কৰিব পৰা নাযাব; তৃতীয়তঃ, এক অখণ্ড সমগ্ৰ হিচাপে আৰু এক অভিন্ন পৰিকল্পনা অনুযায়ী সকলো জাতিৰ প্ৰলিতাৰিয়েতৰ দ্বাৰা নিয়ন্ত্ৰিত একেটি মাথোন বিশ্ব অৰ্থনীতি সৃষ্টিৰ দিশে এটা প্ৰৱণতা আছে। এই প্ৰৱণতা পুঁজিবাদৰ অধীনতেই যথেষ্ট স্পষ্টৰূপে প্ৰকাশিত হৈছে আৰু সমাজতন্ত্ৰত অধিক বিকশিত হ'বলৈ আৰু পূৰ্ণতা লাভ কৰিবলৈ বাধ্য।

৯) ৰাষ্ট্ৰৰ অভ্যন্তৰত বিভিন্ন সম্পৰ্কৰ ক্ষেত্ৰত কমিউনিষ্ট আন্তৰ্জাতিকৰ জাতীয় নীতিক জাতিসমূহৰ সমতাৰ সামান্য, আনুষ্ঠানিক, কেৱল মৌখিক আৰু প্ৰকৃততে প্ৰতিশ্ৰুতিশূন্য স্বীকৃতিৰ মাজত সীমাবদ্ধ ৰাখিব নোৱাৰি; বুৰ্জোৱা গণতন্ত্ৰীসকলে অৱশ্যে কেৱল সেইকণৰ মাজতে নিজক সীমাবদ্ধ ৰাখে — যিসকলে খোলাখুলিকৈ বুৰ্জোৱা গণতন্ত্ৰী বুলি স্বীকাৰ কৰে

আৰু যিসকল সমাজতন্ত্ৰী নামধাৰী (দ্বিতীয় আন্তৰ্জাতিকৰ সমাজতন্ত্ৰীসকলৰ দৰে) উভয় দলেই।

সংসদৰ ভিতৰে-বাহিৰে তেওঁলোকৰ সমস্ত প্ৰচাৰ আৰু আন্দোলনত কমিউনিষ্ট পাৰ্টিসমূহে, সকলো পুঁজিবাদী দেশত সিবিলাকৰ 'গণতান্ত্ৰিক' সংবিধান সত্ত্বেও জাতিসমূহৰ সমতাৰ আৰু জাতীয় সংখ্যালঘুসকলৰ নিশ্চিত অধিকাৰৰ যি অবিৰাম উলঙ্ঘন দেখিবলৈ পোৱা যায় তাৰ স্বৰূপ অৱশ্যেই সুসংগতভাৱে উম্ঘাটন কৰি দিব লাগিব। ইয়াৰ বাহিৰেও প্ৰয়োজন হ'ল, প্ৰথমতঃ এই কথা অনৱৰতে ব্যাখ্যা কৰা যে একমাত্ৰ ছোভিয়েত ব্যৱস্থাইহে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰামত প্ৰথমতে প্ৰলিতাৰীয়সকলৰ আৰু তাৰ পাছত মেহনতী জনতাৰ সমগ্ৰ অংশক ঐক্যবদ্ধ কৰি জাতিসমূহৰ প্ৰকৃত সমতা নিশ্চিত কৰিব পাৰে; আৰু দ্বিতীয়তঃ, সকলো কমিউনিষ্ট পাৰ্টিয়ে পৰাধীন আৰু সুবিধা-বঞ্চিত জাতিসমূহক মাজত (যেনে, আয়াৰ্লেণ্ড, আমেৰিকান নিগ্ৰো প্ৰভৃতি) আৰু উপনিৱেশবোৰত বৈপ্লৱিক আন্দোলনক প্ৰত্যক্ষ সাহায্য দিয়া উচিত।

এই শেষোক্ত চৰ্তটোৰ অবিহনে, যিটো বিশেষভাৱে গুৰুত্বপূৰ্ণ, পৰাধীন জাতিবোৰ আৰু উপনিৱেশবোৰৰ ওপৰত নিপীড়নৰ বিৰুদ্ধে সংগ্ৰাম, আৰু সিবোৰৰ বিচ্ছিন্ন হোৱাৰ অধিকাৰৰ স্বীকৃতি এখন ভুৱা ছাইনবৰ্ড মাথোন, যাৰ প্ৰমাণ দিছে দ্বিতীয় আন্তৰ্জাতিকৰ পাৰ্টিসমূহে।

১০) কথাৰে আন্তৰ্জাতিকতাবাদক স্বীকাৰ কৰা আৰু কাৰ্য্যক্ষেত্ৰত সমস্ত প্ৰচাৰ, আন্দোলন আৰু ব্যৱহাৰিক কৰ্মত পেটি-বুৰ্জোৱা জাতীয়তাবাদ আৰু শান্তিসৰ্বস্ববাদেৰে তাক প্ৰতিস্থাপিত কৰা অতি সাধাৰণ ঘটনা, এয়া অকল দ্বিতীয় আন্তৰ্জাতিকৰ পাৰ্টিবোৰৰ মাজতেই নহয়, যিবিলাক তাৰপৰা ওলাই আহিছে সেইবোৰৰ মাজতো, আৰু সততে আনকি এতিয়া যিবিলাকে নিজক কমিউনিষ্ট বুলি অভিহিত কৰে সেই পাৰ্টিবিলাকৰ মাজতো। প্ৰলিতাৰিয়েতৰ একনায়কত্বক এটা জাতীয় একনায়কত্বৰপৰা (অৰ্থাৎ, এখন মাত্ৰ দেশত থকা আৰু বিশ্ব ৰাজনীতি নিৰ্দ্ধাৰণত অক্ষম) এটা আন্তৰ্জাতিক একনায়কত্বত (অৰ্থাৎ, অন্ততঃ খনচেৰেক অগ্ৰসৰ দেশ জুৰি প্ৰলিতাৰিয়েতৰ একনায়কত্ব, আৰু যি সামগ্ৰিকভাৱে বিশ্ব ৰাজনীতিৰ ওপৰত নিৰ্ণায়ক প্ৰভাৱ বিস্তাৰ কৰাত সক্ষম) পৰিণত কৰাৰ কৰ্তব্যৰ ক্ৰমবৰ্দ্ধমান জৰুৰী আৱশ্যকতাৰ লগে লগে সেই অশুভ আচৰণৰ বিৰুদ্ধে সংগ্ৰাম, অতি গভীৰভাৱেলৈকে শিপোৱা পেটি-বুৰ্জোৱা জাতীয় সংস্কাৰৰ বিৰুদ্ধে সংগ্ৰামৰ দ্ৰুত আৱশ্যকতা ক্ৰমশঃ বিশালতৰ হৈ উঠিছে। জাতিসমূহৰ সমতাৰ মাত্ৰ

স্বীকৃতি আৰু তাতোকৈ বেছি একো নহয় — ইয়াকেই পেটি-বুর্জোৱা জাতীয়তাবাদে আন্তর্জাতিকতাবাদ বুলি ঘোষণা কৰে। এই স্বীকৃতি যে কেৱল মৌখিক সেই কথাৰ বাহিৰেও, পেটি-বুর্জোৱা জাতীয়তাবাদে জাতীয় স্বার্থপৰতাক অক্ষুণ্ণ কৰি ৰাখে, আনহাতে প্ৰলিতাৰীয় আন্তর্জাতিকতাবাদে প্ৰথমতঃ দাবী কৰে যে, যিকোনো এখন দেশত প্ৰলিতাৰীয় সংগ্ৰামৰ স্বাৰ্থক বিশ্ব-জোৰা পৰিসৰত সেই সংগ্ৰামৰ স্বাৰ্থাধীন কৰিব লাগিব, আৰু দ্বিতীয়তঃ, বুর্জোৱা শ্ৰেণীৰ বিৰুদ্ধে জয়লাভ কৰা এটা জাতি অৱশ্যেই আন্তর্জাতিক পুঁজিৰ উচ্ছেদৰ কাৰণে সৰ্বাধিক জাতীয় ত্যাগ-স্বীকাৰ কৰিবলৈ সক্ষম আৰু ইচ্ছুক হ'ব লাগিব।

গতিকে, যিবিলাক দেশ ইতিমধ্যে সম্পূৰ্ণৰূপে পুঁজিবাদী আৰু য'ত প্ৰলিতাৰিয়েতৰ আগৰণুৱা বাহিনী হিচাপে প্ৰকৃততে কাম কৰা শ্ৰমিকসকলৰ পাৰ্টি আছে, সেইবোৰ দেশত আন্তর্জাতিকতাবাদৰ প্ৰত্যয় আৰু কৰ্মনীতিৰ সুবিধাবাদী তথা পেটি-বুর্জোৱা শান্তিবাদী বিকৃতিৰ বিৰুদ্ধে সংগ্ৰাম হৈছে এটা প্ৰধান আৰু অত্যাৱশ্যকীয় কৰ্তব্য।

১১) য'ত সামন্ততান্ত্ৰিক কিম্বা পিতৃতান্ত্ৰিক-কৃষক সম্পৰ্কবোৰৰ প্ৰাধান্য বিদ্যমান, তেনেকুৱা অধিক পশ্চাৎপদ ৰাষ্ট্ৰ আৰু জাতিবিলাকৰ ক্ষেত্ৰত এই কথাবোৰ মনত ৰখাটো বিশেষকৈ গুৰুত্বপূৰ্ণ:

প্ৰথমতে, সকলো কমিউনিষ্ট পাৰ্টিয়েই এইবিলাক দেশত বুর্জোৱা-গণতান্ত্ৰিক মুক্তি আন্দোলনক সহায় কৰিব লাগিব, আৰু এই পশ্চাৎপদ জাতিটো উপনিৱেশ হিচাপে নাইবা আৰ্থিকভাৱে যিখন দেশৰ ওপৰত নিৰ্ভৰশীল সেই দেশৰ শ্ৰমিকসকলৰ ওপৰতেই অতি সক্ৰিয় সেই সাহায্য দানৰ কৰ্তব্য প্ৰধানকৈ আহি পৰে।

দ্বিতীয়তে, পশ্চাৎপদ দেশবোৰত যাজক সম্প্ৰদায় আৰু অন্যান্য প্ৰতিপত্তিশালী প্ৰতিক্ৰিয়াশীল আৰু মধ্যযুগীয় শক্তিৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰয়োজনীয়তা;

তৃতীয়তে, নিখিল-ইছলামবাদ আৰু তেনে ধৰণৰ যিবোৰ প্ৰৱণতাই খান, ভূস্বামী, মোল্লা প্ৰভৃতিৰ অৱস্থানক শক্তিশালী কৰাৰ প্ৰচেষ্টাৰে ইউৰোপীয় আৰু আমেৰিকান সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মুক্তি আন্দোলনক যুক্ত কৰাৰ চেষ্টা কৰে তাৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ আৱশ্যকতা;*

চতুৰ্থতে, পশ্চাৎপদ দেশবোৰত জমিদাৰবিলাকৰ বিৰুদ্ধে, বৃহৎ ভূসম্পত্তিৰ

* লেনিনে প্ৰুফত ২ আৰু ৩ নম্বৰৰ কাষত যুগ্ম বন্ধনী চিহ্ন দি লিখিছিল: '২ আৰু ৩ একেলগ কৰা হওক'। — সম্পাঃ

মালিকানাৰ বিৰুদ্ধে আৰু সামন্ততন্ত্ৰৰ সকলো লক্ষণ আৰু অৱশেষৰ বিৰুদ্ধে কৃষক আন্দোলনলৈ বিশেষ সমৰ্থন আগ বঢ়োৱাৰ প্ৰয়োজনীয়তা আৰু পশ্চিম ইউৰোপীয় কমিউনিষ্ট প্ৰলিতাৰিয়েত আৰু প্ৰাচ্যত, উপনিৱেশত তথা সাধাৰণভাৱে পিছ পৰা দেশবোৰত বৈপ্লৱিক কৃষক আন্দোলনৰ মাজত সম্ভাব্য ঘনিষ্ঠতম মৈত্ৰী-সহযোগিতা স্থাপন কৰাৰ মাজেৰে কৃষক আন্দোলনক সবাতোকৈ বৈপ্লৱিক চৰিত্ৰ প্ৰদান কৰিবলৈ চেষ্টা কৰাৰ প্ৰয়োজনীয়তা। যিবিলাক দেশত প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ প্ৰাধান্য আছে তাত ছোভিয়েত ব্যৱস্থাৰ মৌলিক নীতিবোৰ — 'মেহনতী ৰাইজৰ ছোভিয়েত' ইত্যাদি গঠন কৰাৰে যোগেদি — প্ৰয়োগ কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰাটো বিশেষভাৱে প্ৰয়োজন;

পঞ্চমতে, পশ্চাৎপদ দেশবোৰত বুৰ্জোৱা-গণতান্ত্ৰিক মুক্তিৰ প্ৰৱণতাবোৰক কমিউনিষ্ট ৰহণ সনাৰ চেষ্টাৰ বিৰুদ্ধে দৃঢ়প্ৰতিজ্ঞ সংগ্ৰামৰ প্ৰয়োজনীয়তা; কমিউনিষ্ট আন্তৰ্জাতিকে ঔপনিৱেশিক আৰু পশ্চাৎপদ দেশবিলাকত বুৰ্জোৱা-গণতান্ত্ৰিক জাতীয় আন্দোলনক সমৰ্থন কৰিব লাগিব কেৱল এই চৰ্তত যে এইবোৰ দেশত, যিবিলাক অকল নামতেই কমিউনিষ্ট নহ'ব, ভৱিষ্যতৰ তেনেবোৰ প্ৰলিতাৰীয় পাৰ্টিৰ উপাদানবিলাক একত্ৰিত হ'ব আৰু সিবিলাকৰ বিশেষ কৰ্তব্য, অৰ্থাৎ সিবিলাকৰ নিজৰ নিজৰ জাতিৰ ভিতৰত বুৰ্জোৱা-গণতান্ত্ৰিক আন্দোলনৰ বিৰুদ্ধে সংগ্ৰামৰ কৰ্তব্যবোৰ বুজিবলৈ প্ৰশিক্ষিত হ'ব। কমিউনিষ্ট আন্তৰ্জাতিকে অৱশ্যেই ঔপনিৱেশিক আৰু পশ্চাৎপদ দেশবোৰত বুৰ্জোৱা গণতন্ত্ৰৰ লগত সাময়িক মৈত্ৰী-বন্ধনৰ মাজত প্ৰবেশ কৰিব লাগিব, কিন্তু তাৰ লগত বিলীন হৈ যাব নালাগিব, আৰু সকলো অৱস্থাতেই প্ৰলিতাৰীয় আন্দোলনৰ স্বাতন্ত্ৰ্যক উৰ্দ্ধত তুলি ধৰিব লাগিব, আনকি ই যদি একেবাৰে অংকুৰ অৱস্থাত থাকে তেনেহলেও;

ষষ্ঠতঃ, সাম্ৰাজ্যবাদী শক্তিবোৰে প্ৰণালীবদ্ধভাৱে চলাই যোৱা ঠগ-প্ৰৱঞ্চনাৰ বিষয়ে সকলো দেশৰ, বিশেষকৈ পিছ পৰা দেশবিলাকৰ ব্যাপকতম শ্ৰমজীৱী জনসাধাৰণৰ মাজত অনৱৰতে ব্যাখ্যা কৰা আৰু সেইবোৰৰ মুখা খুলি দিয়া প্ৰয়োজন; এই সাম্ৰাজ্যবাদী শক্তিবোৰে ৰাজনৈতিকভাৱে স্বাধীন ৰাষ্ট্ৰৰ ছদ্মবেশত এনেবোৰ ৰাষ্ট্ৰ গঠন কৰিবলৈ ধৰে যিবোৰ অৰ্থনৈতিকভাৱে, আৰ্থিকভাৱে আৰু সামৰিকভাৱে সিবিলাকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। বৰ্তমানৰ আন্তৰ্জাতিক পৰিস্থিতিত ছোভিয়েত প্ৰজাতন্ত্ৰসমূহৰ এক সম্মিলনৰ মাজলৈ অহাৰ বাহিৰে পৰাধীন আৰু দুৰ্বল জাতিবোৰৰ মুক্তি নাই।

১২) ঔপনিবেশিক আৰু দুৰ্বল জাতি-অধিজাতিবোৰৰ ওপৰত সাম্ৰাজ্যবাদী শক্তিবোৰৰ যুগ-জোৰা সুদীৰ্ঘ নিপীড়নৰ ফলত উৎপীড়িত দেশবিলাকৰ শ্ৰমজীৱী জনসাধাৰণৰ মনেই যে কেৱল নিপীড়নকাৰী জাতিবোৰৰ প্ৰতি বিদ্বেষেৰে ভৰি উঠিছে এনে নহয়, সাধাৰণভাৱে এই জাতিবোৰৰ প্ৰতিও, আনকি সিবিলাকৰ প্ৰলিতাৰিয়েতৰ প্ৰতিও অবিশ্বাসৰ ভাব জাগি উঠিছে। 'নিজৰ নিজৰ' বুৰ্জোৱা শ্ৰেণীৰ উপনিবেশবোৰক দমন-নিপীড়ন কৰাৰ আৰু আৰ্থিকভাৱে নিৰ্ভৰশীল দেশবোৰক ঠগাই শোষণ কৰাৰ 'অধিকাৰ'-ৰক্ষাক গোপন কৰিবলৈ সামাজিক-জাতিদম্ভবাদী আৱৰণ হিচাপে যেতিয়া 'স্বদেশ ৰক্ষাৰ' ধ্বনি ব্যৱহৃত হৈছিল তেতিয়াৰ সেই ১৯১৪-১৯১৯ চনত এই প্ৰলিতাৰিয়েতৰ চৰকাৰী নেতাসকলৰ সৰহভাগবেই সমাজতন্ত্ৰৰ প্ৰতি যি ঘৃণ্য বিশ্বাসঘাতকতা সিয়েই এই সম্পূৰ্ণৰূপে বৈধ অবিশ্বাস বঢ়াই তুলিবলৈ বাধ্য কৰিছিল। আনহাতে, এখন দেশ যিমানে বেছি পশ্চাৎপদ অৱস্থাত থাকে, তাত ক্ষুদ্ৰায়তন কৃষি উৎপাদন, পিতৃতান্ত্ৰিকতা আৰু বিচ্ছিন্নতাৰ প্ৰভাৱ সিমানে বেছি কটকটীয়া হয়, ই অনিবাৰ্যৰূপেই গভীৰতম পেটি-বুৰ্জোৱা পূৰ্বসংস্কাৰবোৰক অৰ্থাৎ জাতীয় অহমিকা আৰু জাতীয় সংকীৰ্ণমনস্কতাক বিশেষ শক্তি আৰু আসক্তি প্ৰদান কৰে। এই পূৰ্বসংস্কাৰবোৰ অতি লাহে লাহে জহি-খহি যাবলৈ বাধ্য, কাৰণ অগ্ৰসৰ দেশবোৰত সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ কেৱল বিলুপ্ত হোৱাৰ পাছতেই আৰু পশ্চাৎপদ দেশবোৰৰ অৰ্থনৈতিক জীৱনৰ সমগ্ৰ ভিত্তি আমূলভাৱে পৰিৱৰ্তিত হোৱাৰ পাছতেই মাথোন সেইবোৰ সংস্কাৰ নিঃশেষ হ'ব পাৰে। গতিকেই সকলো দেশৰ শ্ৰেণী-সচেতন কমিউনিষ্ট প্ৰলিতাৰিয়েতৰ কৰ্তব্য হ'ল যিবিলাক দেশত আৰু যিবোৰ জাতি-অধিজাতিৰ মাজত সুদীৰ্ঘ কাল ধৰি নিপীড়ন চলিছে তাত জাতীয় মনোবৃত্তিৰ অৱশিষ্টবোৰ বিশেষ সতৰ্কতাৰে আৰু মনোযোগেৰে গণ্য কৰা; এই অবিশ্বাস আৰু এইবোৰ পূৰ্বসংস্কাৰ অধিক দ্ৰুতভাৱে অতিক্ৰম কৰাৰ উদ্দেশ্যে গোটাচেৰেক ৰেহাই-দানৰ কথাটোও সমানে প্ৰয়োজন। যেতিয়ালৈকে সমগ্ৰ পৃথিৱী জুৰি সকলো দেশ আৰু জাতিৰ প্ৰলিতাৰিয়েতে আৰু ইয়াক অনুসৰণ কৰি মেহনতী জনসাধাৰণৰ ব্যাপক অংশই স্বেচ্ছামূলকভাৱে মৈত্ৰী আৰু ঐক্যৰ কাৰণে দৃঢ়তাৰে চেষ্টা নচলায় তেতিয়ালৈকে পুঁজিবাদৰ বিৰুদ্ধে পূৰ্ণ বিজয় অৰ্জিত হ'ব নোৱাৰে।

১৯২০ চনৰ জুন-জুলাইত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ১৪৪-১৫১

## ‘কমিউনিষ্ট আন্তৰ্জাতিকত প্ৰৱেশৰ বিভিন্ন চৰ্ত’ ৰচনাৰপৰা

১০। যিবোৰ দেশৰ বুৰ্জোৱা শ্ৰেণীয়ে উপনিৱেশবিলাক দখলত ৰাখে আৰু অন্যান্য জাতিৰ ওপৰত নিপীড়ন চলায় সেইবোৰ দেশত পাৰ্টিসমূহে উপনিৱেশ আৰু নিপীড়িত জাতিসমূহৰ বিষয়ত অৱশ্যেই এটা অতি সুনিৰ্দ্ধাৰিত আৰু সুস্পষ্ট নীতি অনুসৰণ কৰিব লাগিব। তৃতীয় আন্তৰ্জাতিকত যোগ দিবলৈ বিচৰা যিকোনো পাৰ্টিয়ে ইয়াৰ ‘নিজৰ’ দেশৰ সাম্ৰাজ্যবাদীহঁতৰ ঔপনিৱেশিক চক্ৰান্তৰ মুখা নিৰ্মমভাৱে খুলি দিব লাগিব; প্ৰত্যেকটো ঔপনিৱেশিক মুক্তি আন্দোলনক কেৱল কথাৰে নহয়, বৰং কামৰ মাজেৰে অৱশ্যেই সমৰ্থন কৰিব লাগিব; উপনিৱেশবিলাকৰপৰা ইয়াৰ স্বদেশীয় সাম্ৰাজ্যবাদীহঁতৰ বহিষ্কাৰ দাবী কৰিব লাগিব; ইয়াৰ নিজৰ দেশৰ শ্ৰমিকসকলৰ মনত উপনিৱেশবিলাকৰ আৰু নিপীড়িত জাতিবিলাকৰ শ্ৰমজীৱী জনসাধাৰণৰ লগত প্ৰকৃত ভ্ৰাতৃত্বৰ মনোভাৱ জগাই তুলিব লাগিব আৰু ঔপনিৱেশিক জাতিবোৰৰ ওপৰত সকলো প্ৰকাৰৰ নিপীড়নৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীৰ মাজত প্ৰণালীবদ্ধ প্ৰচাৰ-আন্দোলন চলাব লাগিব।

১৯২০ চনৰ ২০ জুনত
‘কমিউনিষ্ট আন্তৰ্জাতিক’ কাকতৰ
১২ নং সংখ্যাত প্ৰকাশিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ২০৯

## কমিউনিস্ট আন্তর্জাতিকৰ দ্বিতীয় কংগ্ৰেছ
## ১৯ জুলাই — ৭ আগস্ট, ১৯২০ চন

### 'আন্তর্জাতিক পৰিস্থিতি আৰু কমিউনিস্ট আন্তর্জাতিকৰ মূল কর্তব্য সম্পৰ্কে প্ৰতিবেদন'-ৰপৰা, ১৯ জুলাই

কমৰেডসকল, সামৰণিত মই বিষয়টোৰ আন এটি দিশ সম্পৰ্কে আলোচনা কৰিম। আমাৰ কমৰেড চেয়াৰমেনে কৈছে যে আমাৰ কংগ্ৰেছ এখন বিশ্ব কংগ্ৰেছ নামৰ যোগ্য। মোৰ বোধেৰে তেওঁ ঠিকেই কৈছে, বিশেষকৈ এই কাৰণে যে ইয়াত আমাৰ মাজত ঔপনিৱেশিক আৰু পশ্চাৎপদ দেশসমূহৰ বৈপ্লৱিক আন্দোলনৰ ভালেমান প্ৰতিনিধি আছে। এয়া মাত্ৰ ক্ষুদ্ৰ আৰম্ভণিহে, কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল আৰম্ভণি ঘটোৱা হৈছে। এই কংগ্ৰেছত আমি এটা মিলন ঘটা দেখিবলৈ পাইছোঁ -- পুঁজিবাদী, অগ্ৰসৰ দেশবোৰৰ বিপ্লৱী প্ৰলিতাৰীয়সকল আৰু যিবোৰ দেশত প্ৰলিতাৰিয়েত নাই কিম্বা প্ৰায় নাই বুলিয়েই কব পাৰি তাৰ বিপ্লৱী জনসাধৰণৰ অৰ্থাৎ ঔপনিৱেশিক, প্ৰাচ্যৰ দেশসমূহৰ নিপীড়িত জনসাধাৰণৰ মাজত মিলন। আমাৰ ওপৰতেই ঐক্যৰ দৃঢ়ীকৰণ নিৰ্ভৰ কৰে, আৰু ইয়াক আমি অৰ্জন কৰিব পাৰিম বুলি মই নিশ্চিত। পেটি-বুৰ্জোৱা শক্তিবোৰৰ ফালৰপৰা প্ৰতিৰোধ আৰু শ্ৰমিক-অভিজাতসকলৰ ক্ষুদ্ৰ ওপৰ থলপাৰ প্ৰভাৱ অতিক্ৰম কৰি প্ৰত্যেক দেশত শোষিত আৰু নিপীড়িত শ্ৰমিকসকলৰ বৈপ্লৱিক আক্ৰমণ যেতিয়া এই পৰ্যন্ত ইতিহাসৰ সীমাৰ বাহিৰত থকা আৰু ইতিহাসৰ কেৱল লক্ষ্যবস্তু হিচাপে পৰিগণিত কোটি কোটি মানুহৰ বৈপ্লৱিক আক্ৰমণৰ লগত একেলগে মিহলি হৈ যাব, তেতিয়াহে বিশ্ব সাম্ৰাজ্যবাদৰ পতন ঘটিব।

সাম্ৰাজ্যবাদী যুদ্ধই বিপ্লৱক সাহায্য কৰিছে: বুৰ্জোৱা শ্ৰেণীয়ে এই সাম্ৰাজ্যবাদী যুদ্ধৰ কাৰণে উপনিৱেশবোৰৰপৰা, পশ্চাৎপদ দেশবোৰৰপৰা আৰু নিজে য'ত বিচ্ছিন্ন অৱস্থাত থাকে তাৰপৰা সৈনা সংগ্ৰহ কৰিছিল। ভাৰতৰপৰা অহা সৈন্যসকলক ব্ৰিটিছ বুৰ্জোৱা শ্ৰেণীয়ে বুজাইছিল যে ভাৰতীয় কৃষকসকলৰ কৰ্তব্য হ'ল জাৰ্মানিৰ বিৰুদ্ধে গ্ৰেট ব্ৰিটেইনক ৰক্ষা কৰা; ফৰাচী উপনিৱেশবোৰৰপৰা অহা সৈনিকসকলক ফৰাচী বুৰ্জোৱাই বুজাইছিল যে ফ্ৰান্সক ৰক্ষা কৰাটোৱেই তেওঁলোকৰ কৰ্তব্য। তেওঁলোকে সেই সকলোকে অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ শিকাইছিল, এয়া অতি হিতকৰ কাম অৱশ্যে, যাৰ কাৰণে আমি বুৰ্জোৱা শ্ৰেণীৰ ওচৰত আমাৰ গভীৰ কৃতজ্ঞতা

প্ৰকাশ কৰিব পাৰোঁ — আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিব পাৰোঁ সমগ্ৰ বহু শ্ৰমিক-কৃষকৰ পক্ষৰপৰা, বিশেষকৈ সমস্ত ৰুছ লাল ফৌজৰ পক্ষৰপৰা। সাম্ৰাজ্যবাদী যুদ্ধই পৰাধীন জাতিসমূহক বিশ্ব ইতিহাসৰ মাজলৈ টানি আনিছে। আৰু সেয়ে এতিয়া আমাৰ সন্মুখত অন্যতম অতি গুৰুত্বপূৰ্ণ কৰ্তব্য হ'ল অ-পুঁজিবাদী দেশসমূহৰ বহুক্ষেত্ৰত কেনেকৈ ছোভিয়েত আন্দোলনৰ সংগঠনৰ আধাৰ-শিলা স্থাপন কৰা যায় সেই কথা বিবেচনা কৰা। তাত ছোভিয়েতবিলাক সম্ভৱ; সেইবিলাক শ্ৰমিকসকলৰ ছোভিয়েত নহ'ব, হ'ব বৰঞ্চ কৃষকসকলৰ ছোভিয়েত অথবা মেহনতী ৰাইজৰ ছোভিয়েত।

বহুত কাম কৰিব লাগিব; ভুল-ত্ৰুটীও অনিবাৰ্য্যভাৱেই হ'ব; এই পথত ভালেমান বাধা-বিঘিনিয়েও দেখা দিব। দ্বিতীয় কংগ্ৰেছৰ মূল কৰ্তব্য হ'ল এনেবোৰ ব্যৱহাৰিক নীতি সঠিকভাৱে বিস্তৃত কৰা কিম্বা নিৰ্দেশ কৰা, যাৰ ফলত এতিয়ালৈকে কোটি কোটি মানুহৰ মাজত অসংগঠিত ধৰণে চলি অহা কামটো সংগঠিত, সুসংগত আৰু প্ৰণালীবদ্ধ ৰীতিৰে সম্পাদন কৰা সম্ভৱ হৈ পৰিব।

আজি, কমিউনিষ্ট আন্তৰ্জাতিকৰ প্ৰথম কংগ্ৰেছৰ এবছৰ কিম্বা তাতোকৈ অলপ বেছি দিনৰ পাছত আমি দ্বিতীয় আন্তৰ্জাতিকৰ বিৰুদ্ধে বিজয়ী হিচাপে ওলাই আহিছোঁ। সভ্য দেশসমূহৰ শ্ৰমিকসকলৰ মাজতেই যে কেৱল ছোভিয়েতসমূহৰ ধ্যান-ধাৰণা বিয়পি পৰিছে এনে নহয়; অকল তেওঁলোকৰ বাবেই যে সেইবোৰ জ্ঞাত আৰু বোধগম্য হৈছে এনে নহয়। সকলো দেশৰ শ্ৰমিকসকলে সেই পণ্ডিত মূৰ্খসকলক বিদ্ৰূপ কৰিছে, যিসকলৰ বহুতেই আকৌ নিজক সমাজতন্ত্ৰী বুলি জাহিৰ কৰে আৰু জাৰ্মান প্ৰণালীবাদীসকলে যাক ছোভিয়েত-'প্ৰণালী' বুলি কবলৈ ভাল পায় কিম্বা ব্ৰিটিছ 'গিল্ড' ছচিয়েলিষ্টসকলে [১৮৯] যাক ছোভিয়েত-'ধাৰণা' বোলে সেই সম্পৰ্কে বিদগ্ধ নাইবা প্ৰায়-বিদগ্ধ ভঙ্গীৰে তৰ্ক-বিতৰ্ক কৰে। সততে ছোভিয়েত 'প্ৰণালী' কিম্বা 'ধাৰণা' সম্পৰ্কে এইবোৰ যুক্তি-তৰ্কই শ্ৰমিকসকলৰ দৃষ্টি আৰু মন ধুঁৱলী-কুঁৱলী কৰি পেলায়। কিন্তু শ্ৰমিকসকলে এই বিদ্যাভিমানী নিৰৰ্থক আৱৰ্জনা সাৰি-মচি আঁতৰাই পেলাইছে আৰু ছোভিয়েতসমূহে যোগোৱা অস্ত্ৰকেই ধাৰণ কৰিছে। ছোভিয়েতবিলাকৰ ভূমিকা আৰু তাৎপৰ্য্যৰ স্বীকৃতি এতিয়া প্ৰাচ্যৰ দেশবোৰলৈকো বিস্তৃত হৈ পৰিছে।

সমগ্ৰ প্ৰাচ্য জুৰি, গোটেই এছিয়া জুৰি, সমস্ত ঔপনিৱেশিক জাতিৰ মাজত ছোভিয়েত আন্দোলনৰ কাৰণে ভিত্তি প্ৰতিষ্ঠা কৰা হৈছে।

শোষকসকলৰ বিৰুদ্ধে শোষিতসকল জাগি উঠিব লাগিব আৰু তেওঁলোকে নিজৰ ছোভিয়েতবিলাক প্ৰতিষ্ঠা কৰিব লাগিব – এই প্ৰতিপাদ্য বিষয়টো অতি জটিল ধৰণৰ একো নহয়। আমাৰ অভিজ্ঞতাৰ পাছত, ৰুছিয়াত ছোভিয়েত প্ৰজাতন্ত্ৰৰ অস্তিত্বৰ আঢৈ বছৰৰ পাছত আৰু তৃতীয় আন্তৰ্জাতিকৰ প্ৰথম কংগ্ৰেছৰ পাছত সদৌ পৃথিৱী জুৰি শোষকসকলৰ দ্বাৰা নিপীড়িত-নিষ্পেষিত কোটি কোটি মানুহৰ বাবে উক্ত প্ৰত্যয় সুগম হৈ পৰিছে। ৰুছিয়াত আমি আপোচ কৰিবলৈ, সুযোগৰ বাবে বাট চাবলৈ সততে বাধ্য হওঁ, কাৰণ আন্তৰ্জাতিক সাম্ৰাজ্যবাদীবোৰতকৈ আমি দুৰ্বল, তথাপি জানোঁ যে এই এশ পঁচিছ কোটি জনতাৰ স্বাৰ্থ আমি ৰক্ষা কৰিছোঁ। সম্প্ৰতি আমাৰ কাম-কাজত বিভিন্ন অন্তৰায়, পূৰ্বসংস্কাৰ আৰু অজ্ঞতাই বিধি-পথালি দিছে, পাৰ হৈ যোৱা প্ৰতিটো ঘণ্টাৰ লগে লগে সেইবোৰ অতীতৰ বুকুত বিলীন হৈ গৈছে; কিন্তু আমি ক্ৰমশঃ বেছিকৈ পৃথিৱীৰ জনসংখ্যাৰ এই ৭০ শতাংশৰ, এই শ্ৰমজীৱী আৰু শোষিত জনসমষ্টিৰ প্ৰতিনিধি আৰু প্ৰকৃত ৰক্ষক হৈ পৰিছোঁ। আমি সগৰ্বে কব পাৰোঁ: প্ৰথম কংগ্ৰেছত কাৰ্য্যতঃ আমি আছিলোঁ মাত্ৰ প্ৰচাৰকাৰী; আমি তেতিয়া পৃথিৱীৰ প্ৰলিতাৰিয়েতৰ মাজত কেৱল মৌলিক ধ্যান-ধাৰণাবোৰ বিয়পাই দিছিলোঁ; আমি কেৱল সংগ্ৰামৰ আহ্বানেই জনাইছিলোঁ; আমি মাথোন সুধি ফুৰিছিলোঁ -- এই পথ গ্ৰহণ কৰিবলৈ সক্ষম সেই লোকসকল ক'ত। আজি সৰ্বত্ৰ আমাৰ লগত আছে অগ্ৰগামী প্ৰলিতাৰিয়েত। সকলো ঠাইতেই আছে এক প্ৰলিতাৰীয় বাহিনী, যদিও কোনোবা সময়ত ই হয়তো ভালদৰে সংগঠিত নহয় আৰু ইয়াক পুনৰ সংগঠিত কৰাৰ প্ৰয়োজন হৈ উঠে। সকলো দেশতে আমাৰ কমৰেডসকলে যদি এতিয়া এটি ঐক্যবদ্ধ বাহিনী সংগঠিত কৰাত আমাক সাহায্য কৰে, তেনেহলে কোনো ত্ৰুটী-বিচ্যুতিয়েই আমাৰ কৰ্তব্য সম্পাদনৰপৰা আমাক বিৰত কৰিব নোৱাৰিব। সেই কৰ্তব্য হৈছে বিশ্ব প্ৰলিতাৰীয় বিপ্লব, এক বিশ্ব ছোভিয়েত প্ৰজাতন্ত্ৰৰ সৃষ্টি। (সুদীৰ্ঘ কৰতালি।)

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ২৩২-২৩৪

# জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নাৱলী সম্পৰ্কিত আয়োগৰ প্ৰতিবেদন, ২৬ জুলাই, ১৯২০

কমৰেডসকল, মই সংক্ষিপ্ত এটি ভূমিকাৰ মাজতেই নিজক সীমাবদ্ধ ৰাখিম, ইয়াৰ পাছত আমাৰ আয়োগৰ সম্পাদক কমৰেড মাৰিঙে এই থিছিছত আমি পৰিৱৰ্তন কৰা সকলোখিনিৰ বিতং বিৱৰণ দাঙি ধৰিব। তাৰ পাছত কমৰেড ৰায়ে ক'ব, তেওঁ পৰিপূৰক থিছিছখন প্ৰস্তুত কৰিছে। সংশোধিত আকাৰত প্ৰাথমিক থিছিছ আৰু পৰিপূৰক থিছিছ, দুয়োখনকেই আমাৰ আয়োগে সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰিছে। এনেদৰেই আমি সকলো প্ৰধান প্ৰধান বিষয়ত সম্পূৰ্ণে একমত হৈছোঁ। এতিয়া মই থোৰেতে কেইটিমান মন্তব্য কৰোঁ।

প্ৰথমতঃ, আমাৰ থিছিছৰ অন্তৰ্নিহিত প্ৰধান ধাৰণাটো কি? নিপীড়িত আৰু নিপীড়নকাৰী জাতিবোৰৰ মাজত প্ৰভেদ? দ্বিতীয় আন্তৰ্জাতিক আৰু বুৰ্জোৱা গণতন্ত্ৰই যিটো নকৰে আমি সেইটো কৰোঁ, অৰ্থাৎ এই প্ৰভেদৰ ওপৰত আমি গুৰুত্ব আৰোপ কৰোঁ। সাম্ৰাজ্যবাদৰ যুগত, সমস্ত ঔপনিৱেশিক আৰু জাতীয় সমস্যাৰ ক্ষেত্ৰত সুনিৰ্দিষ্ট অৰ্থনৈতিক তথ্যাদি প্ৰতিষ্ঠা কৰা, আৰু বিমূৰ্ত স্বীকাৰ্য্য বিষয়ৰপৰা নহয়, বৰং সুনিৰ্দিষ্ট বাস্তৱতাৰপৰা অগ্ৰসৰ হোৱাটো প্ৰলিতাৰিয়েত আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ পক্ষে বিশেষভাৱে গুৰুত্বপূৰ্ণ।

সাম্ৰাজ্যবাদৰ চাৰিত্ৰিক লক্ষণ যিভাৱে আজি আমি দেখিবলৈ পাওঁ সেয়া হ'ল, গোটেই পৃথিৱীত বিৰাট সংখ্যক নিপীড়িত জাতি আৰু নিচেই নগণ্য সংখ্যক নিপীড়নকাৰী জাতিত বিভক্ত হৈ যোৱা, য'ত শেষোক্ত এই উৎপীড়নকাৰীবোৰৰ হাতত থাকে বিপুল ধন-সম্পদ আৰু শক্তিশালী সশস্ত্ৰ বাহিনী। বিশ্বৰ জনসমষ্টিৰ বিৰাট সংখ্যাগৰিষ্ঠ অংশ, এশ কোটিতকৈ অধিক, পৃথিৱীৰ মুঠ জনসংখ্যা ১৭৫ কোটি বুলি ধৰি ললে সেয়া হয়তো ১২৫ কোটি মানুহ, আন কথাত ক'বলৈ

গলে বিশ্বৰ জনসংখ্যাৰ প্ৰায় ৭০ শতাংশই নিপীড়িত জাতিসমূহৰ অন্তৰ্ভুক্ত: এইবোৰ হয় প্ৰত্যক্ষ ঔপনিৱেশিক পৰাধীনতাৰ অৱস্থাত আছে, নহলেবা অৰ্দ্ধ-উপনিৱেশ, যেনে পাৰস্য, তুৰস্ক আৰু চীন, আৰু নতুবা কোনো বৃহৎ সাম্ৰাজ্যবাদী শক্তিৰ হাতত পৰাস্ত হৈ শান্তি চুক্তিৰ বলত সেই শক্তিৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল হৈ পৰিছে। পাৰ্থক্যকৰণৰ, জাতিবোৰক নিপীড়নকাৰী আৰু নিপীড়িতৰ মাজত বিভক্ত কৰাৰ এই ধাৰণাটো থিছিছৰ মাজত পৰিব্যাপ্ত আছে, কেৱল মোৰ স্বাক্ষৰেৰে সৈতে আগতে প্ৰকাশিত হোৱা প্ৰথম থিছিছৰ মাজতেই নহয়, কমৰেড ৰায়ৰ দ্বাৰা উত্থাপিত থিছিছবোৰৰ মাজতো আছে। শেষোক্তবিলাক প্ৰধানকৈ ব্ৰিটেইনৰ দ্বাৰা নিপীড়িত ভাৰত আৰু অন্যান্য বৃহৎ এছীয় দেশৰ পৰিস্থিতিৰ দৃষ্টিকোণৰপৰা ৰচিত হৈছিল। ইয়াতেই আমাৰ কাৰণে সেই-বোৰৰ বিৰাট গুৰুত্ব নিহিত।

আমাৰ থিছিছবিলাকত দ্বিতীয় মূল ধাৰণাটো হ'ল এই যে সাম্ৰাজ্যবাদী যুদ্ধৰ পাছত বৰ্তমানৰ বিশ্ব পৰিস্থিতিত জাতিসমূহ আৰু সামগ্ৰিকভাৱে বিশ্ব ৰাজনৈতিক ব্যৱস্থাৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্দ্ধাৰিত হয় ছোভিয়েত ৰুছিয়াৰ নেতৃত্বত ছোভিয়েত আন্দোলন আৰু ছোভিয়েত ৰাষ্ট্ৰবোৰৰ বিৰুদ্ধে সাম্ৰাজ্যবাদী জাতিবোৰৰ এটা ক্ষুদ্ৰ গোষ্ঠীয়ে চলোৱা সংগ্ৰামৰ দ্বাৰা। এই কথা মনত নাৰাখিলে এটাও জাতীয় অথবা ঔপনিৱেশিক সমস্যা আমি সঠিকভাৱে উপস্থিত কৰিব নোৱাৰিম, আনকি ই যদি পৃথিৱীৰ একেবাৰে আওহতীয়া এটি অংশ সম্পৰ্কীয়ও হয়, তেনেহলেও। সভ্য আৰু পশ্চাৎপদ উভয় প্ৰকাৰৰ দেশতেই কমিউনিষ্ট পাৰ্টিবিলাকে যদি এই স্বীকাৰ্য্য বিষয়টোক তেওঁলোকৰ যাত্ৰা-স্থল কৰে, কেৱল তেতিয়াহে ৰাজনৈতিক সমস্যাৱলী নিৰ্ভুলভাৱে উপস্থিত কৰিব আৰু সমাধান কৰিব পাৰে।

তৃতীয়তে, মই পশ্চাৎপদ দেশসমূহত বুৰ্জোৱা-গণতান্ত্ৰিক আন্দোলনৰ প্ৰশ্নটিত বিশেষভাৱে গুৰুত্ব দিব খোজোঁ। এই প্ৰশ্নটোৱে কিছু পৰিমাণে মত-পাৰ্থক্য সৃষ্টি কৰিছে। কমিউনিষ্ট আন্তৰ্জাতিকে আৰু কমিউনিষ্ট পাৰ্টিবোৰে পশ্চাৎপদ দেশবোৰৰ বুৰ্জোৱা-গণতান্ত্ৰিক আন্দোলনক অৱশ্যেই সমৰ্থন কৰিব লাগিব বুলি নীতিগতভাৱে আৰু তত্ত্বগতভাৱে এই কথা কোৱাটো শুদ্ধ হ'ব নে ভুল হ'ব, সেই বিষয়ে আমি আলচ কৰিছোঁ। আমাৰ আলোচনাৰ ফলস্বৰূপে আমি 'বুৰ্জোৱা-গণতান্ত্ৰিক' আন্দোলনৰ কথা নকৈ বৰং জাতীয়-বৈপ্লৱিক আন্দোলনৰ কথা ক'বলৈকে সৰ্বসম্মতভাৱে সিদ্ধান্তত

উপনীত হৈছোঁ। কোনো সন্দেহ নাই যে যিকোনো জাতীয় আন্দোলন কেৱল এক বুর্জোৱা-গণতান্ত্রিক আন্দোলনহে হ'ব পাৰে, কাৰণ পশ্চাৎপদ দেশবোৰত জনসাধাৰণৰ বিপুল সংখ্যাগৰিষ্ঠ অংশ হ'ল কৃষক, যিসকল বুর্জোৱা-পুঁজিপতি সম্পৰ্কৰ প্ৰতিনিধি। এইবোৰ পশ্চাৎপদ দেশত প্ৰলিতাৰীয় পাৰ্টিবোৰে — প্ৰকৃততে যদি তাত সেইবোৰে আত্মপ্ৰকাশ কৰিব পাৰে — কৃষক আন্দোলনৰ লগত নিৰ্দিষ্ট সম্পৰ্ক স্থাপন নকৰাকৈ আৰু ইয়াক কাৰ্যকৰী সাহায্য-সমৰ্থন নিদিয়াকৈ কমিউনিষ্ট কৰ্মকৌশল তথা কমিউনিষ্ট কৰ্মনীতি অনুসৰণ কৰিব পাৰে বুলি বিশ্বাস কৰাটো অৱশ্যে অবাস্তৱ ইউট'পীয় কল্পনাই হ'ব। কিন্তু আপত্তি তোলা হৈছে যে, আমি যদি বুর্জোৱা-গণতান্ত্রিক আন্দোলনৰ কথা কওঁ তেনেহলে আমি দেখোন সংস্কাৰবাদী আৰু বৈপ্লৱিক আন্দোলনৰ মাজৰ সকলো পাৰ্থক্য বিলুপ্ত কৰি পেলাম। অথচ এই প্ৰভেদ বৰ্তমানে পশ্চাৎপদ আৰু ঔপনিৱেশিক দেশবোৰত অতি স্পষ্টৰূপে প্ৰকাশ পাইছে, যিহেতু সাম্ৰাজ্যবাদী বুর্জোৱা শ্ৰেণীয়ে নিপীড়িত জাতিসমূহৰ মাজতো এটা সংস্কাৰবাদী আন্দোলন লগাই দিবলৈ তাৰ সাধ্যমতে সকলোখিনি কৰিছে। শোষক দেশবোৰৰ বুর্জোৱা শ্ৰেণী আৰু উপনিৱেশবোৰৰ বুর্জোৱা শ্ৰেণীৰ মাজত কিছু পৰিমাণে মিত্ৰতাৰ সম্পৰ্ক স্থাপিত হৈছে, ইয়াৰ ফলত প্ৰায়ে, হয়তোবা অধিকাংশ ক্ষেত্ৰতে, নিপীড়িত দেশবোৰৰ বুর্জোৱা শ্ৰেণীয়ে জাতীয় আন্দোলনক সমৰ্থন কৰিলেও সাম্ৰাজ্যবাদী বুর্জোৱা শ্ৰেণীৰে সৈতে সম্পূৰ্ণ সংগতি ৰাখি চলে, অৰ্থাৎ সমস্ত বৈপ্লৱিক আন্দোলনৰ আৰু বৈপ্লৱিক শ্ৰেণীৰ বিৰুদ্ধে তাৰ লগত একগোট হয়। আয়োগত এই কথা অখণ্ডনীয়ভাৱে প্ৰমাণিত হৈছে আৰু আমি ঠাৱৰ কৰিছোঁ যে একমাত্ৰ নিৰ্ভুল দৃষ্টিভঙ্গী হ'ল এই প্ৰভেদক গণ্য কৰা, আৰু প্ৰায় সকলো ক্ষেত্ৰতেই 'বুর্জোৱা-গণতান্ত্রিক' সংজ্ঞাটোৰ ঠাইত 'জাতীয় বৈপ্লৱিক' কথা ব্যৱহাৰ কৰা। এই পৰিৱৰ্তনৰ তাৎপৰ্য্য হৈছে এই যে উপনিৱেশবিলাকত বুর্জোৱা-মুক্তি আন্দোলনবোৰক আমি কমিউনিষ্ট হিচাপে একমাত্ৰ তেতিয়াহে সমৰ্থন কৰা উচিত আৰু সমৰ্থন কৰিমো যেতিয়া সেইবোৰ আন্দোলন প্ৰকৃততে বৈপ্লৱিক, আৰু যেতিয়া কৃষক সম্প্ৰদায় আৰু শোষিত জনতাক বৈপ্লৱিক চেতনাৰে শিক্ষিত আৰু সংগঠিত কৰাৰ কাৰণে আমাৰ কামত সেইবোৰৰ প্ৰৱৰ্তকসকলে অন্তৰায় সৃষ্টি নকৰে। এই অৱস্থাবোৰ যদি নাথাকে তেনেহলে এই দেশবোৰত কমিউনিষ্টসকলে সংস্কাৰবাদী বুর্জোৱা শ্ৰেণীৰ বিৰুদ্ধে যুঁজ কৰিব লাগিব; দ্বিতীয় আন্তৰ্জাতিকৰ নায়কসকলো এই শ্ৰেণীৰেই

অন্তৰ্ভুক্ত। ঔপনিবেশিক দেশবোৰত সংস্কাৰবাদী পাৰ্টিবিলাকৰ অস্তিত্বতো আছেই আৰু কোনো কোনো ক্ষেত্ৰত সিবিলাকৰ মুখপাত্ৰসকলে নিজকে ছচিয়েল-ডেমক্ৰেট আৰু সমাজতন্ত্ৰী বুলি অভিহিত কৰে। মই উল্লেখ কৰা প্ৰভেদটো আটাইকেইখন থিছিছতে কৰা হৈছে, ইয়াৰ ফলস্বৰূপে মোৰ বোধেৰে এতিয়া আমাৰ মতামত বহুত বেছি যথাযথভাৱে সূত্ৰায়িত হৈছে।

ইয়াৰ পাছত মই কৃষকসকলৰ ছোভিয়েতসমূহৰ বিষয়ে এটা মন্তব্য কৰিব খোজোঁ। জাৰতন্ত্ৰৰ প্ৰাক্তন উপনিবেশবোৰত, তুৰ্কিস্তান প্ৰভৃতিৰ দৰে পশ্চাৎপদ দেশবোৰত বহু কমিউনিষ্টসকলৰ বাস্তৱ কাৰ্য্যকলাপে আমাৰ সমুখত এই প্ৰশ্ন দাঙি ধৰিছে — প্ৰাক্-পুঁজিবাদী অৱস্থাত কমিউনিষ্ট কৰ্মকৌশল আৰু নীতি কেনেকৈ প্ৰয়োগ কৰা যায়? এইবোৰ দেশত প্ৰাক্-পুঁজিবাদী সম্পৰ্কৰ প্ৰাবল্য এতিয়াও প্ৰধান নিৰ্ণায়ক বিষয়, যাৰ ফলত এইবোৰত সম্পূৰ্ণে প্ৰলিতাৰীয় আন্দোলনৰ প্ৰশ্নই উঠিব নোৱাৰে। এই দেশবোৰত ক'বলৈ গলে কোনো ঔদ্যোগিক প্ৰলিতাৰিয়েত নাই। তথাচ, আমি তাতো আনকি নেতাৰ ভূমিকা গ্ৰহণ কৰিছোঁ, আমি গ্ৰহণ কৰিব লাগিবও। অভিজ্ঞতাৰপৰা আমি দেখিছোঁ যে এইবিলাক দেশত বিৰাট বিৰাট জটিলতা-অসুবিধা অতিক্ৰম কৰিব লাগিব। কিন্তু আমাৰ কামৰ ব্যৱহাৰিক ফলাফলে ইয়াকো দেখুৱাইছে যে এইবোৰ অসুবিধা সত্ত্বেও, আনকি য'ত কাৰ্যতঃ প্ৰলিতাৰিয়েতৰ কোনো অস্তিত্ব নাই তাতো জনসাধাৰণৰ মাজত স্বতন্ত্ৰ ৰাজনৈতিক চিন্তা আৰু স্বতন্ত্ৰ ৰাজনৈতিক কৰ্মতৎপৰতাৰ কাৰণে উদ্দীপনা জগাব পৰাৰ অৱস্থা আমাৰ আছে। এই কাম পশ্চিম-ইউৰোপীয় দেশসমূহত আমাৰ কমৰেডসকলৰ পক্ষে যিমান কঠিন হ'ব, তাতোকৈ বেছি কঠিন হৈ আছে আমাৰ পক্ষে; কাৰণ ৰুছিয়াত ৰাষ্ট্ৰীয় প্ৰশাসনৰ কামত প্ৰলিতাৰিয়েত সম্পূৰ্ণে নিয়োজিত। এই কথা সহজেই বুজা যাব যে আধা-সামন্ততান্ত্ৰিক পৰাধীনতাৰ অৱস্থাত বাস কৰা কৃষকসকলে ছোভিয়েত সংগঠনৰ ধাৰণাক সহজেই আত্মস্থ কৰিব আৰু কাৰ্যত পৰিণত কৰিব পাৰে। এই কথাও ফটফটীয়া যে অকল বণিকৰ পুঁজিৰ দ্বাৰাই নহয়, সামন্ততন্ত্ৰীবিলাকৰ দ্বাৰা আৰু সামন্ততন্ত্ৰৰ ভিত্তিত প্ৰতিষ্ঠিত ৰাষ্ট্ৰৰ দ্বাৰাও যিসকল শোষিত, সেই নিপীড়িত জনসাধাৰণে তেওঁলোকৰ অৱস্থাতো এই অস্ত্ৰ, এই ধৰণৰ সংগঠন প্ৰয়োগ কৰিব পাৰে। ছোভিয়েত সংগঠনৰ ধাৰণাটো সৰল, আৰু ই কেৱল প্ৰলিতাৰীয় ক্ষেত্ৰতেই নহয়, বৰং কৃষক সামন্ততান্ত্ৰিক আৰু অৰ্দ্ধ-সামন্ততান্ত্ৰিক সম্পৰ্কৰ ক্ষেত্ৰতো

প্ৰযোজ্য। এই বিষয়ত আমাৰ অভিজ্ঞতা এতিয়াও বৰ বেছি নাই। অৱশ্যে ঔপনিবেশিক দেশবোৰৰপৰা অহা ভালেমান প্ৰতিনিধিয়ে য'ত অংশ গ্ৰহণ কৰিছে সেই আয়োগত হোৱা বিতৰ্কই প্ৰত্যয়জনকভাৱে দেখুৱাই দিছে যে কমিউনিষ্ট আন্তৰ্জাতিকৰ থিছিছত আঙুলিয়াই দিয়া উচিত যে কৃষকসকলৰ ছোভিয়েতসমূহ, শোষিতসকলৰ ছোভিয়েতসমূহ হ'ল এপাত অস্ত্ৰ, এই অস্ত্ৰক অকল পুঁজিবাদী দেশবিলাকতেই নহয়, বৰং প্ৰাক্-পুঁজিবাদী সম্পৰ্কবে সেই দেশবোৰতো প্ৰয়োগ কৰিব পাৰি, আৰু কমিউনিষ্ট পাৰ্টিবিলাকৰ তথা কমিউনিষ্ট পাৰ্টি গঠন কৰিবলৈ প্ৰস্তুত সেই লোকসকলৰ পৰম কৰ্তব্য হ'ল সৰ্বত্ৰ কৃষকসকলৰ ছোভিয়েতসমূহৰ সপক্ষে অথবা শ্ৰমজীৱী জনসাধাৰণৰ ছোভিয়েতসমূহৰ [illegible]ক্ষে প্ৰচাৰ চলোৱা; বিষয়টোত পশ্চাৎপদ আৰু ঔপনিবেশিক দেশবোৰকো অন্তৰ্ভুক্ত কৰা। য'তেই অনুকূল অৱস্থা দেখা যায়, ত'তেই সিবিলাকে ততালিকে মেহনতী জনসাধাৰণৰ ছোভিয়েত গঠন কৰিবলৈ চেষ্টা কৰা উচিত।

ইয়াৰ ফলত আমাৰ ব্যৱহাৰিক কাৰ্য্যৰ পক্ষে অতি চিত্তাকৰ্ষক আৰু অত্যন্ত গুৰুত্বপূৰ্ণ এটি ক্ষেত্ৰ মুকলি হৈছে। এই বিষয়ত এতিয়ালৈকে আমাৰ ঘুটীয়া অভিজ্ঞতা খুব ব্যাপক হোৱা নাই এথোন, কিন্তু ক্ৰমশঃ অধিক পৰিমাণ তথ্য সঞ্চিত হ'ব। এই বিষয়ে কোনো সন্দেহ নাই যে অগ্ৰসৰ দেশবিলাকৰ প্ৰলিতাৰিয়েতে পশ্চাৎপদ দেশবোৰৰ মেহনতী জনসাধাৰণক সহায় কৰিব পাৰে আৰু সেই সাহায্য দিয়া উচিতো, আৰু পশ্চাৎপদ দেশবোৰ সিবোৰৰ বিকাশৰ বৰ্তমান স্তৰৰপৰা ওলাই আহিব পাৰে যেতিয়া ছোভিয়েত প্ৰজাতন্ত্ৰসমূহৰ বিজয়ী প্ৰলিতাৰিয়েতে এই জনসাধাৰণলৈ সাহায্যৰ হাত আগ বঢ়ায় আৰু তেওঁলোকক সমৰ্থন যোগোৱাৰ অৱস্থাত থাকে।

আয়োগত এই প্ৰশ্নটোৰ সন্দৰ্ভত অতি সজীৱ বিতৰ্ক হৈছে, অকল মোৰ স্বাক্ষৰিত থিছিছ সম্পৰ্কেই নহয়, কমৰেড ৰায়ৰ থিছিছ সম্পৰ্কেও, যাক তেওঁ ইয়াত প্ৰতিপাদন কৰিব, আৰু সেইবিলাকৰ বিষয়ে গোটাচেৰেক নিৰ্দিষ্ট সংশোধনীও সৰ্বসম্মতিক্ৰমে গৃহীত হৈছে।

প্ৰশ্নটো এনেদৰে তোলা হৈছিল: যিবোৰে বৰ্তমানে মুক্তিৰ পথত খোজ দিছে আৰু যুদ্ধৰ পাছৰপৰা যাৰ মাজত প্ৰগতিৰ পিনে অলপ অগ্ৰগতি লক্ষ্য কৰা গৈছে সেই পশ্চাৎপদ জাতিবোৰৰ পক্ষে অৰ্থনৈতিক বিকাশৰ পুঁজিবাদী স্তৰ অৱশ্যম্ভাৱী বোলা এই বক্তব্যটো আমি নিৰ্ভুল বুলি বিবেচনা কৰিম জানো? আমি নেতিবাচক উত্তৰ দিছিলোঁ। বিজয়ী

বিপ্লৱী প্ৰলিতাৰিয়েতে যদি সিবিলাকৰ মাজত প্ৰণালীবদ্ধ প্ৰচাৰ চলায়, আৰু ছোভিয়েত চৰকাৰবোৰে যদি নিজৰ হাতত থকা সকলো উপায়েৰে সিবিলাকক সহায় কৰিবলৈ আগ্ৰহাই আহে — তেনে অৱস্থাত পশ্চাৎপদ জাতিবোৰে অনিবাৰ্য্যভাৱেই বিকাশৰ পুঁজিবাদী স্তৰৰ মাজেদি যাবই লাগিব বুলি ধাৰণা কৰাটো ভুল হ'ব। আমি কেৱল উপনিৱেশবোৰত আৰু পশ্চাৎপদ দেশবোৰতেই যে স্বতন্ত্ৰ যোদ্ধাৰ বাহিনী আৰু পাৰ্টি সংগঠন গঢ়িব লাগিব এনে নহয়, কেৱল যে ততালিকেই কৃষকসকলৰ ছোভিয়েত সংগঠিত কৰাৰ বাবে প্ৰচাৰ চলাব লাগিব আৰু সেইবোৰক প্ৰাক্-পুঁজিবাদী অৱস্থাৰ লগত উপযোগী কৰাৰ প্ৰয়াস চলাব লাগিব সেয়াই মাথোন নহয়, লগতে কমিউনিষ্ট আন্তৰ্জাতিকে যথোপযুক্ত তত্ত্বগত ভিত্তিৰে সৈতে এই প্ৰতিপাদ্য উপস্থিত কৰিবও লাগিব যে অগ্ৰসৰ দেশসমূহৰ প্ৰলিতাৰিয়েতৰ সাহায্যৰে পশ্চাৎপদ দেশসমূহে পুঁজিবাদী স্তৰৰ মাজেদি নোযোৱাকৈও ছোভিয়েত ব্যৱস্থাৰ অভিমুখে আৰু বিকাশৰ গোটাচেৰেক স্তৰৰ মাজেদি সাম্যবাদৰ অভিমুখে যাব পাৰে।

ইয়াৰ কাৰণে প্ৰয়োজনীয় উপায়-উপকৰণ অৱশ্যে আগতীয়াকৈ নিৰ্দিষ্ট কৰি দিব নোৱাৰি। বাস্তৱ অভিজ্ঞতাৰপৰা এইবিলাক দেখা যাব। কিন্তু এই কথা নিশ্চিতভাৱে প্ৰতিপন্ন হৈছে যে ছোভিয়েতসমূহৰ প্ৰত্যয়টো অতি দূৰৰ আনকি আওহতীয়া জাতিবোৰৰ মেহনতী বাইজেও বুজি পাইছে, ছোভিয়েতবোৰক প্ৰাক্-পুঁজিবাদী সমাজ ব্যৱস্থাৰ উপযোগী কৰি লোৱা উচিত আৰু কমিউনিষ্ট পাৰ্টিবিলাকে অবিলম্বে পৃথিৱীৰ সকলো অংশত এই লক্ষ্যাভিমুখে কাম আৰম্ভ কৰা উচিত।

অকল নিজৰ দেশতেই নহয়, ঔপনিবেশিক দেশবোৰতো আৰু বিশেষকৈ ঔপনিৱেশিক জাতিবোৰক পদানত কৰি ৰখাৰ কাৰণে শোষক জাতিবোৰে নিযুক্ত কৰা সৈন্যদলবোৰৰ মাজতো কমিউনিষ্ট পাৰ্টিবিলাকৰ বৈপ্লৱিক কাৰ্য্যৰ গুৰুত্বৰ ওপৰত মই জোৰ দিব খোজোঁ।

ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ কমৰেড কোয়েলচে আমাৰ আয়োগত এই সম্পৰ্কে কৈছিল। তেওঁ কয় যে দাসত্বৰ বান্ধোনত থকা জাতিবিলাকক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সিবিলাকৰ অভ্যুত্থানত সাহায্য কৰাটো সাধাৰণ ব্ৰিটিছ শ্ৰমিকে দেশদ্ৰোহমূলক কাম বুলি বিবেচনা কৰিব। ঠিকেই, ব্ৰিটেইন আৰু আমেৰিকাৰ উগ্ৰ যুযুৎসু জিঙ্গোবাদী |১৯০| আৰু জাতিদম্ভ মনোবৃত্তিৰ শ্ৰমিক-অভিজাতসকল সমাজতন্ত্ৰৰ পক্ষে অতি ভয়ংকৰ বিপদস্বৰূপ হৈ দেখা দিছে, আৰু এওঁলোকেই হৈছে দ্বিতীয় আন্তৰ্জাতিকৰ এক ঘাটি। ইয়াত

আমি এই বুর্জোৱা আন্তৰ্জাতিকৰ অন্তৰ্ভুক্ত নেতা আৰু শ্ৰমিকসকলৰ ফালৰপৰা বৃহত্তম বিশ্বাসঘাতকতাৰ সন্মুখীন হৈছোঁ। দ্বিতীয় আন্তৰ্জাতিকতো ঔপনিৱেশিক প্ৰশ্নটো আলোচিত হৈছে। বাছেল ইস্তাহাৰো [১৯১] এই বিষয়ে সম্পূৰ্ণ স্পষ্ট। দ্বিতীয় আন্তৰ্জাতিকৰ পাৰ্টিবিলাকে নিজেই বৈপ্লৱিক কৰ্মাভিযানৰ প্ৰতিজ্ঞা গ্ৰহণ কৰিছে, কিন্তু প্ৰকৃত বৈপ্লৱিক কৰ্মৰ অথবা উৎপীড়নকাৰী জাতিবোৰৰ বিৰুদ্ধে বিদ্ৰোহত শোষিত আৰু পৰাধীন জাতিসমূহক সাহায্য কৰাৰ কোনো লক্ষণ সিসকলে দেখুৱা নাই। দ্বিতীয় আন্তৰ্জাতিকৰপৰা ওলাই অহা আৰু তৃতীয় আন্তৰ্জাতিকত যোগ দিবলৈ বিচৰা পাৰ্টিবোৰৰ অধিকাংশৰ ক্ষেত্ৰতো মোৰ বোধেৰে এই কথা প্ৰযোজ্য। আমি এই কথা খোলাখুলিকৈ, সকলোৰে কাণত পৰাকৈ ক'ব লাগিব আৰু ই অখণ্ডনীয়। ইয়াক অস্বীকাৰ কৰাৰ কোনো চেষ্টা হ'ব নেকি তালৈ আমি মন কৰিম।

এই সকলো বিচাৰ-বিৱেচনাই আমাৰ প্ৰস্তাৱবোৰৰ ভিত্তি গঠন কৰিছে, এইবোৰ যে বৰ দীঘলীয়া তাত কোনো সন্দেহ নাই, কিন্তু তথাপি মই নিশ্চিত যে সেইবোৰ উপযোগী বুলি প্ৰমাণিত হ'ব আৰু জাতীয় তথা ঔপনিৱেশিক প্ৰশ্নাৱলী সম্পৰ্কে প্ৰকৃত বৈপ্লৱিক কাৰ্য্যৰ বিকাশ আৰু সংগঠনত সেইবোৰে সহায় কৰিব। আৰু সেইটোৱেই হৈছে আমাৰ মুখ্য কৰ্তব্য।

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ২৪০-২৪৫

## মস্কো গুবের্নিয়াৰ উয়েজদ, ভোলস্ত আৰু গাঁও কাৰ্য্যনিৰ্বাহী কমিটিবোৰৰ চেয়াৰমেনসকলৰ এখন সম্মিলনত দিয়া ভাষণৰ পৰা, ১৫ অক্টোবৰ, ১৯২০

ভাৰ্ছাই সন্ধি [১৯২] যে বৰ বেছি স্থায়ী নহয় সেই কথা ৰেড আৰ্মিয়ে (লাল ফৌজে) প্ৰমাণ কৰি দিলে। ভাৰ্ছাই সন্ধিৰ পাছত আমাৰ ফৌজে দেখুৱালে যে বিধ্বস্ত অৱস্থাত থাকিও ১৯২০ চনৰ জহকালত ছোভিয়েত ভূমি লাল ফৌজৰ যহতেই পূৰ্ণ বিজয়ৰ উবুকাত উপনীত হ'ল। পৃথিৱীয়ে দেখিলে যে ভাৰ্ছাই সন্ধিয়ে ভীত-সন্ত্ৰস্ত কৰিব নোৱৰা তেনে এটা শক্তিৰো অস্তিত্ব আছে, আৰু শ্ৰমিক-কৃষকসকলে এবাৰ জমিদাৰ-পুঁজিপতিবোৰৰ লগত সম্পৰ্ক ফয়চলা কৰিবলৈ শিকিলে কোনো ভাৰ্ছাই সন্ধিয়েই তেওঁলোকৰ ক্ষমতাক আৰু দমন কৰিব নোৱাৰে।

এনেকৈয়ে, ভাৰ্ছাইৰ শান্তিৰ বিৰুদ্ধে অভিযান, প্ৰত্যেক দেশৰ সকলো পুঁজিপতি আৰু জমিদাৰৰ বিৰুদ্ধে আৰু অন্যান্য দেশৰ ওপৰত সিবিলাকৰ উৎপীড়ন-অত্যাচাৰৰ বিৰুদ্ধে অভিযান অথলে যোৱা নাই। সমস্ত দেশত কোটি কোটি শ্ৰমিক আৰু কৃষকে এই কথা লক্ষ্য কৰি আহিছে আৰু সেই বিষয়ে চিন্তা-চৰ্চা কৰিছে; এতিয়া তেওঁলোকে ছোভিয়েত প্ৰজাতন্ত্ৰক তেওঁলোকৰ মুক্তিদাতা হিচাপে দেখিছে। তেওঁলোকে কৈছে: লাল ফৌজে দেখুৱাই দিছে যে ই আঘাতৰ বদলি আঘাত কৰিব পাৰে, যদিও শান্তিপূৰ্ণ নিৰ্মাণ-কাৰ্য্যৰ প্ৰথম বছৰত, নাইবা ক'ব পৰা যায় প্ৰথম মাহত ই জয়লাভ কৰাৰ কাৰণে সিমান বেছি শক্তিশালী নাছিল। শান্তিপূৰ্ণ নিৰ্মাণ-কাৰ্যৰ সেই প্ৰথম মাহৰ পাছত অৱশ্যে বহুতো বছৰ আহিব, আৰু পাব হৈ যোৱা প্ৰতিটো বছৰৰ লগে লগে ইয়াৰ শক্তি দুগুণ বাঢ়িব। ভাৰ্ছাইৰ শান্তি-চুক্তিক সৰ্বশক্তিমান সাম্ৰাজ্যবাদীহঁতৰ এক চুক্তি বুলি ভাবি লোৱা হৈছিল, কিন্তু ১৯২০ চনৰ জহকালৰ পাছত স্পষ্ট হৈ পৰিল যে সিহঁত আনকি এখন দুৰ্বল দেশৰ শ্ৰমিক-কৃষকসকলতকৈও নিশকতীয়া, যিসকলে নিজৰ শক্তিক ঐক্যবদ্ধ কৰি পুঁজিপতিবোৰক প্ৰতিহত কৰিবলৈ অৱশ্যেই জানে।

১৯২০ চনৰ গ্ৰীষ্মকালত ছোভিয়েত ৰাছিয়াই এনে এক শক্তি হিচাপে নিজৰ পৰিচয় দিলে যে ই অকল আক্ৰমণৰ বিৰুদ্ধে, পোলিছ শ্বেতৰক্ষী বাহিনীৰ আক্ৰমণৰ বিৰুদ্ধে নিজক ৰক্ষাই মাথোন কৰা নাছিল, বাস্তৱত নিজকে এনে এক বিশ্ব-শক্তি হিচাপে প্ৰদৰ্শন কৰিছিল যে ই ভাৰ্ছাই সন্ধি চূৰ্ণ কৰিবলৈ আৰু পৃথিৱীৰ সৰহভাগ দেশত কোটি কোটি মানুহক মুক্ত কৰিবলৈও সক্ষম। এয়াই হৈছে লাল ফৌজৰ এই গ্ৰীষ্মকালৰ অভিযানৰ তাৎপৰ্য্য। সেই কাৰণেই এই যুদ্ধৰ সময়ত ব্ৰিটেইনত ঘটা নানান ঘটনাই গোটেই ব্ৰিটিছ ৰাজনীতিৰ পৰিৱৰ্তন সূচিত কৰে। আমি যেতিয়া আমাৰ সৈন্যদল থমাবলৈ অস্বীকাৰ কৰিছিলোঁ, ব্ৰিটেইনে তেতিয়া ইয়াৰ প্ৰত্যুত্তৰত পেট্ৰোগ্ৰাদৰ বিৰুদ্ধে তাৰ নৌবহৰ পঠেৱাৰ ভাবুকি দিছিল। পেট্ৰোগ্ৰাদ আক্ৰমণ কৰিবলৈ আদেশ দিয়া হৈছিল। ব্ৰিটিছ প্ৰধান মন্ত্ৰীয়ে তেতিয়া কমৰেড কামেনেভৰ উদ্দেশ্যে এই কথাকেই ঘোষণা কৰিছিল আৰু সমস্ত দেশকে এই বিষয়ে জনাই দিয়া হৈছিল। কিন্তু এই তাঁৰ-বাৰ্তা পঠোৱাৰ পিছ দিনাখনেই সমগ্ৰ ব্ৰিটেইন জুৰি বিৰাট আকাৰে সভা-সমিতি অনুষ্ঠিত হৈছিল, 'সংগ্ৰাম পৰিষদবোৰ' (১৯৩) গঢ়ি উঠিছিল। শ্ৰমিকসকল ঐক্যবদ্ধ হৈছিল। সমস্ত ব্ৰিটিছ মেনছেভিক, যিসকল ৰুছ মাৰ্কাৰ সেইসকলতকৈও নীচ আৰু অধিক নিষ্ঠাৰে পুঁজিপতিসকলক তোষামোদ কৰি থাকে — আনকি তেওঁলোকেও তাত যোগ দিব লগা হৈছিল, কাৰণ শ্ৰমিকসকলে ইয়াকেই দাবী কৰিছিল, কাৰণ ব্ৰিটিছ শ্ৰমিকসকলে কৈছিল: তেওঁলোকে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধ কোনোমতেই সহ্য নকৰিব। সমগ্ৰ ব্ৰিটেইনত 'সংগ্ৰাম পৰিষদ' গঠিত হৈছিল, ব্ৰিটিছ সাম্ৰাজ্যবাদীহঁতৰ যুদ্ধৰ পৰিকল্পনা ব্যৰ্থ হৈছিল, আৰু আকৌ এবাৰ দেখা গৈছিল যে সকলো দেশৰ সাম্ৰাজ্যবাদীবোৰৰ বিৰুদ্ধে যুদ্ধত প্ৰত্যেক দেশতেই ছোভিয়েত ৰাছিয়াৰ মিত্ৰসকল আছে। আমি বলছেভিকসকলে যেতিয়া কৈছিলোঁ: 'আমি ৰাছিয়াৰ জমিদাৰ আৰু পুঁজিপতিবিলাকৰ বিৰুদ্ধে আমাৰ বিদ্ৰোহত অকলশৰীয়া নহয়, কিয়নো প্ৰত্যেক দেশতে আমাৰ মিত্ৰসকল আছে — আছে শ্ৰমিক আৰু কৃষকসকল, তদুপৰি সেই মিত্ৰসকলক সৰহভাগ দেশতেই দেখিবলৈ পোৱা যাব', তেতিয়া আমাক বিদ্ৰূপ কৰি সোধা হৈছিল: 'ক'ত সেই মেহনতী জনসাধাৰণ?' ঠিকেই, এই কথা সঁচা যে পশ্চিম ইউৰোপত য'ত পুঁজিপতিবোৰ বহুত বেছি শক্তিশালী আৰু উপনিবেশবোৰৰ কোটি কোটি মানুহক লুণ্ঠন কৰি বাচি থাকে তাত বিদ্ৰোহ কৰা অত্যধিক কঠিন। তাত শ্ৰমিক শ্ৰেণীৰ বিপ্লৱ অতুলনীয়ভাৱে মন্থৰ গতিত বিকশিত হৈছে। তথাচ ই বিকাশ লাভ কৰিছে।

১৯২০ চনৰ জুলাইত যেতিয়া ব্ৰিটেইনে ৰুছিয়াক যুদ্ধৰ ভাবুকি দিছিল তেতিয়া ব্ৰিটিছ শ্ৰমিকসকলে সেই যুদ্ধ ঘটাত বাধা দিছিল। ব্ৰিটিছ মেনছেভিকসকলে ব্ৰিটিছ বলছেভিকসকলৰ নেতৃত্বকেই অনুসৰণ কৰিছিল। তেওঁলোকে তাকেই কৰিব লগা হৈছিল আৰু যুদ্ধ সহ্য নকৰিব বুলি ঘোষণা কৰি তেওঁলোকে সংবিধানৰ বিৰুদ্ধে, আইনৰ বিৰুদ্ধে কথা ক'ব লগা হৈছিল। কালিলৈ যদি যুদ্ধ ঘোষণা কৰা হয় তেনেহলে তেওঁলোকে ধৰ্মঘটৰ আহ্বান জনাব আৰু ব্ৰিটেইন আৰু ফ্ৰান্সকো কয়লা নিদিব। ব্ৰিটিছ শ্ৰমিকসকলে ঘোষণা কৰিছিল যে তেওঁলোকে বৈদেশিক নীতি নিৰ্দ্ধাৰণ কৰিব খোজে; ৰুছিয়াত বলছেভিকসকলে যেনেভাৱে কৰিছে তেনেকৈয়ে তেওঁলোকেও ইয়াক পৰিচালনা কৰিছে, অন্যান্য দেশত পুঁজিপতিবিলাকে যিদৰে কৰিছে তেনেকৈ নহয়।

পোলিছ যুদ্ধই যাক প্ৰকাশ কৰিছে এয়া হ'ল তাৰেই এটা দৃষ্টান্ত। সেই গতিকেই আমি ছমাহৰ ভিতৰতে বিজয়ী হিচাপে ওলাই আহিছোঁ। সেই কাৰণেই বিধ্বস্ত, দুৰ্বল আৰু পশ্চাৎপদ ছোভিয়েত ৰুছিয়াই তাতোকৈ অপৰিসীমভাৱে বেছি শক্তিশালী ৰাষ্ট্ৰবোৰৰ এটা মিত্ৰ-গোটক পৰাস্ত কৰিছে। ইয়াৰ কাৰণ হ'ল স্বদেশত সেইবোৰৰ শক্তিৰ অভাৱ, আৰু শ্ৰমিকসকল, সাধাৰণভাৱে গোটেই মেহনতী জনসাধাৰণ সিবোৰৰ বিৰুদ্ধে। প্ৰত্যেক সংকটতেই এই কথা ফটফটীয়া হৈ পৰে। স্পষ্ট এই কাৰণেই যে সিহঁত হ'ল দস্যু, সিহঁতে পৰস্পৰক আক্ৰমণ কৰে আৰু আমাৰ বিৰুদ্ধে ঐক্যবদ্ধ হ'ব নোৱাৰে; কিয়নো চূড়ান্ত বিশ্লেষণত দেখা যায়, ব্যক্তিগত মালিকানাই মানুহক বিভক্ত কৰে আৰু তেওঁলোকক পাশবিক ধৰণৰ কৰি পেলায়, আনহাতে শ্ৰমে তেওঁলোকক মিলিত কৰে। শ্ৰমে ৰুছিয়াৰ শ্ৰমিক আৰু কৃষকসকলকেই কেৱল ঐক্যবদ্ধ কৰা নাই, লগতে ই সমস্ত দেশৰ শ্ৰমিক আৰু কৃষকসকলৰ লগত তেওঁলোকক ঐক্যবদ্ধ কৰিছে। ফলস্বৰূপে এই সকলো দেশতেই জনসাধাৰণে আজি দেখিবলৈ পাইছে যে ছোভিয়েত ৰুছিয়া এনে এক শক্তি, যি ভাৰ্ছাই শান্তি চুক্তিক চূৰ্ণ কৰিব লাগিছে। ছোভিয়েত ৰুছিয়া অধিক শক্তিশালী হৈ উঠিব আৰু ভাৰ্ছাই চুক্তিৰ পতন ঘটিব, ঠিক যেনেকৈ ১৯২০ চনৰ জুলাই মাহত লাল ফৌজৰ প্ৰথম আঘাততেই ই প্ৰায় ভাঙি পৰিছিল। সেই কাৰণেই পোলিছ যুদ্ধৰ এনেভাৱে সমাপ্তি ঘটিছে, যাক কোনো সাম্ৰাজ্যবাদী ৰাষ্ট্ৰই আশা কৰা নাছিল। আমাৰ কাৰণে এয়া হৈছে অত্যন্ত গুৰুত্বপূৰ্ণ এটি শিক্ষা, কাৰণ ই আন্তৰ্জাতিক ৰাজনীতিত ভাগ লোৱা সকলো দেশৰ দৃষ্টান্ত আৰু

আচৰণৰ মাজেৰে দেখুৱায় যে আমাৰ আদৰ্শ শক্তিশালী; ৰুছিয়াক আক্ৰমণ কৰাৰ যিমান চেষ্টাই নহওক লাগিলে আৰু আমাৰ বিৰুদ্ধে যি সামৰিক কৌশলেই নচলাওক লাগিলে — আৰু খুব সম্ভৱ আন বহুতো চেষ্টা চলিব — এই সকলো প্ৰচেষ্টা যে ব্যৰ্থতাত পৰ্যবসিত হ'ব, তাক আমি আমাৰ প্ৰকৃত অভিজ্ঞতাৰপৰা জানোঁ, যি অভিজ্ঞতাই আমাক সুদৃঢ় কৰিছে। আমাৰ শত্ৰুবোৰৰ এনেকুৱা প্ৰত্যেকটো চেষ্টাৰ পাছত আমি আগতকৈও বেছি শক্তিশালী হৈ ওলাই আহিম।

ভাৰ্ছাই শান্তিৰ লগত সংঘাতত য'ত আমাৰ শক্তি প্ৰদৰ্শন কৰা হয় সেই আন্তৰ্জাতিক ৰাজনীতিৰপৰা মই এতিয়া অধিক জৰুৰী আৰু ব্যৱহাৰিক সমস্যাৱলীৰ ফালে, ভাৰ্ছাই চুক্তিৰ সংক্ৰান্তত উদ্ভূত পৰিস্থিতিৰ ফালে দৃষ্টি ঘূৰাব খুজিছোঁ। জুলাই মাহত মস্কোত অনুষ্ঠিত সমগ্ৰ বিশ্বৰ কমিউনিষ্টসকলৰ কংগ্ৰেছ, কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ, আৰু তাৰ পাছত বাকুত অনুষ্ঠিত প্ৰাচ্যৰ জাতিসমূহৰ কংগ্ৰেছৰ তাৎপৰ্য্য সম্পৰ্কেও আলোচনালৈ নাযাওঁ। এবিলাক আছিল আন্তৰ্জাতিক কংগ্ৰেছ, যিবোৰে কমিউনিষ্টসকলক ঐক্যবদ্ধ কৰিছিল আৰু দেখুৱাইছিল যে সকলো সভ্য দেশত আৰু প্ৰাচ্যৰ সমস্ত পশ্চাৎপদ দেশত বলছেভিকবাদৰ পতাকা, বলছেভিকবাদৰ কৰ্মসূচী, বলছেভিক কৰ্মতৎপৰতাৰ ধাৰা হৈছে সকলো সভ্য দেশৰ শ্ৰমিকসকলৰ বাবে আৰু সমস্ত পশ্চাৎপদ ঔপনিৱেশিক দেশৰ কৃষকসকলৰ বাবে মুক্তিৰ প্ৰতীক, সংগ্ৰামৰ প্ৰতীক। সেইবোৰে দেখুৱাই দিছিল যে যোৱা তিনিটা বছৰত ছোভিয়েত ৰুছিয়াক টেঁটু চেপি মৰাৰ কাৰণে যিবোৰে ইয়াৰ ওপৰত জঁপিয়াই পৰিছিল সেইবোৰকেই কেৱল ছোভিয়েত ৰুছিয়াই প্ৰতিহত কৰা নাই, লগে লগে গোটেই বিশ্বৰ শ্ৰমজীৱী জনসাধাৰণৰ সহানুভূতিও লাভ কৰিছে; আমি অকল যে আমাৰ শত্ৰুবোৰকেই পৰাস্ত কৰিছোঁ এনে নহয়, দিনে দিনে আৰু প্ৰতি ঘণ্টাতে নতুন নতুন মিত্ৰ লাভ কৰিছোঁ আৰু এতিয়াও কৰি আছোঁ। মস্কোত কমিউনিষ্টসকলৰ কংগ্ৰেছত আৰু বাকুত প্ৰাচ্যৰ জাতিসমূহৰ কমিউনিষ্ট প্ৰতিনিধিবৃন্দৰ কংগ্ৰেছত যিখিনি অৰ্জিত হৈছিল তাক ততালিকেই এতিয়া মূল্যায়ন কৰিব নোৱাৰি নাইবা প্ৰত্যক্ষভাৱে হিচাপ কৰাও নাযায়, কিন্তু সেই অৰ্জন কোনো কোনো সামৰিক বিজয়তকৈও বেছি তাৎপৰ্য্যপূৰ্ণ, কাৰণ ই আমাৰ আগত প্ৰমাণ কৰে যে বলছেভিকসকলৰ অভিজ্ঞতা, তেওঁলোকৰ কাৰ্য্যকলাপ আৰু কৰ্মসূচী, আৰু পুঁজিপতি তথা সাম্ৰাজ্যবাদীহঁতৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰামৰ বাবে তেওঁলোকৰ আহ্বানে বিশ্ব-ব্যাপী স্বীকৃতি লাভ কৰিছে;

মস্কোত জুলাই মাহত আৰু বাকুত ছেপ্টেম্বৰ মাহত যিখিনি অর্জিত হৈছে সেইখিনিয়ে ভৱিষ্যতৰ কেবামাহলৈকে পৃথিৱীৰ শ্ৰমিক আৰু কৃষকসকলক চিন্তাৰ আৰু আত্মীকৰণৰ বাবে খোৰাক যোগাব। যিকোনো সংঘাত অথবা সংকটত এই শক্তি ছোভিয়েত ৰুছিয়াৰ সপক্ষে থিয় দিব, যাক আমি একাধিক উপলক্ষত দেখিবলৈ পাইছোঁ। বিশ্ব শক্তিসমূহৰ বিন্যাসৰ দৃষ্টিকোণৰপৰা এয়াই হ'ল পোলিছ যুদ্ধৰ মূল শিক্ষা।

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩১, পৃঃ ৩২৭-৩০

# ছিডনি হিলমেনলৈ

১৩ অক্টোবৰ, ১৯২১ চন

কমৰেড হিলমেন,

আপোনাৰ সাহায্যৰ কাৰণে মই আপোনাক সৰ্বান্তঃকৰণে ধন্যবাদ জনাইছোঁ। আপোনাৰ যত্নতেই ছোভিয়েত ৰুছিয়াৰ বাবে আমেৰিকান শ্ৰমিকসকলৰ সাহায্য সংগঠিত কৰা সম্পৰ্কে দ্ৰুতভাৱে মতৈক্য অৰ্জিত হৈছে। এই ঘটনাটো বিশেষ গুৰুত্বপূৰ্ণ যে এই সাহায্য সংগঠিত কৰাৰ বিষয়টো এতিয়া **অ-কমিউনিষ্ট** সেই শ্ৰমিকসকলৰ বৈলিকাও ব্যৱস্থা কৰা হৈছে। গোটেই পৃথিৱী জুৰি আৰু বিশেষকৈ অতি অগ্ৰসৰ পুঁজিবাদী দেশবোৰত লাখ লাখ শ্ৰমিকে আজি কমিউনিষ্টসকলৰ লগত একে মত পোষণ নকৰে, কিন্তু তথাচ তেওঁলোক ছোভিয়েত ৰুছিয়াক সাহায্য কৰিবলৈ, ভোকাতুৰসকলক — আনকি এওঁলোকৰ কেইজনমানক হলেও সাহায্য কৰিবলৈ আৰু খুৱাবলৈ আৰু ৰুছ সমাজতান্ত্ৰিক ফেডাৰেটিভ ছোভিয়েত প্ৰজাতন্ত্ৰৰ অৰ্থনীতি পুনৰুদ্ধাৰ কৰাৰ কামত সহায় কৰিবলৈ প্ৰস্তুত। এই শ্ৰমিকসকলে আমষ্টাৰ্ডাম ট্ৰেড ইউনিয়ন আন্তৰ্জাতিকৰ (১৯৪) (নিঃসন্দেহে সাম্যবাদৰ প্ৰতি বৈৰীভাবাপন্ন) নেতাসকলৰ কথাবিলাক সম্পূৰ্ণ প্ৰতায়েৰে দোহাৰে আৰু তাতোকৈ গুৰুত্বপূৰ্ণ হ'ল, কথাবোৰ অকল দোহৰাই নহয়, জীৱনতো সেইবোৰক ব্যৱহাৰিক অভিব্যক্তি প্ৰদান কৰে; সেই কথাবিলাক হ'ল এই যে ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে আন্তৰ্জাতিক বুৰ্জোৱা শ্ৰেণীৰ যিকোনো জয়লাভৰ অৰ্থই হ'ব সাধাৰণভাৱে শ্ৰমিক শ্ৰেণীৰ বিৰুদ্ধে বিশ্ব প্ৰতিক্ৰিয়াৰ সম্ভাব্য বৃহত্তম বিজয়।

ছোভিয়েত ৰুছিয়াই অনাহাৰ, ধ্বংস আৰু বিশৃংখলা অতিক্ৰম কৰাৰ কাৰণে ইয়াৰ সৰ্বশক্তি নিয়োগ কৰিছে। সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলৰ আৰ্থিক সাহায্য, ইয়াৰ ওচৰা-উচৰিকৈ নৈতিক সাহায্য আৰু ৰাজনৈতিক সাহায্য

এই ক্ষেত্রত আমাৰ পক্ষে অপৰিসীমভাৱে গুৰুত্বপূৰ্ণ। স্বাভাৱিকতেই আমেৰিকা ৰাষ্ট্ৰসমূহৰ শীৰ্ষ স্থানত আছে, তাৰ শ্ৰমিকসকলে আমাক সহায় কৰিব পাৰে, ইতিমধ্যে আমাক সাহায্য কৰিছে আৰু মোৰ দৃঢ় বিশ্বাস যে তেওঁলোকে বৃহত্তৰ পৰিসৰত সাহায্য কৰিব।

শ্ৰমিক আৰু কৃষকৰ প্ৰজাতন্ত্ৰখনিক ইয়াৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ কামত সহায় কৰাৰ কাৰণে খনচেৰেক শিল্পোন্নত দেশৰ যিসকল শ্ৰমিকে ছোভিয়েত ৰুছিয়ালৈ তেওঁলোকৰ কাৰিকৰী জ্ঞান বহন কৰি আনিছে আৰু ত্যাগ-স্বীকাৰৰ দৃঢ়পণ লৈ আহিছে, সেই সকলো শ্ৰমিকৰ নেতৃত্বৰ স্থান গ্ৰহণ কৰিব আমেৰিকাৰ আদৰ্শনিষ্ঠ উদ্যোগী অগ্ৰসৰ শ্ৰমিকসকলে। আন্তৰ্জাতিক বিত্তীয় পুঁজিৰ যুৰালিৰ বিৰুদ্ধে, আন্তৰ্জাতিক প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে সংগ্ৰামৰ শান্তিপূৰ্ণ উপায়বিলাকৰ ভিতৰত ছোভিয়েত ৰুছিয়াৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ কামত সাহায্যৰ দৰে বিজয়ৰ ইমান দ্ৰুত আৰু নিশ্চিত প্ৰতিশ্ৰুতিপূৰ্ণ উপায় আন একো নাই।

ছোভিয়েত ৰুছিয়াক যিসকলে ইটো-সিটো কোনো ধৰণেৰে সাহায্য আগ বঢ়াইছে সেই সকলো শ্ৰমিকলৈকে অতি আন্তৰিক ওলগ জনাইছোঁ।

**এন. লেনিন**

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩৫, পৃঃ ৫২৬-৫২৭

## আন্তৰ্জাতিক শ্ৰমিকসকলৰ সাহায্যৰ সম্পাদক কমৰেড মিউনট্‌জেনবেৰ্গলৈ [১৯৫]

কমিনটাৰ্নৰ চতুৰ্থ কংগ্ৰেছত আপোনাৰ প্ৰতিবেদনৰ পৰিপূৰক হিচাপে মই নিজেই অলপমীয়া কথাৰে সাহায্য সংগঠনৰ তাৎপৰ্য্যৰ পিনে আঙুলিয়াব খোজোঁ।

অনাহাৰত জীয়াতু ভোগাসকলৰ উদ্দেশ্যে আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীয়ে আগ বঢ়োৱা সাহায্যই গ'ল বেলিৰ দুৰ্ভিক্ষৰ যাতনাদায়ক দিনবোৰ সহ্য কৰাৰ আৰু ইয়াক অতিক্ৰম কৰাৰ ক্ষেত্ৰত ছোভিয়েত ৰুছিয়াক যথেষ্ট পৰিমাণে সহায় কৰে। বৰ্তমান সময়ত আমি দুৰ্ভিক্ষৰ ফলত হোৱা ক্ষতস্থানবোৰ শুকুৱাব লাগিব, প্ৰথমতেই হাজাৰ হাজাৰ অনাথ শিশুৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰিব লাগিব আৰু দুৰ্ভিক্ষৰ ফলত প্ৰচণ্ড ক্ষতিগ্ৰস্ত হোৱা আমাৰ কৃষি আৰু শিল্পক পুনৰুদ্ধাৰ কৰিব লাগিব।

এই ক্ষেত্ৰতো আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ ভ্ৰাতৃপ্ৰতিম সাহায্য ইতিমধ্যে সক্ৰিয় হ'বলৈ আৰম্ভ কৰিছে। পেৰ্মৰ ওচৰত আমেৰিকান ট্ৰেক্টৰৰ শাৰী, 'আমেৰিকান কাৰিকৰী সাহায্য'ৰ কৃষি কৰ্মীদল, 'আন্তৰ্জাতিক শ্ৰমিকসকলৰ সাহায্য'ৰ কৃষি আৰু শিল্পসংক্ৰান্ত উদ্যোগ, 'শ্ৰমিকসকলৰ সাহায্য'ৰ যোগেদি ছোভিয়েত ৰুছিয়াক প্ৰথম প্ৰলিতাৰীয় ঋণ আবণ্টন আৰু তাত বৰঙণি দিয়া — এই সকলোবিলাকেই হৈছে ছোভিয়েত ৰুছিয়াৰ অৰ্থনৈতিক পুনৰুদ্ধাৰ কাৰ্য্যৰ বিকাশ সাধনাৰ্থে শ্ৰমিকসকলৰ ভ্ৰাতৃপ্ৰতিম সাহায্যৰ আদৰ্শত অতি প্ৰতিশ্ৰুতিপূৰ্ণ শুভ আৰম্ভণি।

'আন্তৰ্জাতিক শ্ৰমিকসকলৰ সাহায্য' সংস্থাই ছোভিয়েত ৰুছিয়াৰ প্ৰতি অৰ্থনৈতিক সাহায্যদানৰ যি কাম অতি আনন্দ-উৎসাহেৰে আৰম্ভ কৰিছে, তাক গোটেই বিশ্বৰ শ্ৰমিক আৰু মেহনতী জনতাই সম্ভাব্য সকলো প্ৰকাৰে সমৰ্থন কৰা উচিত। ছোভিয়েত চৰকাৰক স্বীকৃতি দিয়াৰ দাবীত বুৰ্জোৱা দেশবোৰৰ চৰকাৰৰ ওপৰত প্ৰবল ৰাজনৈতিক চাপ অব্যাহত ৰখাৰ ওচৰা-

উচাৰিকৈ, বিশ্ব প্ৰলিতাৰিয়েতৰ পক্ষৰপৰা ব্যাপক অৰ্থনৈতিক সাহাযাদান হৈছে বৰ্তমানে সাম্রাজ্যবাদী ব্যৱসায়ী প্ৰতিষ্ঠানবোৰৰ বিৰুদ্ধে সংকঠিন অৰ্থনৈতিক যুঁজত ছোভিয়েত ৰুছিয়াৰ প্ৰতি সবাতোকৈ উত্তম আৰু সবাতোকৈ বাস্তৱ সহায়-সমৰ্থন, আৰু ইয়াৰ সমাজতান্ত্ৰিক অৰ্থনীতি গঢ়ি তোলাৰ কামৰ বাবে উৎকৃষ্ট সমৰ্থন।

**ভ্লা. উলিয়ানভ (লেনিন)**

১৯২২ চনৰ ২ ডিচেম্বৰত ৰচিত

সংগৃহীত ৰচনাৱলী,
খণ্ড ৩৩, পৃঃ ৫৫৯-৬০

# টীকা

(১) ভি. আই. লেনিনৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ খচৰা কৰ্মসূচীত তিনিটা প্ৰধান অংশ অন্তৰ্ভুক্ত হয়। তাত আছে মাৰ্ক্সবাদী পাৰ্টিৰ মূল তত্বগত সূত্ৰায়ন, পাৰ্টিৰ কৰ্তব্য আৰু ৰাছিয়াত বিভিন্ন ৰাজনৈতিক আন্দোলনৰ প্ৰতি ইয়াৰ দৃষ্টিভঙ্গীৰ কথা। যচবাত প্ৰধান ব্যৱহাৰিক দাবীবোৰো সূত্ৰায়িত হৈছে। পৃঃ ৭

(২) ৰঙা পতাকা হৈছে বৈপ্লবিক মুক্তি সংগ্ৰামৰ প্ৰতীক। ১৮৭১ চনৰ পেৰিছ কমিউনৰ পাছত ৰঙা পতাকা হৈ পৰিছে প্ৰলিতাৰীয় বিপ্লৱ আৰু বিশ্বৰ বিপ্লৱ শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ এক প্ৰতীক। পৃঃ ১০

(৩) ইয়াত ১৯০৪-১৯০৫ চনৰ ৰুছ-জাপান যুদ্ধৰ কথা কোৱা হৈছে। পৃঃ ১১

(৪) **ভূমি-দাসোচিত বন্ধন** — সামন্ত প্ৰভুৰ ওচৰত দাস-কৃষকৰ ব্যক্তিগত পৰাধীনতা। কেতিয়াবা এই কথাটো সাধাৰণভাৱে দাসোচিত অধীনতাক প্ৰকাশ কৰিবলৈও ব্যৱহৃত হয়।

**ভূমি-দাসত্ব** হ'ল সামন্তবাদৰ আমোলত পূৰ্ণতম আৰু কঠোৰতম ৰূপৰ কৃষক-বন্ধন স্থায়ী কৰি তোলা সামন্তবাদী ৰাষ্ট্ৰৰ নিৰ্দিষ্ট আইনী ব্যৱস্থা।

পৃঃ ১২

(৫) অক্টোবৰ মাহত সদৌ-ৰাছিয়া ধৰ্মঘটৰ কথা কোৱা হৈছে; ১৯০৫ চনৰ অক্টোবৰত ৰাছিয়াত সাধাৰণ ৰাজনৈতিক ধৰ্মঘট হয়। ১৯০৫-১৯০৭ চনৰ বুৰ্জোৱা-গণতান্ত্ৰিক বিপ্লৱত এই ধৰ্মঘট আছিল অন্যতম গুৰুত্বপূৰ্ণ পৰ্যায়। বৈপ্লবিক আন্দোলনৰ বিস্তাৰৰ ভয়ত জাৰতন্ত্ৰী চৰকাৰে ১৭ (৩০) অক্টোবৰত এখন ইস্তাহাৰ প্ৰকাশ কৰে। তাত 'নাগৰিক স্বাধীনতা' আৰু 'বৈধানিক' দুমাৰ প্ৰতিশ্ৰুতি দিয়া হয়। জাৰৰ ইস্তাহাৰৰ ভুৱা-মিছা কথাৰ মুখা খুলি দি বলছেভিকসকলে সংগ্ৰাম চলাই যাবলৈ শ্ৰমিকসকলক আহ্বান জনায়।

অক্টোবৰৰ সাধাৰণ ধৰ্মঘটে প্ৰলিতাৰিয়েতক ডিচেম্বৰৰ (১৯০৫) সশস্ত্ৰ অভ্যুত্থানৰ কাৰণে প্ৰস্তুত কৰিছিল। পৃঃ ১৪

(৬) ছেন্ট পিটাৰ্ছবৰ্গৰ কল-কাৰখানাৰ শ্ৰমিকসকলে ১৯০৫ চনৰ ৯ জানুৱাৰীত তেওঁলোকৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীৰে সৈতে শীত-প্ৰসাদৰ (জাৰ-সম্ৰাটৰ বাসস্থান) অভিমুখে জাৰৰ হাতত তেওঁলোকৰ অসহ্য দুঃখ-দুৰ্দশা আৰু পূৰ্ণ অধিকাৰহীন জীৱনৰ কথা বৰ্ণাই এখন আবেদন দিয়াৰ কাৰণে গৈছিল। কিন্তু জাৰৰ আদেশত সৈন্যদলে নিৰস্ত্ৰ শ্ৰমিকসকলৰ সেই শান্তিপূৰ্ণ শোভাযাত্ৰাৰ ওপৰত গুলী বৰ্ষণ কৰিলে। এই বৰ্বৰ গুলী চালনাৰ প্ৰতিবাদত গোটেই ৰুছিয়া জুৰি 'স্বৈৰতন্ত্ৰ ধ্বংস হওক!' ধ্বনিৰে ব্যাপক ৰাজনৈতিক ধৰ্মঘট আৰু বিক্ষোভ প্ৰদৰ্শন চলিবলৈ ধৰে। ৯ জানুৱাৰীৰ এই ঘটনাৱলীয়েই আছিল ১৯০৫-১৯০৭ চনৰ বিপ্লৱৰ আৰম্ভণি। পৃঃ ১৪

(৭) এপ্ৰিলৰপৰা ১৯০৬ চনৰ জুলাইলৈকে থকা প্ৰথম ৰাষ্ট্ৰীয় দুমাৰ ছচিয়েল-ডেমক্ৰেটিক শাখাৰ কথা কোৱা হৈছে।

**ৰাষ্ট্ৰীয় দুমা** — জাৰতন্ত্ৰী ৰুছিয়াত এটা প্ৰতিনিধিত্বমূলক সংস্থা, ১৯০৫-১৯০৭ চনৰ বৈপ্লৱিক ঘটনাৱলীৰ ফলস্বৰূপে ইয়াক সংগঠিত কৰিবলৈ চৰকাৰ বাধ্য হয়। আনুষ্ঠানিকভাৱে দুমা আছিল আইন-প্ৰণয়নী সংস্থা, কিন্তু কাৰ্যতঃ ইয়াৰ কোনো প্ৰকৃত ক্ষমতা নাছিল। ৰাষ্ট্ৰীয় দুমালৈ নিৰ্বাচন প্ৰত্যক্ষ নাছিল, সমান কিম্বা সাৰ্বজনীনো নাছিল। মেহনতী শ্ৰেণীবোৰৰ আৰু ৰুছিয়াৰ অধিবাসী অনা-ৰুছীয় জাতি-অধিজাতিবোৰৰ ভোটাধিকাৰ অতি সঙ্কুচিত আছিল। শ্ৰমিক আৰু কৃষকসকলৰ এটা বৃহৎ অংশৰ ভোটাধিকাৰ নাছিলেই। পৃঃ ১৬

(৮) **পেৰিছ কমিউন** — ইতিহাসত প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ প্ৰথম অভিজ্ঞতা। পেৰিছত প্ৰলিতাৰীয় বিপ্লৱৰ দ্বাৰা প্ৰতিষ্ঠিত শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী চৰকাৰ ১৮৭১ চনৰ ১৮ মাৰ্চৰপৰা ২৮ মে'লৈকে টিকি আছিল। পৃঃ ১৭

(৯) **চোৰাং-শতেক জনোজাৰ** (চোৰাং শতেকৰপৰা)।

চোৰাং-শতেক হ'ল চূড়ান্ত দক্ষিণপন্থী, অত্যন্ত নিলাজ প্ৰতিক্ৰিয়াশীলবোৰৰ উপনাম, তদুপৰি বৈপ্লৱিক আন্দোলনৰ বিৰুদ্ধে যুজাৰ কাৰণে জাৰতন্ত্ৰী পুলিচে সংগঠিত কৰা অপৰাধী দুৰ্জনবোৰৰ কুখ্যাত দলবোৰৰ নাম। পৃঃ ১৮

(১০) যুদ্ধৰ ক্ৰমবৰ্দ্ধমান বিপদৰ বিৰুদ্ধে প্ৰতিবাদস্বৰূপে ১৯০৮ চনৰ ছেপ্টেম্বৰৰ আৰম্ভণিত বাৰ্লিনত অনুষ্ঠিত এখন শ্ৰমিক সভাৰ উপলক্ষত লেনিনে 'শান্তিৰ সপক্ষে ব্ৰিটিছ আৰু জাৰ্মান শ্ৰমিকসকলৰ বিক্ষোভ-সমাবেশ' প্ৰবন্ধটি লিখে। এই প্ৰবন্ধটি 'প্ৰলিতাৰি' কাকতৰ ৩৬ নং সংখ্যাৰ কাৰণে ৰচিত হৈছিল, কিন্তু প্ৰকাশিত হোৱা নাই। পৃঃ ১৯

(১১) **উগ্ৰ-স্বাদেশিকতা** (ফৰাচী 'chauvinisme-ৰপৰা, ফৰাচী সৈনিক ছোভেঁ আছিল নেপোলিয়নৰ দখলকাৰী নীতিৰ একান্ত পক্ষপাতী — এওঁৰ নাম অনুসৰি) —

জাতীয়তাবাদ, জাতীয় একচেটিয়া ভাবৰ প্ৰচাৰ, এটা জাতিৰ স্বাৰ্থত আনবোৰ জাতিৰ বিৰোধিতা কৰা, জাতিগত শত্ৰুতা আৰু বিদ্বেষ প্ৰৰোচিত কৰা। পৃঃ ১৯

(১২) বুৰবোঁ— (Bourbon, ফৰাচী ৰাজবংশৰ নামৰপৰা)। ইয়াত এই শব্দটো অমাৰ্জিত আৰু অজ্ঞ মানুহৰ অৰ্থত ব্যৱহৃত হৈছে। পৃঃ ১৯

(১৩) ইউঙ্কাৰ — প্ৰুছীয় ভূস্বামী-জমিদাৰ। পৃঃ ১৯

১৪) ব্ৰিটিছ ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টি — ১৮৯৩ চনত প্ৰতিষ্ঠিত এটা সংস্কাৰবাদী সংগঠন। আৰম্ভণিৰেপৰাই এই পাৰ্টিয়ে সংগ্ৰামৰ সংসদীয় ৰূপৰ ওপৰত আৰু উদাৰপন্থীসকলৰ লগত সংসদীয় আপোচৰ ওপৰত প্ৰধানকৈ গুৰুত্ব আৰোপ কৰে। ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ চৰিত্ৰ নিৰ্ণয় কৰি ভি. আই. লেনিনে লিখিছিল যে, ই 'এটা সুবিধাবাদী পাৰ্টি, বুৰ্জোৱা শ্ৰেণীৰ ওপৰত যি সদায়ে নিৰ্ভৰশীল হৈ আহিছে' (সংগৃহীত ৰচনাৱলী, খণ্ড ২৯, পৃঃ ৪৯৪)।

প্ৰথম বিশ্ব-যুদ্ধৰ আৰম্ভণিত এই পাৰ্টিয়ে যুদ্ধ-বিৰোধী এখন ইস্তাহাৰ প্ৰচাৰ কৰিছিল, কিন্তু অলপ দিনৰ পাছতেই সামাজিক-জাতিদম্ভৰ আশ্ৰয় লয়। পৃঃ ২১

(১৫) ২৫ নং টীকা চাওক। পৃঃ ২১

(১৬) '*Vorwärts*' (আগুৱান) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ কেন্দ্ৰীয় মুখপত্ৰ, এখন দৈনিক বাতৰিকাকত। ১৮৯১ চনৰপৰা বাৰ্লিনত প্ৰকাশিত। ১৮৯০-ৰ দশকৰ দ্বিতীয়াৰ্দ্ধৰপৰা ইয়াৰ সম্পাদকীয় বৰ্ড পাৰ্টিৰ দক্ষিণপন্থী অংশৰ হাতলৈ আহে আৰু নিয়মিতভাৱে তাত সুবিধাবাদীসকলৰ প্ৰবন্ধ প্ৰকাশিত হয়। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত (১৯১৪-১৯১৮) কাকতখনে সামাজিক-জাতিদম্ভ বা উগ্ৰ-স্বাদেশিকতাৰ মত গ্ৰহণ কৰে, আৰু ৰুছিয়াত অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ (১৯১৭) পাছত বাতৰিকাকতখনে ছোভিয়েত-বিৰোধী প্ৰচাৰ চলায়। ১৯৩৩ চনলৈকে এই কাকত প্ৰকাশিত হৈছিল। পৃঃ ২২

(১৭) ইয়াত ১৮৪৮ চনৰ ফেব্ৰুৱাৰীত ফ্ৰান্সত বুৰ্জোৱা-গণতান্ত্ৰিক বিপ্লৱৰ কথা কোৱা হৈছে। এই বিপ্লৱৰ প্ৰধান শক্তি আছিল প্ৰলিতাৰিয়েতসকল, তেওঁলোকে গণতান্ত্ৰিক অধিকাৰ, 'কামৰ অধিকাৰ' সম্পৰ্কে এক নিৰ্দেশনামা ইত্যাদি দাবী কৰিছিল। পৃঃ ২৩

(১৮) তিয়েৰ চৰকাৰৰ প্ৰতিবিপ্লৱী সৈন্যবাহিনীয়ে ১৮৭১ চনৰ মে' মাহৰ ২১ তাৰিখে পেৰিছত প্ৰৱেশ কৰি শ্ৰমিকসকলক দমন কৰে আৰু পেৰিছৰ শ্ৰমিকসকলক নিৰ্মমভাৱে হত্যা কৰে; ৩০,০০০ লোক নিহত হয় আৰু

৫০,০০০ জন গ্ৰেপ্তাৰ হয়। হাজাৰ হাজাৰ শ্ৰমিকে সশ্ৰম কাৰাদণ্ড ভোগ কৰিব লগা হয়। পৃঃ ২৪

(১৯) ইয়াত ১৮৮০ চনত জে. গেদ আৰু তেওঁৰ অনুগামীসকলে প্ৰতিষ্ঠা কৰা ফৰাচী শ্ৰমিক পাৰ্টিৰ কথা কোৱা হৈছে। শ্ৰমিক পাৰ্টিৰ কৰ্মসূচীৰ তত্ত্বগত অংশ কাৰ্ল মাৰ্ক্সে ৰচনা কৰে। পৃঃ ২৪

(২০) প্ৰথম বিশ্ব-যুদ্ধৰ (১৯১৪-১৯১৮) কথা কোৱা হৈছে। পৃঃ ২৬

(২১) **দ্বিতীয় আন্তৰ্জাতিক** — ১৮৮৯ চনত প্ৰতিষ্ঠিত সমাজতান্ত্ৰিক পাৰ্টিসমূহৰ এক আন্তৰ্জাতিক সমিতি। প্ৰথম বিশ্ব-যুদ্ধ আৰম্ভ হোৱাৰ পাছত দ্বিতীয় আন্তৰ্জাতিকৰ নেতাসকলে সমাজতন্ত্ৰৰ আদৰ্শৰ প্ৰতি বিশ্বাসঘাতকতা কৰি তেওঁলোকৰ সংশ্লিষ্ট সাম্ৰাজ্যবাদী চৰকাৰবোৰৰ পক্ষে থিয় দিয়ে আৰু তাৰ পাছত দ্বিতীয় আন্তৰ্জাতিক ভাঙি যায়। ১৯১৯ চনত মস্কোত যেতিয়া কমিউনিষ্ট (তৃতীয়) আন্তৰ্জাতিক প্ৰতিষ্ঠিত হ'ল, তেতিয়া প্ৰাক্তন দ্বিতীয় আন্তৰ্জাতিকৰ অন্তৰ্ভুক্ত বামপন্থী পাৰ্টি আৰু গোষ্ঠীবোৰে তাত যোগ দিলে। একে বছৰতে ১৯১৯ চনত বাৰ্নত (ছুইজাৰ্লেণ্ড) দ্বিতীয় আন্তৰ্জাতিক পুনৰ্গঠিত হয়, আৰু সমাজতান্ত্ৰিক আন্দোলনৰ দক্ষিণপন্থী সুবিধাবাদী অংশক প্ৰতিনিধিত্ব কৰা পাৰ্টিবোৰ তাত সমবেত হয়। পৃঃ ২৮

(২২) ৭ নং টীকা চাওক পৃঃ ৩০

(২৩) যুদ্ধ আৰম্ভ হোৱাৰ পাছত চতুৰ্থ ৰাষ্ট্ৰীয় দুমাৰ বলছেভিক প্ৰতিনিধি এ. ওৱাই. বাদায়েভ, এম. মুৰানভ, জি. পেত্ৰোভস্কি আৰু এন. ছাগভে শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ্থে দৃঢ়ভাৱে থিয় দিয়ে। বলছেভিক পাৰ্টিৰ কৰ্মনীতি অনুসৰণ কৰি তেওঁলোকে জাৰতন্ত্ৰী চৰকাৰক যুদ্ধ-ঋণ দিয়াৰ কাৰণে ভোট দিবলৈ অস্বীকাৰ কৰে, সাম্ৰাজ্যবাদী যুদ্ধৰ জন-বিৰোধী চৰিত্ৰৰ মুখা খুলি দিয়ে, যুদ্ধ সম্পৰ্কে শ্ৰমিকসকলৰ আগত প্ৰকৃত সত্য দাঙি ধৰে। যুদ্ধৰ সময়ত বৈপ্লৱিক ক্ৰিয়াকলাপৰ কাৰণে বলছেভিক প্ৰতিনিধিকেইজনৰ আদালতত বিচাৰ হয় আৰু তেওঁলোক ছাইবেৰিয়ালৈ নিৰ্বাসিত হয়। পৃঃ ৩০

(২৪) যুদ্ধ আৰম্ভ হোৱাৰ ঠিক পাছতেই ছেণ্ট পিটাৰ্ছবুৰ্গ বলছেভিক কমিটিয়ে যুদ্ধ আৰু স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম সংগঠিত কৰিবলৈ শ্ৰমিক আৰু সৈনিকসকলক আহ্বান জনাই এখন প্ৰচাৰ-পত্ৰ প্ৰকাশ কৰে। এই প্ৰচাৰ-পত্ৰত আছিল 'স্বৈৰতন্ত্ৰ ধ্বংস হওক!', 'সমাজতন্ত্ৰ দীৰ্ঘজীৱী হওক!', 'গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ দীৰ্ঘজীৱী হওক!' ধ্বনি। আগষ্ট মাহত পিটাৰ্ছবুৰ্গ কমিটিয়ে যুদ্ধৰ বিৰুদ্ধে সংগঠিত হ'বলৈ আৰু অস্ত্ৰশস্ত্ৰ সংৰক্ষিত কৰিবলৈ আবেদন জনাই আন এখন বে-আইনী গোহাৰি প্ৰচাৰ কৰে। পৃঃ ৩০

(২৫) 'Sozialistische Monatshefte' (সমাজতান্ত্ৰিক মাহেকীয়া) — জাৰ্মান সুবিধাবাদীসকলৰ প্ৰধান মুখপত্ৰ আৰু আন্তৰ্জাতিক সংশোধনবাদৰ অন্যতম মুখপত্ৰ। এই কাকতখন ১৮৯৭-ৰপৰা ১৯৩৩ চনলৈকে বাৰ্লিনত প্ৰকাশিত হয়। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই কাকতখনে সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। পৃঃ ৩১

(২৬) ষ্টুটগাৰ্ট আন্তৰ্জাতিক সমাজতান্ত্ৰিক কংগ্ৰেছ (দ্বিতীয় আন্তৰ্জাতিকৰ সপ্তম কংগ্ৰেছ) অনুষ্ঠিত হৈছিল ১৯০৭ চনৰ ১৮-২৪ আগষ্টত।

কংগ্ৰেছৰ আলোচ্য সূচীৰ অন্যতম প্ৰধান বিষয় আছিল 'সমৰবাদ আৰু আন্তৰ্জাতিক বিৰোধ' সম্পৰ্কিত প্ৰশ্নটো। এই বিষয় সম্পৰ্কে আয়োগৰ কামত ভি. আই. লেনিনে সক্ৰিয় অংশগ্ৰহণ কৰে। এই প্ৰশ্নটোৰ সন্দৰ্ভত খচৰা প্ৰস্তাৱৰ আলোচনাৰ সময়ত লেনিনে গোটাচেৰেক গুৰুত্বপূৰ্ণ সংশোধনী আগ বঢ়ায়, বিশেষে বৈপ্লৱিক মাৰ্ক্সবাদৰ চেতনাৰে প্ৰস্তাৱটোত আমূলভাৱে পৰিবৰ্তন ঘটায়। এই প্ৰস্তাৱটোত অতি গুৰুত্বপূৰ্ণ নিম্নোক্ত মূল প্ৰতিপাদ্য অন্তৰ্ভুক্ত কৰা হৈছিল: 'যুদ্ধ যদি আৰম্ভ হয়, তেনেহলে তেওঁলোকে (বিভিন্ন দেশৰ শ্ৰমিক শ্ৰেণী আৰু ইয়াৰ সংসদীয় প্ৰতিনিধিসকলে — সম্পাঃ) অৱশ্যেই... যথাসাধ্যে যুদ্ধজনিত অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটৰ সুযোগ গ্ৰহণ কৰিব লাগিব, যাতে জনসাধাৰণৰ মাজত আলোড়ন সৃষ্টি কৰিব পৰা যায় আৰু পুঁজিপতি শ্ৰেণীৰ আধিপত্যৰ পতন দ্ৰুতভাৱে আগুৱাই আনিব পাৰি' ('প্ৰলিতাৰি', ১৭ নং সংখ্যা, ২০ অক্টোবৰ, ১৯০৭ চন, পৃঃ ৬)।

কোপেনহেগেন আন্তৰ্জাতিক সমাজতান্ত্ৰিক কংগ্ৰেছ (দ্বিতীয় আন্তৰ্জাতিকৰ অষ্টম কংগ্ৰেছ) অনুষ্ঠিত হয় ১৯১০ চনৰ ২৮ আগষ্টৰপৰা ৩ ছেপ্টেম্বৰলৈ।

যুদ্ধৰ বিৰুদ্ধে সংগ্ৰাম সম্পৰ্কিত সিদ্ধান্তত ষ্টুটগাৰ্ট কংগ্ৰেছৰ সিদ্ধান্ত সমৰ্থন কৰা হয়। এই শেষোক্ত সিদ্ধান্তত ভি. আই. লেনিন আৰু আৰ. লুক্সেমবুৰ্গ প্ৰস্তাৱিত সংশোধনীবোৰ অন্তৰ্ভুক্ত আছিল, য'ত যুদ্ধৰ ফলত উদ্ভূত অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটক বুৰ্জোৱাবিল্যকক উচ্ছেদ কৰাৰ কামত লগোৱাৰ বাবে সকলো দেশৰ সমাজতন্ত্ৰীসকলৰ ওচৰত দাবী জনোৱা হৈছিল। কোপেনহেগেন কংগ্ৰেছৰ সিদ্ধান্তয়ো তাৰ লগতে সমাজতান্ত্ৰিক পাৰ্টি আৰু সিবোৰৰ সংসদীয় প্ৰতিনিধিসকলৰপৰা এই প্ৰতিশ্ৰুতি লৈছিল যে তেওঁলোকে নিজৰ নিজৰ দেশৰ চৰকাৰৰ ওচৰত অস্ত্ৰসজ্জা হ্ৰাস আৰু বিভিন্ন ৰাষ্ট্ৰৰ মাজত বিৰোধবিলাক চালিচী বিচাৰালয়ৰ মাজেৰে নিষ্পত্তি কৰাৰ দাবী জনাব, আৰু যুদ্ধৰ বিপদৰ বিৰুদ্ধে প্ৰতিবাদ-আন্দোলন সংগঠিত কৰিবলৈ সকলো দেশৰ শ্ৰমিকসকলক আহ্বান জনাব।

বাজেল কংগ্ৰেছ — ১৯১২ চনৰ ২৪-২৫ নৱেম্বৰত বাজেলত অনুষ্ঠিত জৰুৰী আন্তৰ্জাতিক সমাজতান্ত্ৰিক কংগ্ৰেছ। এই কংগ্ৰেছ আহ্বান কৰা হৈছিল এখন সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধৰ আসন্ন বিপদৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰশ্নটো সমাধানৰ উদ্দেশ্যে। প্ৰথম বলকান যুদ্ধ (অক্টোবৰ, ১৯১২ — মে', ১৯১৩; বি যুদ্ধ

তুৰস্ক আৰু বলকান মিত্ৰ-গোটৰ দেশসমূহৰ মাজত চলিছিল আৰু তুৰস্ক বিধ্বস্ত হোৱাৰ মাজেৰে ইয়াৰ সমাপ্তি ঘটিছিল, ইয়াৰ ফলতেই তুৰস্কৰ কবলৰপৰা বলকান জাতিবোৰ মুক্ত হৈছিল) আৰম্ভ হোৱাৰ পাছত সেই যুদ্ধৰ বিপদ আগতকৈও বাঢ়ি যায়।

২৫ নৱেম্বৰত কংগ্ৰেছত সৰ্বসম্মতিক্ৰমে যুদ্ধ সম্পৰ্কে এখন ইস্তাহাৰ গৃহীত হয়। তাত আসন্ন বিশ্ব-যুদ্ধৰ বিপদ সম্পৰ্কে জনসাধাৰণক সকীয়াই দিয়া হয়। ইস্তাহাৰত কোৱা হৈছিল, 'যিকোনো মুহূৰ্ততে মহৎ ইউৰোপীয় জাতিসমূহ পৰস্পৰৰ বিৰুদ্ধে নিক্ষিপ্ত হ'ব পাৰে আৰু মানৱতা তথা যুক্তিৰ বিৰুদ্ধে এই অপৰাধক কোনো জাতীয় স্বাৰ্থৰ যিকোনো সামান্যতম অজুহাততো সমৰ্থন কৰা নাযায়... পুঁজিপতিৰ মুনাফাৰ কাৰণে আৰু ৰাজবংশীয় উচ্চাকাংক্ষা তথা গোপন কূটনৈতিক চুক্তিৰ পৰিপূৰণৰ কাৰণে পৰস্পৰক গুলীয়াই মৰাৰ কথাটোক প্ৰলিতাৰিয়েতে জঘন্য অপৰাধ বুলি গণ্য কৰে।'

এই ইস্তাহাৰে সাম্ৰাজ্যবাদৰ দ্বাৰা আয়োজিত যুদ্ধৰ লুণ্ঠনমূলক উদ্দেশ্যৰ স্বৰূপ উদ্ঘাটন কৰি দিয়ে আৰু যুদ্ধৰ বিপদৰ বিৰুদ্ধে, শান্তিৰ কাৰণে সুদৃঢ় সংগ্ৰাম চলাবলৈ সকলো দেশৰ শ্ৰমিকসকললৈ আবেদন জনায়।

দ্বিতীয় আন্তৰ্জাতিকৰ নেতাসকলে (কে. কাউৎস্কি, ভাণ্ডেৰ্ভেল্ডে আৰু অন্যান্যবিলাকে) কংগ্ৰেছত এই ইস্তাহাৰৰ পক্ষে ভোট দিয়ে। কিন্তু যুদ্ধ আৰম্ভ হোৱাৰ লগে লগেই তেওঁলোকে যুদ্ধৰ বিৰুদ্ধে সংগ্ৰাম সম্পৰ্কে আন্তৰ্জাতিক সমাজতান্ত্ৰিক কংগ্ৰেছসমূহৰ অন্যান্য সিদ্ধান্তৰ লগতে বাছেল ইস্তাহাৰকো একেলগে জাহ নিয়ালে আৰু নিজৰ নিজৰ সাম্ৰাজ্যবাদী চৰকাৰৰ পক্ষে থিয় দিলে। পৃঃ ৩১

(২৭) **'কমিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ'** — বৈজ্ঞানিক সাম্যবাদৰ তত্ত্বগত প্ৰথম দলিল, তাত মাৰ্ক্সবাদৰ মূল প্ৰত্যয়বোৰ বৰ্ণনা কৰা হয়। ১৮৪৭ চনত কাৰ্ল মাৰ্ক্স আৰু এফ. এঙ্গেলছে এইখন ৰচনা কৰে। পৃঃ ৩২

(২৮) **নৈৰাজ্যবাদী-ছিণ্ডিকেলিজ্‌ম** — নৈৰাজ্যবাদৰ আদৰ্শগত আৰু ৰাজনৈতিক প্ৰভাৱত শ্ৰমিক আন্দোলনৰ ভিতৰত এটা ধাৰা।

নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্টবিলাকে ৰাজনৈতিক সংগ্ৰামৰ আৰু স্বতন্ত্ৰ ৰাজনৈতিক শ্ৰমিক পাৰ্টিৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰে, আৰু প্ৰলিতাৰীয় একনায়কত্বৰ সংগ্ৰাম প্ৰত্যাখ্যান কৰে। তেওঁলোকৰ উদ্দেশ্য হ'ল ছিণ্ডিকেটৰ (ট্ৰেড ইউনিয়ন) দ্বাৰা সংগঠিত সামাজিক বিপ্লৱ, যাৰ ফলত ৰাষ্ট্ৰ আৰু ৰাজনৈতিক ক্ষমতা ধ্বংস কৰিব লাগিব। তাৰ পাছত নতুন সমাজ গঢ়ি উঠিব আৰু এই সমাজ পৰিচালিত হ'ব ছিণ্ডিকেটবোৰৰ ফেডাৰেছনৰ দ্বাৰা, যি পণ্য উৎপাদন আৰু বিতৰণৰ দায়িত্বত থাকিব। পৃঃ ৩২

(২৯) **কাদেত** — ৰুছিয়াত উদাৰপন্থী-ৰাজতন্ত্ৰী বুর্জোৱাৰ প্ৰধান পার্টি নিয়মতান্ত্ৰিক-গণতান্ত্ৰিক পার্টিৰ সদস্যসকল। ১৯০৫ চনৰ অক্টোবৰত এই পার্টি গঠিত হয় আৰু ইয়াৰ মাজত আছিল বুর্জোৱা শ্ৰেণী, জমিদাৰ আৰু বুর্জোৱা বুদ্ধিজীৱীৰ প্ৰতিনিধিবৃন্দ। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত কাদেতসকলে জাৰতন্ত্ৰী চৰকাৰৰ ৰাজ্যগ্ৰাসমূলক বৈদেশিক নীতি সক্ৰিয়ভাৱে সমৰ্থন কৰিছিল আৰু ১৯১৭ চনৰ ফেব্ৰুৱাৰীৰ বুর্জোৱা-গণতান্ত্ৰিক বিপ্লৱৰ সময়ত তেওঁলোকে ৰাজতন্ত্ৰক ৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। এই সময়ত গঠিত বুর্জোৱা অস্থায়ী চৰকাৰত শীৰ্ষস্থানীয় পদবোৰ অধিকাৰ কৰি তেওঁলোকে জনবিৰোধী, প্ৰতিবৈপ্লৱিক কৰ্মনীতি অনুসৰণ কৰিছিল। অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পাছত কাদেতসকলে ছোভিয়েত ক্ষমতাৰ ঘোৰ শত্ৰু হিচাপে আত্মপ্ৰকাশ কৰে আৰু সমস্ত সশস্ত্ৰ প্ৰতিবৈপ্লৱিক কাৰ্যত আৰু বিদেশী সামৰিক হস্তক্ষেপৰ অভিযানত যোগ দিয়ে। পৃঃ ৩২

(৩০) **নাৰোদবাদ** — ৰুছ বৈপ্লৱিক আন্দোলনত এটা পেটি-বুর্জোৱা মতধাৰা: ১৮৬০-১৮৭০-ৰ দশকত এই ভাবধাৰাই দেখা দিয়ে। নাৰোদনিকসকলে স্বৈৰতন্ত্ৰ বিলুপ্ত কৰিবলৈ আৰু জমিদাৰবোৰৰ অধীনত থকা মাটি-বাৰী কৃষকক দিবলৈ বিচাৰিছিল। নাৰোদনিকসকলে বিশ্বাস কৰিছিল যে ৰুছিয়াত পুঁজিবাদ আছিল এটা আকস্মিক ঘটনা, গতিকে তেওঁলোকৰ বিবেচনাত প্ৰলিতাৰিয়েত নহয়, বৰং কৃষক সম্প্ৰদায়হে প্ৰধান বৈপ্লৱিক শক্তি, আৰু গাঁও-কমিউনকেই তেওঁলোকে সমাজতন্ত্ৰৰ ভ্ৰূণাৱস্থা বুলি গণ্য কৰিছিল। স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামত কৃষকসকলক জগাই তোলাৰ চেষ্টাত নাৰোদনিকসকলে গাঁৱে গাঁৱে গৈছিল, 'জনসাধাৰণৰ মাজলৈ' (জনসাধাৰণ শব্দ ৰুছ ভাষাত 'নাৰোদ', তাৰপৰাই তেওঁলোকৰ সেই নামটো), কিন্তু তাত কোনো সমৰ্থন পোৱা নাছিল।

নাৰোদনিকসকলৰ সমাজতন্ত্ৰ কাল্পনিক, কাৰণ ই সমাজৰ বাস্তৱ বিকাশৰ ওপৰত নিৰ্ভৰ নকৰিছিল।

বৈপ্লৱিক গণতন্ত্ৰৰপৰা উদাৰনীতিবাদ পৰ্যন্ত কেইটিমান পৰ্যায়ৰ মাজেদি নাৰোদবাদ বিকশিত হৈছিল।

১৮৮০ আৰু ১৮৯০-ৰ দশকত নাৰোদনিকসকলে জাৰতন্ত্ৰৰ উচ্ছেদৰ কাৰণে বৈপ্লৱিক সংগ্ৰাম ত্যাগ কৰে আৰু সংশোধনবাদৰ পথ ধৰি মাৰ্ক্সবাদৰ বিৰুদ্ধে সংগ্ৰাম চলায়। পৃঃ ৩২

(৩১) **ছচিয়েলিষ্ট-ৰিভলিউচনেৰি** (সমাজতন্ত্ৰী-বিপ্লৱী) — ১৯০১ চনৰ শেহৰফালে আৰু ১৯০২ চনৰ আৰম্ভণিতে বিভিন্ন নাৰোদনিক গোষ্ঠী আৰু চক্ৰবোৰৰ মিলনৰ ফলত ৰুছিয়াত আত্মপ্ৰকাশ কৰা পেটি-বুর্জোৱা পার্টিৰ সদস্যসকল। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত (১৯১৪-১৯১৮) এওঁলোকৰ অধিকাংশই সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে।

১৯১৭ চনৰ ফেব্ৰুৱাৰীৰ বুর্জোৱা-গণতান্ত্ৰিক বিপ্লৱৰ পাছত মেনছেভিক

আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলে প্ৰতিবিপ্লৱী বুৰ্জোৱা-জমিদাৰৰ অস্থায়ী চৰকাৰৰ প্ৰধান মন্ত্ৰ গঠন কৰে আৰু তেওঁলোকৰ নেতা কেৰেনস্কি, আভ্‌ক্সেন্তিয়েভ আৰু চেৰ্ণভ আছিল এই চৰকাৰৰ অন্তৰ্ভুক্ত।

ছচিয়েলিষ্ট-ৰিভলিউছনেৰি পাৰ্টিৰ অভ্যন্তৰত ভুমুকি মৰা বামপন্থী অংশটোৱে ১৯১৭ চনৰ নৱেম্বৰৰ শেষত স্বতন্ত্ৰ বামপন্থী ছচিয়েলিষ্ট-ৰিভলিউছনেৰি পাৰ্টি গঠন কৰে (১৬৪ নং টোকা চাওক)।

বিদেশী সামৰিক হস্তক্ষেপ আৰু গৃহ-যুদ্ধৰ সময়ত ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলে প্ৰতিবৈপ্লৱিক অন্তৰ্ঘাতী কাৰ্য্যকলাপ চলাইছিল, হস্তক্ষেপকাৰী আৰু শ্বেতৰক্ষীবোৰক সক্ৰিয়ভাৱে সাহায্য-সমৰ্থন দিছিল, প্ৰতিবৈপ্লৱিক ষড়যন্ত্ৰত অংশগ্ৰহণ কৰিছিল আৰু ছোভিয়েত ৰাষ্ট্ৰ আৰু কমিউনিষ্ট পাৰ্টিৰ নেতাসকলৰ বিৰুদ্ধে সন্ত্ৰাসমূলক কাৰ্যকলাপ সংগঠিত কৰিছিল। গৃহ-যুদ্ধৰ পাছতো তেওঁলোকে দেশৰ ভিতৰত আৰু দেশান্তৰীবোৰৰ মাজত ছোভিয়েত ৰাষ্ট্ৰৰ বিৰুদ্ধে শত্ৰুতামূলক ক্ৰিয়াকলাপ চলাই গৈছিল।

(৩২) বাছেলত জৰুৰী আন্তৰ্জাতিক সমাজতান্ত্ৰিক কংগ্ৰেছত গৃহীত 'যুদ্ধ সম্পৰ্কিত ইস্তাহাৰৰ' বিষয়ে কোৱা হৈছে (২৬ নং টোকা চাওক)। পৃঃ ৩৬

(৩৩) **ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি** — ১৯১১ চনত ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি আৰু অন্যান্য সমাজতান্ত্ৰিক গোষ্ঠীৰ মিলনৰ ফলত মাঞ্চেষ্টাৰত গঠিত হয়। এই পাৰ্টিয়ে মাৰ্ক্সবাদী ধ্যান-ধাৰণাৰ চেতনাৰে প্ৰচাৰ চলাইছিল আৰু লেনিনৰ মতে 'এই পাৰ্টি সুবিধাবাদী নাছিল আৰু প্ৰকৃততেই উদাৰপন্থীসকলৰপৰা স্বতন্ত্ৰ আছিল' (খণ্ড ১৯, পৃঃ ২৭৩)। কিন্তু ইয়াৰ তাকৰীয়া সদস্য-সংখ্যা আৰু জনসাধাৰণৰ লগত কম যোগাযোগৰ ফলত ই কিছু পৰিমাণে সংকীৰ্ণতাবাদী চৰিত্ৰ ধাৰণ কৰিছিল। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই পাৰ্টিৰ আন্তৰ্জাতিকতাবাদী ধাৰা আৰু হাইণ্ডমেনৰ নেতৃত্বাধীন সামাজিক-জাত্যভিমানী ধাৰাৰ মাজত তীব্ৰ সংগ্ৰাম চলে। ১৯১৬ চনৰ এপ্ৰিল মাহত ছালফোৰ্ডত অনুষ্ঠিত ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ বাৰ্ষিক সন্মিলনত হাইণ্ডমেন আৰু তেওঁৰ সমৰ্থকসকলৰ সামাজিক জাতিদম্ভবাদী নীতি নিন্দিত হয় আৰু তাৰ ফলত তেওঁলোকে পাৰ্টি ত্যাগ কৰে।

ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিয়ে ৰুছিয়াৰ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱক স্বাগত জনাইছিল। পাৰ্টিৰ সদস্যসকলে বিদেশী হস্তক্ষেপৰপৰা ছোভিয়েত ৰুছিয়াৰ ৰক্ষাৰ্থে ইংৰাজ শ্ৰমজীৱী জনসাধাৰণৰ আন্দোলনত বিশিষ্ট ভূমিকা পালন কৰিছিল। ১৯১৯ চনত এই পাৰ্টিৰ শাখাবিলাকৰ অধিকাংশই (পক্ষে ৯৮, বিপক্ষে ৪) কমিউনিষ্ট আন্তৰ্জাতিকত অন্তৰ্ভুক্ত হোৱাৰ পক্ষে ভোট দিয়ে। কমিউনিষ্ট ঐক্য গোষ্টীৰ লগ লাগি ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিয়ে গ্ৰেট ব্ৰিটেইনৰ কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰে।
পৃঃ ৩৬

(৩৪) ১৪ নং টীকা চাওক। পৃঃ ৩৬

(৩৫) **ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ** কথা কোৱা হৈছে। ১৮৯২ চনত এই পাৰ্টি প্ৰতিষ্ঠাৰ সময়ৰেপৰাই সুবিধাবাদী আৰু বিপ্লৱী অংশৰ মাজত তীব্ৰ সংগ্ৰাম চলি আছিল, পাৰ্টিৰ কৰ্মনীতি আৰু কৰ্মকৌশলৰ প্ৰশ্নত তেওঁলোকৰ মত-পাৰ্থক্য আছিল। ১৯১২ চনত ৰেগিও-এমিলিয়াত অনুষ্ঠিত কংগ্ৰেছত বামপন্থীসকলৰ চাপত ঘোৰ সংস্কাৰবাদীসকল — সাম্ৰাজ্যবাদী যুদ্ধৰ সমৰ্থনকাৰী আৰু চৰকাৰ তথা বুৰ্জোৱা শ্ৰেণীৰ লগত সহযোগিতাকামী ব্যক্তিবৰ্গক (বনোমি, বিছ্ছোলাটি) পাৰ্টিৰপৰা বহিষ্কাৰ কৰা হয়। যুদ্ধ লগাৰ পাছত আৰু ইটালিয়ে সেই যুদ্ধত যোগ দিয়াৰ আগলৈকে এই পাৰ্টিয়ে যুদ্ধৰ বিৰুদ্ধে থিয় দিছিল। ১৯১৪ চনৰ ডিচেম্বৰত পাৰ্টিয়ে কিছুমান দলত্যাগীক (মুছোলিনি আৰু অন্যান্য) বহিষ্কাৰ কৰে, এওঁলোকে বুৰ্জোৱা শ্ৰেণীৰ সাম্ৰাজ্যবাদী নীতি সমৰ্থন কৰিছিল আৰু যুদ্ধত ইটালিৰ অংশগ্ৰহণৰ পক্ষে ওকালতি কৰিছিল। ইটালীয় সমাজতন্ত্ৰীসকলে ছুইছ সমাজতন্ত্ৰীসকলৰ লগ লাগি ১৯১৪ চনত লুগানোত এখন সম্মিলন পাতে, আৰু ছিমেৰ্ভাল্ডত (১৯১৫) আৰু কিন্থালত (১৯১৬) আন্তৰ্জাতিক সমাজতান্ত্ৰিক সম্মিলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। কিন্তু প্ৰধানতঃ, ইটালীয় সমাজতন্ত্ৰী পাৰ্টিয়ে এক মধ্যপন্থী অৱস্থানহে গ্ৰহণ কৰে। ১৯১৫ চনৰ মে' মাহত ইটালিয়ে আঁতাত শক্তিবোৰৰ (৪৯ নং টীকা চাওক) পক্ষে যুদ্ধত যোগ দিয়াৰ পাছত ইটালীয় সমাজতন্ত্ৰী পাৰ্টিয়ে সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰুদ্ধে সংগ্ৰাম বৰ্জন কৰে আৰু এই শ্লোগান দাঙি ধৰে: 'যুদ্ধত অংশগ্ৰহণো নহয়, ইয়াক অন্তৰ্ঘাত কৰাও নহয়', কাৰ্যতঃ ইয়াৰ অৰ্থ হ'ল যুদ্ধক সমৰ্থন কৰা।

'Avanti!' ('আগুৱান!') — এখন দৈনিক বাতৰি-কাকত; ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ কেন্দ্ৰীয় মুখপত্ৰ, ১৮৯৬ চনৰ ডিচেম্বৰত স্থাপিত। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই কাকতখনে সঙ্গতিবিহীন আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰিছিল। পৃঃ ৩৭

(৩৬) **বিলুপ্তিবাদী** — ১৯০৫-১৯০৭ চনৰ বিপ্লৱৰ পাছত দেখা দিয়া প্ৰতিক্ৰিয়াৰ সেই কালছোৱাত মেনছেভিকবাদত (ৰুছ ছচিয়েল-ডেমক্ৰেটিক আন্দোলনত এটা সুবিধাবাদী ধাৰা) প্ৰাধান্য বিস্তাৰ কৰা প্ৰৱণতাৰ সমৰ্থকসকল। এওঁলোকে প্ৰলিতাৰিয়েতৰ বৈপ্লৱিক বে-আইনী পাৰ্টিৰ বিলোপ ঘটাই তাৰ ঠাইত জাৰতন্ত্ৰৰ অধীনত বৈধভাৱে কাম কৰিবলৈ সক্ষম এটা সুবিধাবাদী পাৰ্টি গঢ়াৰ দাবী জনাইছিল। ১৯১২ চনৰ জানুৱাৰীত অনুষ্ঠিত আৰ. এছ. ডি. এল. পি.-ৰ প্ৰাগ সম্মিলনত পাৰ্টিৰপৰা বিলুপ্তিবাদীসকলক বহিষ্কাৰ কৰা হয়। পৃঃ ৩৭

(৩৭) **'নাচে'** (কণ্ঠস্বৰ) — মেনছেভিক দৈনিক বাতৰিকাকত, ১৯১৪ চনৰ ছেপ্টেম্বৰৰপৰা ১৯১৫ চনৰ জানুৱাৰীলৈকে পেৰিছত প্ৰকাশিত হয়। এল.

প্ৰংশিক আছিল এই কাকতখনৰ মধ্যমণি। ইয়াৰ নীতি আছিল মধ্যপন্থী। প্ৰথম বিশ্ব-যুদ্ধৰ আৰম্ভণিৰ কালে মাৰ্তভৰ ভালেমান প্ৰবন্ধ ইয়াত প্ৰকাশিত হৈছিল, সেইবোৰ সামাজিক-জাতিদম্ভবাদীবিলাকৰ বিৰুদ্ধেই প্ৰধানকৈ চালিত হৈছিল। কিন্তু সোনকালেই দক্ষিণপন্থাৰ ফালে মাৰ্তভ ঢাল খোৱাৰ লগে লগে এই কাকতখনে ক্ৰমশঃ বেছিকৈ উগ্ৰ সামাজিক-স্বাদেশিকতাবাদী পন্থা গ্ৰহণ কৰে। পৃঃ ৩৭

(৩৮) ১৬ নং টীকা চাওক। পৃঃ ৩৭

(৩৯) সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধৰ আৰম্ভণিতে পেৰিছত থকা ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ বিদেশস্থ সংস্থাবোৰৰ কমিটিৰ সদস্যসকলৰ একাংশ আৰু মেনছেভিক তথা ছচিয়েলিষ্ট-ৰিভলিউছনেৰিসকলেৰে সৈতে পেৰিছ বলছেভিক শাখাৰ একাংশই 'ৰুছ প্ৰজাতন্ত্ৰীসকলৰ' ইস্তাহাৰ গ্ৰহণ কৰি ফৰাচী বাতৰিকাকতত প্ৰকাশ কৰে, তাৰ পিছত ৰণাঙ্গনত যোগ দিয়ে। 'ল্যুমানিতে' কাকতত পোৱিছ ছচিয়েল-ডেমক্ৰেটিক স্বেচ্ছাসেৱকসকলৰো ঘোষণা প্ৰকাশিত হয়।

বলছেভিকসকলৰ বিদেশস্থ গ্ৰুপবিলাকৰ জেনেভাত বহা সংবিধানী কংগ্ৰেছত (১৯০৫ চনৰ ১৫-১৯ মাৰ্চ) ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ বিদেশস্থ সংস্থাবোৰৰ কমিটি নেতৃস্থানীয় সংস্থা হিচাপে গঠিত হয়, ইয়েই সিসকলক একেটি সংগঠনৰ মাজত ঐক্যবদ্ধ কৰে। পৃঃ ৩৮

(৪০) **পেৰিছ গোষ্ঠী** অথবা ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ (আৰ. এছ. ডি. এল. পি.) সহকৰ্মী গ্ৰুপ ১৯০৮ চনৰ ৫(১৮) নৱেম্বৰত গঠিত হয়। পেৰিছ গোষ্ঠীয়ে আন্তৰ্জাতিকতাবাদী এক অৱস্থান গ্ৰহণ কৰে আৰু ভি. আই. লেনিনৰ নেতৃত্বত সাম্ৰাজ্যবাদী যুদ্ধৰ আৰু সুবিধাবাদীবোৰৰ বিৰুদ্ধে সক্ৰিয় সংগ্ৰাম চলায়। পৃঃ ৩৮

(৪১) ইয়াত **'যুদ্ধ সম্পৰ্কে থিছিছ'**-ৰ কথা ('ইউৰোপীয় যুদ্ধত বিপ্লৱী ছচিয়েল-ডেমক্ৰেচিৰ কৰ্তব্য') কোৱা হৈছে। এয়া আছিল সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধ সম্পৰ্কে বলছেভিক পাৰ্টি আৰু আন্তৰ্জাতিক বিপ্লৱী ছচিয়েল-ডেমক্ৰেচিৰ মনোভাৱ সূত্ৰবদ্ধ কৰি ৰচিত প্ৰথম দলিল। ১৯১৪ চনৰ ছেপ্টেম্বৰৰ আৰম্ভণিতে লেনিনে এই থিছিছ লিখে।

১৯১৪ চনৰ ৬ ছেপ্টেম্বৰত (নতুন কেলেণ্ডাৰ মতে), পৰোনিনৰপৰা (অষ্ট্ৰিয়া-হাঙ্গেৰি) বাৰ্ন (ছুইজৰ্লেণ্ড) আহি পোৱাৰ পিছ দিনাই ভি. আই. লেনিনে বলছেভিক দেশান্তৰীসকলৰ বাৰ্ন গোষ্ঠীৰ এখন সভাত ভাষণ দিয়ে। ইয়াত তেওঁ 'যুদ্ধ সম্পৰ্কে থিছিছ'ত সূত্ৰায়িত প্ৰতিপাদ্যবিলাকৰ বৰ্ণনা আৰু ব্যাখ্যাৰে এক প্ৰতিবেদন দাঙি ধৰে। বিতং আলোচনাৰ পাছত সভাই সেইবোৰক

ইয়াৰ প্ৰস্তাৱ হিচাপে গ্ৰহণ কৰে। 'এদল ছচিয়েল-ডেমক্ৰেট, আৰ. এছ. ডি. এল. পি.-ৰ সদস্যবৃন্দ' নামেৰে স্বাক্ষৰিত এই থিছিছবিলাক বিদেশত থকা অন্যান্য বলছেভিক শাখালৈ পঠোৱা হয়।

কেন্দ্ৰীয় কমিটিৰ ৰুছ অংশ, চতুৰ্থ ৰাষ্ট্ৰীয় দুমাত বলছেভিক গোষ্ঠী আৰু পাৰ্টি সংগঠনবোৰৰ মাজত আলোচনাৰ কাৰণে এই থিছিছবোৰ ৰাছিয়ালৈও পঠোৱা হয়। এইবিলাক ৰাছিয়াত ব্যাপকভাৱে প্ৰচাৰিত হৈছিল।

থিছিছবিলাক যথাসম্ভৱ ব্যাপকভাৱে প্ৰচাৰ কৰাৰ উদ্দেশ্যে প্ৰস্তাৱ কৰা হৈছিল যে সেইবিলাকে বলছেভিকসকলৰ বাৰ্ণ সম্মিলনৰ সিদ্ধান্ত হিচাপে এখন প্ৰচাৰ-পত্ৰৰ আকাৰত বেলেগে প্ৰকাশ কৰা উচিত। লেনিনে এই সন্দৰ্ভত থিছিছবিলাকৰ কাৰণে এটি পাতনি লিখিছিল; কিন্তু অলপ দিনৰ পাছতে স্থিৰ কৰা হয় যে থিছিছৰ পৰিবৰ্তে 'যুদ্ধ আৰু ৰুছ ছচিয়েল-ডেমক্ৰেচি' নামেৰে এখন ইস্তাহাৰ প্ৰকাশ কৰা হ'ব (এইখনো আৰ. এছ. ডি. এল. পি.-ৰ এদল সদস্যৰ পক্ষৰপৰা)। লেনিনে তেওঁৰ থিছিছৰ ভিত্তিত ইস্তাহাৰখন লিখে। পৃঃ ৩৮

(৪২) **লুগানো সম্মিলন** — ১৯১৪ চনৰ ২৭ ছেপ্টেম্বৰত ইটালীয় আৰু ছুইছ ছচিয়েলিষ্টসকলৰ লুগানোত অনুষ্ঠিত এখন সম্মিলন। বিশ্ব-যুদ্ধৰ সময়ত সমাজতন্ত্ৰীসকলৰ এইখনেই আছিল প্ৰথম সম্মিলন আৰু ইয়াত আন্তৰ্জাতিক যোগসূত্ৰবোৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হয়।

সাম্ৰাজ্যবাদী যুদ্ধ সম্পৰ্কে বলছেভিকসকলৰ দৃষ্টিভঙ্গীৰ লগত প্ৰতিনিধিসকলক পৰিচিত কৰোৱাৰ কাৰণে ছুইছ ছচিয়েল-ডেমক্ৰেটসকলৰ যোগে ভি. আই. লেনিনৰ থিছিছবিলাক সম্মিলনলৈ প্ৰেৰিত হৈছিল। এইবিলাকৰ মাজৰপৰাই গোটাচেৰেক ধাৰা সম্মিলনৰ প্ৰস্তাৱসমূহত অন্তৰ্ভুক্ত কৰা হয়।

কিন্তু সাম্ৰাজ্যবাদী যুদ্ধক গৃহযুদ্ধলৈ ৰূপান্তৰিত কৰাৰ বলছেভিক আহ্বানক এই সম্মিলনে সমৰ্থন কৰা নাছিল, আৰু সামাজিক-জাতিদম্ভবাদীসকলৰ লগত দৃঢ়তাৰে সম্পৰ্ক ছিন্ন কৰাৰ কাৰণেও প্ৰকাশ্যে ওলাই অহা নাছিল। অন্য দেশলৈ যুদ্ধ বিস্তাৰিত কৰাৰ বিৰুদ্ধে নানান উপায়ে সংগ্ৰাম কৰিবলৈ সমাজতন্ত্ৰীসকলক আহ্বান জনোৱাৰ মাজতে, আৰু 'যথাসম্ভৱ শীঘ্ৰে অমানুষিক ৰক্তপাত বন্ধ কৰাৰ উদ্দেশ্যে ৰণলিপ্ত দেশসমূহৰ চৰকাৰবোৰৰ মাজত যাতে কূটনৈতিক আলোচনা আৰম্ভ কৰা যায়,' তাৰ বাবে নিৰপেক্ষ দেশসমূহত সমাজতন্ত্ৰীসকলৰ আগত সিবিলাকৰ চৰকাৰক আহ্বান জনাবলৈ প্ৰস্তাৱ দাঙি ধৰাৰ মাজতেই এই সম্মিলন সীমাবদ্ধ আছিল।

পৃঃ ৩৮

(৪৩) বিসকল সামাজিক-জাতিদম্ভবাদীয়ে তেওঁলোকৰ বিশ্বাসঘাতকতাপূৰ্ণ নীতিৰ ন্যায্যতা প্ৰতিপন্ন কৰিবলৈ এফ. এঙ্গেলছৰ 'জাৰ্মানিত সমাজতন্ত্ৰ' প্ৰবন্ধটি

উদ্ধৃত কৰিছিল, সেইসকলৰ স্বৰূপ উন্মাটন কৰি অনোৱা এফ. মেহৰিঙৰ প্ৰতিবাদৰ কথা ইয়াত উল্লেখ কৰা হৈছে। প্ৰতিবাদটো ১৯১৪ চনৰ ১৪ ছেপ্টেম্বৰত 'Bremer Bürger Zeitung' কাকতৰ ২১৪ নং সংখ্যাত প্ৰকাশিত হৈছিল।

'Bremer Bürger Zeitung' ('ব্ৰেমেন চিভিল সংবাদপত্ৰ') — এখন দৈনিক ছচিয়েল-ডেমক্ৰেটিক বাতৰিকাকত, ১৮৯০ চনৰপৰা ১৯১১ চনলৈ প্ৰকাশিত হয়। ১৯১৬ চনৰ আগলৈকে এইখন ব্ৰেমেন বামপন্থী ছচিয়েল-ডেমক্ৰেটসকলৰ প্ৰভাৱাধীনত আছিল, তাৰ পাছত কাকতখন সামাজিক-জাত্যভিমানীসকলৰ হাতলৈ যায়। পৃঃ ৩৮

(৪৪) *'Volksrecht'* (গণ-অধিকাৰ) — দৈনিক বাতৰিকাকত, জুইজাৰ্লেণ্ডৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ মুখপত্ৰ; ১৮৯৮ চনৰপৰা পোৰিছত প্ৰকাশিত হয়। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত (১৯১৪-১৯১৮) কাকতখনত বামপন্থী ছচিয়েল-ডেমক্ৰেটসকলৰ প্ৰবন্ধ ছপা হৈছিল। পৃঃ ৩৮

(৪৫) 'Die Neue Zeit' (নব-যুগ) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ তত্ত্বগত আলোচনী, ১৮৮৩-ৰপৰা ১৯২৩ চনলৈ ষ্টুটগাৰ্টত প্ৰকাশিত হয়। ১৮৮৫ চনৰপৰা ১৮৯৫ চনৰ ভিতৰত কাকতখনে এফ. এঙ্গেলছৰ ভালেমান প্ৰবন্ধ প্ৰকাশ কৰিছিল। তেওঁ সততে সম্পাদকমণ্ডলীক পৰামৰ্শ দিছিল আৰু মাৰ্ক্সবাদৰ বিচ্যুতিৰ কাৰণে তেওঁলোকক তীব্ৰ সমালোচনা কৰিছিল। ১৮৯০-ৰ দশকৰ শেষাৰ্দ্ধত এঙ্গেলছৰ মৃত্যুৰ পাছত, এই কাকতখনত নিয়মিতভাৱে সংশোধনবাদীসকলৰ প্ৰবন্ধ প্ৰকাশ হ'বলৈ ধৰে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই আলোচনীয়ে মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে আৰু কাৰ্য্যতঃ সামাজিক-জাত্যভিমানীসকলক সমৰ্থন কৰে। পৃঃ ৩৯

(৪৬) ২৬ নং টীকা চাওক। পৃঃ ৪০

(৪৭) ৰুছ সাহিত্যিক এন. ভি. গগলৰ 'ইভান নিকিফৰভিচৰ লগত ইভান ইভানভিচৰ কাজিয়াৰ কাহিনীৰ চৰিত্ৰৰ কথা কোৱা হৈছে। পৃঃ ৪৩

(৪৮) 'নাছে স্লোভো' (আমাৰ কথা) — ১৯১৫ চনৰ জানুৱাৰীৰপৰা ১৯১৬ চনৰ ছেপ্টেম্বৰলৈ পেৰিছত মেনছেভিকসকলৰ দ্বাৰা প্ৰকাশিত এখন সুবিধাবাদী দৈনিক বাতৰিকাকত; ই 'গলোছ' কাকতৰ ঠাইত প্ৰকাশিত হৈছিল।

লণ্ডনত আঁতাত দেশবোৰৰ সমাজতন্ত্ৰীসকলৰ আসন্ন সম্মিলনৰ সন্দৰ্ভত সামাজিক-দেশাত্মবোধৰ বিৰুদ্ধে যুটীয়া কৰ্ম তৎপৰতাৰ কাৰণে 'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীয়ে যি প্ৰস্তাৱ কৰিছিল, লেনিনৰ চিঠিখন হৈছে তাৰেই উত্তৰ। ভি. আই. লেনিনে সাঁমধানত উক্ত প্ৰস্তাৱত সম্মতি জনায়, লণ্ডন সম্মিলনত পাঠ কৰিব লগা এটি খচৰা ঘোষণা ৰচনা কৰে

আৰু 'নাছে স্লোভো' কাকতৰ সম্পাদকমণ্ডলীয়ে যুটীয়া কৰ্মতৎপৰতাত অংশগ্ৰহণ কৰিবলৈ যাক আহ্বান জনাইছিল সেই মেনছেভিক সাংগঠনিক কমিটি আৰু বুন্দৰ (৬৬ আৰু ৬৮ নং টোকা চাওক) সামাজিক-জাতিদম্ভবাদী নীতিৰ সমালোচনা কৰে। কাকতৰ সম্পাদকমণ্ডলীয়ে ভি. আই. লেনিনৰ প্ৰস্তাৱত সম্মতি নজনালে আৰু নিজৰ খোৱলাটি লিখিলে।

লণ্ডন সম্মিলনৰ পাছত 'নাছে স্লোভো'ৰ সম্পাদকমণ্ডলীয়ে ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ কেন্দ্ৰীয় কমিটিলৈ আকৌ এই প্ৰস্তাৱ আগ বঢ়াইছিল যে যুদ্ধ আৰু সামাজিক-জাত্যাভিমানীবোৰৰ সম্পৰ্কে দৃষ্টিভঙ্গী স্থিৰ কৰিবলৈ 'আন্তৰ্জাতিকতাবাদীসকলৰ' এখন যুটীয়া সভা আহ্বান কৰা হওক। কাকতখনৰ সম্পাদকমণ্ডলীলৈ ১৯১৫ চনৰ ১০ (২৩) মাৰ্চত পঠোৱা উত্তৰত ভি. আই. লেনিনে গোটাচেৰেক মূল চৰ্ত উপস্থিত কৰে, যাৰ ভিত্তিত প্ৰকৃত আন্তৰ্জাতিকতাবাদীসকলৰ একীকৰণ সম্ভৱ বুলি তেওঁ বিশ্বাস কৰিছিল। কিন্তু 'নাছে স্লোভো'ৰ সম্পাদকমণ্ডলীয়ে সাংগঠনিক কমিটি আৰু বুন্দৰ গৃহীত মনোভাৱত সমৰ্থন জনোৱাত লেনিনে সেই আলোচনা বন্ধ কৰি দিয়ে। পৃঃ ৪৫

(৪৯) **আঁতাত** — সাম্ৰাজ্যবাদী শক্তিবৰ্গৰ (ব্ৰিটেইন, ফ্ৰান্স আৰু ৰুছিয়া) এক মিত্ৰ-গোট, ১৯০৭ চনত চূড়ান্ত ৰূপ ধাৰণ কৰে; ইয়াৰ লক্ষ্য আছিল সাম্ৰাজ্যবাদী ত্ৰয়ী মিত্ৰ-গোটৰ (জাৰ্মানি, অষ্ট্ৰিয়া-হাঙ্গেৰী আৰু ইটালি) বিপক্ষে থিয় দিয়া। আঁতাত নামৰ উদ্ভৱ হয় ১৯০৪ চনত স্বাক্ষৰিত ইঙ্গ-ফৰাচী চুক্তি 'Entente Cordiale' (আন্তৰিক বুজাবুজি)-ৰপৰা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আঁতাতত মাৰ্কিন যুক্তৰাষ্ট্ৰ, জাপান আৰু অন্যান্য দেশে যোগ দিয়ে। অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পাছত এই মিত্ৰ-গোটৰ প্ৰধান পাণ্ডা ব্ৰিটেইন, ফ্ৰান্স, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু জাপান আছিল ছোভিয়েত দেশৰ বিৰুদ্ধে সামৰিক হস্তক্ষেপৰ প্ৰেৰণাদাতা, সংগঠক আৰু সহযোগী।

আঁতাত গোষ্ঠীৰ দেশবোৰৰ সমাজতন্ত্ৰীসকলৰ লণ্ডন সম্মিলন ১৯১৫ চনৰ ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈছিল। ইয়াত ব্ৰিটেইন, ফ্ৰান্স, বেলজিয়ামৰ সমাজতন্ত্ৰী পাৰ্টিবোৰৰ সামাজিক-জাতিদম্ভবাদী আৰু শান্তিবাদী গোষ্ঠীৰ আৰু ৰুছিয়াৰপৰা মেনছেভিক আৰু ছচিয়েলিষ্ট-ৰিভলিউছনেৰীবিলাকৰ প্ৰতিনিধিবৃন্দই যোগ দিছিল।

বলছেভিকসকলক এই সম্মিলনলৈ মতা নহৈছিল; কিন্তু ভি. আই. লেনিনৰ নিৰ্দেশ মতে তেওঁৰ দ্বাৰা ৰচিত আৰ. এছ. ডি. এল. পি.-ৰ কেন্দ্ৰীয় কমিটিৰ এটি ঘোষণা বিবৃত কৰাৰ উদ্দেশ্যেৰে এম. এম. লিংভিনভ (১৮৭৬-১৯৫১, ছচিয়েল-ডেমক্ৰেট, বলছেভিক, বিশিষ্ট, ছোভিয়েত কূটনীতিবিদ) তালৈ যায়। এই ঘোষণাত দাবী কৰা হয় যে সমাজতন্ত্ৰীসকলে বুৰ্জোৱা চৰকাৰবিলাকৰপৰা প্ৰত্যাহাৰ কৰা উচিত, সাম্ৰাজ্যবাদীবোৰৰ লগত

সম্পৰ্ক সম্পূৰ্ণে ছিন্ন কৰা আৰু সিবোৰৰ লগত সহযোগিতা কৰিবলৈ অস্বীকাৰ কৰা উচিত; তেওঁলোকে বৰঞ্চ নিজৰ নিজৰ সাম্ৰাজ্যবাদী চৰকাৰবোৰৰ বিৰুদ্ধে সুদৃঢ় সংগ্ৰাম চলাব লাগিব আৰু যুদ্ধ-ঋণৰ পক্ষে ভোটদানক নিন্দা কৰিব লাগিব। সেই ঘোষণা দাঙি ধৰাৰ সময়ত লিংভিনভক কথা ক'বলৈ বাৰে বাৰে নিষেধ কৰা হয় আৰু বাধা দিয়া হয়, সেয়ে তেওঁ সভাপতিমণ্ডলীৰ হাতত ঘোষণাৰ পাঠ গতাই দি সম্মিলন ত্যাগ কৰিবলৈ বাধ্য হয়।

ভি. আই. লেনিনে আঙুলিয়াই দিছিল যে এই সম্মিলন আছিল ব্ৰিটেইন আৰু ফ্ৰান্সৰ বুৰ্জোৱাসকলৰ পক্ষে ব্ৰিটিছ আৰু ফৰাচী সমাজতন্ত্ৰীসকলক নিজৰ পক্ষলৈ টানি অনাৰ ক্ষেত্ৰত সুনিপুণ পৰিচালনা। পৃঃ ৪৫

(৫০) **'ন্যোংছিয়াল-ডেমোক্ৰাৎ'** (ছচিয়েল-ডেমক্ৰেট) — এখন বে-আইনী বাতৰিকাকত, ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ কেন্দ্ৰীয় মুখপত্ৰ, ১৯০৮ চনৰ ফেব্ৰুৱাৰীৰপৰা ১৯১৭ চনৰ জানুৱাৰীলৈকে বিদেশত প্ৰকাশিত। ১৯১১ চনৰ ডিচেম্বৰৰপৰা কাকতখন লেনিনে সম্পাদনা কৰিছিল।

প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই কাকতখনে আন্তৰ্জাতিক সুবিধাবাদ, জাতীয়তাবাদ আৰু জাতিদম্ভৰ বিৰুদ্ধে সংগ্ৰামত গুৰুপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। পৃঃ ৪৫

(৫১) **আন্তৰ্জাতিক ছচিয়েলিষ্ট ব্যুৰো** — দ্বিতীয় আন্তৰ্জাতিকৰ স্থায়ী কাৰ্যনিৰ্বাহী আৰু সংবাদ সংস্থা। ১৯০০ চনত দ্বিতীয় আন্তৰ্জাতিকৰ পেৰিছ কংগ্ৰেছত এই সংস্থা গঠনৰ সিদ্ধান্ত গৃহীত হয়। ইয়াৰ সদৰ কাৰ্যালয় স্থাপিত হৈছিল ব্ৰাছেল্ছত। যুদ্ধ লগাৰ পাছত (১৯১৪) এই সংস্থা সামাজিক-জাতিদম্ভবাদীবোৰৰ এপাত আজ্ঞাবহ হাতিয়াৰত পৰিণত হয়। পৃঃ ৪৫

(৫২) ২৬ নং টীকা চাওক।

(৫৩) **শান্তিবাদ** (pacifism) — এটা উদাৰনৈতিক ধাৰা, শান্তিৰ নিষ্ক্ৰিয় প্ৰচাৰ, যুদ্ধৰ কাৰণবোৰ বিলুপ্ত নকৰাকৈ 'স্থায়ী' শান্তি স্থাপনৰ সম্ভাৱনাত বিশ্বাস। পৃঃ ৪৭

(৫৪) ১৮৭০ চনৰপৰা ১৯১৪ চনলৈকে এই কালছোৱাৰ কথা কোৱা হৈছে। পৃঃ ৫০

(৫৫) ১৯১৪ চনৰ পৰৱৰ্তী কালছোৱাৰ কথা কোৱা হৈছে। পৃঃ ৫০

(৫৬) ২৬ নং টীকা চাওক। পৃঃ ৫১

(৫৭) **'নাছে দিয়েলো'** (আমাৰ কাম) — মাহেকীয়া মেনছেভিক কাকত, ৰুছিয়াৰ

সামাজিক-জাতিদম্ভবাদী আৰু বিলুপ্তিবাদীসকলৰ প্ৰধান মুখপত্ৰ, ১৯১৪ চনৰ অক্টোবৰত 'নাছা জাৰিয়া' (আমাৰ প্ৰভাত) কাকত বন্ধ হোৱাত তাৰ ঠাইত ১৯১৫ চনত পেত্ৰোগ্ৰাদত এইখন প্ৰকাশিত হয়। পৃঃ ৫১

(৫৮) 'অব্‌শ্চো দিয়েলো' (অভিন্ন কৰ্ম)-পন্থীসকল ('প্ৰশস্ত' সমাজতন্ত্ৰী নামেৰেও পৰিচিত — বুলগেৰীয় ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ ভিতৰত এটি সুবিধাবাদী প্ৰৱণতা, ১৯০০ চনৰপৰা এওঁলোকে 'অব্‌শ্চো দিয়েলো' কাকতখন প্ৰকাশ কৰে। ১৯০৩ চনত বুছা নগৰীত অনুষ্ঠিত দশম কংগ্ৰেছত উক্ত পাৰ্টিত বিভেদ ঘটাৰ পাছত তেওঁলোকে সংস্কাৰবাদী বুলগেৰীয় ছচিয়েল-ডেমক্ৰেটিক ('প্ৰশস্ত' সমাজতন্ত্ৰীসকলৰ) পাৰ্টি গঠন কৰে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁলোকে উগ্ৰ-স্বাদেশিকতাবাদী অৱস্থান গ্ৰহণ কৰে।

তেছনিয়াকি — ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিত বিভেদ ঘটাৰ পাছত ১৯০৩ চনত প্ৰতিষ্ঠিত বুলগেৰিয়াৰ বিপ্লৱী ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টি। ১৯১৪-১৯১৮ চনত 'তেছ্‌নিয়াকি'য়ে সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰুদ্ধে থিয় দিয়ে। ১৯১৯ চনত তেওঁলোকে কমিউনিষ্ট আন্তৰ্জাতিকত যোগ দিয়ে আৰু বুলগেৰিয়াৰ কমিউনিষ্ট পাৰ্টি গঠন কৰে। পৃঃ ৫১

(৫৯) 'The Daily Citizen' (দৈনিক নাগৰিক) — এখন দৈনিক বাতৰিকাকত, ব্ৰিটেইনৰ লেবাৰ পাৰ্টি, ফেবিয়ান আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ সুবিধাবাদী অংশটোৰ মুখপত্ৰ। ১৯১২ চনৰপৰা ১৯১৫ চনলৈ লণ্ডন আৰু মাঞ্চেষ্টাৰত প্ৰকাশিত হয়। পৃঃ ৫১

(৬০) 'The Daily Herald' (দৈনিক অগ্ৰদূত) — দৈনিক সংবাদপত্ৰ, ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টিৰ মুখপত্ৰ; ১৯১২ চনৰপৰা লণ্ডনত প্ৰকাশিত। পৃঃ ৫১

(৬১) ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি — ৩৩ নং টীকা চাওক।
ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টি — ১৪ নং টীকা চাওক। পৃঃ ৫১

(৬২) ফেবিয়ান — ১৮৮৪ চনত স্থাপিত ব্ৰিটিছ সংস্কাৰবাদী সংগঠন ফেবিয়ান ছচাইটিৰ সদস্য। এই সংস্থাৰ সদস্যসকল আছিল প্ৰধানতঃ বুৰ্জোৱা বুদ্ধিজীৱী। তেওঁলোকে প্ৰলিতাৰিয়েতৰ শ্ৰেণী-সংগ্ৰাম চলোৱাৰ আৰু সমাজতান্ত্ৰিক বিপ্লৱ সম্পন্ন কৰাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিছিল আৰু এই মত পোষণ কৰিছিল যে সৰু-সুৰা সংস্কাৰমূলক কাৰ্য্য আৰু সমাজৰ ক্ৰমাগত ৰূপান্তৰৰ মাজেৰেহে পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ উত্তৰণ ঘটোৱা সম্ভৱ। ১৯০০ চনত ফেবিয়ান ছচাইটিয়ে লেবাৰ পাৰ্টিত যোগ দিয়ে।

প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত ফেবিয়ানসকলে সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। পৃঃ ৫১

(৬৩) **ব্রিটিছ লেবাৰ পাৰ্টি** — ইংলণ্ডত ১৯০০ চনত সংসদলৈ স্বতন্ত্র শ্রমিক প্রতিনিধি প্রেৰণৰ উদ্দেশ্যে বিভিন্ন ট্রেড ইউনিয়ন, সমাজতান্ত্রিক সংগঠন আৰু গোষ্ঠীৰ এক সমিতি হিচাপে এই পাৰ্টি স্থাপিত হৈছিল আৰু তেতিয়া তাৰ নাম আছিল 'শ্রমিক প্রতিনিধিত্ব কমিটি'। ১৯০৬ চনত এই কমিটিৰ নতুন নামকৰণ হয় লেবাৰ পাৰ্টি। প্রথমতে লেবাৰ পাৰ্টি আছিল শ্রমিকসকলৰ এটা পাৰ্টি, কিন্তু পাছত এক বৃহৎ সংখ্যাৰ পেটি-বুর্জোৱা লোকে ইয়াত যোগ দিয়ে। মতাদর্শ আৰু কর্মকৌশলৰ ফালৰপৰা ই এটা সুবিধাবাদী সংগঠনত পৰিণত হয়। গঠনৰ মুহূর্তৰপৰাই ইয়াৰ নেতাসকলে বুর্জোৱাৰ লগত শ্রেণী-সহযোগিতাৰ নীতি অনুসৰণ কৰে। প্রথম বিশ্ব-যুদ্ধৰ সময়ত ইয়াৰ নেতাসকলে সামাজিক-জাত্যাভিমানী অৱস্থান গ্রহণ কৰে। পৃঃ ৫১

(৬৪) **বিদেশত থকা ৰুছ ছচিয়েল-ডেমক্রেটিক শ্রমিক পাৰ্টিৰ গোষ্ঠীবোৰৰ সম্মিলন** ১৯১৫ চনত ২৭ ফেব্রুৱাৰীৰপৰা ৪ মাৰ্চলৈ বাৰ্ণত (ছুইজাৰ্লেণ্ডত) অনুষ্ঠিত হৈছিল। এই সম্মিলন লেনিনৰ উদ্যোগত আয়োজিত হৈছিল আৰু সদৌ-পাৰ্টি সম্মিলনৰ দৰে ইয়াৰ গুৰুত্ব আছিল, কাৰণ যুদ্ধৰ সময়ত সদৌ-ৰুছ সম্মিলন কৰা সম্ভৱ নাছিল। লেনিনে কেন্দ্রীয় কমিটি আৰু পাৰ্টিৰ কেন্দ্রীয় মুখপত্র 'ছোৎছিয়াল-দেমোক্রাৎ'ৰ প্রতিনিধিত্ব কৰে, সম্মিলনৰ বিভিন্ন কার্য্য পৰিচালনা কৰে আৰু আলোচ্য-সূচীৰ প্রধান বিষয় 'যুদ্ধ আৰু পাৰ্টিৰ কাম' সম্পৰ্কে এখনি প্রতিবেদন উত্থাপন কৰে। সম্মিলনত যুদ্ধ সম্পৰ্কে লেনিনৰ প্রস্তাবসমূহ গৃহীত হয়। পৃঃ ৫৩

(৬৫) ৪৮ নং টীকা চাওক। পৃঃ ৫৫

(৬৬) **সাংগঠনিক কমিটি** — ১৯১২ চনৰ আগষ্ট মাহত বিলুপ্তিবাদীসকলৰ সম্মিলনত গঠিত মেনছেভিকসকলৰ পৰিচালন-কেন্দ্র। প্রথম বিশ্ব-যুদ্ধৰ সময়ত (১৯১৪-১৯১৮) এই কমিটিয়ে সামাজিক-উগ্ৰ স্বাদেশিকতাৰ নীতি গ্রহণ কৰিছিল, জাৰতন্ত্ৰী চৰকাৰৰ দ্বাৰা চালিত যুদ্ধৰ ন্যায্যতা প্রতিপন্ন কৰিছিল আৰু জাতীয়তাবাদ তথা জাতিদম্ভ প্রচাৰ কৰিছিল। পৃঃ ৫৬

(৬৭) মেনছেভিক-বিলুপ্তিবাদীসকলৰ 'নাছা জাৰিয়া' কাকতৰ কথা ইয়াত কোৱা হৈছে। পৃঃ ৫৬

(৬৮) **বুন্দ** — ১৮৯৭ চনত প্রতিষ্ঠিত লিথুৱানিয়া, পোলেণ্ড আৰু ৰুছিয়াৰ সাধাৰণ ইহুদী শ্রমিক ইউনিয়ন। ইয়াৰ মাজত প্রধানকৈ ৰুছিয়াৰ দক্ষিণাঞ্চলবোৰৰ অৰ্দ্ধ-প্রলিতাৰীয় ইহুদী কাৰুশিল্পীসকল ঐক্যবদ্ধ হৈছিল। ১৮৯৮ চনৰ মাৰ্চ মাহত আৰ. এছ. ডি. এল. পি.-ৰ প্রথম কংগ্রেছত বুন্দে যোগ দিয়ে। ১৯০৩ চনৰ জুলাই-আগষ্ট মাহত অনুষ্ঠিত এই পাৰ্টিৰ দ্বিতীয়

কংগ্ৰেছত বুন্দৰ প্ৰতিনিধিসকলে ইহুদী শ্ৰমিকসকলৰ একমাত্ৰ প্ৰতিনিধি হিচাপে বুন্দক স্বীকৃতি দিবলৈ দাবী জনায়। কংগ্ৰেছে বুন্দৰ সাংগঠনিক জাতীয়তাবাদক প্ৰত্যাখ্যান কৰাৰ পাছত বুন্দ এই পাৰ্টিৰপৰা ওলাই যায়।

১৯০৬ চনত ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ চতুৰ্থ (ঐক্য) কংগ্ৰেছৰ পাছত বুন্দে আকৌ এই পাৰ্টিত যোগ দিয়ে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত বুন্দৰ সদস্যসকলে সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। ১৯১৭ চনত বুন্দে বুৰ্জোৱা অস্থায়ী চৰকাৰক সমৰ্থন কৰে আৰু অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ শত্ৰুহ'তৰ লগত সহযোগিতা কৰে। ১৯২১ চনৰ মাৰ্চ মাহত বুন্দ নিজেই ভাঙি যায়। পৃঃ ৫৭

(৬৯) **'ভপ্ৰোছি স্ত্ৰাখোভানিয়া'** (বীমাৰ সমস্যা) — এখন বৈধ বলছেভিক কাকত, ১৯১৩ চনৰ অক্টোবৰৰপৰা ১৯১৮ চনৰ ফেব্ৰুৱাৰীলৈ ছেণ্ট পিটাৰ্ছবুৰ্গত এৰা-ধৰাকৈ প্ৰকাশিত হৈছিল। পৃঃ ৬৯

(৭০) **'নাছে দিয়েলো'** — ৫৭ নং টীকা চাওক।

**'স্ত্ৰাখোভানিয়ে ৰাবোচিখ'** (শ্ৰমিক বীমা) — মেনছেভিক বিলুপ্তিবাদীসকলৰ আলোচনী, ১৯১২ চনৰপৰা ১৯১৮ চনলৈ ছেণ্ট পিটাৰ্ছবুৰ্গত প্ৰকাশিত।

**'ছেভেৰ্নি গলোছ'** (উত্তৰৰ কণ্ঠস্বৰ) — সাপ্তাহিক মেনছেভিক কাকত, ১৯১৫ চনত জানুৱাৰীৰপৰা মাৰ্চলৈ পেট্ৰোগ্ৰাদত প্ৰকাশিত। পৃঃ ৫৯

(৭১) **'সমাজতন্ত্ৰ আৰু যুদ্ধ'** (যুদ্ধ সম্পৰ্কে ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ মনোভাৱে) পুস্তিকাখনি প্ৰথম আন্তৰ্জাতিক সমাজতান্ত্ৰিক সম্মিলনৰ বাবে আয়োজনৰ সন্দৰ্ভত ভি. আই. লেনিনে পৰিকল্পনা কৰে।

বৈপ্লৱিক অৱস্থান সম্পৰ্কে আন্তৰ্জাতিক ছচিয়েল-ডেমক্ৰেচিৰ বামপন্থী অংশক সমবেত কৰাৰ উদ্দেশ্যে ছিমেৰ্ভাল্ডত হ'ব লগা আসন্ন প্ৰথম আন্তৰ্জাতিক সমাজতান্ত্ৰিক সম্মিলনক কামত লগোৱাৰ গুৰুত্বলৈ লক্ষ্য ৰাখি লেনিনে এই পুস্তিকাৰ প্ৰকাশৰ কাৰণে অশেষ চেষ্টা কৰে।

'সমাজতন্ত্ৰ আৰু যুদ্ধ' পুস্তিকাখনি ৰুছ আৰু জাৰ্মান ভাষাত ছিমেৰ্ভাল্ড সম্মিলনৰ আগে আগে প্ৰকাশিত হয় আৰু সম্মিলনৰ অংশগ্ৰহণকাৰীসকলৰ মাজত বিতৰণ কৰা হয়। পৃঃ ৬৫

(৭২) **সাংস্কৃতিক আৰু জাতিগত স্বশাসন** — বিগত শতিকাৰ ৯০-ৰ দশকত জাতীয় সমস্যা সম্পৰ্কে অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেট অ. বাউয়েৰ আৰু কে. ৰেণাৰৰ দ্বাৰা প্ৰস্তাবিত এখন সুবিধাবাদী কাৰ্য্যসূচী। ইয়াৰ মূল কথা আছিল: এটা জাতিসত্তাৰ মানুহ দেশৰ য'তেই বসবাস নকৰক লাগিলে, তেওঁলোকে এটা স্বশাসিত জাতীয় ইউনিয়ন গঠন কৰিব আৰু স্কুল-ব্যৱস্থা (বিভিন্ন জাতিসত্তাৰ

লা-ছোৱালীৰ বাবে পৃথক স্কুল) আৰু শিক্ষা-সংস্কৃতিৰ অন্যান্য শাখাক বাধ্যই সম্পূৰ্ণে সেই ইউনিয়নৰ হাতত গতাই দিব। যদি এই কৰ্মসূচী প্ৰবৰ্তিত হয় তেনেহলে প্ৰত্যেকটি জাতীয় গোষ্ঠীৰ মাজত যাজক সম্প্ৰদায় আৰু প্ৰতিক্ৰিয়াশীল জাতীয়তাবাদী ভাবধাৰাৰ প্ৰভাব বাঢ়িব আৰু জাতি অনুযায়ী শ্ৰমিকসকলৰ বিভাজন ঘটাই শ্ৰমিক শ্ৰেণীৰ সংগঠন ব্যাহত কৰিব। সাংস্কৃতিক আৰু জাতিগত স্বশাসনক ভি. আই. লেনিনে তীব্ৰ সমালোচনা কৰে। পৃঃ ৬৬

(৭৩) ভি. আই. লেনিনে ভি. আডলেৰৰ 'Hoffnungsschimmer' (আশাৰ জিলিঙনি) প্ৰবন্ধটোৰ উদ্ধৃতি দিছে। এইটো প্ৰকাশিত হৈছিল ১৯১৫ চনৰ ১৪ ফেব্ৰুৱাৰীত 'Arbeiter Zeitung' কাকতৰ ৪৫ নং সংখ্যাত। পৃঃ ৬৭

(৭৪) ২৫ নং টীকা চাওক। পৃঃ ৬৭

(৭৫) ১৯১৫ চনৰ ১৪ ফেব্ৰুৱাৰীত হোৱা আঁতাত দেশবোৰৰ সমাজতন্ত্ৰীসকলৰ লণ্ডন সম্মিলনৰ, আৰু সেই বছৰৰে এপ্ৰিলত ভিয়েনাত অনুষ্ঠিত জাৰ্মান আৰু অষ্ট্ৰীয় সমাজতন্ত্ৰীসকলৰ সম্মিলনৰ কথা কোৱা হৈছে। ৪৯ নং টীকাও চাওক। পৃঃ ৬৮

(৭৬) লুগানো সম্মিলন — ৪২ নং টীকা চাওক।

**কোপেনহেগেন সম্মিলন** — ১৯১৫ চনৰ ১৭-১৮ জানুৱাৰীত নিৰপেক্ষ দেশসমূহৰ সমাজতন্ত্ৰীসকলৰ সম্মিলন। ছুইডেন, ডেনমাৰ্ক, নৰৱে আৰু হলেণ্ডৰ সমাজতান্ত্ৰিক পাৰ্টিৰ প্ৰতিনিধিসকলে ইয়াত অংশগ্ৰহণ কৰে। কৰ্ণালপ্ত দেশসমূহৰ মাজত মধ্যস্থতাৰ দায়িত্ব নিৰপেক্ষ দেশবোৰৰ ওপৰত ন্যস্ত কৰিব লাগিব আৰু শীঘ্ৰে শান্তি পুনৰ্স্থাপন কৰিব লাগিব — এই মৰ্মে এটি প্ৰস্তাব সম্মিলনে গ্ৰহণ কৰে। পৃঃ ৬৮

(৭৭) **আন্তৰ্জাতিক সমাজতান্ত্ৰিক নাৰী সম্মিলন** ১৯১৫ চনত ২৬-২৮ মাৰ্চত বাৰ্নত অনুষ্ঠিত হৈছিল।

ইয়াত ইংলণ্ড, জাৰ্মানি, হলেণ্ড, ফ্ৰান্স, পোলেণ্ড, ৰুছিয়া আৰু ছুইজাৰ্লেণ্ডৰ নাৰী সংগঠনবিলাকৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

সম্মিলনৰ নাৰী-প্ৰতিনিধিসকলৰ বৃহৎ অংশ আছিল মধ্যপন্থীৰ প্ৰভাৱত, গতিকেই যুদ্ধ-সংক্ৰান্ত সাধাৰণ সমাজতান্ত্ৰিক কৰ্তব্য সম্পৰ্কে আলোচনাৰ সলনি এই সম্মিলনৰ কাম ক্লৰা জেট্‌কিনৰ 'শান্তিৰ স্বাৰ্থত নাৰী-সমাজতন্ত্ৰীসকলৰ আন্তৰ্জাতিক কৰ্মাভিযান'ৰ বিপৰ্টতেই সীমাবদ্ধ থাকে। ভি. আই. লেনিনৰ দ্বাৰা ৰচিত এটা খচৰা প্ৰস্তাব ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ নাৰী প্ৰতিনিধিসকলে উত্থাপন কৰে, এই

প্ৰস্তাৱত যুদ্ধ আৰু আন্তৰ্জাতিক সুবিধাবাদৰ বিৰুদ্ধে সংগ্ৰামৰ বৈপ্লৱিক পথ-নিৰ্দেশ কৰা হৈছিল। কিন্তু সম্মিলনত মধ্যপন্থী ধৰণৰ এটা প্ৰস্তাৱহে গৃহীত হ'ল।

আন্তৰ্জাতিক সমাজতন্ত্ৰী যুৱক সম্মিলন বাৰ্ন নগৰীত অনুষ্ঠিত হৈছিল ১৯১৫ চনৰ ৪-৬ এপ্ৰিলত। ইয়াত যোগ দিছিল বুলগেৰিয়া, জাৰ্মানি, হলেণ্ড, ডেনমাৰ্ক, ইটালি, নৰৱে, পোলেণ্ড, ৰুছিয়া, ছুইজাৰ্লেণ্ড আৰু ছুইডেনৰ যুৱক সংগঠনৰ প্ৰতিনিধিসকলে। সম্মিলনৰ আলোচ্য-সূচীত প্ৰধান বিষয় আছিল 'যুদ্ধ আৰু সমাজতন্ত্ৰী যুৱক সংগঠনবোৰৰ কৰ্তব্য'। সম্মিলনখন সংগঠিত আৰু আয়োজিত কৰিছিল মধ্যপন্থী ৰবাৰ্ট গ্ৰিমে, আৰু এই ঘটনাই ইয়াৰ ফলাফলো নিৰ্দ্ধাৰিত কৰিছিল। ইয়াত মধ্যপন্থী ধাৰাৰ এটি প্ৰস্তাৱ গৃহীত হৈছিল।

সম্মিলনত সমাজতন্ত্ৰী যুৱ-সমাজৰ আন্তৰ্জাতিক বুৰো নিৰ্বাচিত হয় আৰু সমাজতন্ত্ৰী যুৱ-সমাজৰ আন্তৰ্জাতিক মুখপত্ৰ হিচাপে 'যুৱ-আন্তৰ্জাতিক' আলোচনী প্ৰকাশ কৰাৰ আৰু প্ৰত্যেক বছৰত আন্তৰ্জাতিক যুৱক দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত গৃহীত হয়। পৃঃ ৬৮

(৭৮) 'Lichtstrahlen' (পোহৰৰ ৰশ্মি) — মাহেকীয়া কাকত, জাৰ্মানিৰ বামপন্থী ছচিয়েল-ডেমক্ৰেটসকলৰ মুখপত্ৰ; জে. বোৰ্খাৰ্ডট-ৰ দ্বাৰা সম্পাদিত। ১৯১৮-ৰপৰা ১৯২১ চনলৈ বাৰ্লিনত অনিয়মিতভাৱে কাকতখন প্ৰকাশিত হয়।

'Die International' (আন্তৰ্জাতিক) — আৰ. লুক্সেমবুৰ্গ আৰু এফ. মেহৰিঙৰ দ্বাৰা প্ৰতিষ্ঠিত মাৰ্ক্সবাদৰ তত্ত্ব আৰু প্ৰয়োগৰ প্ৰশ্ন সম্পৰ্কে এখন আলোচনী। ১৯১৫ চনৰ এপ্ৰিলত ডিউছেল্‌ডৰ্ফত প্ৰথম সংখ্যা প্ৰকাশিত। ১৯১৮ চনত জাৰ্মানিত নৱেম্বৰ বিপ্লৱৰ পাছত আলোচনীখন পুনৰ প্ৰকাশ হ'বলৈ ধৰে। ফেছিষ্ট একনায়কত্বৰ সময়তো ১৯৩৯ চনলৈকে কাকতখন বে-আইনীভাৱে প্ৰকাশিত হয়। পৃঃ ৬৯

(৭৯) 'কমাণ্ডৰ' বিৰুদ্ধে Fronde, অৰ্থাৎ জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ চৰকাৰী নেতৃত্বৰ, ইয়াৰ কেন্দ্ৰীয় কমিটিৰ, ইয়াৰ সংসদীয় শাখা প্ৰভৃতিৰ বিৰুদ্ধে মৰ্চা। পৃঃ ৭০

(৮০) ৫৮ নং টীকা চাওক। পৃঃ ৭২

(৮১) ৩৩ নং টীকা চাওক। পৃঃ ৭২

(৮২) 'L'Humanité' (মানৱজাতি) — ফৰাচী সমাজতান্ত্ৰিক পাৰ্টিৰ মুখপত্ৰ হিচাপে ১৯০৪ চনত জাঁ জোৰেছৰ দ্বাৰা প্ৰতিষ্ঠিত এখন দৈনিক

বাতৰিকাকত। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এইখন আছিল ফৰাচী সমাজতান্ত্ৰিক পাৰ্টিৰ চৰম দক্ষিণপন্থী অংশৰ মুখপত্ৰ আৰু ইয়াৰ মতাৱস্থান আছিল সামাজিক-জাত্যাভিমানী। তুৰ কংগ্ৰেছত (১৯২০ চনৰ ডিচেম্বৰত) সমাজতন্ত্ৰী পাৰ্টিত ভাঙন ধৰাৰ আৰু ফৰাচী কমিউনিষ্ট পাৰ্টি গঠন হোৱাৰ পাছতেই এই কাকতখন কমিউনিষ্ট পাৰ্টিৰ মুখপত্ৰ হৈ পৰে। এতিয়াও এইখন পেৰিছত কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় মুখপত্ৰ হিচাপে প্ৰকাশিত হয়। পৃঃ ৭২

(৮৩) **ট্ৰিবিউনপন্থীসকল** — হলেণ্ডৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ সদস্যবৃন্দ, এওঁলোকৰ মুখপত্ৰৰ নাম আছিল 'ট্ৰিবিউন'। এই ট্ৰিবিউনপন্থীসকল সঙ্গতিপূৰ্ণভাৱে বৈপ্লৱিক পাৰ্টি নাছিল, কিন্তু তেওঁলোকে হলেণ্ডৰ শ্ৰমিক আন্দোলনৰ বামপন্থী অংশৰ প্ৰতিনিধিত্ব কৰিছিল, আৰু প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মূলতঃ আন্তৰ্জাতিকতাবাদী মতামত গ্ৰহণ কৰিছিল।

১৯১৮ চনত ট্ৰিবিউনপন্থীসকলে হলেণ্ডৰ কমিউনিষ্ট পাৰ্টি গঠন কৰে। পৃঃ ৭২

(৮৪) **কমিউনিষ্ট আন্তৰ্জাতিক, তৃতীয় আন্তৰ্জাতিক** (১৯১৮-১৯৪৩) — পুঁজিবাদৰ সাধাৰণ সংকটৰ প্ৰথম পৰ্য্যায়ত বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ কৰ্তব্য আৰু প্ৰয়োজন অনুসৰি গঠিত হোৱা এক আন্তৰ্জাতিক সংগঠন; প্ৰথম আন্তৰ্জাতিকৰ উত্তৰাধিকাৰী আৰু দ্বিতীয় আন্তৰ্জাতিকৰ শ্ৰেষ্ঠ ঐতিহ্যবোধৰ বাহক, যি দ্বিতীয় আন্তৰ্জাতিক ইয়াৰ অন্তৰ্ভুক্ত অধিকাংশ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ প্ৰলিতাৰীয় আন্তৰ্জাতিকতাবাদৰ প্ৰতি বিশ্বাসঘাতকতা আৰু সুবিধাবাদী অধঃপতনৰ ফলস্বৰূপে প্ৰথম বিশ্ব-যুদ্ধৰ আৰম্ভণিৰ পাছতেই ছেদেলি-ভেদেলি হৈ পৰে। এই অৱস্থাত বিভিন্ন দেশৰ শ্ৰমজীৱী জনতাৰ মাজত যোগাযোগ পুনৰ প্ৰতিষ্ঠিত আৰু শক্তিশালী কৰি সংস্কাৰবাদ, শোধনবাদ বামপন্থী সংকীৰ্ণতাবাদ আৰু গোড়ামিৰ বিৰুদ্ধে তৃতীয় আন্তৰ্জাতিকে সংগ্ৰাম চলায়। পৃঃ ৭৩

(৮৫) 'Preußische Jahrbücher' (প্ৰুছীয় বৰ্ষপঞ্জী) — জাৰ্মান পুঁজিপতি আৰু জমিদাৰবিলাকৰ মাহেকীয়া ৰক্ষণশীল কাকত; ১৮৫৮ চনৰপৰা ১৯৩৫ চনলৈকে বাৰ্লিনত প্ৰকাশিত হয়। পৃঃ ৭৩

(৮৬) ১৯১৫ চনৰ নৱেম্বৰত আমেৰিকাৰ 'সমাজতন্ত্ৰী প্ৰচাৰ সংঘ'ৰ এখন প্ৰচাৰ-পত্ৰ পাই উক্ত সংঘৰ সম্পাদকলৈ ভি. আই. লেনিনে লিখা চিঠি। ১৯১৫ চনত বোষ্টনত এই সংঘ স্বতন্ত্ৰ গোষ্ঠী হিচাপে ছচিয়েলিষ্ট পাৰ্টিৰ ভিতৰতে গঠিত হয়। জিমেৰ্ভাল্ডৰ বামপন্থী গ্ৰুপৰ (৯০ নং টীকা চাওক) কৰ্মসূচীক এই সংঘই গ্ৰহণ কৰে। সমাজতন্ত্ৰী প্ৰচাৰ সংঘৰ চাৰিওপিনে ছচিয়েলিষ্ট পাৰ্টিৰ বিপ্লৱী সদস্যসকল সমবেত হয়। পৃঃ ৭৬

(৮৭) **গণতান্ত্ৰিক কেন্দ্ৰিকতা** — সমাজতান্ত্ৰিক ৰাষ্ট্ৰ, সমাজতান্ত্ৰিক অৰ্থনীতিৰ ব্যৱস্থাপনা, মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টি নেতৃত্বৰ, সাংগঠনিক গাঁথনি আৰু ক্ৰিয়াকলাপৰ গুৰুত্বপূৰ্ণ মূল নীতি। ইয়াৰ সাৰমৰ্ম কেন্দ্ৰিকতাৰে সৈতে গণতন্ত্ৰৰ সমন্বয়ৰ মাজতেই নিহিত; গণতন্ত্ৰ — অৰ্থাৎ শ্ৰমজীৱী জনসাধাৰণৰ পূৰ্ণ ক্ষমতা, তেওঁলোকৰ অবাধ ক্ৰিয়াকলাপ আৰু উদ্যোগ, নেতৃস্থানীয় বিভিন্ন সংস্থালৈ নিৰ্বাচিত হোৱাৰ আৰু কৰাৰ ক্ষমতা, জনসাধাৰণৰ ওচৰত তেওঁলোকৰ কৈফিয়ৎ-দায়িত্ব; ইয়াৰ কেন্দ্ৰিকতাৰ দিশটো হ'ল এই সকলো কাৰ্যকলাপ এটি কেন্দ্ৰীয় নেতৃত্বাধীনত পৰিচালিত হয়, সংখ্যালঘুৱে সংখ্যাগৰিষ্ঠৰ সিদ্ধান্ত মানি লয়, লক্ষ্য অৰ্জনৰ কাৰণে সংগ্ৰামত ব্যক্তিগত স্বাৰ্থক উমৈহতীয়া স্বাৰ্থৰ অধীনস্থ কৰা, শৃংখলা মনা। পৃঃ ৭৭

(৮৮) **জিঙ্গোইজম** (Jingoism) — উগ্ৰ জাতিদম্ভ, আক্ৰমণাত্মক সাম্ৰাজ্যবাদী নীতিৰ প্ৰচাৰ। ১৮৭০-ৰ দশকত এটি ইংৰাজী উগ্ৰ-জাতীয়তাবাদী গানৰ কলিৰপৰা 'gingo' শব্দটো লৈ এই কথাৰ উদ্ভৱ হয়। পৃঃ ৭৭

(৮৯) **আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টি** (এছ. পি.) — ১৯০১ চনত প্ৰতিষ্ঠিত হয়। ইয়াৰ অন্যতম সংগঠক আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিক আন্দোলনৰ সৰবৰহী নেতা ইউজিন ডেব্‌ছ। ইয়াত সমাজৰ বিভিন্ন অংশৰ লোক সমবেত হৈছিল; মাৰ্কিন শ্ৰমিকসকলৰ একাংশ, দেশান্তৰী শ্ৰমিকসকল, ক্ষুদ্ৰ কৃষক আৰু পেটি-বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিনিধিক লৈ এই পাৰ্টি গঠিত।

মধ্যপন্থী আৰু দক্ষিণপন্থী সুবিধাবাদী নেতাসকলে (ভিক্টৰ বেৰ্গেৰ মৰিছ হিলকুইট প্ৰমুখ্যে) প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিছিল আৰু বৈপ্লৱিক সংগ্ৰাম পৰিহাৰ কৰি পাৰ্টিৰ কাম-কাজক কেৱল নিৰ্বাচন অভিযানত অংশগ্ৰহণৰ মাজলৈ সংকুচিত কৰে। প্ৰথম বিশ্বযুদ্ধৰ সময়ত পাৰ্টিৰ মাজত তিনিটা প্ৰৱণতা দেখা যায় — চৰকাৰৰ সাম্ৰাজ্যবাদী নীতি সমৰ্থন কৰা সামাজিক-জাতিদম্ভবাদীসকল, সাম্ৰাজ্যবাদী যুদ্ধক কেৱল মুখেৰে বিৰোধিতা কৰা মধ্যপন্থীসকল, আৰু সদৌ শেহত বিপ্লৱী সংখ্যালঘিষ্ঠ অংশ, যিসকলে আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰি যুদ্ধৰ বিৰুদ্ধাচৰণ কৰিছিল।

চাৰ্লছ ৰুটেনবাৰ্গ, উইলিয়াম ফষ্টাৰ আৰু অন্যান্যসকলৰ নেতৃত্বত পাৰ্টিৰ বামপন্থী অংশই প্ৰলিতাৰীয়সকলৰ ওপৰত নিৰ্ভৰ কৰি পাৰ্টিৰ সুবিধাবাদী নেতৃত্বৰ বিৰুদ্ধে সংগ্ৰাম চলায়। ১৯১৯ চনত সমাজতন্ত্ৰী পাৰ্টি ভাগ হৈ যায় আৰু বামপন্থী অংশই কমিউনিষ্ট পাৰ্টি গঠনৰ উদ্যোগ লয়। এওঁলোকেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ প্ৰাণকেন্দ্ৰ।

**আমেৰিকাৰ ছচিয়েলিষ্ট লেবৰ পাৰ্টি** (এছ. এল. পি.) — প্ৰথম আন্তৰ্জাতিক আৰু অন্যান্য সমাজতন্ত্ৰী সংগঠনবোৰৰ আমেৰিকান অংশবিলাকৰ মিলনৰ ফলত ১৮৭৬ চনত ফিলাডেলফিয়াত অনুষ্ঠিত

কংগ্ৰেছত এই পাৰ্টি গঠিত হয়। ইয়াৰ সদস্যসকলৰ বহুজন অংশ দেশান্তৰী, এওঁলোকৰ লগত দেশীয় শ্ৰমিকসকলৰ সংযোগ বাৰুকৈয়ে কম আছিল। পাৰ্টি নেতৃত্বৰ একাংশই সংসদীয় কাৰ্যকলাপকেই প্ৰধান কৰ্তব্য বুলি বিবেচনা কৰিছিল আৰু জনসাধাৰণৰ অৰ্থনৈতিক সংগ্ৰামত নেতৃত্বৰ গুৰুত্ব কমকৈ দেখিছিল, আন কিছুসংখ্যক নেতাই আকৌ নৈৰাজ্যবাদ আৰু ট্ৰেড ইউনিয়নবাদৰ গহ্বৰত পৰিছিল। নেতৃত্বৰ মতাদৰ্শগত আৰু কৰ্মকৌশলগত দোদুল্যমানতাই পাৰ্টিক দুৰ্বল কৰে, আৰু কোনো কোনো গোষ্ঠী ইয়াৰপৰা ওলাই যায়।

১৮৯০-ৰ দশকত ডানিয়েল ডি. লিওনৰ পৰিচালনাত বামপন্থী অংশই এই পাৰ্টিৰ নেতৃত্ব গ্ৰহণ কৰে, যদিও এওঁলোকে কোনো কোনো নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্ট ধৰণৰ ভুল-ভ্ৰান্তি কৰে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত ছচিয়েলিষ্ট লেবাৰ প্যাৰ্টি আন্তৰ্জাতিকতাবাদৰ ফালে ঢাল খায়। ৰুছিয়াৰ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ প্ৰভাৱত এই পাৰ্টিৰ ভিতৰৰ সবাতোকৈ বিপ্লৱী অংশই আমেৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাত সক্ৰিয় অংশ গ্ৰহণ কৰে। পৃঃ ৭৯

(৯০) **ছিমেৰ্ৱাল্ডত অনুষ্ঠিত প্ৰথম আন্তৰ্জাতিক সমাজতন্ত্ৰী সন্মিলনক** (১৯১৫ চনৰ ৫-৮ ছেপ্টেম্বৰত, ছুইজাৰ্লেণ্ডত) লেনিনে যুদ্ধৰ বিৰুদ্ধে আন্তৰ্জাতিক আন্দোলনৰ বিকাশত প্ৰথম পদক্ষেপ বুলি অভিহিত কৰিছিল। এই সন্মিলনত লেনিনৰ নেতৃত্বত বিপ্লৱী আন্তৰ্জাতিকতাবাদীসকলৰ লগত কাউৎস্কিপন্থী সংখ্যাগৰিষ্ঠৰ সংগ্ৰাম চলে। লেনিনে ছিমেৰ্ৱাল্ড বামপন্থী গোষ্ঠীৰ মাজত বামপন্থী আন্তৰ্জাতিকতাবাদীসকলক সংগঠিত কৰে, তাত লেনিনৰ নেতৃত্বত বলছেভিকসকলেই মাথোন নিৰ্ভুল আৰু সুসংগত আন্তৰ্জাতিকতাবাদী নীতি দাঙি ধৰিছিল। এই গোষ্ঠীৰ মাজত কিছুমান সঙ্গতিবিহীন আন্তৰ্জাতিকতাবাদীও অৱশ্যে আছিল।

সন্মিলনত গৃহীত ইস্তাহাৰত সেই বিশ্ব-যুদ্ধক সাম্ৰাজ্যবাদী যুদ্ধ বুলি অভিহিত কৰে। ইয়াত সেই 'সমাজতন্ত্ৰীসকলৰ' আচৰণক নিন্দা কৰা হয়, যিসকলে যুদ্ধ-ঋণৰ পক্ষে ভোট দিছিল আৰু বুৰ্জোৱা চৰকাৰবোৰত যোগ দিছিল। তদুপৰি যুদ্ধৰ বিৰুদ্ধে আৰু ৰাজ্যগ্ৰাস তথা ক্ষতিপূৰণ নোহোৱাকৈ শান্তিৰ সপক্ষে সংগ্ৰাম চলোৱাৰ কাৰণে ইউৰোপীয় শ্ৰমিকসকললৈ সন্মিলনে আহ্বান জনায়।

যুদ্ধত ক্ষতিগ্ৰস্ত হোৱাসকললৈ সমবেদনা জনাই সন্মিলনত এটি প্ৰস্তাৱো গৃহীত হয় আৰু ছিমেৰ্ভাল্ড গোষ্ঠীৰ কাৰ্যনিৰ্বাহী সংস্থা — **আন্তৰ্জাতিক সমাজতন্ত্ৰী কমিটি** নিৰ্বাচিত হয়। পৃঃ ৭৯

(৯১) ২৬ নং টীকা চাওক। পৃঃ ৭৯

(৯২) ৬৬ নং টীকা চাওক। পৃঃ ৮০

(৯৩) আৰ. এছ. ডি. এল. পি.-ৰ ন্যূনতম আৰু সৰ্বোচ্চ কাৰ্যসূচী — ১৯০৩ চনত বহু ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ দ্বিতীয় কংগ্ৰেছত গৃহীত পাৰ্টি কাৰ্যসূচী দুটা অংশত ৰচিত হৈছিল — ন্যূনতম আৰু সৰ্বোচ্চ কৰ্মসূচী। প্ৰথমাংশৰ এই ন্যূনতম কৰ্মসূচীত আশু কৰ্তব্য হিচাপে অন্তৰ্ভুক্ত কৰা হয় এই দাবীবিলাক: স্বৈৰতন্ত্ৰৰ উচ্ছেদ আৰু এখন গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ স্থাপন, যি আঠ-ঘণ্টাৰ কৰ্ম-দিন প্ৰৱৰ্তন কৰা, সকলো জাতিৰ সমতা আৰু সিবিলাকৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, গাঁৱত ভূমি দাসত্বৰ সকলো ধৰণৰ অৱশিষ্টাংশৰ বিলোপসাধন নিশ্চিত কৰিব।

কৰ্মসূচীৰ দ্বিতীয় অংশত সৰ্বোচ্চ লক্ষ্য হিচাপে প্ৰধান কৰ্তব্য স্থিৰ কৰা হৈছিল: পুঁজিবাদৰ উচ্ছেদ আৰু এখন সমাজতান্ত্ৰিক সমাজ ৰচনাৰ কাৰণে প্ৰলিতাৰিয়েতৰ একনায়কত্ব স্থাপন। পৃঃ ৮১

(৯৪) কাৰ্ল মাৰ্ক্সৰ 'গোপন বাৰ্তাৰ' ৰচনাৰ কথা উল্লেখ কৰা হৈছে। পৃঃ ৮৪

(৯৫) কাৰ্ল মাৰ্ক্স আৰু এফ. এঙ্গেলছ, 'নিউ ৰাইন নিউজপেপাৰ'ৰ প্ৰবন্ধবিলাক'। পৃঃ ৮৪

(৯৬) ১৮৬৯ চনৰ ২৯ নৱেম্বৰত জাৰ্মান ছচিয়েল-ডেমক্ৰেট এল. কুগেলমানলৈ আৰু ১০ ডিচেম্বৰত এফ. এঙ্গেলছলৈ দিয়া কাৰ্ল মাৰ্ক্সৰ চিঠিত আইৰিছ প্ৰশ্ন সম্পৰ্কে মাৰ্ক্সৰ উক্তিৰ কথা উল্লেখ কৰা হৈছে।

ভি. আই লেনিনে ইয়াত ১৮৬৭ চনৰ ২ নৱেম্বৰত এঙ্গেলছলৈ দিয়া মাৰ্ক্সৰ চিঠিৰ উদ্ধৃতি দিছে। পৃঃ ৮৪

(৯৭) অজিয়ান ষ্টেব্‌ল — গ্ৰীক পৌৰাণিক কাহিনীত ৰজা অজিয়াছৰ বহু বছৰ ধৰি চাফ নকৰা বিশাল ঘোঁৰা-শাল। 'অজিয়ান ষ্টেব্‌ল' কথাষাৰ জঘন্য লেতেৰা, আৱৰ্জনাপূৰ্ণ কিম্বা কামত চূড়ান্ত বিশৃংখলাৰ সমাৰ্থক। পৃঃ ৮৪

(৯৮) 'Die Glocke' (ঘণ্টা-ধ্বনি) — জাৰ্মান ছচিয়েল-ডেমক্ৰেট আৰু সামাজিক-জাত্যভিমানী এ. পাৰভুছৰ দ্বাৰা ১৯১৫-১৯২৫ চনত প্ৰথমে মিউনিখ আৰু পাছত বাৰ্লিনত প্ৰকাশিত এখন আলোচনী। পৃঃ ৮৪

(৯৯) এফ. এঙ্গেলছ, 'গণতান্ত্ৰিক পান-স্লাভিজ্‌ম'। 'Aus dem literarischen Nachlaß von Karl Marx, Friedrich Engels und Ferdinand Lassale hrsg von Franz Mehring', ষ্টুটগাৰ্ট, ১৯০২, খণ্ড ৩, কিতাপখন ভি. আই. লেনিনে ব্যৱহাৰ কৰে, তাত প্ৰবন্ধটোৰ লিখকৰ নাম উল্লিখিত হোৱা নাই। পৃঃ ৮৫

(১০০) প্ৰুধোঁবাদ — ফৰাচী পেটি-বুৰ্জোৱা সমাজতন্ত্ৰী পি. জে. প্ৰুধোঁৰ মতবাদৰ ভিত্তিত তেওঁৰ নামেৰে পেটি-বুৰ্জোৱা সমাজতন্ত্ৰৰ অবৈজ্ঞানিক মাৰ্ক্সবাদ-বিৰোধী এটা ধাৰা। এয়া এক ধৰণৰ পেটি-বুৰ্জোৱা সামাজিক সংস্কাৰবাদ, যি পুঁজিবাদৰ ভিত্তিক কোনো ক্ষতি নকৰে। পৃঃ ৮৭

(১০১) এফ. এঙ্গেলছ, 'গণতান্ত্ৰিক প্যান-স্লাভিজ্‌ম' চাওক। পৃঃ ৮৭

(১০২) এফ. এঙ্গেলছ, 'বিদেশী সাহিত্য' চাওক। পৃঃ ৮৮

(১০৩) **১৮৯৮ চনৰ স্পেনীয়-আমেৰিকান যুদ্ধ** — মাৰ্কিন বিত্তীয় পুঁজিৰ প্ৰৰোচনাত এই যুদ্ধ লাগিছিল, উদ্দেশ্য আছিল ওৱেষ্ট ইণ্ডিজত আৰু প্ৰশান্ত মহাসাগৰত স্পেনীয় অঞ্চলবোৰ দখল কৰা, অগ্ৰবৰ্তী ঘাটি পোৱা আৰু তাৰ পাছত গোটেই লেটিন আমেৰিকাত আধিপত্য বিস্তাৰ কৰা। স্পেনৰ পৰাজয়ৰ আৰু ১৮৯৮ চনত পেৰিছত শান্তি চুক্তি স্বাক্ষৰৰ মাজেৰে যুদ্ধৰ সমাপ্তি ঘটে। এই যুদ্ধই পৃথিৱীৰ পুনৰ্বিভাজনৰ বাবে সাম্ৰাজ্যবাদী যুদ্ধবোৰৰ সূচনা-কাল চিহ্নিত কৰে। পৃঃ ৮৯

(১০৪) এফ. এঙ্গেলছ, 'পোলেণ্ড সম্পৰ্কে শ্ৰমিক শ্ৰেণীৰ কৰণীয় কি?' পৃঃ ৯০

(১০৫) **১৯১৬ চনৰ আইৰিছ অভ্যুত্থান** — আয়াৰ্লেণ্ডৰ স্বাধীনতা অৰ্জনৰ অৰ্থে আইৰিছ শ্ৰমিক আৰু পেটি-বুৰ্জোৱাসকলৰ বিদ্ৰোহৰ কথা কোৱা হৈছে। এই অভ্যুত্থানৰ কাৰণ আছিল ব্ৰিটিছ চৰকাৰৰ উপনিৱেশবাদী নীতিত ব্যাপক জনসাধাৰণৰ বিক্ষোভ। চৰকাৰে ব্ৰিটিছ সাম্ৰাজ্যৰ গাঁথনিৰ মাজত আয়াৰ্লেণ্ডৰ সীমিত স্বশাসনৰ আইন (হোম ৰুল বিল) বলবৎ কৰাটো স্থগিত ৰাখিছিল। ডাব্লিনত বিদ্ৰোহী জনসাধাৰণে কেন্দ্ৰীয় ডাকঘৰৰ কাৰ্যালয় দখল কৰি আইৰিছ প্ৰজাতন্ত্ৰ ঘোষণা কৰে আৰু এক অস্থায়ী চৰকাৰ গঠন কৰে। তদুপৰি অন্যান্য বহুতো নগৰলৈও এই অভ্যুত্থান প্ৰসাৰিত হৈছিল।

ডাব্লিনত সাত দিন ধৰি ভয়ংকৰ পথ-যুদ্ধৰ পাছত ব্ৰিটিছ চৰকাৰে এই অভ্যুত্থান নিষ্ঠুৰভাৱে দমন কৰে। পৃঃ ৯২

(১০৬) **অৰ্থনীতিবাদ** — ১৯ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ আৰম্ভণিত ৰুছ ছচিয়েল-ডেমক্ৰেটিক আন্দোলনৰ মাজত এটা সুবিধাবাদী প্ৰৱণতা। এই ধাৰা অৱশ্যে আন্তৰ্জাতিক সুবিধাবাদৰেই অন্যতম প্ৰকাৰ। অৰ্থনীতিবাদীসকলে শ্ৰমিক শ্ৰেণীৰ কাৰ্যকলাপক অধিক মজুৰি, উন্নত কৰ্মাৱস্থা ইত্যাদিৰ কাৰণে অৰ্থনৈতিক সংগ্ৰামৰ মাজতে সীমাবদ্ধ ৰাখিব খুজিছিল; তেওঁলোকে দাবি কৈছিল যে ৰাজনৈতিক সংগ্ৰাম হ'ল উদাৰনৈতিক বুৰ্জোৱা শ্ৰেণীৰ বিষয়, তদুপৰি তেওঁলোকে শ্ৰমিক শ্ৰেণীৰ পাৰ্টিৰ নেতৃস্থানীয় ভূমিকাও অস্বীকাৰ

কৰিছিল। স্বতঃস্ফূৰ্ত শ্ৰমিক আন্দোলনকেই যথাসৰ্বস্ব বুলি ধৰি লৈ তেওঁলোকে বৈপ্লবিক তত্ত্বৰ গুৰুত্বক লঘুকৈ চাইছিল। অৰ্থনীতিবাদীসকল ছচিয়েল-ডেমক্ৰেটিক আন্দোলনত অনৈক্য আৰু অবুত্তিলীল ধৰণৰ সংগঠনৰ সমৰ্থক আছিল আৰু তেওঁলোকে শ্ৰমিক শ্ৰেণীৰ কেন্দ্ৰীকৃত পাৰ্টি প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিছিল। পৃঃ ৯২

(১০৭) ৯০ নং টীকা চাওক। পৃঃ ৯৭

(১০৮) **দ্বিতীয় আন্তৰ্জাতিক সমাজতন্ত্ৰী সম্মিলন** — ১৯১৬ চনৰ ২৪-৩০ এপ্ৰিলত কিন্থালত অনুষ্ঠিত হয়। এই সম্মিলনত বামপন্থী অংশটো ছিমেৰ্ভাল্ড সম্মিলনৰ তুলনাত বেছি শক্তিশালী আৰু ঐক্যবদ্ধ আছিল। আন্তৰ্জাতিক সমাজতন্ত্ৰী ব্যুৰোৰ সামাজিক-শান্তিবাদ আৰু সুবিধাবাদী ক্ৰিয়াকলাপক সমালোচনা কৰি এটা প্ৰস্তাৱ ইয়াত গৃহীত কৰোৱাৰ ক্ষেত্ৰত লেনিন কৃতকাৰ্য্য হৈছিল। 'ধ্বংস আৰু মৃত্যুৰ মুখত পৰা জাতিসমূহলৈ' আবেদন আৰু সম্মিলনৰ গৃহীত প্ৰস্তাৱবোৰে আন্তৰ্জাতিক যুদ্ধ-বিৰোধী আন্দোলনৰ বিকাশত অগ্ৰগতি সূচিত কৰিছিল।

ছিমেৰ্ভাল্ড আৰু কিন্থাল সম্মিলনে পশ্চিমা ছচিয়েল-ডেমক্ৰেটিক আন্দোলনত বামপন্থীসকলৰ ঐক্যক মাৰ্ক্সবাদ-লেনিনবাদৰ মতাদৰ্শগত ভিত্তিত সুদৃঢ় কৰিবলৈ সাহায্য কৰিছিল। এই বামপন্থীসকলেই পাছত তেওঁলোকৰ নিজৰ নিজৰ দেশত কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠাৰ আৰু তৃতীয়, কমিউনিষ্ট আন্তৰ্জাতিক সংগঠিত কৰা সংগ্ৰামত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। পৃঃ ১০০

(১০৯) ৫১ নং টীকা চাওক। পৃঃ ১০০

(১১০) ৬২ আৰু ৬৩ নং টীকা চাওক। পৃঃ ১০১

(১১১) 'Grütli Verein' (গ্ৰুটলি-মিত্ৰতা) — ছুইছ সংস্কাৰবাদী পেটি-বুৰ্জোৱা সংগঠন (১৮৩৮-১৯২৫)। জেনেভাত কাৰুশিল্পী আৰু শ্ৰমিকসকলৰ শিক্ষা-সংক্ৰান্ত ইউনিয়ন হিচাপে প্ৰতিষ্ঠিত। পৃঃ ১০১

(১১২) সাংগঠনিক কমিটিপন্থী — ৬৬ নং টীকা চাওক।

ছচিয়েলিষ্ট-ৰিভলিউছনেৰি — ৩১ নং টীকা চাওক।

**তলষ্টয়পন্থী** — ৰুছ লিখক এল. এন. তলষ্টয়ৰ অনুগামীসকল; যিসকলে 'বিশ্ব-প্ৰেম', অশুভৰ বিৰুদ্ধেও হিংসা প্ৰয়োগ কৰা অনুচিত, ধৰ্মীয় আৰু নৈতিক উৎকৰ্ষতাক সমাজৰ ৰূপান্তৰৰ উপায় হিচাপে প্ৰচাৰ কৰিছিল। পৃঃ ১০২

(১১৩) ভি. আই. লেনিনৰ 'নিৰস্ত্ৰীকৰণৰ শ্লোগান সম্পৰ্কে' প্ৰবন্ধ। পৃঃ ১০৩

(১১৪) ১৯১৬ চনৰ শেষত আৰু ১৯১৭ চনৰ আৰম্ভণিত ৰাষ্ট্ৰ সম্পৰ্কে বিভিন্ন সা-সমল লৈ লেনিনে অনুশীলন কৰে। তেওঁ সেই সময়তে ৰাষ্ট্ৰ প্ৰসঙ্গত মাৰ্ক্সবাদৰ দৃষ্টিভঙ্গী সম্পৰ্কেও প্ৰবন্ধৰ খচৰা ৰচনা কৰে। 'ছোৎছিয়াল-দেমোক্ৰেট'ৰ সংকলনৰ চতুৰ্থ সংখ্যাত এই প্ৰবন্ধ প্ৰকাশ কৰিবলৈ তেওঁ ঠাৰৰ কৰিছিল। কিন্তু অৰ্থাভাৱৰ কাৰণে সংকলনটি প্ৰকাশ নহ'ল আৰু প্ৰবন্ধটিও ৰচিত নহ'ল। ১৯১৭ চনৰ আগষ্ট-ছেপ্টেম্বৰত লেনিনে ৰাষ্ট্ৰ সম্পৰ্কিত সেই সমলাদি তেওঁৰ 'ৰাষ্ট্ৰ আৰু বিপ্লৱ' গ্ৰন্থত ব্যৱহাৰ কৰে। পৃঃ ১০৪

(১১৫) **শ্ৰমিক আৰু কৃষক প্ৰতিনিধিসকলৰ ছোভিয়েত** — ৰুছিয়াত ১৯০৫-১৯০৭ চনৰ বিপ্লৱৰ সময়ত গঢ়ি উঠা শ্ৰমিক শ্ৰেণীৰ নিৰ্বাচিত ৰাজনৈতিক সংস্থা। ১৯১৭ চনৰ ফেব্ৰুৱাৰী বিপ্লৱৰ সময়ত সেইবোৰ বৈপ্লৱিক ক্ষমতাৰ সংস্থা হিচাপে প্ৰতিষ্ঠিত হৈছিল। পৃঃ ১০৮

(১১৬) **মানিলভবাদ** — এই কথাটো আহিছে এন. ভি. গগলৰ উপন্যাস 'মৃত আত্মাৰ' এটি চৰিত্ৰ মানিলভ নামটোৰপৰা। মেৰুদণ্ডহীন, স্বপ্নবিলাসী আৰু আবেগসৰ্বস্ব চৰিত্ৰৰ নিদৰ্শন এই ভাবপ্ৰৱণ জমিদাৰজনৰ যিবোৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল, মানিলভবাদ বুলিলে তাকেই বুজায়। পৃঃ ১১০

(১১৭) **লেবাৰপন্থীসকল** — ইংৰাজী 'লেবাৰ' শব্দৰপৰা ব্ৰিটিছ লেবাৰ পাৰ্টিৰ সদস্যসকলৰ কথা কোৱা হৈছে। (৬৩ নং টীকা চাওক)। পৃঃ ১১০

(১১৮) 'Arbeitsgemeinschaft' (শ্ৰমিক গোষ্ঠী, ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক গোষ্ঠী) — ছচিয়েল-ডেমক্ৰেট ৰাইখষ্টাগ গোষ্ঠী ভাঙি যিবোৰ প্ৰতিনিধি ওলাই গৈছিল, তেওঁলোকক লৈ ১৯১৬ চনৰ মাৰ্চত গঠিত জাৰ্মান মধ্যপন্থীসকলৰ সংগঠন। এই গোষ্ঠীয়েই আছিল ১৯১৭ চনৰ এপ্ৰিলত গঠিত স্বাধীন ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ প্ৰাণকেন্দ্ৰ। এই পাৰ্টিয়ে প্ৰকাশ্যে সামাজিক-জাত্যভিমানীসকলৰ মনোভাৱ সমৰ্থন কৰিছিল আৰু তেওঁলোকৰ লগত একতা ৰক্ষা কৰাৰ পক্ষপাতী আছিল। পৃঃ ১১২

(১১৯) **মিনোৰিতেৰ্য়ৰ কিম্বা ল'গেৰাদীসকল** — ১৯১৫ চনত গঢ়ি উঠা ফৰাচী সমাজতন্ত্ৰী পাৰ্টিৰ ভিতৰত সংখ্যালঘু অংশ। সামাজিক-সংস্কাৰবাদী ল'গেৰ অনুগামী মিনোৰিতেৰ্য়ৰসকলে মধ্যপন্থী মতামত পোষণ কৰে আৰু সামাজিক-জাতিদম্ভবাদীসকলৰ ক্ষেত্ৰত আপোচৰ নীতি অনুসৰণ কৰে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁলোকে সামাজিক-শান্তিবাদী অৱস্থান গ্ৰহণ কৰিছিল। ৰুছিয়াত অক্টোবৰ বিপ্লৱৰ জয়লাভৰ পাছত তেওঁলোকে প্ৰলিতাৰিয়েতৰ একনায়কত্ব সমৰ্থন কৰে বুলি ঘোষণা কৰিছিল, কিন্তু কাৰ্যতঃ আছিল ইয়াৰ বিৰোধী। তেওঁলোকে সামাজিক-উগ্ৰ-স্বাদেশিকতাবাদীৰ লগত সহযোগিতাৰ

নীতি চলাই গৈছিল। ১৯২০ চনৰ ডিচেম্বৰত তুৰত অনুষ্ঠিত হোৱা সমাজতন্ত্ৰী পাৰ্টিৰ কংগ্ৰেছত বামপন্থী অংশই প্ৰাধান্য লাভ কৰে আৰু দক্ষিণপন্থীসকলে সংখ্যালঘু হৈ প্ৰকাশ্য সংস্কাৰবাদীবোৰৰ লগ লাগি পাৰ্টি ভাঙি ওলাই যায়, আৰু তথাকথিত 'আঢৈ আন্তৰ্জাতিক'ত যোগ দিয়ে, তাৰ পাছত এইটোও ভাঙি যোৱাত দ্বিতীয় আন্তৰ্জাতিকলৈ তেওঁলোক উভতি যায়। পৃঃ ১১৯

(১২০) ১৪ নং, ৩৩ নং টীকা চাওক। পৃঃ ১১৯

(১২১) ৯০ নং টীকা চাওক। পৃঃ ১১৯

(১২২) **'আন্তৰ্জাতিক' গোষ্ঠী** — সাম্ৰাজ্যবাদী বিশ্ব-যুদ্ধৰ একেবাৰে আৰম্ভণিৰ ফালে কাৰ্ল লিব্‌ক্লেখ্‌ট, ৰোজা লুক্সেমবুৰ্গ, ফ্ৰানট্‌ছ মেহৰিং, ক্লাৰা জেট্‌কিন প্ৰমুখ্যে লোকসকলৰ দ্বাৰা স্থাপিত বামপন্থী জাৰ্মান ছচিয়েল-ডেমক্ৰেটসকলৰ এটা বৈপ্লৱিক সংগঠন। ১৯১৬ চনৰপৰা 'আন্তৰ্জাতিক' গোষ্ঠীয়ে ৰাজনৈতিক প্ৰচাৰ-পত্ৰৰ বাহিৰেও 'স্পাৰ্টাকাছ' নামৰ স্বাক্ষৰেৰে 'ৰাজনৈতিক পত্ৰ' বে-আইনীভাৱে প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ ধৰে। এই কাৰণতে 'আন্তৰ্জাতিক' গোষ্ঠীক 'স্পাৰ্টাকাছ' গোষ্ঠীও বোলা হৈছিল।

**স্পাৰ্টাকাছপন্থীসকলে** জনসাধাৰণৰ মাজত বৈপ্লৱিক প্ৰচাৰকাৰ্য্য চলাইছিল, যুদ্ধৰ বিৰুদ্ধে গণ-সংগ্ৰাম সংগঠিত কৰিছিল, ধৰ্মঘট পৰিচালনা কৰিছিল আৰু বিশ্ব-যুদ্ধৰ সাম্ৰাজ্যবাদী চৰিত্ৰৰ আৰু সুবিধাবাদী ছচিয়েল-ডেমক্ৰেট নেতৃবৃন্দৰ বিশ্বাসঘাতকতাৰ মুখা খুলি দিছিল। কিন্তু তত্ত্ব আৰু ৰাজনীতিৰ ক্ষেত্ৰত তেওঁলোকে কিছুমান গুৰুতৰ ভুল কৰিছিল, যাৰ কাৰণে লেনিনে তেওঁলোকক একাধিকবাৰ সমালোচনা কৰিছিল আৰু নিৰ্ভুল পথ লবলৈ সহায় কৰিছিল।

১৯১৭ চনৰ এপ্ৰিলত স্পাৰ্টাকাছপন্থীসকলে তেওঁলোকৰ সাংগঠনিক স্বাতন্ত্ৰ্য অটুট ৰাখি জাৰ্মানিৰ মধ্যপন্থী স্বাধীন ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিত যোগ দিছিল। ১৯১৮ চনৰ নৱেম্বৰত জাৰ্মানিত বিপ্লৱৰ সময়ত তেওঁলোকে 'স্পাৰ্টাকাছ লীগ' গঠন কৰে আৰু স্বাধীন ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ লগত সম্পৰ্ক ছেদ কৰি ১৪ ডিচেম্বৰত তেওঁলোকৰ নিজৰ কৰ্মসূচী প্ৰকাশ কৰে। ১৯১৮ চনৰ ৩০ ডিচেম্বৰৰপৰা ১৯১৯ চনৰ ১ জানুৱাৰীলৈ হোৱা উদ্বোধনী কংগ্ৰেছত তেওঁলোকে জাৰ্মানিৰ কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠা কৰে। পৃঃ ১১৩

(১২৩) 'Arbeiterpolitik' (শ্ৰমিকৰ কৰ্মনীতি) — এখন সাপ্তাহিক কাকত, ১৯১৯ চনত জাৰ্মানিৰ কমিউনিষ্ট পাৰ্টিত যোগ দিয়া ব্ৰেমেন বামপন্থী ৰেডিকেল গ্ৰুপৰ মুখপত্ৰ। ১৯১৬ চনৰপৰা ১৯১৯ চনলৈ ব্ৰেমেনত প্ৰকাশিত। কাকতখনে জাৰ্মান আৰু আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ আন্দোলনত সামাজিক-জাত্যাভিমানবাদৰ বিৰুদ্ধে সংগ্ৰাম চলায়। পৃঃ ১২৪

(১২৪) 'Demain' (কালিলৈ) — এখন সাহিত্য আৰু ৰাজনীতি সম্পৰ্কীয় মাহেকীয়া আলোচনী, ১৯১৬ চনৰপৰা ১৯১৯ চনলৈ প্ৰথমে জেনেভাত আৰু পাছত মস্কোত প্ৰকাশিত হয়। ছিমেৰ্ভাল্ড কৰ্মসূচী প্ৰচাৰ কৰি কাকতখনে উগ্ৰ-জাতীয়তাবাদৰ বিৰুদ্ধে সংগ্ৰাম চলায়। পৃঃ ১১৪

(১২৫) 'The Trade-Unionist' (ট্ৰেড ইউনিয়নবাদী) — ব্ৰিটিছ ট্ৰেড-ইউনিয়ন বাতৰিকাকত, ১৯১৫ চনৰ নৱেম্বৰৰপৰা ১৯১৬ চনৰ নৱেম্বৰলৈ লণ্ডনত প্ৰকাশিত। পৃঃ ১১৪

(১২৬) ৮৯ নং টীকা চাওক। পৃঃ ১১৪

(১২৭) ৮৯ নং টীকা চাওক। পৃঃ ১১৪

(১২৮) 'The Internationalist' (আন্তৰ্জাতিকতাবাদী) — বামপন্থী ছচিয়েলিষ্ট-সকলৰ সাপ্তাহিক কাকত। ১৯১৭ চনৰ আৰম্ভণিতে বোষ্টনত আমেৰিকাৰ ছচিয়েলিষ্ট প্ৰচাৰ লীগৰ দ্বাৰা প্ৰকাশিত। (৮৯ নং টীকা চাওক) পৃঃ ১১৪

(১২৯) ৮৩ নং টীকা চাওক। পৃঃ ১১৪

(১৩০) ছুইডেনৰ তৰুণ কিম্বা বামপন্থীসকলৰ পাৰ্টি — ছুইডিছ ছচিয়েল-ডেমক্ৰেটিক আন্দোলনৰ মাজত বামপন্থী প্ৰৱণতাক লেনিনে এই নামেৰে অভিহিত কৰে। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত 'তৰুণসকলে' আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰিছিল আৰু ছিমেৰ্ভাল্ড বামপন্থী গোষ্ঠীৰ ঘনিষ্ঠ আছিল। ১৯১৭ চনৰ মে' মাহত তেওঁলোকে ছুইডেনৰ বামপন্থী ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি গঠন কৰে। ১৯১৯ চনত এই পাৰ্টিৰ কংগ্ৰেছত কমিউনিষ্ট আন্তৰ্জাতিকৰ লগত যুক্ত হোৱাৰ সিদ্ধান্ত গৃহীত হয়। পাৰ্টিৰ বিপ্লৱী অংশই ১৯২১ চনত ছুইডেনৰ কমিউনিষ্ট পাৰ্টি গঠন কৰে। পৃঃ ১১৪

(১৩১) ৫৮ নং টীকা চাওক। পৃঃ ১১৪

(১৩২) আঞ্চলিক কাৰ্য্যনিৰ্বাহী আৰু মুখ্য কাৰ্য্যনিৰ্বাহী সংস্থা — পোলেণ্ড ৰাজ্য আৰু লিথুৱানিয়াৰ ছচিয়েল-ডেমক্ৰেটসকলৰ নেতৃস্থানীয় সংস্থা। পৃঃ ১১৫

(১৩৩) জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ 'Volksstimme' (গণ-কণ্ঠস্বৰ) সংবাদপত্ৰ সম্পৰ্কে ভি. আই. লেনিনে কৈছে। ১৮৯১ চনৰ জানুৱাৰীৰপৰা ১৯৩৩ চনৰ ফেব্ৰুৱাৰীলৈ এই কাকতখন খেম্‌নিছত প্ৰকাশিত। পৃঃ ১১৭

(১৩৪) ৯৮ নং টীকা চাওক। পৃঃ ১১৭

(১৩৫) ১০৮ নং টীকা চাওক। পৃঃ ১১৭

(১৩৬) 'Jugend-International' (যুৱকসকলৰ আন্তৰ্জাতিক) — এখন বাৰ্তাৰিকাকত, ছিমের্ভাল্ড বামপন্থী গোষ্ঠীৰ সহযোগী সমাজতন্ত্ৰী যুৱক সংগঠনবিলাকৰ আন্তৰ্জাতিক লীগৰ মুখপত্ৰ। ১৯১৫ চনৰ ছেপ্টেম্বৰপৰা ১৯১৮ চনৰ মে' মাহলৈকে জুৰিখত প্ৰকাশিত হৈছিল। পৃঃ ১১৭

(১৩৭) বুৰ্জোৱা অস্থায়ী চৰকাৰৰ লগে লগে আৰু ইয়াৰ বিপৰীতে শ্ৰমজীৱীসকলৰ ক্ষমতা হিচাপে শ্ৰমিক প্ৰতিনিধিসকলৰ ছোভিয়েতৰ আনুষঙ্গিক চৰকাৰে কাম কৰে। ১৯১৭ চনৰ বুৰ্জোৱা-গণতান্ত্ৰিক বিপ্লৱৰ পাছত ভি. আই. লেনিনে ৰুছিয়াত প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ ৰাষ্ট্ৰীয় ৰূপ হিচাপে ছোভিয়েতসমূহৰ এখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সিদ্ধান্ত লয়। পৃঃ ১১৮

(১৩৮) **'ৰাবোচায়া গাজেতা'** (শ্ৰমিক কাকত) — দৈনিক মেনছেভিক বাৰ্তাৰিকাকত, ১৯১৭ চনৰ মাৰ্চৰপৰা নৱেম্বৰলৈ পেত্ৰোগ্ৰাদত প্ৰকাশিত। পৃঃ ১২০

(১৩৯) যুদ্ধৰ ব্যয় পূৰণৰ কাৰণে অস্থায়ী চৰকাৰে প্ৰৱৰ্তন কৰা 'মুক্তি ঋণৰ' পক্ষে ১৯১৭ চনৰ ৭(২০) এপ্ৰিলত পেত্ৰোগ্ৰাদ ছোভিয়েতৰ অধিৱেশনত মেনছেভিক-সকলৰ ভোটদানৰ কথা লেনিনে উল্লেখ কৰিছে। পৃঃ ১২০

(১৪০) ১৯১৮ চনৰ ৫(১৮) জানুৱাৰীত সদৌ-ৰুছিয়া কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহী কমিটিয়ে **'শ্ৰমজীৱী আৰু শোষিত জনসাধাৰণৰ অধিকাৰ-সংক্ৰান্ত ঘোষণা'** গ্ৰহণ কৰে আৰু ইয়াৰে পক্ষৰপৰা সংবিধান সভাৰ প্ৰথম অধিৱেশনত ঘোষণা কৰা হয়। সংবিধান সভাৰ প্ৰতিবিপ্লৱীসকলৰ অধিকাংশৰ ভোটত সেই 'ঘোষণা' আলোচনাৰ প্ৰস্তাৱ অস্বীকৃত হয়।

১৯১৮ চনৰ ১২(২৫) জানুৱাৰীত ছোভিয়েতসমূহৰ তৃতীয় সদৌ-ৰুছ কংগ্ৰেছত 'ঘোষণাটি' অনুমোদিত হয় আৰু পাছত ই ছোভিয়েত সংবিধানৰ ভিত্তি হিচাপে কাম কৰে। পৃঃ ১২৫

(১৪১) শিল্পোৎপাদন আৰু বণ্টন ব্যৱস্থাৰ ওপৰত শ্ৰমিকসকলৰ নিয়ন্ত্ৰণৰ কথা কোৱা হৈছে; ১৯১৭ চনৰ ফেব্ৰুৱাৰী-অক্টোবৰ মাহত পুঁজিবাদী অৰ্থনীতিত এয়া আছিল ৰুছিয়াৰ প্ৰলিতাৰিয়েতৰ হস্তক্ষেপৰ প্ৰধান ৰূপ। ১৯১৭ চনৰ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পাছত এয়া আছিল ছোভিয়েত ৰাষ্ট্ৰৰ প্ৰধান সামাজিক-অৰ্থনৈতিক ব্যৱস্থা, যি সামাজিক উৎপাদনৰ পৰিকল্পিত এক সংগঠন সুনিশ্চিত কৰাৰ কাৰণে প্ৰয়োজনীয় চৰ্ত — পৰিবহণ আৰু শিল্পৰ জাতীয়কৰণ প্ৰস্তুত কৰিছিল। পৃঃ ১২৫

(১৪২) **জাতীয় অৰ্থনীতিৰ সৰ্বোচ্চ পৰিষদ** — ১৯১৭ চনৰ ২(১৫) ডিচেম্বৰত

ৰুছিয়া কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহী কমিটি আৰু গণ-কমিছাৰ পৰিষদৰ এক নিৰ্দেশনামাৰ যোগে ৰাষ্ট্ৰীয় বিত্ত আৰু সমগ্ৰ জাতীয় অৰ্থনীতি সংগঠিত কৰাৰ বাবে গণ-কমিছাৰ পৰিষদৰ অধীনত উক্ত সৰ্বোচ্চ পৰিষদ প্ৰতিষ্ঠিত হয়। পৃঃ ১২৫

(১৪৩) **গণ-কমিছাৰ পৰিষদ** — ১৯৪৬ চনলৈকে ছোভিয়েত ইউনিয়নত ৰাষ্ট্ৰ ক্ষমতাৰ সৰ্বোচ্চ কাৰ্যনিৰ্বাহী আৰু পৰিচালন সংস্থাৰ নাম।

ভি. আই. লেনিনক কৰ্ণধাৰ হিচাপে লৈ এই গণ-কমিছাৰ পৰিষদ প্ৰথমতে সংগঠিত হৈছিল ছোভিয়েতসমূহৰ দ্বিতীয় সদৌ-ৰুছিয়া কংগ্ৰেছত। ১৯৪৬ চনৰ মাৰ্চত ছোভিয়েত ইউনিয়নৰ গণ-কমিছাৰ পৰিষদ ছোভিয়েত ইউনিয়নৰ মন্ত্ৰী পৰিষদলৈ ৰূপান্তৰিত হয়। তেনেকৈয়ে ইউনিয়ন আৰু স্বশাসিত প্ৰজাতন্ত্ৰবিলাকতো মন্ত্ৰী পৰিষদ বোলা হয়। পৃঃ ১২৬

(১৪৪) ১৯১৭ চনৰ ৬(১৯) ডিচেম্বৰত ফিনিছ ব্যৱস্থাপক সভাই ফিনলেণ্ডৰ স্বাধীনতা ঘোষণা কৰি এক ঘোষণাপত্ৰ গ্ৰহণ কৰে। ছোভিয়েত ৰাষ্ট্ৰৰ জাতি-সংক্ৰান্ত নীতিৰ লগত সঙ্গতি ৰাখি গণ-কমিছাৰ পৰিষদে ফিনলেণ্ড ৰাষ্ট্ৰৰ স্বাধীনতা সম্পৰ্কে এখন নিৰ্দেশনামা গ্ৰহণ কৰে। ১৯১৭ চনৰ ২২ ডিচেম্বৰত (৪ জানুৱাৰী, ১৯১৮) সদৌ-ৰুছিয়া কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহী কমিটিয়ে এই নিৰ্দেশনামা অনুমোদন কৰে।

১৯১৭ চনৰ ১৯ ডিচেম্বৰত (১৯১৮ চনৰ ১ জানুৱাৰীত) ৰুছিয়া আৰু জাৰ্ম্যানি, অষ্ট্ৰিয়া-হাঙ্গেৰী, তুৰস্ক আৰু বুলগেৰিয়াৰ মাজত ব্ৰেষ্টত সম্পাদিত চুক্তি অনুসৰি ছোভিয়েত চৰকাৰে পাৰস্যৰপৰা বৃহৎ সৈন্য অপসাৰণৰ কাৰণে এক সাধাৰণ পৰিকল্পনা প্ৰণয়ন কৰিবলৈ পাৰস্য চৰকাৰৰ ওচৰত প্ৰস্তাৱ দিয়ে।

পৃঃ ১২৬

(১৪৫) **'বামপন্থী কমিউনিষ্ট'** — পাৰ্টি-বিৰোধী এটা গ্ৰুপ, ১৯১৮ চনৰ আৰম্ভণিতে জাৰ্মানিৰ লগত শান্তি চুক্তি (ব্ৰেষ্ট-লিতভ্স্ক শান্তি চুক্তি) সম্পাদনৰ সম্পৰ্কত গঠিত হৈছিল। ছোভিয়েত প্ৰজাতন্ত্ৰৰ সৈন্যবাহিনীৰ অভাব সত্বেও বিপ্লৱী যুদ্ধ সম্পৰ্কে বামপন্থী বৰ-কথা প্ৰয়োগ কৰি 'বামপন্থী কমিউনিষ্টসকলে' জাৰ্মানিৰ লগত যুদ্ধ সমৰ্থন কৰি ছোভিয়েত ৰাষ্ট্ৰখনক ধ্বংসৰ মুখলৈ ঠেলি দিব খুজিছিল। অৰ্থনৈতিক বিকাশৰ গোটাচেৰেক প্ৰশ্নতো তেওঁলোকে ভ্ৰান্ত অৱস্থান গ্ৰহণ কৰিছিল। ভি. আই. লেনিনৰ নেতৃত্বত কমিউনিষ্ট পাৰ্টিয়ে 'বামপন্থী কমিউনিষ্টসকলৰ' কৰ্মনীতিক চূড়ান্তভাৱে প্ৰতিহত কৰে।

পৃঃ ১২৯

(১৪৬) **আন্তৰ্জাতিক সম্পৰ্ক কমিটি** — ১৯১৬ চনৰ জানুৱাৰীত ফৰাচী আন্তৰ্জাতিকতাবাদীসকলৰ দ্বাৰা 'আন্তৰ্জাতিক সম্পৰ্ক পুনৰ প্ৰতিষ্ঠাৰ কমিটি' প্ৰতিষ্ঠিত হয়। সামাজিক-জাতিদম্ভবাদী সংগঠনবোৰৰ বিপৰীতে ফ্ৰান্সত

সমাজতন্ত্ৰীসকলৰ বৈপ্লৱিক আন্তৰ্জাতিক সংগঠন প্ৰতিষ্ঠাৰ কাৰণে এই কমিটিৰ গঠনেই আছিল প্ৰথম প্ৰচেষ্টা। ‘আন্তৰ্জাতিক সম্পৰ্ক পুনঃ-প্ৰতিষ্ঠাৰ কমিটি'ক আন্তৰ্জাতিকতাবাদীসকলক ঐক্যবদ্ধ কৰাৰ কাৰণে প্ৰয়োগ কৰা প্ৰয়োজন বুলি লেনিনে বিবেচনা কৰিছিল।

বুছিয়াত মহান অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ আৰু ফৰাচী শ্ৰমিক শ্ৰেণীৰ ক্ৰমবৰ্দ্ধমান আন্দোলনৰ প্ৰভাৱৰ ফলত এই কমিটি বিপ্লৱী আন্তৰ্জাতিকতাবাদী লোকসকলৰ প্ৰাণকেন্দ্ৰ হৈ পৰে। ১৯২০ চনত ই ফৰাচী কমিউনিষ্ট পাৰ্টিত অন্তৰ্ভুক্ত হয়।

ভি. আই. লেনিনে উল্লেখ কৰা আবেদনখন ১৯১৮ চনৰ ২৯ জুনত ‘প্ৰাভদা' কাকতৰ ১৩১ নং সংখ্যাত প্ৰকাশিত প্ৰকাশিত হৈছিল। পৃঃ ১০২

(১৪৭) ১৯১৭ চনৰ ১৮ জুনত বুৰ্জোৱা প্ৰতিবিপ্লৱী অস্থায়ী চৰকাৰৰ প্ৰধানে দক্ষিণ-পশ্চিম ৰণাঙ্গনত আক্ৰমণৰ নিৰ্দেশ দিছিল। ইয়াৰ লক্ষ্য আছিল অস্থায়ী চৰকাৰৰ অৱস্থান সুদৃঢ় কৰা আৰু বুছ সৈন্যবাহিনীৰ সক্ৰিয়তা সম্পৰ্কে সহযোগী-মিত্ৰৰ দাবী পূৰণ কৰা। ইয়াত সফল হ'ব পাৰিলে বুৰ্জোৱা শ্ৰেণীয়ে দেশত আৰু সৈন্যবাহিনীত বৈপ্লৱিক শক্তিসমূহ চূৰ্ণ কৰিবলৈ আৰু পূৰ্ণ ক্ষমতা গ্ৰহণ কৰিবলৈ পৰিকল্পনা কৰিছিল; আৰু ব্যৰ্থ হলে সৈন্যবাহিনীৰ অনৈক্যৰ বাবে বলছেভিকসকলক দোষাৰোপ কৰিব বুলি পাঙিছিল।

বাস্তৱত এই আক্ৰমণৰ নিষ্ফলতাই অস্থায়ী চৰকাৰ, ছচিয়েলিষ্ট-ৰিভলিউছনেৰি আৰু মেনছেভিকসকলৰ প্ৰতিবৈপ্লৱিক নীতিৰ স্বৰূপ উন্মোচন কৰিলে; শ্ৰমজীৱী জনতা আৰু সৈনিকসকলৰ প্ৰতিবাদে ব্যাপক ৰূপ ধাৰণ কৰিলে আৰু যুদ্ধৰ বিৰুদ্ধে সংগ্ৰাম কৰা সেই বলছেভিকসকলৰ মৰ্য্যাদা বঢ়াই তুলিলে। পৃঃ ১৩৫

(১৪৮) মেনছেভিকসকল — বুছ ছচিয়েল-ডেমক্ৰেটিক আন্দোলনত পেটি-বুৰ্জোৱা সুবিধাবাদী প্ৰৱণতাৰ সমৰ্থকসকল, শ্ৰমিক শ্ৰেণীৰ ওপৰত বুৰ্জোৱা প্ৰভাৱৰ বাহন। ১৯০৩ চনৰ আগষ্ট মাহত বুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ দ্বিতীয় কংগ্ৰেছৰ পাছত এওঁলোকে মেনছেভিক নাম পায়, কিয়নো এই কংগ্ৰেছৰ শেষত কেন্দ্ৰীয় পাৰ্টি সংস্থাবোৰৰ নিৰ্বাচনত তেওঁলোক সংখ্যালঘু (বুছ ভাষাত — মেনছিন্‌স্ত্‌ভো) হৈ পৰে আৰু লেনিনৰ নেতৃত্বত বিপ্লৱী ছচিয়েল-ডেমক্ৰেটসকলে সংখ্যাগৰিষ্ঠতা (বুছ ভাষাত — —বলছিন্‌স্ত্‌ভো) অৰ্জন কৰে। ইয়াৰপৰাই মেনছেভিক আৰু বলছেভিক নামৰ উৎপত্তি। পৃঃ ১৩৫

(১৪৯) 'Workers Dreadnought' — ব্ৰিটেইনৰ সমাজতন্ত্ৰী শ্ৰমিক ফেডাৰেছনৰ মুখপত্ৰ, ১৯১৪ চনৰ মাৰ্চৰপৰা ১৯২৪ চনৰ জুনলৈকে লণ্ডনত প্ৰকাশিত। ১৯২০-২১ চনত ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ মুখপত্ৰ। পৃঃ ১৩৫

(১৫০) চনৰ ২৬ অক্টোবৰ (৮ নৱেম্বৰ) তাৰিখে ছোভিয়েতসমূহৰ সদৌ-ৰুছিয়া দ্বিতীয় কংগ্ৰেছত গৃহীত শান্তি-সংক্ৰান্ত নিৰ্দেশনামাৰ কথা লেনিনে কৈছে। পৃঃ ১০৫

(১৫১) লেনিনে শান্তি চুক্তি সম্পাদনৰ বাবে আলোচনাৰ প্ৰসঙ্গ উল্লেখ কৰিছে।

**ব্ৰেস্ত শান্তি চুক্তি** — ১৯১৮ চনৰ ৩ মাৰ্চত ব্ৰেস্ত-লিতভ্স্কত ছোভিয়েত ৰুছিয়া আৰু চতুঃপক্ষীয় মৈত্ৰী-গোটৰ (জাৰ্মানি, অষ্ট্ৰিয়া-হাঙ্গেৰি, বুলগেৰিয়া আৰু তুৰস্ক) মাজত স্বাক্ষৰিত হয় আৰু ১৫ মাৰ্চত ছোভিয়েতসমূহৰ বিশেষ চতুৰ্থ কংগ্ৰেছত অনুমোদিত হয়। শান্তি চুক্তিৰ চৰ্তসমূহ ছোভিয়েত ৰুছিয়াৰ পক্ষে অত্যন্ত কঠোৰ আছিল। চুক্তি অনুযায়ী, ইউক্ৰেন ছোভিয়েত ৰুছিয়াৰপৰা বিচ্ছিন্ন হৈ জাৰ্মানিৰ অধীনস্থ হোৱাৰ কথা। তথাচ ব্ৰেস্ত চুক্তিৰ সম্পাদন আছিল এটা উপযোগী ৰাজনৈতিক আপোচ। ইয়াৰ ফলতেই ছোভিয়েত ৰাষ্ট্ৰই শান্তিৰ কাৰণে অলপ সকাহ পায়, পুৰণি দুৰ্নীতিপৰায়ণ বিভক্ত ফৌজ ভাঙি দি নতুন লাল ফৌজ গঠন কৰা সম্ভৱ হয়, সমাজতান্ত্ৰিক নিৰ্মাণকাৰ্য আগুৱাই নিয়াৰ আৰু আভ্যন্তৰীণ প্ৰতিবিপ্লৱ আৰু বৈদেশিক হস্তক্ষেপৰ বিৰুদ্ধে সংগ্ৰামৰ বাবে শক্তি সঞ্চয়ৰ সুবিধা পায়।

ব্ৰেস্ত শান্তি চুক্তিৰ সম্পাদন আছিল ত্ৰৎস্কি আৰু 'বামপন্থী কমিউনিষ্টসকলৰ' পাৰ্টি-বিৰোধী গ্ৰুপৰ বিৰুদ্ধে সুদৃঢ় সংগ্ৰামৰ লগত জড়িত।

জাৰ্মানিত ১৯১৮ চনৰ বিপ্লৱত ৰাজতন্ত্ৰৰ উচ্ছেদ ঘটাৰ পাছত সদৌ-ৰুছিয়া কেন্দ্ৰীয় কাৰ্যনিৰ্বাহী কমিটিয়ে ১৩ নৱেম্বৰত লুণ্ঠনমূলক ব্ৰেস্ত চুক্তি বদ কৰে। পৃঃ ১০৬

(১৫২) **সদৌ-ৰুছ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহী কমিটি** — ১৯১৭-১৯৩৭ চনত ৰুছ ছোভিয়েত ফেডাৰেটিভ সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ সৰ্বোচ্চ বৈধানিক, কাৰ্যনিৰ্বাহক আৰু নিয়ন্ত্ৰণী সংস্থা; ই ছোভিয়েতসমূহৰ সদৌ-ৰুছিয়া কংগ্ৰেছবিলাকৰ মাজত কাম কৰে। পৃঃ ১০৯

(১৫৩) ১৪৭, ৩১ নং টীকা চাওক। পৃঃ ১০৯

(১৫৪) কুলাক — এই 'কুলাক' কথাটোৱে লুণ্ঠন, শোষণ, অত্যধিক সুত লোৱা আৰু চোৰাং-বজাৰৰ মাজেদি ধন-সম্পত্তি বঢ়োৱা ব্যক্তিক বুজায়।

ভি. আই. লেনিনৰ সংজ্ঞা মতে, কুলাক হৈছে 'ধনী কৃষক যিসকলে মজুৰ খটুৱাই কিম্বা সুতলৈ ধন দিয়াৰ যোগে আন মানুহৰ শ্ৰম শোষণ কৰে'।

**কুলাকবিলাক** হৈছে গাঁৱৰ বুৰ্জোৱা। বিপ্লৱৰ আগৰ ৰুছিয়াত (আৰু বৰ্তমানে বিকাশমান বিভিন্ন দেশত) এয়া হৈছে প্ৰধানকৈ পুঁজিৰ আদিম সঞ্চয়নৰ যুগৰ বুৰ্জোৱা যি দাসত্বমূলক শোষণৰ পদ্ধতি (বেগাৰি, ইত্যাদি) প্ৰয়োগ কৰে। উন্নত পুঁজিবাদী দেশত কুলাকবোৰ হৈছে এক বিশেষ গোষ্ঠীৰ কৃষি-উদ্যোগী।

কৃষিৰ সমাজতান্ত্ৰিক ৰূপান্তৰণৰ ফলত ছোভিয়েত কৃষকসকল কুলাকৰ শোষণৰপৰা মুক্ত হ'ল, ছোভিয়েত ইউনিয়নত যৌথ পাম ব্যৱস্থাক কৃষক বাইজে গ্ৰহণ কৰিলে আৰু কুলাক সৃষ্টিৰ পৰিৱেশ তেনেই লোপ পালে।

পৃঃ ১৪১

(১৫৫) চেকোস্লোভাক ফৌজৰ সৈন্যদলৰ প্ৰতিবৈপ্লৱিক বিদ্ৰোহৰ কথা কোৱা হৈছে। এই সৈন্যদলটো ৰুছিয়াত অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ আগেয়ে গঠিত হৈছিল আৰু তাত আছিল চেক আৰু স্লোভাক যুদ্ধ-বন্দীসকল।

এই বিদ্ৰোহ আমেৰিকা, ব্ৰিটেইন আৰু ফ্ৰান্সৰ সাম্ৰাজ্যবাদীবোৰে মেনছেভিক তথা ছচিয়েলিষ্ট-ৰিভলিউছনেৰিৰ সক্ৰিয় অংশগ্ৰহণেৰে সংগঠিত কৰিছিল। বিদ্ৰোহ আৰম্ভ হৈছিল ১৯১৮ চনৰ মে' মাহত। শ্বেতৰক্ষী আৰু কুলাকবিলাকৰ লগত ঘনিষ্ঠ যোগাযোগ ৰাখি চেক-স্লোভাক প্ৰতিবিপ্লৱী বিদ্ৰোহী সৈন্যদলে উৰাল, ভলগা আৰু ছাইবেৰিয়াৰ এক বিশাল এলেকা দখল কৰি লৈছিল, আৰু সকলোতে বুৰ্জোৱা শাসন পুনৰ প্ৰতিষ্ঠা কৰিছিল। ১৯১৮ চনৰ হেমন্তকালত ভলগা অঞ্চল লাল ফৌজে মুক্ত কৰে, আৰু ছাইবেৰিয়াতো ১৯১৯ চনৰ শেষলৈ প্ৰতিবিপ্লৱ চূড়ান্তভাৱে চূৰ্ণ কৰা হয়। পৃঃ ১৪২

(১৫৬) **শ্বেতৰক্ষীবিলাক** — শ্বেত ৰক্ষীৰপৰা এই নাম। ছোভিয়েত সাহিত্যত, প্ৰবন্ধ-পাতিত আৰু সচৰাচৰ ক্ষেত্ৰতো 'শ্বেত-ৰক্ষী' শব্দটোৰ অৰ্থ সাধাৰণভাৱে প্ৰতিবিপ্লৱী। পৃঃ ১৪২

(১৫৭) ৯০ নং টীকা চাওক। পৃঃ ১৪৩

(১৫৮) ১৫১ নং টীকা চাওক। পৃঃ ১৪৩

(১৫৯) ১৪৮, ৩১ নং টীকা চাওক। পৃঃ ১৪৩

(১৬০) ১৪ নং টীকা চাওক। পৃঃ ১৪৪

(১৬১) ৪৯ নং টীকা চাওক। পৃঃ ১৪৫

(১৬২) ব্ৰেষ্ট শান্তি চুক্তি স্বাক্ষৰ কৰাৰ পাছত জাৰ্মানিৰ দ্বাৰা ইউক্ৰেন দখলৰ কথা কোৱা হৈছে। এই চুক্তি অনুসৰি ছোভিয়েত সৈন্যবাহিনীয়ে বিশেষকৈ ইউক্ৰেন ত্যাগ কৰিব লগা হয়। পৃঃ ১৪৫

(১৬৩) ২৬ নং টীকা চাওক। পৃঃ ১৪৮

(১৬৪) বামপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰি — আন্তৰ্জাতিকতাবাদী পাৰ্টি; ১৯১৭ চনৰ নৱেম্বৰত সদৌ-ৰুছিয়া প্ৰথম কংগ্ৰেছত আনুষ্ঠানিকভাৱে সংগঠিত হয়। ইয়াৰ আগলৈকে তেওঁলোক প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত উদ্ভূত ছচিয়েলিষ্ট-বিভলিউছনেৰি পাৰ্টিৰ বামপন্থী অংশ হিচাপে আছিল।

সুদীৰ্ঘ দ্বিধাৰ পাছত বামপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰিসকলে কৃষকৰ মাজত তেওঁলোকৰ প্ৰভাৱ অটুট ৰখাৰ কাৰণে বলছেভিকসকলৰ লগত সহযোগিতাৰ পথ গ্ৰহণ কৰে। অৱশ্যে তেনে অৱস্থাতো সমাজতান্ত্ৰিক নিৰ্মাণৰ বিভিন্ন মৌলিক প্ৰশ্নত বলছেভিকসকলৰ লগত তেওঁলোকৰ পাৰ্থক্য আছিল আৰু প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ তেওঁলোকে বিৰোধিতা কৰিছিল। ১৯১৮ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰীত বামপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰি পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে ব্ৰেস্ত শান্তি চুক্তি সম্পাদনৰ বিৰুদ্ধে প্ৰচাৰাভিযান চলায় আৰু চুক্তি স্বাক্ষৰৰ পাছত বামপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰিসকলে গণ-কমিছাৰ পৰিষদৰপৰা পদত্যাগ কৰে, কিন্তু ক্ষমতাৰ স্থানীয় সংস্থাবোৰত থাকি যায়। ছোভিয়েত ৰুছিয়াক জাৰ্মানিৰ লগত যুদ্ধলৈ ঠেলি দিয়াৰ প্ৰৰোচনামূলক লক্ষ্যৰে এই পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে ১৯১৮ চনৰ জুলাইত মস্কোত জাৰ্মান ৰাষ্ট্ৰদূত মিৰবাখৰ হত্যাকাণ্ড সংগঠিত কৰে আৰু ছোভিয়েত শাসনৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ কৰে। সেয়ে এই বিদ্ৰোহ দমনৰ পাছত ছোভিয়েতসমূহৰ পঞ্চম সদৌ-ৰুছিয়া কংগ্ৰেছত বৈৰী-ভাবাপন্ন বামপন্থী ছচিয়েলিষ্ট-বিভলিউছনেৰিসকলক ছোভিয়েতসমূহৰপৰা বহিষ্কৰণ সম্পৰ্কে সিদ্ধান্ত গৃহীত হয়। পৃঃ ১৫১

(১৬৫) ১৪৫ নং টীকা চাওক। পৃঃ ১৫১

(১৬৬) ২১, ২৬ নং টীকা চাওক। পৃঃ ১৫২

(১৬৭) ১২২ নং টীকা চাওক। পৃঃ ১৫৫

(১৬৮) ১২২ নং টীকা চাওক। পৃঃ ১৬০

(১৬৯) ৪৯ নং টীকা চাওক। পৃঃ ১৬০

(১৭০) 'Die Freiheit' (স্বাধীনতা) — দৈনিক বাৰ্তাৰিকাকত, জাৰ্মানিৰ মধ্যপন্থী স্বতন্ত্ৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ মুখপত্ৰ। ১৯১৮ চনৰ নৱেম্বৰৰপৰা ১৯২২ চনৰ ছেপ্টেম্বৰলৈকে বাৰ্লিনত প্ৰকাশিত হয়। পৃঃ ১৬৫

(১৭১) ১৯১৭ চনৰ ৩-৪ জুলাইত পেত্ৰোগ্ৰাদত হোৱা শোভাযাত্ৰাৰ কথা ভি. আই. লেনিনে ইয়াত উল্লেখ কৰিছে। এয়া আছিল ৰুছিয়াত গভীৰ ৰাজনৈতিক সঙ্কটৰ প্ৰতিফলন।

৩ (১৬) জুলাই তাৰিখে প্ৰতিবিপ্লৱী অস্থায়ী চৰকাৰৰ বিৰুদ্ধে স্বতঃস্ফূৰ্তভাৱে বিক্ষোভ-শোভাযাত্ৰা আৰম্ভ হয় আৰু ইয়েই এক সশস্ত্ৰ অভ্যুত্থানত পৰিণত হোৱাৰ আশংকা আছিল।

অৱশ্যে সেই সময়ত বলছেভিক পাৰ্টি সমস্ত সশস্ত্ৰ অভিযানৰ বিৰুদ্ধে আছিল, কিয়নো দেশত বৈপ্লৱিক সংকট তেতিয়াও পৈণত হোৱা নাই বুলি, ৰাজধানীৰ অভ্যুত্থান সমৰ্থন কৰিবলৈ সৈন্যবাহিনী আৰু বিভিন্ন ৰাজ্যৰ জনসাধাৰণ সাজু নাছিল বুলি পাৰ্টিয়ে বিবেচনা কৰিছিল। তথাচ অভ্যুত্থান আৰম্ভ হৈ যোৱাত তাক বন্ধ কৰাটো সম্ভৱ নাছিল।

জনসাধাৰণৰ সেই মনোভাৱ লক্ষ্য কৰি, পেট্ৰোগ্ৰাদ কমিটি আৰু সামৰিক সংগঠনৰ লগত এখন যুটীয়া সভাত পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে সিদ্ধান্ত ললে যে বলছেভিকসকলে শোভাযাত্ৰাত শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ সাংগঠনিক ৰূপ দিয়াৰ কাৰণে তাত অংশ গ্ৰহণ কৰিব।

৪ (১৭) জুলাইৰ শোভাযাত্ৰাত পাঁচ লাখতো বেছি মানুহে যোগ দিলে। 'সমস্ত ক্ষমতা ছোভিয়েতবিলাকৰ হাতত' — এই প্ৰধান বলছেভিক শ্লোগানেৰে আকাশ-বতাহ মুখৰিত হ'ল।

মেনছেভিক আৰু ছচিয়েলিণ্ট-ৰিভলিউছনেৰিৰ কেন্দ্ৰীয় কাৰ্যকৰী কমিটিৰ সজ্ঞানে আৰু সম্মতিৰে শান্তিপূৰ্ণ সেই গণ-শোভাযাত্ৰাৰ বিৰুদ্ধে উচ্চ পদস্থ বিষয়াৰ বাহিনী পঠোৱা হ'ল। সৈন্যদলে শ্ৰমিকসকলৰ ওপৰত গুলী চলালে। বৈপ্লৱিক আন্দোলন ধাংস কৰাৰ কাৰণে প্ৰতিবিপ্লৱী সৈন্যদল ৰণাঙ্গনৰপৰা প্ৰত্যাহাৰ কৰি অনা হ'ল।

৪ জুলাইৰ দিনা ৰাতি অনুষ্ঠিত এখন সভাত বলছেভিক কেন্দ্ৰীয় কমিটিয়ে বিক্ষোভ শোভাযাত্ৰা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

মেনছেভিক আৰু ছচিয়েলিণ্ট-ৰিভলিউছনেৰিসকল কাৰ্যতঃ প্ৰতিবিপ্লৱী হত্যাকাৰীহঁতৰ দুষ্কৰ্মৰ সহচৰ আৰু অংশগ্ৰহণকাৰী হৈ পৰিছিল। অস্থায়ী চৰকাৰে বলছেভিক বাতৰিকাকত 'প্ৰাভদা', 'ছলদাৎস্কয়া প্ৰাভদা' আৰু অন্যান্য প্ৰকাশনী বন্ধ কৰি দিছিল। ব্যাপক গ্ৰেপ্তাৰ, ঘৰ-তালাছ আৰু হত্যাকাণ্ড সংঘটিত হৈছিল। পেট্ৰোগ্ৰাদ গেৰিছনৰ বিপ্লৱী সৈন্যদলক ৰাজধানীৰপৰা ৰণাঙ্গনলৈ পঠিয়াই দিয়া হৈছিল। জুলাই মাহৰ সেই ঘটনাৱলীৰ পাছত দেশৰ পূৰ্ণ ক্ষমতা প্ৰতিবৈপ্লৱিক অস্থায়ী চৰকাৰৰ হাতলৈ গৈছিল। পৃঃ ১৬৬

(১৭২) কছাকসকল — সামন্ততান্ত্ৰিক অত্যাচাৰৰপৰা পলাই যোৱা আৰু ৰুছ ৰাষ্ট্ৰৰ সীমান্ত অঞ্চলত থিতাপি লোৱা ভূমি-দাস কৃষক আৰু নগৰৰ দুখীয়া লোকসকল, এওঁলোক প্ৰথমে আছিল স্বাধীন মানুহ।

অষ্টাদশ শতিকাৰ কছাকসকল আছিল কিছু পৰিমাণে সুবিধাভোগী কৃষক, তেওঁলোকে মাটিত খেতি-বাতি কৰিছিল, কিন্তু তেওঁলোক ৰাষ্ট্ৰৰ কাৰণে বিশেষ চৰ্তত সামৰিক চাকৰি কৰিবলৈ বাধ্য আছিল। তেওঁলোকৰ মাজৰপৰা

সভতে বিশেষ সামৰিক বাহিনী গঠন কৰা হৈছিল আৰু এইবোৰক স্বৈৰতন্ত্ৰী জাৰ-চৰকাৰে বৈপ্লৱিক আন্দোলনৰ বিৰুদ্ধে মুষ্টিবলে ব্যৱহাৰ কৰিছিল। পৃঃ ১৬৬

(১৭৩) **তৃতীয় আন্তৰ্জাতিক**, কমিউনিষ্ট আন্তৰ্জাতিক — এটা আন্তৰ্জাতিক প্ৰলিতাৰীয় বৈপ্লৱিক সংস্থা, বিভিন্ন দেশৰ কমিউনিষ্ট পাৰ্টিৰ এক সম্মিলিত সমিতি। ১৯১৯ চনৰপৰা ১৯৪৩ চনলৈকে ইয়াৰ অস্তিত্ব আছিল। পৃঃ ১৬৮

(১৭৪) **'শপ ষ্টিউৱাৰ্ডছ কমিটি'** — নিৰ্বাচিত শ্ৰমিক সংগঠন, ব্ৰিটেইনত ভালেমান শ্ৰমশিল্পত এইবোৰৰ অস্তিত্ব আছিল আৰু প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এইবিলাক বিশেষভাৱে প্ৰসাৰিত হৈছিল।

ৰুছিয়াত অক্টোবৰ বিপ্লৱৰ বিজয়ৰ পাছত, ছোভিয়েত প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে বিদেশী সামৰিক হস্তক্ষেপৰ সময়ত এই কমিটিবিলাকে ছোভিয়েত শাসনক সক্ৰিয়ভাৱে সমৰ্থন কৰিছিল। পৃঃ ১৬৯

(১৭৫) ১৯১৯ চনৰ মাৰ্চ মাহত ৰুছ কমিউনিষ্ট পাৰ্টিৰ (বলছেভিক) অষ্টম কংগ্ৰেছত গৃহীত পাৰ্টিৰ দ্বিতীয় কৰ্মসূচীৰ কথা ইয়াত কোৱা হৈছে। পৃঃ ১৭৪

(১৭৬) ১৯১৮ চনৰ ৫ নৱেম্বৰত, জাৰ্মান ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানবোৰৰ বিৰুদ্ধে ছোভিয়েত চৰকাৰী প্ৰতিনিধিবোৰে বিক্ষোভ প্ৰচাৰ কৰিছে বুলি এই মিছা অজুহাতত জাৰ্মান চৰকাৰে ৰুছ ছোভিয়েত ফেডাৰেটিভ সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ লগত কূটনৈতিক সম্পৰ্ক ছিন্ন কৰে আৰু বাৰ্লিনৰপৰা ছোভিয়েত ৰাষ্ট্ৰদূতক বহিষ্কাৰ কৰে। ১৯২২ চনতহে জাৰ্মানি আৰু ৰুছ ছোভিয়েত ফেডাৰেটিভ সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ মাজত পুনৰ কূটনৈতিক সম্পৰ্ক স্থাপিত হয়। পৃঃ ১৮০

(১৭৭) ৪৯ নং টীকা চাওক। পৃঃ ১৮৪

(১৭৮) ১৯১৭ চনৰ ২৬ অক্টোবৰত (৮ নৱেম্বৰত) শ্ৰমিক আৰু সৈনিক প্ৰতিনিধিসকলৰ ছোভিয়েতসমূহৰ দ্বিতীয় সৰ্বো-ৰুছিয়া কংগ্ৰেছত গৃহীত শান্তি-সংক্ৰান্ত নিৰ্দেশনামাৰ কথা কোৱা হৈছে। পৃঃ ১৮৪

(১৭৯) ব্ৰেস্ত-লিতভ্স্কৰ শান্তি আলোচনাত জাৰ্মান প্ৰতিনিধিদলৰ প্ৰস্তাৱিত লুণ্ঠনমূলক শান্তি-চৰ্তৰ বিৰুদ্ধে ১৯১৮ চনৰ ২৮ জানুৱাৰীত আৰম্ভ হোৱা জাৰ্মান শ্ৰমিকসকলৰ ধৰ্মঘটৰ কথা লেনিনে উল্লেখ কৰিছে। পৃঃ ১৮৪

(১৮০) 'সাম্যবাদত 'বামপন্থাৰ' শিশুসুলভ বিশৃংখলা' কিতাপখন কমিউনিষ্ট

আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছ বহাৰ আগেয়ে ভি. আই. লেনিনে ৰচনা কৰে আৰু কংগ্ৰেছৰ সমস্ত প্ৰতিনিধিৰ হাতত দিয়া হয়। এই গ্ৰন্থখনিৰ লক্ষ্য আছিল নৱীন কমিউনিষ্ট পাৰ্টিবোৰক বৈপ্লৱিক সংগ্ৰামৰ নিৰ্ভুল পদ্ধতিৰ সন্ধানত, প্ৰথম পদক্ষেপবোৰত হোৱা ভুল-ভ্ৰান্তি শুদ্ধ কৰাত, বলছেভিকসকলৰ সমৃদ্ধ অভিজ্ঞতাৰ লগত, তেওঁলোকৰ কৰ্মনীতি আৰু কৰ্মকৌশলৰ লগত সকলো দেশৰ কমিউনিষ্টসকলক পৰিচিত কৰাত, এই অভিজ্ঞতাৰে ভ্ৰাতৃপ্ৰতিম পাৰ্টিবোৰক সুসজ্জিত কৰাত সহায় কৰা। গ্ৰন্থখনিৰ অতি গুৰুত্বপূৰ্ণ বক্তব্য আৰু সিদ্ধান্তবিলাকে কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছত গৃহীত প্ৰস্তাৱসমূহৰ ভিত্তি গঠন কৰে। পৃঃ ১৪৮

(১৮১) **'ইস্ক্ৰা'** (ফিৰিঙতি) — ভি. আই. লেনিনৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথম সদো-ৰুছ মাৰ্ক্সবাদী অবৈধ বাতৰিকাকত। ১৯০০-১৯০৩ চনত এইখন প্ৰকাশিত হয় আৰু বৈপ্লৱিক মাৰ্ক্সবাদী পাৰ্টি গঠনত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৃঃ ১৪৯

(১৮২) **'বিশ্বৰ ঔদ্যোগিক শ্ৰমিকসকল'** (ইণ্ডাষ্ট্ৰিয়েল ৱাৰ্কাৰ্ছ অব্ দি ৱাৰ্ল্ড) — ১৯০৫ চনত প্ৰতিষ্ঠিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিকসকলৰ ট্ৰেড-ইউনিয়ন সংগঠন। ইয়াত প্ৰধানকৈ বিভিন্ন বৃত্তিৰ অদক্ষ আৰু কম মজুৰি পোৱা শ্ৰমিকসকল সংঘবদ্ধ হৈছিল। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত এই সংগঠনৰ সহযোগিতাৰে আমেৰিকান শ্ৰমিক শ্ৰেণীৰ ডাঙৰমান যুদ্ধ-বিৰোধী গণ-অভিযান চালিত হয়। বিশ্বৰ ঔদ্যোগিক শ্ৰমিকসকলৰ কেইজনমান নেতাই (উইলিয়ম হেউড আৰু অন্যান্য) অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱক স্বাগত জনাইছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিত যোগ দিছিল। ইয়াৰ লগে লগে এই সংগঠনৰ ক্ৰিয়াকলাপত গোটাচেৰেক নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্ট বৈশিষ্ট্যও প্ৰতিফলিত হৈছিল: ই প্ৰলিতাৰিয়েতৰ ৰাজনৈতিক সংগ্ৰামৰ গুৰুত্ব অস্বীকাৰ কৰিছিল, পাৰ্টিৰ অগ্ৰণী ভূমিকা আৰু প্ৰলিতাৰিয়েতৰ একনায়কত্বৰ প্ৰয়োজনীয়তা ইত্যাদি অস্বীকাৰ কৰিছিল। সংগঠনৰ নৈৰাজ্যবাদী-ছিণ্ডিকেলিষ্ট নেতাসকলে ইয়াৰ বহুতো বিপ্লৱী সক্ৰিয় সদস্যৰ কাৰাৰুদ্ধ অৱস্থাটোৰ সুযোগ গ্ৰহণ কৰে; তেওঁলোকে ১৯২০ চনত ট্ৰেড ইউনিয়নৰ বহুসংখ্যক সদস্যৰ ইচ্ছা অগ্ৰাহ্য কৰি কমিণ্টাৰ্নত যোগ দিয়াৰ কাৰণে কমিউনিষ্ট আন্তৰ্জাতিকৰ কাৰ্যনিৰ্বাহী কমিটিৰ আমন্ত্ৰণ প্ৰত্যাখ্যান কৰে। পাছত, বিশ্বৰ ঔদ্যোগিক শ্ৰমিকসকলৰ নেতৃত্বৰ দ্বাৰা অনুসৃত সুবিধাবাদী নীতিৰ ফলত এই সংগঠন এক সংকীৰ্ণতাবাদী সম্প্ৰদায়ত পৰিণত হয় আৰু শ্ৰমিক শ্ৰেণীৰ আন্দোলনত ইয়াৰ প্ৰভাৱ সোনকালেই নষ্ট হয়। পৃঃ ১৯২

(১৮৩) ১৯২০ চনৰ ১৭ ফেব্ৰুৱাৰীত কাবুলত অনুষ্ঠিত ভাৰতীয় বিপ্লৱীসকলৰ এখন সভাৰ যি সিদ্ধান্ত লেনিনলৈ পঠোৱা হৈছিল, তাৰ উত্তৰত ১৯২০ চনৰ

১০ মে'ত ভি. আই. লেনিনৰ **ভাৰতীয় বিপ্লৱী সমিতিৰ** উদ্দেশ্যে অভিনন্দন অনাতাঁৰ যোগে প্ৰচাৰিত হয়। সেই প্ৰস্তাৱত সমস্ত শোষিত শ্ৰেণী আৰু জাতিৰ মুক্তিৰ কাৰণে মহান সংগ্ৰাম চলাই যোৱা ছোভিয়েত ৰুছিয়াৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰা হৈছিল। পৃঃ ১৯৫

(১৮৪) **'জাতীয় আৰু ঔপনিবেশিক প্ৰশ্নাৱলীৰ সম্পৰ্কত প্ৰাথমিক খচৰা থিছিছ'** — কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছে এই থিছিছক জাতীয় আৰু ঔপনিবেশিক প্ৰশ্ন-সংক্ৰান্ত আয়োগৰ কামৰ ভিত্তি হিচাপে গ্ৰহণ কৰে। ভি. আই. লেনিনৰ নেতৃত্বত আয়োগৰ কাম চলে। কংগ্ৰেছৰ চতুৰ্থ আৰু পঞ্চম অধিৱেশনত তেওঁৰ এই সম্পৰ্কীয় থিছিছবোৰ আলোচিত হয় আৰু ১৯২০ চনৰ ২৮ জুলাইত গৃহীত হয়। পৃঃ ১৯৬

(১৮৫) **পান-ইছলামিজম্** (নিখিল-ইছলামবাদ) — এটা ধৰ্মীয় আৰু ৰাজনৈতিক মতাদৰ্শ, ইছলাম (মুছলমান ধৰ্ম) ধৰ্ম মনা সকলো জাতিক একক সত্তাত ঐক্যবদ্ধ কৰাৰ ধৰ্মীয় প্ৰচাৰ চলায়। ১৯ শতিকাৰ শেষ ভাগত প্ৰাচ্যৰ দেশবোৰত শোষক শ্ৰেণীবোৰৰ মাজত এই মত ব্যাপ্ত আছিল; তুৰস্কই বিশ্ব-ব্যাপী মুছলমানসকলক তুৰ্কী চুলতানৰ অধীনলৈ অনাৰ কাৰণে এই মতাদৰ্শ প্ৰয়োগ কৰিছিল। নিখিল-ইছলামবাদৰ মাজেৰে মুছলমান জনসাধাৰণৰ শাসক শ্ৰেণীবোৰে নিজৰ অৱস্থান সুদৃঢ় কৰিবলৈ আৰু প্ৰাচ্যৰ দেশসমূহত শ্ৰমজীৱী ৰাইজৰ বৈপ্লৱিক আন্দোলন দমন কৰিবলৈ চেষ্টা কৰিছিল।

পৃঃ ১৯৬

(১৮৬) **ভাৰ্ছাই শান্তি চুক্তি** — ই প্ৰথম বিশ্ব-যুদ্ধৰ (১৯১৪-১৯১৮) সমাপ্তি ঘটায়। ১৯১৯ চনৰ ২৮ জুনত এফালে মাৰ্কিন যুক্তৰাষ্ট্ৰ, ব্ৰিটিছ সাম্ৰাজ্য, ফ্ৰান্স, ইটালি, জাপান আৰু ইবোৰৰ মিত্ৰপক্ষ আৰু আনফালে জাৰ্মানিৰ মাজত এই চুক্তি স্বাক্ষৰিত হয়।

ভাৰ্ছাই শান্তি চুক্তিৰ লক্ষ্য আছিল বিজয়ী শক্তিসমূহৰ অনুকূলে পুঁজিবাদী জগতৰ পুনৰ্বণ্টন সুসংহত কৰা আৰু বিভিন্ন দেশৰ মাজত এনে এটা সম্পৰ্কৰ ব্যৱস্থা গঢ়ি তোলা, যাতে সেইটো ছোভিয়েত ৰুছিয়াক টেঁটু চেপি মৰাৰ দিশত আৰু সমগ্ৰ বিশ্বত বৈপ্লৱিক আন্দোলন দমন কৰাৰ দিশত চালিত হয়। পৃঃ ১৯৭

(১৮৭) ব্ৰেস্ত শান্তি চুক্তিৰ কথা কোৱা হৈছে। ১৫১ নং টীকা চাওক। পৃঃ ১৯৭

(১৮৮) ১৯১৮ চনৰ ২৭ জানুৱাৰীত ফিনলেণ্ডত বিপ্লৱ আৰম্ভ হোৱাৰ ফলত তাৰ প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা চৰকাৰৰ পতন ঘটে আৰু শ্ৰমিকসকলৰ হাতলৈ ক্ষমতা আহে। ২৯ জানুৱাৰীত ফিনলেণ্ডৰ বৈপ্লৱিক চৰকাৰ — গণ-প্ৰতিনিধি পৰিষদ গঠিত হয়।

১৯১৮ চনৰ ১ মাৰ্চত পেত্ৰোগ্ৰাদত ফিনিছ শ্ৰমিক সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰ আৰু ৰুছ ছোভিয়েত ফেডাৰেটিভ সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ মাজত চুক্তি স্বাক্ষৰিত হয়। উভয় পক্ষৰ পূৰ্ণ সমানাধিকাৰ আৰু সাৰ্বভৌমত্বৰ ভিত্তিত প্ৰতিষ্ঠিত এই চুক্তি আছিল বিশ্বৰ ইতিহাসত দুখন সমাজতান্ত্ৰিক দেশৰ মাজত প্ৰথম চুক্তি।

কিন্তু ফিনলেণ্ডৰ কেৱল দক্ষিণাঞ্চলতেই প্ৰলিতাৰীয় বিপ্লৱ জয়ী হৈছিল। বুৰ্জোৱা চৰকাৰে দেশৰ উত্তৰাঞ্চলত প্ৰতিবিপ্লৱৰ সমস্ত শক্তি কেন্দ্ৰীভূত কৰি থোপনি পোতে আৰু জাৰ্মানিৰ কাইজাৰ চৰকাৰৰ সাহায্য প্ৰাৰ্থনা কৰে। জাৰ্মান সশস্ত্ৰ সৈন্যবাহিনীৰ হস্তক্ষেপৰ ফলস্বৰূপে ফিনলেণ্ডৰ বিপ্লৱ, অৱশেষত তুমুল গৃহ-যুদ্ধৰ পাছত, ১৯১৮ চনৰ মে' মাহত চূৰ্ণ হয়।

১৯১৮ চনৰ ১৭ ডিচেম্বৰত জাৰ্মান আক্ৰমণকাৰী আৰু প্ৰতিবৈপ্লৱিক চৰকাৰৰ বিৰুদ্ধে লাংভীয় প্ৰলিতাৰিয়েত আৰু কৃষকসকলৰ ব্যাপক সংগ্ৰামৰ ফলত লাংভিয়াত এটি অস্থায়ী ছোভিয়েত চৰকাৰ গঠিত হয়। এই চৰকাৰে ছোভিয়েতৰ হাতলৈ ৰাষ্ট্ৰ-ক্ষমতা প্ৰদানৰ ইস্তাহাৰ প্ৰকাশ কৰে। ছোভিয়েত ৰুছিয়াই লাংভীয় জনসাধাৰণক ছোভিয়েত ক্ষমতা প্ৰতিষ্ঠাৰ সংগ্ৰামত আৰু লাংভীয় ছোভিয়েত সমাজতান্ত্ৰিক প্ৰজাতন্ত্ৰ সুসংহত কৰাৰ ক্ষেত্ৰত ভ্ৰাতৃপ্ৰতিম সাহায্য আগ বঢ়ায়।

১৯১৯ চনৰ মাৰ্চ মাহত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু আঁতাত গোষ্ঠীৰ সাম্ৰাজ্যবাদীহঁতৰ সাহায্যেৰে সুসজ্জিত হৈ জাৰ্মান সৈন্যবাহিনী আৰু শ্বেতৰক্ষীবোৰে ছোভিয়েত লাংভিয়াৰ বিৰুদ্ধে ব্যাপক আক্ৰমণাত্মক অভিযান চলালে। মে' মাহত সিহঁতে ছোভিয়েত লাংভিয়াৰ ৰাজধানী ৰিগা দখল কৰিলে। ১৯২০ চনৰ জানুৱাৰীৰ প্ৰথমভাগতে লাংভিয়াৰ গোটেই ভূখণ্ড আক্ৰমণকাৰীহঁতে অধিকাৰ কৰিলে, আৰু বুৰ্জোৱা প্ৰতিবিপ্লৱে তাত সন্ত্ৰাসৰ এক ৰাজত্ব স্থাপন কৰিলে। পৃঃ ১৯৯

(১৮৯) **গিল্ড ছচিয়েলিষ্ট** — প্ৰথম বিশ্ব-যুদ্ধৰ আগতে ব্ৰিটিছ ট্ৰেড ইউনিয়নবোৰৰ মাজত দেখা দিয়া এটা সংস্কাৰবাদী প্ৰৱণতাৰ প্ৰতিনিধিসকল। গিল্ড ছচিয়েলিষ্টসকলে ৰাষ্ট্ৰৰ শ্ৰেণী-চৰিত্ৰ অস্বীকাৰ কৰিছিল আৰু শ্ৰমিকসকলৰ মাজত এই মোহ ব্যাপ্ত কৰিছিল যে শ্ৰেণী-সংগ্ৰাম নোহোৱাকৈয়ে শোষণৰপৰা মুক্তি পোৱা সম্ভৱ, তদুপৰি বিদ্যমান ট্ৰেড ইউনিয়নবোৰৰ ভিত্তিত উৎপাদকসকলৰ বিশেষ সমিতি, তথাকথিত 'গিল্ড' প্ৰতিষ্ঠা কৰাৰ ধাৰণা প্ৰচাৰ কৰিছিল — এই গিল্ডবোৰৰ যেতিয়াৰেহনে হেনো ঔদ্যোগিক ব্যৱস্থাপনাৰ ভাৰ গ্ৰহণ কৰিব। এইদৰেই গিল্ড ছচিয়েলিষ্টসকলে ক্ৰমশঃ সমাজতান্ত্ৰিক সমাজ গঢ়ি তোলাৰ আশা ৰাখিছিল।

ৰুছিয়াত অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পাছতো তেওঁলোকে গিল্ড সমাজতন্ত্ৰৰ তত্ত্বক মাৰ্ক্সবাদ শ্ৰেণী-সংগ্ৰাম আৰু প্ৰলিতাৰীয় একনায়কত্বৰ ধাৰণাৰ সম্মুখীন হ'বলৈ চেষ্টা কৰি নিজৰ প্ৰচাৰ চলাই গৈছিল। ১৯২০-ৰ

দশকত গিল্ড সমাজতন্ত্রই অন্তশেষত ব্রিটিছ শ্রমিক শ্রেণীৰ ওপৰত তাৰ সকলো প্ৰভাৱ হেৰুৱায়। প: ২০৬

(১৯০) ৮৮ নং টীকা চাওক। প: ২১৩

(১৯১) ২৬ নং টীকা চাওক। প: ২১৪

(১৯২) ২৮৬ নং টীকা চাওক। প: ২১৬

(১৯৩) **'সংগ্ৰাম পৰিষদ'** — ব্রিটেইনে যাতে ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে যুদ্ধত যোগ দিব নোৱাৰে, সেই উদ্দেশ্য লৈ ১৯২০ চনত ব্রিটিছ শ্রমিকসকলে এই পৰিষদ গঠন কৰিছিল। ১৯২০ চনৰ ৯ আগষ্টত লণ্ডনত বিভিন্ন শ্রমিক প্ৰতিনিধিৰ যুটীয়া সম্মিলনত এখন কেন্দ্ৰীয় 'সংগ্ৰাম পৰিষদ' গঠিত হয়। পাছত আন নগৰীতো স্থানীয়ভাৱে 'সংগ্ৰাম কমিটিবোৰ' গঢ়ি উঠে। প: ১৯৬

(১৯৪) **আমষ্টাৰ্ডাম ট্ৰেড ইউনিয়ন আন্তৰ্জাতিক** — সংস্কাৰবাদী ট্ৰেড ইউনিয়নবিলাকৰ আন্তৰ্জাতিক সমিতিৰ কেন্দ্ৰ। ১৯১৯ চনৰ জুলাই মাহত আমষ্টাৰ্ডামত অনুষ্ঠিত কংগ্ৰেছত এই আন্তৰ্জাতিক গঠিত হয়, আৰু ১৯৪৫ চনৰ ডিচেম্বৰলৈকে ইয়াৰ অস্তিত্ব আছিল। প: ২২০

(১৯৫) **'আন্তৰ্জাতিক শ্রমিকসকলৰ সাহায্য'** — ছোভিয়েত ৰুছিয়াৰ শ্ৰমজীৱী জনসাধাৰণৰ লগত আন্তৰ্জাতিক শ্রমিক শ্রেণীৰ প্রলিতাৰীয় সংহতিৰ এক গণ-সংগঠন। ছোভিয়েত ৰুছিয়াৰ দুৰ্ভিক্ষ-পীড়িত অঞ্চলবোৰৰ জনসাধাৰণক সাহায্য কৰাৰ কাৰণে যিবিলাক কমিটি বহু দেশত গঠিত হৈছিল আৰু যিবিলাকৰ উদ্দেশ্য আছিল ৰুছিয়ালৈ দিয়া এই সাহায্যক এক আন্তৰ্জাতিক পৰিসৰত সমন্বিত কৰা, সেই সাহায্য কমিটিবিলাকৰ আন্তৰ্জাতিক সম্মিলনত ১৯২১ চনৰ ছেপ্টেম্বৰত এই সংগঠন প্ৰতিষ্ঠিত হয়। ১৯২১ চনৰ ২ আগষ্টত আন্তৰ্জাতিক প্রলিতাৰিয়েতলৈ জনোৱা ভি. আই. লেনিনৰ আবেদনত পৃথিৱীৰ প্ৰগতিশীল শ্রমিকসকলে এনেদৰেই সাহায্য সংগঠন গঢ়াৰ মাজেৰে সঁহাৰি জনাইছিল। প: ২২২

## আ

**আক্সেলৰদ, পাভেল বৰিছভিচ** (১৮৫০-১৯২৮) — অন্যতম মেনছেভিক নেতা, প্ৰতিক্ৰিয়াৰ বছৰবোৰত (১৯০৭-১৯১০) আৰু পৰৱৰ্তী বৈপ্লৱিক জোৱাৰৰ সময়ত বিলুপ্তিবাদী, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী ৰব-কথাৰ মেৰপাকত সামাজিক-উগ্ৰ স্বাদেশিকতাৰ মনোভাৱ গ্ৰহণ কৰে, অক্টোবৰ বিপ্লৱৰ প্ৰতি বৈৰীভাবাপন্ন আছিল। — ৪৮

**আডলাৰ, ফ্ৰিডৰিখ** (১৮৭৯-১৯৬০) — অষ্ট্ৰিয়াত ছচিয়েল-ডেমক্ৰেটিক আন্দোলনৰ অন্যতম নেতা; ১৯১৬ চনত যুদ্ধৰ বিৰুদ্ধে প্ৰতিবাদত তেওঁ আষ্ট্ৰীয় বার্ন (আঢ়ৈ) আন্তৰ্জাতিকৰ অন্যতম সংগঠক। — ৬৭

**আডলাৰ, ভিক্টৰ** (১৮৫২-১৯১৮) — অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি আৰু দ্বিতীয় আন্তৰ্জাতিকৰ অন্যতম সংস্কাৰ-বাদী নেতা; প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে; তেওঁ শ্ৰেণী-শান্তি প্ৰচাৰ কৰে আৰু শ্ৰমিক শ্ৰেণীৰ বৈপ্লৱিক তৎপৰতাৰ বিৰোধিতা কৰে। — ৬৭, ১১৫

**আলেক্সিনস্কি, গ্ৰিগৰি আলেক্সেয়েভিচ** (জন্ম ১৮৭৯)— বুজুৰ্ৱা ছচিয়েল-ডেমক্ৰেট: ১৯০৫-১৯০৭ চনৰ বিপ্লৱৰ পৰাজয়ৰ পাছত এজন 'অৎজোভিষ্ট', তেওঁ দাবী কৰে যে ৰাষ্ট্ৰীয় দুমাত ছচিয়েল-ডেমক্ৰেট প্ৰতিনিধি-কেইজনক ফিৰাই অনা হওক; প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। অক্টোবৰ বিপ্লৱৰ পাছত বিদেশলৈ পলাই যায়। — ৩৭

## ই

**ইওনভ** (কোইগেন এফ. এম.) (১৮৭০-১৯২৩) — ছচিয়েল-ডেমক্ৰেট আৰু বুন্দৰ অন্যতম নেতা; পৰৱৰ্তী কালত কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। — ৫৭

## উ

**উইলছন, উড্ৰো** (১৮৫৬-১৯২৪) — মাৰ্কিন প্ৰেচিডেণ্ট

(১৯১৩-১৯২১)। তেওঁ শ্ৰমিক শ্ৰেণীৰ আন্দোলনক নিষ্ঠুৰভাৱে দমন কৰিছিল; তেওঁ ছোভিয়েত-বিৰোধী সশস্ত্ৰ হস্তক্ষেপৰ অন্যতম উদ্যোক্তা আৰু সংগঠক আছিল। — ১৪৫

**উইলিয়ামছ টি. ৰাছেল** — ব্ৰিটিছ সমাজতন্ত্ৰী আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিৰ সদস্য। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত যুদ্ধ-বিৰোধী অৱস্থান গ্ৰহণ কৰিছিল আৰু দ্বিতীয় আন্তৰ্জাতিকৰ নেতৃবৃন্দৰ নীতি সমালোচনা কৰিছিল। — ১১৪

## এ

**এঙ্গেলছ, ফ্ৰিডৰিখ** (১৮২০-১৮৯৫) — বৈজ্ঞানিক সাম্যবাদৰ অন্যতম প্ৰতিষ্ঠাতা, আন্তৰ্জাতিক প্ৰলিতাৰিয়েতৰ নেতা। — ৯০

**এবেৰ্ট, ফ্ৰিডৰিখ** (১৮৭১-১৯২৫) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ দক্ষিণপন্থী সুবিধাবাদী অংশৰ অন্যতম নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ সামাজিক-জাত্যাভিমানী অংশৰ নেতা। ১৯১৯-১৯২৫ চনত জাৰ্মান বুৰ্জোৱা প্ৰজাতন্ত্ৰ প্ৰেচিডেণ্ট আছিল; কঠোৰভাৱে শ্ৰমিক শ্ৰেণীৰ আন্দোলন দমন কৰিছিল। — ১৬৫

**এৰ্ভে, গুস্তাভ** (১৮৭১-১৯৪৪)— ফৰাচী সমাজতন্ত্ৰী, প্ৰবন্ধ ৰচয়িতা আৰু আইনজীৱী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰিছিল। — ৩৬

## ও

**ওৱেব, বিয়াট্ৰিচে** (১৮৫৮-১৯৪৩) আৰু ছিডনি (১৮৫৯-১৯৪৭)— ব্ৰিটেইনৰ জন-জীৱনত খ্যাতনামা ব্যক্তি, ব্ৰিটিছ শ্ৰমিক আন্দোলনৰ ইতিহাস সম্পৰ্কে গ্ৰন্থ ৰচয়িতা। ছিডনি ওৱেব ফেবিয়ান ছচাইটিৰ অন্যতম প্ৰতিষ্ঠাতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁলোকে সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰিছিল, কিন্তু অক্টোবৰ বিপ্লৱৰ পাছত ছোভিয়েত ৰাষ্ট্ৰৰ প্ৰতি সহানুভূতিশীল মনোভাৱ গ্ৰহণ কৰে। — ১৩৯

## ক

**কছোভস্কি, ভি.** (লেভিনছন, এম.) (১৮৭০-১৯৪১) — বুন্দৰ অন্যতম প্ৰতিষ্ঠাতা আৰু নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। — ৪৮

**কাউৎস্কি কাৰ্ল** (১৮৫৪-১৯৩৮) — জাৰ্মান ছচিয়েল-ডেমক্ৰেচি আৰু দ্বিতীয় আন্তৰ্জাতিকৰ এজন নেতা। প্ৰথমতে তেওঁ মাৰ্ক্সবাদৰ প্ৰতি আসক্ত আছিল, কিন্তু পাছত মাৰ্ক্সবাদ বৰ্জন কৰি মধ্যপন্থী ভাবাদৰ্শী হৈ পৰে। — ৩৬

**কামেনেভ (ৰোজেনফেল্দ), লেভ বৰিছভিচ** (১৮৮৩-১৯৩৬) —

১৯০১ চনৰপৰা বলছেভিক পার্টিৰ সদস্য। ১৯১৪ চনৰপৰা 'প্রাভদা' কাকতৰ সম্পাদকমণ্ডলীত কাম কৰে আৰু চতুর্থ দুমাত বলছেভিক গোষ্ঠীৰ নেতৃত্ব কৰে। ১৯১৫ চনত জাৰতন্ত্রী আদালতৰ এটা বিচাৰৰ সময়ত তেওঁ সাম্রাজ্যবাদী বিশ্ব-যুদ্ধত জাৰতন্ত্রী চৰকাৰৰ পৰাজয়ৰ শ্লোগান বর্জন কৰে। ১৯১৭ চনৰ ফেব্রুৱাৰীত বুর্জোৱা-গণতান্ত্রিক বিপ্লৱৰ পাছত তেওঁ পার্টিৰ সমাজতান্ত্রিক বিপ্লৱ আৰু সশস্ত্র অভ্যুত্থানৰ পন্থাৰ বিৰোধিতা কৰে। অক্টোবৰ বিপ্লৱৰ পাছত কেবাটিও গুৰুত্বপূর্ণ পদত অধিষ্ঠিত হয় আৰু বাৰে বাৰে পার্টিৰ লেনিনবাদী কর্মনীতিক আক্রমণ কৰে। ১৯৩৪ চনত পার্টি-বিৰোধী কার্যকলাপৰ কাৰণে তেওঁ পার্টিৰপৰা বহিস্কৃত হয়। — ৩৫

**কার্লছন, কার্ল** (১৮৬৫-১৯২৯) — ছুইডিছ বামপন্থী ছচিয়েল-ডেমক্রেট আৰু প্রথম বিশ্ব-যুদ্ধৰ সময়ত আন্তর্জাতিকতাবাদী। — ১১৪

**কেইৰ হাৰ্ডি, জেমছ** — হার্ডি, জেমছ কেইৰ চাওক।

**কেৰেনস্কি, আলেক্সান্দৰ ফিওদৰভিচ** (১৮৮১-১৯৭০)— ছচিয়েলিষ্ট-ৰিভলিউছনেৰি, আৰু ১৯১৭ চনত ৰুছিয়াৰ বুর্জোৱা প্রতিবিপ্লৱী অস্থায়ী চৰকাৰৰ নেতা। কর্মনীতিত তেওঁ সাম্রাজ্যবাদী বুর্জোৱা শ্রেণীৰ নির্দেশ পালন কৰিছিল। —১৪৩

**ক্লাউজেভিংছ, কার্ল** (১৭৮০-১৮৩১) — প্রুছীয় জেনাৰেল আৰু সামৰিক ইতিহাস সম্পর্কে বিখ্যাত গ্রন্থ ৰচয়িতা। — ৩৭

**ক্লুক, আলেক্সান্দৰ** (১৮৪৬-১৯৩৪) — জার্মান জেনাৰেল, প্রথম বিশ্ব-যুদ্ধৰ আৰম্ভণিত উত্তৰ ফ্রান্সত জার্মান ফৌজৰ অধিনায়ক আছিল। — ৪৩

**ক্লেমাঁছো, জর্জ** (১৮৪১-১৯২৯)—ফৰাচী ৰাজনীতিবিদ আৰু ৰাষ্ট্রনীতিজ্ঞ আৰু ৰেডিকেলসকলৰ নেতা। প্রথম বিশ্ব-যুদ্ধৰ সময়ত প্রকাশ্য উগ্র-জাতীয়তাবাদী হিচাপে আত্মপ্রকাশ কৰে। ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে অৱৰোধ আৰু হস্তক্ষেপৰ অন্যতম প্রৰোচক। ১৯০৬-১৯০৯ আৰু ১৯১৭-১৯২০ চনত ফৰাচী চৰকাৰৰ নেতৃত্ব কৰে। — ১৪৯

## গ

**গমপের্ছ, ছামুৱেল** (১৮৫০-১৯২৪) — মার্কিন যুক্তৰাষ্ট্রৰ অন্যতম ট্রেড ইউনিয়ন নেতা, পুঁজিপতিসকলৰ লগত শ্রেণী-সহযোগৰ নীতি অনুসৰণ কৰে। ১৮৯৫ চনৰপৰা মৃত্যুৰ সময়লৈকে তেওঁ মার্কিন শ্রমিক ফেডাৰেছনৰ (এ. এফ. এল.) সভাপতি। প্রথম মহাসমৰৰ সময়ত সামাজিক জাতিদম্ভবাদী অৱস্থান গ্রহণ কৰে। — ৭৮

**গানেৎস্কি (ফিউৰ্স্টেনবাৰ্গ), ইয়াকভ স্তানিস্লাভভিচ** (১৮৭৯-১৯৩৭) — পোলেন্ড আৰু ৰুছিয়াৰ বৈপ্লৱিক আন্দোলনৰ এজন বিশিষ্ট নেতা; ছচিয়েল-ডেমক্রেট। — ১১৫

**গিৰবো, আঁৰি** (১৮৮৫-১৯৩৮)— ফৰাচী সমাজতন্ত্ৰী আৰু সাংবাদিক। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত 'Demain' কাকত প্ৰকাশ কৰে আৰু আন্তৰ্জাতিক যোগাযোগ পুনঃপ্ৰতিষ্ঠাৰ পক্ষে মত প্ৰকাশ কৰে। ১৯১৬ চনত কিন্থাল সম্মিলনত যোগ দিয়ে, কিন্তু পৰৱৰ্তী কালত ৱংস্কিপন্থী অৱস্থান গ্ৰহণ কৰে আৰু ছোভিয়েত ইউনিয়নৰ বিৰুদ্ধে যায়। — ১১৪

**গেদ, জুলে** (১৮৪৫-১৯২২) — ফৰাচী সমাজতন্ত্ৰী, ফ্ৰান্সৰ সমাজতন্ত্ৰী পাৰ্টি অন্যতম প্ৰতিষ্ঠাতা (১৯০১) আৰু দ্বিতীয় আন্তৰ্জাতিকৰ এজন নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁ খোলাখুলিকৈ সামাজিক জাতিদম্ভবাদী হিচাপে আত্মপ্ৰকাশ কৰে। — ৩৬

**গোৰ্টেৰ, হেৰ্মান** (১৮৬৪-১৯২৭) — ডাচ ছচিয়েল-ডেমক্রেচিৰ বামপন্থী অংশৰ নেতা আৰু প্ৰথম মহাসমৰৰ সময়ত আন্তৰ্জাতিকতাবাদী। ১৯২১ চনত কমিউনিষ্ট আন্দোলন পৰিত্যাগ কৰে। — ৮৫

**গেৰিবাল্ডি, গিছেপ্পে** (১৮০৭-১৮৮২) — ইটালিৰ জাতীয়-মুক্তি আৰু একীকৰণৰ আন্দোলনত নেতৃত্ব দিয়ে, ইটালীয় বিপ্লৱী গণতন্ত্ৰীসকলৰ বিশিষ্ট নেতা। — ৮৩

**গ্ৰিম, ৰবাৰ্ট** (১৮৮১-১৯৫৮)— ছুইছ ছচিয়েল-ডেমক্রেটিক পাৰ্টিৰ এজন নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী। ছিমেৰ্ভাল্ড আৰু কিন্থাল সম্মিলনৰ চেয়াৰমেন আছিল। —১১২

**গ্ৰেলিখ, হেৰ্মান** (১৮৪২-১৯২৫) — ছুইছ সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা আৰু ইয়াৰ দক্ষিণপন্থী অংশৰ নেতা। প্ৰথম মহাসমৰৰ সময়ত তেওঁ সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। — ১১৭

**গ্ৰুনবের্গ, কাৰ্ল** (১৮৬১-১৯৪০) — অষ্ট্ৰীয় সমাজতন্ত্ৰী, আইনজীৱী, অৰ্থনীতিবিদ আৰু ইতিহাসবিদ। — ৬৪

## চ

**চ্খেইজে, নিকোলাই ছেমিওনভিচ** (১৮৬৪-১৯২৬) — মেনছেভিক-সকলৰ অন্যতম নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী। — ১০৯

## ছ

**ছাম্বা, মাৰ্ছেল** (১৮৬২-১৯২২) ফৰাচী সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম সংস্কাৰবাদী নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক জাতিদম্ভবাদী অৱস্থান

গ্ৰহণ কৰে আৰু ফ্ৰান্সৰ বুৰ্জোৱা চৰকাৰত সোমায়। — ৪৩

ছেৰাতি, জিয়াচিন্তো মেনোত্তি (১৮৭২-১৯২৬) — ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰে। তেওঁৰ পাৰ্টিয়ে কমিউনিষ্ট আন্তৰ্জাতিকত যোগ দিয়াৰ পক্ষে তেওঁ থিয় দিছিল। — ১১৫

ছেৰেতেলি, ইৰাকলি, গেওৰ্গিয়েভিচ (১৮৮২-১৯৫৯) — মেনছেভিকসকলৰ অন্যতম নেতা, প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। ১৯১৭ চনৰ মে' মাহত অস্থায়ী চৰকাৰৰ মন্ত্ৰী হৈছিল। — ১০৯

ছেইডেমান, ফিলিপ (১৮৬৫-১৯৩৯) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ চৰম দক্ষিণপন্থী, সুবিধাবাদী অংশৰ অন্যতম নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। ১৯১৯ চনৰ ফেব্ৰুৱাৰীৰপৰা জুনলৈকে তেওঁ জাৰ্মান বুৰ্জোৱা চৰকাৰৰ নেতা আছিল আৰু শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ ওপৰত কঠোৰ দমন নীতি চলাইছিল।— ১১৩

**জ**

জফ্ৰে, জোছেফ (১৮৫২-১৯৩১)— ফৰাচী মাৰ্ছাল আৰু প্ৰথম মহাসমৰৰ সময়ত সেনাবাহিনীৰ অধিনায়ক। — ৬৪

জৰগে, ফ্ৰিডৰিখ আডোল্‌ফ (১৮২৮-১৯০৬) — জাৰ্মান সমাজতন্ত্ৰী আৰু আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ আন্দোলন আৰু সমাজতান্ত্ৰিক আন্দোলনত এজন বিশিষ্ট ব্যক্তি। মাৰ্ক্স আৰু এঙ্গেলছৰ বন্ধু আৰু ঘনিষ্ঠ সহযোগী। জাৰ্মানিত ১৮৪৮-১৮৪৯ চনৰ বিপ্লৱৰ পাছত তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ গুচি যায়, তাত শ্ৰমিক শ্ৰেণীৰ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। — ১১২

জৰ্জ, পঞ্চম (১৮৬৫-১৯৩৬) — ১৯১০-১৯৩৬ চনত ইংলণ্ডৰ ৰজা। — ৯৪

জিউডেকুম, আলবাৰ্ট (১৮৭১-১৯৪৪) — জাৰ্মান ছচিয়েল-ডেমক্ৰেচিৰ অন্যতম সুবিধাবাদী নেতা আৰু সংশোধনবাদী; প্ৰথম মহাসমৰৰ সময়ত উগ্ৰ-জাতীয়তাবাদী অৱস্থান গ্ৰহণ কৰে। — ৭১

জিনোভিয়েভ, গ্ৰিগৰি ইয়েভছেয়েভিচ (১৮৮৩-১৯৩৬) — ১৯০১ চনৰপৰা পাৰ্টিৰ সদস্য। প্ৰথম মহাসমৰৰ সময়ত আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰে। অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱৰ আয়োজনৰ আৰু বিপ্লৱ সম্পাদনৰ সময়ত আনুগত্যৰ ক্ষেত্ৰত দোধোৰ-মোধোৰ ভাব দেখুৱায় আৰু সশস্ত্ৰ অভ্যুত্থানৰ বিৰোধিতা কৰে। অক্টোবৰ বিপ্লৱৰ পাছত

বিভিন্ন দায়িত্বশীল পাৰ্টি আৰু চৰকাৰী পদত অধিষ্ঠিত থাকে, কিন্তু বাৰে বাৰে লেনিনবাদী নীতিৰ বিৰুদ্ধাচৰণ কৰে। ১৯৩৪ চনত পাৰ্টি-বিৰোধী কাৰ্যকলাপৰ কাৰণে তেওঁক পাৰ্টিৰপৰা বহিষ্কাৰ কৰা হয়। — ১১২

**জেট্‌কিন, ক্লাৰা** (১৮৫৭-১৯৩৩) — জাৰ্মান আৰু আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বিশিষ্ট নেত্ৰী আৰু জাৰ্মান কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা। — ৭১

**জোৰেছ, জাঁ** (১৮৫৯-১৯১৪) — ফৰাচী আৰু আন্তৰ্জাতিক সমাজতান্ত্ৰিক আন্দোলনত বিশিষ্ট ব্যক্তি আৰু ফৰাচী সমাজতন্ত্ৰী পাৰ্টিৰ দক্ষিণপন্থী সংস্কাৰবাদী অংশৰ নেতা। ১৯০৪ চনত *L'Humanité* কাকত প্ৰতিষ্ঠা আৰু ইয়াৰ সম্পাদনা কৰে। সমৰবাদ আৰু সামৰিক চক্ৰবোবৰ প্ৰভাৱক তেওঁ তীব্ৰভাৱে আক্ৰমণ কৰে। প্ৰথম বিশ্ব-যুদ্ধৰ আগে আগে তেওঁক গুপ্তভাৱে হত্যা কৰা হয়। — ১১৩

## ট

**ট্ৰুলষ্ট্ৰা, পিটাৰ** (১৮৬০-১৯৩০) — ডাচ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা আৰু নেতা, সুবিধাবাদী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। — ৭১

## ড

**ডেব্‌ছ, ইউজিন** (১৮৫৫-১৯২৬) — মাৰ্কিন শ্ৰমিক আন্দোলনৰ বিশিষ্ট ব্যক্তি আৰু আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টিৰ বামপন্থী অংশৰ নেতা। ১৯১৮ চনত যুদ্ধ-বিৰোধী ক্ৰিয়াকলাপৰ কাৰণে তেওঁক দহ বছৰৰ কাৰাদণ্ড বিহা হয়। ৰুছিয়াৰ অক্টোবৰ বিপ্লৱক তেওঁ গভীৰ উৎসাহেৰে অভিনন্দন জনাইছিল। — ১৬১

**ডেভিড, এডুৱাৰ্ড** (১৮৬৩-১৯৩০) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ দক্ষিণপন্থী অংশৰ অন্যতম নেতা, সংশোধনবাদী আৰু সামাজিক-জাতিদম্ভবাদী। — ১১৩

## ত

**তমা, আলবেৰ** (১৮৭৮-১৯৩২)— ফৰাচী ৰাজনীতিবিদ আৰু সামাজিক-সংস্কাৰবাদী; প্ৰথম মহাসমৰৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে; ফৰাচী বুৰ্জোৱা চৰকাৰৰ সদস্য আছিল। — ৬৪

**তলষ্টয়, লেভ নিকোলায়েভিচ** (১৮২৮-১৯১০) — মহান ৰুছ লিখক। — ১০২

**তুৰাতি, ফিলিপ্পো** (১৮৫৭-১৯৩২) — ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ দক্ষিণপন্থী সংস্কাৰবাদী অংশৰ নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী। — ১১২

**তিস্কা, ইয়ান** (ইওগিখেছ লিয়ন) (১৮৬৭-১৯১৯) — পোলিছ আৰু জাৰ্মান শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বিশিষ্ট নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰে, আৰু জাৰ্মানিৰ কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা। — ১১৫

**ৱংস্কি (ব্ৰনষ্টেইন), লেভ দাভিদভিচ** (১৮৭৯-১৯৪০) — ১৮৯৭ চনৰপৰা ৰুছ ছচিয়েল-ডেমক্ৰেটিক শ্ৰমিক পাৰ্টিৰ সদস্য আৰু মেনছেভিক। ১৯১২ চনত তেওঁ পাৰ্টি-বিৰোধী আগষ্ট গোট সংগঠিত কৰে আৰু প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। ১৯১৭ চনৰ ফেব্ৰুৱাৰীত বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ পাছত দেশান্তৰ অৱস্থাৰপৰা ৰুছিয়ালৈ উভতি অহাত তেওঁক বলছেভিক পাৰ্টিত ভুক্ত কৰা হয়। অক্টোবৰ বিপ্লৱৰ পাছত তেওঁ ভালেমান দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত আছিল। ১৯১৮ চনত ব্ৰেস্ত শান্তি চুক্তি স্বাক্ষৰত বিৰোধিতা কৰে। ১৯২০ আৰু ১৯২১ চনত ট্ৰেড ইউনিয়ন সম্পৰ্কীয় বিৰোধৰ সময়ত তেওঁ বিৰুদ্ধবাদীসকলক নেতৃত্ব দিয়ে। ১৯২৩ চনৰপৰা পাৰ্টিৰ সাধাৰণ কৰ্মপন্থা আৰু সমাজতন্ত্ৰ নিৰ্মাণৰ লেনিনবাদী কৰ্মসূচীৰ বিৰুদ্ধে তীব্ৰ উপদলীয় সংগ্ৰাম চলায়, দাবী কৰে যে ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰ ৰচনা কৰিব পৰা নহ'ব। ১৯২৭ চনত তেওঁ পাৰ্টিৰপৰা বহিষ্কৃত হয় আৰু ১৯২৯ চনত ছোভিয়েত-বিৰোধী কাৰ্যকলাপৰ কাৰণে তেওঁ ছোভিয়েত ইউনিয়নৰপৰা বহিষ্কৃত হয়। ১৯৩২ চনত ৱংস্কিক ছোভিয়েত নাগৰিকত্বৰপৰাও বঞ্চিত কৰা হয়। — ৪৮

**ৱিয়েৰ, গেৰ্হাৰ্ন** (১৮৫১-১৯১৮)— ডেনিছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ বামপন্থী অংশৰ অন্যতম নেতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰিছিল। — ১১৪

**ত্ৰেভেছ, ক্লডিও** (১৮৬৮-১৯৩৩) — ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম সংস্কাৰবাদী নেতা; প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। — ১১২

## ন

Nota Bene — ৰুখাবিন, এন. ই. চাওক।

**নিকোলাই দ্বিতীয় (ৰমানভ)** (১৮৬৮-১৯১৮) — ৰুছিয়াৰ সৰ্বশেষ সম্ৰাট (১৮৯৪-১৯১৭)। — ৯৪

**নেপোলিয়ন প্ৰথম (বোনাপাৰ্ট)** (১৭৬৯-১৮২১) — ফ্ৰান্সৰ সম্ৰাট (১৮০৪-১৮১৪ আৰু ১৮১৫)। — ৮৪

**নেৰ্মান, তুৰে** (১৮৮৬-১৯৫৯)— ছুইডিছ বামপন্থী ছচিয়েল-ডেমক্ৰেট আৰু প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী।

১৯১৬ চনত তেওঁ বামপন্থী বিৰোধী-পক্ষৰ মুখপত্ৰ 'Politiken' কাকতৰ প্ৰথম সম্পাদক হয়। — ১১৪

### প

**পুআঁকাৰে, ৰায়মন** (১৮৬০-১৯৩৪) — ফৰাচী বুৰ্জোৱা ৰাজনীতিবিদ, ১৯১২ চনত প্ৰধান মন্ত্ৰী আৰু ১৯১৩-১৯২০ চনত ফৰাচী প্ৰজাতন্ত্ৰৰ প্ৰেচিডেণ্ট। প্ৰথম বিশ্ব-যুদ্ধৰ অন্যতম উদ্যোক্তা। অক্টোবৰ বিপ্লৱৰ পাছত তেওঁ ছোভিয়েত ৰুছিয়াৰ বিৰুদ্ধে বিদেশী সামৰিক হস্তক্ষেপৰ অন্যতম সংগঠক। — ২৯

**পতিয়ে, ইউজেন** (১৮১৬-১৮৮৭) — ফৰাচী শ্ৰমিক আৰু সমাজতন্ত্ৰী, প্ৰলিতাৰীয় সংগীত 'ইণ্টাৰনেছনেল' (আন্তৰ্জাতিক)-ৰ ৰচয়িতা, পেৰিছ কমিউনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। — ২৩

**পত্ৰেছভ, আলেক্সান্দৰ নিকোলায়েভিচ** (১৮৬৯-১৯৩৪) — ৰুছ ছচিয়েল-ডেমক্ৰেট আৰু মেনছেভিক বিলুপ্তিবাদী, প্ৰথম মহাসমৰৰ সময়ত সামাজিক-উগ্ৰ -জাতীয়তাবাদী অৱস্থান গ্ৰহণ কৰে। — ৪৮

**পান্নেকুক, আন্তন** (১৮৭৩-১৯৬০) —ডাচ ছচিয়েল-ডেমক্ৰেট আৰু 'De Tribune' কাকতৰ অন্যতম প্ৰতিষ্ঠাতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁ আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰে। — ৩৬

**পাৰ্ভুছ (গেলফাণ্ড), আলেক্সান্দৰ লাজাৰেভিচ** (১৮৬৯-১৯২৪)— ৰুছ দেশান্তৰী, উনৈছ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ আৰম্ভণিত জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিত সক্ৰিয়ভাৱে কাম কৰিছিল; মেনছেভিকসকলৰ লগত যোগ দিছিল। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত চূড়ান্ত উগ্ৰ-স্বদেশিকতাৰ নীতি গ্ৰহণ কৰিছিল। — ১১৭

**প্ৰুধোঁ, পিয়েৰ জোছেফ** (১৮০৯-১৮৬৫) — ফৰাচী প্ৰবন্ধ ৰচয়িতা, অৰ্থনীতিবিদ, সমাজতত্ত্ববিদ, পেটি-বুৰ্জোৱা শ্ৰেণীৰ ভাব্যদৰ্শবাদী আৰু নৈৰাজ্যবাদৰ অন্যতম প্ৰৱৰ্তক।— ৪৩

**প্ৰেছমান, আদ্ৰিয়েন** (১৮৭৯-১৯২৯) — ফৰাচী সমাজতন্ত্ৰী, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে।— ১১২

**প্লাটেন, ফ্ৰিৰ্ডাৰিখ** (১৮৮৩-১৯৪২) — ছুইছ বামপন্থী ছচিয়েল-ডেমক্ৰেট আৰু ছুইছ কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁ ছিমেৰ্ভাল্ড আৰু কিন্থালে আন্তৰ্জাতিক সমাজতন্ত্ৰী সম্মিলনত অংশগ্ৰহণ কৰে আৰু ছিমেৰ্ভাল্ড বামপন্থী গোষ্ঠীত যোগ দিয়ে। — ১১৯

**প্লেখানভ, গেওৰ্গি ভালেন্তিনভিচ** (১৮৫৬-১৯১৮) — ৰুছ আৰু

আন্তৰ্জাতিক শ্ৰমিক আন্দোলনত বিশিষ্ট ব্যক্তি, মাৰ্ক্সবাদৰ তাত্ত্বিক আৰু উৎকৃষ্ট প্ৰচাৰক আছিল, পাছত মেনছেভিক হয়। প্ৰথম মহাসমৰৰ সময়ত তেওঁ সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। অক্টোবৰ বিপ্লৱৰ ক্ষেত্ৰত নেতিবাচক অবস্থান গ্ৰহণ কৰিলেও, তেওঁ সক্ৰিয়ভাৱে ছোভিয়েত শাসন-ক্ষমতাৰ বিৰোধিতা কৰা নাই। — ৩২

**প্‌ফ্লুগেৰ, পল** (জন্ম ১৮৬৫) — ছুইছ দক্ষিণপন্থী ছচিয়েল-ডেমক্ৰেট, প্ৰথম মহাসমৰৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। -- ১১৭

### ফ

**ফিছাৰ, ৰিখাৰ্ড** (১৮৫৫-১৯২৬) — জাৰ্মান ছচিয়েল-ডেমক্ৰেট আৰু 'আগৰ্বান' বাতৰিকাকতৰ প্ৰকাশক। — ৯৫

### ব

**বাউয়েৰ, অট্টো** (১৮৮২-১৯৩৮) অষ্ট্ৰীয় ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ আৰু দ্বিতীয় আন্তৰ্জাতিকৰ দক্ষিণপন্থী অংশৰ অন্যতম নেতা আৰু সাংস্কৃতিক-জাতীয় স্বায়ত্তশাসন তত্ত্বৰ অন্যতম ৰচয়িতা; অক্টোবৰ বিপ্লৱৰ প্ৰতি বৈৰীভাবাপন্ন আছিল। — ৬৬

**বাৰ্নষ্টাইন, এডুৱাৰ্ড** (১৮৫০-১৯৩২) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ দ্বিতীয় আন্তৰ্জাতিকৰ চৰম সুবিধাবাদী অংশৰ নেতা; সংশোধনবাদ আৰু সংস্কাৰবাদৰ তাত্ত্বিক। — ১৪৪

**বিস্মাৰ্ক, অটো** (১৮১৫-১৮৯৮) — প্ৰুছীয় ৰাষ্ট্ৰনীতিজ্ঞ, প্ৰাছিয়া আৰু জাৰ্মানিৰ কূটনীতিক, প্ৰাছিয়াৰ আধিপত্যাধীনত বলেৰে জাৰ্মানিৰ একীকৰণ ঘটাইছিল; জাৰ্মান সাম্ৰাজ্যৰ চেন্সেলাৰ। — ২৯

**বিছ্‌ছোলাটি, লিওনিদা** (১৮৫৭-১৯২০) — ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা, ইয়াৰ সংস্কাৰবাদী দক্ষিণপন্থী অংশৰ নেতা; প্ৰথম মহাসমৰৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে -- ৩৭

**বুখাৰিন, নিকোলাই ইভানভিচ** (Nota-Bene) (১৮৮৮-১৯৩৮) -- ১৯০৬ চনৰপৰা বলছেভিক পাৰ্টিৰ সদস্য, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত ৰাষ্ট্ৰ, প্ৰলিতাৰীয় একনায়কত্ব আৰু জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নত তেওঁ লেনিনবাদ-বিৰোধী অৱস্থান গ্ৰহণ কৰিছিল। অক্টোবৰ বিপ্লৱৰ পাছত ভালেমান দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত আছিল। কিন্তু বাৰে বাৰে পাৰ্টিৰ লেনিনবাদী কৰ্মনীতিৰ বিৰোধিতা কৰে, আৰু ১৯৩৭ চনত পাৰ্টি-বিৰোধী কাৰ্যকলাপৰ কাৰণে

পাৰ্টিৰপৰা বহিষ্কৃত হয়। — ১১৬

**বুৰ্দেৰোঁ, আলবেৰ** (জন্ম ১৮৫৮) — ফৰাচী সমাজতন্ত্ৰী, ছিণ্ডিকেলিষ্ট আন্দোলনত বামপন্থী অংশৰ অন্যতম নেতা, ছিমেৰ্ভাল্ড সম্মিলনত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। ১৯১৬ চনৰ ডিচেম্বৰত ফৰাচী সমাজতন্ত্ৰী পাৰ্টিৰ সম্মিলনত তেওঁ সাম্ৰাজ্যবাদী যুদ্ধক সমৰ্থন কৰে। পৰৱৰ্তী কালত বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ বিৰোধিতা কৰে। — ১১৪

**বেবেল, অগষ্ট** (১৮৪০-১৯১৩) — জাৰ্মান ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ আৰু আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ অন্যতম অতি বিশিষ্ট নেতা; মাৰ্ক্স আৰু এঙ্গেলছৰ সহযোগী। — ১১৩

**বেৰ্গেৰ, ভিক্তৰ** (১৮৬০-১৯২৯) — মাৰ্কিন সমাজতন্ত্ৰী আৰু আমেৰিকাৰ সংস্কাৰবাদী সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা; প্ৰথম মহাসমৰৰ সময়ত শান্তিবাদী অৱস্থান গ্ৰহণ কৰে আৰু পাছত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দ্বাৰা ছোভিয়েত ইউনিয়নক স্বীকৃতি-দানত বিৰোধিতা কৰে। — ১২১

**ব্ৰাণ্টিং, কাৰ্ল ইয়ালমাৰ** (১৮৬০-১৯২৫) — ছুইডিছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ আৰু দ্বিতীয় আন্তৰ্জাতিকৰ অন্যতম নেতা, সুবিধাবাদী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। — ১১০

## ভ

**ভইনভ, ইভান আভ্‌ক্সেন্তিয়েভিচ** (১৮৮৪-১৯১৭) — শ্ৰমিক আৰু বলছেভিক। 'প্ৰাভদা' কাকতৰ এজন সক্ৰিয় সংবাদদাতা। ১৯১৭ চনৰ ১৯ জুলাইত পেত্ৰোগ্ৰাদত 'লিস্তক প্ৰাভদি' কাকত বিলোৱাৰ সময়ত অফিচাৰ কাদেতহঁতে তেওঁক হত্যা কৰে। — ১৬৬

**ভাইন্‌কপ, ডেভিড** (১৮৭৭-১৯৪১) — ডাচ বামপন্থী ছচিয়েল-ডেমক্ৰেট, পাছত কমিউনিষ্ট হয়। ডাচ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা আৰু প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী। — ১১৪

**ভাণ্ডেৰ্ভেল্ডে, এমিল** (১৮৬৬-১৯৩৮) — বেলজিয়ান শ্ৰমিক পাৰ্টিৰ আৰু দ্বিতীয় আন্তৰ্জাতিকৰ সুবিধাবাদী অংশৰ অন্যতম নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত উগ্ৰ-জাতীয়তাবাদী অৱস্থান গ্ৰহণ কৰে। বেলজিয়ামৰ বুৰ্জোৱা চৰকাৰৰ এজন সদস্য আছিল। — ৪৩

**ভালিয়াঁ, এদুৱাৰ মাৰি** (১৮৪০-১৯১৫) — ফৰাচী সমাজতান্ত্ৰিক আন্দোলন আৰু দ্বিতীয় আন্তৰ্জাতিকত বিশিষ্ট ব্যক্তি আৰু ফ্ৰান্সৰ সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা

(১৯০১)। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। — ৩৬

**ভিলহেল্ম, দ্বিতীয় (হ'য়েনট্‌ছলাৰ্ন)** (১৮৫৯-১৯৪১) — জাৰ্মান সম্ৰাট আৰু প্ৰাছিয়াৰ ৰজা (১৮৮৮-১৯১৮)। — ৯৪

**ম**

**মাৰ্দিলিয়ানি, ভিত্তোৰিও এমানুৱেল** (১৮৭২-১৯৪৭) — ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ প্ৰৱীণতম সদস্যসকলৰ এজন, সংস্কাৰবাদী। প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰিছিল। — ১১২

**মনিটৰ** — এজন জাৰ্মান ছ'চিয়েল-ডেমক্ৰেট আৰু সুবিধাবাদীৰ ছদ্মনাম; এওঁ ১৯১৫ চনৰ এপ্ৰিলত 'Preußische Jahrbücher' কাকতত এটি প্ৰবন্ধ প্ৰকাশ কৰিছিল। — ৫২

**মাকেন্‌জেন, অগষ্ট** (১৮৪৯-১৯৪৫) — জাৰ্মান ফিল্ড মাৰ্ছাল, প্ৰথম মহাসমৰৰ সময়ত পূৰ্ব ৰণাঙ্গনত জাৰ্মান সেনাবাহিনীৰ সৰ্বোচ্চ অধিনায়ক। — ৭০

**মাৰিং, হেনৰিক** (১৮৮০-১৯৪২) — কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় কংগ্ৰেছত প্ৰতিনিধি। ১৯২৭ চনত কমিউনিষ্ট পাৰ্টি পৰিত্যাগ কৰে। — ২৯

**মাৰ্ক্স, কাৰ্ল** — বৈজ্ঞানিক সমাজতন্ত্ৰৰ প্ৰতিষ্ঠাতা। — ৮৯

**মাৰ্তভ, লেভ (ছেদেৰ্‌বাউম, ওৰাই. অ'.)** (১৮৭৩-১৯২৩) — প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত যিসকল মেনছেভিকে মধ্যপন্থী অৱস্থান গ্ৰহণ কৰিছিল, তাৰ মাজৰে এজন নেতা অক্টোবৰ বিপ্লৱৰ পাছত তেওঁ ছোভিয়েত ক্ষমতাৰ বিৰোধিতা কৰে আৰু ১৯২০ চনত দেশান্তৰী হয়। — ৩৭

**মাস্লভ, পিওতৰ পাভলভিচ** (১৮৬৭-১৯৪৬) — ৰুছ অৰ্থনীতিবিদ, কৃষি সমস্যা সম্পৰ্কে একাধিক গ্ৰন্থৰ লিখক; তেওঁ মেনছেভিক আছিল আৰু প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰিছিল। — ৩২

**মিউনট্‌ছেনবেৰ্গ, ভিলহেল্ম** (১৮৮৯-১৯৪০) — ছুইজাৰ্লেণ্ড আৰু জাৰ্মানিত শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ সক্ৰিয় সদস্য; ১৯১৫-১৯২১ চনত সমাজতন্ত্ৰী যুৱ আন্তৰ্জাতিকৰ আৰু পাছত কমিউনিষ্ট যুৱ আন্তৰ্জাতিকৰ সম্পাদক। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁ আন্তৰ্জাতিকতাবাদী আছিল। — ১১৭

**মিউলেৰ, গুস্তাভ** (১৮৬০-১৯২১) — ছুইছ ছ'চিয়েল-ডেমক্ৰেট, প্ৰথম মহাসমৰৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। — ১১৭

**মিলিউকভ, পাভেল নিকোলায়েভিচ** (১৮৫৯-১৯৪৩) — ৰুছ

সাম্রাজ্যবাদী বুর্জোৱা শ্রেণীৰ বিশিষ্ট ভাবাদর্শবাদী আৰু কাদেত পার্টিৰ নেতা ।— ১১৯
**মেৰহেইম, আলেক্স'ছ** (১৮৮১-১৯২৫) — ফৰাচী ট্রেড ইউনিয়ন নেতা। প্রথম বিশ্ব-যুদ্ধৰ আৰম্ভণিতে আন্তর্জাতিকতাবাদী অৱস্থান গ্রহণ কৰিছিল; ১৯১৬ চনত অৱশ্যে মধ্যপন্থী-শান্তিবাদী অৱস্থান গ্রহণ কৰে আৰু শেষ পর্য্যন্ত সামাজিক-জাতিদম্ভবাদীসকলৰ অন্তর্ভুক্ত হয়। — ১১৪
মেকডোনাল্ড, জেমছ ৰ্যামছে (১৮৬৬-১৯৩৭) — ব্রিটিছ ৰাজনীতিবিদ আৰু ইণ্ডিপেণ্ডেণ্ট লেবাৰ পার্টি আৰু লেবাৰ পার্টিৰ অন্যতম প্রতিষ্ঠাতা আৰু নেতা। প্রথম বিশ্ব-যুদ্ধ আৰম্ভ হোৱাত শান্তিবাদী অৱস্থান গ্রহণ কৰিছিল, কিন্তু পাছলৈ সাম্রাজ্যবাদী বুর্জোৱা শ্রেণীক প্রকাশ্যে সমর্থন কৰে। একাধিক মন্ত্রীসভাৰ প্রধান মন্ত্রী আছিল। — ১১২
**মেহৰিং, ফ্রানট্‌ছ** (১৮৪৬-১৯১৯) — জার্মান ছচিয়েল-ডেমক্রেটিক পার্টিৰ বামপন্থী অংশৰ বিশিষ্ট নেতা, ইতিহাসবিদ আৰু প্রবন্ধ ৰচয়িতা। প্রথম বিশ্ব-যুদ্ধৰ সময়ত আন্তর্জাতিকতাবাদী অৱস্থান গ্রহণ কৰিছিল। জার্মানিৰ কমিউনিষ্ট পার্টিৰ অন্যতম প্রতিষ্ঠাতা। — ৩৬
**মেকলিন, জন** (১৮৭৯-১৯২৩) — ব্রিটিছ ছচিয়েলিষ্ট পার্টিৰ এজন নেতা, প্রথম বিশ্ব-যুদ্ধৰ সময়ত আন্তর্জাতিকতাবাদী। — ১১৪
**মেডিছন, ফ্রেড** (১৮৫৬-১৯৩৭) -- ইংৰাজ সমাজতন্ত্রী. বৃত্তিত ছপাশালৰ কম্পজিটৰ, ১৯০৬ চনৰপৰা ১৯১০ চনলৈ সংসদৰ সদস্য আছিল। — ৬৪

**ৰ**

**ৰাদেক, কার্ল বেৰ্ণগার্ডিচ** (১৮৮৫-১৯৩৯) — ১৯০০-ৰ দশকৰ আৰম্ভণিৰপৰা গালিছিয়া, পোলেণ্ড আৰু জার্মানিত ছচিয়েল-ডেমক্রেটিক আন্দোলনত সক্রিয় ভূমিকা গ্রহণ কৰে। প্রথম বিশ্ব-যুদ্ধৰ সময়ত আন্তর্জাতিক-তাবাদী অৱস্থান গ্রহণ কৰিছিল, মধ্যপন্থাৰ ফালে দোদুল্যমানতা আছিল। জাতিসমূহৰ আত্মনিয়ন্ত্রণৰ অধিকাৰৰ প্রশ্নত ভ্রান্ত মতামত পোষণ কৰিছিল ১৯১৭ চনত বলছেভিক পার্টিত যোগ দিয়ে আৰু ব্রেস্ত শান্তিৰ সময়ত 'বামপন্থী কমিউনিষ্ট' আছিল। ১৯২৩ চনৰ পাছৰপৰা ত্রৎস্কিপন্থী বিৰোধী-পক্ষৰ এজন সক্রিয় সদস্য আছিল। ১৯৩৬ চনত পার্টি-বিৰোধী কার্য্যকলাপৰ কাৰণে পার্টিৰপৰা বহিষ্কৃত হয়। — ১১৫
**ৰায়, মানবেন্দ্রনাথ** (১৮৮৭-১৯৫৪) — ভাৰতীয় ৰাজনীতিবিদ। ১৯১০-১৯১৫ চনত ভাৰতত ব্রিটিছ

উপনিবেশবাদীবোৰৰ বিৰুদ্ধে বৈপ্লৱিক আন্দোলনত অংশগ্ৰহণ কৰিছিল। ১৯১৫ চনত বিদেশলৈ গুচি যায় আৰু পাছত কমিউনিষ্টসকলৰ লগত যোগ দিয়ে। কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম কংগ্ৰেছত প্ৰতিনিধি আছিল। — ২০৯

**ৰাস্পুতিন (নভিখ), গ্ৰিগৰি ইয়েফিমভিচ** (১৮৭২-১৯১৬) — হাঁকাৰী ভাগ্যান্বেষী; দ্বিতীয় নিকোলাইৰ ৰাজসভাত তেওঁৰ বিৰাট প্ৰভাৱ আছিল। দিব্য-দৃষ্টি-শক্তিসম্পন্ন মহাপুৰুষৰ ভাও ধৰি ৰাজপুৰুষসকলৰ মাজত প্ৰতিষ্ঠা অৰ্জন কৰে আৰু চৰকাৰী কাম-কাজৰ ওপৰতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। ৰাস্পুতিন আৰু তেওঁৰ কীৰ্তি-কলাপৰ মাজত প্ৰতিফলিত হৈছিল জাৰতন্ত্ৰী ৰুছিয়াৰ শাসক মহলৰ পৰিপূৰ্ণ নৈতিক অধঃপতন। — ১৩৭

**ৰিয়াজানভ (গোল্ডেনদাখ), দাভিদ বৰিছভিচ** (১৮৭০-১৯৩৮) — ১৮৯০-ৰ দশকৰ আৰম্ভণিৰপৰাই এজন ছচিয়েল-ডেমক্ৰেট, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী। ১৯১৭ চনত বলছেভিক পাৰ্টিত যোগ দিয়ে। অক্টোবৰ বিপ্লৱৰ পাছত ট্ৰেড ইউনিয়ন বিষয়ৰ কাম-কাজ কৰে। ১৯১৮ চনত ব্ৰেস্ত সন্ধি স্বাক্ষৰৰ বিৰুদ্ধে থিয় দিয়ে। ১৯৩১ চনত পাৰ্টি-বিৰোধী ক্ৰিয়াকলাপৰ কাৰণে পাৰ্টিৰপৰা বহিষ্কৃত হয়। — ৩৭

**ৰেনোদেল, পিয়েৰ** (১৮৭১-১৯৩৫) — ফৰাচী সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম সংস্কাৰবাদী নেতা, প্ৰথম বিশ্বযুদ্ধৰ সময়ত সামাজিক উগ্ৰ-জাতীয়তাবাদী অৱস্থান গ্ৰহণ কৰে। — ১৩৯

**ৰেন্নাৰ, কাৰ্ল** (১৮৭০-১৯৫০) — অষ্ট্ৰীয় ৰাজনীতিবিদ, অষ্ট্ৰিয়াৰ দক্ষিণপন্থী ছচিয়েল-ডেমক্ৰেটসকলৰ নেতা আৰু তত্ত্ববিদ, আৰু সাংস্কৃতিক জাতীয় স্বায়ত্তশাসনৰ বুৰ্জোৱা-জাতীয়তাবাদী তত্ত্বৰ অন্যতম ৰচয়িতা — ৬৬

**ৰোলাণ্ড-হল্‌ষ্ট, হেনৰিয়েট** (১৮৬৯-১৯৫২) — বামপন্থী ডাচ সমাজতন্ত্ৰী, লিখিকা। প্ৰথম বিশ্ব-যুদ্ধৰ আৰম্ভণিতে মধ্যপন্থী অৱস্থান গ্ৰহণ কৰিছিল, পাছলৈ আন্তৰ্জাতিকতাবাদীসকলৰ লগত যোগ দিয়ে। — ১১৪

**ৰুহ্‌লে, অটো** (জন্ম ১৮৭৪) — জাৰ্মান বামপন্থী ছচিয়েল-ডেমক্ৰেট আৰু লিখক। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী। এই যুদ্ধ লগাৰ পাছত ৰাইখষ্টাগত প্ৰতিনিধি থাকোতে যুদ্ধ-ঋণৰ পক্ষে ভোট দিবলৈ অস্বীকাৰ কৰিছিল। — ১১৩

## ল

**ল'গে, জাঁ** (১৮৭৬-১৯৩৮) — ফৰাচী সমাজতন্ত্ৰী পাৰ্টি আৰু

দ্বিতীয় আন্তৰ্জাতিকৰ অন্যতম নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত তেওঁ সমাজতন্ত্ৰী পাৰ্টিত মধ্যপন্থীসকলক নেতৃত্ব দিয়ে। — ১৪৭

**লয়েড জৰ্জ, ডেভিড** (১৮৬৩-১৯৪৫) — ব্ৰিটিছ ৰাষ্ট্ৰনীতিজ্ঞ আৰু কূটনীতিবিদ, উদাৰপন্থী দলৰ নেতা, ১৯১৬-১৯২২ চনত প্ৰধান মন্ত্ৰী। তেওঁৰ কৰ্মনীতিৰ লক্ষ্য আছিল মধ্যপ্ৰাচ্য আৰু বলকান এলেকাত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ ঘাটিবোৰ মজবুত কৰা আৰু উপনিবেশ তথা পৰাধীন দেশবোৰত জাতীয়-মুক্তি আন্দোলন দমন কৰা। অক্টোবৰ বিপ্লৱৰ পাছত ছোভিয়েত ৰাষ্ট্ৰৰ বিৰুদ্ধে সামৰিক হস্তক্ষেপ আৰু অৱৰোধৰ কাৰণে তেওঁ অন্যতম উদ্যোক্তা আৰু সংগঠক আছিল। — ১৬৪

**লাৎছাৰি, কনষ্টানটিনো** (১৮৫৭-১৯২৭) -- ইটালীয় শ্ৰমিক শ্ৰেণীৰ আন্দোলনত এজন বিশিষ্ট ব্যক্তি, ইটালীয় সমাজতন্ত্ৰী পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী। অক্টোবৰ বিপ্লৱৰ পাছত তেওঁ ছোভিয়েত প্ৰজাতন্ত্ৰক সমৰ্থন কৰে আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ দ্বিতীয় আৰু তৃতীয় কংগ্ৰেছত অংশগ্ৰহণ কৰে। — ১১৫

**লাবুৰ্ব, জিন** (১৮৭৯-১৯১৯) — ফৰাচী নাৰী-কমিউনিষ্ট। ১৯১৯ চনৰ ফেব্ৰুৱাৰীৰপৰা তেওঁ ওদেছাত ফৰাচী নাবিক আৰু সৈন্যসকলৰ মাজত গোপনে কাম কৰিছিল। ওদেছাত যি অভ্যুত্থানৰ প্ৰস্তুতি চলোৱা হৈছিল তাৰ আগে আগে ফৰাচী প্ৰতি-গুপ্তচৰ বিভাগে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু গুলীয়াই হত্যা কৰে। — ১৭৯

**লিব্ডাগেন, কাৰ্ল** (১৮৬০-১৯৪৬) — ছুইডিছ ছচিয়েল ডেমক্ৰেট, আৰু ৰাজনীতিবিদ। — ১১৪

**লিব্‌ক্নেখ্‌ট, কাৰ্ল** (১৮৭১-১৯১৯) — জাৰ্মান আৰু আন্তৰ্জাতিক বিপ্লৱী শ্ৰমিক শ্ৰেণীৰ আন্দোলনত বিশিষ্ট ব্যক্তি। জাৰ্মানিৰ কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা, সুবিধাবাদ আৰু সমৰবাদৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজ চলায়। ১৯১৯ চনৰ ১৫ জানুৱাৰীত সেনবাহিনীৰ এদল বিষয়াই তেওঁক নিৰ্মমভাৱে হত্যা কৰে। — ৩৭, ১১৩

**লুক্সেমবুৰ্গ, ৰোজা** (১৮৭১-১৯১৯) — আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীৰ আন্দোলন আৰু দ্বিতীয় আন্তৰ্জাতিকৰ বিখ্যাত নেত্ৰী। জাৰ্মান কমিউনিষ্ট পাৰ্টিৰ অন্যতমা প্ৰতিষ্ঠাতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰিছিল। ১৯১৯ চনত ছাইডেমান চৰকাৰৰ নিৰ্দেশত তেওঁক হত্যা কৰা হয়। — ১১৪

**লেগিন, কাৰ্ল** (১৮৬১-১৯২০) — জাৰ্মান দক্ষিণপন্থী ছচিয়েল-ডেমক্ৰেট আৰু এজন

সংশোধনবাদী ট্ৰেড ইউনিয়ন নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত চূড়ান্ত সামাজিক-জাতিদম্ভবাদী অভিমত প্ৰকাশ কৰে। — ৭৮

**লেন্শ, পল** (১৮৭৩-১৯২৬) — জাৰ্মান ছচিয়েল-ডেমক্ৰেট, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত চূড়ান্ত উগ্ৰ-জাতীয়তাবাদী নীতি অনুসৰণ কৰে। — ৫২

**লেডেবুৰ, গেওৰ্গ** (১৮৫০-১৯৪৭) — জাৰ্মান সমাজতন্ত্ৰী আন্দোলনত প্ৰবীণতম অংশগ্ৰহণকাৰীসকলৰ মাজৰ এজন; ১৯০০-১৯১৮ চনত ৰাইখষ্টাগত প্ৰতিনিধি আছিল। প্ৰথম বিশ্ব-যুদ্ধ লগাৰ পাছত ছচিয়েল-ডেমক্ৰেট ৰাইখষ্টাগ গোষ্ঠীৰ লগত একেলগে তেওঁ যুদ্ধ-ঋণৰ পক্ষে ভোট দিয়ে। ১৯১৭ চনত জাৰ্মানিৰ স্বতন্ত্ৰ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টিৰ অন্যতম নেতা। — ১১২

**লেডেৰ, ভি. এল.** (১৮৮২-১৯৩৮) — পোলিছ ছচিয়েল-ডেমক্ৰেট আৰু লিখক, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদীসকলৰ লগত যোগ দিয়ে। — ২৯

**লৌভি, পল (হাৰ্টষ্টাইন)** (১৮৮৩-১৯৩০) — জাৰ্মান বামপন্থী ছচিয়েল-ডেমক্ৰেট, 'স্পাৰ্টাকাছ লীগ'ৰ সদস্য। প্ৰথম মহাসমৰৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। জাৰ্মান কমিউনিষ্ট পাৰ্টি প্ৰতিষ্ঠা হোৱাৰ দিনৰেপৰাই ১৯২১ চনলৈকে তেওঁ কমিউনিষ্ট পাৰ্টিৰ সদস্য আছিল; ১৯২১ চনত উপদলীয় কাৰ্যকলাপৰ কাৰণে তেওঁক পাৰ্টিৰপৰা বহিষ্কাৰ কৰা হয়। — ৩৭

**লোৰিও, ফাৰ্ডিনাণ্ড** (১৮৭০-১৯৩০) — ফৰাচী সমাজতন্ত্ৰী, প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী। — ১৬১

## স

**স্কবেলেভ, মাতভেই ইভানভিচ** (১৮৮৫-১৯৩৮) — ছচিয়েল-ডেমক্ৰেট আৰু মেনছেভিক, প্ৰথম মহাসমৰৰ সময়ত সামাজিক-জাত্যাভিমানী অৱস্থান গ্ৰহণ কৰে। ১৯১৭ চনত তেওঁ অস্থায়ী চৰকাৰৰ শ্ৰম-মন্ত্ৰী আছিল। — ৭৩

**স্তেক্লভ, ইউৰি মিখাইলভিচ** (১৮৭৩-১৯৪১) — বুৰ ছচিয়েল-ডেমক্ৰেট আৰু বুদ্ধিজীৱী বিপ্লৱী। ১৯১৭ চনৰ ফেব্ৰুৱাৰী বিপ্লৱৰ পাছত তেওঁ 'বৈপ্লৱিক প্ৰতিৰক্ষাৰ' অৱস্থান গ্ৰহণ কৰে। — ৩৭

**ষ্টাউনিং থৰভাল্ড** (১৮৭৩-১৯৪২) — ডেনিছ ছচিয়েল-ডেমক্ৰেটিক পাৰ্টি আৰু দ্বিতীয় আন্তৰ্জাতিকৰ অন্যতম দক্ষিণপন্থী নেতা। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। একাধিক বুৰ্জোৱা চৰকাৰৰ সদস্য আৰু প্ৰধান মন্ত্ৰীও হৈছিল। — ১১০, ১১৪

**স্মৌবেল, হাইনৰিখ** (১৮৬৯-

১৯৪৫) — জাৰ্মান ছচিয়েল-ডেমক্ৰেট, প্ৰথম বিশ্ব-যুদ্ধৰ আৰম্ভণিতে আন্তৰ্জাতিকতাবাদী অৱস্থান গ্ৰহণ কৰিছিল, 'ইণ্টাৰনেছনেল' কাকতত প্ৰবন্ধ-পাতি লিখিছিল; কিন্তু পাছত কাউৎস্কিপন্থীসকলৰ লগত যোগ দিয়ে। — ১৪৪

**ষ্ট্ৰম, ফ্ৰেডেৰিখ** (১৮৮০-১৯৪৮)— ছুইডিছ বামপন্থী ছচিয়েল-ডেমক্ৰেট, লিখক। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী। — ১১৪

**স্নোডেন, ফিলিপ** (১৮৬৪-১৯৩৭) — ব্ৰিটিছ ৰাজনীতিজ্ঞ, আগতে ইণ্ডিপেণ্ডেণ্ট লেবাৰ পাৰ্টিত বিশিষ্ট ব্যক্তি আছিল, সুবিধাবাদী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী অৱস্থান গ্ৰহণ কৰে। — ১১২

**স্মিৰ্নভ, ওৱাই. (গুৰেভিচ, এমানুইল ল্‌ভোভিচ)** (জন্ম ১৮৬৫) — ছচিয়েল-ডেমক্ৰেট আৰু মেনছেভিক বিলুপ্তিপন্থী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে। — ৩২

## হ

**হগ্‌লুণ্ড, কাৰ্ল ছেট কনষ্টাণ্টিন** (১৮৮৪-১৯৫৬) — ছুইডেনত ছচিয়েল-ডেমক্ৰেটসকলৰ বামপন্থী অংশ আৰু যুৱক আন্দোলনৰ নেতা। তেওঁ আছিল এজন অধ্যাপক, লিখক আৰু ৰিক্সডাগৰ (সংসদৰ) সদস্য। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত আন্তৰ্জাতিকতাবাদী আছিল। তেওঁ ছিমেৰ্ভাল্ড সন্মিলনত যোগ দিছিল তাত বামপন্থী গোষ্ঠীৰ লগত সহযোগিতা কৰিছিল। — ৭২

**হহেনচ্‌ছলাৰ্ন** — জাৰ্মান সম্ৰাটসকলৰ বংশ। — ১০১

**হাইণ্ডমেন, হেনৰি মেয়াৰ্ছ** (১৮৪২-১৯২১) — ব্ৰিটিছ সমাজতন্ত্ৰী, সংস্কাৰবাদী। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী অৱস্থান গ্ৰহণ কৰে, আৰু ১৯১৬ চনত তেওঁৰ এই অৱস্থানক গৰিহণা দিয়াৰ পাছত তেওঁ ব্ৰিটিছ ছচিয়েলিষ্ট পাৰ্টি ত্যাগ কৰে। — ৩৬

**হেণ্ডাৰছন, আৰ্থাৰ** (১৮৬৩-১৯৩৫) — ব্ৰিটিছ শ্ৰমিক আন্দোলনৰ অন্যতম সুবিধাবাদী নেতা। ১৯০৮-১৯১০ আৰু ১৯১৪-১৯১৭ চনৰ কালছোৱাত লেবাৰ পাৰ্টিৰ চেয়াৰমেন আছিল আৰু একাধিক মন্ত্ৰীসভাৰ সদস্য হৈছিল। — ৩১

**হেনিছ, কনৰাড** (১৮৭৬-১৯২৫) — জাৰ্মান ছচিয়েল-ডেমক্ৰেট আৰু প্ৰবন্ধ ৰচয়িতা; প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাত্যভিমানী অৱস্থান গ্ৰহণ কৰে। — ৫২

**হাইনে ভোলফ্‌গাং** (১৮৬১-১৯৪৪) — জাৰ্মান দক্ষিণপন্থী ছচিয়েল-ডেমক্ৰেট আৰু সংশোধনবাদী; প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভবাদী। — ৬৭

**হাজে, হ্যুগো** (১৮৬৩-১৯১৯) — জার্মান ছচিয়েল-ডেমক্রেটিক পার্টিৰ অন্যতম সুবিধাবাদী নেতা, জার্মানিৰ স্বতন্ত্ৰ ছচিয়েল-ডেমক্রেটিক পার্টিৰ অন্যতম প্রতিষ্ঠাতা। — ৪৩

**হার্টষ্টাইন** — লেভি পল চাওক। — ১১৮

**হার্ডি, জেমছ কেইৰ** (১৮৫৬-১৯১৫) — ব্রিটিছ শ্রমিক আন্দোলনত বিশিষ্ট ব্যক্তি, সংস্কাৰবাদী। ইণ্ডিপেণ্ডেণ্ট লেবাৰ পার্টি আৰু লেবাৰ পার্টিৰ অন্যতম প্রতিষ্ঠাতা। প্রথম বিশ্ব-যুদ্ধৰ আৰম্ভণিৰ সময়তে তেওঁ মধ্যপন্থী অৱস্থান গ্রহণ কৰিছিল, কিন্তু পাছত সামাজিক-জাত্যাভিমানীসকলৰ লগত যোগ দিয়ে। — ৩৬

**হিউছ্‌মান্‌ছ, কামিল** (১৮৭১-১৯৬৮) — বেলজিয়ান শ্রমিক শ্রেণীৰ আন্দোলনৰ অন্যতম প্রবীণ নেতা; ১৯০৪-১৯১৯ চনত দ্বিতীয় আন্তৰ্জাতিকৰ আন্তৰ্জাতিক ছচিয়েলিষ্ট ব্যুৰোৰ সম্পাদক। প্রথম বিশ্ব-যুদ্ধৰ সময়ত মধ্যপন্থী অৱস্থান গ্রহণ কৰে। — ৪৫

**হিণ্ডেনবৃৰ্গ, পল** (১৮৪৭-১৯৩৪) — জার্মান জেনাৰেল আৰু ৰাষ্ট্ৰনীতিজ্ঞ। প্রথম বিশ্ব-যুদ্ধৰ সময়ত পূৰ্ব ৰণাঙ্গনত জার্মান বাহিনীৰ অধিনায়ক, পাছত জেনাৰেল ষ্টাফৰ প্রধান হয়। ১৯২৫-১৯৩৪ চনৰ কালছোৱাত ৱাইমাৰ প্রজাতন্ত্ৰৰ প্রেচিডেণ্ট আছিল।— ৬৪

**হিলকুইট, মৰিছ** (১৮৬৯-১৯৩৩) — সংস্কাৰবাদী আমেৰিকান ছচিয়েলিষ্ট পার্টিৰ অন্যতম প্রতিষ্ঠাতা; প্রথমতে মাৰ্ক্সবাদৰ প্রতি অনুগত আছিল, কিন্তু পাছত সংস্কাৰবাদ আৰু সুবিধাবাদৰ ফালে ঢাল খায়।— ১১২

**হিলমেন, ছিডনি** (১৮৮৭-১৯৪৬) — আমেৰিকান ট্রেড ইউনিয়ন আন্দোলনৰ সক্রিয় সদস্য। ১৯২২ চনত তেওঁ ৰুছ-আমেৰিকান ঔদ্যোগিক নিগমৰ সভাপতি আছিল; ছোভিয়েত ৰুছিয়াৰ অৰ্থনৈতিক পুনৰ্বাসনত সাহায্য কৰাৰ উদ্দেশ্যে মাৰ্কিন শ্রমিকসকলৰ পুঁজিৰে এই নিগম গঠিত হৈছিল। — ৮৭

**হেইলমান, আৰ্ণষ্ট** (১৮৮১-১৯৪০) — জার্মান দক্ষিণপন্থী ছচিয়েল-ডেমক্রেট আৰু প্রবন্ধ ৰচয়িতা। প্রথম বিশ্ব-যুদ্ধৰ সময়ত সামাজিক-জাতিদম্ভৰ অৱস্থান গ্রহণ কৰে। — ২০৩